S 01 (M)

দুবছৰীয়া স্নাতকোত্তৰ পাঠ্যক্ৰম

(চি. বি. চি. এচ; এন ই পি ২০২০ অনুসৰি)

প্ৰথম ষাণ্মাসিক

পাশ্চাত্য ৰাজনৈতিক চিন্তা

ৰাজনীতি বিজ্ঞান

সূর্য কুমাৰ ভূঞা সমাজ বিজ্ঞান অধ্যয়ন সত্ৰ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ

অধ্যাপক ধ্রুৱ প্রতিম শর্মা, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক জ্যোতিৰাজ পাঠক, বড়োলেণ্ড বিশ্ববিদ্যালয়
ড° শান্তনু চক্রৱর্তী (অৱসৰপ্রাপ্ত), কটন বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষীঃ ড° অভিজিৎ ভূঞা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
১, ২	ড° অর্পিতা দাস, প্রাগজ্যোতিষ মহাবিদ্যালয়, গুৱাহাটী	ভৃগু কলিতা, ৰত্নপীঠ মহাবিদ্যালয় (অধ্যায় ১, ২, ৪, ১৩)
৩	ড° দাদুল দেউৰী, পূৱ কামৰূপ মহাবিদ্যালয়	মৃণাল শর্মা, লামডিং মহাবিদ্যালয় (অধ্যায় ৩)
৪, ১০	ড° জিলি সৰকাৰ, কটন বিশ্ববিদ্যালয়, গুৱাহাটী	ড° কৃষ্ণাংগী শইকীয়া, গুৱাহাটী (অধ্যায় ৫, ৯)
৫, ৬	নিলমী কোঁৱৰ, ৰয়েল গ্ল'বেল বিশ্ববিদ্যালয়, গুৱাহাটী	ড° দুলেন হাজৰিকা, KKHSOU (অধ্যায় ৬, ১৪)
৭, ১১	ড° ডেইজী ৰাণী তালুকদাৰ, আইকণ একাডেমী, গুৱাহাটী	গীতাঞ্জলী মেধী, KKHSOU (অধ্যায় ৭,৮,১০,১১,১২)
৮	অধ্যাপক জ্যোতিৰাজ পাঠক, বড়োলেণ্ড বিশ্ববিদ্যালয়, কোকৰাঝাৰ	
৯	ড° আমৰীণ ৰাজ্জাক, গুৱাহাটী	
১২, ১৩	কৃষ্ণামণি শর্মা, জে. বি. আইন মহাবিদ্যালয়, গুৱাহাটী	
১৪	ড° চাবৰিণা ইকবাল চৰকাৰ, প্রাগজ্যোতিষ মহাবিদ্যালয়, গুৱাহাটী	

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ অধ্যাপক জয়ন্ত কৃষ্ণ শর্মা, গুৱাহাটী বিশ্ববিদ্যালয়
ভাষা সম্পাদনা ঃ কুশল শর্মা, গুৱাহাটী
গাঁথনিক সম্পাদনা ঃ ড° অভিজিৎ ভূঞা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

ISBN No. 978-93-87940-11-6

জানুৱাৰী, ২০২৫

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-NonCommercial-ShareAlike4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা **দূৰ শিক্ষা ব্যুৰো, বিশ্ববিদ্যালয় অনুদান আয়োগৰ** ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণীগেট, গুৱাহাটী-৭৮১০১৭
নগৰ কার্যালয় ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী-৭৮১০২২
Web : www.kkhsou.in

বিষয় সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ প্লেটোৰ ন্যায় তত্ত্ব আৰু আদর্শ ৰাষ্ট্র ৭-১৯

প্লেটোৰ ন্যায় তত্ত্ব ঃ প্লেটোৰ দর্শনৰ প্রভাৱ, প্লেটোৰ ন্যায় তত্ত্ব, প্লেটোৰ ন্যায় তত্ত্বৰ প্রাথমিক নীতিসমূহ, প্লেটোৰ ন্যায় - সমালোচনা; প্লেটোৰ আদর্শ ৰাষ্ট্র ঃ আদর্শ ৰাষ্ট্রৰ সমালোচনা।

অধ্যায় ২ ঃ এৰিষ্টটল — নাগৰিকত্ব আৰু বিপ্লৱ ২০-৩০

নাগৰিকত্বত এৰিষ্টটলৰ মন্তব্য ঃ নাগৰিকত্বৰ অপ্রয়োজনীয় যোগ্যতা, নাগৰিকত্বৰ প্রয়োজনীয় যোগ্যতা, নাগৰিকৰ কর্তব্য, নাগৰিকত্বৰ বাহিৰৰ শ্রেণীবোৰ, এৰিষ্ট্রটলৰ নাগৰিকত্ব ধাৰণাৰ সমালোচনা; এৰিষ্টটলৰ বিপ্লৱ সম্পর্কে মন্তব্য ঃ বিপ্লৱৰ কাৰণ, বিপ্লৱৰ প্রতিৰোধ।

অধ্যায় ৩ ঃ গীর্জা আৰু ৰাজ্য ঃ চেণ্ট অগাষ্টিন আৰু চেণ্ট থমাছ একুইনাছ ৩১-৪২

চেণ্ট অগাষ্টিনৰ ধাৰণা (৩৫৪-৪৩০ খ্রীষ্টাব্দ) ঃ চেণ্ট আগষ্টিনৰ দুখন চহৰৰ ধাৰণা, ৰাষ্ট্র আৰু গীর্জাৰ ওপৰত চেণ্ট অগাষ্টিনৰ মতামত, শান্তি আৰু ন্যায়ৰ ওপৰত চেণ্ট অগাষ্টিনৰ মতামত, চেণ্ট অগাষ্টিনৰ অৱদান; চেণ্ট থমাছ একুইনাছৰ ধাৰণা (১২২৫-১২৭৪) ঃ চেণ্ট থমাছ একুইনাছৰ ৰাষ্ট্রৰ ওপৰত মতামত চৰকাৰৰ শ্রেণীবিভাজন আৰু ৰাজতন্ত্রৰ ওপৰত চেণ্ট থমাছ একুইনাছৰ মতামত; সার্বভৌমত্ব আৰু আইন সম্পর্কে চেণ্ট থমাছ একুইনাছৰ মতামত, গীর্জা আৰু ৰাষ্ট্রৰ ওপৰত চেণ্ট থমাছ একুইনাছৰ মতামত, ৰাজনৈতিকত চিন্তাধাৰালৈ থমাছ একুইনাছৰ অৱদান।

অধ্যায় ৪ ঃ নিকোলো মেকিয়াভেলি ৪৩-৫৪

মেকিয়াভেলি ঃ তেওঁৰ সময়ৰ শিশু আৰু নৱজাগৰণৰ শিশু, পদ্ধতি; মেকিয়াভেলি ৰাষ্ট্রৰ কাৰণ আৰু ৰাজনৈতিক ক্ষমতা; মানুহৰ আচৰণত মেকিয়াভেলিৰ মন্তব্য; মেকিয়াভেলিৰ নৈতিকতাৰ দ্বৈত মানদণ্ড; ৰাজকুমাৰক মেকিয়াভেলিৰ পৰামর্শ; মেকিয়াভেলিৰ গণতন্ত্রবাদ; সমালোচনাত্মক প্রশংসা।

অধ্যায় ৫ ঃ বাক্তিবাদ আৰু উদাৰতাবাদ — থমাছ হবছ, জন লক আৰু জ্যাঁ জাক ৰুছ' ৫৫-৬৫

থমাছ হবছ; জ্যাঁ জাক; জিন জেক ৰুছ'; ব্যক্তিবাদ আৰু উদাৰতাবাদ।

অধ্যায় ৬ ঃ উপযোগিতাবাদ- জেৰেমি বেন্থাম আৰু জন ষ্টুৱার্ট মিল ৬৬-৭৪

জেৰেমি বেন্থাম; বেন্থাম ঃ উপযোগিতাবাদ সম্পর্কে মতামত; জন ষ্টুৱার্ট মিল; জনষ্টুয়াট মিল ঃ উপযোগিতাবাদ সম্পর্কে মতামত।

অধ্যায় ৭ ঃ ইংলিচ আদর্শবাদ - টি. এইচ. গ্রীন ৭৫-৯১

টি.এইচ.গ্রীন আৰু ইংলিচ আদর্শবাদ; ৰাষ্ট্র সম্পর্কে গ্রীনৰ দৃষ্টিভংগী; স্বাধীনতা আৰু অধিকাৰ সম্পর্কে গ্রীনৰ দৃষ্টিভংগী ঃ স্বাধীনতা সম্পর্কে গ্রীনৰ দৃষ্টি ভংগী, অধিকাৰ সম্পর্কে গ্রীনৰ দৃষ্টিভংগী; যুদ্ধ সম্পর্কে গ্রীনৰ দৃষ্টিভংগী; গ্রীনে পোষকতা কৰা আন প্রধান ধাৰণাসমূহ ঃ শান্তি সম্পত্তি, প্রাকৃতিক নিয়ম আৰু সমাজ; গ্রীনৰ এক মূল্যায়ন।

অধ্যায় ৮ ঃ ইউটোপিয়ান সমাজবাদ- ৰ'বার্ট অ'ৱেন ৯২-১০২

ৰ'বার্ট অ'ৱেন আৰু ইউটোপিয়ান সমাজবাদ ঃ ইউটোপিয়ান সমাজবাদৰ ধাৰণা; ৰ'বার্ট অ'ৱেনৰ দৃষ্টিভংগী।

অধ্যায় ৯ ঃ কার্ল মার্ক্স — ঐতিহাসিক বস্তুবাদ আৰু শ্রেণী সংগ্রাম ১০৩-১১০

ঐতিহাসিক বস্তুবাদ; শ্রেণী-সংগ্রাম; ৰাষ্ট্রৰ মার্ক্সবাদী দৃষ্টিভংগী।

অধ্যায় ১০ ঃ ক্রমবিকাশবাদী সমাজবাদ-এডুৱার্ড বার্নষ্টেইন ১১১-১২৬

এডুৱার্ড বার্নষ্টেইন আৰু সংশোধনবাদ; 'অকার্যকৰ অৱস্থা তত্ত্ব' সম্পর্কে বার্নষ্টেইনৰ দৃষ্টিভংগী; শ্রেণী সংৰচনা আৰু শ্রেণী যুদ্ধ সম্পর্কে বার্নষ্টেইনৰ দৃষ্টিভংগী; দ্বন্দ্বাত্মক আৰু ঐতিহাসিক বস্তুবাদ সম্পর্কে বার্নষ্টেইনৰ দৃষ্টিভংগী; উদ্বৃত্ত মূল্য সম্পর্কে বার্নষ্টেইনৰ দৃষ্টিভংগী; সমালোচনাত্মক মূল্যায়ন।

অধ্যায় ১১ ঃ ফেবিয়ানবাদ-হেন্ৰী জ'র্জ ১২৭-১৪০

ফেবিয়ানবাদৰ অর্থ; ফেবিয়ানবাদৰ প্রভাৱ বিস্তাৰ কৰাৰ এক প্রধান উৎসৰূপে হেন্ৰী জ'র্জৰ ভূমিকা; হেন্ৰী জ'র্জৰ বিতৰণ তত্ত্ব, একক কৰ আৰোপ তত্ত্ব, মানৱ প্রগতিৰ নিয়ম, হেন্ৰী জ'র্জৰ দৃষ্টিভংগীৰ এক অৱলোকন।

অধ্যায় ১২ ঃ নৈৰাজ্যবাদ- জোচেফ প্রাউডহ'ন আৰু পিটাৰ ক্রোপোট্কিন ১৪১-১৫৫

অর্থ আৰু সংজ্ঞা; নৈৰাজ্যবাদৰ বৈশিষ্ট্য- অৰাজকতাবাদী সমাজৰ বৈশিষ্ট্য ঃ অৰাজকতাবাদৰ বৈশিষ্ট্য, অৰাজকতাবাদী সমাজৰ বৈশিষ্ট্য; জোচেফ প্রাউডহ'ন আৰু পিটাৰ ক্রোপোট্কিন; অৰাজকতাবাদৰ সমালোচনা।

অধ্যায় ১৩ ঃ ফেচিবাদ ১৫৬-১৬৪

ফেচিবাদৰ অর্থ আৰু সংজ্ঞা; ফেচিবাদৰ বৈশিষ্ট্য ঃ ফেচিবাদৰ কর্তন।

অধ্যায় ১৪ ঃ মিচেল ফ'ক' আৰু নোয়াম চমস্কি ১৬৫-১৭৩

ক্ষমতা সম্পর্কে মিচেল ফ'ক'ৰ মতামত; 'জ্ঞানেই হৈছে শক্তি' সম্পর্কে মিচেল ফ'ক'ৰ মতামত; সন্মতি নির্মাণ আৰু প্রচাৰ সম্পর্কে নোয়াম চমস্কিৰ মতামত।

পাঠ্যবিষয় পৰিচয়

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিষয়ৰ স্নাতকোত্তৰ প্ৰথম ষাণ্মাসিকৰ এইটো হ'ল দ্বিতীয় পাঠ্যবিষয়। পাঠ্যবিষয়টোৰ শিৰোনাম হ'ল 'পাশ্চাত্য ৰাজনৈতিক চিন্তা'। শিক্ষার্থীসকলক ধ্ৰুপদী যুগৰ পৰা আধুনিক যুগলৈকে ৰাজনীতি বিজ্ঞানৰ জগতখনত নিজৰ প্ৰভাৱ অক্ষুণ্ণ ৰখা পশ্চিমীয়া দেশবোৰৰ কেইগৰাকীমান প্ৰসিদ্ধ ৰাজনৈতিক চিন্তাবিদৰ দৰ্শন আৰু চিন্তা-চৰ্চাৰ সৈতে পৰিচয় কৰাই দিব পৰাকৈ এই পাঠ্যবিষয়টোৰ আৰ্হি যুগুত কৰা হৈছে। ইতিহাস নিৰ্মাণৰ ভিন ভিন স্তৰত ক্ৰিয়াশীল হৈ থকা পাশ্চাত্যৰ ৰাজনৈতিক চিন্তা-দৰ্শনৰ সামগ্ৰিক পৰিসৰটোৰ বিকাশ তথা ব্যাপ্তিত এই স্বনামধন্য লেখক-চিন্তাবিদসকলৰ চিন্তা-ধাৰণা আৰু দৰ্শনে অতুলনীয় অৱদান আগবঢ়াইছে।

প্ৰাচীন গ্ৰীছৰ সবাতোকৈ প্ৰভাৱশালী আৰু মহান দাৰ্শনিকসকলৰ তালিকাৰ শীৰ্ষত থকা প্লেট'ৰ চিন্তা-ধাৰণা আৰু দৃষ্টিভংগীৰ আলোচনাৰে পাঠ্যবিষয়টোৰ পাতনি মেলা হৈছে। এখন আদৰ্শ ৰাষ্ট্ৰৰ প্ৰকৃতি আৰু উপাদানৰ বিষয়ে বিস্তৃত অন্বেষণ কৰি প্লেট'ই ৰচনা কৰা 'দ্য ৰিপাব্লিক' নামৰ গ্ৰন্থখনে সমগ্ৰ বিশ্বৰে ৰাজনৈতিক চিন্তাধাৰাৰ বিকাশত আজিলৈকে সুগভীৰ প্ৰভাৱ বিস্তাৰ কৰি আছে। পাঠ্যবিষয়টোত প্লেট'ৰ প্ৰিয় শিষ্য এৰিষ্ট'ট'লৰ নাগৰিকত্ব তথা বিপ্লৱ সম্পৰ্কে থকা দৃষ্টিভংগীও আলোচনা কৰা হৈছে। প্লেট' আৰু এৰিষ্ট'ট'লৰ ৰাজনৈতিক চিন্তা তথা দৰ্শনক সমগ্ৰ পশ্চিমীয়া দাৰ্শনিক পৰম্পৰাৰ আধাৰ বুলি স্বীকৃতি দিয়া হৈছে।

ইয়াৰ পাচতেই পাঠ্যবিষয়টোত মধ্যযুগীয় ৰাজনৈতিক চিন্তা সম্পৰ্কে আলোচনা কৰা হৈছে। মধ্যযুগৰ পশ্চিমীয়া সমাজখনৰ ৰাজনৈতিক চিন্তাধাৰাক ধৰ্মতাত্ত্বিক পৰম্পৰাই গভীৰভাৱে আচ্ছন্ন কৰি ৰাখিছিল। এই শিতানত সেই যুগৰ দুগৰাকী প্ৰভাৱশালী খৃষ্টিয়ান চিন্তাবিদ চেইণ্ট থমাছ একুইনাচ্ আৰু চেইণ্ট আগষ্টাইনৰ বিষয়ে আলোচনা কৰা হৈছে। ৰাষ্ট্ৰ নিৰ্মাণৰ কলা সম্পৰ্কীয় চিন্তা-ধাৰণাৰ উন্মেষৰ কৃতিত্ব দাবী কৰা চিন্তাবিদ নিক'ল' মেকিয়াভেলীৰ দৃষ্টিভংগীৰ আলোচনাৰে পাঠ্যবিষয়টো আগবঢ়াই নিয়া হৈছে। মানুহৰ প্ৰকৃতি সম্পৰ্কে মেকিয়াভেলীয়ে পোষণ কৰা দৃষ্টিভংগী আৰু ৰাজকুমাৰসকলৰ প্ৰতি তেওঁ আগবঢ়োৱা উপদেশবোৰৰ আলোচনাক এই পাঠ্যবিষয়টোত স্থান দিয়া হৈছে।

ইয়াৰ পাচতেই ব্যক্তিবাদ আৰু উদাৰবাদৰ দৰে ধাৰণাবোৰৰ ৰূপত যিকোনো সমাজৰে সামূহিক জীৱনক পৰিচালিত কৰা চিন্তা তথা অনুশীলনবোৰক পাঠ্যবিষয়ৰ আলোচনাই সামৰি লৈছে। এই ধাৰণাবোৰৰ বিকাশৰ পথ সুগম কৰি তোলা চিন্তাবিদ থমাছ হ'বচ্, জন লক্ আৰু জ্যাঁ জেক ৰুছোৰ দৃষ্টিভংগী হ'ল এই শিতানৰ আলোচ্য বিষয়।

পাশ্চাত্যৰ ৰাজনৈতিক চিন্তাক গতি দিয়া এটা মৌলিক ধাৰণা হ'ল উপযোগিতাবাদ। এই ধাৰণাৰ মূল লক্ষ্য হ'ল সৰ্বাধিকৰ বাবে মহত্ত্বম কল্যাণ সুনিশ্চিত কৰা। চিন্তাবিদ জেৰেমী বেন্থাম আৰু জন ষ্টুৱার্ট মিলে নিজ নিজ ৰাজনৈতিক দৰ্শনত উপযোগিতাবাদৰ নীতি সম্পৰ্কে কেনে দৃষ্টিভংগী উপস্থাপন কৰিছিল পাঠ্যবিষয়টোত অন্তর্ভুক্ত অধ্যায়ত সেয়া আলোচনা কৰা হৈছে। টি. এইছ. গ্ৰীন হ'ল পাঠ্যবিষয়ে সামৰি লোৱা এগৰাকী আদৰ্শবাদী চিন্তাবিদ। তেওঁ ৰাজনীতিত এক মানৱতাবাদী পন্থা গ্ৰহণৰ পোষকতা কৰিছিল আৰু মানুহৰ অধিকাৰ তথা স্বাধীনতাৰ দৰে বিষয়ত নিজৰ মতামত দাঙি ধৰিছিল।

পূৱ ইউৰোপ আৰু গ্ৰেট বৃটেইনত উত্তৰ-ঔদ্যোগিকীকৰণ যুগত কিছুমান অভূতপূৰ্ব ৰাজনৈতিক চিন্তা-ধাৰণাৰ উন্মেষ ঘটিছিল। এই চিন্তা-ধাৰণাৰ সমৰ্থকসকলে মানুহৰ নৈতিক সংস্কাৰ সাধনত জোৰ দি এক কাল্পনিক (ইউটোপিয়ান) সমাজবাদ প্ৰতিষ্ঠাৰ পোষকতা কৰিছিল। পাঠ্যবিষয়ত কাল্পনিক সমাজবাদৰ ধাৰণাটোৰ লগতে চিন্তাবিদ ৰ'বার্ট অ'ৱেনৰ দৃষ্টিভংগী বহলাই আলোচনা কৰা হৈছে।

ইয়াৰ পাছতেই পাঠ্যবিষয়টোত আধুনিক যুগৰ সবাতোকৈ প্ৰভাৱশালী ৰাজনৈতিক চিন্তাবিদ কার্ল মার্ক্সৰ দৃষ্টিভংগীত

আলোকপাত কৰা হৈছে। ঐতিহাসিক বস্তুবাদ আৰু শ্ৰেণী সংগ্ৰামৰ তত্ত্ব হ'ল মাৰ্ক্সে উপস্থাপন কৰা দুটা বহুল চৰ্চিত ধাৰণা। পাঠ্যবিষয়টোত আলোচনাৰ বাবে লোৱা পশ্চিমীয়া ৰাজনৈতিক চিন্তাৰ অন্তৰ্গত আন দুটামান গুৰুত্বপূৰ্ণ ধাৰণা হ'ল এডুৱার্ড বার্ণষ্টেইনৰ ক্ৰমবিৱৰ্তনবাদী সমাজবাদ আৰু হেনৰী জ'র্জৰ ফেবিয়ানবাদ। ইয়াৰ উপৰি পাশ্চাত্যৰ ৰাজনৈতিক চিন্তাৰ জগতখনত নিজৰ স্থান দখল কৰা অৰাজকতাবাদৰ ধাৰণাটোও পাঠ্যবিষয়ৰ আলোচনাত সামৰি লোৱা হৈছে। এই ধাৰণাটোৰ সৈতে যুক্ত দুটা সঘনে উচ্চাৰিত নাম হ'ল জোছেফ প্ৰাউডহ'ন্ আৰু পিটাৰ ক্ৰ'প'ট্‌কিন। পাঠ্যবিষয়ত সন্নিৱিষ্ট অধ্যায়ত আপুনি তেওঁলোকৰ দৃষ্টিভংগী সম্পৰ্কে অধ্যয়ন কৰাৰ সুযোগ পাব। সমসাময়িক ৰাজনৈতিক চিন্তাজগতৰ দুগৰাকী অগ্ৰণী চিন্তাবিদ মাইকেল ফ'কাল্ট আৰু ন'ৱাম চোম্স্কীৰ চিন্তাধাৰাৰ আলোচনাৰে এই পাঠ্যবিষয়টোৰ সামৰণি মৰা হৈছে।

এই খণ্ডটি অধ্যয়ন কৰোঁতে আপুনি প্ৰত্যেকটো অধ্যায়তে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবাকচবোৰ কিছুমান হৈছে 'জানি থোৱা ভাল' শব্দকেইটাৰ উল্লেখ থকা বাকচ। এই বাকচসমূহত মূল পাঠৰ সৈতে জড়িত কিছুমান গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। কোনো কোনো অধ্যায়ত 'চিন্তা-চৰ্চা কৰক' শীৰ্ষক বাকচত নিৰ্দিষ্ট পাঠ্যবিষয় অধ্যয়নৰ কিছুমান ব্যৱহাৰিক দিশ উত্থাপিত হৈছে যাতে সেই দিশসমূহৰ অনুশীলনীৰ মাধ্যমেদি শিক্ষার্থীয়ে সেই সম্পৰ্কীয় বিশ্লেষণাত্মক আলোচনা আগবঢ়াব পাৰে। আকৌ 'অগ্ৰগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতিৰ সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অৱশ্যে 'অগ্ৰগতিৰ ক্ষতিয়ান' শীৰ্ষক শাখাটোত 'অগ্ৰগতি নিৰীক্ষণ'ৰ প্ৰশ্নাৱলীৰ উত্তৰ নিদি কেৱল উত্তৰসমূহৰ ৰূপ ৰেখা দিয়া হৈছে। তাৰ আধাৰত শিক্ষার্থীয়ে উত্তৰসমূহ লিখি উলিয়াব লাগিব। অধ্যায়ত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শাখাত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথি স্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটামান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। খণ্ডটোৰ শেষত 'প্ৰসংগ পুথি' সমূহৰ নাম উল্লেখ কৰা হৈছে। সেইকেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্ৰস্তুত কৰা হৈছে। শিক্ষার্থীয়ে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেইকেইখন অধ্যয়ন কৰিব পাৰিব।

অধ্যায় ১ ঃ প্লেটোৰ ন্যায় তত্ত্ব আৰু আদর্শ ৰাষ্ট্ৰ

অধ্যায় গাঁথনি

১.১ শিকনৰ উদ্দেশ্য

১.২ পৰিচয়

১.৩ প্লেটোৰ ন্যায় তত্ত্ব

১.৩.১ প্লেটোৰ দর্শনৰ প্রভাৱ

১.৩.২ প্লেটোৰ ন্যায় তত্ত্ব

১.৩.৩ প্লেটোৰ ন্যায় তত্ত্বৰ প্রাথমিক নীতিসমূহ

১.৩.৪ প্লেটোৰ ন্যায় - সমালোচনা

১.৪ প্লেটোৰ আদর্শ ৰাষ্ট্ৰ

১.৪.১ আদর্শ ৰাষ্ট্ৰৰ সমালোচনা

১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৬ অধিক জানিবলৈ

১.৭ অগ্রগতিৰ খতিয়ান

১.৮ আৰ্হি প্রশ্ন

১.১ শিকনৰ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- প্লেটোৰ দর্শনৰ আলোচনা কৰিব পাৰিব
- এথেন্সৰ প্রচলিত ৰাজনৈতিক ব্যৱস্থাৰ বর্ণনা কৰিব পাৰিব
- প্লেটোৰ পৰিবর্তনশীল চিন্তাৰ বর্ণনা কৰিব পাৰিব
- প্লেটোৰ দর্শনত কাল্পনিকতাৰ আলোচনা কৰিব পাৰিব
- সম-সাময়িক শতিকাত প্লেটোৰ ৰাজনৈতিক চিন্তা আৰু ৰাজনৈতিক আদর্শসমূহৰ প্রভাৱ সম্পর্কে আলোচনা কৰিব পাৰিব।

১.২ পৰিচয়

প্লেটো প্রাচীন গ্রীচৰ এটা উন্নত এথেনীয় পৰিয়ালত 42 BC-ত জন্ম গ্রহণ কৰা এজন মহান দার্শনিক। তেওঁ চক্রেটিচৰ শিষ্য আৰু এৰিষ্ট্রলৰ গুৰু আছিল। চক্রেটিচৰ এজন শিষ্য হিচাপে তেওঁ সদায় চক্রেটিচৰ চিন্তাধাৰা "গুণ হৈছে জ্ঞান" তত্ত্বটোক সৰোগত কৰি লৈ ফুৰিছিল। প্লেটোৰ ৰাজনৈতিক দর্শন "গুণ হৈছে জ্ঞান" প্রাথমিক তত্ত্বটোৰ ওপৰত প্রতিষ্ঠিত। প্লেটোৰ গুৰু চক্রেটিছে তেওঁৰ ওপৰত আটাইতকৈ বেছি প্রভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছিল যিয়ে

তেওঁৰ "গুণ হৈছে জ্ঞান" তত্ত্বৰ ওপৰিও, চক্রেটিছৰ অন্য দুটা সিদ্ধান্ত— 'বাস্তৱতাৰ তত্ত্ব' আৰু 'উদ্ভাৱনৰ তত্ত্ব'কো বিস্তাৰ কৰিছিল। যদিও, প্লেটোৱে চক্রেটিছৰ ধাৰণাবোৰ যুক্তিগত সমর্থন কৰিছিল। প্লেটোৱে কিছুক্ষেত্রত চক্রেটিছৰ আদর্শৰ বাহিৰত নিজৰ চিন্তাধাৰাৰ বিশ্লেষণ দিছিল।

১.৩ প্লেটোৰ ন্যায় তত্ত্ব

প্লেটোৰ ৰাজনৈতিক আদর্শসমূহ তেওঁৰ বিখ্যাত কর্মৰাজীত পোৱা যায়। সেইবোৰ হ'ল —

"The Republic" (386 B.C.), "The Statesman" (360) and "The Laws" (347 B.C.) প্লেটোৰ এই মহান কর্মৰাজীৰ ওপৰিও "Dialogues" গ্রন্থখনক কৃতিত্ব প্রদান কৰা হয় য'ত Apology of Socrates, Crito, Protagoras আৰু Phaedo, আদি কেইবাটাও ডায়লগ (dialogues) অন্তর্ভুক্ত। এই মহান দার্শনিক জনৰ মৃত্যু হয় 348 B.C-ত।

১.৩.১ প্লেটোৰ দর্শনত প্রভাৰ

ওপৰত উল্লেখ কৰা মতে প্লেটোৰ শিক্ষক আৰু গুৰু চক্রেটিছে তেওঁৰ ওপৰত গুৰুত্বপূর্ণভাৱে প্রভাৱ পেলাইছিল। চক্রেটিছৰ ওপৰিও পাইথাগোৰাচ, পার্মেনিদিচ আৰু হিৰোক্লিটাচৰ লিখনিয়েও প্লেটোৰ দর্শন আৰু চিন্তাত প্রভাৱ বিস্তাৰ কৰিছিল। পাইথাগোৰাচৰ পৰা তেওঁ জ্ঞানৰ আদর্শ আৰু আত্মাৰ পুনৰ জনম আদর্শটো লৈছে; হিৰোক্লিটাচৰ পৰা বিশ্বৰ অস্তিত্ব তত্ত্বটো গ্রহণ কৰিছে, পার্মেনিদিচৰ পৰা চিৰন্তন সত্য তত্ত্বটো গ্রহণ কৰিছে। প্লেটোৰ চিন্তাধাৰাত যুদ্ধসমূহেও প্রভাৱ পেলাইছিল যি তেওঁ নিজ চক্ষুৰে প্রত্যক্ষ কৰিছিল। পেলোপেছিয়ান যুদ্ধত (431-404 B.C) স্পার্টাৰ হাতত এথেন্সৰ পৰাজয়, মেকেডনিয়ান মেলিটিৰিজিম, তেওঁৰ গুৰু চক্রেটিছৰ হত্যা ইত্যাদি ঘটনাবোৰে তেওঁক অত্যন্ত বিচলিত কৰিছিল। যাৰ বাবে তেওঁ এখন আদর্শ চৰকাৰ ব্যৱস্থাৰ সন্ধানত নামি পৰিছিল। যাৰ ফলস্বৰূপে 'দার্শনিক ৰজাৰ শাসন ব্যৱস্থা' ধাৰণাটোৰ উৎপত্তি হৈছিল। আকৌ চক্রেটিছৰ হত্যাই তেওঁক গণতন্ত্রৰ বিপক্ষ যোদ্ধা হিচাপে সৃষ্টি কৰি তুলিছিল।

প্লেটোৰ ৰাজনৈতিক চিন্তাধাৰাত ন্যায় দৃষ্টিভংগীটোৱে অতি গুৰুত্বপূর্ণ স্থান অধিকাৰ কৰি আছে। প্লেটোৰ "Repulic" গ্রন্থখনত ন্যায় ধাৰণাৰ মত আৰু আদর্শৰ বর্ণনা কৰা হৈছে। প্লেটোৱে ন্যায় শব্দটো অতি বিস্তৃত্বভাৱে বর্ণনা কৰিছে। তেওঁৰ মতে ন্যায়ৰ ব্যক্তিগত আৰু সামাজিক দুয়োটা প্রভাৱ আছে। ব্যক্তিগত আৰু সামাজিক ব্যৱস্থা দুয়োটাতে ন্যায় থাকে। প্লেটোৰ মতে ন্যায় আভ্যন্তৰীণ। প্লেটোৱে ন্যায় ধাৰণাৰ বিশ্লেষণ কৰোতে ন্যায়ৰ অন্যান্য তত্ত্বসমূহ আলোচনা কৰি তেওঁৰ ন্যায় সম্পর্কে মত প্রতিষ্ঠা কৰিছে। প্লেটোৱে নিজৰ ন্যায় ধাৰণা বিকাশ কৰিবলৈ প্রচলিত ন্যায় তত্ত্বসমূহৰ

আলোচনা কৰিছিল —

প্লেটোৱে আলোচনা কৰা ন্যায় ধাৰণাবোৰ হ'ল—

➢ **পৰম্পৰাগত ন্যায় ধাৰণা ঃ**

চেফেলাচ আৰু তেওঁৰ পুত্র পলিমাৰকাচে এই ন্যায় তত্ত্বটো উদ্ভাৱন কৰিছিল। তেওঁলোকৰ মতে "সত্য কোৱা আৰু মানুহ আৰু ভগৱানক প্রাপ্য দিয়া" হৈছে ন্যায়। তেওঁলোক দুজনৰ মতে বন্ধুৰ ভাল কৰা আৰু শত্রুৰ বেয়া কৰাই হৈছে ন্যায়। এইটো গ্রীক নৈতিকতাৰ সর্বগৃহিত আদর্শ। প্লেটোৱে পৰম্পৰাগত ন্যায় ধাৰণাটো অতি ব্যক্তিকেন্দ্রিক আৰু কম সামাজিক বুলি নাকচ কৰিছিল। এই ন্যায় ধাৰণাৰ কোনে সর্বজনীনতা নাই। প্লেটোৰ মতে, সঁচা অর্থত ন্যায় হ'ল য'ত কোনেও অন্যৰ অন্যায় নকৰিব। অন্যৰ বেয়া কৰাটো নৈতিকতাৰ প্রাথমিক নীতিৰ ক্ষেত্রত গ্রহণযোগ্য নহয়। ইয়াৰ ওপৰিও শত্রু আৰু বন্ধুৰ মাজত বিভাজন কৰাটো বিভ্রান্তিকৰ। প্লেটোৰ মতে ন্যায়ৰ ধাৰণাটো সার্বজনীন হোৱা উচিত আৰু ই কেৱল ব্যক্তিগত ধাৰণা হ'ব নালাগে।

➢ **ন্যায়ৰ উগ্রবাদী ধাৰণা ঃ**

ন্যায়ৰ উগ্রবাদী ধাৰণাটোত চফিষ্টসকল জড়িত আছিল আৰু থ্রাইচিমেকাচে উদ্ভাৱন কৰিছিল। থ্রাইচিমেকাচৰ মতে, ন্যায় হৈছে শক্তিশালীৰ স্বার্থ; ন্যায় হৈছে যি শক্তিশালী বা উচ্চতৰ ব্যক্তিৰ বাবে লাভজনক। শক্তিশালী আৰু উচ্চৰ সুবিধা। উল্লেখিত ন্যায় ধাৰণাৰ মূল প্রস্তাৱনা "শক্তিয়ে শুদ্ধ" নীতিটোৰ ওপৰত প্রতিষ্ঠিত। সেয়েহে চৰকাৰ হৈছে আচৰিত শক্তিশালী যিয়ে আইন প্রনয়ন কৰে জনগণৰ স্বার্থ আৰু সুবিধাৰ ভিত্তিত নহয়, বৰং নিজৰ সুবিধাৰ আধাৰত। উগ্রবাদীসকলৰ ভাষাত ন্যায়ক এনেদৰে পৰিভাষিত কৰা হয়— "যদি অন্যায় কর্তাজন যথেষ্ট শক্তিশালী হয়, তেন্তে তেওঁ কৰা কামক ন্যায় বুলি কোৱা হয়।" একে সময়তে চফিষ্টসকলে মত পোষণ কৰে যে অন্যায় ন্যায়তকৈ উত্তম। সেয়েহে শাসনকর্তাক সন্তুষ্ট কৰাটো অধিক গুৰুত্বপূর্ণ সকলোকে সন্তুষ্ট কৰাতকৈ।

প্লেটোৱে ন্যায়ৰ এই ধাৰণাটো নাকচ কৰিছে আৰু মত পোষণ কৰিছে যে ন্যায় ধৰণাটো অন্যায়তকৈ বেছি ভাল। তেওঁৰ মতে ন্যায়পূর্ণ মানুহ অন্যায়পূর্ণ মানুহতকৈ জ্ঞানী আৰু সুখী। প্লেটোৰ উদাৰবাদী ন্যায় ধাৰণাটোৰ বিৰুদ্ধে মত পোষণ কৰি কৈছে যে শাসনকর্তাই নিজৰ সুবিধাৰ চিন্তা কৰাতকৈ জনসাধাৰণৰ কল্যাণমূলক চিন্তা কৰিব লাগে। প্লেটোৰ মতে শাসক আত্মকেন্দ্রিক নহৈ প্রশাসনৰ ব্যৱস্থা ভাল কৰাৰ বাবে কাম কৰিব লাগে। সেয়েহে, প্লেটোৰ ন্যায়ে ব্যক্তিগত ধাৰণাতকৈ সার্বজনীন ধাৰণাৰ পোষকতা কৰে।

➢ **ন্যায়ৰ ব্যৱহাৰিক ধাৰণা ঃ**

ন্যায়ৰ ব্যৱহাৰিক ধাৰণাটো প্লেটোৰ ভাতৃদ্বয় গ্লোকন আৰু এডিমেনটাচে আগবঢ়াইছিল। তেওঁলোকৰমতে ন্যায় সামাজিক পৰম্পৰাৰ এটা উৎপাদন, ই প্রাকৃতিক নহয়। তেওঁ ন্যায় ধাৰণাক কৃত্রিমতা পোষকতা কৰে। গ্লোকানে কয় যে ন্যায় হৈছে

ভয়ৰ শিশু আৰু দুর্বলৰ প্রয়োজনীয়তাৰ ওপৰত আধাৰিত। তেওঁৰ ন্যায় ধাৰণাটো সামাজিক চুক্তি তত্ত্বৰ প্রাথমিক পর্যায়। প্রকৃতি ৰাষ্ট্রত কোনো ধৰণৰ ন্যায় আৰু ৰাষ্ট্রৰ ব্যৱস্থা নাছিল। বহুতো অসুবিধা একগোট হৈ ৰাষ্ট্রৰ প্রতিষ্ঠাৰ কাৰণ হ'ল। সেয়েহে, ন্যায় কোনো শক্তিশালীৰ স্বার্থ নহয় কিন্তু দুর্বলৰ প্রয়োজনীয়তা। গ্লোকানে আৰু কয় যে ন্যায় সদায় অনিচ্ছাকৃতভাৱে মানি চলা হয় আৰু নৈতিকতা শক্তিৰ দ্বাৰা ৰক্ষা কৰা হয়। প্লেটোৰে গ্লোকানৰ কৃত্রিম ন্যায় ধাৰণাটোত মতপোষণ নকৰে আৰু কয় যে ন্যায় মানুহৰ গভীৰ মানসিকতাৰ ওপৰত নির্ভৰ কৰে। ই সুযোগ সন্মেলনৰ মূল নহয়। সেয়েহে, প্লেটোৰ মতে ন্যায় কেতিয়াও বাহ্যিক হ'ব নোৱাৰে।

১.৩.২ প্লেটোৰ ন্যায় ধাৰণা

উল্লেখিত ন্যায় ধাৰণাসমূহৰ আলোচনা আৰু সমালোচনাৰ পিছত প্লেটোৰে নিজৰ ন্যায় ধাৰণাটো দাঙি ধৰিছে—

প্লেটোৰে ন্যায়ক বিশেষ গুৰুত্ব প্রদান কৰিছিল। প্লেটোৰ ন্যায় ধাৰণাটো আভ্যন্তৰীণ আৰু ই প্রধানকৈ ব্যক্তি আৰু ৰাষ্ট্রৰ ওপৰত প্রতিষ্ঠিত। প্লেটোৰে প্রস্তাৰ কৰে যে ন্যায় ধাৰণাটো ৰাষ্ট্রৰ ওপৰত প্রতিষ্ঠিত। প্লেটোৰ মতে এখন সমাজ তেতিয়াহে ন্যায়সঙ্গত হয়, যেতিয়া প্রত্যেকে অন্যৰ কামত হস্তক্ষেপ নকৰে আৰু নিজৰ নিজৰ কামসমূহ সুচাৰুৰূপে কৰে। প্লেটোৰ ন্যায়ৰ ব্যাখ্যা 'বিশেষীকৰণ' (Specialization)ৰ ধাৰণাৰ ওপৰত আধাৰিত। প্লেটোৰ মতে ৰাষ্ট্র ব্যৱস্থা তিনিটা উপাদানৰ সমষ্টি— যুক্তি (reason), উদ্যম (spirit) আৰু ক্ষুধা (appetite)। উপৰোক্ত উপাদানৰ ভিত্তিত তিনিটা শ্রেণীয়ে প্রতিনিধিত্ব কৰে শাসনকর্তা, সৈন্য আৰু কৃষক। প্লেটোৰে প্রত্যেক শ্রেণীৰ বাবে নির্দিষ্ট কাম কৰাৰ পোষকতা কৰে। শাসনকর্তাৰ জ্ঞান আৰু যুক্তি থকাটো কয়। সেইবাবে তেওঁলোক ৰাষ্ট্র শাসন কৰাৰ বাবে যোগ্য। দ্বিতীয় উপাদান হ'ল সাহস আৰু উদ্যাম। সেইবাবে এটা শ্রেণী থাকিব য'ত সাহসী ব্যক্তিসকল থাকিব, তেওঁলোকে ৰাষ্ট্রৰ যিকোনো পৰিস্থিতিত সুৰক্ষা প্রদান কৰে। তৃতীয়টো উপাদান হ'ল ক্ষুধা আৰু ই উৎপাদক শ্রেণীক প্রতিনিধিত্ব কৰে যেনে— কৃষক। প্লেটোৰ মতে প্রত্যেক শ্রেণীৰ ৰাষ্ট্র ব্যৱস্থাত প্রতিনিধিত্ব আৰু গুৰুত্বপূর্ণ সহযোগিতা আছে। প্রফেচাৰ বার্কাৰে প্লেটোৰ ন্যায় ধাৰণাৰ সংজ্ঞা আগবঢ়াইছে যে "সামাজিক ন্যায় ব্যৱস্থাক সামাজিক নীতি বুলি সংজ্ঞাবদ্ধ কৰিব পাৰি, য'ত বিভিন্ন প্রকাৰৰ মানুহৰ ভূমিকা থাকিব যেনে— শাসনকর্তা, সৈন্য আৰু উৎপাদনকাৰী।" ব্যক্তিগত ন্যায় বুলিলে প্রত্যেকে নিজৰ কর্ম সুকলমে পালন কৰা যেনে— জ্ঞান, সাহস আৰু উৎপাদনক বুজায়। তেতিয়া ব্যক্তিসকল গুণবান নহয়। একেদৰে, সামাজিক ন্যায় ব্যৱস্থা বর্তি থাকিব যদিহে প্রত্যেক শ্রেণীৰ ব্যক্তিয়ে নিজৰ নির্দিষ্ট দায়িত্ব পালন কৰে আৰু আনৰ কার্য্যক্ষেত্রত হস্তক্ষেপ নকৰে।

১.৩.৩ প্লেটোৰ ন্যায় তত্ত্বৰ প্রাথমিক নীতিসমূহ

প্লেটোৰ ন্যায় ধাৰণাটো চাৰিটা নীতিৰ ওপৰত প্রতিষ্ঠিত —

- **কর্ম বিভাজন ঃ** প্রত্যেকৰে মেধা আৰু যোগ্যতা অনুযায়ী কর্ম প্রদান কৰা বা বিশেষকৰণ কৰা।
- **অহস্তক্ষেপ ঃ** অন্যৰ কর্ম পৰিধিত হস্তক্ষেপ নকৰাকৈ নিজৰ কার্য সম্পন্ন কৰা।
- **সম্প্রীতি ঃ** প্লেটোৰ মতে সমাজ ব্যৱস্থাত শাসক শ্রেণী, সৈন্য আৰু উৎপাদনকাৰীৰ মাজত সম্প্রীতিপূর্ণ সম্পর্ক থকাটো অতি প্রয়োজনীয়।
- **ন্যায়পৰায়ণতা ঃ** ন্যায়ৰ অন্য নাম হৈছে ন্যায়পৰায়ণতা। য'ত অধিকাৰ ভোগ কৰাতকৈ দায়িত্ব পালনক অধিক গুৰুত্ব দিয়া হয়।

সেয়েহে, প্লেটোৰ ন্যায় ধাৰণাত কোৱা হয় যে প্রকৃতিৰ বিপৰীত নহৈ প্রত্যেকে নিজৰ জীৱনৰ কৰণীয়তাই হৈছে ন্যায়। সামাজিক পর্যায়ত ন্যায় মানে হৈছে প্রত্যেক শ্রেণী যেনে — শাসক, সৈন্য আৰু উৎপাদনকাৰী প্রত্যেকে নিজৰ দায়িত্ব আৰু বিশেষতা সম্পূর্ণ আৰু সুসংগঠিতভাৱে পালন কৰা আৰু আন শ্রেণীৰ ক্ষেত্রত হস্তক্ষেপ নকৰা।

১.৩.৪ প্লেটোৰ ন্যায় — এক সমালোচনা

প্লেটোৰ ন্যায় ধাৰণাত তলত উল্লেখিত বহুতো সমালোচনা থকা দেখা যায়—

সমালোচকৰ মতে প্লেটোৰ ন্যায় ধাৰণাত আইনী অনুমোদনৰ অভাৱ। ই সম্পূর্ণৰূপে নৈতিক আদর্শৰ ওপৰত প্রতিষ্ঠিত। ই সমাজৰ হিতৰ বাবে আত্মসংযম আৰু আত্মত্যাগৰ ওপৰত আধাৰিত। আমাৰ অভিজ্ঞতাই দেখায় যে বুৰঞ্জীৰ কোনো পর্যায়তে নৈতিক নীতিবোৰে সামাজিকতা বোধ সুৰক্ষা প্রদান কৰিবলৈ সক্ষম হোৱা নাই।

দ্বিতীয়তে, সমালোচকৰ মতে, প্লেটোৱে মত পোষণ কৰে যে প্রত্যেক শ্রেণী নিজৰ গুণসমূহ বিকাশ কৰাত মনোনিবেশ কৰাটো বাধ্যতামূলক, যেনে— শাসক শ্রেণী — জ্ঞানৰ অনেষণ কৰা, সৈনিক শ্রেণীয়ে সাহসী হোৱা আৰু উৎপাদনকাৰীয়ে উৎপাদন কৰা, যিটো সার্বজনীন ভাৱে গ্রহণ কৰিব পৰা নাযায়। কাৰণ, উক্ত মনোভাৱে ব্যক্তিৰ সর্বাংগীন বিকাশত বাধাৰ সৃষ্টি কৰিব পাৰে। বৰং ব্যক্তিৰ এক-তৃতীয়াংশহে বিকাশ হ'ব পাৰে।

তৃতীয়তে, প্লেটোৰ ন্যায় ধাৰণাই সমাজত বৈষম্যতাৰ পথ মুকলি কৰিব পাৰে। সমালোচকৰ মতে এই ধাৰণাই সমাজত ক্ষমতাৰ বৈষম্য আৰু সামাজিক সুবিধাৰ অসমতাৰ সম্ভাৱনীয়তা সৃষ্টি কৰিব পাৰে।

চতুর্থতে, প্রফেচাৰ কার্ল পপাৰৰ মতে, প্লেটোৰ ন্যায় ধাৰণাই মানৱীয় নীতি

যেনে— সমতা, স্বাধীনতা আৰু ব্যক্তিবাদ ইত্যাদিক উপেক্ষা কৰা দেখা যায়। উক্ত নীতিৰ উপেক্ষাই সমাজত এক সর্বগ্রাসী (Totalitarian) ব্যৱস্থাৰ জন্ম দিব পাৰে।

পঞ্চমতে, ব্যক্তিবাদী চিন্তাবিদসকলে প্লেটোৰ ন্যায় ধাৰণাক অগ্রাহ্য কৰে কাৰণ ই সামাজিক ব্যৱস্থাৰ উন্নয়নৰ স্বার্থত ব্যক্তিৰ ন্যায়ক কম গুৰুত্ব প্রদান কৰে।

ষষ্ঠতে, প্লেটোৰ ন্যায় ধাৰণাটো অপৰিবর্তনশীল য'ত ব্যক্তিৰ কর্মৰাজীৰ পৰিৱর্তন কৰাৰ পোষকতা নকৰে।

সপ্তমতে, প্লেটোৰ ন্যায় ধাৰণাই অধিকাৰৰ স্বীকৃতি নিদিয়ে কিন্তু দায়িত্বৰ দিয়ে। ন্যায়ৰ ধাৰণাটো সার্বজনীন ভাৰে নিষ্ক্রিয় চৰিত্রৰ। 'সকলোৱে নিজৰ কর্মৰাজিক লৈ ব্যস্ত থকা উচিত'— এই দৃষ্টিভঙ্গী শলাগিবলগীয়া হ'লেও ই সত্য অর্থত ন্যায় হিচাপে গ্রহণযোগ্য নহয়। যদিও প্লেটোৰ ন্যায় ধাৰণাত সমালোচনা আছে সামাজিক ব্যৱস্থা আৰু সামাজিক সম্পর্কবোৰত প্রাসংগিকতা আছে। এইটো গ্রহণযোগ্য যে ৰাষ্ট্র ব্যৱস্থাত বসবাস কৰা সকলোৱে ন্যায় আৰু সত্যতাৰ ওপৰত গুৰুত্ব প্রদান কৰি সার্বজনীন সুখ প্রাপ্তি কৰিব পাৰে।

অগ্রগতি নিৰীক্ষণ



প্রশ্ন নং ১ ঃ প্লেটোৰ ৰাজনৈতিক আদর্শবোৰ উল্লেখ আছে ..... গ্রন্থত। (খালী ঠাই পূৰণ কৰা)

প্রশ্ন নং ২ ঃ প্লেটোৰ ন্যায় ধাৰণাটো কি চাৰিটা নীতিৰ ওপৰত প্রতিষ্ঠিত?

প্রশ্ন নং ৩ ঃ প্লেটোৰ ন্যায় ধাৰণাৰ এটা বর্ণনা লিখা। (২০০ শব্দৰ ভিতৰত)

১.৪ প্লেটোৰ আদর্শ ৰাষ্ট্র

প্লেটোৱে ৰাষ্ট্র ব্যৱস্থাটো শিল বা প্রকৃতিৰ তেনেকুৱা উপাদানৰ সৃষ্টি বুলি নকৈ মানুহৰ মনৰ পৰা সৃষ্ট বুলি কৈছে। প্লেটোৰ আদর্শ ৰাষ্ট্রৰ ধাৰণাটো তেওঁৰ "The Repulic" গ্রন্থত পোৱা যায়। প্লেটোৰ মতে ৰাষ্ট্র ব্যৱস্থাটো বাসিন্দাসকলৰ সু-শাসন আৰু ন্যায় নিশ্চিতকৰণৰ বাবে। প্লেটোৰ আদর্শ ৰাষ্ট্রত স্বাধীনতা প্রদান বা অর্থনৈতিক স্বাধীনতা দিয়াৰ উপৰিও ন্যায় প্রতিষ্ঠাত গুৰুত্ব দিয়া হয়। সঁচা অর্থত ৰাষ্ট্রই সেইবাবে ন্যায় নিশ্চিত কৰে। প্লেটোৰ ন্যায় ব্যৱস্থাত সেইবাবে বিশেষ শ্রেণীসমূহে শাসন কর্তা, সৈনিক আৰু উৎপাদনকাৰী শ্রেণী সকলোৱে নির্দিষ্টকৈ দিয়া কামসমূহ সম্পন্ন কৰাকে ন্যায় বুলি কোৱা হয়। ইয়াৰ উপৰিও প্লেটোৰ আদর্শ ৰাষ্ট্রত কিছুমান বিশেষ বৈশিষ্ট্য থকা দেখা যায় —

সেইবোৰ তলত আলোচনা কৰা হ'ল —

- **ন্যায় অস্তিত্ব ঃ**

আমি আগতে আলোচনা কৰিলো যে প্লেটোৰ আদর্শ ৰাষ্ট্রত ন্যায়ে মুখ্য বা কেন্দ্র স্থান দখল কৰি আছে। প্লেটোৰ মতে সমাজত ন্যায় অনুভৱ হ'ব যেতিয়া গোটেই গোটসমূহ একত্রিত হ'ব আৰু প্রত্যেকে নিজৰ প্রদান কৰা কর্ম ৰাজী অন্যৰ হস্তক্ষেপ নকৰাকৈ সম্পন্ন কৰিব। ব্যক্তিৰ বিশেষকৰণ নীতি আৰু ব্যক্তিকেন্দ্রীক কর্মৰাজীৰ ওপৰত ন্যায় প্রৱর্তন হৈ থাকে। প্লেটোৰ মতে ন্যায় হৈছে বান্ধোন যিয়ে সামাজিক ব্যৱস্থা আৰু ব্যক্তিৰ মাজত এক সুসম সম্পর্ক গঢ়ি তোলে। প্লেটোৰ দৃষ্টিত ন্যায় ব্যক্তিগত আৰু ৰাজহুৱা উভয় ক্ষেত্রতেই বিদ্যমান, কাৰণ ই ৰাষ্ট্র আৰু তাৰ নাগৰিকসকলৰ সর্বোচ্চ কল্যাণত গুৰুত্ব দিয়ে।

- **তিনি শ্রেণীৰ উপস্থিতি ঃ**

প্লেটোৰ ন্যায় ধাৰণাই আদর্শ ৰাষ্ট্রত তিনিটা শ্রেণীৰ উপস্থিতিৰ বিষয়ে কৈছে। প্লেটোৰ মতে মানুহৰ আত্মা তিনিটা উপাদানেৰে গঠিত — জ্ঞান, সাহস আৰু ক্ষুধা। উপৰোক্ত উপাদানেৰে তিনিটা শ্রেণীৰ উপস্থিতি থকা দেখা যায় — শাসনকর্তা, সৈনিক আৰু উৎপাদনকাৰী শ্রেণী। প্লেটোৰ আদর্শ ৰাষ্ট্রত সেইবাবে সামাজিক বিভাজনত তিনিটা শ্রেণীয়ে তিনিটা উপাদন — জ্ঞান, আত্মা আৰু ক্ষুধাক প্রতিনিধিত্ব কৰে। প্লেটোৰ মতে ন্যায় ৰাষ্ট্রত প্রত্যেক শ্রেণী আৰু প্রত্যেক ব্যক্তিৰ কিছুমান বিশেষ দায়িত্ব আৰু কর্তব্য আছে, যাৰ পালনৰ ফলস্বৰূপে এটা সুষম পৰিবেশৰ সৃষ্টি কৰে।

- **কর্ম বিশেষীকৰণ নীতি ঃ**

প্লেটোৰ আদর্শ ৰাষ্ট্রত কর্তব্যৰ বিশেষকৰণ নীতিৰ ভূমিকা দেখা যায়। প্লেটোৱে বিশ্বাস কৰিছিল যে প্রতিজন ব্যক্তিয়ে তেওঁলোকে সর্বশ্রেষ্ঠভাৱে কৰিব পৰা কামটো কৰিব লাগে। প্লেটোৱে বিশ্বাস কৰে যে কর্ম বিশেষকৰণে সম্প্রীতি আৰু ঐক্যৰ সৃষ্টি কৰি ব্যক্তি আৰু শ্রেণী সংগ্রাম নোহোৱা কৰে। উপৰোক্ত কর্মবিশেষকৰণৰ পৰা বুজা যায় যে পাৰস্পৰিকভাৱে বিভাজনৰ প্রয়োজনীয়তা আছে। প্লেটোৱে বিশ্বাস কৰে যে শ্রমৰ বিভাজন, কর্ম বিশেষকৰণ আৰু পাৰস্পৰিক সেৱাসমূহে ৰাষ্ট্রৰ সম্প্রতি আৰু একত্রিকৰণ কৰে।

- **আদর্শ ৰাষ্ট্রত শিক্ষা ঃ**

প্লেটোৰ আদর্শ ৰাষ্ট্রত শিক্ষাই গুৰুত্বপূর্ণ স্থান দখল কৰি আছে। প্লেটোৱে বিশ্বাস কৰে যে গুণ হৈছে জ্ঞান আৰু ৰাষ্ট্রই জ্ঞান প্রদান কৰাটো কর্তব্য। প্লেটোৱে মত পোষণ কৰে যে যদিহে তিনিটা শ্রেণীয়ে কার্যক্ষমভাৱে দায়িত্ব পালন কৰিব লাগে, তেন্তে তেওঁলোকক প্রশিক্ষণ আৰু শিক্ষা দিব লাগিব। প্লেটোৰ দ্বিতীয় গ্রন্থ "The Republic" আদর্শ ৰাষ্ট্রত শিক্ষাৰ গুৰুত্ব বিষয়ে বিষদ বর্ণনা আগবঢ়াইছে। তেওঁৰ আদর্শ ৰাষ্ট্রত বাধ্যতামূলক আৰু ৰাষ্ট্র নিয়ন্ত্রিত শিক্ষা ব্যৱস্থাৰ পোষকতা কৰিছিল। প্লেটোৰ শিক্ষা ব্যৱস্থাত সকলো পুৰুষ, মহিলা আৰু শিশুক সমান মর্যদা প্রদান কৰিছিল। প্লেটোৱে সাহিত্য আৰু শিল্প কর্মত কঠোৰতা প্রদান কৰাত পক্ষপাতিত্ব কৰিছিল যাতে যুৱপ্রজন্মক বেয়া আদর্শই চানি ধৰিব নোৱাৰে। প্লেটোৰ শিক্ষা আচনিৰ মুখ্য উদ্দেশ্য আছিল দার্শনিক ৰজাৰ সৃষ্টি কৰা।

- **দার্শনিক ৰজাৰ শাসন ঃ**

প্লেটোৰ আদর্শ ৰাষ্ট্র দার্শনিক ৰজাৰ শাসিত, তেওঁ সর্বত্ব শাসক। দার্শনিক ৰজাক কোনোধৰণৰ লিখিত আইনৰ দ্বাৰা সীমিত কৰা নাযায়। দার্শনিক ৰজা কোনো ধৰণৰ ৰাজহুৱা মতৰ ওপৰতো দায়বদ্ধ নহয়। প্লেটোৱে তেওঁৰ আদর্শ ৰাষ্ট্রত দার্শনিক ৰজাক অসীমিত ক্ষমতা প্রদান কৰিব বিচাৰে। তেওঁৰ মতে দার্শনিক ৰজা সদায় অনুসন্ধিৎসু হ'ব লাগে, জ্ঞান অন্বেষণ কাৰি, সত্যৰ আটাইতকৈ গুৰুত্বপূর্ণ যে তেওঁ প্রথমতে সমাজৰ হৈ চিন্তা কৰা উচিত পিছত হে নিজৰ চিন্তা। প্লেটোৱে মত পোষণ কৰে যে ৰাষ্ট্রত বসবাস কৰা সকলোৱে জ্ঞান আহৰণৰ সমান ক্ষমতা পূর্ণ নহয়। সেয়েহে, মাত্র জ্ঞান অন্বেষণকাৰীয়েহে শাসন ব্যৱস্থাত অংশগ্রহণ কৰিব পাৰে। বাকীবোৰ তেওঁলোকৰ মেধাৰ ভিত্তিত অন্যান্য কামত নিয়োজিত হয়। প্লেটোৰ দার্শনিক শাসন ব্যৱস্থাত শাসকসকল হ'ল বিস্তৃত আৰু কঠোৰ প্রশিক্ষণ আৰু শিক্ষাৰ ফল, যি প্রায় ৩৫ বছৰ সময় জুৰি চলে। এই দীঘলীয়া শিক্ষাৰ পাছত সৃষ্টি হোৱা দার্শনিক ৰজা অন্বেষণকাৰী ব্যক্তি আৰু নাগৰিকসকলে দার্শনিক ৰজাৰ নির্দেশনা গ্রহণ কৰিব লাগে। এইটো উল্লেখনীয় যে প্লেটোৱে অভিজাত শ্রেণীৰ শাসনৰ পোষকতা কৰে বা চৰকাৰ ব্যৱস্থাত অতি কম সংখ্যক তীক্ষ্ণ প্রশিক্ষণ প্রাপ্ত বিশেষজ্ঞৰ পোষকতা কৰে ইয়াৰ বিপৰীতে গণতান্ত্রিক ব্যৱস্থাত ৰাষ্ট্রৰ সকলো নাগৰিকে অংশ গ্রহণৰ সুবিধা পায়। প্লেটোৱে গণতান্ত্রিক চৰকাৰ ব্যৱস্থাক সমালোচনা কৰে। প্লেটোৰ মতে গণতন্ত্র মূলতঃ অজ্ঞসকলৰ শাসন। প্লেটোৰ দার্শনিক ৰজাৰ মতটো তেওঁৰ বিখ্যাত উক্তি প্রকাশ পাইছে— "যেতিয়ালৈকে দার্শনিকসকল ৰজা নহয় বা বিশ্ব ৰজা আৰু ৰাণীসকলে দার্শনিক চিন্তা আৰু ক্ষমতা লাভ নকৰে, তেতিয়ালৈকে ৰাষ্ট্র বা নগৰসমূহে নিজৰ অকল্যাণৰ পৰা মুক্তি লাভ কৰিব নোৱাৰে।"

- **আদর্শ ৰাষ্ট্রৰ সাম্যবাদ ঃ**

প্লেটোৰ আদর্শ ৰাজনীতিত সাম্যবাদী চৰিত্রত পত্নী আৰু সম্পত্তিৰ সম্যবাদক বুজোৱা হয়। প্লেটোৰ সাম্যবাদত কোৱা হয় যে সম্পত্তি আহৰণ, পৰিয়াল প্রবৃত্তি আৰু ব্যক্তিগত স্বার্থই সাম্প্রদায়িক কর্তব্যত বাধা জন্মাব পাৰে। প্লেটোৱে বিশ্বাস কৰে যে পৰিয়াল আৰু সম্পতিয়ে তিনিওটা শ্রেণীৰ কৰণীয় কর্তব্য পালন কৰাত বাধাৰ সৃষ্টি কৰে। পৰিয়াল আৰু সম্পত্তিয়ে হৈছে প্রধান উৎস যিয়ে সামাজিক বিবাদ সৃষ্টি কৰে। সেইবাবে; প্লেটোৰ আদর্শ ৰাষ্ট্রত তেওঁ পৰিয়াল আৰু সম্পত্তিৰ সাম্যবাদৰ পোষকতা কৰিছিল। তেওঁ বিচাৰিছিল যে অভিভাৱক শ্রেণী সদায় মানসিক ভয়ৰ পৰা মুক্ত থকাটো। তেওঁ ভাবিছিল যে সম্পত্তি আৰু পৰিয়ালৰ গঠনে দার্শনিক ৰজাক তেওঁৰ সামূহিক সেৱা আগবঢ়োৱাত বাধাৰ সৃষ্টি কৰিব। সেয়েহে, তেওঁ পৰিয়াল আৰু সম্পত্তিৰ সাম্যবাদৰ পৰামর্শ আগবঢ়াইছে। প্লেটোৱে মতপোষণ কৰে যে ৰাজনৈতিক আৰু অর্থনৈতিক ক্ষমতাই ৰাষ্ট্র ব্যৱস্থাত বাধাৰ সৃষ্টি কৰে আৰু প্রশাসন ব্যৱস্থা সুস্থভাৱে প্রচলিত হ'ব যদিহে অর্থনৈতিক ক্ষমতা সম্পূর্ণৰূপে ৰাজনৈতিক ক্ষমতাৰ পৰা পৃথক থাকে। সেয়েহে, প্লেটোৱে মত পোষণ কৰে যে দার্শনিক ৰজা অর্থনৈতিক লক্ষ্যৰ পৰা মুক্ত থকা উচিত। একেলগে প্লেটোৰ আদর্শ ৰাষ্ট্রত সম্পত্তিৰ সাম্যবাদৰ পৰামর্শ আগবঢ়ায়।

প্লেটোৱে আদর্শ ৰাষ্ট্রত পত্নীৰ সাম্যবাদৰ কথা কয়। প্লেটোৱে অনুভৱ কৰে যে ব্যক্তিগত সম্পত্তি প্রথাৰ নোহোৱা কৰাই যথেষ্ট নহয়, কাৰণ পৰিয়াল আৰু সম্পত্তি পৰস্পৰ নির্ভৰশীল। তেওঁ ভাৱে যে পাৰিবাৰিক জীৱনে শাসক শ্রেণীৰ কামসমূহ নিস্বার্থভাৱে কৰাত বাধা জন্মায়। পত্নীৰ সাম্যবাদে স্বার্থপৰতাৰ ভাৱ দূৰ কৰিব আৰু নাৰীৰ ঘৰুৱা দায়িত্বৰ পৰা মুক্ত হৈ ৰাষ্ট্রৰ সেৱা আগবঢ়োৱাত মনোনিবেশ কৰিব পাৰিব। প্লেটোৱে সাম্যবাদত গুৰুত্ব প্রদান কৰিছিল কাৰণ, তেওঁ মানি লৈছিল যে পৰিয়াল ব্যৱস্থাই ৰাষ্ট্রৰ ঐক্যতাত বাধাৰ সৃষ্টি কৰিব পাৰে। আকৌ, প্লেটো কিছু ক্ষেত্রত আমনি আৰু অসন্তুষ্ট হৈছিল এথেন্সৰ নাৰীসকলৰ দুখ-দুর্দশা দেখি আৰু তেওঁ মহিলা সকলক সমাজৰ হিতৰ কাৰণে ব্যৱহাৰ কৰাৰ পোষকতা কৰিছিল। সমাজৰ সঠিক স্থানত মহিলা থকাটো বিচাৰিছিল, সেয়েহে তেওঁ পুৰুষ আৰু মহিলা সমান সম্ভাৱনাপূর্ণ বুলি বিশ্বাস কৰিছিল। তেওঁ অনুভৱ কৰিছিল যে মহিলাৰ প্রতিভা সঠিকভাৱে ব্যৱহাৰ কৰিব পাৰি যদিহে তেওঁলোকে প্রয়োজনীয় প্রশিক্ষণ গ্রহণ কৰে। সেয়েহে তেওঁ আদর্শ ৰাষ্ট্রত মহিলাক যুক্তিগত আৰু যোগ্য স্থান প্রদান কৰাৰ পোষকতা কৰে।

আকৌ প্লেটোৰ পত্নী সাম্যবাদ ধাৰণাটো উৎকৃষ্ট প্রজনন নীতিৰ ভিত্তিতো নির্মিত আছিল। প্লেটোৱে মানি লৈছে যে অস্থায়ী বিবাহ আটাইতকৈ ভাল পুৰুষ আৰু মহিলাৰ মাজত আৰম্ভ কৰিলে এক নতুন বুদ্ধিমান জাতিৰ সৃষ্টি হ'ব। এই ধৰণৰ অস্থায়ী বিবাহ ৰাষ্ট্রই পৰিচালনা কৰিব। প্লেটোৱে বিশ্বাস কৰে যে এই আঁচনিয়ে সন্তানৰ শ্রেষ্ঠতা নিশ্চিত কৰিব। শিশুৱে তেওঁলোকৰ প্রকৃত অভিভাৱকক চিনি নাপাব আৰু ৰাষ্ট্রকে তেওঁলোকৰ অভিভাৱক বুলি মানি ল'ব। তেওঁলোকৰ চোৱাচিতা শিশুশালাত হ'ব আৰু ৰাষ্ট্রই ইয়াক পৰিচালনা কৰিব।

১.৪.১ প্লেটোৰ আদর্শ ৰাষ্ট্রৰ সমালোচনা

প্লেটোৰ আদর্শ ৰাষ্ট্র ধাৰণাটো সমালোচনা মুক্ত নহয়, বিভিন্নধৰণে ইয়াক সমালোচনা কৰা দেখা যায় —

সমালোচকৰ মতে, আদর্শ ৰাষ্ট্রত দার্শনিক ৰজাক পূর্ণ ক্ষমতা অর্পন কৰা হয়। যদিহে দার্শনিক ৰজাক পূর্ণ ক্ষমতা প্রদান কৰা হয় ইয়ে স্বেচ্চাচাৰী চৰকাৰলৈ ৰূপান্তৰ হ'ব পাৰে।

- প্লেটোৰ আদর্শ ৰাষ্ট্রত কঠোৰ শিক্ষা ব্যৱস্থাৰ কথা কোৱা হৈছে য'ত শাসক শ্রেণীয়ে শিক্ষা ল'ব। প্লেটোৰ এই নীতিয়ে সমতা নীতিৰ বিপৰীতে সমালোচনাৰ সন্মুখীন হয়। তেওঁৰ শিক্ষা আচনিয়ে মাত্র কিছু সংখ্যক লোকক বিশেষকৈ অভিজাত শ্রেণীক সামৰি লয় আৰু সাধাৰণ শ্রেণীৰ মানুহক অগ্রাহ্য কৰে।
- প্লেটোৰ দার্শনিক ৰজাৰ কার্য জনসাধাৰণৰ স্বার্থৰ মাজত সম্পর্ক নথকা বুলি কৰা দাবীটো বিপদজনক। এইটো কাৰকে দার্শনিক ৰজাক অসীমিত ক্ষমতা আহৰণ কৰাত আৰু জনসাধাৰণৰ স্বার্থত নিজৰ সুবিধা আদায় কৰাৰ প্রচাৰ কৰিব পাৰে। এইটোৱে সর্বাত্মকবাদী শাসন প্রতিষ্ঠা কৰাৰ পথ মুকলি কৰিব পাৰে।

- প্লেটোৰ নাৰী আৰু সম্পত্তিৰ সাম্যবাদী মতটো সম্পূর্ণৰূপে গ্রহণযোগ্য নহয়। সমালোচক সকলৰ মতে, সাম্যবাদ মানুহৰ প্রাকৃতিক স্বভাৱৰ বিপৰীত যি সামাজিক ব্যৱস্থাৰ উন্নয়নত বাধা জন্মাব পাৰে। প্লেটোৰ সম্পত্তিৰ সাম্যবাদে ব্যক্তিৰ স্বার্থ উন্নয়নত বাধাৰ সৃষ্টি কৰে যিটো সুস্থ সামাজিকতাৰ বাবে প্রয়োজনীয়।
- প্লেটোৰ নাৰী সাম্যবাদী ধাৰণাটো গ্রহণযোগ্য নহয় যিয়ে সমাজত অসংগতি সৃষ্টি কৰিব। আকৌ, এইটো অযুক্তিকৰ য'ত প্লেটোৱে মানৰ জাতিক জন্তুৰ লগত তুলনা কৰি ৰাষ্ট্র নিয়ন্ত্রিত প্রজননৰ তত্ত্ব আগবঢ়াইছে।
- প্লেটোৱে বিবাহ অনুষ্ঠানক কেৱল এক প্রজনন ব্যৱস্থা হিচাপে গণ্য কৰি ভুল ব্যাখ্যা আগবঢ়াইছে। বিবাহ হৈছে সামাজিক প্রতিষ্ঠান যাৰ সফলতা পতি আৰু পত্নীৰ মাজত থকা বুজাবুজিৰ ওপৰত নির্ভৰ কৰে।
- প্রফেচাৰ বার্কাৰৰ মতে, প্লেটোৱে ব্যক্তিক কেৱল এক মাধ্যম হিচাপে গণ্য কৰে। সমালোচক সকলৰ মতে প্লেটোৰ শিক্ষা আচনি, দার্শনিক ৰজাৰ শাসন, সাম্যবাদ আৰু কর্মবিশেষকৰণ সকলোবোৰ কাল্পনিক প্রকৃতিৰ।

ওপৰত আলোচনা কৰা সমালোচনাবোৰ আছে যদিও সাম্প্রতিক ৰাজনৈতিক চিন্তাধাৰাত প্লেটোৰ আদর্শৰ গভীৰ প্রভাৱ থকা দেখা যায়। এইটোও নিশ্চিতভাৱে ক'ব পাৰি যে প্লেটোৱে কিছুমান কাল্পনিক প্রকৃতিৰ আদর্শৰ বাবে সমালোচনাৰ সন্মুখীন হৈছে। কিন্তু এই কাল্পনিক ধাৰণাসমূহে তেওঁ আগবঢ়োৱা ৰাজনৈতিক চিন্তাধাৰাৰ মূল্য হ্রাস কৰিব নোৱাৰে। প্লেটোৱে আদর্শ ৰাষ্ট্র গঢ় দিব বিচাৰে য'ত ৰাষ্ট্রখন দার্শনিক ৰজাৰ শাসন হ'ব যি - ন্যায়, জ্ঞান আৰু ত্যাগৰে সংক্ষিপ্ত হ'ব। তেওঁৰ ন্যায়, কর্মবিশেষকৰণ, নাৰীবাদ আৰু সুপ্রজননবিদ্যা সকলোবোৰ তেওঁৰ ৰাজনৈতিক দর্শনৰ বৈশিষ্ট্য। মানৱতাবাদী আন্দোলনে প্লেটোৰ পৰা বহুত প্রভাৱ লাভ কৰিছে। চিন্তাবিদ ৰুছোৰ দৰে ব্যক্তি প্লেটোৰ চিন্তাধাৰাত এনেদৰে প্রভাৱিত হৈছিল যে ৰুছোৱে সামাজিক চুক্তিৰ সামূহিকতাৰ ধাৰণাটো সামূহিকতাক সম্পূর্ণৰূপে বাদ দিছিল। প্লেটোৰ চিন্তাধাৰাই জার্মান আৰু ইংৰাজী আদর্শবাদীসকলকো গভীৰভাৱে প্রভাৱিত কৰিছিল। প্লেটোৰ ৰাজনৈতিক চিন্কা দর্শন প্রফেচাৰ জেনিটৰ মতামতত সুন্দৰভাৱে প্রতিফলিত কৰাইছে — "প্লেটোৰ ৰাজনৈতিক ব্যৱস্থাত কাল্পনিক আৰু আদর্শগত পর্যায় আছে। প্রথম পর্যায়টো ঢুকালে পুনৰ জন্ম নহ'লে, দ্বিতীয়টো চিৰন্তৰ।" ন্যায়, কর্মবিশেষকৰণ, জ্ঞান আৰু অন্বেষণৰ শাসন, মহিলা মুক্তি, শিক্ষাৰ গুৰুত্ব ইত্যাদি প্লেটোৰ চিন্তাধাৰৰ চিৰন্তৰ উপাদান।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ প্লেটোৰ আদর্শ ৰাষ্ট্রৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

প্রশ্ন নং ৫ ঃ প্লেটোৰ আদর্শ ৰাষ্ট্রত দার্শনিক ৰজাৰ বৈশিষ্ট্য চমুকৈ লিখা।



১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- প্লেটোৰ ৰাজনৈতিক চিন্তাধাৰত ন্যায় দৃষ্টিভংগীটোৱে অতি গুৰুত্বপূর্ণ স্থান অধিকাৰ কৰি আছে। প্লেটোৰ "Republic"গ্রন্থখনত ন্যায় ধাৰণাৰ মত আৰু আদর্শৰ বর্ণনা কৰা হৈছে। প্লেটোৱে ন্যায় শব্দটো অতি বিস্তৃত্বভাৱে বর্ণনা কৰিছে। তেওঁৰ মতে ব্যক্তি আৰু সামাজিক ব্যৱস্থা দুয়োটাতে ন্যায় প্রযোজ্য থাকে।
- প্লেটোৰ ন্যায় আভ্যন্তৰীণ। তেওঁ ন্যায় ধাৰণাটো আলোচনা কৰোতে ন্যায়ৰ বিভিন্ন তত্ত্ব আলোচনা কৰি সেইবোৰ নাকচ কৰিছিল আৰু তেওঁৰ নিজৰ মন্তব্য দাঙি ধৰিছিল।
- প্লেটোৱে তেওঁৰ ন্যায় ব্যাখ্যাত এক বিশেষীকৰণৰ কথা কয়। প্লেটোৰ মতে ৰাষ্ট্র তিনিটা উপাদানেৰে গঠিত — জ্ঞান, সাহস আৰু ক্ষুধা। এই তিনিটা উপাদানে তিনিটা শ্রেণীক প্রতিনিধিত্ব কৰে — শাসক, সৈনিক আৰু কৃষক।
- প্লেটোৰ মতে প্রত্যেক শ্রেণীৰে বিশেষ কাম থাকে। শাসকসকলৰ জ্ঞান আৰু মেধা থাকে। সেইবাবে তেওঁলোক ৰাষ্ট্র শাসন কৰাৰ বাবে যোগ্য।
- দ্বিতীয়টো উপাদান হ'ল সাহস বা আত্মা। সেইবাবে এটা শ্রেণী থাকিব য'ত ব্যক্তিসকল সাহসী হ'ব, যাতে তেওঁলোকে ৰাষ্ট্রৰ শান্তি আৰু সুৰক্ষাৰ ক্ষেত্রত যিকোনো পৰিস্থিতিৰ সন্মুখীন হ'ব পাৰিব।
- তৃতীয়টো উপাদান হ'ল ক্ষুধা আৰু এই শ্রেণীটো উৎপাদনকাৰী শ্রেণী কৃষকসকলে প্রতিনিধিত্ব কৰে। প্লেটোৰ মতে এইসকলো শ্রেণীৰ ৰাষ্ট্রৰ প্রয়োজনীয় অংশ আৰু সকলোৰে সামাজিক ক্ষেত্রত গুৰুত্বপূর্ণ অৰিহণা আছে।
- প্লেটোৰ আদর্শ ৰাষ্ট্র নিম্নলিখিত বৈশিষ্ট্যসমূহৰ দ্বাৰা পৰিচিত— ন্যায়, কর্ম বিশেষকৰণ সামাজিক বিভাজন, দার্শনিক ৰজাৰ শাসন, শিক্ষাৰ আচনি আৰু পত্নী আৰু সম্পত্তিৰ সাম্যবাদ।



১.৬ অধিক জানিবলৈ

১) Coker, Francis Willam. Reading in Political Philosophy. Nabu Press.

২) Jayapalam, N: Aristale, Atantic Publicher Distriutors, New Delhi, 1999.

৩) Mukherjee, S and Ramaswami. S (2011), A History of Political Thought : Plato to Mark : Delhi. PHI Learning Private Limited.

৪) Nelson, Brian R (2006). Westerm Political Thought (Second Edition). New Delhi, Pearson Education.

৫) Sharma, S.K. and Sharma, Urmila (2003). Westerm Political Thought - From Plato to Burke Atlantic.

১.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ "The Republic" (386 B.C)
"The Statesman" (360) and "The Laws" (347 B.C)

২ নং প্রশ্নৰ উত্তৰ ঃ প্লেটোৰে অন্যান্য ন্যায় ধাৰণাসমূহৰ আলোচনা আৰু সমালোচনাৰ পিছত নিজৰ ন্যায় ধাৰণা আগবঢ়াইছে। প্লেটোৰ মতে এখন সমাজ তেতিয়াহে ন্যায়সঙ্গত হয়, যেতিয়া প্রত্যেকে আনৰ কামত হস্তক্ষেপ নকৰাকৈ নিজৰ কামসমূহ সুচাৰুৰূপে কৰা। প্লেটোৰে ন্যায় বিশ্লেষণত বিশেষকৰণৰ পোষকতা কৰে। প্লেটোৰ মতে ৰাষ্ট্ৰ ব্যৱস্থা তিনিটা উপাদানৰ সমষ্টি— যুক্তি/জ্ঞান, উদ্যম/সাহস আৰু ক্ষুধা। উপৰোক্ত উপাদানৰ ভিত্তিত তিনিটা শ্রেণীয়ে প্রতিনিধিত্ব কৰে শাসনকর্তা, সৈন্য আৰু কৃষক। প্লেটোৰে প্রত্যেক শ্রেণীৰ বাবে নির্দিষ্ট কাম কৰাৰ পোষকতা কৰে। শাসনকর্তাৰ জ্ঞান আৰু সাহস থকাটো কয়। সেইবাবে তেওঁলোক ৰাষ্ট্ৰ শাসন কৰাৰ বাবে যোগ্য। দ্বিতীয় উপাদান হ'ল সাহস আৰু উদ্যাম। সেইবাবে এই শ্রেণীত সাহসী ব্যক্তিসকল থাকিব যাতে তেওঁলোকে ৰাষ্ট্ৰৰ যিকোনো পৰিস্থিতিৰ সন্মখীন হ'ব পাৰে। তৃতীয়টো উপাদান হ'ল ক্ষুধা আৰু ই উৎপাদনকাৰী শ্রেণীক প্রতিনিধিত্ব কৰে যেনে — কৃষক। প্লেটোৰ মতে প্রত্যেক শ্রেণীৰ ৰাষ্ট্ৰৰ ব্যৱস্থাত প্রতিনিধিত্ব আৰু সহযোগিতা গুৰুত্বপূর্ণভাৱে আছে।

প্লেটোৰ ন্যায় ধাৰণাটো চাৰিটা প্রাথমিক নীতিৰ ওপৰত প্রতিষ্ঠিত ঃ কর্ম বিভাজন, অহস্তক্ষেপ, সম্প্রীতি আৰু ন্যায়পৰায়ণতা। সেয়েহে, প্লেটোৰ ন্যায় ধাৰণাত কোৱা হয় যে প্রকৃতিৰ বিপৰীত নহৈ নিজৰ জীৱনৰ কৰণীয়তাই হৈছে ন্যায়। সামাজিক পর্যায়ত ন্যায় মানে হৈছে প্রত্যেক শ্রেণী যেনে — শাসক, সৈন্য আৰু উৎপাদনকাৰী প্রত্যেকে নিজৰ দায়িত্ব আৰু বিশেষতা সম্পূর্ণ আৰু সুসংগঠিতভাৱে অন্যৰ হস্তক্ষেপ নকৰাকৈ সম্পন্ন কৰা।

৪ নং প্রশ্নৰ উত্তৰ ঃ (ক) ন্যায়ৰ উপস্থিতি
(খ) কর্ম বিশেষকৰণ।

৫ নং প্রশ্নৰ উত্তৰ ঃ প্লেটোৰ আদর্শ ৰাষ্ট্ৰ দার্শনিক ৰজাৰ শাসিত তেওঁ সর্বত্ব শাসক। দার্শনিক ৰজাক কোনোধৰণৰ লিখিত আইনৰ দ্বাৰা সীমিত কৰা নাযায়, দার্শনিক ৰজা কোনোধৰণৰ ৰাজহুৱা মতৰ ওপৰতো দায়বদ্ধ নহয়। প্লেটোৰে তেওঁৰ আদর্শ ৰাষ্ট্ৰত দার্শনিক ৰজাক অসীমিত ক্ষমতা প্রদান কৰিব বিচাৰে। তেওঁৰ মতে দার্শনিক ৰজা সদায় অনুসন্ধিৎসু,

জ্ঞান অন্বেষণকাৰি, সত্যৰ পোষক হ'ব লাগে। আটাইতকৈ গুৰুত্বপূর্ণ যে তেওঁ প্রথমতে সমাজৰ হৈ চিন্তা কৰাৰ পিছতহে নিজৰ চিন্তা। প্লেটোৱে মত পোষণ কৰে যে ৰাষ্ট্রত বসবাস কৰা সকলোৱে জ্ঞান আহৰণৰ সমান ক্ষমতা পূর্ণ নহয়। সেয়েহে, মাত্র জ্ঞান অন্বেষণকাৰীয়েহে শাসন ব্যৱস্থাত অংশগ্রহণ কৰিব পাৰে। বাকীবোৰ তেওঁলোকৰ মেধাৰ ভিত্তিত অন্যান্য কামত নিয়োযিত হয়। প্লেটোৰ দার্শনিক শাসন ব্যৱস্থাত শাসকসকল কঠোৰ প্রশিক্ষণ আছে শিক্ষাৰ ফল, যি প্রায় ৩৫ বছৰ সময় জুৰি চলে। সেয়েহে এই দীঘলীয়া শিক্ষাৰ ফলত সৃষ্টি হোৱা দার্শনিক ৰজা অন্বেষণকাৰী ব্যক্তি আৰু নাগৰিকসকলে দার্শনিক ৰজাৰ নির্দেশনা গ্রহণ কৰিব লাগে। এইটো উল্লেখনীয় যে প্লেটোৱে অভিজাত শ্রেণীৰ শাসনৰ পোষকতা কৰে বা চৰকাৰ ব্যৱস্থাত অতি কম সংখ্যক তিক্ষ্ণ প্রশিক্ষণপ্রাপ্ত বিশেষজ্ঞৰ পোষকতা কৰে আনহাতে গণতান্ত্রিক ব্যৱস্থাত ৰাষ্ট্রৰ সকলো নাগৰিকে অংশগ্রহণৰ সুবিধা পায়। প্লেটোৱে এই গণতান্ত্রিক ব্যৱস্থাক সমালোচনা কৰিছে।



১.৮ আর্হি প্রশ্ন

প্রশ্ন ১ ঃ প্লেটোৰ চিন্তাধাৰাত প্রাৰম্ভিক প্রভাৱসমূহৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ২ ঃ প্লেটোৰ কর্মবিশেষকৰণ সম্পর্কে চমুকৈ লিখক।

প্রশ্ন ৩ ঃ প্লেটোৰ সাম্যবাদ সম্পর্কে আলোচনা কৰক।

প্রশ্ন ৪ ঃ প্লেটোৰ ন্যায় তত্ত্ব সমালোচনামূলক আলোচনা কৰক।

প্রশ্ন ৫ ঃ প্লেটোৰ আদর্শ ৰাষ্ট্রৰ ওপৰত এটা টোকা লিখক।

*** ***** ***

অধ্যায় ২ ঃ এৰিষ্টটল — নাগৰিকত্ব আৰু বিপ্লৱ

অধ্যায় গাঁথনি

২.১ শিকনৰ উদ্দেশ্য

২.২ আৰম্ভণি

২.৩ নাগৰিকত্বত এৰিষ্টটলৰ মন্তব্য

- ২.৩.১ নাগৰিকত্বৰ অপ্রয়োজনীয় যোগ্যতা
- ২.৩.২ নাগৰিকত্বৰ প্রয়োজনীয় যোগ্যতা
- ২.৩.৩ নাগৰিকৰ কর্তব্য
- ২.৩.৪ নাগৰিকত্বৰ বাহিৰৰ শ্রেণীবোৰ
- ২.৩.৫ এৰিষ্টটলৰ নাগৰিকত্ব ধাৰণাৰ সমালোচনা

২.৪ এৰিষ্টটলৰ বিপ্লৱৰ মন্তব্য

- ২.৪.১ বিপ্লৱৰ কাৰণ
- ২.৪.২ বিপ্লৱৰ প্রতিৰোধ

২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.৬ অধিক জানিবলৈ

২.৭ অগ্রগতিৰ খতিয়ান

২.৮ আৰ্হি প্রশ্ন

২.১ শিকনৰ উদ্দেশ্য

অধ্যায়টো অধ্যয়নৰ পিছত আপুনি—

- এৰিষ্টটলৰ নাগৰিকত্বৰ ধাৰণাটো আলোচনা কৰিব পাৰি।
- এৰিষ্টটলে আগবঢ়োৱা ভাল নাগৰিকৰ গুণসমূহ ব্যাখ্যা কৰিব পাৰিব।
- এৰিষ্টটলে চিনাক্ত কৰি দিয়া বিপ্লৱৰ বিশেষ কাৰণ সমূহৰ আলোচনা কৰিব পাৰিব।
- এৰিষ্টটলে চিনাক্ত কৰি দিয়া সাধাৰণ বিপ্লৱৰ কাৰণসমূহ আলোচনা কৰিব পাৰিব।

২.২ আৰম্ভণি

এৰিষ্টটল আছিল প্লেটোৰ শিষ্য। তেওঁ প্রাচীন গ্রীচৰ থ্রেছৰ স্তাগিৰা চহৰত 384 BCত জন্ম গ্রহণ কৰিছিল। পশ্চিমীয়া বুৰঞ্জীত এৰিষ্টটলক এজন মহান বুদ্ধিজীৱি বুলি গণ্য কৰা হয়। এৰিষ্টটলৰ মেধাশক্তি বিজ্ঞান আৰু কলা যেনে — জীৱবিজ্ঞান, উদ্ভিদ বিজ্ঞান, ৰাসায়ন, নীতিশাস্ত্র, বুৰঞ্জী, দর্শন, ৰাজনৈতিক তত্ত্ব, মনোবিজ্ঞান, সমাজতত্ত্ব ইত্যাদি বহুতো বিষয়ত বিয়পি আছে। তথাপি তেওঁ এজন মহান দার্শনিক হিচাপেহে সকলোতকৈ অধিক খ্যাতি লাভ কৰিছিল।

তেওঁৰ গ্ৰন্থ "Politics" গ্ৰীক ৰাজনৈতিক চিন্তাধাৰাৰ অমূল্য সৃষ্টি হিচাপে গণ্য কৰা হয়। এই গ্ৰন্থখন আঠটা খণ্ডৰ সমষ্টি। এৰিষ্টটলৰ চিন্তাধাৰা গ্ৰীক দৰ্শনক সৰ্বোচ্চ বুলি গণ্য কৰা তেওঁৰ পূৰ্বধাৰণাৰ দ্বাৰা গভীৰভাৱে প্ৰভাৱিত হৈছিল। তেওঁ বিশ্বাস কৰে যে সকলোবোৰ ইতিহাসৰ সৃষ্টি আৰু সমাজ হৈছে ব্যক্তিৰ উৰ্দ্ধতম। এৰিষ্টটলে কিছু সংখ্যক লোককহে নাগৰিকত্ব দিয়াৰ পোষকতা কৰিছিল। এই পূৰ্বধাৰণাসমূহে এৰিষ্টটলৰ চিন্তাধাৰাত প্ৰভাৱিত কৰিছিল। আকৌ, এইটো নুই কৰিব নোৱাৰি যে এৰিষ্টটলৰ বহুতো লিখনিত বহুল মতামত আৰু সম-সাময়িক কাৰ্য আৰু বাস্তৱবাদৰ কিছুমান উপাদান পোৱা যায়।

য'ত প্লেটোৰ লিখনিবোৰত আদৰ্শবাদ দেখা পোৱা যায়, এৰিষ্টটল এজন বাস্তৱবাদী চিন্তাবিদ। তেওঁৰ কৰ্ম "Politics" এ তেওঁৰ বাস্তৱবাদী চিন্তাৰ প্ৰকাশ কৰে। এই গ্ৰন্থখনত এৰিষ্টটলে অভিজ্ঞতাৰ ভিত্তিত বিভিন্ন ৰাজনৈতিক ব্যৱস্থাপনাৰ বৰ্ণনা কৰে। যদিও প্লেটোৰ দৰেই, এৰিষ্টটলে জ্ঞান বা যুক্তিক মানৱৰ চিহ্ন বুলি গণ্য কৰে, তেওঁ শিকায় যে সকলো ব্যক্তিৰে সমান পৰিমাণৰ মেধা বা জ্ঞান নাথাকে।

২.৩ নাগৰিকত্বত এৰিষ্টটলৰ মন্তব্য

তেওঁৰ বিখ্যাত গ্ৰন্থ "Politics" নাগৰিকত্বৰ ধাৰণাৰ লগত ব্যাপকভাৱে জড়িত। প্ৰথম পৰ্যায়ত তেওঁ আদৰ্শ নাগৰিক বিচৰাৰ চেষ্টা কৰিছে। এৰিষ্টটল মূলতঃ এজন ৰক্ষণশীল চিন্তাবিদ, যিয়ে চলিত নাগৰিকত্ব ব্যৱস্থাৰ সংৰক্ষণ কৰাৰ পক্ষে আছিল। ব্যক্তিক নাগৰিকত্ব দিয়াৰ পক্ষপাতিত্ব কৰা নাই। এৰিষ্টটলে নাগৰিকত্বৰ ধাৰণাটো দুটা চৰ্তৰ ওপৰত প্ৰদান কৰাৰ পোষকতা কৰে। যেনে— আৱশ্যকীয় যোগ্যতা আৰু অনা-আৱশ্যকীয় যোগ্যতাবোৰ।

২.৩.১ নাগৰিকত্বৰ অনাৱশ্যকীয় যোগ্যতাসমূহ

তেওঁৰ মতে কেৱল বসতিৰ যোগ্যতাক নাগৰিকত্ব অধিকাৰ প্ৰদানৰ মান্য বুলি গ্ৰহণ কৰা নহয়। সেইবাবে, তেওঁ বিশ্বাস কৰে যে যদিহে বসতিৰ যোগ্যতাক মান্য দিয়া হয়, বিদেশী আৰু দাসসকলকো নাগৰিকত্ব প্ৰদান কৰিব লগিয়া হ'ব আৰু যিটো তেওঁৰ বাবে গ্ৰহণ যোগ্য নহয়। আকৌ, এৰিষ্টটলে মন্তব্য কৰে যে আইনী অধিকাৰ ভোগ কৰাটোৱে নাগৰিকত্ব ভোগ কৰাৰ বাবে যোগ্য নহয়। একেদৰে, নাগৰিকৰ বংসধৰ হিচাপেও এজন ব্যক্তি নাগৰিক হ'ব নোৱাৰে। এৰিষ্টটলে বিশেষকৈ মত পোষণ কৰে যে কেৱল পিতৃ বা মাতৃ নাগৰিক হ'লেই সন্তানে নাগৰিকত্ব লাভ কৰিব নোৱাৰে। আকৌ এৰিষ্ট্ৰটলে সৰু শিশুসকল আৰু অপৰিণত শিশুসকলক নাগৰিকত্ব প্ৰদানৰ বিৰোধিতা কৰে।

একেদৰে, ওপৰত উল্লেখ কৰা তিনিটা যোগ্যতা বাসস্থান, আইনী অধিকাৰ ভোগ আৰু বংশগত নাগৰিকত্ব ইত্যাদিবোৰ অপ্ৰয়োজনীয় যোগ্যতা।

২.৩.২ নাগৰিকত্বৰ অত্যাৱশ্যকীয় যোগ্যতা

নাগৰিকৰ অত্যাৱশ্যকীয় উপাদানবোৰ যিবোৰ বাসস্থান, আইনী অধিকাৰ বা বংশগত নহয় বৰং ৰাষ্ট্ৰৰ নাগৰিকীয় দায়িত্ব পালন কৰা। এই দায়িত্ব সীমিত সময়ৰ বাবে নহয়, বৰঞ্চ অনির্দিষ্ট সময়ৰ বাবে হ'ব লাগে। এৰিষ্টটলৰ মতে, সেইজন ব্যক্তিহে নাগৰিক যাৰ ন্যায়িক আৰু ইচ্ছাকৃত ৰাষ্ট্ৰৰ কাম কৰাৰ যোগ্যতা থাকে। সেইবাবে, এৰিষ্টটলে মত পোষণ কৰে যে সেইসকলহে নাগৰিক যিসকলে সার্বভৌম ৰাষ্ট্ৰৰ বিবেচনা কার্যত অংশগ্রহণ কৰে আৰু প্রশাসনীয় ন্যায় ব্যৱস্থাত ৰাষ্ট্ৰৰ নির্ণয়ক ভূমিকা পালন কৰে।

২.৩.৩ নাগৰিকৰ গুণসমূহ

এৰিষ্টটলে তলত দিয়া ধৰণে নাগৰিকৰ প্রয়োজনীয় গুণসমূহ আলোচনা কৰিছে—

নাগৰিকত্ব অর্জনৰ প্রথম গুণটো হ'ল যে ব্যক্তিজনে সাম্প্রদায়িক সুৰক্ষা প্রদানৰ কামত জড়িত হ'ব লাগিব। এৰিষ্টটলে সংজ্ঞা আগবঢ়ায় যে সেইজনেই এজন নাগৰিক যিয়ে ন্যায়িক আৰু আইন প্রশাসনত অংশগ্রহণ কৰে। অন্য অর্থত, যিয়ে ন্যায় কার্যালয়ৰ ন্যায়াধিক্ষ বা জনসভাৰ সদস্য হিচাপে কাম কৰে তেওঁহে নাগৰিক।

দ্বিতীয়টো গুণ হ'ল — নাগৰিকৰ শাসন আৰু শাসিক হোৱাৰ ক্ষমতা থাকিব লাগিব। এৰিষ্টটলৰ মতে এজন ভাল নাগৰিক হ'বলৈ এই দুয়োটা গুণ থাকিব লাগিব। এজন ব্যক্তি যাৰ শাসন আৰু শাসিত কৰাৰ জ্ঞান নাথাকে তেওঁ নাগৰিক নহয়।

নাগৰিকৰ অৱসৰৰ সুবিধা থকাটোও এটা প্রয়োজনীয় চর্তৰ ভিতৰত পৰে। এৰিষ্টটলৰ মতে যি ব্যক্তি মাত্র অৱসৰ ভোগ কৰিব পাৰে আৰু দৈনন্দিন জীৱনৰ কোনো কামৰ বোজাক লৈ সচেতন থাকিব নালাগে তেওঁলোকে ৰাষ্ট্ৰৰ কর্মত এজন ন্যায়িক বা বিধানকর্তা হিচাপে অংশগ্রহণ কৰিব পাৰে। এৰিষ্টটলে সেইবাবে দাসসকল ব্যৱসায় আৰু বাণিজিক কর্মত নিয়োজিত স্থায়ী বিদেশীসকল, কাৰিগৰ আৰু শ্রমিক ইত্যাদিসকলক নাগৰিক শ্রেণীৰ পৰা আঁতৰাই ৰাখিছে।

আকৌ, এৰিষ্টটলে মত পোষণ কৰে যে নাগৰিকসকলে অৱসৰ ভোগ আৰু তেওঁলোকৰ নিজৰ দায়িত্ব সু-পৰিচালনাৰ বাবে আর্থিক ভয়ৰ পৰা মুক্ত হ'ব লাগে। এইক্ষেত্রত এৰিষ্টটলে মন্তব্য কৰে যে নাগৰিকসকলৰ সম্পত্তি থাকিব লাগে, যি অৱসৰ নিশ্চিত কৰিব, যাতে তেওঁলোকে নাগৰিকীয় দায়িত্বত অংশগ্রহণ কৰিব পাৰে।

এতিয়া, এইটো উল্লেখনীয় যে এৰিষ্টটলৰ অৱসৰৰ ধাৰণাটো মৌলিকভাৱে সাধাৰণ অৱসৰতকৈ পৃথক। তেওঁৰ মতে, অৱসৰ মানে বিনোদন নহয়। অৱসৰ মানে হৈছে কার্যকলাপ; যি আর্থিক প্রকৃতিৰ নহয়। অৱসৰ কার্যকলাপবোৰ উত্তম জীৱনৰ

অংশ, যি সমাজৰ উন্নতিৰ বাবে অত্যাৱশ্যক আৰু যাৰ বিকাশেই ৰাজ্যৰ মূল উদ্দেশ্য। সেইবাবে নাগৰিকৰ অৱসৰ কার্যবোৰ চলাই নিয়াৰ বাবে এৰিষ্টটলে দাস ব্যৱস্থাৰ পোষকতা কৰে।

২.৩.৪ নাগৰিকত্বৰ বাহিৰত থকা শ্ৰেণীসমূহ

এৰিষ্টটলে মহিলা, বয়স্ক ব্যক্তি লগতে শিশুসকলক নাগৰিকৰ শ্ৰেণীৰ পৰা বাহিৰত ৰাখিছে। এৰিষ্টটলৰ মতে, বনুৱা শ্ৰেণী, দাসসকল, মহিলা, বয়সস্থ আৰু শিশুসকলৰ অৱসৰৰ সময় আৰু পৰিপক্ক বিচাৰ ক্ষমতাৰ অভাৱত ৰাষ্ট্ৰৰ কর্মত অংশগ্ৰহণ কৰাৰ বাবে যোগ্য নহয়। সেইবাবে, তেওঁলোক নাগৰিকৰ অধিকাৰৰ বাবে যোগ্য নহয়। আকৌ, এৰিষ্টটলে উৎপাদক শ্ৰেণীক নাগৰিকত্বৰ পৰা বিৰত ৰাখিছে। এৰিষ্টটলৰ মতে নাগৰিকত্ব অর্জনৰ বাবে নগৰ ৰাষ্ট্ৰৰ সদস্য হোৱাটো বাঞ্ছনীয়। সেয়েহে, এৰিষ্টটলে সকলোকে নাগৰিকত্ব প্ৰদানৰ ক্ষেত্ৰত উদাৰ নহয় য'ত তেওঁ ওপৰত উল্লেখ কৰা শ্ৰেণীসমূহক বাহিৰত ৰাখিছে। এৰিষ্টটলে অভিজাত শ্ৰেণীকহে এই বিশেষ সুবিধা দি নাগৰিকত্বৰ অধিকাৰ প্ৰদান কৰিছে।

২.৩.৫ এৰিষ্টটলৰ নাগৰিকত্বৰ সমালোচনা

এৰিষ্টটলৰ নাগৰিকত্বৰ ধাৰণাটো তলত দিয়া ধৰণে সমালোচনাৰ সন্মুখীন হৈছে—

সমালোচকৰ মতে, এৰিষ্ট্ৰটলৰ নাগৰিকত্বৰ ধাৰণাটো উদাৰ দর্শনৰ বিপৰীতে য'ত তেওঁ মাত্ৰ নির্দিষ্ট এটা শ্ৰেণী (অভিজাত শ্ৰেণী)কহে নাগৰিকত্ব দিয়াৰ পোষকতা কৰে আৰু মহিলা, শিশু, বয়স্ক মানুহ কাৰিগৰী শ্ৰমিক ইত্যাদিক এই শ্ৰেণীৰ পৰা বাদ দিয়ে। সমালোচকৰ মতে, সংখ্যাগৰিষ্ঠ মানুহক নাগৰিকত্ব অধিকাৰৰ পৰা বঞ্চিত কৰাই তেওঁলোকৰ মাজত অনাগ্ৰহী মনোভাৱ সৃষ্টি কৰিব, যি ৰাষ্ট্ৰৰ বাবে ক্ষতিকাৰক।

সমালোচক সকলে বিশ্বাস কৰে যে, এই ধৰণৰ নাগৰিকত্বৰ বর্জনবাদী ধাৰণাই ৰাষ্ট্ৰখনক শ্ৰেণীত বিভক্ত কৰিব; যিয়ে ৰাষ্ট্ৰৰ ঐক্যতাৰ বিপৰীতে যাব। ইয়ে মানুহৰ মাজত অসন্তুষ্টিৰ সৃষ্টি কৰিব। যদিহে এটা শ্ৰেণীৰ বাবে যিয়ে যথেষ্ট ধনী শ্ৰেণী যে কাম কৰাৰ প্ৰয়োজনেই নাই, তেন্তে এই শ্ৰেণীয়ে প্ৰত্যেক ক্ষেত্ৰতে তেওঁলোকৰ ক্ষমতা আৰু সুবিধাৰ প্ৰসাৰ কৰাৰ সম্ভাৱনা অধিক।

এৰিষ্টটলৰ নাগৰিকত্বৰ ধাৰণাটো আধুনিক ৰাষ্ট্ৰৰ বিপৰীত আৰু আধুনিক ৰাষ্ট্ৰৰ বাবে প্ৰযোজ্য নহয়। সাম্প্ৰতিক সময়ত ৰাষ্ট্ৰত বসবাস কৰা (ভূমি ন্যায় আৰু আদিবাসী ন্যায় নীতিৰ) সকলো নাগৰিক,তেওঁলোকে হাতেৰে বা মস্তিকৰে কাম কৰক সকলো নাগৰিক। সমালোচকৰ মতে, কেৱল অভিজাত শ্ৰেণীয়ে জনগণৰ প্ৰাথমিক প্ৰয়োজন খাদ্য, বস্ত্ৰ ইত্যাদি প্ৰদান কৰিব নোৱাৰে। সেইবাবে, শাৰীৰিক কাম কৰা

মানুহক নিন্দা আৰু নাগৰিকত্ব অধিকাৰৰ পৰা বঞ্চিত কৰা ন্যায়পূর্ণ নহয়। আকৌ, এৰিষ্টটলে মন্তব্য কৰা নাগৰিকৰ পোনপটিয়াকৈ আইন প্রণয়ন আৰু ন্যায় কার্যত অংশগ্রহণ কৰাটো গ্রহণযোগ্য নহয়। এই ব্যৱস্থাটো মাত্র তেওঁৰ সময়ৰ সৰু সৰু নগৰ ৰাষ্ট্রসমূহৰ ক্ষেত্রতহে প্রযোজ্য বা সম্ভৱ আছিল। কিন্তু আধুনিক ৰাষ্ট্র য'ত লাখ লাখ মানুহে বসবাস কৰে এই ধৰণৰ নাগৰিকত্বৰ ধাৰণা গ্রহণযোগ্য নহয়। এইটো একপ্রকাৰে চিন্তা কৰা সম্ভৱ নহয় যে সকলো নাগৰিকে আইন প্রণয়ন আৰু ন্যায়কার্যত অংশগ্রহণ কৰিব পাৰিব। তাৰোপৰি, সাম্প্রতিক সময়ৰ প্রতিনিধিত্বমূলক গণতান্ত্রিক ব্যৱস্থাত এৰিষ্টটলৰ নাগৰিকত্বৰ ধাৰণাটো যোগ্য বুলি ক'ব নোৱাৰি। কাৰণ, প্রতিনিধিত্বমূলক গণতান্ত্রিক ব্যৱস্থাত নাগৰিক সকলে ৰাষ্ট্রৰ কার্যসমূহত তেওঁলোকৰ নির্দিষ্ট নির্বাচিত প্রতিনিধিৰ জৰিয়তে অংশগ্রহণ কৰে।

আকৌ, তেওঁৰ দাস ব্যৱস্থা যিয়ে নাগৰিকৰ অৱসৰ সময় নিশ্চিত কৰিছে মানৱ অধিকাৰ দর্শনৰ বিপৰীতে য'ত সকলো মানুহক সমান আৰু একে বুলি কোৱা হয়। তাৰোপৰি তেওঁৰ তত্ত্বই শ্রেণী শোষণ আৰু সংখ্যাগৰিষ্ঠৰ কল্যাণত প্রতাৰণা কৰা দেখা যায়। জনসাধাৰণৰ মাজত ভাগ বিতৰণ কৰি দুটা অংশ কৰাটো ভুল ধাৰণা য'ত এটা অংশক অন্যৰ কল্যাণ কৰাৰ সজুলি হিচাপে ব্যৱহাৰ কৰা হয়।

এৰিষ্টটলৰ নাগৰিকত্বৰ ধাৰণাটোৱে ৰক্ষণশীল দৃষ্টিভংগী প্রতিফলিত কৰে আৰু সেইবাবে গুৰুত্বৰভাৱে সমালোচনা কৰা হয়। অৱশ্যে, তেওঁৰ নাগৰিকত্বৰ ধাৰণাটো সম্পূর্ণৰূপে আধুনিক ৰাষ্ট্রৰ তুলনাত বর্জন কৰাটোও ন্যায়পূর্ণ নহয়। এৰিষ্টটলে প্রদান কৰা নাগৰিকত্বৰ তত্ত্বটো প্রাথমিকভাৱে তেওঁৰ সময়ত প্রচলিত নগৰ ৰাষ্ট্রসমূহৰ ক্ষেত্রত প্রযোজ্য আছিল। এৰিষ্টটল নাগৰিকত্বৰ তত্ত্বত তেওঁ সীমিত সংখ্যক লোকক নাগৰিকত্ব প্রদানৰ কথা কৈছে কাৰণ তেওঁৰ সময়ৰ নাগৰিকত্বৰ অর্থ আজিৰ নাগৰিকত্বৰ তুলনাত বহু বেছি বিস্তৃত আছিল আৰু ইয়াৰ বাবে নাগৰিকসকলক অৱসৰৰ প্রয়োজন আছিল, যিটো বনুৱা শ্রেণীৰ মানুহে ভোগ কৰিব পৰা নাছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ এৰিষ্টটলৰ তিনিটা অন্যৱশ্যকীয় যোগ্যতা উল্লেখ কৰা।

প্রশ্ন নং ২ ঃ এৰিষ্টটলৰ মতে নাগৰিকত্বৰ দুটা গুণ লিখা।

২.৪ এৰিষ্টটলৰ বিপ্লৱৰ মন্তব্য

এৰিষ্টটল "Politics"ৰ চতুর্থ খণ্ডত বিপ্লৱৰ সম্পর্কে মন্তব্য আগবঢ়াইছে। এৰিষ্টটলৰ বিপ্লৱৰ মন্তব্যটো হৈছে ১৫৪ খন কার্যকৰী সংবিধানৰ বিস্তৃত্ব আৰু সম্প্রসাৰিত অধ্যয়নৰ ফল আৰু তেওঁৰ সময়ত চৰকাৰ ব্যৱস্থাৰ পৰিবর্তনশীলতাৰ ওপৰত প্রতিষ্ঠিত আছিল। সেইসময়ৰ অৱক্ষয় ৰাজনৈতিক ব্যৱস্থাৰ নগৰ ৰাষ্ট্রসমূহৰ পৰিঘটনাসমূহক এৰিষ্টটলে চিনাক্ত কৰিছিল আৰু

ইয়াৰ দ্বাৰাই তেওঁৰ বিস্তৃত্ব বিপ্লৱৰ ধাৰণাটো আগবঢ়াইছে।

আৰম্ভণিতে এৰিষ্টটলে দুটা সন্দৰ্ভত সংজ্ঞা আগবঢ়াইছে। প্ৰথমতে, তেওঁ সংবিধানৰ লঘু আৰু গুৰু কিছু সলনিৰ পোষকতা কৰিছিল যিদৰে, ৰাজতন্ত্ৰৰ পৰা অভিজাততন্ত্ৰ আৰু তেনেকুৱা পৰিৱৰ্তনবোৰ।

দ্বিতীয়তে, বিপ্লৱ মানে হৈছে শাসন ক্ষমতাৰ পৰিবৰ্তন, এই পৰিৱৰ্তনে চৰকাৰ আৰু সংবিধানত কোনো প্ৰভাৱ নেপেলায়। এই ক্ষেত্ৰত ৰাজতন্ত্ৰৰ পৰা স্বৈৰাচাৰী শাসনলৈ পৰিবৰ্তন আৰু বিপৰীতবোৰ হৈছে বিপ্লৱ। অন্য অৰ্থত বিপ্লৱ বুলিলে শাসন ক্ষমতাৰ হস্তান্তৰ হোৱাক বুজায়, যত সংবিধান একে থাকে।

ওপৰৰ আলোচনাৰ পৰা এৰিষ্ট্ৰটলৰ বিপ্লৱৰ ব্যাখ্যাত বিপ্লৱ শব্দটো বহল অৰ্থত ব্যৱহাৰ কৰিছে য'ত তেওঁ বিপ্লৱক ৰাজনৈতিক কেৱল পৰিবৰ্তনৰ সৈতে সীমাৱদ্ধ ৰখা নাছিল।

২.৪.১ বিপ্লৱৰ কাৰণবোৰ

এৰিষ্ট্ৰটলৰ মতে বিপ্লৱৰ বিভিন্ন কাৰক আছিল; যিবোৰ তলত দিয়া ধৰণে বহলাই আলোচনা কৰা হয় —

- **বিপ্লৱৰ সাধাৰণ কাৰণবোৰ ঃ**

এৰিষ্টটলৰ মতে সকলো মানুহৰে সমান ব্যৱহাৰ পোৱাৰ আকাংশা থাকে। তেওঁৰ এই আকাংশাটো প্ৰকৃতিগত। যেতিয়া মানুহৰ মাজত কিছুসংখ্যক ব্যক্তিক সুবিধা প্ৰদান কৰে কিছুসংখ্যক মানুহক সুবিধা প্ৰদান কৰা নহয়, তেতিয়া বঞ্চিত শোষিত শ্ৰেণীয়ে চলিত ব্যৱস্থাক প্ৰত্যাহ্বান জনাব আৰু সেইটোৱে বিপ্লৱৰ কাৰণ। এৰিষ্টটলৰ মতে অন্যায় আৰু বেয়া ব্যৱহাৰ ইত্যাদিবোৰ হৈছে অসন্তুষ্ট আৰু অস্থিৰতাৰ শক্তিশালী কাৰণ। সমানুপাতিক সমতা আৰু অন্যায়মূলক চুক্তি ইত্যাদিয়ে ন্যায় বিতৰণত অসমতাৰ সৃষ্টি কৰে আৰু নগৰবোৰক ভাগ ভাগ কৰি তোলে। অন্য অৰ্থত, যেতিয়া সমাজৰ এক শ্ৰেণীয়ে অনুভৱ কৰে যে তেওঁলোকক ন্যায় ক্ষেত্ৰত অস্বীকাৰ আৰু বঞ্চিত হৈছে তেতিয়া বিপ্লৱৰ সম্ভাৱনীয়তা বৃদ্ধি পায়। গতিকে, বিপ্লৱৰ আটাইতকৈ সাধাৰণ কাৰণ হ'ল মানুহৰ সমতাৰ আকাংশা। অৱশ্যে, সমতা বিভিন্ন ক্ষেত্ৰত বিভিন্ন ধৰণে কাৰ্যকৰী হয়, যেনে গণতান্ত্ৰিক ব্যৱস্থাত সকলোৰে পূৰ্ণ সমতা বিচৰা যায়, অন্যহাতে অভিজাত তন্ত্ৰত মানুহৰ সম্পত্তি, সক্ষমতা আৰু মূল্যৱ ওপৰত ভিত্তি কৰি সমানুপাতিক সমতা প্ৰতিষ্ঠা কৰাৰ পোষকতা কৰা হয়।

এৰিষ্টটলে মতামত প্ৰদান কৰে যে বিপ্লৱসমূহ নাগৰিকৰ সমান সুবিধা আৰু অধিকাৰৰ আকাঙ্খাৰ ওপৰতে প্ৰতিষ্ঠিত। তেওঁৰ মতে গণতন্ত্ৰ আৰু ৰাজতন্ত্ৰৰ সংমিশ্ৰণটো আকাংশিত আৰু আটাইতকৈ ভাল যদিহে বিপ্লৱ এৰাই চলিব পাৰি। এৰিষ্টটলৰ মতে, বিপ্লৱবোৰ বিভিন্ন ধৰণৰ হ'ব পাৰে যেনে— ৰাষ্ট্ৰৰ সংবিধান সলনি কৰা বিপ্লৱ, ৰাজনৈতিক ক্ষমতা ধৰাৰ বাবে বিপ্লৱ, কিন্তু সংবিধান একে থাকে। আকৌ,

189394

বিপ্লৱে এটা গণতান্ত্রিক ব্যৱস্থাত কম গণতান্ত্রিক বা অতি গণতান্ত্রিক নাইবা অভিজাততান্ত্রিক কম বা বেছি অভিজাততান্ত্রিক কৰিব পাৰে অথবা ৰাষ্ট্ৰৰ কোনোবা ব্যক্তি বা ব্যক্তিগোষ্ঠীৰ বিৰুদ্ধে বিপ্লৱ হ'ব পাৰে। গতিকে, এৰিষ্টটলে দৃঢ়তাৰে কয় যে ৰাষ্ট্ৰত অতি সমতা প্ৰতিষ্ঠা মানে ৰাষ্ট্ৰ স্থায়ী। ৰাষ্ট্ৰ ব্যৱস্থাত য'ত মধ্যমিয়া শ্ৰেণীয়ে শাসন কৰে, তাত ব্যক্তিৰ মাজত কম অসমতাৰ সৃষ্টি হয় আৰু সেইবাবে বিপ্লৱ কম হোৱাৰ সম্ভৱনা থাকে।

- **বিপ্লৱৰ বিশেষ কাৰণবোৰ ঃ**

এৰিষ্ট্ৰটলে বিপ্লৱৰ বিভিন্ন বিশেষ কাৰণ চিনাক্ত কৰিছে। সেইবোৰ হ'ল —

➢ ক্ষমতাৰ অপব্যৱহাৰ আৰু কর্তৃত্ব ঃ

বিপ্লৱৰ এটা অন্যতম বিশেষ কাৰণ হিচাপে এৰিষ্ট্ৰটলে চিনাক্ত কৰিছে যে শাসক পক্ষৰ কর্তৃত্ব আৰু ক্ষমতাৰ অপব্যৱহাৰ। ইয়ে ব্যক্তিৰ মনত অসন্মান আৰু বিৰক্তিৰ মনোভাৱ শাসকৰ বিৰুদ্ধে বৃদ্ধি কৰে। এই ধৰণৰ মনোভাৱে বিপ্লৱৰ সূচনা কৰিব পাৰে। ৰাজতন্ত্ৰ আৰু অভিজাততন্ত্ৰত সেচ্ছাচাৰী শাসনে, শাসক পক্ষৰ অহংকাৰী আৰু অত্যাচাৰী আচৰণে বিপ্লৱৰ সূচনা কৰে।

➢ লাভ আৰু লাভ ঃ

যেতিয়া ৰাষ্ট্ৰৰ বিষয়াসকলে অবৈধভাৱে লাভ আদায় কৰাত লিপ্ত হয় ব্যক্তি বা জনগণে শোষিত অনুভৱ কৰিব আৰু পৰিবর্তনৰ সূচনা কৰিব।

➢ পক্ষপাতিত্ব আৰু বৈষম্য ঃ

যেতিয়া নাপাবলগীয়া মানুহে সন্মান পায় আৰু পাবলগিয়া ব্যক্তিয়ে নাপায় তেতিয়া বিপ্লৱ সংঘটিত হ'ব পাৰে। যেতিয়া চৰকাৰে এই ধৰণৰ অভিযোগবোৰ গুৰুত্ব সহকাৰে বিবেচনা নকৰে, জনসাধাৰণে বিপ্লৱৰ সূচনা কৰে।

➢ দুর্নীতি আৰু বিশ্বাসঘাতকতা

এৰিষ্টটলে দুর্নীতি আৰু বিশ্বাসঘাতকতা একপ্রকাৰৰ বিপ্লৱৰ কাৰণ হিচাপে চিহ্নিত কৰিছে। নির্বাচনী ব্যৱস্থাত অসাধু পদ্ধতি অৱলম্বন কৰি ক্ষমতাত অহা আৰু প্রশাসনীয় ব্যৱস্থাত দুর্নীতি আদি কার্যই সাধাৰণ জনগণৰ মাজত অসন্তোষৰ সৃষ্টি কৰিব আৰু তেওঁলোকে বিপ্লৱৰ জৰিয়তে এই ব্যৱস্থাক প্রত্যাহ্বান জনাব।

➢ ক্ষমতাৰ অত্যাধিক আৰু অযুক্তিকৰ ব্যৱহাৰ ঃ

এৰিষ্ট্ৰটলৰ মতে ক্ষমতাৰ অত্যাধিক আৰু অযুক্তিকৰ ব্যৱহাৰে বিপ্লৱৰ সূচনা কৰিব পাৰে। এৰিষ্ট্ৰটলে বিশ্বাস কৰে যে এই ধৰণৰ পৰিস্থিতিৰ সৃষ্টি হ'লে জনসাধাৰণে কর্তৃপক্ষক দিঘলীয়া সময়ৰ বাবে সহ্য কৰি নাথাকিব আৰু বিপ্লৱ কৰিবলৈ উদ্যাত্য হ'ব। আকৌ ক্ষমতাৰ প্রত্যাক্ষিৰ মাজত হোৱা খণ্ড যুদ্ধবোৰেও ব্যক্তিৰ মাজত বিপ্লৱৰ আচৰণ সৃষ্টি কৰিব পাৰে।

- ৰাষ্ট্ৰৰ ক্ষমতাৰ অসামঞ্জস্যপূৰ্ণ বৃদ্ধি ঃ

  ৰাষ্ট্ৰৰ ক্ষমতা অসমাঞ্জস্যপূৰ্ণভাৱে বৃদ্ধি কৰি হ'লেও বিপ্লৱ সংঘটিত হ'ব পাৰে। এনে বৃদ্ধিৰ ফলত শাসক আৰু শাসিতৰ মাজত দূৰত্ব বৃদ্ধি হয়, সংবিধান আৰু সমাজ ব্যৱস্থাৰ দূৰত্ব বৃদ্ধি হয় যি বিপ্লৱৰ সূচনা কৰিব পাৰে।

- জনসাধাৰণক প্ৰভাৱিত কৰা নেতাসকলৰ ভূমিকা ঃ

  এৰিষ্টটলৰ মতে অন্য এটা বিশেষ বিপ্লৱৰ কাৰণ হ'ল গণতন্ত্ৰত জনসাধাৰণক প্ৰভাৱিত কৰা নেতাসকলে লোৱা ভূমিকা। তেওঁলোকে ধনী ব্যক্তিৰ বিৰুদ্ধে ব্যক্তিগত আৰু শ্ৰেণী হিচাপে বিভিন্ন ধৰণে অভিযোগ আনে। ফলস্বৰূপে ধনী জনগণে একত্ৰিত হয় আৰু গণতান্ত্ৰিক চৰকাৰ ব্যৱস্থাক ওফৰাই দিয়ে।

  আকৌ বিভিন্ন কাৰক যেনে চৰকাৰৰ সৰু পৰিবৰ্তনক অৱহেলা কৰা, অনুপ্ৰৱেশকাৰীৰ মুক্ত প্ৰবাহ, এখন ৰাষ্ট্ৰ অন্য ৰাষ্ট্ৰক আক্ৰমণ, ক্ষমতাৰ প্ৰতি প্ৰেম, শাসকসকলৰ অহংকাৰ ইত্যাদিবোৰেও বিপ্লৱৰ সূচনা কৰিব পাৰে।

২.৪.২ বিপ্লৱৰ প্ৰতিৰোধ

এৰিষ্টটলে কেৱল বিপ্লৱৰ কাৰণবোৰ চিনাক্ত কৰাই নহয়, লগতে ইয়াক প্ৰতিৰোধ কৰিবলৈ কেইবাটাও পৰামৰ্শ আগবঢ়াইছিল। ইয়াত এৰিষ্টটলে সাধাৰণ আৰু বিশেষ ব্যৱস্থা বুলি শ্ৰেণীবদ্ধ কৰিছে।

- <u>সাধাৰণ প্ৰতিৰোধ</u>

এৰিষ্ট্ৰটলে তলত আলোচনা কৰা ধৰণে সাধাৰণ প্ৰতিৰোধ ব্যৱস্থাসমূহ আলোচনা কৰিছে ঃ

(a) ন্যায়ৰ ধাৰণা নিশ্চিত কৰা।

(b) ৰাষ্ট্ৰৰ বিষয়াসকলক পুনৰ নিৰ্বাচিত অধিকাৰ প্ৰদান নকৰাকৈ নিৰ্দিষ্ট কাৰ্যকালৰ বাবে নিৰ্বাচিত কৰা।

(c) সম্প্ৰীতিৰ ভাৱ কঢ়িয়াই অনাৰ বাবে প্ৰচেষ্টা কৰা উচিত।

(d) জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰিব লাগিব যাতে তেওঁলোকে সংকটৰ সময়ত সংবিধানৰ ওপৰত দৃঢ়তা ৰাখিব পাৰে।

(e) সতৰ্কতাৰে বটা আৰু পদোন্নতিৰ ব্যৱস্থা কৰা।

(f) ব্যক্তিগত অপব্যয় আৰু সামাজিক শ্ৰেণী এটাৰ হঠাতে বিত্তশীল হোৱাৰ প্ৰৱণতাক নিবাৰণ কৰিব লাগে।

(g) ৰাইজক প্ৰতাৰণা কৰাৰ উদ্দেশ্য কৰা সজুলিবোৰত কোনো নিৰ্ভৰশীলতা প্ৰদান কৰিব নালাগে।

(h) জনসাধাৰণক শিক্ষিত কৰা আৰু তেওঁলোকক মৰমেৰে ব্যৱহাৰ কৰিলে জনসাধাৰণৰ ৰাজনৈতিক ব্যৱস্থাৰ প্ৰতি অনুগত্য নিশ্চিত হ'ব।

➢ বিশেষ পদ্ধতিবোৰ ঃ

এৰিষ্টটলে বিপ্লৱ প্ৰতিৰোধৰ বিশেষ পদ্ধতি কিছুমানৰ পৰামৰ্শ আগবঢ়াইছে। অৱশ্যে তেওঁ চৰকাৰৰ বিভিন্ন শক্তিৰ পৰিপ্ৰেক্ষিতত এই পদক্ষেপবোৰ দিবলৈ চেষ্টা কৰে। এইবোৰ হৈছে —

গণতান্ত্ৰিক ব্যৱস্থাত, এৰিষ্টটলে পৰামৰ্শ দিয়ে যে ধনীসকলক অনুভৱ কৰাব লাগে যে তেওঁলোকৰ সম্পত্তি আৰু সম্পত্তিৰ পুনৰ বিতৰণ কৰা নহব। অভিজাত্য আৰু অল্পতন্ত্ৰত ন্যায়তাৰ নীতি অৱলম্বন কৰা উচিত।

এৰিষ্টলৰ মতে, এনে প্ৰণালীৰ অধিনত কোনো এজন ব্যক্তি বা ব্যক্তি গোটক অত্যাধিক শক্তিশালী হ'বলৈ দিয়া উচিত নহয়। আকৌ দৰিদ্ৰ লোকসকলকো প্ৰশাসনিক ব্যৱস্থাৰ কাম-কাজৰ ভিতৰত আন্তৰ্ভুক্ত কৰিব লাগে। ৰাজনীতিত যদি বিপ্লৱ প্ৰতিৰোধ কৰিব লাগে তেন্তে যিটো বাঞ্ছনীয় সেয়া হ'ল এক সঠিক চোৰাংচোৱা প্ৰণালী য'ত পুৰুষ আৰু মহিলা উভয়েই অন্তৰ্ভুক্ত থাকে। নাগৰিকৰ বৌদ্ধিক জীৱন বিকাশ কৰা; লোকসকলক দৰিদ্ৰ কৰি ৰখা যাতে তেওঁলোকে নিৰন্তৰ অৰ্থনৈতিক সমস্যাৰ সন্মুখীন হয়, বিভিন্ন শ্ৰেণীৰ লোকৰ মাজত শত্ৰুতা আৰু অবিশ্বাসৰ অনুভূতি সৃষ্টি কৰা যাতে তেওঁলোকে নিজৰ মাজতে বিবাদত লিপ্ত হৈ পৰে আৰু বিপ্লৱৰ কথা ভাবিবলৈ খুব কম বা সময় নাপায়। এনেদৰে স্বৈৰাচাৰীসকলে তেওঁলোকৰ শাসন ব্যৱস্থা দীঘলীয়া কৰিব পাৰে আৰু মংগলময় অৱস্থা প্ৰাপ্ত কৰিব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ বিপ্লৱৰ দুটা যিকোনো বিশেষ কাৰণ উল্লেখ কৰা।

প্ৰশ্ন নং ২ ঃ বিপ্লৱৰ যিকোনো দুটা প্ৰতিৰোধ উল্লেখ কৰা।



২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এৰিষ্টটলৰ তৃতীয় বিখ্যাত কৰ্মৰাজী "Politics"ত নাগৰিকত্বৰ ধাৰণাৰ বিস্তৃত্ব বিৱৰণ দিয়া হৈছে।
- প্ৰথম পৰ্যায়ত এৰিষ্টটলে আদৰ্শ নাগৰিক বিচৰাৰ চেষ্টা কৰিছে। এৰিষ্ট্ৰটলে সকলো ব্যক্তিক নাগৰিকত্ব দিয়াৰ পক্ষপাতিত্ব কৰা নাই। তেওঁ নাগৰিকত্বৰ ধাৰণাটো দুটা চৰ্তৰ ওপৰত প্ৰদান কৰাৰ পোষকতা কৰে। যেনে — আৱশ্যকীয়া যোগ্যতা আৰু অনাৱশ্যকীয়া যোগ্যতাবোৰ।

- এৰিষ্টটলৰ মতে তিনিটা অন্যৱশ্যকীয়া যোগ্যতা হ'ল — বাসস্থান, আইনী অধিকাৰ ভোগ আৰু বংশগত নাগৰিকত্ব ইত্যাদিবোৰ অপ্রয়োজনীয় যোগ্যতা।
- নাগৰিকৰ অত্যাৱশ্যকীয় উপাদানবোৰ বাসস্থান, আইনী অধিকাৰ বা বংশগত নহয় বৰঞ্চ ৰাষ্ট্রৰ নাগৰিকীয় দায়িত্ব পালন কৰা। এই দায়িত্ব সীমিত সময়ৰ বাবে নহয়, বৰঞ্চ অনির্দিষ্ট সময়ৰ বাবে হ'ব লাগে।
- এৰিষ্টটলৰ মতে নাগৰিক সেইজনেই যাৰ ন্যায়িক আৰু ইচ্ছাকৃত ৰাষ্ট্রৰ কাম কৰাৰ যোগ্যতা থাকে। সেইবাবে, এৰিষ্ট্রটলে মত পোষণ কৰে যে নাগৰিক সকলে সার্বভৌম ৰাষ্ট্রৰ বিবেচনা কার্যত অংশগ্রহণ কৰে আৰু প্রশাসনীয় ন্যায় ব্যৱস্থাত ৰাষ্ট্রৰ নির্ণায়ক ভূমিকা পালন কৰে।
- এৰিষ্টটলে নাগৰিকত্বৰ বাবে প্রয়োজনীয় কিছুমান গুণ উল্লেখ কৰিছে।
- আকৌ, এৰিষ্টটলে মহিলা বয়স্ক ব্যক্তি লগতে শিশুসকলক নাগৰিকত্ব শ্রেণীৰ পৰা বাদ দিছে।
- এৰিষ্টটলে "Politics"ৰ চতুর্থ খণ্ডত বিপ্লৱৰ সম্পর্কে মন্তব্য আগবঢ়াইছে। আৰম্ভণিতে এৰিষ্টটলে দুটা সন্দর্ভত সংজ্ঞা আগবঢ়াইছে — প্রথমতে, তেওঁ সংবিধানৰ লঘু আৰু গুৰু কিছু সলনিৰ পোষকতা কৰিছিল যিদৰে ৰাজতন্ত্রৰ পৰা অভিজাততন্ত্র আৰু তেনেধৰণৰ পৰিবর্তনবোৰ।
- দ্বিতীয়তে, বিপ্লৱ মানে হৈছে শাসন ক্ষমতাৰ পৰিৱর্তন। এই পৰিৱর্তনে তথাপিও চৰকাৰ আৰু সংবিধানত কোনো প্রভাৱ নেপেলায়। এইক্ষেত্রত ৰাজতন্ত্রৰ পৰা স্বৈৰাচাৰী শাসনলৈ পৰিৱর্তন আৰু বিপৰীতবোৰ হৈছে বিপ্লৱ। অন্য অর্থত বিপ্লৱ বুলিলে শাসন ক্ষমতাৰ হস্তান্তৰ হোৱাক বুজায় য'ত সংবিধান একে থাকে।
- এৰিষ্টটলৰ মতে বিপ্লৱৰ বিভিন্ন সংখ্যক কাৰক বা পৰিস্থিতি আছে যিবোৰ বহলভাৱে দুটা ভাগত বিভক্ত কৰিব পাৰি সাধাৰণ আৰু বিশেষ কাৰক।
- এৰিষ্টটলে কেৱল বিপ্লৱৰ কাৰণবোৰ চিনাক্ত কৰাই নহয়, লগতে ইয়াক প্রতিৰোধ কৰিবলৈ কেইবাটাও ব্যৱস্থা আগবঢ়াইছিল। য'ত এৰিষ্টটলে সাধাৰণ আৰু বিশেষ ব্যৱস্থা বুলি শ্রেণীবদ্ধ কৰিছে।



২.৬ অধিক জানিবলৈ

১) Jayapalam, N.: Aristotle; Atlantic Publishers Distributors, New Delhi, 1999.

২) Nelson, Brian R. (2006). Western Political Thought (Second Edition). New Delhi : Pearson Education.

৩) Sabime, G.H. (1973). History of Political Thought. New Delhi Oxford and IBH.

৪) Sharma, S.K. and Sharma, Urmila (2003). Western Political? : Thought Plato to urke. Atlantic



২.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ বাসস্থান, আইনী অধিকাৰ ভোগ নকৰা আৰু বংশগত নাগৰিকত্ব প্ৰদান।

২ নং প্ৰশ্নৰ উত্তৰ ঃ নাগৰিকত্ব অৰ্জনৰ প্ৰথম গুণটো হ'ল যে ব্যক্তিজনে সাম্প্ৰদায়িক সুৰক্ষা প্ৰদানৰ কামত জড়িত হ'ব লাগিব। এৰিষ্টটলে সংজ্ঞা আগবঢ়াই যে সেইজনেই এজন নাগৰিক যিয়ে ন্যায়িক আৰু প্ৰশাসনীয় কাৰ্যত অংশগ্ৰহণ কৰে। অন্য অৰ্থত, যিয়ে ন্যায় কাৰ্যলয়ৰ ন্যায়াধিক্ষ বা জনসভাৰ সদস্য হিচাপে কাম কৰে, তেওঁহে নাগৰিক।

দ্বিতীয়টো গুণ হ'ল — নাগৰিকৰ শাসন আৰু শাসিত হোৱাৰ ক্ষমতা থাকিব লাগিব। এৰিষ্টটলৰ মতে এজন ভাল নাগৰিক হ'বলৈ এই দুয়োটা গুণ থাকিব লাগিব। এজন ব্যক্তি যাৰ শাসন আৰু শাসিত কৰাৰ জ্ঞান নাথাকে তেওঁ নাগৰিক নহয়।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) ক্ষমতা আৰু কৰ্তৃত্বৰ অপব্যৱহাৰ

(খ) লাভ আৰু লাভ

৪ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) ন্যায়ৰ ধাৰণা নিশ্চিত কৰা।

(খ) ৰাষ্ট্ৰৰ বিষয়াসকলক পুনৰ নিৰ্বাচিত হোৱাৰ অধিকাৰ প্ৰদান নকৰাকৈ নিৰ্দিষ্ট কাৰ্যকালৰ বাবে নিৰ্বাচিত কৰা।



২.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ এৰিষ্টটলৰ মতে নাগৰিকত্ব পোৱাৰ প্ৰয়োজনীয় যোগ্যতাসমূহ উল্লেখ কৰা।

প্ৰশ্ন ২ ঃ নাগৰিকত্বৰ আৱশ্যকীয় আৰু অনাৱশ্যকীয় উপাদানবোৰ কি?

প্ৰশ্ন ৩ ঃ এৰিষ্টটলৰ বিপ্লৱৰ সম্পৰ্কে মন্তব্যটো এখন নিৰ্দিষ্ট ৰাষ্ট্ৰৰ ক্ষেত্ৰ লিখা।

প্ৰশ্ন ৪ ঃ এখন নিৰ্দিষ্ট ৰাষ্ট্ৰত বিপ্লৱ প্ৰতিৰোধৰ এৰিষ্টটলৰ মন্তব্যটোৰ ওপৰত এটি টোকা লিখা।

প্ৰশ্ন ৫ ঃ এৰিষ্টটলৰ বিপ্লৱৰ মন্তব্যটো আলোচনা কৰা।

প্ৰশ্ন ৬ ঃ এৰিষ্টটলৰ নাগৰিকত্বৰ ধাৰণাটো পৰীক্ষা কৰা।

*** ***** ***

অধ্যায় ৩ঃ গীর্জা আৰু ৰাজ্য ঃ চেণ্ট অগাষ্টিন আৰু চেণ্ট থমাছ একুইনাছ

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ চেণ্ট অগাষ্টিনৰ ধাৰণা (৩৫৪-৪৩০ খ্ৰীষ্টাব্দ)

- ৩.৩.১ চেণ্ট আগষ্টিনৰ দুখন চহৰৰ ধাৰণা
- ৩.৩.২ ৰাষ্ট্ৰ আৰু গীর্জাৰ ওপৰত চেণ্ট অগাষ্টিনৰ মতামত অগাষ্টিন
- ৩.৩.৩ শান্তি আৰু ন্যায়ৰ ওপৰত চেণ্ট অগাষ্টিনৰ মতামত
- ৩.৩.৪ চেণ্ট অগাষ্টিনৰ অৱদান

৩.৪ চেণ্ট থমাছ একুইনাছৰ ধাৰণা (১২২৫-১২৭৪)

- ৩.৪.১ চেণ্ট থমাছ একুইনাছৰ ৰাষ্ট্ৰৰ ওপৰত মতামত
- ৩.৪.২ চৰকাৰৰ শ্ৰেণীবিভাজন আৰু ৰাজতন্ত্ৰৰ ওপৰত চেণ্ট থমাছ একুইনাছৰ মতামত
- ৩.৪.৩ সার্বভৌমত্ব আৰু আইন সম্পর্কে চেণ্ট থমাছ একুইনাছৰ মতামত
- ৩.৪.৪ গীর্জা আৰু ৰাষ্ট্ৰৰ ওপৰত চেণ্ট থমাছ একুইনাছৰ মতামত
- ৩.৪.৫ ৰাজনৈতিকত চিন্তাধাৰালৈ থমাছ একুইনাছৰ অৱদান

৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৬ অধিক জানিবলৈ

৩.৭ অগ্ৰগতিৰ খতিয়ান

৩.৮ আৰ্হি প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি পঢ়াৰ পিছত আপুনি সক্ষম হ'ব —

- চেণ্ট অগাষ্টিনৰ দুখন চহৰৰ ধাৰণা সম্পর্কে আলোচনা কৰিবলৈ
- ৰাষ্ট্ৰ আৰু গীর্জাৰ ওপৰত চেণ্ট অগাষ্টিনৰ মতামতৰ বিষয়ে আলোচনা কৰিবলৈ
- শান্তি আৰু ন্যায়ৰ ওপৰত চেণ্ট অগাষ্টিনৰ মতামত ব্যাখ্যা কৰিবলৈ
- ৰাষ্ট্ৰৰ ওপৰত চেণ্ট থমাছ একুইনাছৰ মতামত আলোচনা কৰিবলৈ
- থমাছ একুইনাছৰ চৰকাৰৰ শ্ৰেণীবিভাজন আৰু ৰাজতন্ত্ৰৰ ওপৰত মতামত দিবলৈ
- সার্বভৌমত্ব আৰু আইন সম্পর্কে চেণ্ট থমাছ একুইনাছৰ মতামত ব্যাখ্যা কৰিবলৈ
- গীর্জা আৰু ৰাষ্ট্ৰৰ ওপৰত চেণ্ট থমাছ একুইনাছৰ মতামত ব্যাখ্যা কৰিবলৈ

৩.২ পৰিচয়

ইউৰোপৰ মধ্যযুগীয় যুগটো আছিল ধ্রুপদী প্রাচীন কালৰ শেষ আৰু পুনৰ জাগৰণৰ মাজৰ সময়ছোৱা, অর্থাৎ প্রায় ৫০০ খ্রীষ্টাব্দৰ পৰা ১৪৫০ খ্রীষ্টাব্দলৈকে। প্রাচীন আৰু মধ্যযুগীয় যুগৰ মাজত সীমা নির্ধাৰণ কৰাটো কঠিন ই ১০০০ বছৰ ধৰি চলিছিল। মধ্যযুগীয় ৰাজনীতিৰ ধাৰণাসমূহৰ মূল উৎস হ'ল বাইবেল, গীর্জাৰ পিতৃসকল, বিশেষকৈ চেণ্ট অগাষ্টিন, কেনন আৰু নাগৰিক আইনৰ পাঠ্যপুথি আৰু এৰিষ্ট'টলৰ গ্রন্থ বিশেষকৈ "ৰাজনীতি" (Politics)। আদিম মধ্যযুগত অৰাজনৈতিক কার্যকলাপৰ প্রাধান্য আছিল আৰু ৰাজনৈতিক চিন্তাধাৰাই কোনো অগ্রগতি লাভ কৰা নাছিল। এই সময়ছোৱাক প্রায়ে ইতিহাসৰ অন্ধকাৰ যুগ বুলি কোৱা হৈছিল কাৰণ ৰাজনৈতিক জল্পনা-কল্পনা অর্থাৎ ৰাজনৈতিক ক্ষেত্রত নতুন ধাৰণাৰ কোনো অভিমুখীতা নাছিল ইয়াৰ উপৰিও শাসকসকলৰ মাজত বুদ্ধিমত্তাৰ অভাৰ আৰু শিক্ষাৰ অৱহেলা হোৱা বুলিও বিশ্বাস কৰা হৈছিল। কিন্তু এই সময়ছোৱাত ৰাজনৈতিক চিন্তাৰ ক্ষেত্রখনত চেণ্ট অগাষ্টিন আৰু চেণ্ট থমাছ একুইনাছৰ দৰে কিছুমান বিশিষ্ট খ্রীষ্টান চিন্তাবিদৰ অৱদান উল্লেখযোগ্য।

এই অধ্যায়টোৰে মধ্যযুগীয় দুজন অতি গুৰুত্বপূর্ণ চিন্তাবিদ যথা চেণ্ট অগাষ্টিন আৰু চেণ্ট থমাছ একুইনাছৰ বিষয়ে আলোচনা কৰিব।

৩.৩ চেণ্ট অগাষ্টিনৰ ধাৰণা (৩৫৪-৪৩০ খ্রীষ্টাব্দ)

চেণ্ট আগাষ্টিন হৈছে ৰাজনৈতিক আৰু ধর্মীয় চিন্তাধাৰাৰ পৰৱর্তী বিকাশত প্রভাৱ পেলোৱা অন্যতম শ্রেষ্ঠ গীর্জাৰ পিতৃ। তেওঁ ৫ম শতিকাৰ আৰম্ভণিতে বাস কৰিছিল, যাক প্রায়ে খ্রীষ্টান চিন্তাৰ গঠনমূলক সময় হিচাপে চিহ্নিত কৰা হৈছিল। অগাষ্টিন প্রাচীন যুগৰ পৰা মধ্যযুগলৈ পৰিৱর্তনৰ সময়ৰ অন্তর্গত আছিল। ক'ব পাৰি যে মধ্যযুগীয়তাবাদৰ আৰম্ভণি হয় চেণ্ট অগাষ্টিনৰ পৰাই মিলানৰ চেণ্ট এমব্রোজৰ দ্বাৰা খ্রীষ্টান ধর্মত পৰিৱর্তিত হৈছিল। তেওঁ খ্রীষ্টান গীর্জাৰ ইতিহাসৰ আটাইতকৈ গুৰুত্বপূর্ণ ব্যক্তিত্ব। এজন পেগান পিতৃ আৰু এগৰাকী খ্রীষ্টান মাতৃৰ পুত্র, তেওঁ মিলানৰ চেণ্ট এমব্রোজৰ দ্বাৰা খ্রীষ্টান ধর্মত পৰিৱর্তিত হৈছিল। তেওঁ উত্তৰ আফ্রিকাৰ হিপ্পোৰ বিচপ হিচাপে নিযুক্তি লাভ কৰে আৰু মৃত্যুৰ আগলৈকে তাতেই থাকে। চেণ্ট অগাষ্টিন তেওঁৰ পূর্বৰ প্লেটো আৰু চিচেৰোৰ দৰে লোকৰ দ্বাৰা গভীৰভাৱে প্রভাৱিত হৈছিল। খ্রীষ্টান ধর্ম আৰু ষ্টোইক ৰাজনৈতিক দর্শনেও তেওঁক বহু পৰিমাণে প্রভাৱিত কৰিছিল।

চেণ্ট অগাষ্টিনৰ ৰাজনৈতিক দর্শন তেওঁৰ গ্রন্থ "ডি চিভিটেট ডেই" (The Civitate Dei)ত সন্নিবিষ্ট কৰা হৈছে যিখন জনপ্রিয়ভাৱে "ঈশ্বৰৰ চহৰ" (The City of God) নামেৰে জানাজাত। এই গ্রন্থখন ৪১৪-৪২৬ খ্রীষ্টাব্দৰ সময়ছোৱাত সম্পূর্ণ হৈছিল। এই গ্রন্থখনক ২২ টা ভাগত বিভক্ত কৰা হৈছে। ইয়াৰ প্রথম ১০ টা ভাগক পেগনৰ আক্রমণৰ বিৰুদ্ধে খৃষ্টানৰ প্রতিৰক্ষা বুলি গণ্য কৰা হয়। বাকী ১২ টা ভাগত চিটি অৱ গড নির্মাণৰ বিষয়ে উল্লেখ কৰা হৈছে। এই গ্রন্থখনত অগাষ্টিনৰ দুটা গুৰুত্বপূর্ণ ধাৰণা যথা খ্রীষ্টান কমনৱেলথৰ ধাৰণা আৰু ইতিহাসৰ দর্শন

সন্নিবিষ্ট কৰা হৈছে।

৩.৩.১ চেণ্ট আগষ্টিনৰ দুখন চহৰৰ ধাৰণা

অগাষ্টিনে দুখন চহৰৰ বিষয়ে নিজৰ ধাৰণা বিকশিত কৰিছে — ঈশ্বৰৰ চহৰ আৰু মানুহৰ চহৰ। "ডি চিভিটেট ডেই" (ঈশ্বৰৰ চহৰ) নামৰ কিতাপখনত, ঈশ্বৰৰ চহৰখনে চিৰন্তন চহৰ বা স্বৰ্গীয় চহৰখনক প্ৰতিনিধিত্ব কৰে আনহাতে "মানুহৰ চহৰ"এ পাৰ্থিৱ নগৰখনক প্ৰতিনিধিত্ব কৰে। এই ধাৰণাটোৰ সহায়ত তেওঁ ৰোমান সাম্ৰাজ্যৰ পতনৰ বিষয়ে ব্যাখ্যা কৰিবলৈ চেষ্টা কৰে। তেওঁৰ মতে সকলো পাৰ্থিৱ ৰাষ্ট্ৰ ধ্বংসৰ যোগ্য। কিন্তু ধ্বংস কৰিব নোৱাৰা এখন চহৰো আছে আৰু সেই চিৰন্তন চহৰখনেই হৈছে ঈশ্বৰৰ চহৰ। ঈশ্বৰৰ চহৰক জনপ্ৰিয়ভাৱে চিভিটাছ ডেই বুলি জনা যায় আৰু তেওঁৰ লৌকিক অৱস্থাক চিভিটাছ টেৰানা বুলি জনা যায়। ঈশ্বৰৰ চহৰ বা চিভিটাছ ডেই সময় আৰু স্থানৰ ফালৰ পৰা সাৰ্বজনীন। ই ঈশ্বৰৰ প্ৰেমৰ ওপৰত প্ৰতিষ্ঠিত আৰু ইয়াৰ লক্ষ্য হৈছে ভাল আৰু ন্যায়ৰ প্ৰসাৰ। আনহাতে চিভিটাছ টেৰানা বা পাৰ্থিৱ ৰাষ্ট্ৰ আত্মপ্ৰেমৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠিছে। ইয়াৰ লক্ষ্য ক্ষমতা অৰ্জন কৰা। অগাষ্টিনৰ মতে গীৰ্জা হৈছে চিভিটাছ ডেইৰ সুনিৰ্দিষ্ট মূৰ্তি কাৰণ কেৱল গীৰ্জাতেই গুণ আৰু মঙ্গলৰ প্ৰাধান্য থাকে। ৰাষ্ট্ৰ হৈছে ভালৰ বাবে গীৰ্জাৰ অস্ত্ৰ আৰু সেয়েহে দুয়োটা পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল। আগষ্টিনৰ প্ৰকৃত চিভিটাছ ডেইৰ ধাৰণাটোৱে খ্ৰীষ্টান ধৰ্মীয় ৰাষ্ট্ৰৰ চিত্ৰণ কৰিছে য'ৰ পৰা অবিশ্বাসীসকলক বাদ দিয়া হৈছে। গীৰ্জাৰ নেতাসকলে সৰ্বোচ্চ ক্ষমতা উপভোগ কৰে। খ্ৰীষ্টান গুণৰ ওপৰৰত ভিত্তি কৰি আৰু পৰিত্ৰাণ পোৱা লোকসকলক ইয়াৰ নাগৰিক হিচাপে লৈ পৃথিৱীত গঢ়ি উঠা ই এক ঐশ্বৰিক ৰাজ্য। তেওঁৰ ঈশ্বৰৰ চহৰখন সকলোৰে বাবে নিৰ্মিত কিন্তু ইয়াত সকলোকে অন্তৰ্ভুক্ত কৰা হোৱা নাই। মানুহে অনুগ্ৰহৰ দ্বাৰা ঈশ্বৰৰ চহৰৰ সদস্য হ'ব পাৰে। যিহেতু সকলো মানুহ অনুগ্ৰহৰ যোগ্য নহয়, গতিকে সকলো মানুহ ঈশ্বৰৰ চহৰৰ সদস্য হ'ব নোৱাৰে। ঈশ্বৰৰ চহৰৰ উৎপত্তি স্বৰ্গদূতৰ সৃষ্টিৰ পৰা হৈছে আনহাতে চিভিটাছ টেৰানা চয়তানৰ পতনৰ পৰা আৰম্ভ হয়। এটা স্বৰ্গীয় শান্তি আৰু আধ্যাত্মিক পৰিত্ৰাণৰ আশাৰ ওপৰত প্ৰতিষ্ঠিত, আনটো নিম্ন প্ৰকৃতিৰ পাৰ্থিৱ, ভোক আৰু স্বত্বাধিকাৰী অনুভূতিৰ ওপৰত প্ৰতিষ্ঠিত। অগাষ্টিনৰ মতে সমগ্ৰ মানৱ ইতিহাস এই দুখন চহৰৰ মাজত হোৱা সংগ্ৰামৰ এক নাটকীয় কাহিনী আৰু তেওঁৰ মতে চূড়ান্ত বিজয় হৈছে ঈশ্বৰৰ চহৰখনে। গীৰ্জাৰ কৰ্তৃত্ব (গীৰ্জাৰ ধৰ্মগুৰু) লৌকিক কৰ্তৃত্ব (ৰাষ্ট্ৰ)তকৈ উচ্চ। এই ব্যাখ্যা অনুসৰি সকলো পাৰ্থিৱ সাম্ৰাজ্য স্থায়ী নহয়, গতিকে এই সাম্ৰাজ্যবোৰ এদিন নোহোৱা হ'ব।

৩.৩.২ ৰাষ্ট্ৰ আৰু গীর্জাৰ ওপৰত চেণ্ট অগাষ্টিনৰ মতামত

চেণ্ট অগাষ্টিনৰ মতে ৰাষ্ট্ৰ হৈছে পাপৰ ফল আৰু ই সকলো পাপৰ ঐশ্বৰিক প্ৰতিকাৰ প্ৰদান কৰে। তেওঁৰ মতে যদিও ৰাষ্ট্ৰৰ উৎপত্তি পাপৰ পৰা হৈছিল তথাপিও ই পাপক প্ৰতিনিধিত্ব কৰা নাছিল। চেণ্ট অগাষ্টিনে বিশ্বাস কৰিছিল যে এই ৰাষ্ট্ৰখন ঐশ্বৰিক উৎপত্তিৰ আৰু কেৱল ঈশ্বৰৰ চহৰতকৈহে নিম্নমানৰ। তেওঁ গ্ৰীকসকলৰ লগত একমত নহয় যে ৰাষ্ট্ৰ ন্যায়ৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠিছে কাৰণ অখ্ৰীষ্টান ৰাষ্ট্ৰত ন্যায় প্ৰচলিত হ'ব নোৱাৰে আৰু সেয়েহে ন্যায় ৰাষ্ট্ৰৰ নহয় গীর্জাৰ বৈশিষ্ট্য। গীর্জা ঈশ্বৰৰ পৰাই উদ্ভৱ হৈছে। ৰাষ্ট্ৰ হৈছে চয়তানৰ ৰাজ্য। গীর্জাৰ অস্তিত্বৰ বাবে ই প্ৰয়োজনীয়, কাৰণ ই মানুহ, ধন আৰু গীর্জাৰ বাবে প্ৰয়োজনীয় সামগ্ৰীক অনুমোদন দিয়ে। যদি ৰাজ্যৰ আইনে নৈতিকতাক উলংঘা নকৰে তেন্তে আইন মানি চলিব লাগিব কাৰণ ৰাষ্ট্ৰৰ ঐশ্বৰিক অনুমোদন আছে। ই ৰাইজৰ পাপৰ প্ৰতিকাৰ।

অগাষ্টিনৰ মতে খ্ৰীষ্টান নিয়ম গ্ৰহণ কৰা ৰাষ্ট্ৰই ঈশ্বৰৰ শাসনৰ প্ৰতিনিধিত্ব কৰে আৰু বাকী ৰাষ্ট্ৰই চয়তানৰ শাসনৰ প্ৰতিনিধিত্ব কৰে। খ্ৰীষ্টান ৰাষ্ট্ৰত, ৰাষ্ট্ৰ কৰ্তৃপক্ষৰ প্ৰতিটো কাৰ্য্যৰ আঁৰত নিখুঁত ন্যায়, ঐশ্বৰিক পৰিকল্পনা আৰু উদ্দেশ্য আছে। মানুহে এনে ৰাষ্ট্ৰৰ আজ্ঞা পালন কৰা উচিত কাৰণ ইয়াৰ কৰ্তৃপক্ষই ঈশ্বৰৰ উদ্দেশ্যৰ সেৱা কৰি আছে। প্লেটো আৰু এৰিষ্টটলৰ বিপৰীতে অগাষ্টিনে ৰাষ্ট্ৰক ঈশ্বৰৰ উচ্চ কৰ্তৃত্বৰ অধীন কৰি ৰাখিছে। কেৱল গীর্জাৰ দৃষ্টিকোণৰ পৰা নৈতিক বুলি গণ্য কৰা আইনসমূহহে মানি চলা উচিত আৰু এইদৰে ৰাষ্ট্ৰৰ আইনসমূহৰ প্ৰতি বাধ্যতা নিৰপেক্ষ নহয় বৰঞ্চ আপেক্ষিক। এজন খ্ৰীষ্টানে ধর্মনিৰপেক্ষ কৰ্তৃপক্ষক মানি চলে কাৰণ ৰাষ্ট্ৰৰ আইনসমূহৰ আঁৰত ঈশ্বৰৰ চূড়ান্ত উচ্চ ইচ্ছা লুকাই থাকে। এইদৰে অগাষ্টিনে ৰাষ্ট্ৰক গীর্জাৰ অধীনত ৰাখিছে। তেওঁ দুটা পৃথক কৰ্তৃত্ব বজাই ৰাখিবলৈ চেষ্টা কৰিছে — লৌকিকৰ লগতে আধ্যাত্মিক কিন্তু লৌকিক নিয়মতকৈ আধ্যাত্মিক নিয়মক অগ্ৰাধিকাৰ দিছে। তেওঁৰ মতে এজন খ্ৰীষ্টানে গীর্জাৰ পৰা পথ প্ৰদর্শন বিচাৰিব লাগে আৰু উভয়ে উভয়ক পাৰস্পৰিকভাৱে সহায় কৰিব লাগে।

৩.৩.৩ শান্তি আৰু ন্যায়ৰ ওপৰত চেণ্ট অগাষ্টিনৰ মতামত

ঈশ্বৰৰ চহৰখনে দুটা গুৰুত্বপূর্ণ গুণ উপলব্ধি কৰে — ন্যায় আৰু শান্তি। অগাষ্টিনৰ মতে শান্তি কেৱল সংঘাতৰ অনুপস্থিতি নহয়। ইয়াৰ অর্থ হৈছে ইতিবাচক সম্পর্ক। তেওঁৰ মতে শান্তি হৈছে ভাল অৱস্থাৰ অন্যতম ভাল গুণ যিটো কেৱল ঈশ্বৰৰ ৰাজ্যতহে লাভ কৰিব পাৰি। ইয়াৰ অর্থ যুদ্ধৰ অন্ত নহয় বৰঞ্চ সকলোৱে মানুহৰ প্ৰতি প্ৰেমক আকোৱালি লোৱা। শান্তি বজাই ৰাখিবলৈ মানুহে কেৱল সার্বজনীন নিয়ম মানি চলাটো অতি প্ৰয়োজনীয় আৰু সকলোৱে ইজনে সিজনক ভাল পাবলৈ শিকাব লাগে।

ই আধ্যাত্মিক শান্তিৰ লগতে লৌকিকো হ'ব পাৰে। শান্তি হৈছে পার্থিৱ ৰাষ্ট্রৰ লগতে ঈশ্বৰৰ চহৰৰ লক্ষ্য।

অগাষ্টিনৰ মতে ন্যায় হ'ল শৃংখলাৰ অনুকূলতা আৰু আদেশৰ পৰা উদ্ভৱ হোৱা কর্তব্যৰ প্রতি সন্মান। ব্যক্তি এজন ন্যায়পৰায়ণ যদিহে তেওঁ নিজৰ কর্তব্য পালন কৰে। নিৰপেক্ষ বা সার্বজনীন ন্যায় ৰাষ্ট্রৰ বাহিৰত, সার্বজনীন ক্রমত বিচাৰি পাব লাগে। ন্যায় সময় আৰু স্থানৰ দ্বাৰা বান্ধ খাই থকা নাই। তেওঁৰ মতে ন্যায় হৈছে শৃংখলাৰ অনুকূলতা আৰু সেইবাবেই ই কেৱল ঈশ্বৰৰ নগৰতহে প্রাধান্য পাব পাৰে। নিৰপেক্ষ ন্যায় কেৱল ঈশ্বৰৰ সার্বজনীন নগৰতহে সম্ভৱ য'ত সার্বজনীন নিয়মসমূহ পালন কৰা হয়। এই নিয়মবোৰো সার্বজনীন ব্যৱস্থাৰ লগত খাপ খাই পৰে। সংঘাতৰ ক্ষেত্রত ব্যক্তিসকলে সার্বজনীন ব্যৱস্থা আৰু সার্বজনীন ব্যৱস্থাৰ মাজত সংঘাত হ'লে সার্বজনীন ব্যৱস্থা পালন কৰাটো ন্যায্য। ন্যায় এইদৰে, ঈশ্বৰৰ নগৰৰ প্রতীক কাৰণ পৌত্তলিক ৰাষ্ট্রত একেখিনি লাভ কৰাটো কঠিন।

৩.৩.৪ চেণ্ট অগাষ্টিনৰ অৱদান

চেণ্ট অগাষ্টিন মধ্যযুগৰ আটাইতকৈ প্রভাৱশালী চিন্তাবিদ আৰু তেওঁৰ দর্শন কার্যতঃ মধ্যযুগীয় দর্শনৰ ভেটি হৈয়েই আছে। যিকোনো পৰিস্থিতিত ৰাষ্ট্রক মানি চলিব লাগে বুলিও অগাষ্টিনে প্রত্যাহ্বান জনাইছে। তেওঁ ব্যাখ্যা কৰা সার্বজনীন সমাজৰ ধাৰণাটো মধ্যযুগত সজীৱ হৈ উঠে। অগাষ্টিনে তেওঁৰ "দ্য কনপেচনছ" আৰু "দ্য চিটি অৱ গড" নামৰ গ্রন্থসমূহত মানৱ জাতিৰ সৃষ্টি সম্পর্কে উল্লেখ কৰিছিল। তেওঁ ইতিহাসৰ এক ব্যাপক ব্যাখ্যা আগবঢ়ায় যিটো মানৱ জাতিৰ সৃষ্টিৰ পৰাই আৰম্ভ হয়, মানৱ সৃষ্ট ৰাষ্ট্রৰ (মানুহৰ নগৰ) উত্থান-পতনৰ ওপৰত গুৰুত্ব আৰোপ কৰে আৰু ঈশ্বৰৰ ৰাষ্ট্র (ঈশ্বৰৰ নগৰ) উপলব্ধিলৈকে আগবাঢ়ি যায়। তেওঁৰ মতে মানৱ সমাজে ঈশ্বৰৰ ক্ষেত্রখনত সম্পূর্ণতা বিচাৰি পায়। অগাষ্টিনে তেওঁৰ কামৰ জৰিয়তে নৈতিকতা আৰু ৰাজনীতিক সামৰি লোৱা দার্শনিক অনুসন্ধানৰ বিভিন্ন ক্ষেত্রত গভীৰভাৱে সোমাই পৰে। অগাষ্টিনে তেওঁৰ দর্শনৰ চাৰিটা অত্যাশ্যকীয় উপাদান "ঈশ্বৰৰ চহৰ"ত উপস্থাপন কৰিছে, যথা গীর্জা, ৰাষ্ট্র, ঈশ্বৰৰ নগৰ (ঈশ্বৰ জগত) আৰু মনুহৰ নগৰ (পার্থিৱ জগত)। গীর্জা ঈশ্বৰীয়ভাৱে প্রতিষ্ঠিত আৰু মানৱজাতিক চিৰন্তন মঙ্গললৈ লৈ যায়, যিটো হৈছে ঈশ্বৰ। ৰাষ্ট্রই ৰাজনীতি আৰু মনৰ গুণবোৰ মানি চলি ৰাজনৈতিক সম্প্রদায়ৰ প্রণয়ন কৰে। এইবোৰৰ প্রতিফলন ঘটাই দুখন সমাজ আছে যথা ঈশ্বৰৰ চিৰন্তন নগৰ, পৰিত্রাণৰ বাবে পূর্বনির্ধাৰিতসকলৰ বাবে আৰু বস্তুগত জগতখনক ইয়াৰ সকলো অসম্পূর্ণতাৰে ইংগিত দিয়া পার্থিৱ মানুহৰ নগৰ। সেয়েহে মানৱ জাতিয়ে সঠিক শৃংখলাবোধ বজাই ৰাখিবলৈ ঈশ্বৰৰ ৰাষ্ট্রৰ সন্ধান কৰিব লাগে, যিয়ে পাছলৈ প্রকৃত শান্তিৰ দিশত আগু�ৱাই লৈ যায়। অগাষ্টিনে তেওঁৰ দ্য চিটি অৱ গডত মানৱ সমাজে

কোনখন চহৰৰ অংশ হ'ব বিচাৰে সেইটো নির্বাচন কৰাৰ বিকল্প আগবঢ়ায়, আৰু প্রতিটো পছন্দৰ প্রচলনসমূহো স্পষ্টভাৱে চিহ্নিত কৰে। তেওঁৰ মতে, ইতিহাসৰ উদ্দেশ্য হৈছে ঈশ্বৰৰ পৰিকল্পনা উন্মোচন কৰা, যাৰ লগত জড়িত হৈ আছে স্বর্গ চহৰখনক লালন-পালন কৰা আৰু ইয়াক যোগ্য নাগৰিকৰে ভৰাই তোলা বিষয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ চেণ্ট অগাষ্টিনৰ কিতাপখনৰ নাম লিখক য'ত তেওঁ দুখন চহৰৰ ধাৰণা গঢ়ি তুলিছিল।

প্রশ্ন নং ২ ঃ অগাষ্টিনৰ মতে কোনখন চিৰন্তন চহৰ?

৩.৪ চেণ্ট থমাছ একুইনাছৰ ধাৰণা (১২২৫-১২৭৪)

চেণ্ট থমাছ একুইনাছ আছিল মধ্যযুগৰ অন্যতম পণ্ডিত আৰু যুক্তিবাদী চিন্তাবিদ। তেখেতৰ জন্ম হৈছিল চিচিলিত এক প্রবল সাম্রাজ্যবাদী পৰম্পৰাৰ সম্ভ্রান্ত পৰিয়ালত। মাত্র ঊনৈশ বছৰ বয়সতে তেওঁ ডমিনিকান অর্ডাৰৰ প্রভাৱত পৰিছিল। কিছু বছৰৰ পাছত তেওঁ পেৰিছলৈ গুচি যায় আৰু এলবার্ট মেগনাছৰ অধীনত দার্শনিক অধ্যয়ন অব্যাহত ৰাখে। ১২৬১ চনত তেওঁ গ্রীক গীর্জা আৰু ৰোমৰ গীর্জাৰ মাজত মিলন ঘটোৱাৰ লক্ষ্যৰে "Against the Errors of Greeks" নামৰ গ্রন্থখন লিখিছিল। ১২৬৫ চনত তেওঁ "Summa Theologica" লিখে য'ত তেওঁ খ্রীষ্ট্রান ধর্মৰ সকলো গুৰুত্বপূর্ণ দিশৰ ওপৰত আলোকপাত কৰে। এই গ্রন্থত তেওঁ নিজৰ আইন মতবাদো আগবঢ়াইছিল। একুইনাছৰ আন এখন গুৰুত্বপূর্ণ তথা বিশুদ্ধ ৰাজনৈতিক গ্রন্থ আছিল "Rule of Prince"।

৩.৪.১ ৰাষ্ট্রৰ ওপৰত চেণ্ট একুইনাছৰ মতামত

একুইনাছে যি ৰাষ্ট্রৰ উৎপত্তিৰ তত্ত্ব আগবঢ়াইছিল সেয়া আছিল গীর্জাৰ পিতৃসকলে আগবঢ়োৱা ৰাষ্ট্রৰ তত্ত্বৰ পৰা পৃথক। তেওঁৰ মতে, মানুহৰ সামাজিক প্রবৃত্তিৰ পৰাই ৰাষ্ট্রই এক স্বাভাৱিক প্রতিষ্ঠান হিচাপে আত্মপ্রকাশ কৰিছে। ৰাষ্ট্রৰ সৃষ্টি পাপৰ শাস্তিৰ বাবে হোৱা বুলি গীর্জাৰ পিতৃসকলে আগবঢ়োৱা মতক তেওঁ নাকচ কৰি মন্তব্য কৰিছিল যে ৰাজনৈতিক সমাজে নিজৰ সদস্যসকলৰ ওপৰত যি সংযম জাপি দিছিল সেয়া তেওঁলোকৰ নৈতিক বিকাশৰ বাবে বাধা নহয় বৰঞ্চ অপৰিহার্য উপায়হে। ৰাষ্ট্রৰ স্বাভাৱিক চৰিত্রক দৃঢ়তাৰে কওঁতে তেওঁ যুক্তি দিছিল যে ৰাষ্ট্র হৈছে ঈশ্বৰৰ সৃষ্টি আৰু ৰাজনৈতিক সমাজখন ঈশ্বৰে মানুহৰ মাজত সোমাই দিয়া সামাজিক প্রবৃত্তিৰ ফল।

একুইনাছে ৰাষ্ট্রক ইতিবাচক ভূমিকা অর্পণ কৰি নাগৰিকক গুণী আৰু নৈতিক কৰি তোলাৰ কর্তব্য অর্পণ কৰিছিল। তেওঁ বিচাৰিছিল যে ৰাষ্ট্রই শৃংখলা আৰু শান্তি প্রদান কৰক যাৰ অবিহনে গুণ সম্ভৰ নহয়। তেওঁ বিচাৰিছিল যে শাসকসকলে এনে

আইন প্রণয়ন কৰি বলবৎ কৰক যিবোৰ গুণক প্রসাৰিত কৰাৰ বাবে অনুকূল। শত্রুৰ পৰা মানুহক সুৰক্ষিত ৰখা আৰু তেওঁলোকৰ প্রতিৰক্ষাৰ বাবে প্রয়োজনীয় পদক্ষেপ লোৱাটো ৰাষ্ট্রৰ কর্তব্য। একুইনাছে জোৰ দি কয় যে ৰাষ্ট্রই মানুহক দৰিদ্রতা আৰু নিৰক্ষৰতাৰ পৰা মুক্ত কৰিব লাগে যিবোৰ ভাল জীৱন লাভৰ ক্ষেত্রত বাধা হিচাপে থিয় দিছে। একুইনাছে শাসকসকলক ভুল শুধৰোৱা, অভাৱ দূৰ কৰা উন্নতি সাধন কৰাৰ নিখুঁত চেষ্টা কৰিবলৈ নির্দেশ দিয়ে।

৩.৪.২ চৰকাৰৰ শ্রেণীবিভাজন আৰু ৰাজতন্ত্রৰ ওপৰত চেণ্ট একুইনাছৰ মতামত

একুইনাছে এৰিষ্ট'টলীয় চৰকাৰৰ শ্রেণীবিভাজনৰ নীতি অনুসৰণ কৰি চৰকাৰসমূহক স্বাভাৱিক আৰু বিকৃত বুলি বিভক্ত কৰিছিল। তেওঁ ৰাজতন্ত্র, অভিজাততন্ত্র আৰু পলিটীক স্বাভাৱিক চৰকাৰ ব্যৱহাৰ শ্রেণীত আৰু স্বৈৰতন্ত্র, আঢ্যৱন্ততন্ত্র আৰু গণতন্ত্রক বিকৃত চৰকাৰৰ শ্রেণীত স্থান দিছিল। তেওঁ ৰাজতন্ত্রক চৰকাৰৰ সর্বোত্তম ৰূপ বুলি গণ্য কৰিছিল কাৰণ ই ঐক্য প্রতিষ্ঠা কৰিব পাৰে যিটো আন কোনো ধৰণৰ চৰকাৰে কৰিব নোৱাৰে। তেওঁ ৰাজতন্ত্রক সর্বোত্তম চৰকাৰ হিচাপে ন্যায্যতা প্রদান কৰে কাৰণ ই অভিজ্ঞতাৰ ধাৰাবাহিকতা নিশ্চিত কৰে। তেওঁৰ মতে গণতান্ত্রিক শাসনৰ অধীনত থকা চহৰ আৰু প্রদেশসমূহ মতানৈক্যৰে ভৰি পৰিছে আনহাতে ৰাজতন্ত্রসমূহে শান্তি আৰু সমৃদ্ধিৰে ৰাজ শাসন কৰিছে। একুইনাছে উপলব্ধি কৰিছিল যে ৰাজতন্ত্রই নিজকে অত্যাচাৰলৈ ৰূপান্তৰিত কৰাৰ আশংকা থাকে, যিটোক তেওঁ চৰকাৰৰ আটাইতকৈ বেয়া ৰূপ বুলি গণ্য কৰিছিল। সেয়েহে একুইনাছে ৰজাক নিৰংকুশ বা অসীম কর্তৃত্ব প্রদান নকৰে আৰু তেওঁক ঈশ্বৰৰ ওচৰত দায়বদ্ধ কৰে। একুইনাছে কৈছিল যে ঈশ্বৰৰ প্রতি ৰজাৰ দায়িত্ব এইটোৱে প্রমাণ কৰে যে তেওঁক গীর্জাৰ সর্বোচ্চ ধর্মগুৰুৰ অধীনস্থ কৰা হৈছে যি পৃথিৱীত ঈশ্বৰৰ প্রতিনিধি। কিন্তু একুইনাছে প্রশাসনৰ বিষয়ত ৰজাক নিৰংকুশ ক্ষমতা প্রদান কৰে। ৰজাৰ এই নিৰংকুশ ক্ষমতাৰ অর্থ এইটো হ'ব নালাগে যে তেওঁ স্বেচ্ছাচাৰীভাৱে কাম কৰিব। সেয়েহে তেওঁ ৰজাই আইন অনুসৰি নিজৰ কর্তৃত্ব প্রয়োগ কৰিব লাগে বুলি দৃঢ়তাৰে ৰজাৰ কর্তৃত্ব সীমিত কৰি ৰাখে। ইয়াৰ উপৰিও তেওঁ ৰজাৰ পদৱীক সমগ্র সমাজৰ বাবে বিশ্বাস আৰু আস্থাৰ এক অনুষ্ঠান হিচাপে গণ্য কৰে। তেওঁ সেয়েহে, শাসকক নিজৰ পদৰ ন্যায্যতা প্রদান কৰিবলৈ কিছুমান কাম আৰু কর্তব্য পালন কৰিবলৈ জোৰ দিয়ে। তেওঁ শাসকক ব্যক্তিগত মংগলৰ পৰিৱর্তে জনসাধাৰণ মংগলৰ বাবে কাম কৰা, প্রজাৰ মাজত সঠিক জীৱন ধাৰণ বজাই ৰখা আৰু প্রসাৰ কৰা, শান্তিৰ প্রসাৰ কৰা ইত্যাদিৰ নির্দেশ দিয়ে। ৰজাৰ কর্তৃত্বৰ ওপৰত বিভিন্ন বাধা আৰোপ কৰা আৰু ৰজাৰ ওপৰত ইতিবাচক কর্তব্য নিয়োগ কৰাটোৱে স্পষ্টভাৱে ইংগিত দিয়ে যে একুইনাছে সাংবিধানিক ৰাজতন্ত্রৰ পক্ষপাতী আছিল।

৩.৪.৩ সার্বভৌমত্ব আৰু আইন সম্পর্কে চেণ্ট থমাছ একুইনাছৰ মতামত

একুইনাছৰ মতে আইন "এটা নির্দিষ্ট নিয়ম আৰু কার্য্যৰ পৰিমাপ য'ত মানুহক কার্য্য কৰিবলৈ প্ৰৰোচিত কৰা হয় বা কার্য্যৰ পৰা বাধা দিয়া হয়।"তেওঁৰ মতে নিয়ম চাৰি প্ৰকাৰৰ — চিৰন্তন নিয়ম, ঈশ্বৰীয় নিয়ম, প্ৰাকৃতিক নিয়ম আৰু মানৱ নিয়ম।

চিৰন্তন নিয়ম ঈশ্বৰৰ মনৰ সৈতে একে আৰু ঈশ্বৰে বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টিকর্তা হিচাপে বিশ্বব্ৰহ্মাণ্ডক শাসন কৰিবলৈ এই নিয়মবোৰ তৈয়াৰ কৰে। এই নিয়মবোৰ চিৰন্তন প্ৰকৃতিৰ। ঈশ্বৰীয় নিয়ম চিৰন্তন নিয়মৰ পৰা প্ৰবাহিত হয়। এই নিয়মবোৰ মানুহক ঐশ্বৰিক প্ৰকাশৰ ৰূপত প্ৰেৰণ কৰা হয়। উদাহৰণস্বৰূপে, বাইবেলত পোৱা দহ আজ্ঞা। প্ৰাকৃতিক নিয়মৰ অর্থ হ'ল মানুহৰ যিহেতু যুক্তিৰ ক্ষমতা আছে, সেয়েহে তেওঁলোকে সঠিক জীৱন যাপন কৰিবলৈ কিছুমান নিয়মৰ লগত খাপ খুৱাই লোৱাৰ প্ৰৱণতা থাকে। প্ৰাকৃতিক নিয়মৰ মূল নীতি হ'ল "ভাল কাম কৰিব লাগে আৰু অনুসৰণ কৰিব লাগে আৰু বেয়াৰ পৰা আঁতৰি থাকিব লাগে। এইদৰে প্ৰাকৃতিক নিয়ম হৈছে মানুহৰ অস্তিত্ব ৰক্ষাৰ বাবে সাধাৰণ নৈতিক নীতিৰ সমষ্টি।" মানৱীয় নিয়ম প্ৰাকৃতিক নিয়মৰ পৰা উদ্ভৱ হৈছে আৰু ই শাসকৰ কাৰণৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠিছে। মানৱ আইন হৈছে গুণৰ প্ৰসাৰ আৰু হত্যা, চুৰি আদি কু-অভ্যাস ৰোধৰ লক্ষ্যৰে প্ৰণয়ন কৰা নির্দিষ্ট আইন। মানৱ আইন সাধাৰণ মংগলৰ লক্ষ্যৰে সকলো মানুহে মানি চলিব লাগে।

আইন সম্পর্কে একুইনাছৰ মতামত ৰাজনৈতিক চিন্তাধাৰাত এক স্থায়ী অৱদান। তেওঁ আইনৰ দুটা বৈশিষ্ট্যৰ ওপৰত গুৰুত্ব আৰোপ কৰে — i) আইন যুক্তিৰ অধ্যাদেশ ii) মানৱ আইন প্ৰচাৰ কৰাৰ ক্ষমতা যি কর্তৃপক্ষৰ আছে, সেইজনেই জাৰি কৰিব পাৰে। এইদৰে শাসকে জাৰি কৰা যি আইন যুক্তিৰ নিয়মৰ বিৰুদ্ধে হয়, সেয়া একুইনাছৰ বাবে প্ৰকৃত নিয়ম নহয়। একেদৰে যুক্তিৰ নিয়মবোৰ শাসকে জাৰি নকৰালৈকে আইনত পৰিণত নহয় সেই অনুসৰি শাসকজনো আইন প্ৰচাৰৰ ক্ষেত্ৰত কিছুমান সীমাবদ্ধতাৰ অধীনত থাকে। আইন যুক্তিৰ বিপৰীত হ'ব নালাগে; ই প্ৰাকৃতিক নিয়মৰ সৈতে অসঙ্গতিপূর্ণ হ'ব নালাগে।

একুইনাছে আইনক বহুত বহলভাৱে ধাৰণা কৰিছিল আৰু ইয়াক কেৱল মানৱ সম্পর্ক নিয়ন্ত্ৰণৰ মাধ্যম হিচাপে গণ্য কৰা নাছিল। তেওঁ যুক্তি দিছিল যে এটা যুক্তিসংগত ঐক্যক প্ৰতিনিধিত্ব কৰা সমগ্ৰ বিশ্বব্ৰহ্মাণ্ডখন ওপৰত উল্লেখ কৰা ধৰণে ঘনিষ্ঠভাৱে আন্তঃসম্পর্কীয় নিয়মৰ এটা স্তৰৰ দ্বাৰা পৰিচালিত হয়। তেওঁ আইনৰ প্ৰতি মহাজাগতিক দৃষ্টিভংগী গ্ৰহণ কৰি দৃঢ়তাৰে কয় যে ই কেৱল মানুহকে নহয়, বিশ্বব্ৰহ্মাণ্ডৰ সকলো জীৱন্ত আৰু অজীৱিত বস্তুকো সামৰি লৈছে।

৩.৪.৪ গীর্জা আৰু ৰাষ্ট্ৰৰ ওপৰত চেণ্ট একুইনাছৰ মতামত

গীর্জাৰ ধর্মগুৰুবাদী হিচাপে চেণ্ট থমাছ একুইনাছে ৰাষ্ট্ৰক গীর্জাৰ অধীনত ৰাখিছিল। কিন্তু তেওঁ ৰাষ্ট্ৰৰ ওপৰত ধর্মগুৰুৰ অধিকাৰক্ষেত্ৰত সীমাবদ্ধতা আৰোপ কৰিছিল। তেওঁ ইয়াক কেৱল পাপৰ সৈতে জড়িত বিষয়বোৰত হস্তক্ষেপ কৰিবলৈ অনুমতি দিছিল। তেওঁ ধর্মগুৰুৰ সকলো বিষয়ত হস্তক্ষেপ কৰাৰ ক্ষমতাৰ ধাৰণাটোৰ বিৰোধিতা কৰিছিল। তেওঁ দৃঢ়তাৰে কৈছিল যে সকলো মানুহৰ বৈষয়ীক অন্ত সত্তা হৈছে পার্থিৰ সুখ আৰু এই কাম লৌকিক শাসকৰ জৰিয়তে সম্ভৱ হ'ব পাৰিছিল। কিন্তু মানুহৰ আধ্যাত্মিক উত্তৰণ কেৱল গীর্জাৰ জৰিয়তেহে লাভ কৰিব পাৰি।

একুইনাছৰ মতে গীর্জা আৰু ৰাষ্ট্ৰৰ মাজত সংঘাতৰ মূল কাৰণ আছিল যে দুয়োটাৰে লক্ষ্য ব্যক্তিৰ নৈতিক উত্থান। তেওঁ দৃঢ়তাৰে কয় যে যদি নৈতিক মংগলৰ কাম এজনক আৰু লৌকিক সুখৰ কামত আনজনক নিযুক্ত কৰা হ'লহেতেন তেন্তে দুয়োৰে মাজত কোনো সংঘাত নহ'লহেঁতেনে। তেওঁ এই মতামত প্ৰকাশ কৰিছিল যে যিমানখিনিলৈকে তেওঁলোকৰ নিজৰ নিজৰ স্থিতি এটা আনটোৰ লগত ওপৰা-ওপৰি নহয়, সিমানখিনিলৈকে ৰাষ্ট্ৰ গীর্জাৰ অধীনস্থ।

৩.৪.৫ ৰাজনৈতিক চিন্তাধাৰালৈ চেণ্ট একুইনাছৰ অৱদান

থমাছ একুইনাছ আছিল এজন উল্লেখযোগ্য মধ্যযুগীয়া ৰাজনৈতিক চিন্তাবিদ আৰু ৰাজনৈতিক চিন্তাৰ বিকাশত তেওঁ অসাধাৰণ অৱদান আগবঢ়াইছিল। তেওঁ আছিল ধর্মতত্ত্ব আৰু দর্শনৰ সংশ্লেষক। তেওঁৰ কৃতিত্ব যে তেওঁ দৃঢ়তাৰে কৈছিল যে ৰাষ্ট্ৰ মানুহৰ পাপৰ ফল নহয় ৰৰঞ্চ এক নৈতিক প্ৰতিষ্ঠান যিয়ে নিজক প্ৰজাৰ কল্যাণৰ লক্ষ্যৰে গঢ়ি তুলিছিল। তেওঁ ৰাষ্ট্ৰক কেৱল দোষীক শাস্তি দিয়াৰ নেতিবাচক কামেই নহয়, গুণক প্ৰসাৰিত কৰাৰ ইতিবাচক কামো অর্পণ কৰিছিল। এইদৰে তেওঁ ৰাষ্ট্ৰৰ স্বাভাৱিক আৰু নৈতিক ভিত্তিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল।

মধ্যযুগীয় চিন্তাধাৰাত একুইনাছৰ আন এটা অৱদান আছিল গীর্জা আৰু ৰাষ্ট্ৰীয় কর্তৃপক্ষৰ মাজত মিলন ঘটোৱাৰ প্ৰচেষ্টা। তেওঁ দৃঢ়তাৰে কয় যে যদি গীর্জাই নৈতিক উত্থানৰ প্ৰতি নিজকে চিন্তিত কৰে আৰু ৰাষ্ট্ৰই ৰাজনৈতিক কাম-কাজৰ প্ৰতি চিন্তিত হয়, তেন্তে দুয়োৰে মাজত কোনো সংঘাত নহ'ব। তেওঁ কোনো যথাযথ কাৰণ নোহোৱাকৈ ৰাষ্ট্ৰৰ কাম-কাজত গীর্জাৰ হস্তক্ষেপৰ পক্ষপাতী নাছিল।

সাংবিধানিক চৰকাৰ আৰু কল্যাণকামী ৰাষ্ট্ৰৰ ধাৰণাসমূহৰ বিকাশতো তেওঁ উল্লেখযোগ্য অৱদান আগবঢ়াইছিল। যদিও একুইনাছে ৰাজতন্ত্ৰ ব্যৱস্থাক আদর্শ বুলি গণ্য কৰিছিল, তথাপিও তেওঁ ৰজাক নিৰপেক্ষ ক্ষমতা প্ৰদানৰ পক্ষপাতী নাছিল। তেওঁ ৰাষ্ট্ৰীয় আইনৰ দ্বাৰা ৰজাৰ কর্তৃত্ব সীমিত কৰিছিল। আনহাতে তেওঁ জনসাধাৰণৰ

স্বার্থ আৰু সাধাৰণ জনতাৰ কল্যাণক অত্যন্ত গুৰুত্ব দিছিল। তেওঁ জনসাধাৰণক ৰাষ্ট্ৰৰ আইন যাতে শাসকে উলংঘা নকৰে আৰু তেওঁ অত্যাচাৰীলৈ পৰিণত নহয় তাৰ উপৰত নজৰ ৰাখিবলৈ অনুমতি দিছিল। এইদৰে তেওঁ ৰজাৰ কর্তৃত্ব সীমিত কৰাৰ পক্ষত থিয় দিছিল যদিও এই উদ্দেশ্যে তেওঁ কোনো সুনির্দিষ্ট ব্যৱস্থা কৰা নাছিল। ইয়াৰ দ্বাৰা তেওঁৰ সাংবিধানিক চৰকাৰৰ প্রতি বিশ্বাস স্পষ্ট হৈ পৰে যিটো বর্তমান চৰকাৰৰ আদর্শ ৰূপ হিচাপে গণ্য কৰা হৈছে। তেওঁ কল্যাণকামী ৰাষ্ট্ৰৰ আদর্শতো গুৰুত্ব আৰোপ কৰি কৈছিল যে ৰাষ্ট্ৰই জনসাধাৰণৰ যত্ন ল'ব লাগে, দুখীয়াৰ যত্ন ল'ব লাগে, ন্যায়ৰ প্রসাৰ ঘটাব লাগে আৰু শান্তিপূর্ণ জীৱন যাপনৰ ব্যৱস্থা কৰিব লাগে।

ৰাজনৈতিক তত্ত্বলৈ থমাছ একুইনাছৰ আটাইতকৈ গুৰুত্বপূর্ণ অৱদান হৈছে তেওঁৰ প্রাকৃতিক নিয়মৰ ধাৰণা। তেওঁ ৰোমান আইনৰ পৰা ধাৰ লৈ ভৱিষ্যত প্রজন্মৰ ৰাজনৈতিক চিন্তাবিদসকলৰ মাজলৈ আগবঢ়াই দিয়া প্রাকৃতিক আইনৰ ধাৰণাটোৱে পৰৱর্তী বছৰবোৰত এক বিশেষ স্থান দখল কৰিবলৈ আৰম্ভ কৰে। তেওঁ লগতে জোৰ দি কয় যে মানৱ নিয়ম প্রাকৃতিক নিয়মৰ পৰা উদ্ভৱ হৈছে আৰু ই প্রাকৃতিক নিয়মৰ অধীনত। এই ধাৰণাটোৱে ১৬৮৮ চনৰ গৌৰৱময় বিপ্লৱৰ লক আৰু অন্যান্য দার্শনিকসকলৰ ওপৰত গভীৰ প্রভাৱ পেলাইছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ চেণ্ট একুইনাছে ৰাজতন্ত্রক সর্বোত্তম চৰকাৰ বুলি গণ্য কৰিছিল (সঁচা/মিছা)

প্রশ্ন নং ৪ ঃ চেণ্ট একুইনাছে আইনৰ কোন দুটা বৈশিষ্ট্যৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল?



৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- চেণ্ট অগাষ্টিন হৈছে ৰাজনৈতিক আৰু ধর্মীয় চিন্তাধাৰাৰ পৰৱর্তী বিকাশত প্রভাৱ পেলোৱা অন্যতম শ্রেষ্ঠ গীর্জাৰ পিতৃ।
- চেণ্ট অগাষ্টিনৰ ৰাজনৈতিক দর্শন তেওঁৰ "De Civitate Dei জনপ্রিয়ভাৱে "The City of God নামেৰে জনাজাত" গ্রন্থখনত সন্নিবিষ্ট কৰা হৈছে যিখন ৪১৪-৪২৬ খ্রীষ্টাব্দৰ সময়ছোৱাত সম্পূর্ণ হৈছিল।
- ঈশ্বৰৰ নগৰখনে চিৰন্তন বা স্বর্গীয় নগৰক প্রতিনিধিত্ব কৰাৰ বিপৰীতে মানুহৰ নগৰখনে পার্থিৱ নগৰক প্রতিনিধিত্ব কৰে। এই ধাৰণাটোৰ সহায়ত তেওঁ ৰোমান সাম্রাজ্যৰ পতনৰ বিষয়ে ব্যাখ্যা কৰিবলৈ চেষ্টা কৰে। তেওঁৰ মতে সকলো পার্থিৱ ৰাষ্ট্ৰ ধ্বংসৰ যোগ্য।

কিন্তু কেতিয়াও ধ্বংস নোহোৱা এখন নগৰো আছে আৰু সেই চিৰন্তন নগৰখন হৈছে ঈশ্বৰৰ নগৰ।

- চিটি অৱ গডক জনপ্রিয়ভাৱে চিভিটাছ ডেই বুলি জনা যায় আৰু পার্থিৱ চহৰখনক চিভিটাছ টেৰানা বুলি জনা যায়। ঈশ্বৰৰ চহৰ বা চিভিটাছ ডেই সময় আৰু স্থানৰ ফালৰ পৰা সার্বজনীন। ই ঈশ্বৰৰ প্রেমৰ ওপৰত প্রতিষ্ঠিট আৰু ভাল আৰু ন্যায়ৰ প্রসাৰৰ লক্ষ্য ৰাখিছে।
- আনহাতে চিভিটাছ চেৰানা বা পার্থিৱ ৰাষ্ট্র আত্মপ্রেমৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠিছে। ইয়াৰ লক্ষ্য ক্ষমতা অর্জন কৰা।
- চেণ্ট অগাষ্টিনৰ মতে ৰাষ্ট্র হৈছে পাপৰ ফল আৰু ই সকলো পাপৰ ঐশ্বৰিক প্রতিকাৰ প্রদান কৰে। তেওঁৰ মতে যদিও ৰাষ্ট্রৰ উৎপত্তি পাপৰ পৰা হৈছিল তথাপিও ই পাপক প্রতিনিধিত্ব কৰা নাছিল। চেণ্ট অগাষ্টিনে বিশ্বাস কৰিছিল যে এই ৰাষ্ট্রখন ঐশ্বৰিক উৎপত্তিৰ আৰু কেৱল ঈশ্বৰৰ নগৰতকৈ অনুজ।
- এইদৰে অগাষ্টিনে ৰাজ্যক গীর্জাৰ অধীনত ৰাখিছে। তেওঁ দুটা পৃথক কর্তৃত্ব বজাই ৰাখিবলৈ চেষ্টা কৰিছে — লৌকিকৰ লগতে আধ্যাত্মিক কিন্তু লৌকিক নিয়মতকৈ আধ্যাত্মিক নিয়মক অগ্রাধিকাৰ দিছে। তেওঁৰ মতে এজন খ্রীষ্টানে গীর্জাৰ পৰা পথ প্রদর্শন বিচাৰিব লাগে আৰু উভয়ে উভয়ক পাৰস্পৰিকভাৱে সহায় কৰিব লাগে।
- চেণ্ট থমাছ একুইনাছ আছিল মধ্যযুগৰ অন্যতম পণ্ডিত আৰু যুক্তিবাদী চিন্তাবিদ।
- একুইনাছে ৰাষ্ট্রৰ উৎপত্তিৰ তত্ত্ব আগবঢ়াইছিল যিটো গীর্জাৰ পিতৃসকলে আগবঢ়োৱা ৰাষ্ট্রৰ তত্ত্বৰ পৰা মৌলিকভাৱে পৃথক। তেওঁৰ মতে, মানুহৰ সামাজিক প্রবৃত্তিৰ পৰাই ৰাষ্ট্রই এক স্বাভাৱিক প্রতিষ্ঠান হিচাপে আত্মপ্রকাশ কৰিছে।
- একুইনাছে ৰাষ্ট্রক ইতিবাচক ভূমিকা অর্পণ কৰিছিল আৰু নাগৰিকক গুণী আৰু নৈতিক কৰি তোলাৰ কর্তব্য অর্পণ কৰিছিল। তেওঁ বিচাৰিছিল যে ৰাষ্ট্রই শৃংখলা আৰু শান্তি প্রদান কৰক যাৰ অবিহনে গুণ সম্ভৱ নহয়।
- তেওঁ বিচাৰিছিল যে শাসকসকলে এনে আইন প্রণয়ন আৰু বলবৎ কৰক যিবোৰ গুণক প্রসাৰিত কৰাৰ বাবে অনুকূল। শত্রুৰ পৰা মানুহক সুৰক্ষিত ৰখা আৰু তেওঁলোকৰ প্রতিৰক্ষাৰ বাবে প্রয়োজনীয় পদক্ষেপ লোৱাটো ৰাষ্ট্রৰ কর্তব্য।
- একুইনাছে এৰিষ্টটলৰ চৰকাৰৰ শ্রেণীবিভাজনৰ নীতি অনুসৰণ কৰিছিল আৰু চৰকাৰসমূহক স্বাভাৱিক আৰু বিকৃত বুলি ভাগ কৰিছিল। তেওঁ ৰাজতন্ত্র, অভিজাততন্ত্র আৰু পলিটীক স্বাভাৱিক চৰকাৰৰ শ্রেণীত আৰু শ্বৈৰতন্ত্র, আঢ্যৰন্তন্ত্র আৰু গণতন্ত্রক বিকৃত চৰকাৰৰ শ্রেণীত স্থান দিছিল। অৱশ্যে তেওঁ ৰাজতন্ত্রক সর্বোত্তম চৰকাৰ বুলি গণ্য কৰিছিল।



৩.৬ অধিক জানিবলৈ

১) Subrata Mukherjee, and Sushila Ramaswamy: A History of Political Thought, Plato to Marx.

২) Prem Arora: Political Science (Theory). Cosmos Bookhive (P) Ltd. 2005.



৩.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ডি চিভিটেট ডেই জনপ্রিয়ভাৱে 'ঈশ্বৰৰ চহৰ' নামেৰে জনাজাত।

২ নং প্রশ্নৰ উত্তৰ ঃ ঈশ্বৰৰ চহৰ।

৩ নং প্রশ্নৰ উত্তৰ ঃ সঁচা।

৪ নং প্রশ্নৰ উত্তৰ ঃ i) আইন হৈছে যুক্তিৰ অধ্যাদেশ।

ii) মানৰ আইন জাৰি কৰিব পাৰে তেনে কৰিবলৈ ক্ষমতাপ্রাপ্ত কর্তৃপক্ষই।



২.৮ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ চেণ্ট অগাষ্টিনৰ দুখন চহৰৰ ধাৰণা বর্ণনা কৰা।

প্রশ্ন ২ ঃ মধ্যযুগীয়া ৰাজনৈতিক চিন্তাধাৰালৈ চেণ্ট অগাষ্টিনৰ প্রধান বিষয়ে ব্যাখ্যা কৰা।

প্রশ্ন ৩ ঃ চেণ্ট থমাছ একুইনাছৰ চৰকাৰৰ শ্রেণীবিভাজন ব্যাখ্যা কৰা।

প্রশ্ন ৪ ঃ ৰাজনৈতিক তত্ত্বৰ ক্ষেত্রখনলৈ চেণ্ট থমাছ একুইনাছৰ অৱদানৰ বিষয়ে ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ৪ ঃ নিকোলো মেকিয়াভেলি

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ মেকিয়াভেলি ঃ তেওঁৰ সময়ৰ শিশু আৰু নৱজাগৰণৰ শিশু
৪.৪ পদ্ধতি
৪.৫ মেকিয়াভেলি ৰাষ্ট্ৰৰ কাৰণ আৰু ৰাজনৈতিক ক্ষমতা
৪.৬ মানুহৰ আচৰণত মেকিয়াভেলিৰ মন্তব্য
৪.৭ মেকিয়াভেলিৰ নৈতিকতাৰ দ্বৈত মানদণ্ড
৪.৮ ৰাজকুমাৰক মেকিয়াভেলিৰ পৰামৰ্শ
৪.৯ মেকিয়াভেলিৰ গণতন্ত্ৰবাদ
৪.১০ সমালোচনাত্মক প্ৰশংসা
৪.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.১২ অধিক জানিবলৈ
৪.১৩ অগ্ৰগতি খতিয়ান
৪.১৪ আৰ্হি প্ৰশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মেকিয়াভেলিক তেওঁৰ সময়ৰ শিশু বুলি কিয় কোৱা হৈছিল বৰ্ণনা কৰিব পাৰিব।
- তেওঁৰ কৰ্মৰাজিৰ পদ্ধতি বৰ্ণনা কৰিব পাৰিব।
- তেওঁৰ ৰাজনৈতিক দৰ্শন বৰ্ণনা কৰিব পাৰিব।
- তেওঁৰ চিন্তাবোৰ আৰু আদৰ্শবোৰৰ মূল্যায়ন কৰিব পাৰিব।

৪.২ পৰিচয়

তেওঁৰ মৃত্যুৰ ৫০০ বছৰতকৈ অধিক হোৱাৰ পিছতো মেকিয়াভেলিৰ নামে প্ৰাসংগিকতা বহন কৰে, কাৰণ তেওঁৰ ৰাজনৈতিক দৰ্শন আৰু তত্বলৈ বহুতো গুৰুত্বপূৰ্ণ অৱদান আছে। চমুকৈ 'মেকিয়াভেলিজিম' শব্দটো মানুহৰ কৌশলী আৰু বুদ্ধিৰ গুণাগুণৰ সৈতে সম্পৰ্ক আছিল। 'মেকিয়াভেলিজম' শব্দটো সাধাৰণতে তেওঁৰ নামৰ পিছত প্ৰস্তুত কৰা হৈছিল, যি ৰাজ্যিক শিল্প আৰু আনকি অন্যান্য কৌশল আৰু বুদ্ধিমত্তাৰ নিযুক্তিক সূচায়। এতিয়া প্ৰশ্ন উত্থাপন হয় যে কিয় মেকিয়াভেলিয়ে সুনাম অৰ্জন কৰিছে। সাম্প্ৰতিক কালতো তেওঁৰ দৃষ্টিভংগী আৰু

চিন্তাবোৰৰ প্ৰাসংগিকতা থকাৰ প্ৰকৃতিটো কি ? কেনেধৰণৰ পৃষ্ঠভূমি বা ইতিহাসে তেওঁৰ চিন্তাধাৰা ৰখাৰ বাবে অনুপ্ৰাণিত কৰিছিল ? প্ৰশ্নবোৰ আমি এই গোটটোত মোকাবিলা কৰিম আৰু উত্তৰ দিম।

৪.৩ মেকিয়াভেলি ঃ তেওঁৰ সময়ৰ শিশু আৰু নৱজাগৰণৰ শিশু

ইটালিৰ ফ্লৰেন্সত মে' মাহৰ ৩ তাৰিখে, ১৪৬৯ চনত সম্ভ্ৰান্ত পৰিয়ালত জন্মগ্ৰহণ কৰা, মেকিয়াভেলি দেৱানী উকীল বার্নাডোৰ তৃতীয় শিশু আছিল। তেওঁৰ জন্মৰ বছৰটোত ফ্লৰেন্সত ললেঞ্জো ডি মেডিচিয়ে শাসন কৰিছিল। বার্নাডোৱে তেওঁৰ পৰিয়ালটো আৰ্থিকভাৱে যথেষ্ট শক্তিশালী কৰি গৈছিল। তেওঁ তেওঁৰ ল'ৰাৰ শিক্ষাগত প্ৰয়োজনীয়তা সকলোবোৰ যত্ন লৈছিল। সেইবাবে মেকিয়াভেলি লোক সেৱাসমূহ কৰাৰ বাবে যথেষ্টভাৱে শিক্ষিত হৈছিল। তেওঁৰ বয়স ২৯ বছৰতে ফ্লৰেন্স চৰকাৰৰ এজন ভাইচৰয় সচিব হিচাপে যোগদান কৰিছিল আৰু ফ্লৰেন্সৰ কৰ্ণধাৰ ৰাজনীতিত অংশগ্ৰহণ কৰিছিল। তেওঁ ৰাজনীতিৰ পৰা পোনপটীয়াকৈ অভিজ্ঞতা আহৰণ কৰিছিল আৰু সেইবাবে তেওঁ বৈদেশিক পৰিক্ৰমাৰ লগত জড়িত হৈছিল। সেই সময়ৰ পৰাই ফ্লৰেন্স এখন গণৰাজ্য আছিল আৰু অন্যান্য গণৰাজ্যিক দেশৰ লগত সম্পৰ্ক ৰক্ষা কৰিছিল আৰু সেইবাবে মেকিয়াভেলিক বহুবাৰ কূটনৈতিক মিছনৰ বাবে বিভিন্ন ৰাষ্ট্ৰত পঠোৱা হৈছিল। কিন্তু ১৫১২ চনত গণৰাজ্যিক চৰকাৰ পতন হয় আৰু মেকিয়াভেলি তেওঁৰ চাকৰিৰ পৰা বহিস্কাৰ কৰা হয়। আনকি তেওঁক বিভিন্ন ধৰণৰ অপৰাধমূলক অভিযোগ কৰা হয় আৰু মেডিচিৰ স্বৈৰাচাৰী শাসনত কাৰাগাৰত বন্দী কৰা হৈছিল। কিন্তু পিছত যথোপযুক্ত প্ৰমাণৰ ভিত্তিত তেওঁক মুক্ত কৰি দিয়া হৈছিল। তেওঁ "The Prince (1513)" আৰু "The Discourses on the First Ten Books of Titus Livius (1521)" লিখাৰ সময়ছোৱাত অকলশৰীয়া জীৱনৰ বাবে মনোনিৰেশ কৰিছিল। তেওঁ "The Prince" গ্ৰন্থখন লৰেঞ্জ ডি মিডিচিৰ বাবে নিবেদন কৰিছিল আৰু তেওঁৰ শাসন আৰু বংশৰ উচ্চ প্ৰশংসা কৰিছিল। দুয়োখন গ্ৰন্থই মেকিয়াভেলিৰ ৰাজনৈতিক চিন্তাধাৰা প্ৰকাশ কৰিছিল কিন্তু প্ৰকাশভংগীটো কিছু পৰিমাণে বেলেগ ধৰণৰ আছিল ঃ য'ত "The Prince" এ চৰম ৰাজতন্ত্ৰৰ পোষকতা কৰে। "The Discourses"এ সমসাময়িক মেকিয়াভেলিৰ সময়ৰ ৰাজনৈতিক ব্যৱস্থাৰ গুৰুত্ব দিছে আৰু প্ৰজাতন্ত্ৰৰ এটা প্ৰৱণতা প্ৰতিফলিত কৰিছে।

এই গ্ৰন্থবোৰে সেই সময়ৰ ফ্লৰেন্সৰ পৰিঘটনাবোৰ প্ৰাথমিকভাৱে প্ৰতিফলিত কৰিছিল। সেই সময়ত ইটালী বিভিন্ন সৰু সৰু নগৰ ৰাষ্ট্ৰত ভাগ হৈ পৰিছিল আৰু য'ত ৰাষ্ট্ৰবোৰৰ মাজত অবিৰতভাৱে সংঘাত হৈ আছিল। মেকিয়াভেলি আৰু অন্যান্য সকলোৰে আকাংক্ষা আছিল যে অন্যান্য ইউৰোপীয় দেশৰ দৰে ইটালীক একত্ৰিত কৰিব। কিন্তু এই সপোনটো অবাস্তৱ হ'ল য'ত কোনেও ইটালীক শক্তিশালীভাৱে একত্ৰিত কৰিব নোৱাৰিলে। ৰাষ্ট্ৰবোৰৰ মাজত বিভিন্ন ক্ষমতাক লৈ ঈৰ্ষা আৰু তিক্ত সংগ্ৰামেই ইটালীৰ ক্ষয়ৰ কাৰণ। আনকি ধৰ্মযাজকসকলেও ইটালীত ধাৰ্মিক পৰিচালনা সুৰক্ষা কৰি ৰখাৰ স্বাৰ্থত একত্ৰিকৰণত সন্মতি প্ৰদান কৰা নাছিল। যদিও ফ্লৰেন্স

নৱজাগৰণৰ আসন্ন আছিল, ইটালীয়ে ইয়াৰ ফলাফলটো ভোগ কৰিব নোৱাৰিলে কিয়নো ইয়াক সকলো ধৰণৰ অৱনতি নিকৃষ্ট প্ৰকাৰৰ অত্যাচাৰী শাসন, দুৰ্নীতি, নিষ্ঠুৰতা আৰু হত্যা, নৈতিক অৱক্ষয়, স্বাৰ্থপৰতা, অসততা আৰু অপচয়ৰ দ্বাৰা চিহ্নিত কৰা হৈছিল। এইবোৰৰ দ্বাৰা মেকিয়াভেলিয়ে এজন শক্তিশালী ৰাজকুমাৰৰ প্ৰয়োজনীয়তা দৃঢ়ভাৱে অনুভৱ কৰিছিল যি তেওঁৰ ঐক্যবদ্ধ আৰু সমৃদ্ধ ইটালীৰ সপোন বাস্তৱায়িত কৰিব পাৰে আৰু যি সকলো নেতিবাচকতাক লোহাৰ মুঠিৰে নিয়ন্ত্ৰণত ৰাখিব পাৰে। এইদৰে ইটালীৰ প্ৰচলিত পৰিস্থিতিয়ে তেওঁক এক সমৃদ্ধ একত্ৰিত ইটালী প্ৰাপ্ত কৰাৰ কৌশলী উপায়ৰ পৰমৰ্শ দিছিল যদিও এই উদ্দেশ্যৰ বাবে গ্ৰহণ কৰা উপায়বোৰ সদায় নৈতিকভাৱে যুক্তিসংগত নহয়। তেওঁৰ বাবে আদৰ্শ ৰাজ্য এখন শক্তিশালী ৰাজ্য আছিল আৰু ৰাজ্যখনে প্ৰতিটো মূল্যত ইয়াৰ শক্তি সৰ্বাধিক কৰাৰ লক্ষ্য ৰাখিব লাগে। মেকিয়াভেলীৰ চিন্তাধাৰাক প্ৰভাৱিত কৰা অস্থিৰতাৰ উপৰিও, নৱজাগৰণে তেওঁৰ ওপৰত গভীৰ প্ৰভাৱিত কৰিছিল। মেকিয়াভেলীক সেয়েহে নৱজাগৰণৰ সন্তান বুলি জনা যায়। নৱজাগৰণৰ আক্ষৰিক অৰ্থ হৈছে "পুনৰ জাগৰণ" বা "পুনৰ্জন্ম"। চতুৰ্দশ-সপ্তদশ শতিকাৰ মাজৰ সময়ত, ইউৰোপত মানুহক পুনৰ আৱিষ্কাৰ কৰিবলৈ চেষ্টা কৰিছিল। এই সময়ছোৱাৰ আগত, মধ্যযুগত মানুহক কেৱল ঈশ্বৰৰ সৃষ্টি বুলি গণ্য কৰা হৈছিল আৰু তেওঁক মূল্যহীন বুলি চিহ্নিত কৰা হৈছিল। মানুহৰ একমাত্ৰ উদ্দেশ্য হৈছে আত্মাৰ পৰিত্ৰাণ আৰু ঈশ্বৰৰ সেৱাৰ জৰিয়তে ই সম্ভৱপৰ। গীৰ্জাই জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে আধিপত্য বিস্তাৰ কৰিছিল আৰু মানুহে ঈশ্বৰৰ প্ৰত্যক্ষ প্ৰতিনিধি হিচাপে গীৰ্জাৰ আজ্ঞা পালন কৰিছিল। ইয়াৰ বিপৰীতে নৱজাগৰণে ব্যক্তিৰ মংগলময়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল, জ্ঞান আৰু আশাবাদ উদযাপন কৰিছিল আৰু গীৰ্জাক প্ৰশ্ন কৰিছিল। নৱজাগৰণৰ দ্বাৰা উৎসাহিত হৈ মেকিয়াভেলিয়ে কোনো বিশ্বাস পৰীক্ষা নকৰাকৈ গ্ৰহণ কৰাৰ বিৰোধিতা কৰিছিল। সেয়েহে তেওঁ প্ৰচলিত ব্যৱস্থাৰ বিৰুদ্ধে প্ৰশ্ন কৰিছিল। গীৰ্জা আৰু ধৰ্মক পৃষ্ঠভূমিলৈ স্থানান্তৰিত কৰাৰ সময়ত মানুহক ধৰ্মনিৰপেক্ষ পৃথিৱীৰ কেন্দ্ৰলৈ অনা হৈছিল। একেদৰে, মেকিয়াভেলীয়ে পৰামৰ্শ আগবঢ়াইছিল যে ৰাজকুমাৰহে ৰাজনৈতিক বিষয়ৰ শীৰ্ষত থাকিব লাগিব আৰু গীৰ্জাই মাত্ৰ আধ্যাত্মিক পৃথিৱীখন পৰিচালনা কৰিব লাগিব।

নৱজাগৰণে আধুনিক ৰাষ্ট্ৰৰ জন্ম দিব আৰু যি সকলোতকৈ শক্তিশালী আৰু যিটোৱে ৰাষ্ট্ৰৰ স্থানিক জীৱন ৰক্ষণাবেক্ষণ, জনসাধাৰণৰ স্বাস্থ্য আৰু শিক্ষাৰ যতন, কৰ ধাৰ্য কৰা, খাদ্যৰ সৰবৰাহ কৰা, একেদৰে ৰাষ্ট্ৰৰ সুৰক্ষা আৰু প্ৰতিৰক্ষা নিশ্চিত কৰা আদিত গুৰুত্ব দিব। মেকিয়াভেলীয়ে এই সকলোবোৰৰ গুৰুত্ব উপলব্ধি কৰিছিল আৰু এনেদৰে এইবোৰ কাৰ্যৰ বাবে ৰাজকুমাৰক দায়িত্ব দিছিল। মেকিয়াভেলীৰ ৰাষ্ট্ৰত ধৰ্মৰ কোনো ভূমিকা নাছিল, আৰু সেইবাবে তেওঁ ৰাজকুমাৰৰ পোষকতা কৰিছিল আৰু গীৰ্জাই ৰাজনীতি আৰু ক্ষমতা চম্ভালিব নোৱাৰে বুলি কৈছিল।

৪.৪ পদ্ধতি

মেকিয়াভেলীয়ে ব্যৱহাৰ কৰা অধ্যয়নৰ পদ্ধতিত বহুক্ষেত্ৰত এৰিষ্টটলৰ পৰা অনুপ্ৰাণিত, কিন্তু ঠিক একে নাছিল। এৰিষ্টটলৰ দৰে মেকিয়াভেলীয়েও সাম্প্ৰতিক পৰ্যায়টো বুজিবলৈ

আৰু বিশ্লেষণ কৰিবলৈ ঐতিহাসিক পদ্ধতি ব্যৱহাৰ কৰিছিল। তেওঁ সাম্প্ৰতিক পৰিস্থিতিবোৰ গভীৰভাৱে লক্ষ্য কৰিছিল আৰু বিশ্লেষণ কৰিবলৈ বিচাৰিছিল। তথাপি ডানিঙৰ মতে, মেকিয়াভেলীৰ পদ্ধতিক ঐতিহাসিক বুলি ক'ব পৰা নাযায় কাৰণ তেওঁ ব্যৱহাৰ কৰা ঐতিহাসিক প্ৰমাণ কেৱল তেওঁৰ নিজৰ তথ্য প্ৰমাণ কৰিবলৈ ব্যৱহাৰ কৰিছিল যিবোৰ ইতিমধ্যে প্ৰমাণিত হৈছিল। অন্য অৰ্থত, তেওঁ বৰ্তমানক বুজাৰ বাবে অতীত অধ্যয়ন কৰা নাছিল, বৰঞ্চ তেওঁ বৰ্তমানৰ পৰা আৰম্ভ কৰিছিল আৰু সামৰণীত উপনীত হৈছিল কেৱল মাত্ৰ পৰ্যবেক্ষণবোৰৰ ভিত্তিত, আৰু তেওঁ ঐতিহাসিক বুৰঞ্জী ব্যৱহাৰ কৰিছিল তেওঁৰ তথ্যবোৰ শক্তিশালী কৰাৰ বাবে।

মেকিয়াভেলি পুংখানুপুংখভাৱে এজন বাস্তৱবাদী। তেওঁ ৰাষ্ট্ৰ আৰু চৰকাৰৰ আচলতে কি ঘটি আছে সেইবোৰত চিন্তিত আছিল। প্ৰখ্যাত ৰাজনৈতিক চিন্তাবিদ ডানিঙৰ মতে, মেকিয়াভেলীৰ অধ্যয়নে চৰকাৰৰ কলাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল ৰাষ্ট্ৰৰ তত্ত্বতকৈ।

৪.৫ মেকিয়াভেলি ৰাষ্ট্ৰৰ কাৰণ আৰু ৰাজনৈতিক ক্ষমতা

মেকিয়াভেলীৰ চিন্তাধাৰাত প্ৰধান আছিল "ক্ষমতা"। "The Prince" গ্ৰন্থখন এক ব্যক্তি ক্ষমতা বৃদ্ধিৰ লগত জড়িত আছিল। আনহাতে "The Discourses" নাগৰিকৰ মুক্ত ক্ষমতাৰ লগত জড়িত আছিল। এবেনষ্টাইনে লক্ষ্য কৰা মতে মেকিয়াভেলীৰ আগতে ৰাজনৈতিক দাৰ্শনিক সকলে ৰাষ্ট্ৰকেই শেষ বা লক্ষ্য হিচাপে গুৰুত্ব আৰোপ কৰিছিল। তেওঁলোকৰ বাবে ক্ষমতা আছিল কেৱল এক মাধম, যাৰ সহায়ত উচ্চ লক্ষ্য যেনে ন্যায়, নৈতিকতা আৰু উত্তম জীৱন প্ৰাপ্ত কৰা যায়। যিবোৰ সকলো ৰাষ্ট্ৰই নিশ্চিত কৰিব, যিটো বাস্তৱ অৱস্থাত অধিকতৰ কাল্পনিক। এজন বাস্তৱবাদী হিচাপে মেকিয়াভেলীয়ে ৰাজনৈতিক ক্ষমতাকেই মূল বুলি লৈছিল আৰু উচ্চ উদ্দেশ্যবোৰ আওকাণ কৰিছিল। সেয়েহে, তেওঁৰ অধ্যয়নৰ বিষয় আছিল ৰাজনৈতিক ক্ষমতা কেনেকৈ লাভ কৰিব পাৰি আৰু ইয়াক কেনেকৈ বৰ্তাই ৰাখিব পাৰি। ইটালীৰ সংকটৰ অৱস্থাৰ সাক্ষী হিচাপে তেওঁ বুজিবলৈ সক্ষম হৈছিল যে এখন শক্তিশালী ৰাষ্ট্ৰইহে সকলো সমস্যাৰ সমাধান কৰি ইটালীক একত্ৰিত কৰিব পাৰিব। সেয়েহে তেওঁ পৰামৰ্শ প্ৰদান কৰে যে শাসকে ক্ষমতা ব্যৱহাৰ কৰিব পাৰে, আত্মনিৰ্ভৰ ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰিব পাৰে। ৰাষ্ট্ৰক একত্ৰিত কৰি ৰাখিব পাৰে আৰু শত্ৰুক দূৰ কৰিব পাৰে। চমুকৈ তেওঁৰ ৰাজনৈতিক তত্ত্বত শাসকৰ পদ আৰু ক্ষমতাক লৈহে আলোচিত হয়, শাসিতসকলৰ বাবে নহয়।

তেওঁৰ এই দৃষ্টিভংগী ৰাষ্ট্ৰৰ কাৰণ বুজাবুজিৰ ভিত্তিত গঢ় লৈ উঠিছে; মেকিয়াভেলীয়ে বিশ্বাস কৰে যে ৰাষ্ট্ৰ হৈছে মানৱ জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ অংগ আৰু ই ব্যক্তিতকৈ বহুত উচ্চ পৰ্যায়ৰ। তেওঁৰ মতে ব্যক্তিয়ে নিজকে সুৰক্ষা প্ৰদান কৰাৰ ক্ষেত্ৰত অযোগ্য। সেইবাবে ব্যক্তিৰ জীৱনৰ সুৰক্ষাৰ বাবে ৰাষ্ট্ৰ আৰু চৰকাৰৰ প্ৰয়োজনীয়তা আছে। লগতে ৰাষ্ট্ৰই সামাজিক সমস্যাসমূহ মোকাবিলা কৰিবলৈ ক্ষমতা অৰ্জন কৰিব লাগিব। সাধাৰণতে, মানুহৰ স্বভাৱ, দুৰ্নীতিপৰায়ণ আৰু স্বাৰ্থপৰ আৰু সেয়েহে ইয়াক নিয়ন্ত্ৰণ কৰিবলৈ শক্তিশালী আৰু ক্ষমতাশালী ৰাষ্ট্ৰ এখন অত্যাৱশ্যকীয়। সেইবাবে ৰাষ্ট্ৰ এখনৰ মূল লক্ষ্য হ'ল ক্ষমতা অৰ্জন কৰা, ক্ষমতা

অবিহনে এখন ৰাষ্ট্ৰৰ অস্তিত্ব প্ৰশ্নবোধক হৈ পৰে। যদিহে ৰাজ্য দুৰ্বল হয় আৰু ইয়াৰ আইন অকাৰ্যকৰ হয়, তেন্তে স্বাৰ্থপৰ আৰু আত্মকেন্দ্ৰিক ব্যক্তিসকলে প্ৰশাসনক নিয়ন্ত্ৰণ কৰি সমাজখন নিজৰ স্বাৰ্থৰ বাবে ব্যৱহাৰ কৰিব। সেইবাবে শাসকে নৈতিক বা অনৈতিক যিকোনো প্ৰকাৰে ৰাষ্ট্ৰৰ ক্ষমতা বৃদ্ধিৰ গুৰুত্ব আৰোপ কৰিব লাগে। ইয়াৰ পৰা দেখা যায় যে মেকিয়াভেলীৰ শক্তিশালী ৰাষ্ট্ৰৰ পৰামৰ্শ কোনো কাল্পনিক বিবেচনাৰ ওপৰত প্ৰতিষ্ঠিত নহয়, ইয়াক ব্যৱহাৰিকতাৰ ভিত্তিত প্ৰদান কৰি দিয়া হৈছে।

৪.৬ মানুহৰ আচৰণত মেকিয়াভেলিৰ মন্তব্য

নৱজাগৰণৰ পিছৰ সময়ছোৱাত মানুহ অধিক যুক্তিবাদী হ'ল আৰু অলৌকিক আৰু অবাস্তৱ চিন্তাবোৰ মনৰ পৰা আঁতৰাই পেলালে। সেইদৰে মেকিয়াভেলিয়ে উক্ত ধাৰাটো অনুসৰণ কৰি মানুহৰ আচৰণ যুক্তিসংগত আৰু বাস্তৱসন্মত বিশ্লেষণ কৰে। মেকিয়াভেলীয়ে মানুহৰ অতি বেয়া প্ৰতিচ্ছবি এটা দাঙি ধৰিছিল। তেওঁৰ মতে মানুহ হৈছে মূলতঃ কৃতজ্ঞতাহীন, চঞ্চল, ছলনাময়ী আৰু মুখাপিন্ধা, বিপদৰ পৰা আঁতৰি থকা, লাভৰ বাবে আগ্ৰহী। মানুহক জীৱনৰ একাগ্ৰতা ভাঙিবলৈ পৰিৱৰ্তীত ইচ্ছাই পৰিচালনা কৰে। ফলস্বৰূপে তেওঁলোক কৰ্মৰ প্ৰতি ধাৱমান হয়। কিন্তু তেওঁলোক অযুক্তিকৰ আৰু অতি সহজেই প্ৰতাৰিত হ'বও পাৰে। তেওঁলোকৰ আচৰণ সাধাৰণতে কিছু বিশেষ উদ্দেশ্য লৈ পৰিচালিত হয়— প্ৰেম আৰু ভয়ৰ উদ্দেশ্য; প্ৰতিজন ব্যক্তিয়ে হয় ভাল পাব বিচাৰে নহয় ভয় কৰিব বিচাৰে। অন্য এটা শক্তিশালী উদ্দেশ্য হ'ল ধন-সম্পত্তিৰ উদ্দেশ্য। মেকিয়াভেলীয়ে বিশ্বাস কৰে যে মানুহ ধন-সম্পত্তিৰ প্ৰতি ইমানেই আকৃষ্ট হয় যে পিতৃৰ মৃত্যু পাহৰি যাব পাৰে কিন্তু ধন-সম্পত্তিৰ ক্ষতি পাহৰিব নোৱাৰে। মানুহৰ অভাৱ অপৰিসীম আৰু ইয়াৰ ফলত অসন্তোষ সৃষ্টি হয় কাৰণ প্ৰকৃতিৰ যি সীমিত সম্পদ তাৰ পৰা সকলোখিনি লাভ কৰাটো সম্ভৱপৰ নহয়। ইচ্ছা যেতিয়া সীমাহীন হয় বৈষম্যৰ সৃষ্টি হয় আৰু সেয়েহে ঈৰ্ষাৰ সৃষ্টি হয় কাৰণ কিছুসংখ্যকে আনতকৈ অধিক সাফল্য লাভ কৰে। সেয়েহে মানুহে অধিক আহৰণ কৰিবলৈ অহৰহ সংঘাতত লিপ্ত হয় আৰু ৰাষ্ট্ৰৰ মাজত হোৱা বিবাদবোৰতো এইবোৰ প্ৰকাশ পায়; মানুহ প্ৰতাৰক আৰু তেওঁলোকৰ স্বাৰ্থই তেওঁলোকৰ প্ৰেমৰ বান্ধোন ছিঙিবলৈ বাধ্য কৰায়। অন্যহাতে, ভয়ে তেওঁলোকক একেটা কাৰণতে একেলগে বান্ধি ৰাখে, অৰ্থাৎ স্বাৰ্থ। এইদৰে মানুহৰ মাজৰ একতাত প্ৰেমতকৈ ভয়হে অধিক শক্তিশালী কাৰণ। এনেধৰণৰ পৰিস্থিতিত নিৰাপত্তাই জনসাধাৰণৰ মাজত ভয়ৰ ভাৱ জগাই তোলা এজন শক্তিশালী শাসকৰ অনুসৰণ কৰিব।

৪.৭ মেকিয়াভেলিৰ নৈতিকতাৰ দ্বৈত মানদণ্ড

মেকিয়াভেলিয়ে মানৱ প্ৰকৃতি আৰু সেইবোৰ নিয়ন্ত্ৰণ কৰিবলৈ এক শক্তিশালী ৰাজ্যৰ প্ৰয়োজনীয়তাৰ অনুভৱ কৰিছিল, মেকিয়াভেলিয়ে বিশ্বাস কৰিছিল যে শাসকৰ আটাইতকৈ গুৰুত্বপূৰ্ণ লক্ষ্য ক্ষমতা আহৰণ আৰু ৰাজ্যৰ ৰক্ষণাবেক্ষণ। এইক্ষেত্ৰত সকলো উপায়ে ন্যায়সংগত

হ'ব। সেইবাবে শাসকৰ দ্বাৰা অনৈতিক কার্যৰ ব্যৱহাৰ সম্পূর্ণৰূপে নায়সংগত, যদিহে ই ক্ষমতা লাভ কৰাৰ বাবে হয়। মেকিয়াভেলীৰ মতে সমাপ্তি ভালেই উপায়বোৰ ন্যায়সংগত। ৰাষ্ট্ৰ বা ৰাজহুৱা নৈতিকতা ব্যক্তিগত নৈতিকতা বা গোপনীয় নৈতিকতাৰ পৰা পৃথক। শুদ্ধ আৰু ভুল, ন্যায় আৰু অন্যায়ৰ ব্যক্তিগত নৈতিকতা ৰাষ্ট্ৰৰ কার্যত প্রযোজ্য নহয়। যদিও ব্যক্তিজনে সর্বোচ্চ নৈতিক মানদণ্ড অনুসৰি কাম কৰিব লাগিব, শাসকে পৰিস্থিতিৰ ওপৰত নির্ভৰ কৰি ভাল বেয়া বা নিৰপেক্ষ হ'ব পৰা ব্যৱস্থা গ্রহণ কৰিব লাগিব। সাধাৰণ পৰিস্থিতিত শাসকে সৎ, নিৰপেক্ষ আৰু বিবেচনাশীল হ'ব লাগিব, বিশৃংখল আৰু উত্তপ্ত পৰিস্থিতিত, তেওঁ কঠোৰ, বিশাসঘাতক আৰু বল আৰু প্রৱঞ্চনা ব্যৱহাৰ কৰিবলৈ ইচ্ছুক হ'ব লাগিব। মেকিয়াভেলীয়ে নৈতিকতাৰ ওপৰত এখন দক্ষ চৰকাৰক অধিক প্রাধান্য দিছিল। খ্রীষ্টীয় মূল্যবোধ, নৈতিকতা আৰু আদর্শ পালন কৰিলে ৰাজ্য অকর্মন্য হ'ব পাৰে। মেকিয়াভেলীয়ে তেওঁৰ নিজৰ শব্দত কৈছে যে— এজন শাসকে "নৈতিকতাৰ পথৰ পৰা আঁতৰি যোৱা উচিত নহয়, কিন্তু যেতিয়া বাধ্য হয়, তেতিয়া তেওঁ অনৈতিক ব্যৱহাৰ কৰিবলৈও জানিব লাগিব।"

৪.৮ ৰাজকুমাৰক মেকিয়াভেলিৰ পৰামর্শ

মেকিয়াভেলিৰ এখন আটাইতকৈ জনপ্রিয় অৱদান ৰাজনৈতিক ক্ষেত্রত তেওঁ লিখা "The Prince"। যদিও তেওঁৰ "The Prince" গ্রন্থখন শৈক্ষিক কর্ম বুলি বিবেচনা কৰিব নোৱাৰি আৰু ৰাজনৈতিক চিন্তাবিদ বা দার্শনিকসকলৰ অধ্যয়নৰ বাবে লিখা নহয় তথাপি ই এখন বাস্তৱধর্মী গ্রন্থ, য'ত চৰকাৰ কেনেকৈ পৰিচালনা কবি লাগে তাৰ নির্দেশনা দিয়া হৈছে। ই হৈছে শাসকসকলৰ বাবে পথনির্দেশিকা। "The Prince" হৈছে মেকিয়াভেলিৰ সময়ৰ ফ্লৰেন্সৰ প্রচলিত পৰিস্থিতিৰ ওপৰত আধাৰিত। সেয়েহে এই কর্মৰাজিৰ জৰিয়তে তেওঁ ইটালীয়ে সন্মুখিন হোৱা সমস্যাসমূহৰ সমাধানৰ চেষ্টা কৰিছে। মেকিয়াভেলিৰ এই কর্মত এৰিষ্টটলৰ প্রভাৱ স্পষ্ট কিয়নো দুয়োজনে ৰাষ্ট্রক মানৱ সম্প্রদায়ৰ সর্বোচ্চ ৰূপ বুলি গণ্য কৰে, ব্যক্তিক ব্যক্তিত্ব বিকাশৰ বাবে ৰাষ্ট্রৰ অধীন কৰা হয়, কিয়নো ৰাষ্ট্রই ব্যক্তিৰ সম্ভাৱনা বা প্রতিভা সর্বশ্রেষ্ঠলৈ বিকশিত কৰে। সেয়েহে ৰাষ্ট্র ব্যক্তিতকৈ অধিক গুৰুত্বপূর্ণ আৰু ৰাজকুমাৰে যিকোনো প্রকাৰে ৰাষ্ট্রৰ সুৰক্ষা আৰু সংৰক্ষণ কৰিব লাগিব। তেওঁ ৰাষ্ট্র পৰিচালনাৰ বাবে দক্ষ আৰু সুসংগঠিত কেন্দ্রীয় প্রশাসন ব্যৱস্থাৰ পৰামর্শ প্রদান কৰে। শাসকক ষড়যন্ত্রমূলকভাৱে উৎখাত কৰিব বিচাৰিলে তেওঁ দমনমূলক ব্যৱস্থা ল'ব লাগিব। সেয়েহে, ৰাজকুমাৰৰ সিংহ আৰু শিয়াল দুয়োৰে গুণ থাকিব লাগিব। সিংহৰ সাহস আৰু শক্তিয়ে তেওঁক শত্রুসকলক আঁতৰ কৰাত সহায় কৰিব আনহাতে, শিয়ালৰ ধূর্ততা আৰু চতুৰতাই ষড়যন্ত্র চিনাক্ত কৰাত সহায় কৰিব। তেওঁ শাৰীৰিক শক্তি ব্যৱহাৰ আৰু উদাৰ মনোভাৱৰ ভাৰসাম্যৰ মাজত ৰাখিব লাগিব। মেকিয়াভেলিয়ে ৰাজকুমাৰক যিকোনো ধৰণৰ চৰম আচৰণৰ বিৰুদ্ধে আহ্বান জনাইছিল, ইয়াৰ পৰিৱর্তে পৰিস্থিতিৰ ওপৰত নির্ভৰ কৰি দেওঁ কঠোৰ বা কোমল হ'ব লাগিব। অৱশ্যে, তেওঁ লোকসকলৰ মাজত শাস্তিৰ ভয় জাগ্রত কৰিবলৈ সক্ষম হ'ব লাগিব। কিন্তু তেওঁ মানুহক ঘৃণা কৰিব নালাগে। সেয়েহে তেওঁ তেওঁৰ জনগণক ভৌতিকভাৱে সন্তুষ্ট কৰিব লাগিব যাতে তেওঁ তেওঁলোকৰ সমর্থন লাভ কৰে। তেওঁ জনগণক

গধুৰ কৰৰ বোজা দিব নালাগে। তেওঁ ধর্ম, শিক্ষা আৰু প্রচাৰৰ জৰিয়তে নাগৰিকসকলৰ মাজত দেশপ্রেমৰ ভাৱনা জাগ্রত কৰিবলৈ সক্ষম হ'ব লাগিব। তেওঁ নাগৰিকসকলক বাণিজ্য আৰু কৃষি দুয়োক্ষেত্রতে তেওঁলোকৰ জীৱিকাৰ কার্যকলাপ শান্তিপূর্ণভাৱে চলাবলৈ উৎসাহিত কৰিব লাগিব। তেওঁ কেতিয়াও অন্যৰ ধন-সম্পত্তিৰ ওপৰত নজৰ দিব নালাগে আৰু তেওঁ প্রজাসকলৰ সম্পত্তি আৰু পত্নীৰ পৰা আঁতৰি থাকিব লাগে কিয়নো ই শাসন ব্যৱস্থাত প্রতিৰোধ সৃষ্টি কৰিব। ৰাজকুমাৰে জনগণক বিভিন্ন কার্যকলাপত ব্যস্ত ৰাখিব লাগিব। তেওঁ নিজকে কলা আৰু সংস্কৃতিৰ পৃষ্ঠপোষক হিচাপে চিত্রিত কৰিব লাগিব। তেওঁ নিজকে ইমান মহিমাৰে পৰিচালনা কৰিব লাগিব যে মানুহে তেওঁৰ গৌৰৱত অভিভূত হয়। তেওঁ জনপ্রিয়তা বর্তাই ৰাখিবলৈ জনপ্রিয় উৎসৱবোৰত অংশগ্রহণ কৰা উচিত।

ৰাজকুমাৰে তেওঁৰ পৰামর্শদাতা বাছনি কৰোতে সাৱধান হ'ব লাগিব। তেওঁক তোষামোদকাৰীয়ে আবৰি থাকিব নালাগে, যিয়ে তেওঁক মিছা প্রশংসাৰে আবৰি ৰাখিব। ৰাজকুমাৰে সত্য আৰু বাস্তৱতাক জানিব লাগিব। তেওঁ যাতে নিজৰ ভুলবোৰ সংশোধন কৰিব পাৰে আৰু সকলোবোৰ নিখুঁত বুলি ধাৰণা কৰাৰ সলনি এক শক্তিশালী শাসন ব্যৱস্থা স্থাপন কৰিব পাৰে। তেওঁ সেই বিষয়া আৰু পৰামর্শদাতাসকলৰ পৰাও পৰিত্রাণ পাব লাগে যিসকলে তেওঁক বিশ্বাসঘাতকতা কৰিছিল।

ৰাজকুমাৰে আৱেগিকভাৱেও সন্তুষ্ট হ'ব লাগিব যাতে ৰাষ্ট্রখনৰ কর্মৰাজিত নিষ্ঠাৰে মনোনিৱেশ কৰিব পাৰে। ৰাজকুমাৰৰ একমাত্র আৱেগিক সম্পর্কটো ৰাষ্ট্রৰ সৈতে থাকিব লাগে। ৰাষ্ট্রৰ প্রতি তেওঁৰ প্রেম আন সকলোবোৰৰ আগত আহিব লাগে। যদি পৰিস্থিতিয়ে বিচাৰে তেওঁ পাপ কৰিবলৈও ভয় কৰিব নালাগে। ওপৰত উল্লেখ কৰা মতে, তেওঁ ব্যক্তিগত নৈতিকতাৰ দ্বাৰা পৰিচালিত হ'ব নালাগে। তেওঁ গোপনীয়তাৰে শাসন কৰিবলৈ সক্ষম হ'ব লাগে কিয়নো তথ্য বাহিৰ হ'লে ৰাষ্ট্রৰ বাবে ক্ষতিকাৰক প্রমাণিত হ'ব পাৰে। ৰাজকুমাৰৰ এটা আটাইতকৈ গুৰুত্বপূর্ণ কর্তব্য হ'ল ৰাষ্ট্রৰ সুৰক্ষা কৰা। তেওঁৰ বাবে ৰাজনীতি হৈছে ক্ষমতাৰ এক নিৰন্তৰ সংগ্রাম। সেয়েহে তেওঁ যুদ্ধ পৰিচালনাৰ ক্ষেত্রত দক্ষ হ'ব লাগিব কিয়নো এইটোৱে হৈছে ৰাষ্ট্রৰ ক্ষমতা আৰু স্থিতি অর্জনৰ বাবে ৰাজকুমাৰৰ একমাত্র উপায়। ৰাজকুমাৰে তেওঁৰ চুবুৰীয়াৰ ওপৰত নিৰন্তৰ সতর্ক থাকিব লাগিব আৰু তেওঁলোকক শত্রু হিচাপে গণ্য কৰিব লাগিব। তেওঁ শত্রুৰ বিষয়ে সকলো তথ্য সংগ্রহ কৰা উচিত আৰু তেওঁৰ শক্তিৰ গণনা কৰা প্রয়োজন। আৰু যেতিয়া তেওঁৰ শত্রু আটাইতকৈ কম প্রস্তুত হয়, তেতিয়া শত্রুক আক্রমণ কৰিবলৈ সক্ষম হ'ব লাগিব। শত্রুৱে ৰাজকুমাৰৰ কর্তৃত্বৰ প্রতি প্রত্যাহ্বান ৰখাৰ বাবে অত্যধিক শক্তিশালী হোৱা আগতেই ৰাজকুমাৰে শত্রুক ধ্বং কৰিব লাগিব।

ৰাজকুমাৰে ৰাষ্ট্রৰ ক্ষমতা বজাই ৰখাৰ বাবে সম্প্রসাৰণ নীতিৰ জৰিয়তে তেওঁৰ অঞ্চল সম্প্রসাৰিত কৰিব লাগিব। যদিহে ৰাজকুমাৰে শত্রুক দমন কৰি অঞ্চল সম্প্রসাৰণ নকৰে তেন্তে তেওঁৰ শত্রুৱে আক্রমণ কৰিব আৰু এই প্রক্রিয়াই তেওঁক ধ্বংস কৰিব। ৰাজকুমাৰে ক্ষমতাৰ ভাৰসাম্যৰ খেল শিকিব লাগে, যাতে কোনো ৰাষ্ট্রই ভাবুকি হ'বলৈ অত্যধিক শক্তিশালী নহয়।

প্রয়োজন হ'লে দুর্বল ৰাষ্ট্রক ৰক্ষা কৰিব লাগে আৰু মিত্রজোঁট গঠন কৰিব লাগে। তেওঁ পৰামর্শ প্রদান কৰে যে আন্তর্জাতিক সম্পর্কত নিৰপেক্ষতাতকৈ মিত্রতা গঠন কৰাটো শ্রেষ্ঠ। লগতে ৰাজকুমাৰে আক্রমণৰ চেষ্টা কৰা অঞ্চলৰ পৰিয়ালৰ লোকসকলক সম্পূর্ণৰূপে নির্মূল কৰিব লাগে। কাৰণ মুক্ত হৈ থাকিলে বিৰোধীসকলে তেওঁলোকৰ হেৰুওৱা অঞ্চল পুনৰুদ্ধাৰ কৰাৰ বাবে প্রতিআক্রমণৰ পৰিকল্পনা কৰিব পাৰে।

ৰাজকুমাৰে সদায় সু-প্রশিক্ষিত দক্ষ নাগৰিক সৈন্যৰ সৈতে সাজু থাকিব লাগে। মেকিয়াভেলিয়ে ভাৰাতীয়া সৈন্য নিয়োগ কৰাটো সমর্থন কৰা নাছিল কাৰণ তেওঁলোকক শত্রুৰে অধিক দৰমহা প্রদান কৰি ক্রয় কৰিবলৈ চেষ্টা কৰিব। ভাৰাতীয়া সৈন্যসকলক বিশ্বাস কৰিব নোৱাৰি। কাৰণ তেওঁলোক দৰমহাৰ সৈতে জড়িত হৈ থাকে। তেওঁলোকৰ ৰাষ্ট্রৰ প্রতি কোনো ধৰণৰ মৰম আৰু আসক্তি নাই। মেকিয়াভেলিৰ বাবে অঞ্চল সম্প্রসাৰণ কৰাটো ইমানেই গুৰুত্বপূর্ণ আছিল যে "The Prince" আৰু "The Discourses" দুয়োখনতে এক শক্তিশালী আৰু ক্ষমতাশালী ৰাষ্ট্র বজাই ৰখাৰ বাবে ইয়াক এক প্রয়োজনীয় পদক্ষেপ হিচাপে পৰামর্শ আগবঢ়াইছে।

৪.৯ গণৰাজ্যিকতাবাদৰ ওপৰত মেকিয়াভেলি

মেকিয়াভেলিক বহুতে স্বৈৰাচাৰিতাবাদৰ অধিবক্তা হিচাপে ভুলকৈ সমালোচনা কৰিছে। গণৰাজ্যিক আৰু জনপ্রিয় চৰকাৰৰ প্রতি তেওঁৰ যি অগ্রাধিকাৰ "The Discourses" ত স্পষ্টকৈ দিছে। যদিও এইটো সঁচা যে "The Prince" ত তেওঁ এক শক্তিশালী ৰাষ্ট্র একত্রিত আৰু বর্তাই ৰখাৰ বাবে ৰাজতন্ত্রমূলক চৰকাৰৰ পৰামর্শ প্রদান কৰে, তেওঁ "The Discourses" ত গণতান্ত্রিক চৰকাৰৰ বিষয়ে আলোচনা কৰে। এই দুয়োখন গ্রন্থৰ গভীৰ অধ্যয়ন কৰিলে দেখা যায় যে মেকিয়াভেলিয়ে কেৱল সেইসমূহ ৰাষ্ট্রৰ বাবে ৰাজতন্ত্রৰ পৰামর্শ দিছিল, য'ত জনপ্রিয় চৰকাৰে একতা স্থাপন কৰি শক্তিশালী ৰাজ্য গঠন কৰিব নোৱাৰিব। উদাহৰণস্বৰূপে, ইটালীৰ দৰে দুর্নীতি, বিবাদ আৰু বিভাজনৰ সন্মুখীন হোৱা এখন ৰাষ্ট্রৰ বাবে সমাধান হৈছে এক শক্তিশালী শাসকৰ সৈতে ৰাজতন্ত্র। আনহাতে, শান্তিপূর্ণ ৰাষ্ট্রসমূহে গণতান্ত্রিক চৰকাৰ স্থাপন কৰিব পাৰে। তেওঁ ৰোম আৰু অন্যান্য গণৰাজ্যসমূহক প্রশংসা কৰে যিয়ে ব্যক্তিগত সমৃদ্ধিৰ ওপৰত সামগ্রিক বিকাশক গুৰুত্ব দিয়ে। তেওঁ বিশ্বাস কৰিছিল যে গণৰাজ্যসমূহত ব্যক্তিসকল স্বার্থপৰ আৰু দুর্নীতিগ্রস্ত নহয় আৰু তেওঁলোকে সাধাৰণ হিত প্রাপ্ত কৰাৰ বাবে কাম কৰে। গণৰাজ্যসমূহৰ মহানতা আৰু সফলতাৰ আঁৰৰ এইটোৱেই কাৰণ।

মেকিয়াভেলিয়ে এই বিশ্বাসক অস্বীকাৰ কৰে যে গণতান্ত্রিক ৰাষ্ট্রবোৰ সময়ৰ লগে লগে অৱনমিত হয়। তেওঁ ইয়াৰ পৰিৱর্তে যুক্তি দিয়ে যে যদি আইন সভাত থকা লোক আৰু তেওঁলোকৰ প্রতিনিধিসকল আইনৰ দ্বাৰা নিয়ন্ত্রিত হয়, তেন্তে স্ব-শাসিত সমাজবোৰ আটাইতকৈ স্থিৰ হোৱাৰ প্রৱণতা থাকে। যেতিয়া ব্যক্তিসকলে আইনতকৈ নিজক ওপৰত স্থান দিয়ে তেতিয়াহে অৰাজকতাৰ সৃষ্টি হয়। ৰাজতন্ত্রতকৈ গণতান্ত্রিক ৰাষ্ট্রৰ প্রতি তেওঁৰ অগ্রাধিকাৰ স্পষ্ট হয় যেতিয়া তেওঁ যুক্তি দিয়ে যে ৰাজকুমাৰতকৈ সাধাৰণ জনগণ অধিক বিচক্ষণ আৰু পৰিস্থিতিৰ ভাল বিচাৰক।

৪.১০ সমালোচনাত্মক প্রশংসা

মেকিয়াভেলীৰ চিন্তাৰ মূল্যাংকন যথেষ্ট কঠিন বুলি গণ্য কৰা হয় কিয়নো তেওঁৰ তত্ত্বটো প্রণালীবদ্ধভাৱে আলোচনা কৰা নহয়। ইয়াৰ অন্তৰালত এইটোও হ'ব পাৰে যে তেওঁ এটা মাত্র ৰাজনৈতিক তত্ত্ব বিকাশ কৰাৰ উদ্দেশ্যে লোৱা নাছিল। তেওঁ চৰকাৰক পৰামর্শ প্রদানৰ চেষ্টা কৰিছিল য'ত তেওঁ ইটালীৰ সমস্যাসমূহ সমাধানৰ চেষ্টা কৰিছিল। সেইবাবে তেওঁৰ যি ৰাজনৈতিক তত্ত্ব সেইবোৰ পৰিস্থিতিৰ ওপৰত নির্ভৰ কৰি সৃষ্টি হোৱা। তেওঁৰ ৰাজনৈতিক তত্ত্বত আন এটা বিৰোধিতা হ'ল এজন শক্তিশালী ৰাজকুমাৰৰ সৈতে ৰাজতন্ত্রমূলক চৰকাৰৰ পৰামর্শ আৰু লগতে গণতান্ত্রিক চৰকাৰক প্রশংসা।

মানৱ প্রকৃতিৰ ক্ষেত্রত মেকিয়াভেলীৰ মন্তব্য একপক্ষীয় যেন লাগে। মানুহৰ প্রকৃতি মূলতঃ অন্ধকাৰ আৰু স্বার্থপৰ আৰু বেয়া প্রতিষ্ঠিত কৰোতে তেওঁ সহযোগিতা আৰু সহানুভূতিৰ দৰে গুণবোৰ উপেক্ষা কৰে যি সভ্যতাক সম্ভৱ কৰি তুলিছে।

অৱশ্যে, ৰাজনৈতিক চিন্তাধাৰাত মেকিয়াভেলিৰ অৱদান অৱজ্ঞা কৰিব নোৱাৰি; অতি কমসংখ্যক ব্যক্তিৰ মাজত তেওঁ এজন আছিল যিয়ে প্রকৃততে ইউৰোপীয় সমাজৰ সামাজিক আৰু ৰাজনৈতিক অৱনতি অনুভৱ কৰিব পাৰিছিল। তেওঁ ব্যৱহাৰিক দৃষ্টিভংগীৰ পৰা ৰাজনৈতিক ব্যৱস্থাক পর্যবেক্ষণ কৰিছিল আৰু সমস্যাবোৰৰ বাস্তৱিক সমাধান আগবঢ়াইছিল। সেয়েহে, চেবাইনে মন্তব্য কৰে যে, "তেওঁ সম্ভৱতঃ দার্শনিকভাৱে গভীৰ হ'ব নোৱাৰিলে কাৰণ তেওঁ যথেষ্ট বাস্তৱবাদী আছিল, কিন্তু ৰাজনীতিত তেওঁৰ সমসাময়িকসকলৰ ভিতৰত তেওঁৰ দৃষ্টিভংগীৰ সর্বাধিক বিস্তৃতি আৰু তেওঁৰ ইউৰোপীয় পৰিৱর্তনৰ সাধাৰণ প্রৱণতাৰ স্পষ্ট অন্তদৃষ্টি আছিল। (Sabine, 1973, 328) লগতে ৰাজনীতিবিদ চেষ্টাৰ চি. মেক্সিয়ে উল্লেখ কৰাৰ দৰে, মেকিয়াভেলিৰ তাত্ত্বিকৰ বিৰুদ্ধে ব্যৱহাৰিকৰ প্রতি থকা আগ্রহ নিঃসন্দেহে মধ্যযুগৰ অন্ধবিশ্বাসৰ পৰা ৰাজনৈতিক চিন্তাধাৰাক উদ্ধাৰ কৰিবলৈ যথেষ্ট কাম কৰিছিল আৰু তেওঁক মহান ব্যৱহাৰবাদীসকলৰ প্রথমজন বুলি চিনাকি দিব পাৰি, যদিও আটাইতকৈ মহৎ নহ'ব পাৰে। (Chesfer C. Maxey "Strange interlude in political philosophies (Revised edition), New Work: Macmilan, First edition 1938, pp. 125-53).

মেকিয়াভেলিয়ে নৱজাগৰণৰ দ্বাৰা প্রভাৱিত হৈ ধর্ম আৰু ৰাজনীতিক পৃথক কৰিছিল আৰু আমাক ধর্মনিৰপেক্ষতাৰ ধাৰণা দিছিল। এইটো নহয় যে তেওঁ ধর্মক সম্পূর্ণৰূপে বাদ দিছিল, কিন্তু ধর্মক ৰাজনীতিত আধিপত্য বিস্তাৰ কৰিবলৈ নিদিলে। তেওঁ নৈতিকতা আৰু নীতিশাস্ত্রক ৰাজনীতিৰ পৰা পৃথক কৰি ৰাখিছিল যাৰ বাবে তেওঁৰ সমালোচকসকলে অনৈতিক বুলি অভিহিত কৰিছিল। অৱশ্যে, এইটো স্বীকাৰ কৰিব লাগিব যে মেকিয়াভেলীৰ প্রয়াস কেৱল মধ্যযুগীয় ইউৰোপৰ অৱনতি হোৱা ৰাজনীতিৰ সমাধান আগবঢ়োৱাৰ বাবে আছিল, যিটো তেওঁ ৰাজনীতিৰ পৰা ধর্ম, নৈতিকতা আৰু নৈতিকতাৰ পৃথকীকৰণৰ জৰিয়তে সম্ভৱ বুলি ভাবিছিল।

মেকিয়াভেলিয়েও এখন সার্বভৌম ৰাষ্ট্রৰ ধাৰণাত অৰিহণা যোগাইছিল। সামন্ততান্ত্রিক

পদানুক্রম আৰু গীৰ্জাৰ আধিপত্যৰ ধাৰণাটো বৰ্জন কৰি তেওঁ এক আধুনিক ৰাষ্ট্ৰৰ পৰিকল্পনা কৰিছিল যিয়ে সমাজৰ সকলো প্ৰতিষ্ঠানৰ ওপৰত নিয়ন্ত্ৰণ ৰাখিব। ৰাষ্ট্ৰীয় নিৰাপত্তা, আঞ্চলিক একত্ৰীকৰণ আৰু আন আন ৰাষ্ট্ৰসমূহৰ সৈতে মিত্ৰতা গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰি তেওঁ আধুনিক ৰাষ্ট্ৰৰ লগতে আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰো আশা কৰিছিল।

মেকিয়াভেলীয়ে প্ৰথম আছিল যি আমাক ৰাষ্ট্ৰৰ কাৰণ দেখুৱাইছিল আৰু ৰাজনীতিত ক্ষমতাৰ দৃষ্টিভংগীৰ পক্ষপাতিতা কৰিছিল। তেওঁ ৰাজনৈতিক ক্ষমতা ৰক্ষণাবেক্ষণৰ বাবে চলা সংগ্ৰাম বুলি গণ্য কৰিছিল যিটো পিছলৈ হবছ, মস্কা, পাৰেটো, ৰবাৰ্ট ডাল, মৰ্গেনথাউ আৰু আন বহুতো তত্ত্ববিদে গ্ৰহণ কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ মেকিয়াভেলিৰ দ্বৈতমানদণ্ডৰ মন্তব্যটো বৰ্ণনা কৰা।

প্ৰশ্ন নং ২ ঃ মেকিয়াভেলিৰ গণৰাজ্যিকতাবাদ তত্ত্বটো বৰ্ণনা কৰা।

প্ৰশ্ন নং ৩ ঃ মেকিয়াভেলিৰ প্ৰধান বিষয় হৈছে "ক্ষমতা" (সঁচা/মিছা)

প্ৰশ্ন নং ৪ ঃ মেকিয়াভেলিৰ কোনটো কৰ্মৰাজিত শাসকৰ পৰিচালনাৰ নীতিসমূহ পোৱা যায়।



৪.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ডানিঙে উল্লেখ কৰা অনুসৰি মেকিয়াভেলি আছিল "প্ৰথম আধুনিক ৰাজনৈতিক দাৰ্শনিক। এইটো কোৱাটো একেবাৰে শুদ্ধ যে তেওঁ মধ্যযুগৰ সমাদিত ঘটায় যিহেতু তেওঁ আধুনিক আৰম্ভ কৰে।" তেওঁ নিশ্চিতভাৱে সেইসময়ৰ বিসংগতিৰ উৎপত্তি, যেতিয়া ইউৰোপে পোপ আৰু গীৰ্জাৰ কৰ্তৃত্বক প্ৰত্যাহ্বান জনাই এক ধৰ্মনিৰপেক্ষ পৃথিৱীৰ দিশে আগবঢ়াইছিল।
- মেকিয়াভেলিয়ে ৰাজনীতিক আধ্যাত্মিকতাৰ কৱলৰ পৰা মুক্ত কৰিবলৈ আৰু ধৰ্মনিৰপেক্ষতাৰ ভেটি স্থাপন কৰিবলৈ চেষ্টা কৰিছিল। এক ঐতিহাসিক পদ্ধতি গ্ৰহণ কৰি যিয়ে বাস্তৱ জীৱনৰ ঘটনাৰ বিষয়ে তেওঁৰ নিবিড় পৰ্যবেক্ষণক সমৰ্থন কৰিছিল, তেওঁ এই সিদ্ধান্তত উপনীত হৈছিল যে শক্তি হৈছে ৰাষ্ট্ৰৰ আধাৰ। তেওঁৰ বিশৃংখল আৰু বিভক্ত ফ্লৰেন্স আৰু ইটালীৰ প্ৰথম অভিজ্ঞতাই তেওঁক এক ক্ষমতাশালী ৰাজতন্ত্ৰবাদী চৰকাৰৰ পৰামৰ্শ দিছিল।
- যিহেতু মেকিয়াভেলিয়ে বিশ্বাস কৰিছিল যে মানুহ স্বভাৱত দুষ্ট আৰু স্বাৰ্থপৰ, তেওঁলোকক ৰাজকুমাৰৰ লোহাৰ শাসনৰ জৰিয়তে নিয়ন্ত্ৰণ কৰিব লাগিব। সেয়েহে তেওঁ পৰামৰ্শ দিয়ে যে ৰাজকুমাৰে তেওঁৰ ৰাষ্ট্ৰক কাৰ্যকৰীভাৱে শাসন কৰিবলৈ সকলো ধৰণৰ গুণাগুণ

ন্যায়সংগতভাৱে মিহলি কৰিব লাগিব। তেওঁ সহানুভূতিশীল আৰু কঠোৰ হ'ব লাগিব, চতুৰ আৰু শক্তিশালী হ'ব লাগিব আৰু নৈতিক আৰু অনৈতিক হ'ব লাগিব— সকলোবোৰ পৰিস্থিতিৰ ওপৰত নির্ভৰশীল।

- মেকিয়াভেলিৰ কুশলতাৰ প্রশংসা কৰি প্রফেছৰ জোনছে আঙুলিয়াই দিছিল যে মানুহৰ কামনাৰ জৰিয়তে ৰাষ্ট্রখন বুজি পোৱাৰ ক্ষেত্রত তেওঁৰ ধাৰণা আৰু এজন শাসকে সফল হোৱাৰ এই মানৰ প্রৱণতাবোৰ নিয়ন্ত্রণ কৰিবলৈ শিকিব লাগিব যি আধুনিক ৰাজনৈতিক জীৱনৰ আধাৰ। অৱশ্যে, এনে পৰামর্শ আগবঢ়োৱা প্রক্রিয়াত মেকিয়াভেলিয়ে ৰাজনীতিক কেৱল কিছুমান উদ্দেশ্যপ্রাপ্ত কৰাৰ এক সঁজুলি হিচাপে অৱনমিত কৰে, আনহাতে মূল্যবোধক হ্রাস কৰে।
- সমালোচকসকলে উল্লেখ কৰিছে যে ইটালীৰ একতাৰ বাবে মেকিয়াভেলীয়ে স্বৈৰাচাৰী শাসন আৰু একনায়কত্ববাদক সমর্থন কৰিছিল। এইটো বিশ্বাস কৰা হয় যে মেকিয়াভেলীৰ পৰামর্শ অনুসৰণ কৰি ইউৰোপৰ কেইবাজনো শাসকে আধিপত্যবাদী ভূমিকা গ্রহণ কৰিছিল, আনকি কিছুসংখ্যক ফেচিষ্ট হৈ পৰিছিল।
- অৱশ্যে তত্ত্ব আৰু অনুশীলন দুয়োটা ক্ষেত্রত ৰাজনীতিত মেকিয়াভেলীৰ অৱদানক কোনেও অস্বীকাৰ কৰিব নোৱাৰে। তেওঁক সঁচাকৈয়ে আধুনিক ৰাষ্ট্র আৰু ৰাজনীতিৰ আগজাননী হিচাপে গণ্য কৰিব পাৰি।



৪.১২ অধিক জানিবলৈ

১) Quentin Skinner, Machiavelli: A very short Introduction.

২) George W Saloine and TL Thorson, A History of Political Theory.

৩) Subrata Mukherjee and Sushila Ramswamy : A History of Political Thought: Plato & Mark, Prentice Hall, New Delhi, 2003.



৪.১৩ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ মেকিয়াভেলীয়ে বিশ্বাস কৰিছিল যে শাসকৰ আটাইতকৈ গুৰুত্বপূর্ণ লক্ষ্য হৈছে ক্ষমতা আহৰণ আৰু ৰাষ্ট্রৰ তত্ত্বাৱধান। এই দিশত সকলো উপায় ন্যায়সংগত হ'ব। সেয়েহে শাসকৰ দ্বাৰা অনৈতিক হ'লেও ব্যৱহাৰ সম্পূর্ণৰূপে ন্যায়সংগত, যদিহে ই ক্ষমতা লাভ ৰখাৰ বাবে হয়। মেকিয়াভেলীৰ মতে, সমাপ্তিয়ে উপায়বোৰ ন্যায়সংগত কৰে। ৰাষ্ট্রৰ নৈতিকতা বা ৰাজহুৱা নৈতিকতা ব্যক্তিগত বা স্বতন্ত্র নৈতিকতাৰ পৰা পৃথক। শুদ্ধ আৰু ভুল, ন্যায় আৰু অন্যায়ৰ ব্যক্তিগত নৈতিকতা ৰাষ্ট্রৰ কার্য ক্ষেত্রত প্রযোজ্য

নহয়। যদিও ব্যক্তিজনে সর্বোচ্চ নৈতিক মানদণ্ড অনুসৰি কাম কৰিব লাগিব, শাসকে পৰিস্থিতিৰ ওপৰত নির্ভৰ কৰি বেয়া বা নিৰপেক্ষ হ'ব পৰা ব্যৱস্থা গ্রহণ কৰিব লাগিব। যদিও সাধাৰণ সময়ত, বিশৃংখলতা আৰু বিশৃংখলতাৰ সময়ত শাসকে সৎ, নিৰপেক্ষ আৰু বিবেচনাশীল হ'ব লাগিব; তেওঁ কঠোৰ, বিশ্বাসঘাতক আৰু বল আৰু প্রৱঞ্চনা ব্যৱহাৰ কৰিবলৈ ইচ্ছুক হ'ব লাগিব। তেওঁ নৈতিকতা আৰু নৈতিকতাৰ তত্বাৱধানত এখন দক্ষ চৰকাৰ ব্যৱস্থাক অগ্রাধিকাৰ দিছিল। খ্রীষ্টান গুণ, নৈতিকতা আৰু নীতিশাস্ত্র পালন কৰিলে ৰাষ্ট্র অদক্ষ হ'ব পাৰে। নিজৰ ভাষাত মেকিয়াভেলীয়ে কৈছিল যে শাসকজনে "নৈতিকভাৱে শুদ্ধতাৰ পৰা আঁতৰি যোৱা উচিত নহয়, কিন্তু কি বেয়া তাক কেনেদৰে গ্রহণ কৰিব লাগে তাক জানিব লাগিব, যেতিয়া তেওঁ বাধ্য হয়।"

২ নং প্রশ্নৰ উত্তৰ ঃ মেকিয়াভেলীক বহুতে স্বৈৰচাৰৰ অধিবক্তা হিচাপে ভুলকৈ সমালোচনা কৰে। গণৰাজ্যিক আৰু জনপ্রিয় চৰকাৰৰ প্রতি তেওঁৰ অগ্রাধিকাৰ "The Discourse" ত স্পষ্টকৈ কৈছে। যদিও এইটো সঁচা যে "The Prince" ত তেওঁ এক শক্তিশালী ৰাষ্ট্র একত্রিত আৰু সৃষ্টি কৰাৰ বাবে ৰাজতন্ত্রমূলক চৰকাৰৰ পৰামর্শ দিয়ে, তেওঁ Discourse ত গণতান্ত্রিক চৰকাৰৰ বিষয়ে আলোচনা কৰে। এই দুই কর্মৰাজিৰ অধ্যয়নে দেখুৱায় যে মেকিয়াভেলীয়ে কেৱল সেই ৰাষ্ট্রসমূহৰ বাবে ৰাজতন্ত্রৰ পৰামর্শ দিছিল য'ত জনপ্রিয় চৰকাৰ একত্রিত হ'ব নোৱাৰিব আৰু এখন শক্তিশালী ৰাষ্ট্র গঠন কৰিব নোৱাৰিব। উদাহৰণস্বৰূপে, ইটালীৰ দৰে দুর্নীতি, বিবাদ আৰু বিভাজনৰ সন্মুখীন হোৱা এখন ৰাষ্ট্রৰ একমাত্র সমাধান হৈছে শক্তিশালী শাসকৰ সৈতে ৰাজতন্ত্র। আনহাতে, শান্তিপূর্ণ ৰাষ্ট্রসমূহে গণতান্ত্রিক চৰকাৰ স্থাপন কৰিব পাৰে। তেওঁ ৰোম আৰু অন্যান্য গণৰাজ্যসমূহক প্রশংসা কৰে যিয়ে ব্যক্তিগত সমৃদ্ধিৰ ওপৰত সাধাৰণ ভালৰ মূল্য বজাই ৰাখে। তেওঁ বিশ্বাস কৰিছিল যে গণৰাজ্যসমূহত ব্যক্তিসকল স্বার্থপৰ আৰু দুর্নীতিগ্রস্ত নহয় আৰু তেওঁলোকে সাধাৰণ হিত প্রাপ্ত কৰাৰ দিশত কাম কৰে। গণৰাজ্যসমূহৰ মহানতা আৰু সফলতাৰ আঁৰৰ এইটোৱেই কাৰণ।

৩ নং প্রশ্নৰ উত্তৰ ঃ সঁচা।

৪ নং প্রশ্নৰ উত্তৰ ঃ "The Prince"



৪.১৪ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ কিয় মেকিয়াভেলীক তেওঁৰ সময়ৰ শিশু বুলি গণ্য কৰা হৈছিল?

প্রশ্ন ২ ঃ মেকিয়াভেলীৰ "The Prince" ত বর্ণনা কৰা আদর্শটো আলোচনা কৰা।

প্রশ্ন ৩ ঃ মেকিয়াভেলীৰ ৰাষ্ট্রৰ কাৰণ আৰু ৰাজনৈতিক ক্ষমতা মন্তব্যটো পৰীক্ষা কৰা।

প্রশ্ন ৪ ঃ সমালোচনাত্মকভাৱে মেকিয়াভেলীৰ ৰাজনৈতিক দর্শন মূল্যায়ন কৰা।

*** ***** ***

অধ্যায় ৫ ঃ ব্যক্তিবাদ আৰু উদাৰতাবাদ — থমাছ হবছ, জন লক আৰু জ্যাঁ জাক্ ৰুছ’

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ থমাছ হবছ

৫.৪ জন লক

৫.৫ জ্যাঁ জাক্ ৰুছ’

৫.৬ ব্যক্তিবাদ আৰু উদাৰতাবাদ

৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৮ অধিক জানিবলৈ

৫.৯ অগ্রগতিৰ খতিয়ান

৫১০ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- থমাছ হবছৰ ব্যক্তিবাদ আৰু একচত্রিবাদৰ ব্যাখ্যা কৰিব পাৰিব।
- জন লকৰ ব্যক্তিবাদৰ বিষয়ে আলোচনা কৰিব পাৰিব।
- ৰুছ’ৰ জেনেৰেল উইল বা সাধাৰণ ইচ্ছাৰ তত্বৰ ব্যাখ্যা কৰিব পাৰিব।
- হবছ, লক আৰু ৰুছ’ৰ দৃষ্টিত ব্যক্তিবাদ আৰু উদাৰতাবাদৰ আলোচনা কৰিব পাৰিব।

৫.২ পৰিচয়

এই পাঠটিয়ে আপোনালোকক হবছ, লক আৰু ৰুছ’ৰ লিখনিসমূহৰ জৰিয়তে উদাৰতাবাদ আৰু ব্যক্তিবাদৰ সৈতে পৰিচয় কৰাই দিব। উদাৰতাবাদ মূলতঃ যিকোনো সমাজৰ সামূহিক জীৱন নিয়ন্ত্রণ কৰা ধাৰণা আৰু প্রথাৰ এক সংহতি। গৌৰৱময় বিপ্লৱ আৰু ফৰাচী বিপ্লৱৰ দৰে বিভিন্ন বিপ্লৱৰ পৰাই ইয়াৰ উন্মেষ ঘটিছিল। ই ব্যক্তিবাদৰ লগত ঘনিষ্ঠভাৱে জড়িত।

৫.৩ থমাছ হবছ

থমাছ হবছ (১৫৮৮-১৬৭৯) এজন ইংৰাজ দার্শনিক আছিল। হবছ আজি ৰাজনৈতিক দর্শনৰ ওপৰত তেওঁৰ কামৰ বাবে জনাজাত। তেওঁৰ ১৬৫১ চনৰ “লেভিয়াতান” নামৰ কিতাপখনে সামাজিক চুক্তি তত্ব প্রতিষ্ঠা কৰে, যাক পশ্চিমীয়া ৰাজনৈতিক দর্শনৰ ভেটি হিচাপে

গণ্য কৰা হয়। ইতিহাস, জ্যামিতি, ধর্মতত্ব, গেছৰ পদার্থ বিজ্ঞান, নৈতিকতা আৰু সাধাৰণ দর্শনকে ধৰি বিভিন্ন ক্ষেত্রত হবছে অৰিহণা যোগাইছিল। হবছৰ মুখ্য ৰচনাসমূহৰ ভিতৰত আছে "ডি চিভ" (১৬৪২), "লেভিয়াথান" (১৬৫১), "ডি কর্পোৰে" (১৬৫৫), আৰু "ডি হোমিন" (১৬৫৮)।

মানৰ প্রকৃতি আৰু সামাজিক চুক্তিৰ ওপৰত হবছৰ মতামত

হ'বছৰ মতে, এজন মানুহে যি বিচাৰে তাক তেওঁ ভাল বুলি কয় আৰু যি অপছন্দ কৰে তাক তেওঁ বেয়া বুলি কয়। তেওঁ দৃঢ়তাৰে কয় যে ভাল বা বেয়াৰ ধাৰণাটো সদায় সলনি হৈ আহিছে। তেওঁৰ মতে জীৱনৰ কোনো চূড়ান্ত সমাপ্তি বা লক্ষ্য নাই। সেয়েহে, প্রতিজন মানুহে তেওঁ বিচৰা বস্তুবোৰ প্রাপ্ত কৰিবলৈ চেষ্টা কৰে। অর্থাৎ হবছৰ মতে প্রত্যেকজন মানুহ অত্যন্ত আত্মকেন্দ্রিক। অধ্যাপক চেবাইনে এই কথাটো এনেদৰে সুন্দৰভাৱে দাঙি ধৰিছে ঃ "সকলো আচৰণৰ আঁৰৰ নিয়মটো হ'ল জীৱিত শৰীৰটোক ইয়াৰ জীৱনীশক্তি সংৰক্ষণ বা বৃদ্ধি কৰিবলৈ সহজাতভাৱে স্থাপন কৰা হয়। এক শব্দত, সকলো আচৰণৰ আঁৰৰ শাৰীৰিক নীতি হৈছে আত্ম-সংৰক্ষণ আৰু আত্ম-সংৰক্ষণৰ অর্থ হৈছে ব্যক্তিগত জৈৱিক অস্তিত্বৰ ধাৰাবাহিকতা অব্যাহত ৰখা। ভাল কর্মই এই উদ্দেশ্যলৈ পৰিচালিত কৰে আৰু বেয়া কর্মই বিপৰীত প্রভাৱ পেলায়।"

হবছে কৈছে যে মানুহৰ অপৰিসীম আকাংক্ষা থাকে আৰু প্রত্যেকজন মানুহৰ মৃত্যু পর্যন্ত এই আকাংক্ষাবোৰৰ কোনো অন্ত নাই। প্রকৃতিৰ অৱস্থাত থকা লোকসকল মুক্ত, যুক্তিবাদী, স্বার্থপৰ আৰু অহংকাৰী। তেওঁলোকে নিৰন্তৰভাৱে তেওঁলোকৰ আকাংক্ষাবোৰ এটাৰ পিছত এটা কৈ পূৰণ কৰিবলৈ চেষ্টা কৰে। আন এটা কাৰক হ'ল যে প্রকৃতিৰ অৱস্থাত ক্ষমতাৰ বাবে সংগ্রাম চলি থাকে। এনে অৱস্থাত আটাইতকৈ উপযুক্তজনৰ জীয়াই থকাটোহে মূল বিষয়। সেয়ে, প্রকৃতিৰ অৱস্থাৰ লোকসকল ক্ষমতা সন্ধানী।

মানুহে দেখিলে যে প্রকৃতিৰ অৱস্থাত জীৱনটো বেয়া, নিষ্ঠুৰ আৰু চুটি। এই পৰিস্থিতি অতিক্রম কৰিবলৈ জনসাধাৰণে স্বেচ্ছামূলক চুক্তিৰ আধাৰত এক সামাজিক চুক্তিৰ যুক্তিত সহমত প্রকাশ কৰে। এই সামাজিক চুক্তিখনৰ ফলাফল এই আছিল যে সার্বভৌম ক্ষমতা বা ৰাজনৈতিক কর্তৃত্বৰ এনে এজন শাসকক দিয়া উচিত যি এই চুক্তিখনৰ অংশীদাৰ নহয়। প্রকৃতিৰ অৱস্থাত বিৰাজ কৰা অনিশ্চয়তাৰ বাবে মানুহ অতিষ্ঠ হৈ পৰিছিল আৰু আত্ম-সংৰক্ষণৰ প্রবৃত্তিৰ দ্বাৰা অনুপ্রাণিত হৈ এখন ৰাষ্ট্র স্থাপনৰ বাবে আগ্রহী হৈ পৰিছিল। সেয়েহে, হ'বছে বিশ্বাস কৰে যে মানুহৰ নিজৰ সংৰক্ষণ আৰু যুদ্ধৰ প্রাকৃতিক অৱস্থাৰ পৰা পলায়ন কৰাৰ এক যুক্তিসংগত ইচ্ছাৰ পৰাই ৰাষ্ট্রৰ উৎপত্তি হৈছিল।

হবছৰ ব্যক্তিবাদ আৰু একচত্রিবাদ ঃ

হবছক তেওঁৰ ৰাজনৈতিক তত্বৰ বাবে প্রশংসা তথা সমালোচনা উভয়ে কৰা হৈছে। কোনোৱে তেওঁৰ ৰাজনৈতিক তত্বক বিশুদ্ধ আৰু নগ্ন স্বৈৰতন্ত্রতা বুলি অভিহিত কৰিছে, আনহাতে আন কিছুমানে তেওঁক সর্বশ্রেষ্ঠ ব্যক্তিবাদী বুলি গণ্য কৰিছে। প্রথম মতামতটো যেন হবছৰ দর্শনৰ অতিৰিক্ত পঠনৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠা। বাস্তৱত তেওঁ আছিল এজন মহান

ব্যক্তিবাদী। তেওঁৰ সম্পূর্ণ সার্বভৌমত্বৰ তত্ব তেওঁৰ ব্যক্তিবাদৰ প্রয়োজন পৰিপূৰক।

হবছে অতি পুংখানুপুংখভাৱে একচত্রীবাদৰ তত্ব গঢ়ি তুলিছিল যদিও এনে একচত্রীবাদৰ যুক্তিত আছিল এজন ব্যক্তিৰ নিজৰ আৰু তেওঁৰ সম্পত্তিৰ শান্তি আৰু নিৰাপত্তা, যিয়ে হবছৰ তত্বক ব্যক্তিবাদৰ ৰং দিয়ে। হবছে ব্যক্তিজনক প্রদান কৰা বিশিষ্ট স্থিতি এই কথাতেই স্পষ্ট যে তেওঁ প্রত্যেকজন ব্যক্তিক সার্বভৌম শাসকজনে তেওঁৰ জীৱনক আক্রমণ কৰিলে তেওঁক প্রতিহিত কৰাৰ অধিকাৰ দিয়ে, যাৰ সংৰক্ষণৰ বাবে চুক্তিখন চূড়ান্ত কৰা হৈছিল। হবছে ব্যক্তিজনক নিজ জীৱন সুৰক্ষিত কৰিব নোৱাৰা সার্বভৌম শাসকৰ পৰা আনুগত্য প্রত্যাহাৰ কৰাৰ অনুমতি দিয়ে। ব্যক্তিজনক প্রদান কৰা প্রতিৰোধৰ অধিকাৰে তেওঁৰ জীৱন বিপদাপন্ন হ'লে ব্যক্তিজনে নিজৰ বাবে বিচাৰ কৰাৰ অধিকাৰ বহন কৰে। আনকি সার্বভৌমত্ব সৃষ্টি কৰা চুক্তিও সেই ব্যক্তিসকলৰ দ্বাৰা সম্পন্ন কৰা হয় যিসকলে তেওঁলোকৰ সকলো ক্ষমতা এজন প্রতিনিধিৰ ওচৰলৈ হস্তান্তৰ কৰিবলৈ ইচ্ছুক, যি এতিয়াৰ পৰা প্রতিজন ব্যক্তিৰ ঠাইত ইচ্ছা আৰু কাম সম্পূর্ণ কৰাৰ বাবে অনুমোদিত। হবছে সামূহিক ইচ্ছা বা সাধাৰণ ইচ্ছাৰ ক্ষেত্রত চিন্তা নকৰে।

হবছে সার্বভৌম শাসকজনক একচত্রী ক্ষমতা প্রদান কৰাৰ উপৰিও, নিশ্চিত কৰে যে শাসকজনে এই ক্ষমতাক নিজৰ স্বার্থৰ উদ্দেশ্যত ব্যৱহাৰ কৰিব নোৱাৰে।

তেওঁ সার্বভৌম শাসকজনক আইন বা নিয়ম প্রণয়ন কৰাৰ ক্ষমতা দিয়ে যাৰ দ্বাৰা ন্যায় আৰু অন্যায়ৰ পৰিভাষা নির্ণয় কৰিব পৰা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ হবছৰ জন্ম কেতিয়া হৈছিল?

প্রশ্ন নং ২ ঃ হবছৰ ১৬৫১ চনৰ "লেভিয়াথান" নামৰ কিতাপখনে সামাজিক চুক্তিখন প্রতিষ্ঠা কৰিছিল তত্ব। (সঁচা/মিছা)

প্রশ্ন নং ৩ ঃ হবছে কোনটো বছৰত "ডি হ'মিন" নামৰ কিতাপখনৰ ৰচনা কৰিছিল .....। (খালী ঠাই পূৰ কৰক)

প্রশ্ন নং ৪ ঃ হবছৰ চাৰিখন গুৰুত্বপূর্ণ গ্রন্থৰ নাম লিখক। (৫০ টা শব্দৰ ভিতৰত)

৫.৪ জন ল'ক

জন লক (২৯ আগষ্ট ১৬৩২-২৮ অক্টোৰৰ ১৭০৪) ইংৰাজ দার্শনিক আৰু চিকিৎসক আছিল। সাধাৰণতে "উদাৰতাবাদৰ পিতৃ" হিচাপে পৰিচিত লকক ব্যাপকভাৱে আলোক-প্রাপ্ত যুগৰ (Enlightenment) চিন্তাবিদসকলেৰ ভিতৰত অন্যতম প্রভাৱশালী চিন্তাবিদ হিচাপে গণ্য কৰা হয়।

ল'কে জীৱনৰ বিভিন্ন ক্ষেত্রৰ ওপৰত আলোচনা কৰি প্রায় ৩৫ খন কিতাপ লিখিছিল। তেওঁৰ দর্শন আৰু ৰাজনৈতিক চিন্তাধাৰাৰ অন্তর্দৃষ্টি প্রদান কৰা মুখ্য গ্রন্থসমূহৰ ভিতৰত আছে "এছে কনচার্নিং হিউমেন আণ্ডাৰষ্টেণ্ডিং" (১৬৯০), "হিচ লেটর্ছ অন টলাৰেশ্যন" (১৬৮৯,

১৬৯০, ১৬৯২ আৰু ১৭০৬), "টু ট্রিটিজ অৱ গভর্ণমেণ্ট" (১৬৯০) আৰু "ফাণ্ডামেণ্টেল কনষ্টিটিউচন কনচার্নিং কেৰোলিনা" (১৭০৬)।

লকৰ মানৱ প্রকৃতি ওপৰত মতামত

লকৰ মানৱ প্রকৃতি সম্পর্কে তেওঁৰ মতামত প্রণালীবদ্ধভাৱে প্রকাশ কৰা নাই যদিও, আমি 'এছেছ কনচার্নিং হিউমেন আণ্ডাৰষ্টেণ্ডিং' আৰু 'দ্য ছেকেণ্ড ট্রিটিজ'ৰ ধাৰণাসমূহৰ পৰা তেওঁৰ দৃষ্টিভংগী বুজিব পাৰো। লকৰ মতে মানুহ মূলতঃ শালীন আৰু এক প্রাকৃতিক সামাজিক প্রবৃত্তিৰে সমৃদ্ধ। তেওঁলোক মূলতঃ শান্তিপ্রিয়। তেওঁলোক সদায় স্বার্থপৰ নহয়। কেতিয়াবা তেওঁলোক পৰোপকাৰীও হয়। লকে বিবেচনা কৰে যে নৈতিক অর্থত সকলো মানুহ সমান। তেওঁ দৃঢ়তাৰে কয় যে প্রতিজন ব্যক্তিয়ে কিছুমান প্রাকৃতিক অধিকাৰ উপভোগ কৰে যেনে জীৱন, স্বাধীনতা আৰু সম্পত্তিৰ অধিকাৰ। কোনো পদ, ধন-সম্পত্তি আদিৰ বাবে নহয় বৰঞ্চ মানুহ হোৱাৰ বাবেই এজন ব্যক্তিয়ে এই অধিকাৰসমূহ ভোগ কৰে।

প্রকৃতিৰ অৱস্থাৰ ওপৰত লকৰ মতামত

লকে প্রকৃতিৰ অৱস্থাক প্রত্যেকৰে সকলোৰে বিৰুদ্ধে যুদ্ধৰ অৱস্থা বুলি গণ্য নকৰে। আনহাতে তেওঁ ইয়াক "শান্তি, সদিচ্ছা, পাৰস্পৰিক সহায় আৰু সংৰক্ষণ"ৰ যুগ হিচাপে বিবেচনা কৰে। তেওঁ প্রকৃতিৰ অৱস্থাটোক প্রাক-সামাজিক অৱস্থাৰ পৰিৱর্তে প্রাক-ৰাজনৈতিক অৱস্থা হিচাপে বিবেচনা কৰে। লকৰ মতে প্রকৃতিৰ অৱস্থা চিৰন্তন যুদ্ধৰ সময়ৰ নাছিল, কিন্তু শান্তিৰ যুগৰ আছিল য'ত যুক্তিয়ে প্রাধান্য পাইছিল। এই দিশটো প্রকৃতিৰ নিয়মত প্রকাশ পাইছিল, যি সমতাৰ নীতিৰ ওপৰত আধাৰিত।

প্রকৃতিৰ আইনৰ ওপৰত লকৰ মতামত

লকৰ চিন্তাধাৰাত প্রকৃতিৰ নিয়ম বা আইনৰ ধাৰণাটোৱে এক গুৰুত্বপূর্ণ স্থান দখল কৰে। লকে বিশ্বাস কৰিছিল যে ই কেৱল প্রকৃতিৰ অৱস্থাৰ ক্ষেত্রতেই নহয়, নাগৰিক সমাজতো মানুহৰ জীৱন পৰিচালনা কৰি আহিছে।

সামাজিক চুক্তিৰ ওপৰত লকৰ মতামত

হ'বছৰ সামাজিক চুক্তিৰ বিপৰীতে যিয়ে সার্বভৌম শাসকক সম্পূর্ণ আৰু সীমাহীন ক্ষমতা প্রদান কৰিছিল, লকৰ চুক্তিয়ে সম্প্রদায়ক কেৱল সীমিত ক্ষমতা প্রদান কৰে। লকৰ চুক্তিত সার্বভৌম শাসকজন হৈছে সামাজিক চুক্তিখনৰ এটা পক্ষ আৰু আন সদস্যসকলৰ দৰে প্রাকৃতিক আইনৰ ব্যাখ্যাৰ দ্বাৰা আৱদ্ধ।

লকৰ সামাজিক চুক্তিৰ আন এটা উল্লেখযোগ্য বৈশিষ্ট্য হ'ল ই সর্বসন্মতিক্রমে কৰা হৈছিল। প্রকৃতিৰ অৱস্থাত মানুহ যিহেতু স্বাধীন, গতিকে কাকো তেওঁৰ ইচ্ছাৰ বিৰুদ্ধে ৰাজনীতিত যোগদান কৰিবলৈ বাধ্য কৰিব নোৱাৰে। অর্থাৎ তেওঁৰ সামাজিক চুক্তিখন ৰাইজৰ সন্মতিৰ ওপৰত ভিত্তি কৰা হৈছিল।

লকৰ চুক্তিও এই অর্থত অপৰিৱর্তনীয় যে জনসাধাৰণে এবাৰ চুক্তিত প্রৱেশ কৰা পিছত তেওঁলোকে পুনৰ প্রকৃতিৰ অৱস্থালৈ ঘূৰি আহিব নোৱাৰে যেতিয়ালৈকে তেওঁলোকক

যি চৰকাৰৰ অধীনত ৰক্ষা হৈছে সেই চৰকাৰখন ভংগ কৰা নহয়।

ব্যক্তিগতবাদী হিচাপে লক

ব্রিটিছ ৰাজনৈতিক দার্শনিক অধ্যাপক ভনৰ মতে, "লকৰ ব্যৱস্থাৰ সকলো বস্তু ব্যক্তিৰ চাৰিওফালে ঘূৰি ফুৰে; ব্যক্তিৰ সার্বভৌমত্ব নিশ্চিত কৰিবলৈ সকলো বস্তু নিষ্পত্তি কৰা হয়।" লকক এগৰাকী সম্পূর্ণ ব্যক্তিবাদী হিচাপে গণ্য কৰা হয়।

লকৰ ব্যক্তিবাদী দর্শনৰ মূল বৈশিষ্ট্যবোৰ তলত সংক্ষেপে উল্লেখ কৰিব পাৰি ঃ

প্রথমতে, তেওঁ তেওঁৰ সামাজিক চুক্তিত প্রাকৃতিৰ অধিকাৰক এক মৌলিক স্থান প্রদান কৰে আৰু দৃঢ়তাৰে কয় যে জীৱন, স্বাধীনতা আৰু সম্পত্তিৰ প্রাকৃতিক অধিকাৰ ব্যক্তিগৰাকীৰ নিজৰ ব্যক্তিত্বৰ কাৰণে প্রদান কৰা হয়। অন্য অর্থত ক'বলৈ হ'লে তেওঁৰ মতে প্রাকৃতিক অধিকাৰৰ স্থান সদায় ৰাষ্ট্রৰ ওপৰত।

দ্বিতীয়তে, লকে কোনো বৈষম্য অবিহনে মানুহৰ বাবে অধিকাৰ আৰু স্বাধীনতা বিচাৰিছিল। প্রাকৃতিক অধিকাৰ আৰু ব্যক্তিৰ সুৰক্ষাৰ বাবে ৰাষ্ট্রখন গঠন কৰা হৈছিল।

তৃতীয়তে, লকে ৰাষ্ট্রখনক সম্পূর্ণৰূপে ঋণাত্মক কার্য্যসমূহ নির্ধাৰণ কৰিছিল। ই কেৱল তেতিয়াহে হস্তক্ষেপ কৰে যেতিয়া ব্যক্তিৰ অধিকাৰ বিপদাপন্ন হয়। অন্যথা ব্যক্তিজনক নিজৰ নৈতিক, বস্তুগত আৰু বৌদ্ধিক সাধনা কৰিবলৈ সম্পূর্ণ মুক্ত কৰি দিয়া হয়।

চতুর্থতে, সম্পত্তিৰ ওপৰত লকৰ দৃষ্টিভংগীয়ে তেওঁক এজন ব্যক্তিত্ববাদী হিচাপে নিশ্চিত কৰে। তেওঁ কয় যে যি সম্পত্তি প্রথমতে সাধাৰণতে মালিকানাধীন আছিল, সেই সম্পত্তি এজন ব্যক্তিৰ ব্যক্তিগত সম্পত্তি হৈ পৰে যেতিয়া তেওঁ ইয়াৰ সৈতে তেওঁৰ শ্রম ব্যৱহাৰ কৰে বা সাধাৰণ উদ্দেশ্যত তেওঁৰ ব্যক্তিত্বৰ কিছু অংশ প্রদান কৰে। এইটোৱেই সম্ভৱতঃ ব্যক্তি এগৰাকীৰ মূল্যৰ ওপৰত গুৰুত্ব দিয়াৰ আটাইতকৈ ভাল উপায়।

পঞ্চমত, লকে বিপ্লৱৰ ওপৰত তেওঁৰ দৃষ্টিভংগীৰ ক্ষেত্রত তেওঁৰ শক্তিশালী ব্যক্তিত্ববাদী পক্ষপাতিত্ব প্রদর্শন কৰে। যদি ৰাষ্ট্রই নিজৰ দায়িত্ব পালন কৰাত ব্যর্থ হয় তেন্তে তেওঁ ব্যক্তিজনক ৰাষ্ট্রৰ বিৰুদ্ধে থিয় দিবলৈ আৰু বিদ্রোহ কৰিবলৈ ক্ষমতা প্রদান কৰে।

ষষ্ঠতে, আনন্দ আৰু বেদনা তত্বৰ (theory of pleasure and pain) ওপৰত তেওঁৰ বিশ্বাসে তেওঁৰ ব্যক্তিত্ববাদৰ ফালে আঙুলিয়াই দিয়ে।

সপ্তমতে লকে ক্ষমতা বিভাজনৰ পোষকতাও কৰে, কাৰণ তেওঁ নিশ্চিত আছিল যে ব্যক্তিগত স্বাধীনতা ৰক্ষাৰ বাবে ই এক অপৰিহার্য পূর্বচর্ত।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ জন লক এজন ইংৰাজ দার্শনিক আছিল। (সঁচা/মিছা)

প্রশ্ন নং ৬ ঃ লকৰ জন্ম কেতিয়া হৈছিল?

প্ৰশ্ন নং ৭ ঃ লকে বিভিন্ন বিষয়ৰ সৈতে জড়িত ..... কিতাপ লিখিছিল। (খালী ঠাই পূৰ কৰক)

প্ৰশ্ন নং ৮ ঃ 'উদাৰতাবাদৰ পিতৃ' বুলি কাক জনা যায় আৰু কিয়? (৫০ টা শব্দৰ ভিতৰত)

৫.৫ জ্যাঁ জাক্ ৰুছ'

১৭১২ চনত জেনেভাত জ্যাঁ জাক্ ৰুছ'ৰ জন্ম হৈছিল। তেওঁ অষ্টাদশ শতিকাৰ এজন দার্শনিক আৰু লেখক আছিল। তেওঁৰ ৰাজনৈতিক দর্শনে ফ্রান্স আৰু সমগ্ৰ ইউৰোপত আলোক-প্ৰাপ্ত যুগৰ লগতে ফৰাচী বিপ্লৱৰ দিশ আৰু আধুনিক ৰাজনৈতিক তথা শৈক্ষিক চিন্তাধাৰাৰ সামগ্ৰিক বিকাশক প্ৰভাৱিত কৰিছিল।

ৰুছ'ৰ কিছুমান গুৰুত্বপূৰ্ণ গ্ৰন্থ হ'ল — দ্য চ'চিয়েল কনট্ৰেক্ট (The Social Contract), প্ৰিন্সিপল্ছ অফ প'লিটিকেল ৰাইট্ছ (Principles of Political Rights), "লা ন'ভেল হেল'ইজ" (la Nouvelle Heloise), কন্ষ্টিটিউচনেল প্ৰজেক্ট ফৰ কৰ্চিকা (Constitutional Project for Corsica), দ্য কনফেছ্ন্ছ (The Confessions), আৰু কন্চিডাৰেচন্ছ অন দ্য গভাৰ্ণমেণ্ট অফ প'লেণ্ড (Considerations on the Government of Poland)।

সাধাৰণ ইচ্ছাৰ ওপৰত ৰুছো মতামত ঃ

ৰুছোৰ দ্বাৰা সমর্থন কৰা সাধাৰণ ইচ্ছাৰ তত্বক (theory of General Will) ৰুছোৰ আটাইতকৈ বিপ্লৱী মতবাদ হিচাপে বর্ণনা কৰা হৈছে। অধ্যাপক জোনছৰ মতে "সাধাৰণ ইচ্ছাৰ ধাৰণা কেৱল ৰুছোৰ তত্বৰ কেন্দ্ৰীয় ধাৰণা নহয়, ই ৰাজনৈতিক তত্ত্বলৈ তেওঁ আগবঢ়োৱা আটাইতকৈ মৌলিক, আটাইতকৈ আকর্ষণীয় আৰু ঐতিহাসিকভাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ অৱদান।" ৰুছ'ৰ সাধাৰণ ইচ্ছাৰ ধাৰণাটো বুজিবলৈ হ'লে আমি প্ৰকৃত ইচ্ছা (Actual Will) আৰু বাস্তৱ ইচ্ছা (Real Will) শব্দটোৰ মাজৰ পার্থক্য বুজিব লাগিব। ৰুছোৰ মতে, প্ৰকৃত ইচ্ছা আছিল সেই ইচ্ছা যি স্বার্থপৰ, অযুক্তিকৰ আৰু সমাজৰ কল্যাণৰ বিষয়ে চিন্তা নকৰাকৈ কেৱল ব্যক্তিৰ ভালৰ বিষয়ে চিন্তা কৰা। আনহাতে, প্ৰকৃত ইচ্ছাশক্তি উচ্চ, সম্ভ্রান্ত আৰু সর্বোচ্চ, যিয়ে ব্যক্তিজনক ব্যক্তিৰ লগতে সমাজৰ কল্যাণৰ বিষয়ে চিন্তা কৰিবলৈ প্ৰেৰিত কৰিছিল। যিহেতু প্ৰকৃত ইচ্ছাটো যুক্তিৰ ওপৰত আধাৰিত আছিল ই ক্ষণস্থায়ী নহয় কিন্তু স্থায়ী আছিল। ৰুছোৰ সাধাৰণ ইচ্ছা হৈছে ব্যক্তিৰ যুক্তি আৰু দূৰদৃষ্টিৰ ওপৰত আধাৰিত ব্যক্তিৰ সকলো 'প্ৰকৃত ইচ্ছা'ৰ সমষ্টি। ৰুছোৱে তেওঁৰ সাধাৰণ ইচ্ছাক সকলোৰে ইচ্ছাৰ পৰা পৃথক কৰিছিল। তেওঁ কয় যে সকলোৰে ইচ্ছা কেৱল এক সংখ্যাগৰিষ্ঠ ইচ্ছা আছিল যিয়ে কেৱল কেইবাজনৰ কল্যাণক বিবেচনা কৰিছিল, আনহাতে সাধাৰণ ইচ্ছাটোৱে সামগ্ৰিকভাৱে সম্প্রদায়ৰ ভালৰ ক্ষেত্রত চিন্তা কৰিছিল। এই দুটা ইচ্ছা বা উইলৰ মাজৰ পার্থক্য ৰুছোৰ তলত উল্লেখ কৰা শব্দসমূহত ভালদৰে ব্যাখ্যা কৰিব পাৰি ঃ "সাধাৰণ ইচ্ছা আৰু সকলোৰে ইচ্ছাৰ মাজত প্ৰায়ে যথেষ্ট পার্থক্য থাকে, পূর্বৰটোৱে সাধাৰণ স্বার্থৰ ওপৰত লক্ষ্য ৰাখে, পিছৰটোৱে ব্যক্তিগত স্বার্থৰ ওপৰত লক্ষ্য ৰাখে

আৰু ই কেৱল নির্দিষ্ট ইচ্ছাসমূহৰ সমষ্টিহে। কিন্তু যদি আমি এই ইচ্ছাবোৰৰ পৰা পৰস্পৰৰ সৈতে সংঘাত হোৱা বিভিন্ন স্বার্থবোৰ আঁতৰ কৰোঁ, তেন্তে যি থাকে সেয়া হ'ল সাধাৰণ ইচ্ছা বা General Will"।

সাধাৰণ ইচ্ছাৰ বৈশিষ্ট্য ঃ

ৰুছোৰ সাধাৰণ ইচ্ছাৰ বৈশিষ্ট্যসমূহ ঃ

প্রথমতে, ই অবিভাজ্য। এজন ব্যক্তিৰ ব্যক্তিত্বৰ দৰে, সাধাৰণ ইচ্ছাক ভাগ কৰিব নোৱাৰি। এবাৰ ইয়াক বিভক্ত কৰাৰ পিছত ই 'সাধাৰণ উইল' হৈ থাকিব নোৱাৰিব।

দ্বিতীয়তে, মানৱ ইচ্ছাৰ দৰে, সাধাৰণ ইচ্ছাক আন কোনেও প্রতিনিধিত্ব কৰিব নোৱাৰে।

তৃতীয়তে, সাধাৰণ ইচ্ছা সর্বোচ্চ আৰু কোনেও ইয়াক অমান্য কৰিব নোৱাৰে। ৰুছোৰ মতে "যিজনে সাধাৰণ ইচ্ছা পালন কৰিবলৈ অস্বীকাৰ কৰে তেওঁক সমগ্র শৰীৰৰ দ্বাৰা মান্তি কৰিবলৈ বাধ্য কৰা হ'ব .... তেওঁক মুক্ত হ'বলৈ বাধ্য কৰা হ'ব।"

চতুর্থতে, সাধাৰণ ইচ্ছা হৈছে একক আৰু ইয়াক বিচ্ছিন্ন কৰিব নোৱাৰি।

পঞ্চমতে, সাধাৰণতে ইচ্ছা প্রতিনিধিত্বহীন আছিল। সেয়েহে, ৰুছোৱে সাধাৰণ ইচ্ছাৰ জৰিয়তে প্রত্যক্ষ গণতন্ত্রত বিশ্বাস কৰিছিল।

ষষ্ঠতে, সাধাৰণ ইচ্ছা সদায় শুদ্ধ। ই মূলতঃ প্রজ্ঞা আৰু অভিজ্ঞতাৰ ওপৰত আধাৰিত আৰু সময়ৰ ধাৰাৰ দ্বাৰা প্রভাৰিত কৰিব নোৱাৰি।

ৰুছোৰ সাধাৰণ ইচ্ছাৰ তত্ত্বৰ সমালোচনা ঃ

ৰুছোৰ সাধাৰণ ইচ্ছা তত্ত্বক নিম্নলিখিত ভিত্তিত সমালোচনা কৰা হৈছে ঃ

প্রথমতে, সাধাৰণ ইচ্ছাৰ ধাৰণাটো যথেষ্ট অস্পষ্ট আৰু বিভ্রান্তীকৰ। আনকি ৰুছোৱেও তেওঁৰ লেখাবোৰত বিভিন্ন স্থানত 'সাধাৰণ ইচ্ছা' শব্দটো বিভিন্ন অর্থত ব্যৱহাৰ কৰে।

দ্বিতীয়তে, ৰুছোৱে জেনেৰেল উইলক বা সাধাৰণ ইচ্ছাক সকলোৰে ইচ্ছাৰ পৰা পৃথক বুলি কয়, কিন্তু কার্যক্ষেত্রত দুয়োৰে মাজত পার্থক্যৰ ৰেখা আঁকোৱাটো প্রায় অসম্ভৱ।

তৃতীয়তে, ৰুছোৱে ব্যক্তিৰ ইচ্ছাক দুটা ভাগত ভাগ কৰিবলৈ চেষ্টা কৰে — অত্যাৱশ্যকীয় আৰু অপ্রয়োজনীয়। অত্যাৱশ্যকীয় অংশটো যুক্তিসঙ্গত আৰু অপ্রয়োজনীয় অংশটো স্বার্থপৰ। ইয়াক দুটা ভাগত ভাগ কৰাটো অসম্ভৱ।

চতুর্থতে, ৰুছোৱে দৃঢ়তাৰে কয় যে জেনেৰেল উইল ন্যায়ৰ সৈতে মিলি যায়। এইদৰে তেওঁ বিষয়বোৰ অধিক জটিল কৰি তোলে।

পঞ্চমত, ৰুছোৱে জেনেৰেল উইলক সম্পূর্ণ ক্ষমতা প্রদান কৰি একনায়কত্বৰ উত্থানৰ পথ প্রশস্ত কৰে। ই ক্ষমতাত থকা ব্যক্তি বা গোটৰ বাবে নিজৰ স্বার্থৰ প্রচাৰৰ বাবে পর্যাপ্ত সুযোগ এৰি দিয়ে।

ষষ্ঠতে, ৰুছোৰ সাধাৰণ ইচ্ছাৰ তত্ত্বই বুজাই যে ৰাষ্ট্র হৈছে ব্যক্তিসকলৰ পৰা পৃথক এক অতি-সত্তা। দৰাচলতে, ব্যক্তি আৰু ৰাষ্ট্রৰ স্বার্থ একে আৰু দুয়োকে পৃথক কৰাটো সম্ভৱ নহয়।

সপ্তমতে, ৰুছোৱে কয় যে ব্যক্তিগৰাকীৰ বাবে স্বাধীনতা কেৱল তেতিয়াহে সম্ভৱ যেতিয়া তেওঁ সাধাৰণ ইচ্ছা পালন কৰে।

এই তত্ত্বটোৱে মানৱ প্ৰকৃতিৰ পৰা অত্যাধিক আশা কৰে। এইটো সকলোৱে জানে যে সকলো মানুহ মূলতঃ স্বাৰ্থপৰ। তেওঁলোকৰ পৰা সামূহিক কল্যাণৰ বাবে তেওঁলোকে নিজৰ স্বাৰ্থ ত্যাগ কৰিব বুলি আশা কৰাটো অতি বেছি হ'ব।

অৱশেষত, তেওঁৰ সাধাৰণ ইচ্ছাৰ তত্ত্বক তেওঁৰ সামাজিক চুক্তিৰ তত্ত্বৰ বিপৰীত বুলি গণ্য কৰা হৈছে। এইটো সঁচা যে ৰুছোৰ জেনেৱেল উইলৰ তত্ত্বত অসংখ্য পাৰ্থক্য আৰু ত্ৰুটি আছে, কিন্তু তথাপিও ইয়াক ৰাজনৈতিক তত্ত্বলৈ ৰুছোৰ আটাইতকৈ গভীৰ অৱদান হিচাপে গণ্য কৰা হয়।

অধ্যাপক মেক্সিৰ মতে, সাধাৰণ ইচ্ছাৰ ধাৰণাটো ৰুছোৰ ব্যৱস্থাৰ মূল বিষয় আৰু সম্ভৱতঃ ৰাজনৈতিক চিন্তাধাৰাত তেওঁৰ আটাইতকৈ বিশিষ্ট অৱদান। তত্ত্বটোৰ মূল্য এই কথাটোত নিহিত যে ই ৰাষ্ট্ৰখন সুচাৰুৰূপে কাম কৰাৰ বাবে মানুহৰ সহযোগিতাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। এই নীতিসমূহৰ প্ৰচাৰ গণতন্ত্ৰৰ বিকাশৰ বাবে সহায়ক বুলি প্ৰমাণিত হৈছিল। ই এই নীতিৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছিল যে ব্যক্তিগত স্বাৰ্থতকৈ সামাজিক কল্যাণক অগ্ৰাধিকাৰ দিব লাগিব আৰু এনেদৰে ৰাষ্ট্ৰৰ আদৰ্শবাদী তত্ত্বৰ বিকাশত অৰিহণা যোগাইছিল।

৫.৬ ব্যক্তিবাদ আৰু উদাৰতাবাদ

থমাছ হবছক সাধাৰণতে আধুনিকব্যক্তিবাদী দৰ্শনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ পূৰ্বসূৰী হিচাপে চিনাক্ত কৰা হয়। হবছে তেওঁৰ লেভিয়াথান (১৬৫১) গ্ৰন্থত সকলো ব্যক্তিকে স্বাভাৱিক স্বাধীনতা (লগতে সমতা) আৰোপ কৰিছে, যাৰ ভিত্তিত তেওঁলোকে নিজৰ সতীৰ্থ জীৱৰ পৰা নিজকে ৰক্ষা কৰিবলৈ প্ৰয়োজনীয় যিকোনো কাৰ্য্য গ্ৰহণ কৰাৰ অনুজ্ঞাপত্ৰ লাভ কৰে। হবছে এইটোও বিশ্বাস কৰিছিল যে এনে প্ৰাকৃতিক স্বাধীনতাৰ ব্যৱহাৰে অবিৰত সংঘাত আৰু ভয়ৰ সৃষ্টি কৰিব যেতিয়ালৈকে শান্তি বজাই ৰাখিবলৈ কোনো এজন সাৰ্বভৌম শাসকৰ উপস্থিতি নাথাকে। প্ৰাকৃতিক স্বাধীনতাৰ বিনিময়ত চৰকাৰী ব্যৱস্থাক স্বীকাৰ কৰাৰ বাবে মানুহে প্ৰাকৃতিকভাৱে লাভ কৰা থকা সকলো স্বাধীনতা ত্যাগ কৰা আৰু সাৰ্বভৌম শাসকজনে জাপি দিয়া যিকোনো নিৰ্দেশনাৰ অধীনষ্ঠ হোৱাৰ প্ৰয়োজন। তথাপিও হবছৰ একচিত্ৰ সাৰ্বভৌমত্বৰ চৰ্ত অনুসৰি শাসকে স্পষ্টভাৱে আইন প্ৰণয়ন নকৰা যিকোনো বিষয়ৰ ওপৰত ব্যক্তিয়ে নিজৰ বাবে পথ বাছি ল'বলৈ স্বাধীনতা থকা বুলি গণ্য কৰা হয়।

লকে "চেকেণ্ড ট্ৰিটিজ অফ গভাৰ্ণমেণ্ট" (Second Treatise of Government) (1689) ত তেওঁৰ ৰাজনৈতিক তত্ত্ব আৰম্ভ কৰিছিল সকলো ব্যক্তিক ঈশ্বৰী ভাৱে প্ৰদান কৰা স্বাধীনতাৰ স্বীকাৰ্যৰ সৈতে, যাক তেওঁ নিজৰ জীৱন ৰক্ষা কৰাৰ সম্পূৰ্ণ অধিকাৰ ক্ষেত্ৰত আৰু জীয়াই থকাৰ বাবে প্ৰয়োজনীয় সামগ্ৰীৰ ওপৰত দাবী কৰাৰ অধিকাৰ হিচাপে বুজাইছে। ছাৰ

ৰবার্ট ফিলমাৰৰ পিতৃতান্ত্রিক মতবাদৰ বিৰুদ্ধে পুনৰ তর্ক কৰি লকে জোৰ দি কয় যে পিতৃত্ব বা বংশই এজন ব্যক্তিৰ আনজনৰ ওচৰত আত্মসমর্পনৰ ন্যায্যতা প্রদান নকৰে। ইয়াৰ পৰিৱর্তে, প্রতিজন ব্যক্তি তেওঁৰ শাৰীৰিক আৰু মানসিক প্রতিভা, সামর্থ্য আৰু শক্তিৰ স্বত্বাধিকাৰী।

ৰুছোৰ লক্ষ্য আছিল নৈতিক জীৱনৰ প্রচাৰ কৰা। তেওঁৰ মতে ব্যক্তিৰ স্বাধীনতা ব্যক্তিৰ পৰাই আৰম্ভ হয়। ৰাষ্ট্রখন ব্যক্তিৰ দ্বাৰা সৃষ্টি কৰা হয় আৰু তেওঁলোকৰ বাবে বিদ্যামান। অধ্যাপক ৰানে কয় যে ৰুছোৰ ধাৰণাসমূহে পোনপটীয়াকৈ সমষ্টিবাদলৈ আঙুলিয়াই আৰু ৰুছো কেৱল ব্যক্তিবাদৰেই নহয় কিন্তু ব্যক্তিত্বৰ বাবেও শত্রু। তেওঁ স্বীকাৰ কৰে যে তেওঁৰ 'ডিসকার্চছ' ত ৰুছোৱে নিজকে এজন ব্যক্তিবাদী হিচাপে প্রদর্শন কৰে কিন্তু তেওঁৰ পৰৱর্তী গ্রন্থ 'ছ'চিয়েল কণ্ট্রেক্ট' তেওঁক এজন সম্পূর্ণ সমষ্টিবাদী হিচাপে দেখা যায়।

তেওঁ ব্যক্তিৰ ওপৰত ৰাষ্ট্রৰ আধিপত্যত বিশ্বাস কৰে। হবছে এজন ব্যক্তিক তেওঁৰ জীৱন বিপদাপন্ন হ'লে ৰাষ্ট্রৰ অবাধ্য হ'বলৈ ক্ষমতা প্রদান কৰিছিল। আনহাতে, ৰুছোৱে কোনো পৰিস্থিতিতেই ব্যক্তিক সাধাৰণ ইচ্ছাৰ আদেশৰ বিপৰীতে কাম কৰিবলৈ অনুমতি নিদিয়ে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৯ ঃ জ্যাঁ জাক্ ৰুছ'ৰ জন্ম হৈছিল ১৭৯২ চনত জেনেভাত। (সঁচা/মিছা)

প্রশ্ন নং ১০ ঃ ৰুছ'ৰ যিকোনো দুখন গ্রন্থ উল্লেখ কৰক।

প্রশ্ন নং ১১ ঃ জ্যাঁ জাক্ ৰুছ'ৰ জন্ম হৈছিল জেনেভাত .....চনত হৈছিল। (খালী ঠাই পূৰ কৰক)

প্রশ্ন নং ১২ ঃ সাধাৰণ ইচ্ছা কি? (৫০ টা শব্দৰ ভিতৰত)



৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- থমাছ হ'বছ (ইংৰাজীঃ Thomas Hobbes; 1581-2679) এজন ইংৰাজ দার্শনিক
- হ'বছৰ 1651 চনত গ্রন্থ "লেভিয়াথান" — এ সামাজিক চুক্তি তত্ত্ব প্রতিষ্ঠা কৰিছিল, যাক পশ্চিমীয়া ৰাজনৈতিক দর্শনৰ ভেটি হিচাপে গণ্য কৰা হয়।
- হবছে ইতিহাস, জ্যামিতি, ধর্মশাস্ত্র, গেছৰ পদার্থবিজ্ঞান, নৈতিকতা আৰু সাধাৰণ দর্শনকে ধৰি অন্যান্য বিভিন্ন ক্ষেত্রত অৰিহণা যোগাইছিল।
- হ'বছৰ মূল ৰচনাসমূহৰ ভিতৰত আছে "ডি চিভ" (1642) "লেভিয়াথান" (1651) "ডি কর্পোৰ" (1655) আৰু "ডি হোমাইন"। (1658).
- জন লক (29 আগষ্ট 1632- 28 অক্টোৰৰ 1704) এজন ইংৰাজ দার্শনিক আৰু চিকিৎসক আছিল, যাক আলোক-প্রাপ্ত যুগৰ চিন্তাবিদসকলৰ ভিতৰত অন্যতম প্রভাৱশালী হিচাপে

গণ্য কৰা হয় আৰু তেওঁ সাধাৰণতে "উদাৰতাবাদৰ পিতৃ" হিচাপে জনাজাত।

- লকে জীৱনৰ বিভিন্ন ক্ষেত্ৰৰ ওপৰত আলোচনা কৰি প্ৰায় ৩৫ খন কিতাপ লিখিছিল।
- লকৰ চিন্তাধাৰাত প্ৰকৃতিৰ নিয়মৰ ধাৰণাটোৱে এক গুৰুত্বপূৰ্ণ স্থান দখল কৰিছে। লকে বিশ্বাস কৰিছিল যে ই কেৱল প্ৰকৃতিৰ অৱস্থাৰ ক্ষেত্ৰতে নহয়, নাগৰিক সমাজতো মানুহৰ জীৱন পৰিচালনা কৰি আহিছে।
- হ'বছৰ সামাজিক চুক্তিৰ বিপৰীতে, যিয়ে সাৰ্বভৌম শাসকক সম্পূৰ্ণ আৰু সীমাহীন ক্ষমতা প্ৰদান কৰিছিল, লকৰ চুক্তিয়ে সম্প্ৰদায়ক কেৱল সীমিত ক্ষমতা প্ৰদান কৰে।
- লকৰ চুক্তিত সাৰ্বভৌম শাসক হৈছে চুক্তিৰ এটা পক্ষ আৰু আন সদস্যসকলৰ দৰে প্ৰাকৃতিক আইনৰ ব্যাখ্যাৰ দ্বাৰা আবদ্ধ।
- লকৰ চুক্তিও অপৰিৱৰ্তনীয়।
- ১৭১২ চনত জেনেভাত জ্যাঁ জাক্ ৰুছ'ৰ জন্ম হৈছিল। তেওঁ অষ্টাদশ শতিকাৰ এজন দাৰ্শনিক, লেখক আছিল।
- ৰুছোৰ কিছুমান গুৰুত্বপূৰ্ণ কাম হ'ল — দ্য চ'চিয়েল কনট্ৰেক্ট (The Social Contract), প্ৰিন্সিপল্ছ অফ প'লিটিকেল ৰাইট্ছ (Principles of Political Rights), "লা ন'ভেল হেল'ইজ" (la Nouvelle Heloise), কন্ষ্টিটিউচনেল প্ৰজেক্ট ফৰ কৰ্চিকা (Constitutional Project for Corsica), দ্য কনফেছন্ছ (The Confessions), আৰু কন্চিডাৰেচন্ছ অন দ্য গভাৰ্ণমেণ্ট অফ প'লেণ্ড (Considerations on the Government of Poland)।
- ৰুছোৰ দ্বাৰা সমৰ্থন কৰা জেনেৱেল উইলৰ তত্ত্বক ৰুছোৰ আটাইতকৈ বিপ্লৱী মতবাদ হিচাপে বৰ্ণনা কৰা হৈছে।
- সাধাৰণ ইচ্ছাক আন কোনেও প্ৰতিনিধিত্ব কৰিব নোৱাৰে।
- সাধাৰণ ইচ্ছা সৰ্বোচ্চ আৰু কোনোও ইয়াক অমান্য কৰিব নোৱাৰে।

৫.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ১৫৮১

২ নং প্ৰশ্নৰ উত্তৰ ঃ সঁচা।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ডিহোমিনে (১৬৫৮)।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ডি চিভ (১৬৪২), লেভিয়াথান (১৬৫১) ডি কৰ্পৰ (১৬৫৫), আৰু ডি হোমিন (১৬৫৮)।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ সঁচা।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ২৯ আগষ্ট ১৬৩২।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ ৩৫ খন কিতাপ।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ মিছা

১০ নং প্ৰশ্নৰ উত্তৰ ঃ চৰকাৰৰ ওপৰত স্বীকাৰোক্তি, আৰু বিবেচনা।

১১ নং প্ৰশ্নৰ উত্তৰ ঃ জ্যাঁ জাক্ ৰুছ'ৰ জন্ম হৈছিল জেনেভাত ১৭১২ চনত।



৫.১০ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ হবছ আৰু লকৰ জন্ম ক্ৰমে কেতিয়া হৈছিল ?

প্ৰশ্ন ২ ঃ ৰুছ'ৰ এখন গুৰুত্বপূৰ্ণ গ্ৰন্থ উল্লেখ কৰক।

প্ৰশ্ন ৩ ঃ লকৰ সামাজিক চুক্তি তত্ত্বৰ ওপৰত এটা চমু টোকা লিখক।

প্ৰশ্ন ৪ ঃ মানৱ প্ৰকৃতিৰ ওপৰত হবছৰ মতামত বিশ্লেষণ কৰক।

প্ৰশ্ন ৫ ঃ ৰুছ'ৰ সাধাৰণ ইচ্ছা ধাৰণাটোৰ মূল্যায়ন কৰক।

প্ৰশ্ন ৬ ঃ উদাৰতাবাদ আৰু ব্যক্তিবাদৰ ওপপৰত হবছ, লক আৰু ৰুছ'ৰ মতামত আলোচনা কৰক।

*** ***** ***

অধ্যায় ৬ ঃ উপযোগিতাবাদ- জেৰেমি বেন্থাম আৰু জন ষ্টুৱার্ট মিল

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ জেৰেমি বেন্থাম

৬.৪ বেন্থাম ঃ উপযোগিতাবাদ সম্পর্কে মতামত

৬.৫ জন ষ্টুয়াট মিল

৬.৬ জনষ্টুয়াট মিল ঃ উপযোগিতাবাদ সম্পর্কে মতামত

৬.৭ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

৬.৮ অধিক জানিবলৈ

৬.৯ অগ্রগতিৰ খতিয়ান

৬.১০ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ণ কৰি আপুনি ঃ

- উপযোগিতাবাদ সম্পর্কে জেৰমি বেন্থামৰ মতামত বিশ্লেষণ কৰিব পাৰিব
- উপযোগিতাবাদ সম্পর্কে জন ষ্টুৱার্ট মিলৰ মতামত ব্যাখ্যা কৰিব পাৰিব।

৬.২ পৰিচয়

এই অধ্যায়টোত আমি জেৰমি বেন্থাম আৰু জন ষ্টুৱার্ট মিলৰ এটা গুৰুত্বপূর্ণ তত্ত্ব উপযোগিতাবাদ সম্পর্কে আলোচনা কৰিম। সাধাৰণ ভাষাত ক'বলৈ গ'লে উপযোগিতাবাদে 'সর্বাধিক ব্যক্তিক সর্বাধিক সুখ' (Greatest Happinessnof the Greatest number) ৰ ধাৰণাটোৰ কথা সূচায়। পৰিমাণৰ বাহিৰেও সুখৰ গুণগত মানৰ প্রশ্নটোও উপযোগিতাবাদৰ দর্শনৰ সৈতে জড়িত হৈ থাকে।

৬.৩ জেৰেমি বেন্থাম

জেৰমি বেন্থামৰ জন্ম হৈছিল ১৭৪৮ চনত, লণ্ডনত। তেওঁ ইংৰাজী ৰাজনৈতিক দর্শনৰ প্রধান পথ প্রদর্শক আছিল। ইংৰাজী ভাষাত তেওঁৰ বহুতো গ্রন্থ প্রকাশিত হৈছিল। সেইসমূহ হ'ল ঃ A Fragment on Government (1776), Introduction to the Principles of Morals and Legislation (1789), Plan of Parlimentary Reform (1817), Bentham's Radical Reform Bill (1819) and the Constitutional Code (1830). তেওঁ The

Constitutional Code ৰ বাবে তিনিটা খণ্ডৰ পৰিকল্পনা কৰিছিল। অৱশ্যে তেওঁ জীৱনকালত ইয়াৰ প্ৰথম খণ্ডটোহে প্ৰকাশ কৰিবলৈ সক্ষম হৈছিল।

বেন্থামে কেতিয়াও উকিলতাৰ অনুশীলন কৰা নাছিল। তেওঁ কেৱল নিজকে এজন আইনী সংস্কাৰক হিচাপে পৰিচয় দি ভাল পাইছিল। সেয়েহে তেওঁৰ বেচিভাগ ৰচনাই বিট্ৰেইনৰ আইনী আৰু ৰাজনৈতিক পৰিৱৰ্তনৰ বিষয়ে আছিল। ১৮২০ চনত যেতিয়া তেওঁৰ বয়স ৭০ বছৰ, সেইসময়তে তেওঁ Constitutional Codeৰ দৰে এখন বৃহৎ গ্ৰন্থ লিখিবলৈ অনুপ্ৰেৰণা লাভ কৰিছিল। তেওঁৰ আশা আছিল যে, এই গ্ৰন্থখনত থকা প্ৰস্তাৱবোৰ যাতে সেইসময়ৰ উদাৰতাবাদত বিশ্বাসী স্পেইন আৰু পর্তুগালৰ নতুন চৰকাৰে গ্ৰহণ কৰে। বেছিভাগ ৰচনামূলক কাম বেন্থামে প্ৰসিদ্ধ চিন্তাবিদ জেমছ মিলৰ লগত যুটীয়াভাৱে কৰিছিল। পোন প্ৰথমে বেন্থামে তেওঁক ১৮০৮ চনত লগ পাইছিল আৰু তাৰ পিছত আজীৱন দুয়ো সহযোগী হৈ কাম কৰিছিল। তেওঁৰ লগত বেন্থামে ১৮২৪ চনত Westminster Review নামৰ এখন আলোচনী (Journal) প্ৰকাশ কৰিছিল আৰু আলোচনীখনৰ মূল বিষয়বস্তু আছিল উপযোগিতাবাদী দৰ্শন। ১৮৩২ চনত ইংলেণ্ডৰ সংসদীয় সংস্কাৰৰ বাবে আন্দোলন চলি থকাৰ সময়তে বেন্থামৰ মৃত্যু হয়।

জেৰমি বেন্থাম আছিল ইংলেণ্ডৰ বুদ্ধিজীৱি দার্শনিক গোটটোৰ আঁৰৰ মূল প্ৰেৰণা আৰু উক্ত বুদ্ধিজীৱিসকলৰ গোটটো 'চৰমবাদী দার্শনিক' বুলি জনা গৈছিল। এই গোটটোৰে বেন্থামৰ সৈতে মিলিত হৈ বহুতো সংস্কাৰমূলক কাম কৰিছিল। তেওঁলোকে বিশ্বাস কৰিছিল যে দার্শনিক জ্ঞানৰ জৰিয়তে সমাজৰ সংস্কাৰ আৰু উন্নয়ণ তথা প্ৰগতি সম্ভৱ। বেন্থামৰ মতে, এনে সংস্কাৰ আৰু প্ৰগতি সম্ভৱ আছিল কেৱল উপযোগিতা নীতিৰ ভিত্তিতেই। বেন্থামে উপযোগীতাবাদী দর্শন বিকশিত কৰাত বহুতো চিন্তাবিদৰ চিন্তাধাৰাৰ পৰা অনুপ্ৰেৰণা লৈছিল। সেইসমূহৰ ভিতৰৰত আছিল হিউম, হেলভিটিয়াছ আৰু প্ৰিষ্টলী। তেওঁ হিউম আৰু হেলভেটিয়াছৰ পৰা 'উপযোগিতা' (Utility) ধাৰণাটো আৰু প্ৰিষ্টলীৰ পৰা যি কোনো সমাজৰ গৰিষ্ঠ্যসংখ্যক সদস্যৰ ভাল আৰু সুখৰ ধৰণাটো গ্ৰহণ কৰিছল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ বেন্থামৰ জন্ম কেতিয়া হৈছিল?

প্ৰশ্ন নং ২ ঃ কেতিয়া 'Plan of Parliamentary Reforms' প্ৰকাশিত হৈছিল?

প্ৰশ্ন নং ৩ ঃ বেন্থামৰ জন্ম লণ্ডনত হৈছিল। (শুদ্ধ/অশুদ্ধ)

৬.৪ বেন্থাম ঃ উপযোগিতাবাদ সম্পর্কে মতামত

বেন্থামে উপযোগিতাৰ ধাৰণাটোক গণিতীয় প্ৰক্ৰিয়াৰ সৈতে সংযুক্ত কৰি সুখ আৰু যন্ত্ৰণাৰ মাজত তুলনা কৰি সন্তুষ্টিৰ পৰিমাণ গণনা কৰাৰ চেষ্টা কৰিছিল। প্ৰতিজন মানুহে সুখ বৃদ্ধি কৰিব বিচাৰে আৰু দুখ এৰাই চলিব বিচাৰে। The Morals and Legislation নামৰ

কিতাপখনৰ প্রথম অধ্যায়টো সেয়েহে এনেদৰে লিখিছিল যে ঃ

"Nature has plaud manmind under the governance of two sovereign masters, pain and pleasure. It is for them alone to point out what are ought to do, as well as to determine what the shall do. On the one hand the standard of right and wrong, on the other the chain of course and effects, are fastened to their throne. They govern us is all we do, in all the say, in all we think a man may pretend to abjune their ompirs : but in reality he will remain subject to it all the while. The principles of utility recognizes this subjection and assums it for the foundation of that system, স্মৃতিৰ, কল্পনাৰ, প্রত্যাশাৰ আৰু সংস্থাৰ বিষয়। এই সৰল তথা সাধাৰণ সুখ আৰু দুখ/যন্ত্রণাবোৰ মিলি গঠন হয় মৌলিক সুখ আৰু যন্ত্রণাৰ।

Eudaimonic (ইউডেমনিক) ঃ ই হৈছে সুখ লাভৰ কলা বা উপায়।

এই সুখ-দুখ বোৰেহে আমাৰ কর্মসমূহ নির্ধাৰিত কৰে। প্রত্যক্ষ বা পৰোক্ষভাৱে যি বিষয় বা চিন্তা, বস্তু বা কর্ম কল্যাণ সাধন বা মংগলৰ লগত জড়িত সেই সকলো সংবেদনশীল আৰু চিন্তাশীল ব্যক্তিয়ে 'ইউডেমনিক্স' বুলি মানি চলিছে। ইয়াক কলাশাখাৰ এক বস্তুনিষ্ঠ্য দিশ বুলি কব পাৰি আৰু বিজ্ঞান শাখাৰ এক বিষয় বুলিও কব পাৰি। ইউডেমনিক্স হৈছে এক কলা যাৰ এক উদ্দেশ্য আছে আৰু কোনোবা নহয় কোনোবা প্রকাৰে কল্যাণ সাধন কৰাই হৈছে মূল প্রচেষ্টা। ইউডেমনিক্স, যাক উপযোগিতা সর্বাধিক বৃদ্ধিৰ বিজ্ঞান বুলিও কোৱা আৰু ই হৈছে মাষ্টাৰ বিজ্ঞান। বেন্থামৰ হেতু আমি জ্ঞান আহৰণৰ বাবে যিমান প্রচেষ্টা লওঁ তাৰ মূল কৰল বা ফলাফল জ্ঞানেই হ'ব লাগে, কিন্তু এই প্রচেষ্টাৰ নিখুঁততা কিন্তু সুখ আহৰণেহে নিধাৰিত কৰিব। তেওঁ সুখকেই যি কোনো জ্ঞান বা বস্তুৰ শেষ স্থান বুলি কৈছিল জ্ঞানৰ সকলো শাখাৰ ইউডেমনিক্সৰ অংশ আৰু সেই জ্ঞানৰ কোনো মূল্য নাই যি সুখ আৰু মংগল আনিব নোৱাৰে।

যেনেদৰে বেন্থামে জ্ঞানক মংগল বা কল্যাণ সাধনৰ লগত জড়িত কৰিছে ঠিক তেনেদৰে তেওঁ মূল্যবোধক/নৈতিকতাক সুখৰ ধাৰণাৰ লগতো সংযুক্ত কৰিছে। কৰল ব্যক্তিয়ে সুখ সর্বাধিক কৰিব আৰু যন্তণা/দুখ কম কৰাৰ প্রচেষ্টা কৰি নাথাকে ইয়াৰ লগতে তেওঁলোকক সুখ বা দুখ দিয়া কাম সমূহ ভাল নে বেয়া সেইয়া মূল্যায়ণ কৰিবৰ বাবেও তেওঁলোকে বিচাৰে।

নিজৰ সুখৰ বিষয়টোক অধিক গুৰুত্ব নিদি আনৰ সুখৰ বিষয়ক গুৰুত্ব দিয়াৰ কথাহে বেন্থামে কয়। বেন্থামৰ ধাৰণাটোত ইয়ে এক নতুন দিশ আছিল যে ই উপযোগিতাক নৈতিক তত্ব বুলি পোষকতা কৰিছিল। ১৭৭৬ চনত 'A Fragment on Government' নামৰ কিতাপখন প্রস্তাৱনাত বেন্থামে লিখিছিল — 'it is the greatest happiness of the greatest number that is the measure of right and wrong.'

নৈতিকতাৰ প্রশ্নৰ উত্তৰ বেন্থামে উপৰোক্ত ধৰণে দিছে। যে মানুহে সুখৰ সন্ধান কৰোতে কেনেদৰে নৈতিক দিশটো বজাই ৰাখে। উপযোগিতাবাদক বহুতে স্বার্থপৰ তত্ব তথা শাৰীৰিক

সুখবাদ বুলি অভিযোগ উত্থাপণ কৰে। তেনে অভিযোগৰ বিৰুদ্ধে বেন্থামে কয় যে, উপযোগিতাবাদে কেৱল নিজৰ আনন্দৰ কথা নকয়। এজন ব্যক্তিয়ে যি কোনো কাম কৰিলে নিজৰ লগতে নিৰপেক্ষ ভাৱে আনৰ সেই কামৰ পৰা হ'ব পৰা প্রভাৱৰ বিষয়েও জানিব লাগিব। যদি সেই কামৰ দ্বাৰা ব্যক্তিজন নিজে আৰু আন ব্যক্তিও ইয়াৰ সুখ/আনন্দ লাভ কৰে, তেনেহ'লে সেইয়াই উপযোগিতাবাদ। এইখিনিতে এটা শাস্তিৰ উদাহৰণ লৈ বুজা যাওঁক। যদি শাস্তিৰ কিবা উপযোগিতা আছে আৰু সেই উপযোগিতাই আনন্দৰ সৃষ্টি কৰিব পাৰিছে তেনেহ'লে সি গুৰুত্বপূর্ণ কিন্তু যিজনে শাস্তি পাইছে তেওঁ নিশ্চিতভাৱে সুখী নহ'ব। কিন্তু কোনো অপৰাধীৰ শাস্তিত যদি সৰহ সংখ্যক লোক সুখী আৰু ই অপৰাধৰ সংখ্যা কম কৰে তেন্তে নিশ্চিতভাৱে ই দৰকাৰী। বেন্থামে এনে উপযোগিতাক পোষকতা কৰিছিল। বেন্থামে স্বীকাৰ কৰিছিল যে সম্প্রদায় ব্যক্তিসমূহৰ দ্বাৰাই সংগঠিত হয়। ইয়াত ব্যক্তিগত স্বার্থৰ সমানেই সম্প্রদায় গঠন কৰা সকলো ব্যক্তিৰেই স্বার্থ আৰু সুখক গুৰুত্ব দিয়া হয়।

এগৰাকী ব্যক্তিৰ কর্মৰ প্রসংগই নির্ধাৰণ কৰে ইয়াৰ দ্বাৰা কিমান ব্যক্তি প্রভাৱিত হ'ব। চৰকাৰী বিষয়াৰ কর্মৰ দ্বাৰা ৰাজনৈতিক সম্প্রদায়টো প্রভাৱিত হয়, গতিকে দেশৰ সুখ আৰু দুখৰ ভাৰসাম্য চৰকাৰে হিচাপ ৰাখিব লাগিব। এগৰাকী ব্যক্তিয়ে কেৱল তেওঁৰ কর্মৰদ্বাৰা প্রত্যক্ষভাৱে প্রভাৱিত হোৱা কেইজনমানৰ সুখ আৰু দুখৰ কথা বিবেচনা কৰিব।

আনহাতে চৰকাৰে সকলো নাগৰিকৰে সুখ আৰু মংগলৰ বাবে দায়বদ্ধ আৰু প্রত্যেক নাগৰিকেও আন নাগৰিকৰ সুখৰ কথা সমানেই ভবাৰ দৰকাৰ। এনেদৰেই উপযোগিতাবাদ এক নৈতিক তত্ব বুলি বিবেচিত হয়। যি সর্বাধিক আৰু সকলোৰে কল্যাণ আৰু আনন্দৰ পক্ষত যুক্তি দিয়ে।

বেন্থামে যি কোনো কার্যৰ পৰা হোৱা আনন্দ আৰু যন্ত্রণাৰ ভাৰসাম্যতাৰ জোখ মাখৰ বাবে 'ফেলিফিক কেলকুলাছ' নামৰ এটা ধাৰণা দিছিল। এই ধাৰণা অনুসৰি যি কোনো কর্মৰ ফলৰ পৰা হোৱা প্রভাৱৰ এক গণনা হিচাপ বা মান দিব লাগিব আৰু এই প্রভাৱ সুখ আৰু দুখৰ ওপৰত ভিত্তি কৰিব। যদি সুখৰ মান দুখৰ মানকৈ বেছি হয় তেতিয়াহে ক্রিয়াটো/কর্মটো গ্রহণ কৰা হ'ব। প্রত্যেকে সুখ উৎপন্ন কৰা কর্মক সেয়েহে গুৰুত্ব দিব লাগে। সেয়েহে বেন্থামে সর্বমুঠ সুখৰ পৰিমাণৰ বাবে পৰামর্শ দিছিল আৰু তেওঁ অনুভৱ কৰিছিল যে ইয়ে নৈতিকতাৰ এক বস্তুনিষ্ঠ ভিত্তি হ'ব।

সুখ আৰু দুখৰ গণনা বা জোখ লওঁতে উৎস বা ব্যক্তিগত পক্ষপাত মুক্ত হৈ গণনা কৰিব লাগে। দর্শনৰ লগত জড়িত ব্যক্তিতকৈ এজন নিৰক্ষৰ মানুহৰ মংগল বা সুখ গণনা অধিক গুৰুত্বপূর্ণ। কিয়নো দার্শনিকজনে বিমূর্ত ধাৰণাত বেছি বিশ্বাসী আৰু নিৰপেক্ষ নহয়।

মানুহে সাধাৰণতে নিজৰ সুখ বিচাৰে আৰু সকলোৰে সুখ একত্রিত কৰি বিশাল দলৰ সুখৰ ধাৰণাটো এক ৰাজনৈতিক বিষয়। বেন্থামে তেখেতৰ 'মানৱ প্রেৰণা'ৰ তত্ত্বটোত মানুহক প্রেৰণা দিয়া ৪টা সাধাৰণ প্রেৰণা চিনাক্ত কৰিছিল। কিছুসংখ্যকলোক সামাজিক উদ্দেশ্যৰ উপকাৰিতাৰ বাবে প্রেৰণা পায়। এনে লোকে আনৰ উপকাৰ আৰু সুখৰ কাৰণে কাম কৰে আৰু

নিজৰ সুখৰ কথা পাছত থয়। আকৌ সৰহ সংখ্যকলোকে কাম কৰে আত্মস্বার্থৰ অসমাজিক উদ্দেশ্যৰ পৰা আৰু নিজৰ সুখৰ কথা গুৰুত্ব দিয়ে কিন্তু ইয়াৰ বাবে আনৰ দুখৰ কাৰণ নহয়। কিছু ব্যক্তিয়ে আকৌ অসামাজিক উদ্দেশ্যৰ পৰা কাম কৰে। ই আন ব্যক্তিৰ সুখৰ কথাওভাৰে যদিহে তাৰপৰা তেওঁৰ নিজৰ সুখৰ প্রচাৰ হয়। শেষৰ প্রেৰণাটোত আছে সেই সকল ব্যক্তি যি আনৰ অনিষ্ট কৰি আনন্দ অনুভৰ কৰে।

মানুহে নিজৰ আনন্দৰ বাবেই কাম কৰে। প্রত্যেক ব্যক্তিয়ে যি কোনো সময়তে কেৱল নিজৰ ব্যক্তিগত স্বার্থৰ কথাই ভাৱে। যেতিয়া কেইজনমান লোকৰ স্বার্থই সামূহিক স্বার্থৰ বিৰোধিতা কৰে তেনে সময়ত কেইজনমানলোকৰ স্বার্থক বা সুখক আন সামূহিক স্বার্থৰ বা দুখৰ কাৰণ হ'ব বুলি নচাদ কৰা হয়। বেন্থামে ইয়াকেই চুড়ান্ত লক্ষ্য বুলি মানি লৈছে আৰু প্রতিটো ৰাজনীতিক ব্যৱস্থাৰ মূল উদ্দেশ্য বুলি স্বীকাৰ কৰিছে। সর্বাধিক ব্যক্তিৰ সর্বাধিক সুখ ধাৰণাটিৰ এইয়াই উদাহৰণ।

সাধাৰণতে মানুহে সুখৰ সন্ধান কৰি ফুৰে। বেন্থামৰ মতে মানুহৰ সুখ আনক অন্যায় কৰি নাহে, আনক সহায় কৰিহে আহে অর্থাৎ সেৱাৰ জৰিয়তেহে সুখ প্রাপ্তি হয়। চৰকাৰে নিয়ম নীতি আৰু বাধ্যবাধকতাৰ জৰিয়তে এই সেৱা সমূহ সকলো নাগৰিকৰ বাবে যুগুত কৰিব লাগে আৰু ইয়াৰ দ্বাৰাহে সুখ বৃদ্ধি হ'ব। বেন্থামে এনেদৰে উপযোগিতাবাদৰ জৰিয়তে ৰাজনৈতিক দর্শন আগবঢ়াই।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ বেন্থামে চিনাক্ত কৰা দুটা Plasurus বা আনন্দৰ কথা উল্লেখ কৰা।

প্রশ্ন নং ৫ ঃ 'Eudaimonic'ৰ অর্থ কি?

৬.৫ জন ষ্টুয়াট মিল

জন ষ্টুয়াট মিলৰ জন্ম হৈছিল ১৮০৬ চনত লণ্ডনত। তেওঁ স্কটিছ ইতিহাসবিদ আৰু দার্শনিক জেমছ মিলৰ বৰপুত্র আছিল। মিলৰ সকলো শিক্ষাৰ তদাৰক তেখেতৰ দেউতাক জেমছ মিলে কৰিছিল। মিলে কোনো নিয়মীয়া বিদ্যালয় আৰু বিশ্ববিদ্যালয়ত শিক্ষা কৰা নাছিল। তেওঁ ঘৰতে যথেষ্ট অধ্যয়ন কৰিছিল আৰু কিশোৰ কালৰ পৰাই Westminster Review নামৰ আলোচনীখনত প্রবন্ধ লিখি অৱদান আগবঢ়াই আহিছিল। পিছলৈ তেওঁ এই আলোচনীখনৰ সম্পাদক হিচাপে লণ্ডনৰ পৰা প্রকাশ কৰিছিল আৰু উপযোগিতাবাদৰ নীতি সমূহ ইয়াত চর্চা কৰিছিল প্রৱন্ধৰ মাজেৰে। মিল এজন প্রখ্যাত লেখক আছিল আৰু বিভিন্ন বিভাগত তেওঁ নিজৰ অৱদান আগবঢ়াইছিল নিজৰ লিখনিৰ জৰিয়তে। ১৮৪৩ চনত তেওঁ 'A system of Logic', ১৮৪৮ চনত 'Principles of Political Economy' প্রকাশ কৰিছিল। ১৮৫৯ চনত তেওঁ 'On liberty' গ্রন্থখন লিখি উলিয়াইছিল। তাৰ পিছত ক্রমে ১৮৬১ চনত Consideration on

Representative Government, ১৮৬৩ চনত Utilitarianism, ১৮৬৯ চনত The Subjection of Women, ১৮৭৩ চনত Autobiograhy আৰু ১৮৭৪ চনত Three Essays of Religion প্ৰকাশ কৰিছিল। মিলৰ The Subjection of Women গ্ৰন্থখন ইয়াৰ সময়ৰ তুলনাত যথেষ্ট আগবঢ়া এখন গ্ৰন্থ, যি নাৰীৰ স্বাধীনতা আৰু স্থানৰ বিষয়ে আলোচনা কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ 'Principles of Political Economy' গ্ৰন্থখন ১৮৪৯ চনত প্ৰকাশিত হয়। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন নং ৭ ঃ মিলৰ দুখন গ্ৰন্থৰ নাম লিখক?

প্ৰশ্ন নং ৮ ঃ মিলৰ জন্ম কেতিয়া হয়?

৬.৬ জন ষ্টুৱার্ট মিল ঃ উপযোগিতাবাদ সম্পৰ্কে মতামত

আমি সকলো অৱগত যে জন ষ্টুৱার্ট মিল; আৰু জেমচ মিল জেৰেমি বেন্থামৰ সৈতে ঘনিষ্ঠ আছিল। সেয়ে জন ষ্টুৱার্ট মিল উপযোগিতাৰ দৰ্শনৰ ছায়াতেই ডাঙৰ হৈছিল বুলি ক'ব পাৰি। তেওঁৰ বিশ দশকৰ প্ৰথম ছোৱাত আৱেগিক সংকটত ভোগা স্বত্বেও উপযোগিতাবাদৰ সপক্ষে যুক্তি দাঙি ধৰি লিখনি প্ৰকাশ কৰিবলৈ সক্ষম হৈছিল। তেওঁৰ সকলো ৰচনাধৰ্মী কামতেই উপযোগিতাবাদৰ মানদণ্ড প্ৰয়োগ কৰিছিল। মহিলাসকলক সমতা দিয়াৰ বাবে তেওঁৰ যি বিবেচনা আছিল সি মহিলাৰ সুখ বৃদ্ধিত অৰিহণা জনোৱাৰ লগতে স্বাধীনতাৰ নীতিয়ে সামাজিক উপযোগিতাৰ সৃষ্টি কৰিব। সামাজিক প্ৰগতি ব্যক্তিগত স্বাধীনতাৰ ওপৰত নিৰ্ভৰশীল আছিল। পৰিবৰ্তিত উদাৰ গণতন্ত্ৰ আছিল এখন চৰকাৰৰ শ্ৰেষ্টতম ৰূপ আৰু বৈশিষ্ট্য যাৰ জৰিয়তে নগৰিকসকলৰ মানদণ্ড উন্নত হৈছিল। উপযোগিতাবাদৰ তত্ত্বত তেওঁ কিছু পৰিৱৰ্তন কৰিবলৈ বিচাৰিছিল, যাতে ই স্বাধীনতা আৰু গণতন্ত্ৰৰ ধাৰণাসমূহৰ সৈতে সামঞ্জস্যপূৰ্ণ হয়। বহু দশক ধৰি এক বিতক চলি আছিল যে কেনেদৰে শুদ্ধ আৰু অশুদ্ধ কৰি বিচাৰ হ'ব। এইক্ষেত্ৰত মিলে মানুহৰ নৈতিক ইন্দ্ৰিয়ৰ জৰিয়তে কৰিব পৰা বিচাৰক নশ্যাৎ কৰিছে। তেওঁ উপযোগিতাবাদৰ ধাৰণাৰ সপক্ষে বেন্থামতকৈ কিছু পৰিৱৰ্তিত মত দিলে। আনন্দৰ কেৱল পৰিমাণেই নহয় গুণগত মানৰ ক্ষেত্ৰৰ কথাও তেওঁ দাঙি ধৰিলে। সৰ্বাধিক গুণগত মান থকা আনন্দক নিম্ন মান থকা আনন্দতকৈ অধিক গুৰুত্বপূৰ্ণ বুলি গণনা কৰাৰ যুক্তি তেওঁ দিছিল। 'It is quite compatible with the principle of utility to recognize the fact, that some kinds of pleasure are more desirable and more valuuable than others ..... It is better to be sourates dissatisfied than a pig satisfied.' চমুকৈ এজন মূৰ্খই গুণগত মান নথকা বস্তুটোকো সুখ বুলি গ্ৰহণ কৰিব, কিন্তু যি গুণগত মান বুজা জ্ঞানী তেওঁৰ কাৰণে সুখৰ মান বেলেগ হ'ব। গতিকে এজন মুৰ্খলোক সন্তুষ্ট হোৱাতকৈ এজন চক্ৰেটিছ অসন্তুষ্ট হোৱাই ভাল। মিলৰ উপযোগিতাবাদৰ ধাৰণাটো গুণগত মানৰ ভিত্তিতে বেন্থামৰ পৰা পৃথক। মিলৰ মতে

মানৱ জাতিয়ে বৌদ্ধিক আৰু নৈতিক সন্তুষ্ঠি লাভ কৰিবলৈ সক্ষম। এনে সন্তুষ্টি জীৱ-জন্তুৰ শাৰীৰিক সন্তুষ্টিতকৈ যথেষ্ট ওপৰত বা শ্রেষ্ঠ।

মিলে অন্য এক সমস্যাৰ বিশ্লেষণ কৰিছে এনেদৰে যে কিয় মানুহে আনৰ সুখৰ প্রতি আগ্রহী। তেওঁ কৈছে যে মানুহৰ প্রকৃতিত সামাজিক অনুভুতি, সংঘ পাতি থকা দিশসমূহ আছে গতিকে সামাজিক প্রাণী হোৱাটো স্বাভাবিক আৰু দৈনন্দিন ই এক অভ্যাস হিচাপে পৰিণত হয়। মিলে আনৰ সুখৰ প্রতি আগ্রহী হোৱা মানুহৰ প্রকৃতিক একেবাৰে নতুন কিবা বিষয় বুলি ভবা নাছিল।

শেষত মিলে উপযোগিতাতকৈ ন্যায়ৰ ধাৰণাকহে নৈতিকতাৰ বিষয়বস্তু বুলি বেছি গুৰুত্ব দিয়া দেখা গৈছিল। মিলে প্রথমে ন্যায়ক অধিকাৰৰ সৈতে সংযুক্ত কৰিছিল আৰু অন্যায়ক অধিকাৰ খর্ব কৰা বিষয়ৰ লগত যুক্ত কৰিছিল। তাৰপাছত যি সমূহ উপযোগিতা ৰক্ষাৰ বাবে জৰুৰী অধিকাৰ তাৰ সুৰক্ষাৰ কথা তেওঁ কয়। যিখন সমাজত অধিকাৰসমূহ ব্যক্তিয়ে ভোগ কৰিব পাৰে সেইখন সমাজে সদায় আগুৱাই যাবলৈ সক্ষম। গতিকে অধিকাৰ কেতিয়াও উপযোগিতাৰ ধাৰণাক অগ্রাহ্য নকৰে। মিলৰ মতে, উপযোগিতা হৈছে অধিকাৰৰ ন্যায্যতা, অধিকাৰ থাকিলে উপযোগিতাও সম্ভৱ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৯ ঃ জে. এছ. মিলৰ উপযোগিতাবাদৰ ধাৰণাটো বহলাই বর্ণনা কৰক ? (২০০ শব্দৰ ভিতৰত)



৬.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- জেৰমি বেন্থামৰ জন্ম হয় ১৭৪৮ চনত, লণ্ডনত।
- বেন্থাম আছিল ইংৰাজী ৰাজনৈতিক দর্শনৰ পথ প্রদর্শক।
- বেন্থামৰ ইংৰাজীত প্রকাশিত হোৱা মূল লিখনি সমূহ ঃ A Frahment on Government (1776), Introduction to the Principles of Morals and Legislation (1789), Plan of Parliamentary Reform (1817), Bentham's Radical Reform Bill (1819) and the Constitutional Code (1830).
- বেন্থামে The Constitutional Code ৰ বাবে তিনিটা খণ্ডৰ পৰিকল্পনা কৰিছিল।
- বেন্থাম আছিল ইংলেণ্ডৰ বুদ্ধিজীৱী দলৰ আঁৰৰ মূল প্রেৰণা নেতা যিটো দলক দার্শনিক ৰেডিকেল নামেৰে জনা গৈছিল।
- বেন্থামে তেওঁৰ উপযোগিতাবাদৰ ধাৰণাটো গঠনৰ ক্ষেত্রত হিউম, হেলভেটিয়াছ আৰু প্রিষ্টলীৰ প্রভাৱ স্বীকাৰ কৰিছিল।

- জন ষ্টুৱার্ট মিলৰ জন্ম হৈছিল ১৮০৬ চনত লণ্ডনত। স্কটিছ ইতিহাসবিদ আৰু দার্শনিক জেমছ মিলৰ তেওঁ বৰপুত্ৰ আছিল।
- মিল আছিল এজন প্রখ্যাত লেখক, কেইবাটাও বিভাগলৈ তেওঁ ৰচনা প্রস্তুত কৰিছিল।
- ১৮৪৩ চনত A system of Logic, ১৮৪৮ চনত Principles of Political Economy, ১৮৫৯ চনত On liberty, ১৮৬১ চনত Consideration on Representative Government, ১৮৬৩ চনত Utilitarianism, ১৮৬৯ চনত The Subjection of Women, Autobiograhy আৰু Three Essays of Religion ক্রমে ১৮৭৩ আৰু ১৮৭৪ চনত লিখি উলিয়াইছিল।
- জেৰমি বেন্থাম আছিল উপযোগিতাবাদৰ প্রতিষ্ঠাপক।
- যি সমাজত ব্যক্তিসকলে নিজৰ অধিকাৰ ভোগ কৰিব পাৰে সেইখন সমাজত মিলৰ মতে আগবাঢ়ি যাবলৈ সক্ষম।
- উপযোগিতাৰ সর্বোত্তম ব্যৱহাৰক বিজ্ঞান হিচাপে বিবেচনা কৰা হয়। বিজ্ঞান, ইউডেমুনিকছ এক প্রকাৰৰ মাষ্টাৰ বিজ্ঞান।
- বেন্থামে কর্মৰ পৰা হোৱা সুখ আৰু দুখৰ ভাৰসাম্য নির্ধাৰণ কৰিবলৈ এক গণনাৰ কথা উত্থাপন কৰিছিল আৰু ইয়াক ফেলিফিক কেলকুলাছ হিচাপে জনা গৈছিল।
- নৈতিকতাৰ নীতিক ভিত্তি হিচাপে লৈ মিলে উপযোগিতা বা সর্বাধিক সুখৰ মাপকাঠী আগবঢ়াইছিল।



৬.৮ অধিক জানিবলৈ

- Gupta, R.C., Great Political Thinkers, Lakshmi Narain Agarwal Educational Publishers, Agra, 2009-10.
- Bentham,Jeremy, The principles of Morals and Legislation, Prometheus Books, New York, 1988.
- Jha, Shefali, Western Political Thought – From Plato to Marx, Pearson, 2010.
- Nelson, Brain R, Western Political Thought, Pearson Education, 1996.



৬.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ জেৰমি বেন্থামৰ জন্ম ১৭৪৮ চনত হৈছিল।

২ নং প্রশ্নৰ উত্তৰ ঃ Plan of Parliamentary Reform ১৮১৭ চনত প্রকাশিত হয়।

৩ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ।

৪ নং প্রশ্নৰ উত্তৰ ঃ সম্পত্তি আৰু দক্ষতাৰ সুখ।

৫ নং প্রশ্নৰ উত্তৰ ঃ Eudaumonics হ'ল উপযোগিতাৰ অধিকতম ব্যৱহাৰৰ বিজ্ঞান।

৬ নং প্রশ্নৰ উত্তৰ ঃ অশুদ্ধ।

৭ নং প্রশ্নৰ উত্তৰ ঃ মিলৰ দুখন গ্রন্থ হ'ল ঃ (i) A System of Logic, (ii) Utilitarianism

৮ নং প্রশ্নৰ উত্তৰ ঃ ১৮০৬ চনত।



৬.১০ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ মিলৰ দুখন কিতাপৰ নাম লিখক।

প্রশ্ন ২ ঃ বেন্থামৰ দুখন কিতাপৰ নাম লিখক।

প্রশ্ন ৩ ঃ Felicific calculus কি হয়?

প্রশ্ন ৪ ঃ উপযোগিতাবাদ কি বর্ণনা কৰক।

প্রশ্ন ৫ ঃ বেন্থামৰ দর্শনসমূহ বিশ্লেষণ কৰক।

প্রশ্ন ৬ ঃ জে. এছ. মিলৰ উপযোগিতাবাদৰ ধাৰণাটো আলোচনা কৰক।

*** ***** ***

অধ্যায় ৭ ঃ ইংলিচ আদর্শবাদ ঃ টি.এইচ.গ্রীন

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ টি.এইচ.গ্রীন আৰু ইংলিচ আদর্শবাদ

৭.৪ ৰাষ্ট্ৰ সম্পর্কে গ্রীনৰ দৃষ্টিভংগী

৭.৫ স্বাধীনতা আৰু অধিকাৰ সম্পর্কে গ্রীনৰ দৃষ্টিভংগী

৭.৫.১ স্বাধীনতা সম্পর্কে গ্রীনৰ দৃষ্টিভংগী

৭.৫.২ অধিকাৰ সম্পর্কে গ্রীনৰ দৃষ্টিভংগী

৭.৬ যুদ্ধ সম্পর্কে গ্রীনৰ দৃষ্টিভংগী

৭.৭ গ্রীনে পোষকতা কৰা আন প্রধান ধাৰণাসমূহ

৭.৭.১ শাস্তি

৭.৭.২ সম্পত্তি

৭.৭.৩ প্রাকৃতিক নিয়ম

৭.৭.৪ সমাজ

৭.৮ গ্রীনৰ এক মূল্যায়ন

৭.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.১০ অধিক জানিবলৈ

৭.১১ অগ্রগতিৰ খতিয়ান

৭.১২ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ইংলিচ আদর্শবাদৰ ব্যাখ্যা আগবঢ়াব পাৰিব
- ৰাষ্ট্ৰ সম্পর্কে গ্রীনৰ দৃষ্টিভংগী আলোচনা কৰিব পাৰিব
- স্বাধীনতা আৰু অধিকাৰ সম্পর্কে গ্রীনৰ দৃষ্টিভংগী আলোচনা কৰিব পাৰিব
- যুদ্ধ সম্পর্কে গ্রীনৰ দৃষ্টিভংগী আলোচনা কৰিব পাৰিব
- গ্রীনে পোষকতা কৰা আন কিছুমান গুৰুত্বপূর্ণ ধাৰণা ব্যাখ্যা কৰিব পাৰিব
- গ্রীনৰ এক মূল্যায়ন দাঙি ধৰিব পাৰিব।

৭.২ পৰিচয়

এই অধ্যায়টিত আমি ইংলিচ আদর্শবাদৰ দর্শনটো বহলাই আলোচনা কৰিম। ইংলিচ আদর্শবাদ আছিল এটা দার্শনিক আন্দোলন। ঊনবিংশ শতিকাৰ মাজভাগৰ পৰা বিংশ শতিকাৰ আৰম্ভণিলৈকে এই আন্দোলনটোৱে বৃটেইনক গভীৰভাৱে প্ৰভাৱিত কৰিছিল। এই আদর্শবাদটোৱে সকলো পৰিঘটনাৰ 'আদর্শ' চৰিত্ৰৰ বিচাৰ-বিশ্লেষণত সর্বাধিক গুৰুত্ব আৰোপ কৰিছিল।

৭.৩ টি.এইচ.গ্রীন আৰু ইংলিচ আদর্শবাদ

ইংলিচ আদর্শবাদক অক্সফ'র্ড আদর্শবাদ বুলিও কোৱা হয়। ইংলেণ্ডত আৰম্ভ হোৱা ঔদ্যোগিক বিপ্লৱৰ পৃষ্ঠভূমিত এই আদর্শবাদে গা কৰি উঠিছিল। ইয়াৰ পৃষ্ঠপোষকতাকাৰীসকল জার্মান আদর্শবাদৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল। ঊনবিংশ শতিকাৰ দর্শন জগতখন ইমানুৱেল কাণ্ট্, জি.ডব্লিউ.হেগেল, ফ্ৰেডৰিখ্ ৱিলহেম, জোচেফ শ্বিলিং আদিৰ দৰে জার্মান আদর্শবাদী দার্শনিকৰ দখলত আছিল। এই পৰম্পৰাটোৱে সকলো পৰিঘটনাৰ মানসিক অথবা 'আদর্শ' চৰিত্ৰবোৰৰ বিচাৰ-বিশ্লেষণত গুৰুত্ব আৰোপ কৰিছিল। ই পৰৱর্তী সময়ত আদর্শবাদী আৰু বিষয়নিষ্ঠতাবাদী চিন্তাস্ৰোতৰ উন্মেষ ঘটাইছিল। এই চিন্তাস্ৰোতেই হ'ল ইংলিচ আদর্শবাদৰ ভেটি। কাণ্ট আৰু হেগেলে ইংলেণ্ডত গা কৰি উঠা প্ৰতিনিধিত্বমূলক অনুষ্ঠানবোৰক সিমান গুৰুত্ব দিয়া নাছিল। তেওঁলোক সেই সময়ত জার্মানীত বর্তি থকা অধিনায়কবাদী চিন্তাধাৰাৰ সৈতে অভ্যস্ত আছিল। হেগেলৰ বিচাৰত ইংলেণ্ডৰ নাগৰিক প্ৰকৃত অর্থত মুক্ত নাছিল। তেওঁ ইংলেণ্ডক অত্যন্ত অনগ্ৰসৰ বুলি গণ্য কৰিছিল। আকৌ, কাণ্টৰ মতে ইংলেণ্ডৰ প্ৰতিনিধিসকলৰ বাবে স্বতন্ত্ৰভাৱে কাম কৰাৰ কোনো সুযোগ নাছিল। ইংলেণ্ডৰ এনে দুর্দশাগ্ৰস্ত সমাজ-ৰাজনৈতিক তথা অর্থনৈতিক পৰিস্থিতিয়ে কেইগৰাকীমান পণ্ডিতক এক উন্নত, বিকল্প আৰু নতুন তত্ত্ব বিকশাই তুলিবলৈ উদ্বুদ্ধ কৰিছিল। তেওঁলোকে এই তত্ত্বটো বিপ্লৱোত্তৰ ঔদ্যোগিক ইংলেণ্ডৰ পৰিৱেশৰ বাবে অনুকূলকৈ গঢ়ি তোলাৰ প্ৰয়াস কৰিছিল। তেওঁলোকে ৰাষ্ট্ৰৰ ভূমিকাক পুনঃসংজ্ঞাৱদ্ধ কৰিব খুজিছিল। তেওঁলোকে বিচাৰিছিল ৰাষ্ট্ৰই নিজৰ মূক আৰু অসহায় দর্শকৰ নিষ্ক্ৰিয় ভূমিকা পৰিহাৰ কৰক। ই এখন দায়িত্বশীল চৰকাৰে পালন কৰিবলগীয়া ভূমিকা নহয়। এই সময়ছোৱাতে থ'মাছ হিল গ্ৰীন আৰু আন কেইগৰাকীমান অক্সফ'র্ড আদর্শবাদীৰ উত্থান ঘটিছিল। ইংলেণ্ডত চলি থকা পৰিস্থিতি সলনি কৰিবলৈ কিছুমান নতুন ৰাজনৈতিক দর্শনৰ প্ৰয়োজন হৈছে বুলি এই দলটো পতিয়ন গৈছিল। সেয়া আছিল উপযোগিতাবাদৰ যুগ। কিন্তু তেওঁলোকৰ আদর্শবাদে ইংলেণ্ডৰ সমস্যা সমাধান কৰিব নোৱাৰিলে। কোনো ব্যক্তিয়ে কেৱল নিজৰ সৈতে ব্যস্ত হৈ থাকিব নোৱাৰে। সামাজিক সমস্যাবোৰক মানুহে উমৈহতীয়া সামাজিক বিষয় বুলি গণ্য কৰিবই লাগিব। এই পণ্ডিতসকলে ইংলেণ্ডৰ বাবে এক নতুন আৰম্ভণিৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছিল। গণতন্ত্ৰৰ সুফল সকলোৱে ভোগ কৰিবলৈ পোৱাতো তেওঁলোকে বিচাৰিছিল। অর্থাৎ, তেওঁলোকে সর্বসাধাৰণ ৰাইজৰ মনৰ ভাৱ সদৰি কৰিছিল। গ্ৰীনে ইংলেণ্ডৰ অলিয়ে গলিয়ে ঘুৰি বাস্তৱ

পৰিস্থিতিৰ বুজ লৈছিল। সেইবাবেই তেওঁৰ আদর্শবাদক মানৱতাবাদী আদর্শবাদ বুলিও কোৱা হয়। আদর্শবাদৰ ধাৰণাটোলৈ এই চিন্তাই এক নৱজাগৰণ কঢ়িয়াই আনিছিল। ইংৰাজ আদর্শবাদীসকলে কালক্রমত ৰাষ্ট্রৰ ভূমিকা পুনঃসংজ্ঞাৱদ্ধ কৰি ইয়াৰ প্রকৃতি অধিক মানৱিক কৰি তুলিছিল। অনুমান কৰা হয় যে এই ধাৰণাটোৰ আধাৰতে কল্যাণকামী ৰাষ্ট্রৰ মৌলিক প্রকৃতিটো নিৰূপণ কৰা হৈছিল।

টি.এইচ.গ্রীন এগৰাকী দার্শনিক হোৱাৰ উপৰি এগৰাকী ব্যৱহাৰিক অভিজ্ঞতাসমৃদ্ধ ৰাজনীতিকো আছিল। তেওঁ নিজ দেশৰ ৰাজনীতিত আগ্রহেৰে ভাগ লৈছিল। য়'র্কশায়াৰৰ ধর্মীয় পাদ্রী পৰিয়াল এটাত ১৮৩৬ চনৰ ১১ এপ্রিলত গ্রীনে জন্মলাভ কৰিছিল।

গ্রীনৰ ৰাজনৈতিক দর্শন তেওঁৰ ৰচনাৰাজিত সিঁচৰতি হৈ আছে। তেওঁৰ কেইখনমান উল্লেখযোগ্য গ্রন্থ হ'ল-

- প্রিন্সিপলচ্ অব্ প'লিটিকেল অব্লিগেশ্যন্স্ (১৮৮২ চন)
- লেক্চাৰচ্ অন লিবাৰেল লেজিছলেশ্যন এণ্ড ফ্রীডম অব্ কণ্ট্রাক্ট
- লেক্চাৰচ্ অন দ্য ইংলিচ ৰিভ'লিউশ্যন
- প্র'লেগ'মেনা টু এথিকচ্



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ইংলিচ আদর্শবাদ বুলিলে কি বুজে?

প্রশ্ন নং ২ ঃ টি.এইচ.গ্রীনে লিখা কেইখনমান গ্রন্থৰ নাম উল্লেখ কৰক।

৭.৪ ৰাষ্ট্র সম্পর্কে গ্রীনৰ দৃষ্টিভংগী

ৰাষ্ট্রৰ বিষয়ে এক বিস্তৃত দর্শন গঢ়ি তোলা উনবিংশ শতিকাৰ প্রথমগৰাকী দার্শনিক হ'ল টি.এইচ.গ্রীন। অধিবাস্তৱবাদ আৰু বাস্তৱ ৰাজনৈতিক গতিবিধিৰ আধাৰত তেওঁ ৰাষ্ট্রৰ ধাৰণাটো গঢ় দিছিল। ইয়াৰ প্রতি তেওঁৰ নৈতিকতাৰ আদর্শই সমর্থন আগবঢ়াইছিল। বিচাৰযোগ্য চিন্তা আৰু বাস্তৱিক সমস্যাৰ যুটীৰে গঠন কৰা তেওঁৰ ৰাজনৈতিক চিন্তাধাৰাই ইংলিচ ৰাজনৈতিক চিন্তাৰ ইতিহাসত এক অনন্য স্থান দখল কৰি আছে। গ্রীনক দার্শনিকৰ লগতে ৰাজনৈতিক সংস্কাৰক বুলিও অভিহিত কৰা হয়। এক সবল আৰু যুক্তিনিষ্ঠ ভেটিত গ্রীনে নিজৰ ৰাষ্ট্র বিষয়ক ধাৰণাটো গঢ় দিছিল। তেওঁ ৰাষ্ট্রক ইয়াৰ নিজৰেই অন্তিম ৰূপ বুলি ভবা নাছিল তেওঁৰ মতে ৰাষ্ট্র হ'ল সমাপ্তিত উপনীত হোৱাৰ এক মাধ্যম। গ্রীনে বিশ্বাস কৰিছিল যে যাক লৈ ৰাষ্ট্র গঠিত হয় সেইসকল ব্যক্তিৰ সম্পূর্ণ নৈতিক বিকাশ সাধন কৰিবলৈকে ৰাষ্ট্রৰ অস্তিত্ব বর্তি থাকে। তেওঁ নিজৰ ধাৰণাটো গঢ় দিয়াৰ সময়ত কাণ্টে আগবঢ়োৱা বিশ্বাস এটা অনুসৰণ কৰিছিল। এই বিশ্বাস অনুসৰি প্রত্যেক ব্যক্তিৰে মূল্য আৰু মর্যাদা থাকে যিবোৰে ব্যক্তিক যিকোনো উদ্দেশ্যেৰে চলিব পৰা সকলো প্রকাৰৰ শোষণৰ পৰা ৰক্ষা কৰে। ৰাষ্ট্রৰ আয়ুসৰ নাগৰিকৰ অস্তিত্ব অবিহনে কোনো

বাস্তৱ অস্তিত্ব নাথাকে। সেইবাবেই ৰাষ্ট্রৰ উন্নতি অথবা অগ্রগতি এটা আপেক্ষিক বিষয়। ই সমাজ এখনৰ সদস্যসকলৰ উন্নয়ন নির্ভৰশীল। এইটো কাৰণতে গ্রীনে ৰাষ্ট্রৰ এটা নেতিবাচক প্রকার্যৰ কথা উল্লেখ কৰিছিল। তেওঁৰ মতে, "ৰাষ্ট্রই মানুহক নৈতিকতা শিকাব নোৱাৰে, ই মানুহক নৈতিকো কৰিব নোৱাৰে। নিজে নিজৰ কর্তব্য বুলি ধৰি লোৱা কামবোৰ কৰোতে দেখুওৱা স্বার্থৰহিত পাৱদর্শিতাই হ'ল নৈতিকতা।"

মানুহক নৈতিক হোৱাত বাধা দিয়া অন্তৰায়বোৰ আঁতৰ কৰাতোহে গুৰুত্বপূর্ণ কথা। ৰাষ্ট্রই এই বাধা দূৰ কৰা উচিত। এই বাধা দূৰ কৰাৰ বাবে ৰাষ্ট্রৰ আৱশ্যক আৰু এই কাম সমাধা কৰিব পাৰিলেই ৰাষ্ট্রৰ নেতিবাচক প্রকার্যটো ইতিবাচক প্রকার্যত পৰিণত হয়। তেওঁ লিখিছিল, "এথেন্সৰ যিকোনো ভৃত্যক যদি গৰাকীৰ কামনা-বাসনা পূৰণ কৰিবলৈহে ব্যৱহাৰ কৰা হয়, তেন্তে স্বাধীনতাক বাস্তৱ ৰূপ দিবলৈ ৰাষ্ট্রৰ অস্তিত্ব আছে বুলি কোৱাতো পৰিহাসৰহে কথা হ'ব। থিক একেটা কথাই লণ্ডনৰ য়ার্ড জিনৰ দোকানবোৰৰ চৌপাশে থকা অশিক্ষিত আৰু ভোকাতুৰ নাগৰিকসকলৰ ক্ষেত্রতো প্রযোজ্য। ৰাষ্ট্রই নাগৰিকৰ মানসিক আৰু শাৰীৰিক পুষ্টিহীনতাৰ লগতে জিনৰ দোকানবোৰো আঁতৰ কৰিব লাগে। গ্রীনে প্লেট', হেগেল আৰু তেওঁলোকৰ পৰৱর্তী ইংৰাজ আদর্শবাদীসকলে আগবঢ়োৱা ৰাষ্ট্রৰ ধাৰণাটোক আদর্শ হিচাপে লোৱা নাছিল। তেওঁ মানৰ প্রকৃতিৰ ভিত্তিত ৰাষ্ট্র সম্পর্কীয় ধাৰণাটো গঢ়ি তুলিছিল। তলত উল্লেখ কৰা কথাবোৰৰ সহায়ত গ্রীনৰ ৰাষ্ট্র বিষয়ক ধাৰণাটো বুজিব পাৰি-

- ৰাষ্ট্র হ'ল মানৱিক সচেতনতাৰ ফলশ্রুতি। অধ্যাপক বার্কাৰৰ ভাষাত, "মানৰ সচেতনতাই স্বতন্ত্রতাক ধাৰণ কৰে। স্বতন্ত্রতাৰ সৈতে অধিকাৰ জড়িত হৈ থাকে। অধিকাৰে ৰাষ্ট্রৰ চাহিদা উৎপন্ন কৰে।" উমৈহতীয়া ফলাফলৰ উমৈহতীয়া সচেতনতাই হ'ল ৰাষ্ট্রৰ আধাৰ। তেওঁ সেয়েহে ৰাষ্ট্রক ফলাফলত উপনীত হোৱাৰ এক উপায় বুলি বিবেচনা কৰিছিল।
- ব্যক্তিগত জীৱনৰ প্রধান লক্ষ্য হ'ল আত্ম-উপলব্ধি। ইয়াক স্বাধীনতাৰ সহায়ত বাস্তৱ ৰূপ দিব পাৰি। স্বাধীনতা হ'ল আত্ম-উপলব্ধি কৰাৰ প্রধান উপায়। যেতিয়া আত্ম-সচেতনতাই স্বতন্ত্রতাক ধাৰণ কৰে, তেতিয়াই ই নিজ সত্বাক বুজি পায় আৰু আনৰ সৈতে নিজৰ সম্পর্কক চিনাক্ত কৰে।
- ব্যক্তিগত সত্বা হ'ল সামাজিক সত্বা। কাৰণ, ই কেৱল নিজৰেই কল্যাণ কামনা নকৰে। ই ৰাষ্ট্রৰ আন ব্যক্তিৰো কল্যাণ কামনা কৰে। গ্রীনে ৰাষ্ট্র পৰিচালনাৰ প্রধান কার্যকলাপৰ প্রধান উপাদান হিচাপে অধিকাৰ আৰু স্বতন্ত্রতাৰ নাম উল্লেখ কৰিছিল।
- গ্রীনে ৰাষ্ট্রৰ যন্ত্রবাদী তত্ত্ব (mechanistic theory) টো মানি লোৱা নাছিল। কাৰণ তেওঁ বিশ্বাস অনুসৰি শক্তি নহয়,মানুহৰ ইচ্ছাহে ৰাষ্ট্রৰ প্রকৃত আধাৰ।
- গ্রীনে ৰাষ্ট্রৰ জৈৱিক তত্ত্বটোক ইয়াৰ বিভিন্ন বিশেষত্বৰে সৈতে গ্রহণ কৰিছিল।
- মানুহ যিহেতু এক সামাজিক প্রাণী, গ্রীনে সেয়েহে ৰাষ্ট্রক এক স্বাভাৱিক সত্বা বুলি গণ্য কৰিছিল।
- গ্রীনৰ মতে স্বাধীনতা হ'ল বাধাহীনভাৱে আত্ম উন্নয়ন সাধন কৰাৰ এক প্রক্রিয়া। কোনো

এক মানৱ সমূহৰ অভ্যন্তৰত নিহিত ন্যায়ৰ যুক্তিসংগত প্রণালী এটাৰ মাজত থকা আইন-কানুন আৰু প্রথা-পৰম্পৰা মুকলি মনেৰে পালন কৰিলেই মানুহৰ আত্ম-উপলব্ধি ঘটিব।

- ৰাষ্ট্র মূলতঃ শুভ। কাৰণ, ই মানুহক নিজৰ নৈতিক বাধ্যবাধকতাবোৰ বুজাৰ পথ প্রদর্শন কৰাৰ লগতে সেইমতে কাম কৰি যোৱাৰ বাবে অনুপ্রাণিত কৰে।
- ৰাষ্ট্রৰ কাম-কাজবোৰক বহির্মুখী আৰু অন্তৰমুখী ইচ্ছাৰ ভিত্তি বিচাৰ কৰি চোৱা হয়। যদি ভুল অভিপ্রায়ে কল্যাণ সাধন কৰে তেন্তে ইয়াক শুদ্ধ অভিপ্রায়েৰে কৰা বেয়া কামতকৈ ভাল বুলি বিবেচনা কৰা হয়। এই যুক্তি আগবঢ়াই তেওঁ উপযোগিতাবাদীসকলৰ বিপৰীতে অৱস্থান লৈছে। প্রতিখন ৰাষ্ট্রকে ইয়াৰ ব্যৱহাৰিক আৰু আদর্শ উপাদানবোৰৰ ভিত্তিত জুখি চাব পৰা যায়। যিখন ৰাষ্ট্রত সুখী আৰু নৈতিক দিশেৰে সবল মানুহৰ সম্ভাব্য সংখ্যা সর্বাধিক সেইখনকে ভাল ৰাষ্ট্র বুলি কোৱা হয়।
- ৰাষ্ট্রই অধিকাৰ বলবৎ কৰিব লাগিব। কাৰণ, অধিকাৰবোৰ বলবৎসাধ্য নহ'লে অধিকাৰৰ কোনো অর্থ নাথাকে আৰু ইয়াৰ পৰা মানুহ কোনোধৰণে লাভৱান নহয়। প্রয়োজন সাপেক্ষে অধিকাৰবোৰক বাধ্যতামূলক কৰিব লাগিব। এই কামটো কৰিবলৈ ৰাষ্ট্রই শক্তি প্রয়োগ কৰটোকো গ্রীনে যুক্তিসংগত বুলি গণ্য কৰিছিল।
- ৰাষ্ট্রৰ কর্তৃত্ব বাহিৰ আৰু ভিতৰ উভয়তে সীমিত হোৱা উচিত। কর্তৃত্ব সীমিত হোৱাৰ বাবে আইন-কানুনে ব্যক্তিৰ বাহ্যিক আচৰণবোৰৰ যোগ্যতাহে বিচাৰ কৰে। আচৰণৰ আঁৰৰ অভিপ্রায়ৰ সৈতে ইয়াৰ কোনো সম্পর্ক নাই। মানুহৰ নৈতিক বিকাশত ৰাষ্ট্রই এক পৰোক্ষ ভূমিকাহে পালন কৰে। ই কেৱল মানুহ নৈতিক হোৱাৰ পথত দেখা দিয়া বাধাবোৰহে আঁতৰ কৰে। মানুহে ৰাষ্ট্রৰ বিৰুদ্ধে প্রতিৰোধ গঢ়ি তুলিও ৰাষ্ট্রৰ কর্তৃত্ব সীমিত কৰিব পাৰে। গ্রীনৰ মতে কিছুমান বিশেষ ক্ষেত্রত কিছুমান প্রকৃত আইন উলংঘা কৰিহে ৰাজহুৱা স্বার্থ ৰক্ষা কৰিব পৰা যায়। দাসত্ব সমর্থনকাৰী আইনৰ বিৰুদ্ধে প্রতিবাদ কৰা আৰু দাসৰ স্বাধীন হোৱাৰ অধিকাৰক বাস্তৱ ৰূপ দিবলৈ যুঁজা ব্যক্তিৰ কার্যকলাপক যুক্তিসংগত বুলি ধৰা হয়।
- ৰাষ্ট্র মানুহৰ সাধাৰণ ইচ্ছাৰ অংশ নহয়। ৰাষ্ট্রই কেৱল এই ইচ্ছা বর্তাইহে ৰাখে।

গ্রীনে আগবঢ়োৱা ৰাষ্ট্রৰ ধাৰণটোৰ সৈতে ব্যক্তিৰ অধিকাৰ আৰু বাধ্যবাধকতাৰ ধাৰণা দুটাও জড়িত হৈ আছে। ব্যক্তিক নিজৰ উন্নয়ন সাধন কৰিবলৈ যথোপযুক্ত অধিকাৰ তথা স্বতন্ত্রতা প্রদান কৰি ৰাষ্ট্রই উমৈহতীয়া কল্যাণৰ পথ প্রশস্ত কৰিব লাগে।

গ্রীনে সার্বভৌমত্বক ৰাষ্ট্রৰ এক প্রয়োজনীয় উপাদান বুলি গণ্য কৰিছিল। এই ধাৰণাটো আলোচনা কৰাৰ সময়ত তেওঁ ৰুছ'ই কোৱা সাধাৰণ ইচ্ছাৰ ৰূপত থকা সার্বভৌমত্বৰ ধাৰণা আৰু অষ্টিনে কোৱা মানৱৰ শ্রেষ্ঠত্ব স্থিৰকাৰীৰ ৰূপত থকা সার্বভৌমত্বৰ ধাৰণা দুটাৰ পৰা অনুপ্রেৰণা লৈছিল। গ্রীনৰ ভাষাত, "সার্বভৌমত্বই স্থিৰ মানৱ অথবা একাধিক মানৱৰ কথা সূচায়। ৰাষ্ট্রৰ চৰম বল প্রয়োগ কৰিব পৰা প্রকার্যবোৰেৰে এনে মানৱ প্রভাৰী হৈ থাকে। সাধাৰণ ইচ্ছা এগৰাকী অথবা ততোধিক ব্যক্তিক জাপি দিয়াতো গ্রহণযোগ্য

নহয়। তথাপিও এয়া সত্য যে ৰাজনৈতিক সমাজৰ অনুষ্ঠানবোৰ, যিবোৰৰ দ্বাৰা এনে সমাজৰ প্রতিগৰাকী সদস্যক সম অধিকাৰৰ নিশ্চিতি প্রদান কৰা হয়, সেইবোৰ সাধাৰণ ইচ্ছাৰে এক অভিব্যক্তি আৰু সেইবোৰ সাধাৰণ ইচ্ছাই বর্তাই ৰাখে। সার্বভৌমত্বক বলপূর্বক জাপি দিয়া শক্তি পৰিচালনাকাৰী এক বিমূর্ত শক্তি বুলি ধৰি নলৈ অনুষ্ঠানবোৰৰ অথবা ৰাজনৈতিক সমাজবোৰৰ সামগ্রিক পৰিসৰৰ পৃষ্ঠভূমিত বিচাৰ কৰি চোৱা উচিত।" অর্থাৎ, সার্বভৌম বুলি গ্রীনে আইন বলবৎ কৰা আৰু সাধাৰণ ইচ্ছাৰ এক প্রতিভূৰূপে কাম কৰি যোৱা এটা ন্যায়িক সার্বভৌমৰ কথাহে বুজাইছিল। গ্রীনৰ সাধাৰণ ইচ্ছাৰ ধাৰণাটো হ'ল এটা সুদৃঢ় দাবী যিটোৱে ৰাজনৈতিক কার্যকলাপক অনুপ্রাণিত তথা নিয়ন্ত্রণ কৰি থকা চৰম গতিশীল শক্তিটোক এক আধ্যাত্মিক শক্তি বুলি গণ্য কৰে। ই হ'ল শুদ্ধ পথেৰে আগবাঢ়ি যোৱাৰ পথ প্রশস্ত কৰি তোলা এক উমৈহতীয়া দৃঢ় বিশ্বাস। ই এক উমৈহতীয়া সচেতনতা যিটোৱে ৰাষ্ট্রৰ প্রতিনিধিত্বমূলক উপাদানবোৰক ক্ষমতা প্রদান কৰে। ই হ'ল অধিকাৰ, আইন আৰু অধিকাৰবোৰ বর্তাই ৰাখিব পৰা শাসন ব্যৱস্থাৰ স্রষ্টা। সার্বভৌমৰ প্রধান কাম হ'ল আইন প্রণয়ন আৰু বলবৎ কৰা। আইন পূর্ণোদ্যমে বলবৎ কৰি সমাজত সম্পূর্ণ পাৰস্পৰিক সমন্বয় বর্তাই ৰাখিব পাৰিলে সার্বভৌম অধিকাৰ আৰু আইনৰ অন্য নাম হৈ পৰিব। গ্রীনৰ মতে উমৈহতীয়া কল্যাণৰ বাবে গঢ় লৈ উঠা উমৈহতীয়া সচেতনতাই হ'ল সাধাৰণ ইচ্ছা। সমাজ এই সাধাৰণ ইচ্ছাৰ ফল। অধিকাৰ, ক র্তব্য আৰু অনুষ্ঠানবোৰৰ এই সাধাৰণ ইচ্ছাৰ পৰাই উৎপত্তি হয়। সাধাৰণ ইচ্ছা বর্তাই ৰখাতো ৰাষ্ট্রই সম্পাদন কৰিবলগীয়া কার্য।

সাধাৰণ ইচ্ছাৰ সৈতে ৰাজনৈতিক বাধ্যবাধকতাৰ ঘনিষ্ঠ সম্পর্ক আছে। এনে বাধ্যবাধকতা অবিহনে ৰাষ্ট্র অর্থহীন। ৰাজনৈতিক বাধ্যবাধকতা অথবা ৰাষ্ট্রৰ প্রতি আনুগত্য ৰাষ্ট্রত বাস কৰা ব্যক্তিৰ পৰা আশা কৰা হয়। ই মানুহৰ এক সহজাত প্রবৃত্তি। ইয়াৰ সহায়তহে ব্যক্তিৰ নৈতিক আৰু আধ্যাত্মিক বিকাশ সম্ভৰ। মানুহে সদায় নিজৰ কল্যাণে যাতে অইনৰো কল্যাণ সাধে সেয়া সুনিশ্চিত কৰিব লাগে। নিজৰ উন্নতিৰে মানুহে আনকো তেনে উন্নতিৰ সুফল উপভোগৰ সুযোগ দিব লাগে। ব্যক্তিয়ে ৰাষ্ট্রৰ প্রতি আনুগত্য প্রদর্শন কৰা উচিত। ব্যক্তিৰ আত্ম-উপলব্ধিৰ পথত থকা বাধাবোৰ তেতিয়াহে আঁতৰ হ'ব। অৱশ্যে ব্যক্তিৰ আত্ম-উপলব্ধি সামাজিক কল্যাণৰ অনুৰূপ হ'ব লাগিব। কাৰণ, ব্যক্তি সমাজৰ পৰা পৃথক সত্বা নহয়।

৭.৫ স্বাধীনতা আৰু অধিকাৰ সম্পর্কে গ্রীনৰ দৃষ্টিভংগী

৭.৫.১ স্বাধীনতা সম্পর্কে গ্রীনৰ দৃষ্টিভংগী

গ্রীনৰ মতে স্বাধীনতা হ'ল আত্ম-উপলব্ধিৰ মুখ্য উপায়। আত্ম সচেতনতাৰ দ্বাৰা স্বাধীনতা উপভোগ কৰিব পাৰি। এনে পৰিস্থিতিত আন ব্যক্তিয়েও সচেতন

ব্যক্তিগৰাকীৰ সৈতে স্বাধীনতা উপভোগ কৰিবলৈ পায়। ই সামাজিক উন্নয়ন সাধন কৰে। কাৰণ ব্যক্তিগত সত্বা মানেই হ'ল সামাজিক সত্বা। ইয়াক ইতিবাচক প্রকৃতিৰ স্বাধীনতা বুলি ক'ব পাৰি। এনে স্বাধীনতাই অধিকাৰৰ সৃষ্টি কৰে আৰু অধিকাৰে সামাজিক উন্নয়নৰ পথ সুকলি কৰে। গ্রীনে স্বাধীনতাক সবাতোকৈ মহান আশীর্বাদ বুলি গণ্য কৰিছিল। ব্যক্তিৰ নৈতিক বিকাশৰ বাবে ই এক এৰাব নোৱাৰা চর্ত। গ্রীনে ব্যক্তিৰ আভ্যন্তৰীণ স্বাধীনতাৰ কথাহে কৈছিল। বাহ্যিক আনন্দ প্রদানকাৰী স্বাধীনতাৰ প্রতি তেওঁ বিশেষ আগ্রহী নাছিল। তেওঁ ব্যক্তি মুক্ত হোৱাতো বিচাৰিছিল যাতে তেওঁ নিজৰ নৈতিক গুণবোৰৰ পূর্ণ বিকাশ ঘটাব পাৰে। এই উদ্দেশ্যক বাস্তৱ কৰিবলৈ ব্যক্তি ৰাষ্ট্রৰ হস্তক্ষেপৰ পৰা মুক্ত হ'ব লাগিব। তেওঁ সেয়েহে ব্যক্তিৰ নৈতিক বিকাশত অন্তৰায় হ'ব পৰা বাধাবোৰ আঁতৰাবলৈ ৰাষ্ট্র সদায় সাজু হৈ থকাতো বিচাৰিছিল। গ্রীন অভিভাৱকসুলভ চৰকাৰৰ ধাৰণাটোৰ বিৰোধী আছিল। এই বিষয়ত তেওঁৰ মতৰ কাণ্টৰ স্বাধীনতাৰ ৰূপৰ ধাৰণাটোৰ সৈতে মিল দেখা যায়।

গ্রীনে হেগেলৰ স্বাধীনতাৰ ধাৰণাটোৰ দ্বাৰাও অনুপ্রাণিত হৈছিল। হেগেলে স্বাধীনতাক সার্বজনীন আৰু ইতিবাচক বুলি কৈছিল। ৰাষ্ট্রৰ সৈতে অংশগ্রহণ কৰি এনে স্বাধীনতাৰ অধিকাৰী হ'ব পৰা যায়। গ্রীনে হেগেলকো সম্পূর্ণৰূপে অনুসৰণ কৰা নাছিল। তেওঁ কাণ্ট আৰু হেগেলৰ মাজৰ পথ এটা গ্রহণ কৰিছিল। তেওঁ 'অবন্ধ নীতি' (laissez faire) আৰু ৰুছ'ৰ ৰাষ্ট্রকেন্দ্রিক স্বাধীনতাৰ মাজৰ পথ এটাৰে নিজৰ চিন্তা আগবঢ়াই নিছিল। 'অবন্ধ নীতি'য়ে মানুহৰ যি মন যায় তাকে কৰাৰ স্বাধীনতা আছে বুলি কয়। হেগেল আৰু ৰুছ'ই পৃষ্ঠপোষকতা কৰা স্বাধীনতাই নিৰংকুশতাবাদৰ সৃষ্টি কৰাৰ সম্ভাৱনা বহন কৰে। গ্রীনে দুয়োটা ধাৰণাকে সম্পূর্ণৰূপে মানি ল'ব পৰা নাছিল। সেয়েহে তেওঁ চৰম দশা এটা এৰাই চলিব পৰা ইতিবাচক স্বাধীনতাৰ সহজে ৰক্ষা কৰিব পৰা ভিত্তি এটা বিচাৰি উলিওৱাৰ চেষ্টা কৰিছিল। এই প্রসংগতে গ্রীনে স্বাধীনতা চৰম অৱস্থা নহয় বুলি কৈছিল। স্বাধীনতা আত্ম-চেতনাৰ উপলব্ধিৰ মাজত নিহিত থাকে। তেওঁ সেয়েহে ইতিবাচক স্বাধীনতাৰ ধাৰণাটো বিকাশাই তুলিছিল। ইয়াৰ অর্থ হ'ল "কোনো কার্য কৰাৰ বা উপভোগ কৰাৰ এক ধনাত্মক ক্ষমতা বা সামর্থ। ই আমি অইনৰ সৈতে উমৈহতীয়াভাৱে কৰা কার্য অথবা উপভোগ কৰা আন কথাকো সামৰি লয়।" গ্রীনৰ ইতিবাচক স্বাধীনতাৰ ধাৰণাটোৱে ব্যক্তিক যিকোনো অথবা সকলো কাম কৰাৰ কথা নকয়। ই কেৱল সেইবোৰ কামৰহে কথা বুজায় যিবোৰ কৰিলে অথবা উপভোগ কৰিবলৈ পালে জীৱনৰ মান উন্নত হয়। ইয়াৰ সহায়ত ব্যক্তিয়ে আত্ম-উপলব্ধি কৰে।

৭.৫.২ অধিকাৰ সম্পর্কে গ্রীনৰ দৃষ্টিভংগী

ইতিবাচক স্বাধীনতাই অধিকাৰৰ জন্ম দিয়ে। কোনো এখন ৰাষ্ট্রত ইতিবাচক স্বাধীনতা থাকিলে তাৰ নাগৰিকে অধিকাৰ দাবী কৰিব পাৰে। অর্থাৎ, দুয়ো দুয়োৰে পৰিপূৰক আৰু অনুপূৰক। ব্যক্তিক নৈতিক সচেতনতাৰ বিকাশ ঘটোৱাত স্বাধীনতাৰ সমানে অধিকাৰো প্রয়োজনীয়। গ্রীনৰ মতে অধিকাৰবোৰ কোনো চুক্তিৰ ফল নহয়। ব্যক্তিয়ে কেৱল সমাজৰ সদস্য হিচাপেহে সমাজে স্বীকৃতি দিয়া অধিকাৰবোৰ উপভোগ কৰে। অধিকাৰৰ সহায়ত নৈতিক ফলবোৰ পোৱা যায়। অর্থাৎ, অধিকাৰ নৈতিকতা সাপেক্ষ। ইয়াৰ সৈতে আইনৰ আৱশ্যকতা থাকে। আইনে অধিকাৰ প্রদানৰ লগতে উমৈহতীয়া কল্যাণৰ পৃষ্ঠপোষকতা কৰে। ৰাষ্ট্রই অধিকাৰৰ ন্যায্যতা নিশ্চিত কৰে আৰু আইনৰ সহায়ত এইবোৰ বলবৎ কৰে। গ্রীনৰ মতে অধিকাৰ হ'ল "ব্যক্তিৰ নিজৰ বাবে আদর্শ বস্তুৰ ইচ্ছা কৰাৰ আৰু নিজৰ যৌক্তিক তথা ইচ্ছাশক্তি বিকাশ কৰাৰ দাবী"।

গ্রীনক সমাজবাদী অধিকাৰৰ সমর্থক বুলি ক'ব পাৰি। সমাজৰ বাহিৰত কোনেও একো অধিকাৰ উপভোগ কৰিব নোৱাৰে। গ্রীনৰ ভাষাত, "তেন্তে সামর্থ মানে হ'ল মানুহে নিজৰ বাবে আৰু আনৰ বাবে একে কোনো কল্যাণৰ কথা ভবা আৰু সেই ধাৰণাটোক কার্যকৰী কৰিবলৈ দৃঢ়প্রতিজ্ঞ হোৱা। ইয়েই অধিকাৰৰ ভেটি। অধিকাৰ হ'ল মানুহৰ কল্যাণকামী সামর্থক বাস্তৱ ৰূপ দিয়াত সহায়কাৰী চর্তবোৰৰ সমষ্টি। প্রত্যক্ষ অথবা পৰোক্ষভাৱে এই উদ্দেশ্যত উপনীত হোৱাত সহায় কৰিব নোৱাৰা কোনো অধিকাৰকে ন্যায়সংগত বুলিব নোৱাৰি অথবা অধিকাৰ বুলিব নোৱাৰি। আকৌ, প্রতিটো ক্ষমতাই একো একোটা অধিকাৰ হোৱা উচিত। অর্থাৎ, সমাজে ব্যক্তিৰ সামর্থক বাস্তৱ ৰূপ দিবলৈ আৱশ্যক হোৱা সকলো ক্ষমতা প্রদান কৰিব লাগে।

গ্রীনে অধিকাৰবোৰক স্বাভাৱিক বুলি কৈছিল যদিও সমাজ গঠন হোৱাৰ পূর্বে প্রচলিত প্রাকৃতিক অধিকাৰবোৰক সমর্থন কৰা নাছিল। তেনে অধিকাৰবোৰ স্বীকৃত অধিকাৰ নাছিল। সেয়েহে সেইবোৰ বলবৎসাধ্য নহয় আৰু সেইবাবে তেনে অধিকাৰৰ কোনো অর্থ নাই। তেওঁ অধিকাৰবোৰক মানুহৰ নৈতিক সামর্থক বাস্তৱ ৰূপ দিব পৰা স্বাভাৱিক নিয়ম বুলি বিবেচনা কৰিছিল।

গ্রীনে ৰাষ্ট্রক প্রতিৰোধ কৰিব পৰা অধিকাৰৰো পোষকতা কৰিছিল। অৱশ্যে তেওঁ এই যুক্তিও দর্শাইছিল যে ৰাষ্ট্রক অমান্য কৰিব পৰা কোনো যুক্তিকৰ অধিকাৰ নাথাকে, কাৰণ ৰাষ্ট্রই হ'ল অধিকাৰৰ উৎস। তেওঁৰ ভাষাত, "ব্যক্তিৰ কোনো কার্য সম্পাদনৰ স্বাধীনতাত হস্তক্ষেপ কৰা, সন্তান তদাৰক কৰাৰ কোনো অধিকাৰত মাত মতা অথবা ব্যক্তিয়ে নিজৰ মতে কৰা কোনো কামত বিধি-পথালি দিয়া বুলি ৰাষ্ট্রক অমান্য কৰা অথবা কোনো বিশেষ আইন আওকাণ কৰাৰ কোনো অধিকাৰ থাকিব নোৱাৰে"। উমৈহতীয়া কল্যাণত বাধাৰ সৃষ্টি কৰিব পৰা কোনো বেয়া আইনকে গ্রহণ

নকৰিবলৈ গ্রীনে জনসাধাৰণক পৰামর্শ দিছিল। এনে আইন সাংবিধানিক পদ্ধতিৰে ৰদ কৰিব পৰা যায় বুলিও তেওঁ মত প্রকাশ কৰিছিল। তেওঁ কৈছিল যে যদি জনসাধাৰণে ৰাষ্ট্রক অমান্য কৰে তেন্তে সাধাৰণতে এইবুলি ধৰি লোৱা হয় যে জনসাধাৰণে সম্ভৱতঃ ভুল কৰিছে আৰু ৰাষ্ট্র হয়তো সকলো দিশেৰে নিশ্চিতভাৰে শুদ্ধ। কাৰণ, ৰাষ্ট্রই বহু যুগৰ সঞ্চিত জ্ঞানৰ সহায়ত কোনো কাম কৰে বুলি ধৰা হয়। ই ব্যক্তিৰ গাইগুটিয়া জ্ঞানতকৈ শ্রেষ্ঠ। ৰাষ্ট্র প্রতিৰোধী কার্যকলাপে অৰাজকতাৰ সৃষ্টি কৰিব আৰু ৰাষ্ট্রৰ কাম-কাজ সুচাৰুৰূপে চলাই নিয়াত বাধা দিব। গ্রীনে সেয়েহে কেইটামান বিশেষ পৰিস্থিতিতহে ৰাষ্ট্রক প্রতিৰোধ কৰাৰ কথা কৈছিল। পৰিস্থিতিকেইটা হ'ল-

- যদি এয়া নিশ্চিত যে সফল বিৰোধিতাৰে কোনো এক নির্দিষ্ট কল্যাণ সাধন কৰিব পৰা যাব,
- প্রতিৰোধী কার্যৰ প্রতি গৰিষ্ঠসংখ্যক জনসাধাৰণৰ সমর্থন আছে,
- যদি সার্বভৌমৰ ন্যায্যতা সন্দেহজনক,
- যদি চৰকাৰ ব্যৱস্থাটো অত্যাচাৰী,
- যদি চৰকাৰ ৰাজহুৱা স্বার্থবিৰোধী।

ওপৰত উল্লেখ কৰা চর্তবোৰৰ ক্ষেত্রত ৰাষ্ট্রক প্রতিৰোধ কৰাতো নাগৰিকৰ কর্তব্য। ই ন্যায়সংগত। গ্রীনৰ মতে, "যদি প্রতিৰোধ কৰিবই লাগিব তেন্তে ব্যক্তিয়ে প্রতিৰোধ কৰা উচিত, আন কোনেও এই কাম কৰিব নোৱাৰে। ব্যক্তিৰ প্রতিৰোধ কৰাৰ অধিকাৰ নাথাকিব পাৰে, কিন্তু তেওঁৰ প্রতিৰোধ শুদ্ধও হ'ব পাৰে। কেৱল সামাজিক পটভূমিতহে প্রতিৰোধৰ ন্যায্যতা থাকে"।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ গ্রীনৰ মতে কিহৰ পৰা অধিকাৰৰ জন্ম হয়? গ্রীনে কেনেধৰণৰ অধিকাৰক সমর্থন কৰিছিল?

৭.৬ যুদ্ধ সম্পর্কে গ্রীনৰ দৃষ্টিভংগী

বিশ্বজনীন ভ্রাতৃত্ববোধৰ ধাৰণাটোৰ আধাৰত গ্রীনে তেওঁৰ যুদ্ধ বিষয়ক দৃষ্টিভংগীটো উপস্থাপন কৰিছিল। তেওঁ এনে এখন সার্বজনীন সমাজৰ সমর্থন কৰিছিল য'ত জীৱনৰ অধিকাৰ সকলো মানুহৰে জন্মস্বত্ব আৰু এই অধিকাৰ সর্বজনস্বীকৃত। গ্রীনে ৰাষ্ট্রৰ মাজত চলা সংঘাত আঁতৰ কৰিবলৈ একন আন্তর্জাতিক ন্যায়ালয় স্থাপনৰ পোষকতা কৰিছিল। বিশ্বজনীন ভ্রাতৃত্ববোধৰ জৰিয়তে তেওঁ সার্বজনীন শান্তি প্রতিষ্ঠা কৰাৰ কথা কৈছিল। যুদ্ধ সম্পর্কে গ্রীনৰ দৃষ্টিভংগীটো তলত উল্লেখ কৰা মূল কথাবোৰৰ সহায়ত ভালদৰে বুজি পোৱা যায়।

- গ্রীনৰ মতে যুদ্ধ কেতিয়াও ৰাষ্ট্র এখনৰ থাকিবলগীয়া আৱশ্যকীয় গুণ নহয়। এখন ত্রুটিপূর্ণ ৰাষ্ট্রতহে এই বৈশিষ্ট্যটোৱে গা কৰি উঠে। এখন ৰাষ্ট্র যিমানেই কম ত্রুটিপূর্ণ হ'ব, সিমানেই

যুদ্ধৰ সম্ভাৱনা কমি যাব।

- গ্রীনে যুদ্ধৰ প্রবল বিৰোধিতা কৰিছিল। কাৰণ, ই মৌলিক মানৱ অধিকাৰ (জীৱনৰ অধিকাৰ) খর্ব কৰে। তেওঁৰ মতে যুদ্ধ হ'ল এটা ভুল শুধৰাবলৈ কৰা আন এটা ভুল। যুদ্ধৰ সময়ত যিহেতু মানুহৰ মুক্ত জীৱন যাপন কৰাৰ অধিকাৰ কাঢ়ি লোৱা হয়, সেয়েহে ই সকলো সময়তে এটা ভুলেই হৈ ৰৈ যায়।
- গ্রীনে যুদ্ধক আপেক্ষিক বুলি কৈছিল। যুদ্ধ কেতিয়াও চৰম পৰিণতি হ'ব নোৱাৰে।
- গ্রীনে যুদ্ধক নৈতিক দোষ বুলি কৈছিল। কাৰণ, যুদ্ধত মানুহৰ প্রাণহানি কৰাতো অনাভিপ্রেত কার্য নহয়। যুদ্ধত এইনৰ জীৱন হানি কৰাজনে সেয়া জানি-শুনি কৰে আৰু সেয়েহে ই এক গুৰুতৰ অপৰাধ। গ্রীনে নিজ যুক্তিৰ সপক্ষে ব্যাখ্যা দাঙি ধৰি কৈছিল যে বনৰীয়া জন্তুৰ চিকাৰ হৈ অথবা বজ্রপাত পৰি মৃত্যু হোৱা মানুহৰ ক্ষেত্রত অধিকাৰ খর্ব হোৱাৰ কথা নাহে। কাৰণ, মানুহ আৰু প্রকৃতিৰ মাজত কোনো অধিকাৰৰ ধাৰণা নৰজে। যুদ্ধত মানুহৰ মৃত্যু হোৱাতো এটা অস্বাভাৱিক পৰিস্থিতি। মানুহে নিজে আৰু বিভিন্ন আন্তর্জাতিক অভিকৰণে নিজ স্বার্থ সিদ্ধিৰ বাবে এই পৰিস্থিতি সৃষ্টি কৰি লয়।
- গ্রীনে যুদ্ধ এটা নৈতিক দোষ বুলি কোৱাৰ আন এক কাৰণ হ'ল যুদ্ধই সৈনিকৰ মুক্ত জীৱন যাপন কৰাৰ অধিকাৰক স্বীকৃতি নিদিয়ে। সৈনিকে যুদ্ধৰ নামত জীৱনৰ অধিকাৰ অইনৰ হাতত সমর্পণ কৰিব লাগে। তেওঁ জোৰ দি কৈছিল যে 'কোনো মানুহৰে নিজৰ মুক্ত জীৱন জীয়াই থকাৰ অধিকাৰ আনক সমর্পণ কৰাৰ অধিকাৰ নাই'।
- গ্রীনৰ মতে যুদ্ধৰ একমাত্র ইতিবাচক দিশটো হ'ল ই মানুহৰ মনত দেশপ্রেম, আত্মবলিদান আৰু বীৰত্বৰ ভাৱনা গঢ়ি তোলে। এই গুণবোৰে মানৱ উন্নয়নৰ বাবে প্রয়োজনীয় সামাজিক চর্তবোৰ বর্তাই ৰাখে। কিন্তু দেশপ্রেমৰ নামত যুদ্ধৰ সূচনা কৰাতো সদায়েই ভুল। অহিংস উপায়েৰেও দেশপ্রেম জগাই তুলিব পাৰি।
- ৰাষ্ট্রবোৰৰ মাজত যুদ্ধ লগাতো অনিবার্য নহয়। যুদ্ধত লিপ্ত হ'বলৈ ৰাষ্ট্র গঠিত নহয়। ৰাষ্ট্রই ব্যক্তিৰ অধিকাৰ অক্ষুণ্ণ ৰখাৰ ক র্তব্য পালনত ব্যর্থতা প্রদর্শন কৰাৰ ফলতহে যুদ্ধৰ সূত্রপাত হয়। গ্রীনৰ ভাষাত, "এখন স্বতন্ত্র ৰাষ্ট্রৰ প্রণালী এটাৰ সূক্ষ্ম প্রকৃতিত যুদ্ধ প্রতিহত কৰিব নোৱাৰা কোনো কথাই নাথাকে। কিন্তু মানৱ সংগঠন, বিশেষকৈ ৰাষ্ট্রৰ প্রতিটো অগ্রগামী পদক্ষেপেই এই প্রকৃতিৰ বিপৰীতে যুদ্ধৰ দিশেহে আগবাঢ়ি যায়। দুখন ৰাষ্ট্রৰ মাজত অনিবার্য সংঘাত বুলি কোনো কথা নাথকে। ৰাষ্ট্রৰ প্রকৃতিত এনে কোনো কথা নাথাকে যিটোৱে এজনৰ লাভক আন এজনৰ লোকচানত পৰিণত কৰিব পৰাকৈ ৰাষ্ট্রক বহুলতা প্রদান কৰে। ৰাষ্ট্রবোৰে যিমানেই সকলো মানুহৰ সামর্থক মুক্ত সুযোগ-সুবিধা প্রদান কৰাৰ উপযুক্ত উদ্দেশ্যত অধিক নির্ভুলভাৱে উপনীত হ'ব, সিমানেই আনৰ বাবেও একে কাম কৰাতো উজু হৈ পৰিব। আৰু এই কামৰ সমানুপাত অনুসৰি সংঘাত সৃষ্টিৰ দুর্ভাৱনা নাইকিয়া হ'ব"। গ্রীনৰ মতে প্রতিখন ৰাষ্ট্রৰে ক র্তব্য হ'ল নাগৰিকক অধিকাৰ উপভোগ কৰিবলৈ দি তেওঁলোকৰ ব্যক্তিত্বৰ পূর্ণ বিকাশ সাধন কৰা। ৰাষ্ট্রই যিমানে

নাগৰিকক স্বাধীনতাৰ নিশ্চিতি প্রদানৰ মৌলিক কর্তব্য পালনত সফল হ'ব, সিমানেই ৰাষ্ট্রৰ মাজত সংঘাত সৃষ্টি হোৱাৰ দুর্ভাৱনা আঁতৰিব।

গ্রীনৰ যুদ্ধ বিষয়ক অসাধাৰণ দৃষ্টিভংগীটোক অৱশ্যে সেই সময়ৰ বহুতো পণ্ডিতে গ্রহণ কৰা নাছিল। তেওঁৰ 'সর্বদেশীয়' (cosmopolitan) মনোভাৱক কঠোৰ ভাষাৰে সমালোচনা কৰা হৈছিল। তেওঁ দেশপ্রেম আৰু জাতীয়তাবাদৰ প্রকৃত অর্থক লৈ খেল খেলা বুলি অইনৰ ৰোষত পৰিছিল। কিন্তু নিজ দর্শনত অটল গ্রীনে সমালোচকসকলৰ আক্রমণৰ প্রত্যুত্তৰত দৃঢ়তাৰে কৈছিল যে ৰাষ্ট্রই প্রদর্শন কৰা শক্তি একাধিক ৰাষ্ট্রৰ মাজত অনাৱশ্যক দুখ-দুর্দশাৰ কাৰণ হৈ পৰিছে। বিভিন্ন চৰকাৰ সংঘাতত লিপ্ত হৈ পৰা কথাটোত গ্রীনে কোনো কাৰণ বিচাৰি পোৱা নাছিল। গ্রীনৰ দৃষ্টিভংগীৰ বিৰুদ্ধে যিমানেই সমালোচনা কৰা নহওক কিয় অধ্যাপক বার্কাৰৰ মতে গ্রীনৰ যুদ্ধ বিষয়ক মতামতবোৰ হ'ল "তেওঁৰ বক্তৃতামালাৰ সর্বোত্তম আৰু সবাতোকৈ শক্তিশালী অংশবোৰৰ এটা"।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ গ্রীনে যুদ্ধ সম্পর্কে কি কৈছিল ? যুদ্ধ সমাজৰ বাবে প্রয়োজনীয়নে ?

৭.৭ গ্রীনে পোষকতা কৰা আন প্রধান ধাৰণাসমূহ

৭.৭.১ শাস্তি

গ্রীনে পোষকতা কৰা শাস্তিৰ ধাৰণাটোৰ তেওঁ সমর্থন কৰা অধিকাৰৰ ধাৰণাটোৰ সৈতে প্রত্যক্ষ সম্পর্ক আছে। তেওঁৰ মতে শাস্তি হ'ল মানুহৰ মুক্ত জীৱন যাপন কৰাৰ অধিকাৰ সীমিত কৰিবলৈ ৰাষ্ট্রৰ কর্তৃপক্ষই আৰোপ কৰা বাধা-নিষেধ। এই ধাৰণাটোৰ দ্বাৰা ফলৱতী কৰিব খোজা লক্ষ্যটো হ'ল ৰাষ্ট্রত অধিকাৰ আৰু কর্তব্য বর্তাই ৰখা তথা সমূহৰ সকলো সদস্যৰে নৈতিক বিকাশৰ বাবে আৱশ্যকীয় কার্য কৰাৰ স্বাধীনতা অক্ষুণ্ণ ৰখা। শাস্তি হ'ল অপৰাধীৰ শক্তিৰ বিৰুদ্ধে প্রয়োগ কৰা শক্তি। অপৰাধ সংঘটিত কৰাৰ বাবে প্রলোভিত হ'ব পৰা ৰাষ্ট্র অপৰাধী মানসিকতাৰ সদস্যসকলৰ মনত ভয়ৰ ভাৱ জগাই তুলিব পৰা নিবাৰণ প্রয়াসটোৰেই হ'ল শাস্তি। গ্রীনে ন্যায্য শাস্তি প্রদানৰ পোষকতা কৰিছিল। এনে শাস্তিয়ে ব্যক্তিৰ নৈতিক কল্যাণ সাধন কৰি অপৰাধী মানসিকতা প্রশমিত কৰে। ফলত ভৱিষ্যৎ সমাজখন শান্তিপূর্ণ হৈ পৰে।

৭.৭.২ সম্পত্তি

গ্রীনৰ সম্পত্তি বিষয়ক ধাৰণাটো হ'ল ব্যক্তিবাদ, উদাৰবাদ আৰু আদর্শবাদৰ এক মিশ্রিত ৰূপ। তেওঁ ব্যক্তিগত সম্পত্তিৰ ধাৰণাটো সম্পূর্ণৰূপে সমর্থন কৰা নাছিল।

কিন্তু সম্পত্তিক মানুহৰ ব্যক্তিত্ব বিকাশৰ বাবে অপৰিহার্য বুলি গণ্য কৰিছিল। গ্রীনে আগবঢ়োৱা সংজ্ঞা মতে মানুহে গ্রহণ কৰা আত্ম-উপলব্ধিৰ নীতিবোৰৰ মুকলি প্রয়োগৰ বাবে প্রয়োজনীয় উপকৰণবোৰৰ সমষ্টি আৰু উমৈহতীয়া কল্যাণলৈ আগবঢ়োৱা অৱদানেই হ'ল সম্পত্তি। তেওঁৰ মতে উমৈহতীয়া সামাজিক কল্যাণত অংশগ্রহণ কৰাৰ সামর্থ বিকশিত কৰিবলৈ প্রত্যেকৰে সম্পত্তি আহৰণ কৰাৰ অধিকাৰ আছে। ব্যক্তিভেদে সামর্থ ভিন ভিন হয় বাবে ব্যক্তিভেদে আহৰণ কৰা সম্পত্তিৰ পৰিমাণো স্বাভাৱিকতেই ভিন ভিন। অর্থাৎ, গ্রীনে সকলো ব্যক্তিৰ সম্পত্তি সমান হ'ব বুলি ভবা নাছিল। সম্পত্তি আহৰণ কৰাৰ সময়ত সম্পত্তিৰ অধিকাৰে সমাজৰ কল্যাণ আৰু অইনৰ আত্ম-উপলব্ধিৰ অধিকাৰত হস্তক্ষেপ কৰিব নোৱাৰে বুলিও গ্রীনে মত পোষণ কৰিছিল। যদি এনে হয়, তেন্তে ৰাষ্ট্রই এক সক্রিয় ভূমিকা লৈ এনেদৰে সম্পত্তি আহৰণ কৰাত বাধা দিব লাগিব। গ্রীন সম্পত্তি ধাৰলৈ দিয়া নিয়মৰ বিৰোধী আছিল। কাৰণ, এই নিয়মে মালিক আৰু বহতীয়া শ্রেণীৰ সৃষ্টি কৰে। তেওঁ ধাৰলৈ দিয়া সম্পত্তিৰ ক্ষেত্রত পৰিয়ালকেন্দ্রিক মীমাংসাৰো বিৰোধিতা কৰিছিল। গ্রীনে মাটিৰ গৰাকীসকলৰ হাতত কম মাটি থকাতো আৰু সেই মাটিত গৰাকীয়ে নিজে খেতি কৰাতো বিচাৰিছিল। তেওঁ গৰাকীয়ে সম্পত্তি বিভাজন অথবা অনা-আহৰিত বর্দ্ধিত সম্পত্তি ৰাষ্ট্রৰ সৈতে ভাগ-বাটোৰাৰা কৰাতো বিচাৰিছিল। কিন্তু তেওঁ মূলধন হাতত ৰখাৰ ক্ষেত্রত কোনো সীমাৱদ্ধতা আৰোপ কৰাৰ পক্ষপাতী নাছিল। ইয়াৰ ন্যায্যতা প্রদর্শন কৰি তেওঁ কৈছিল যে অইনক বঞ্চিত নকৰাকৈও অধিক মূলধন আহৰণ কৰিব পৰা যায়। কিন্তু অইনৰ অংশ হ্রাস নকৰাকৈ অধিক মাটি আহৰণ কৰিব পৰা নাযায়।

৭.৭.৩ প্রাকৃতিক নিয়ম

নিজৰ প্রাকৃতিক নিয়মৰ ধাৰণাটো প্রতিষ্ঠা কৰাৰ সময়ত গ্রীনে সামাজিক চুক্তিৰ পোষকতাকাৰীসকলৰ বিপৰীতে থিয় দিছিল। তেওঁৰ মতে সেই নিয়মহে স্বাভাৱিক যিটো লক্ষ্যক বাস্তৱ কৰি তোলাৰ বাবে আৱশ্যক। ব্যক্তিয়ে ৰাষ্ট্রসৃষ্ট অথবা ৰাষ্ট্রই সৃষ্টি নকৰা সকলো নিয়ম-বিধিৰ প্রতি আনুগত্যৰ ভাৰ ৰাখিব লাগে। কাৰণ, এই নিয়ম-বিধিবোৰ যুক্তিৰ আধাৰত প্রতিষ্ঠিত। তেওঁ বিধি-বিধানক এক উচ্চ আসনত ৰাখিছিল। অৱশ্যে তেওঁ কৈছিল যে প্রাকৃতিক নিয়মৰ সৈতে খাপ নোখোৱা যিকোনো বিধি-বিধান খাৰিজ কৰা উচিত। প্রাকৃতিক নিয়ম সমাজৰ দ্বাৰা বলবৎ কৰাতো আৱশ্যকীয় নহয় যদিও এই নিয়মবোৰৰ বলবৎসাধ্যতা থকা উচিত। প্রাকৃতিক নিয়মৰ এই বলবৎসাধ্যতাই ইয়াক নৈতিকতাৰ পৰা পৃথক কৰি তোলে। প্রকৃতিক নিয়ম এক ক্রমবিৱর্তনশীল ধাৰণা। ই ব্যক্তিৰ নৈতিক সচেতনতাৰ বিকাশৰ সৈতে অবিৰত ভাৱে বিকশিত হৈ গৈ থাকে।

৭.৭.৪ সমাজ

গ্রীনৰ ভাষাত ৰাষ্ট্ৰ হ'ল 'একাধিক সমাজেৰে গঠিত এখন সমাজ' (State is a society of societies)। ৰাষ্ট্ৰই সামৰি লোৱা সমাজবোৰৰ ভিতৰত এনে বহুতো সমাজ থাকে যিবোৰ ৰাষ্ট্ৰই সৃষ্টি নকৰে। এনে সমাজৰ নিজা পৰিচয় আৰু অধিকাৰ ব্যৱস্থা আদি থাকে। এই সমাজবোৰে ব্যক্তিক আশা-আকাংক্ষা পূৰণ কৰাত সহায় কৰে। গ্রীন কোনোপধ্যে বহুত্ববাদী আৰু ৰাষ্ট্ৰৰ সর্বেসর্বতাৰ সমর্থক নাছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ সমাজৰ সংস্কাৰ সাধন কৰিবলৈ শাস্তিৰ প্রয়োজনীয়তা আছেনে? উত্তৰৰ সপক্ষে যুক্তি দর্শাওক।

প্রশ্ন নং ৬ ঃ গ্রীনে ব্যক্তিগত সম্পত্তিক সমর্থন কৰিছিলনে? তেওঁ কেনেধৰণৰ সম্পত্তিৰ কথা কৈছিল?

প্রশ্ন নং ৭ ঃ সমাজ সম্পর্কে গ্রীনৰ দৃষ্টিভংগী কেনে আছিল লিখক।

৭.৮ গ্রীনৰ এক মূল্যায়ন

অন্য ৰাজনৈতিক চিন্তাবিদসকলৰ দৰে গ্রীনেও বহুসময়ত বিভিন্ন সমালোচনাৰ সন্মুখীন হৈছিল। গ্রীনৰ সার্বভৌমত্ব আৰু ৰাষ্ট্ৰৰ তত্ত্বত আলোকপাত কৰি হবচ্হাউচে কৈছিল, "....যদি এয়া ইচ্ছা হয় তেন্তে এয়া সাধাৰণ নহয়, আৰু যিহেতু এয়া সাধাৰণ সেয়েহে ই ইচ্ছা নহয়"। ৰাষ্ট্ৰ এখনত মানুহে কৰা কার্যবোৰক প্রভাৱিত কৰা অৱচেতন কাৰকবোৰক বিচাৰৰ আওতালৈ ননা বাবে গ্রীনক সমালোচনা কৰা হৈছিল। কাৰণ, তেওঁ মানুহক সম্পূর্ণ সচেতন সত্বা বুলি কৰা দাবীটো সার্বজনীন সত্য নহয়।

কিছুমান ব্যক্তিৰ হাতত মূলধন কেন্দ্রীভূতকৰণলৈ গ্রীনে আগবঢ়োৱা সমর্থন সম্পূর্ণ অযুক্তিকৰ। ই মাত্রাধিক সম্পত্তিৰ এটা ৰূপ। মূলধন কেন্দ্রীভূতকৰণে সমাজত স্তৰীভৱন সংঘটিত কৰিব। ক্রুকাৰ, চেবাইন, ৰে'পাৰ আৰু মেক্সীৰ দৰে পণ্ডিতে আনহাতে ৰাজনৈতিক চিন্তাৰ ক্ষেত্রখনলৈ গ্রীনে আগবঢ়োৱা অৱদানৰ ইতিবাচক দিশবোৰত আলোকপাত কৰিছে। বার্কাৰৰ মতে, "গ্রীন একেধাৰে এগৰাকী উগ্র আদর্শবাদী আৰু সৌম্য বাস্তৱবাদী আছিল। কিছু কিছু দিশত আমাৰ মতপার্থক্য থাকিব পাৰে, কিন্তু তেওঁ উপস্থাপন কৰা সাধাৰণ আদর্শবোৰ সেই সময়তো প্রাসংগিক আছিল আৰু সেয়া আজিও প্রাসংগিক হৈ আছে। ব্যক্তিগত কল্যাণৰ মূল্যৰ ক্ষেত্রত গ্রীনে স্থাপন কৰা দৃঢ় বিশ্বাস হ'ল সামাজিক কল্যাণৰ অবিচ্ছেদ্য অংগ। তেওঁ ৰাষ্ট্ৰক এক ৰহস্যময় সত্বালৈ উন্নীত কৰিবলৈ অস্বীকাৰ কৰিছিল। তেওঁ বিশ্বজনীন ভ্রাতৃত্ববোধ আৰু আন্তর্জাতিক আইনৰ ধাৰণাক স্বীকৃতি দিছিল। নৈতিক কার্যৰ পাৰদর্শিতাত থাকিবলগীয়া স্বতঃস্ফূর্ততা বর্তাই ৰাখিবলৈ তেওঁ ৰাষ্ট্ৰৰ ক্ষমতা সীমাৱদ্ধ কৰি ৰখাৰ প্রতি আগ্রহী আছিল।

ব্যক্তিক অধিকাৰৰ গৰাকী কৰি তোলাত তেওঁ বিশ্বাসী আছিল। তেওঁ সম্পত্তিক ব্যক্তিত্ব প্রকাশৰ এক মাধ্যমৰূপে গণ্য কৰিছিল। তেওঁ মানি লৈছিল যে চৰম পৰিস্থিতিত ৰাষ্ট্রৰ বিৰুদ্ধে প্রতিৰোধ গঢ়ি তোলাতো ব্যক্তিৰ কর্তব্য। এই আটাইবোৰ কথাই ১৮৭৯-৮০ চনত গ্রীনে প্রদান কৰা ভাষণৰ সময়তো প্রাসংগিক আছিল আৰু আজিলৈকে এইবোৰৰ প্রাসংগিকতা অক্ষুণ্ণ আছে"।

সমালোচনাৰ যোগ্য আৰু ইতিবাচক দিশ দুয়োটাৰে সমৃদ্ধ গ্রীনৰ ৰাজনৈতিক তত্ত্বটোক সেই সময়ৰ ইংলেণ্ডৰ বাবে এক বিকল্প তত্ত্ব বুলি ধৰা হয়। গ্রীনৰ তত্ত্বটোৰ সাৰাংশ আনি চেবাইনৰ এটা উক্তিৰ জৰিয়তে সহজে বুজিব পাৰো। চেবাইনৰ মতে ঃ

"গ্রীনে উদাৰবাদী তত্ত্বটোত সামূহিক কল্যাণৰ ধাৰণাটো যোগ দিছিল। ইয়াক তেওঁ ব্যক্তিগত স্বাধীনতা আৰু দায়িত্বৰ পূর্বচর্ত হিচাপে উপস্থাপন কৰিছিল। একেদৰে, সুচিন্তিত সামাজিক নীতিয়ে উমৈহতীয়া স্বার্থ সুৰক্ষাক ন্যায্যতা প্রদান কৰে। যেনে- ৰাজহুৱা স্বাস্থ্য অথবা শিক্ষা অথবা জীৱন যাপনৰ একোটা মর্যাদাপূর্ণ মান আদিৰ দৰে বিষয় ব্যক্তিগত সম্পত্তিৰ দৰে ব্যক্তিগত অধিকাৰৰক্ষাৰ বিষয়তকৈ কোনোগুণে কম গুৰুত্বপূর্ণ নহয়। গ্রীনে পোষকতা কৰা উদাৰবাদী বিধি-বিধানবোৰে এই কথাত গুৰুত্ব দিছিল যে সর্বোত্তম ব্যক্তিগত স্বাধীনতাৰ নিশ্চিতি দিয়াটোৱেই চৰকাৰৰ শেষ কৰণীয় নহয়, চৰকাৰৰ কাম হ'ল জীৱন যাপনৰ মান, শিক্ষা আৰু সুৰক্ষাৰ দৰে দিশবোৰত সকলোৰে ন্যূনতম হ'লেও কল্যাণ সাধন কৰিব পৰা পৰিৱেশ গঢ়ি তোলাতো সুনিশ্চিত কৰা। এনেবোৰ দিশত ন্যূনতম সীমাৰ তললৈ যাতে জনসংখ্যাৰ এক বুজন অংশ নামি নাযায় সেয়া নিশ্চিত কৰাটোৱেই হ'ল সুচিন্তিত নীতিৰ সাৰ। অর্থাৎ, ক'ব পাৰি যে নীতিগতভাৱে গ্রীনৰ উদাৰবাদৰ পুনৰীক্ষণে 'অবন্ধ নীতি'য়ে ৰাজনীতি আৰু অর্থনীতিৰ মাজত সৃষ্টি কৰা ব্যৱধানটো নাইকিয়া কৰি চৰকাৰক সন্তোষজনক ফলাফল দেখুৱাব নোৱাৰা অর্থনৈতিক ব্যৱস্থাবোৰ নিয়ন্ত্রণ কৰাৰ ক র্তব্য সঁপি দিছিল।



৭.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ইংলিচ আদর্শবাদ অথবা অক্সফ'র্ড আদর্শবাদৰ উত্থান ঘটাৰ সময়ছোৱা হ'ল ইংলেণ্ডত আৰম্ভ হোৱা ঔদ্যোগিক বিপ্লৱ। ইংৰাজ আদর্শবাদীসকল জার্মান আদর্শবাদীসকলৰ দ্বাৰা অনুপ্রাণিত হৈছিল। ইংৰাজ আদর্শবাদীসকলে ৰাষ্ট্রৰ ভূমিকা সংশোধন কৰি ইয়াক এটা অধিক মানৱিক ৰূপ প্রদান কৰিছিল।
- টি.এইছ.গ্রীনৰ ৰাজনৈতিক দর্শনৰ বহল ব্যাখ্যা থকা কেইখনমান উল্লেখযোগ্য গ্রন্থ হ'ল- প্রিন্সিপলচ্ অব্ প'লিটিকেল অব্লিগেশ্যন্স্ (১৮৮২ চন), লেক্চাৰচ্ অন লিবাৰেল লেজিছলেশ্যন এণ্ড ফ্রীডম অব্ কণ্ট্রাক্ট, লেক্চাৰচ্ অন দ্য ইংলিচ ৰিভ'লিউশ্যন আৰু প্র'লেগ'মেনা টু এথিকচ্।
- গ্রীনৰ ৰাষ্ট্রৰ ধাৰণাটো এক সুস্থ আৰু যৌক্তিক ভেটিত প্রতিষ্ঠিত। তেওঁ ৰাষ্ট্রক অন্তিম

ফলাফল বুলি গণ্য কৰা নাছিল। তেওঁৰ মতে ৰাষ্ট্ৰ হ'ল অন্তিম লক্ষ্যত উপনীত হোৱাৰ এক মাধ্যম। নিজৰ ৰাষ্ট্ৰ বিষয়ক ধাৰণাটো গঢ় দিবৰ সময়ত তেওঁ কাণ্টৰ ৰাষ্ট্ৰ সম্পৰ্কীয় বিশ্বাস এটা অনুসৰণ কৰিছিল। তেওঁ বিশ্বাস কৰিছিল যে প্ৰতিগৰাকী ব্যক্তিৰে মোল তথা মর্যাদা আছে যিবোৰে ব্যক্তিক যিকোনো উদ্দেশ্যেৰে চলিব পৰা সকলো ধৰণৰ শোষণৰ পৰা ৰক্ষা কৰে। ৰাষ্ট্ৰ নিজা আয়ুসৰ কোনো অস্তিত্ব নাই যদিহে ইয়াৰ নাগৰিকৰ জীৱনৰ কোনো অস্তিত্ব নাথাকে। সেয়েহে ৰাষ্ট্ৰৰ বিকাশ অথবা প্ৰগতি এক আপেক্ষিক বিষয়। ৰাষ্ট্ৰৰ অন্তর্গত সমাজৰ সদস্যসকলৰ উন্নয়ন সাপেক্ষেহে ৰাষ্ট্ৰৰ উন্নয়ন সাধন হয়। এইটো কাৰণতে গ্ৰীনে ৰাষ্ট্ৰৰ সৈতে এটা নেতিবাচক প্ৰকার্য সংলগ্ন কৰিছিল।

- স্বাধীনতা হ'ল আত্ম-উপলব্ধিৰ প্ৰাথমিক চর্ত। আত্ম সচেতনতাৰ সহায়ত স্বাধীনতা উপভোগ কৰিব পাৰি। এনে পৰিস্থিতিত ব্যক্তিৰ নিজৰ লগতে আনেও স্বাধীনতা উপভোগ কৰিব পাৰে। ই সামাজিক উন্নয়ন সাধন কৰে। কাৰণ, ব্যক্তিগত সত্বাটো হ'ল এক সামাজিক সত্বা।
- ইতিবাচক স্বাধীনতাৰ পৰা অধিকাৰৰ জন্ম হয়। কোনো এখন ৰাষ্ট্ৰত যদি ইতিবাচক স্বাধীনতাৰ অস্তিত্ব আছে তেন্তে তাত অধিকাৰ দাবী কৰাৰো সুযোগ থাকিব। অর্থাৎ, স্বাধীনতা আৰু অধিকাৰ এটা আনটোৰ অনুপূৰক তথা পৰিপূৰক। স্বাধীনতাৰ দৰে অধিকাৰো ব্যক্তিৰ নৈতিক সচেতনতা বিকাশৰ বাবে প্ৰয়োজনীয় উপাদান।
- ব্যক্তিৰ কোনো কোনো বিশেষ পৰিস্থিতিত ৰাষ্ট্ৰৰ বিপক্ষে প্ৰতিৰোধ গঢ়ি তোলাৰ অধিকাৰ থাকে।
- যুদ্ধ ৰাষ্ট্ৰত নিহিত থাকিবলগীয়া বৈশিষ্ট্য নহয়। ৰাষ্ট্ৰ এখন ত্ৰুটিপূর্ণ অৱস্থাত থাকিলেহে যুদ্ধৰ বৈশিষ্ট্য প্ৰকট হয়। ই ব্যক্তিৰ মৌলিক অধিকাৰ (জীৱনৰ অধিকাৰ) খর্ব কৰে বাবে গ্ৰীনে যুদ্ধৰ বিৰোধিতা কৰিছিল।
- গ্ৰীনে শাস্তি, সম্পত্তি, প্ৰাকৃতিক নিয়ম আৰু সমাজ সম্পর্কেও নিজৰ দৃষ্টিভংগী উপস্থাপন কৰিছিল।



৭.১০ অধিক জানিবলৈ

১) Coker, Francis William. *Readings in Political Philosophy*. Nabu Press.

২) Nelson, Brain R. (2006). *Western Political Thought* (Second Edition). New Delhi: Pearson Education.

৩) Sabine G.H. (1973). *History of Political Thought*. New Delhi : Oxford and IBH.

৪) Sharma, S.K. and Sharma, Urmila (2003). *Western Political Thought-from Plato to Burke*. Atlantic.



৭.১১ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ইংলিচ আদর্শবাদক অক্সফ'র্ড আদর্শবাদ বুলিও কোৱা হয়। ইংলেণ্ডত আৰম্ভ হোৱা ঔদ্যোগিক বিপ্লৱৰ পৃষ্ঠভূমিত এই আদর্শবাদে গা কৰি উঠিছিল। ইয়াৰ পৃষ্ঠপোষকতাকাৰীসকল জার্মান আদর্শবাদৰ দ্বাৰা অনুপ্রাণিত হৈছিল। ঊনবিংশ শতিকাৰ দর্শন জগতখন ইমানুৱেল কাণ্ট্, জি.ডব্লিউ.হেগেল, ফ্রেডৰিখ্ ৱিলহেম, জোচেফ শ্বিলিং আদিৰ দৰে জার্মান আদর্শবাদী দার্শনিকৰ দখলত আছিল। এই পৰম্পৰাটোৱে সকলো পৰিঘটনাৰ মানসিক অথবা 'আদর্শ' চৰিত্রবোৰৰ বিচাৰ-বিশ্লেষণত গুৰুত্ব আৰোপ কৰিছিল। ই পৰৱর্তী সময়ত আদর্শবাদী আৰু বিষয়নিষ্ঠতাবাদী চিন্তাস্রোতৰ উন্মেষ ঘটাইছিল। এই চিন্তাস্রোতেই হ'ল ইংলিচ আদর্শবাদৰ ভেটি।

২ নং প্রশ্নৰ উত্তৰ ঃ গ্রীনৰ ৰাজনৈতিক দর্শন তেওঁৰ ৰচনাৰাজিত সিঁচৰতি হৈ আছে। তেওঁৰ কেইখনমান উল্লেখযোগ্য গ্রন্থ হ'ল-

প্রিন্সিপলচ্ অব্ প'লিটিকেল অব্লিগেশ্যন্স্ (১৮৮২ চন), লেক্চাৰচ্ অন লিবাৰেল লেজিছলেশ্যন এণ্ড ফ্রীডম অব্ কণ্ট্রাক্ট, লেক্চাৰচ্ অন দ্য ইংলিচ ৰিভ'লিউশ্যন আৰু প্র'লেগ'মেনা টু এথিকচ্ আদি।

৩ নং প্রশ্নৰ উত্তৰ ঃ স্বাধীনতাৰ পৰা। সমাজবাদী অধিকাৰ।

৪ নং প্রশ্নৰ উত্তৰ ঃ গ্রীনৰ মতে যুদ্ধ কেতিয়াও ৰাষ্ট্র এখনৰ থাকিবলগীয়া আৱশ্যকীয় গুণ নহয়। এখন ত্রুটিপূর্ণ ৰাষ্ট্রতহে এই বৈশিষ্ট্যটোৱে গা কৰি উঠে। এখন ৰাষ্ট্র যিমানেই কম ত্রুটিপূর্ণ হ'ব, সিমানেই যুদ্ধৰ সম্ভাৱনা কমি যাব।

গ্রীনে যুদ্ধৰ প্রবল বিৰোধিতা কৰিছিল। কাৰণ, ই মৌলিক মানৱ অধিকাৰ (জীৱনৰ অধিকাৰ) খর্ব কৰে। তেওঁৰ মতে যুদ্ধ হ'ল এটা ভুল শুধৰাবলৈ কৰা আন এটা ভুল। যুদ্ধৰ সময়ত যিহেতু মানুহৰ মুক্ত জীৱন যাপন কৰাৰ অধিকাৰ কাঢ়ি লোৱা হয়, সেয়েহে ই সকলো সময়তে এটা ভুলেই হৈ ৰৈ যায়। গ্রীনে যুদ্ধক আপেক্ষিক বুলি কৈছিল। যুদ্ধ কেতিয়াও চৰম পৰিণতি হ'ব নোৱাৰে। গ্রীনে যুদ্ধক নৈতিক দোষ বুলি কৈছিল। কাৰণ, যুদ্ধত মানুহৰ প্রাণহানি কৰাতো অনাভিপ্রেত কার্য নহয়। যুদ্ধত এইনৰ জীৱন হানি কৰাজনে সেয়া জানি-শুনি কৰে আৰু সেয়েহে ই এক গুৰুতৰ অপৰাধ। গ্রীনে নিজ যুক্তিৰ সপক্ষে ব্যাখ্যা দাঙি ধৰি কৈছিল যে বনৰীয়া জন্তুৰ চিকাৰ হৈ অথবা বজ্রপাত পৰি মৃত্যু হোৱা মানুহৰ ক্ষেত্রত অধিকাৰ খর্ব হোৱাৰ কথা নাহে। কাৰণ, মানুহ আৰু প্রকৃতিৰ মাজত কোনো অধিকাৰৰ ধাৰণা নৰজে। যুদ্ধত মানুহৰ মৃত্যু হোৱাতো এটা অস্বাভাৱিক পৰিস্থিতি। মানুহে নিজে আৰু বিভিন্ন আন্তর্জাতিক অভিকৰণে নিজ স্বার্থ সিদ্ধিৰ বাবে এই পৰিস্থিতি সৃষ্টি কৰি লয়। গ্রীনে যুদ্ধ এটা নৈতিক দোষ বুলি কোৱাৰ আন এক কাৰণ হ'ল যুদ্ধই সৈনিকৰ মুক্ত জীৱন যাপন কৰাৰ অধিকাৰক স্বীকৃতি নিদিয়ে। সৈনিকে যুদ্ধৰ নামত

জীৱনৰ অধিকাৰ অইনৰ হাতত সমর্পণ কৰিব লাগে। তেওঁ জোৰ দি কৈছিল যে 'কোনো মানুহৰে নিজৰ মুক্ত জীৱন জীয়াই থকাৰ অধিকাৰ আনক সমর্পণ কৰাৰ অধিকাৰ নাই'।

৫ নং প্রশ্নৰ উত্তৰ ঃ হয়, আছে। শাস্তি হ'ল মানুহৰ মুক্ত জীৱন যাপন কৰাৰ অধিকাৰ সীমিত কৰিবলৈ ৰাষ্ট্ৰৰ কর্তৃপক্ষই আৰোপ কৰা বাধা-নিষেধ। এই ধাৰণাটোৰ দ্বাৰা ফলৱতী কৰিব খোজা লক্ষ্যটো হ'ল ৰাষ্ট্ৰত অধিকাৰ আৰু কর্তব্য বর্তাই ৰখা তথা সমূহৰ সকলো সদস্যৰে নৈতিক বিকাশৰ বাবে আৱশ্যকীয় কার্য কৰাৰ স্বাধীনতা অক্ষুণ্ণ ৰখা। শাস্তি হ'ল অপৰাধীৰ শক্তিৰ বিৰুদ্ধে প্রয়োগ কৰা শক্তি। অপৰাধ সংঘটিত কৰাৰ বাবে প্রলোভিত হ'ব পৰা ৰাষ্ট্ৰ অপৰাধী মানসিকতাৰ সদস্যসকলৰ মনত ভয়ৰ ভাৱ জগাই তুলিব পৰা নিবাৰণ প্রয়াসটোৱেই হ'ল শাস্তি। ন্যায্য শাস্তি প্রদানে ব্যক্তিৰ নৈতিক কল্যাণ সাধন কৰি অপৰাধী মানসিকতা প্রশমিত কৰে। ফলত ভৱিষ্যৎ সমাজখন শান্তিপূর্ণ হৈ পৰে।

৬ নং প্রশ্নৰ উত্তৰ ঃ হয়, কৰিছিল। গ্রীন বৃহৎ পৰিমাণৰ ভূ-সম্পত্তি আহৰণৰ বিৰোধী আছিল। তেওঁ ব্যক্তি কম পৰিমাণৰ মাটিৰ গৰাকী হ'ব লাগে বুলি মত পোষণ কৰিছিল।

৭ নং প্রশ্নৰ উত্তৰ ঃ গ্রীনৰ ভাষাত ৰাষ্ট্ৰ হ'ল 'একাধিক সমাজেৰে গঠিত এখন সমাজ' (State is a society of societies)। ৰাষ্ট্ৰই সামৰি লোৱা সমাজবোৰৰ ভিতৰত এনে বহুতো সমাজ থাকে যিবোৰ ৰাষ্ট্ৰই সৃষ্টি নকৰে। এনে সমাজৰ নিজা পৰিচয় আৰু অধিকাৰ ব্যৱস্থা আদি থাকে। এই সমাজবোৰে ব্যক্তিক আশা-আকাংক্ষা পূৰণ কৰাত সহায় কৰে। গ্রীন কোনোপধ্যে বহুত্ববাদী আৰু ৰাষ্ট্ৰৰ সর্বেসর্বতাৰ সমর্থক নাছিল।



৭.১২ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ ইংলিচ আদর্শবাদ সম্পর্কে চমুকৈ লিখক।

প্রশ্ন ২ ঃ ৰাষ্ট্ৰ সম্পর্কে গ্রীনে আগবঢ়োৱা দৃষ্টিভংগীটো আলোচনা কৰক।

প্রশ্ন ৩ ঃ স্বাধীনতা আৰু অধিকাৰ সম্পর্কে গ্রীনৰ দৃষ্টিভংগী কেনে আছিল আলোচনা কৰক।

প্রশ্ন ৪ ঃ যুদ্ধ সম্পর্কে গ্রীনে কেনে মত পোষণ কৰিছিল আলোচনা কৰক।

প্রশ্ন ৫ ঃ শাস্তি, সম্পত্তি, প্রাকৃতিক নিয়ম আৰু সমাদ সম্পর্কে গ্রীনে আগবঢ়োৱা মতবোৰ ব্যাখ্যা কৰক। গ্রীনৰ ভাৱাদর্শৰ মূল্যায়ন কৰক।

*** ***** ***

অধ্যায় ৮ ঃ ইউটোপিয়ান সমাজবাদ- ৰ'বার্ট অ'ৱেন

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ ৰ'বার্ট অ'ৱেন আৰু ইউটোপিয়ান সমাজবাদ
৮.৩.১ ইউটোপিয়ান সমাজবাদৰ ধাৰণা
৮.৩.২ ৰ'বার্ট অ'ৱেনৰ দৃষ্টিভংগী
৮.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৫ অধিক জানিবলৈ
৮.৬ অগ্রগতিৰ খতিয়ান
৮.৭ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ইউটোপিয়ান সমাজবাদৰ ধাৰণাটো ব্যাখ্যা কৰিব পাৰিব
- অধিক সমতা আৰু ন্যায়পূর্ণ সমাজ এখনৰ প্রতিষ্ঠা সন্দর্ভত ৰ'বার্ট অ'ৱেনৰ দৃষ্টিভংগী কি আছিল সেয়া আলোচনা কৰিব পাৰিব।

৮.২ পৰিচয়

পূৰ ইউৰোপ আৰু গ্রেট বৃটেইনত ঔদ্যোগিকীকৰণ ঘটাৰ পাছৰ সময়ছোৱাত উত্থান ঘটা এটা ধাৰণা হ'ল সমাজবাদ। প্রাৰম্ভিক অৱস্থাত ধাৰণাটো অত্যন্ত নৈতিক প্রকৃতিৰ আছিল। সেয়েহে পৰৱর্তী সময়ত ইয়াক ইউটোপিয়ান (কাল্পনিক আদর্শ) বুলি গণ্য কৰা হৈছিল। সেই সময়ছোৱাৰ দুগৰাকী খ্যাতনামা ইউটোপিয়ান সমাজবাদী আছিল ৰ'বার্ট অ'ৱেন আৰু চার্লছ্ ফ'ৰিয়াৰ। ফ্রান্সত গা কৰি উঠা ইউটোপিয়ান সমাজবাদৰ সৈতে চেইণ্ট চাইমন, চার্লছ্ ফ'ৰিয়াৰ আৰু পীয়েৰ লেৰ'ৰ দৰে চিন্তাবিদৰ নাম জড়িত হৈ আছে। গ্রেট বৃটেইনত এই ধাৰণাটোৰ গুৰি ধৰিছিল কেৱল ৰ'বার্ট অ'ৱেনে।

৮.৩ ৰ'বার্ট অ'ৱেন আৰু ইউটোপিয়ান সমাজবাদ

৮.৩.১ ইউটোপিয়ান সমাজবাদৰ ধাৰণা

ইউটোপিয়ান সমাজবাদৰ মৌলিক ধাৰণাটো হ'ল সমসাময়িক যুগত গা কৰি

উঠা বিভিন্ন কাৰকৰ প্ৰত্যক্ষ ফল। সেই সময়ছোৱা আছিল নগৰীকৰণৰ আদিযুগ। ঔদ্যোগিক বিপ্লৱ আৰু ই লাভ কৰা সঁহাৰিবোৰৰ ফলশ্ৰুতিত নগৰীকৰণ প্ৰক্ৰিয়াৰ সূত্ৰপাত হৈছিল। গ্ৰামাঞ্চলবোৰৰ পৰা সমাজৰ নিম্ন শ্ৰেণীটোৰ এক বুজন পৰিমাণৰ জনসংখ্যাই নগৰ-চহৰত থিতাপি ল'বলৈ আহিল। ফলত দৰিদ্ৰ লোকৰ সংখ্যা বৃদ্ধি পালে আৰু তাৰ লগতে নানা ধৰণৰ অনৈতিক কাৰ্যকলাপো বাঢ়িল। স্বাভাৱিকভাৱেই বাসগৃহ আৰু অনাময় ব্যৱস্থাবোৰৰ দশা শোচনীয় হৈ পৰিল। ঔদ্যোগিকীকৰণৰ এই ফলাফলবোৰ উলাই কৰিব পৰা বিধৰ নাছিল।

অষ্টাদশ শতিকাৰ শেষ আৰু ঊনবিংশ শতিকাৰ আৰম্ভণিৰ সময়ছোৱাত বৰ্দ্ধিত ঔদ্যোগিকীকৰণে সৃষ্টি কৰা সমস্যাবোৰৰ মুখামুখি হ'বলৈ বিভিন্ন সমাজ সংস্কাৰকে সমাজৰ বিভিন্ন বিকল্প আৰ্হি আগবঢ়াইছিল। লোভ আৰু লাভ আহৰণৰ অভিপ্ৰায়েৰে পৰিচালিত ৰূঢ় ঔদ্যোগিক শ্ৰমিক নিয়ন্ত্ৰণৰ অনুশীলনবোৰ চলি থকাৰ সময়তে ইউটোপিয়ান সমাজবাদী সকলে কৈছিল যে সমাজ একে সময়তে ঔদ্যোগিক আৰু মানৱিক দুয়োটা হ'ব পাৰে।

এই চিন্তাৰ এক গুৰুত্বপূৰ্ণ অংশ আছিল পৰিকল্পিত সম্প্ৰদায় গঢ়ি তুলিবলৈ ইউটোপিয়ান সমাজবাদীসকলে আগবঢ়োৱা পৰামৰ্শ। ইয়াৰ দ্বাৰা ব্যক্তিগত প্ৰতিযোগিতাৰ স্থানত এখন সামূহিক সমাজ স্থাপনৰ কথা কোৱা হৈছিল য'ত সকলোৰে মৌলিক প্ৰয়োজনবোৰ পূৰ হ'ব, কাৰো একো অভাৱ নাথাকিব আৰু সমাজত সমতা থাকিব। সমালোচকে ইউটোপিয়ান বুলি সমালোচনা কৰাৰ পাছতো গ্ৰেট বৃটেইন আৰু আমেৰিকা যুক্তৰাষ্ট্ৰত এনে সামূহিক সমাজ গঢ়াৰ প্ৰয়াস চলিছিল। অৱশ্যে এনে আটাইবোৰ প্ৰচেষ্টা বিফল হৈছিল।

চেইণ্ট চাইমন, চার্লছ্ ফ'ৰিয়াৰ, পীয়েৰ লেৰ' আৰু ৰ'বার্ট অ'ৱেনৰ দৰে ইউটোপিয়ান সমাজবাদীসকলৰ কৰ্মৰাজি অধ্যয়নৰ পৰা গম পোৱা গৈছিল যে উপযুক্ত শিক্ষা হ'ল মানৱ জাতিৰ সন্তুষ্টি বৃদ্ধি কৰিব পৰা একমাত্ৰ মাধ্যম। সমাজৰ সকলো শ্ৰেণীৰ লোকৰে আনন্দ বৃদ্ধি কৰাতো জনগণৰ বাবে গ্ৰহণ কৰা শিক্ষাৰ লক্ষ্য হোৱা উচিত।

৮.৩.২ ৰ'বার্ট অ'ৱেনৰ দৃষ্টিভংগী

অ'ৱেনে সমগ্ৰ মানৱ জাতিৰ আনন্দ বৃদ্ধি কৰাৰ আশাৰে যিসকলে নিজৰ হৈ মাত মাতিব নোৱাৰে সেইসকলৰ কণ্ঠ হৈ নিজৰ মতামত দাঙি ধৰিছিল। অ'ৱেন আছিল একেধাৰে এগৰাকী সমাজ সংস্কাৰক, সম্প্ৰদায় গঠনকাৰী, কাৰখানাৰ পৰিচালক, বাটকটীয়া আৰু সমাজবাদী। তেওঁ নিজকে সমাজ বিজ্ঞানী বুলিও দাবী কৰিছিল। তেওঁ একাধিক তাত্ত্বিক আৰু ব্যৱহাৰিক সামাজিক কাৰ্যকলাপত জড়িত আছিল। ঔদ্যোগিক কপাহ কটা কাম পৰিচালনা কৰাৰ লগতে তেওঁ দৰিদ্ৰৰ বাবে সাহায্য প্ৰদান,

সমূহ গঠন, শ্রমিক সংগঠন প্রতিষ্ঠা, সমবায় খোলা, শিক্ষাৰ প্রসাৰ, নাৰীবাদী কার্যকলাপ, ধর্মনিৰপেক্ষতা, সমাজবাদ আৰু সমাজ বিজ্ঞানৰ দৰে বিভিন্ন ক্ষেত্রত সমান উদ্যমেৰে জড়িত হৈ আছিল।

- **চৰিত্রৰ গণ সংস্কাৰ সাধন**

ৰ'বার্ট অ'ৱেনৰ মতে আমি যুৱ সমাজৰ আচৰণক গঢ় দিব পাৰো। তেওঁ বিশ্বাস কৰিছিল যে পৰিৱেশে চৰিত্র গঢ়ে। সেয়েহে যুৱ প্রজন্মই যদি কিবা বেয়া গুণ আয়ত্ব কৰে, তেন্তে তাৰবাবে আমিয়েই জগৰীয়া। এই বিধ্বংসী চক্রটো উৎখাত কৰিবলৈ সেয়েহে জনসাধাৰণক শিক্ষিত কৰি তোলাত গুৰুত্ব দিব লাগিব। তেওঁ কৈছিল যে সমাজক নতুনকৈ গঢ় দিয়াত শিক্ষাই এক তাৎপর্যপূর্ণ ভূমিকা পালন কৰিব পাৰে। তেওঁৰ মতে সকলো মানুহৰ আনন্দৰ মাত্রা কমি যোৱাৰ পৰিণতি স্বৰূপে সমাজৰ নিম্ন শ্রেণাটোত গা কৰি উঠা সমস্যাবোৰ নাইকিয়া কৰিবলৈ এই শ্রেণীটো পুনৰগঠন কৰিব লাগিব।

অ'ৱেনে বিশ্বাস কৰিছিল যে চৰিত্রৰ গণ সংস্কাৰ সাধন (mass reformation of character)ৰ বাবে সকলোৱে দায়িত্ব লোৱা উচিত। আমি সকলোৱে উন্নত নৈতিক শিক্ষা আহৰণৰ প্রতি আগ্রহী হোৱা উচিত। এই অন্বেষণে সকলোৰে আনন্দ বৃদ্ধি কৰিব পাৰে (Owen, 1816)। তেওঁ বিপ্লৱেৰে নহয় সংস্কাৰ সাধনৰ মাধ্যমেৰেহে সমাজৰ সকলো শ্রেণীৰ লোকৰ আনন্দৰ মাত্রা বৃদ্ধিৰ পোষকতা কৰিছিল। ইয়াৰ পৰাই প্রমাণ হয় যে অ'ৱেনে চৰকাৰৰ প্রতিষ্ঠিত ৰূপটোৰ মাজত থাকিয়েই এখন উন্নত সমাজ গঢ়াৰ ধাৰণাটোক সমর্থন কৰিছিল। এইটো কাৰণতে মার্ক্স আৰু এংগেলচ্ৰ দৰে পৰৱর্তী কালৰ সমাজবাদীসকলে অ'ৱেনক ইউটোপিয়ান আখ্যা দিছিল।

- **নিউ লেনার্ক পৰীক্ষণ**

১৭৯২ চনত অ'ৱেনে মানচেষ্টাৰৰ এটা কপাহ কটা মিলৰ পৰিচালকৰ পদ গ্রহণ কৰিছিল। ইয়াত কাম কৰি থকাৰ সময়তে তেওঁ ঔদ্যোগিক বিপ্লৱে শ্রমিক শ্রেণীটোৰ আর্থ-সামাজিক অৱস্থাটো কেনেদৰে অৱনমিত কৰিছিল তাৰ প্রত্যক্ষ অভিজ্ঞতা লাভ কৰিছিল। মানুহক পৰিৱেশে গঢ় দিয়ে বুলি উপলব্ধি কৰি অ'ৱেনে শ্রমিকসকলৰ দশা উন্নত কৰাৰ মানসেৰে কাৰখানাৰ জীৱনৰ সংস্কাৰ সাধন কৰাৰ চেষ্টা আৰম্ভ কৰিছিল। ১৮০০ চনত তেওঁ স্কটলেণ্ডৰ নিউ লেনার্কত থকা শহুৰেকৰ সূতা কটা মিলটোৰ গৰাকী হৈছিল। তেওঁ ইয়াক এখন ঔদ্যোগিক গাঁৱত পৰিণত কৰি নিজৰ দর্শন পৰীক্ষা কৰি চাব পৰা পৰীক্ষাগাৰ কৰি তুলিছিল। এই গাঁৱৰ বাসিন্দাসকলৰ জীৱন যাপনৰ স্তৰ আৰু কর্ম পৰিৱেশৰ দশা সমসাময়িক কালৰ আন শ্রমিক বসতিপ্রধান অঞ্চলবোৰতকৈ উন্নত অথবা শ্রেষ্ঠ আছিল। তেওঁ ইয়াত বহুকেইটা সংস্কাৰমূলক কামো আৰম্ভ কৰিছিল। গাঁৱখনৰ অৱস্থা অধ্যয়ন কৰি তেওঁ সামূহিক নীতিৰ আধাৰত এক প্রগতিশীল সামাজিক তত্ত্ব বিকশাই তুলিছিল। আগতেই কৈ অহা হৈছে যে অ'ৱেনে ব্যক্তিৰ চৰিত্র গঠনত

শিক্ষাৰ ভূমিকা আৰু তাৎপর্য স্বীকাৰ কৰিছিল। সৰু ল'ৰা-ছোৱালীবোৰ কামলৈ নহয় বিদ্যালয়লৈহে যোৱা উচিত বুলি তেওঁ মত পোষণ কৰিছিল। অ'ৱেনে বিশ্বাস কৰিছিল শিক্ষাত ব্যৱস্থাপনাৰ তিনিটা R (Reduce Reuse Recycle)তকৈ শিকিব পৰা আন বহু কিবাকিবি নিহিত থাকে। তেওঁৰ মতে শিক্ষাই প্রাকৃতিক ইতিহাস, সংগীত, নৃত্য আৰু খেল-ধেমালিৰ দৰে বিষয়বোৰো সামৰি লোৱা উচিত। এইবোৰো শিশুৰ বিদ্যালয়কেন্দ্রিক শিক্ষাৰ গুৰুত্বপূর্ণ অংশ হ'ব লাগে। অ'ৱেনে নিউ লেনার্কত চৰিত্র গঠনৰ এটা অনুষ্ঠানৰ লগতে শিশুৰ বাবে এখন বিদ্যালয়ো স্থাপন কৰিছিল। বিদ্যালয়খনত তেওঁ শিক্ষণৰ নতুন পদ্ধতি প্রচলন কৰিছিল। এই পদ্ধতিয়ে শিক্ষণক এটা উপভোগ্য অনুশীলনৰ ৰূপ দিছিল। বিদ্যালয়খনক দিৱা-নিশা পাঠদানৰ ব্যৱস্থা আছিল। ইয়াত পাঠপঢ়া, লিখা আৰু সৰল গণিতৰ লগতে সংগীত আৰু নৃত্যৰ শ্রেণীও ৰখা হৈছিল।

- **অবাধ ঔদ্যোগিকীকৰণৰ সমালোচক অ'ৱেন ঃ পৰিণামৰ নীতি**

১৮১৩ চনত অ'ৱেনে '*A New View of Society*' শিৰোনামেৰে এলানি প্রৱন্ধ লিখিছিল। ১৮১৭ চনত তেওঁক বৃটেইনৰ সংসদীয় সমিতিয়ে নির্মাণ খণ্ডৰ শোচনীয় কর্ম পৰিৱেশ সম্পর্কে এখন প্রতিবেদন প্রস্তুত কৰিবলৈ অনুৰোধ কৰিছিল। প্রতিবেদনত অ'ৱেনে দুখীয়া শ্রেণীটোৰ আর্থ-সামাজিক দশা বিশ্লেষণ কৰি তেওঁলোকৰ দুখ-দুর্দশা নিবাৰণৰ বাবে কিছুমান পৰিকল্পনা কার্যৰূপায়িত কৰাৰ পৰামর্শ আগবঢ়াইছিল। ওপৰত উল্লেখ কৰা প্রৱন্ধলানিত তেওঁ ঔদ্যোগিক বিপ্লৱক লৈ থকা সন্দেহ ব্যক্ত কৰিছিল। তেওঁৰ মতে ঔদ্যোগিকীকৰণে সামাজিক বিভাজন অধিক বহল কৰি তুলিছিল। নিয়োগকর্তা আৰু শ্রমিক, নগৰ-চহৰ আৰু দেশ, পুৰুষ আৰু নাৰী সকলোৰে মাজত ব্যৱধান বাঢ়িছিল। তেওঁ সামাজিক বিভাজনক এই দুর্দশাৰ মূল বুলি কৈছিল। অ'ৱেনৰ মতে মানুহৰ চৰিত্র গঠন কৰি দিয়া হয়, মানুহে নিজে চৰিত্র গঢ়ি নলয়। তেওঁৰ তত্ত্ববোৰৰ মূল হ'ল 'পৰিণামৰ নীতি' (Doctrine of Circumstances)। অ'ৱেনৰ মতে সমাজৰ পৰা বিভাজন আঁতৰ কৰিবলৈ ন্যায়ৰ নীতিৰ আধাৰত এক অনুকূল পৰিৱেশ সৃষ্টি কৰিব লাগিব। এই পৰিৱেশত সকলোৱে আইন-শৃংখলা মানি বাস কৰিব পাৰিব লাগিব। একেদৰে, তেওঁ যুক্তিৰ ধৰাণাটোতো জোৰ দিছিল। অ'ৱেনে শিক্ষাক সামাজিক পৰিৱর্তনৰ মাধ্যম কৰি তোলাৰ কথা কৈছিল। তেওঁ যদিও তাত্ত্বিক সমাজবাদী নাছিল, তথাপিও এনে চিন্তাৰ অনুশীলনক অ'ৱেনৰ নতুন চিন্তাৰ আৰম্ভণি আখ্যা দিব পাৰি।

ৰ'বার্ট অ'ৱেনে তেওঁৰ ধাৰণাবোৰক বিভিন্ন কার্যসূচীৰ সহায়ত প্রয়োগ কৰি চাইছিল। তেওঁ নিজৰ কাৰখানাত কাম কৰাৰ সময় আঠ ঘণ্টা কৰিছিল, শিশু শ্রমিকক কামত নিয়োজিত কৰা বন্ধ কৰিছিল, বিনামূলীয়া প্রাথমিক শিক্ষা প্রদানৰ ব্যৱস্থা কৰিছিল, কর্মক্ষেত্রত পৰিষ্কাৰ-পৰিচ্ছন্নতা বর্তাই ৰাখিছিল, বৃদ্ধ পেন্সনৰ ব্যৱস্থা কৰিছিল, শ্রমিকৰ অত্যধিক মদ্যপানৰ অভ্যাস নাইকিয়া কৰিছিল, বুজনিৰে চুৰি কার্য কম কৰিছিল ইত্যাদি।

তেওঁ প্রমাণ কৰি দেখুৱাইছিল যে শ্রমিকৰ শাৰীৰিক অৱস্থা উন্নত কৰি,

তেওঁলোকৰ সামগ্রিক স্বাস্থ্য আৰু মানসিক স্বাস্থ্য সলনি কৰি মিলৰ উৎপাদন বৃদ্ধি কৰিব পৰা যায়। অ'ৱেনে ১৮১৯ চনৰ ফেক্টৰী আইনখন গৃহিত কৰাত মুখ্য ভূমিকা লৈছিল। এইখন হ'ল ইংলেণ্ডত বস্ত্র উদ্যোগত শিশু শ্রমিকৰ কাম কৰাৰ সময় সীমিত কৰা প্রথম আইন।

অ'ৱেন সমাজত গীর্জাই লোৱা ভূমিকাৰ বিৰোধী আছিল। তেওঁৰ মতে গীর্জাই সাধাৰণ লোকক বিপথে পৰিচালিত কৰে। অ'ৱেনে কৈছিল যে গীর্জা আৰু পুঁজিপতি উভয়ে মানুহৰ শোষণ কৰি আছে। পৰৱর্তী সময়ত গীর্জা আৰু ধর্ম সম্পর্কে অ'ৱেনে কৰা মূল্যায়নক মার্ক্সে গ্রহণ কৰিছিল।

- **নিউ হার্ম'নি সম্পৰীক্ষা**

১৮২৫ চনত ৰ'বার্ট অ'ৱেনে বৃটেইন এৰি আমেৰিকা যুক্তৰাষ্ট্রলৈ গৈছিল। তাত ইণ্ডিয়ানাৰ নিউ হার্ম'নি নামৰ ঠাইডোখৰত তেওঁ নিজৰ পৰৱর্তী পৰীক্ষণ আৰম্ভ কৰিছিল। উদ্যোগপতি হিচাপে থকা অভিজ্ঞতাক কামত খটুৱাই তেওঁ আমেৰিকাত স্থাপন কৰা কাৰখানাত নিজৰ ধাৰণাবোৰ পৰীক্ষা কৰি চোৱা আৰম্ভ কৰিছিল। তেওঁ ঔদ্যোগিকীকৰণৰ বিৰোধিতা কৰা নাছিল। ইয়াক তেওঁ মানৱ প্রগতিৰ এক আহিলা বুলি গণ্য কৰিছিল। তেওঁ কেৱল উদ্যোগে লাভ অর্জন কৰাৰ স্বার্থত গ্রহণ কৰা অযুক্তিকৰ আৰু অনৈতিক অনুশীলনবোৰৰহে বিৰোধিতা কৰিছিল। নিউ লেনার্কত থকা সময়ত অ'ৱেনে প্রগতিশীল মানসিকতাৰ পৰিচয় দি শ্রমিকৰ দৈনিক কাম কৰাৰ সময় দহ ঘণ্টা কৰিছিল, নৈতিক ধাৰণাবোৰ বুজাবলৈ নিউ লেনার্ক বিদ্যালয় স্থাপন কৰিছিল। এই কামবোৰ সেই সময়ত প্রচলিত শৈক্ষিক অনুশীলনবোৰৰ উর্দ্ধত আছিল।

পাছত অ'ৱেনে 'সহযোগিতাৰ গাঁও' (Villages of Cooperation) স্থাপন কৰিছিল। নিবনুৱা সমস্যা আৰু গ্রাম্য প্রব্রজনৰ সন্মুখীন হ'ব পৰাকৈ এই গাওঁবোৰত ঔদ্যোগিক কাম-কাজৰ সমান্তৰালকৈ কৃষিভিত্তিক কার্যকলাপ চলোৱা হৈছিল। কিন্তু ৰাজনৈতিক কার্যৰ সকলো পৰম্পৰাগত পন্থা প্রত্যাখ্যান কৰি, ব্যক্তিগত সম্পত্তিৰ ধাৰণাটো আৰু লাভ আহৰণক শেষ ফল হিচাপে বিচাৰ কৰাক অগ্রাহ্য কৰি অ'ৱেনে জীৱনৰ অন্তিমফালে নিজৰ বৃত্তিলৈ পৰিৱর্তন আনিছিল। এই নীতিবোৰৰ সমষ্টিটোক অ'ৱেনে নিজে 'সামাজিক বিজ্ঞান' অথবা 'সমাজৰ বিজ্ঞান' নাম দিছিল।

- **অ'ৱেন কমিউনিষ্টসকলৰ বৈপ্লৱিক নীতিৰ বিৰোধী আছিল**

১৮২৮ চনত অ'ৱেন পুনৰ ইংলেণ্ডলৈ উভতি গৈছিল। তাত তেতিয়াও তেওঁৰ কিছু অনুগামী আছিল। জীৱনৰ শেষ সময়লৈকে অ'ৱেনে কমিউনিষ্টসকলৰ বৈপ্লৱিক নীতিৰ তীব্র বিৰোধিতা কৰিছিল। তেওঁ দৃঢ়তাৱে দাবী কৰিছিল যে এদিন মানৱ জাতিয়ে তেওঁ কোৱা সমাজবাদৰ নীতি আঁকোৱালি ল'ব। অৱশ্যে ইতিহাসে দেখুৱাই দিছে যে অ'ৱেনৰ ধাৰণাবোৰে কোনোদিনে এক সংগঠিত ৰাজনৈতিক আন্দোলনৰ ৰূপ ল'ব নোৱাৰিলে।

মার্ক্সবাদীসকলে 'কমিউনিষ্ট মেনিফেষ্টো'ত ইউটোপিয়ান সমাজবাদীসকলক, বিশেষকৈ ৰ'বার্ট অ'ৱেনক 'বৈজ্ঞানিক সমাজবাদ'ৰ বাটকটীয়া বুলি অভিহিত কৰিছে। অৱশ্যে মার্ক্সবাদীসকলৰ মতে তেওঁলোকক বুর্জোৱা, আদর্শবাদী আৰু বিপ্লৱবিৰোধী সমাজবাদী বুলি সমালোচনাও কৰিছিল। যদিও অ'ৱেনে তেওঁৰ প্রগতিশীল ধাৰণাবোৰৰ বাবে সেই সময়ত নানা বিৰোধিতাৰ সন্মুখীন হৈছিল, তথাপিও তেওঁৰ কিছুমান ধাৰণাক বর্তমানৰ বৃটিছ সমাজে প্রাসংগিক বুলি ভাবে আৰু তেনে কিছুমান ধাৰণাক স্বীকৃতিও দিয়া হৈছে। তেওঁ শ্রমিকসকলক কেৱল 'শ্রমশক্তি' হিচাপে নহয়, তাতকৈ অধিক বুলি গণ্য কৰিছিল। সেয়েহে তেওঁৰ পুঁজিপতি বিৰোধী স্থিতি আৰু শ্রমিকৰ পৃষ্ঠপোষকতা কৰাৰ মনোভাৱক সন্মান জনোৱা হয়। আজি তেওঁক সমাজবাদৰ এক বিশেষ বৃটিছ ৰূপৰ সর্বপ্রথম প্রতিনিধি আৰু মার্ক্সবাদৰ পূর্বে উত্থান ঘটা এক সমবায় আন্দোলনৰ গুৰিবঠা ধৰোঁতাৰ স্বীকৃতি দিয়া হয়।

ৰ'বার্ট অ'ৱেনৰ ধাৰণাবোৰৰ অধ্যয়নৰ পৰা এই কথা পোহৰলৈ আহিছে যে তেওঁৰ কর্মৰাজিত দুগৰাকী অ'ৱেনৰ প্রভাৱ আছে। এগৰাকী হ'ল নিউ লেনার্কৰ সমাজবাদৰ বাটকটীয়া অ'ৱেন আৰু আনগৰাকী হ'ল নিউ হাম'নিৰ ইউটোপীয়ান অ'ৱেন। তেওঁৰ ধাৰণা আৰু সামাজিক দর্শন এক ভিন্ন যুগৰ চিন্তাৰ ফচল। তথাপিও, এগৰাকী আদর্শ নিয়োগকর্তা হিচাপে আৰু তেওঁৰ নতুন সামাজিক উদ্যমৰ সূচনাকাৰী পৰীক্ষণবোৰ সদায় অইনৰ বাবে অনুপ্রেৰণাৰ উৎস হৈ ৰ'ব। আজিও তেওঁৰ ধাৰণাবোৰৰ সামাজিক প্রাসংগিকতা স্বীকাৰ কৰা হয়। ইয়াৰ এটা উদাহৰণ হ'ল অ'ৱেনৰ নিউ লেনার্ক আর্হিটো। ইউনেস্ক'ই ২০০১ চনত এই আর্হিটোক বিশ্ব ঐতিহ্যৰ তালিকাত স্থান দিছে।

নিজৰ চিন্তাই অ'ৱেনক এক বিতর্কিত ব্যক্তিত্বত পৰিণত কৰিছিল সঁচা, তথাপিও নিঃসন্দেহে তেওঁ আছিল এগৰাকী পথ প্রদর্শক আৰু উল্লেখযোগ্য ব্যক্তি। ৰাজনৈতিক চিন্তাবিদতকৈ অধিক সমাজ সংস্কাৰক হিচাপেহে অ'ৱেনৰ কর্মৰাজি বিশ্লেষণ কৰা হয়। সমগ্র বিশ্বৰে সমাজবাদীসকলে জনপ্রিয় শিক্ষাৰ ক্ষেত্রখনলৈ অ'ৱেনে আগবঢ়াই থৈ যোৱা অৱদানৰ কথা স্মৰণ কৰে। তেওঁক আধুনিক কিণ্ডাৰগার্টেন তথা প্রাথমিক শিক্ষা পদ্ধতিৰ লগতে নগৰ পৰিকল্পনাৰ প্রকৃত উদ্ভাৰক বুলি ধৰা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ৰ'বার্ট অ'ৱেনে কোৱা চৰিত্রৰ গণ সংস্কাৰ সাধন মানে কি?

প্রশ্ন নং ২ ঃ ৰ'বার্ট অ'ৱেনৰ 'সহযোগিতাৰ গাঁও'ৰ ধাৰণাটো ব্যাখ্যা কৰক।

প্রশ্ন নং ৩ ঃ ৰ'বার্ট অ'ৱেনক ১৮১৯ চনত গৃহিত হোৱা কোনখন আইনৰ আঁৰৰ প্রধান ব্যক্তি বুলি ধৰা হয়?

প্রশ্ন নং ৪ ঃ অ'ৱেনে নিজৰ ধাৰণাবোৰ কার্যৰূপায়িত কৰিবলৈ চলোৱা দুটামান কার্যসূচীৰ নাম উল্লেখ কৰক।



৮.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ইউটোপিয়ান সমাজবাদৰ মৌলিক ধাৰণাটো হ'ল সমসাময়িক যুগত গা কৰি উঠা বিভিন্ন কাৰকৰ প্ৰত্যক্ষ ফল। সেই সময়ছোৱা আছিল নগৰীকৰণৰ আদিযুগ। ঔদ্যোগিক বিপ্লৱ আৰু ই লাভ কৰা সঁহাৰিবোৰৰ ফলশ্ৰুতিত নগৰীকৰণ প্ৰক্ৰিয়াৰ সূত্ৰপাত হৈছিল।
- গ্ৰামাঞ্চলবোৰৰ পৰা সমাজৰ নিম্ন শ্ৰেণীটোৰ এক বুজন পৰিমাণৰ জনসংখ্যাই নগৰ-চহৰত থিতাপি ল'বলৈ আহিল। ফলত দৰিদ্ৰ লোকৰ সংখ্যা বৃদ্ধি পালে আৰু তাৰ লগতে নানা ধৰণৰ অনৈতিক কাৰ্যকলাপো বাঢ়িল। স্বাভাৱিকভাৱেই বাসগৃহ আৰু অনাময় ব্যৱস্থাবোৰৰ দশা শোচনীয় হৈ পৰিল। ঔদ্যোগিকীকৰণৰ এই ফলাফলবোৰ উলাই কৰিব পৰা বিধৰ নাছিল।
- অষ্টাদশ শতিকাৰ শেষ আৰু ঊনবিংশ শতিকাৰ আৰম্ভণিৰ সময়ছোৱাত বৰ্দ্ধিত ঔদ্যোগিকীকৰণে সৃষ্টি কৰা সমস্যাবোৰৰ মুখামুখি হ'বলৈ বিভিন্ন সমাজ সংস্কাৰকে সমাজৰ বিভিন্ন বিকল্প আৰ্হি আগবঢ়াইছিল। লোভ আৰু লাভ আহৰণৰ অভিপ্ৰায়েৰে পৰিচালিত ৰূঢ় ঔদ্যোগিক শ্ৰমিক নিয়ন্ত্ৰণৰ অনুশীলনবোৰ চলি থকাৰ সময়তে ইউটোপিয়ান সমাজবাদী সকলে কৈছিল যে সমাজ একে সময়তে ঔদ্যোগিক আৰু মানৰিক দুয়োটা হ'ব পাৰে।
- এই চিন্তাৰ এক গুৰুত্বপূৰ্ণ অংশ আছিল পৰিকল্পিত সম্প্ৰদায় গঢ়ি তুলিবলৈ ইউটোপিয়ান সমাজবাদীসকলে আগবঢ়োৱা পৰামৰ্শ। ইয়াৰ দ্বাৰা ব্যক্তিগত প্ৰতিযোগিতাৰ স্থানত এখন সামূহিক সমাজ স্থাপনৰ কথা কোৱা হৈছিল য'ত সকলোৰে মৌলিক প্ৰয়োজনবোৰ পূৰ হ'ব, কাৰো একো অভাৱ নাথাকিব আৰু সমাজত সমতা থাকিব।
- সমালোচকে ইউটোপিয়ান বুলি সমালোচনা কৰাৰ পাছতো গ্ৰেট বৃটেইন আৰু আমেৰিকা যুক্তৰাষ্ট্ৰত এনে সামূহিক সমাজ গঢ়াৰ প্ৰয়াস চলিছিল। অৱশ্যে এনে আটাইবোৰ প্ৰচেষ্টা বিফল হৈছিল।
- চেইণ্ট চাইমন, চার্লছ্ ফ'ৰিয়াৰ, পীয়েৰ লেৰ' আৰু ৰ'বার্ট অ'ৱেনৰ দৰে ইউটোপিয়ান সমাজবাদীসকলৰ কৰ্মৰাজি অধ্যয়নৰ পৰা গম পোৱা গৈছিল যে উপযুক্ত শিক্ষা হ'ল মানৱ জাতিৰ সন্তুষ্টি বৃদ্ধি কৰিব পৰা একমাত্ৰ মাধ্যম। সমাজৰ সকলো শ্ৰেণীৰ লোকৰে আনন্দ বৃদ্ধি কৰাতো জনগণৰ বাবে গ্ৰহণ কৰা শিক্ষাৰ লক্ষ্য হোৱা উচিত।
- অ'ৱেনে সমগ্ৰ মানৱ জাতিৰ আনন্দ বৃদ্ধি কৰাৰ আশাৰে যিসকলে নিজৰ হৈ মাত মাতিব নোৱাৰে সেইসকলৰ কণ্ঠ হৈ নিজৰ মতামত দাঙি ধৰিছিল। অ'ৱেন আছিল একেধাৰে এগৰাকী সমাজ সংস্কাৰক, সম্প্ৰদায় গঠনকাৰী, কাৰখানাৰ পৰিচালক, বাটকটীয়া আৰু সমাজবাদী। তেওঁ নিজকে সমাজ বিজ্ঞানী বুলিও দাবী কৰিছিল।

- তেওঁ একাধিক তাত্ত্বিক আৰু ব্যৱহাৰিক সামাজিক কার্যকলাপত জড়িত আছিল। ঔদ্যোগিক কপাহ কটা কাম পৰিচালনা কৰাৰ লগতে তেওঁ দৰিদ্ৰৰ বাবে সাহায্য প্ৰদান, সমূহ গঠন, শ্ৰমিক সংগঠন প্ৰতিষ্ঠা, সমবায় খোলা, শিক্ষাৰ প্ৰসাৰ, নাৰীবাদী কার্যকলাপ, ধৰ্মনিৰপেক্ষতা, সমাজবাদ আৰু সমাজ বিজ্ঞানৰ দৰে বিভিন্ন ক্ষেত্ৰত সমান উদ্যমেৰে জড়িত হৈ আছিল।
- ৰ'বার্ট অ'ৱেনৰ মতে আমি যুৱ সমাজৰ আচৰণক গঢ় দিব পাৰো। তেওঁ বিশ্বাস কৰিছিল যে পৰিৱেশে চৰিত্ৰ গঢ়ে। সেয়েহে যুৱা প্ৰজন্মই যদি কিবা বেয়া গুণ আয়ত্ব কৰে, তেন্তে তাৰবাবে আমিয়েই জগৰীয়া। এই বিধ্বংসী চক্ৰটো উৎখাত কৰিবলৈ সেয়েহে জনসাধাৰণক শিক্ষিত কৰি তোলাত গুৰুত্ব দিব লাগিব। তেওঁ কৈছিল যে সমাজক নতুনকৈ গঢ় দিয়াত শিক্ষাই এক তাৎপর্যপূর্ণ ভূমিকা পালন কৰিব পাৰে। তেওঁৰ মতে সকলো মানুহৰ আনন্দৰ মাত্ৰা কমি যোৱাৰ পৰিণতি স্বৰূপে সমাজৰ নিম্ন শ্ৰেণাটোত গা কৰি উঠা সমস্যাবোৰ নাইকিয়া কৰিবলৈ এই শ্ৰেণীটো পুনৰগঠন কৰিব লাগিব।
- অ'ৱেনে বিশ্বাস কৰিছিল যে চৰিত্ৰৰ গণ সংস্কাৰ সাধনৰ বাবে সকলোৱে দায়িত্ব লোৱা উচিত। আমি সকলোৱে উন্নত নৈতিক শিক্ষা আহৰণৰ প্ৰতি আগ্ৰহী হোৱা উচিত। এই অন্বেষণে সকলোৰে আনন্দ বৃদ্ধি কৰিব পাৰে।
- অ'ৱেনে ব্যক্তিৰ চৰিত্ৰ গঠনত শিক্ষাৰ ভূমিকা আৰু তাৎপর্য স্বীকাৰ কৰিছিল। সৰু ল'ৰা-ছোৱালীবোৰ কামলৈ নহয় বিদ্যালয়লৈহে যোৱা উচিত বুলি তেওঁ মত পোষণ কৰিছিল। অ'ৱেনে বিশ্বাস কৰিছিল শিক্ষাত ব্যৱস্থাপনাৰ তিনিটা R (Reduce Reuse Recycle)তকৈ শিকিব পৰা আন বহু কিবাকিবি নিহিত থাকে। তেওঁৰ মতে শিক্ষাই প্ৰাকৃতিক ইতিহাস, সংগীত, নৃত্য আৰু খেল-ধেমালিৰ দৰে বিষয়বোৰো সামৰি লোৱা উচিত। এইবোৰো শিশুৰ বিদ্যালয়কেন্দ্ৰিক শিক্ষাৰ গুৰুত্বপূর্ণ অংশ হ'ব লাগে।
- অ'ৱেনে নিউ লেনার্কত চৰিত্ৰ গঠনৰ এটা অনুষ্ঠানৰ লগতে শিশুৰ বাবে এখন বিদ্যালয়ো স্থাপন কৰিছিল। বিদ্যালয়খনত তেওঁ শিক্ষণৰ নতুন পদ্ধতি প্ৰচলন কৰিছিল। এই পদ্ধতিয়ে শিক্ষণক এটা উপভোগ্য অনুশীলনৰ ৰূপ দিছিল। বিদ্যালয়খনক দিৱা-নিশা পাঠদানৰ ব্যৱস্থা আছিল। ইয়াত পাঠপঢ়া, লিখা আৰু সৰল গণিতৰ লগতে সংগীত আৰু নৃত্যৰ শ্ৰেণীও ৰখা হৈছিল।
- ১৮১৩ চনত অ'ৱেনে '*A New View of Society*' শিৰোনামেৰে এলানি প্ৰবন্ধ লিখিছিল। ১৮১৭ চনত তেওঁক বৃটেইনৰ সংসদীয় সমিতিয়ে নির্মাণ খণ্ডৰ শোচনীয় কর্ম পৰিৱেশ সম্পর্কে এখন প্ৰতিবেদন প্ৰস্তুত কৰিবলৈ অনুৰোধ কৰিছিল। প্ৰতিবেদনত অ'ৱেনে দুখীয়া শ্ৰেণীটোৰ আর্থ-সামাজিক দশা বিশ্লেষণ কৰি তেওঁলোকৰ দুখ-দুর্দশা নিবাৰণৰ বাবে কিছুমান পৰিকল্পনা কার্যৰূপায়িত কৰাৰ পৰামর্শ আগবঢ়াইছিল।
- ৰ'বার্ট অ'ৱেনে তেওঁৰ ধাৰণাবোৰক বিভিন্ন কার্যসূচীৰ সহায়ত প্ৰয়োগ কৰি চাইছিল। তেওঁ নিজৰ কাৰখানাত কাম কৰাৰ সময় আঠ ঘণ্টা কৰিছিল, শিশু শ্ৰমিকক কামত

নিয়োজিত কৰা বন্ধ কৰিছিল, বিনামূলীয়া প্ৰাথমিক শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰিছিল, কৰ্মক্ষেত্ৰত পৰিষ্কাৰ-পৰিচ্ছন্নতা বৰ্তাই ৰাখিছিল, বৃদ্ধ পেন্সনৰ ব্যৱস্থা কৰিছিল, শ্ৰমিকৰ অত্যধিক মদ্যপানৰ অভ্যাস নাইকিয়া কৰিছিল, বুজনিৰে চুৰি কার্য কম কৰিছিল ইত্যাদি।

- ১৮২৫ চনত ৰ'বার্ট অ'ৱেনে বৃটেইন এৰি আমেৰিকা যুক্তৰাষ্ট্ৰলৈ গৈছিল। তাত ইণ্ডিয়ানাৰ নিউ হার্ম'নি নামৰ ঠাইডোখৰত তেওঁ নিজৰ পৰৱৰ্তী পৰীক্ষণ আৰম্ভ কৰিছিল। উদ্যোগপতি হিচাপে থকা অভিজ্ঞতাক কামত খটুৱাই তেওঁ আমেৰিকাত স্থাপন কৰা কাৰখানাত নিজৰ ধাৰণাবোৰ পৰীক্ষা কৰি চোৱা আৰম্ভ কৰিছিল। তেওঁ ঔদ্যোগিকীকৰণৰ বিৰোধিতা কৰা নাছিল। ইয়াক তেওঁ মানৰ প্ৰগতিৰ এক আহিলা বুলি গণ্য কৰিছিল। তেওঁ কেৱল উদ্যোগে লাভ অর্জন কৰাৰ স্বার্থ গ্ৰহণ কৰা অযুক্তিকৰ আৰু অনৈতিক অনুশীলনবোৰৰহে বিৰোধিতা কৰিছিল।
- অ'ৱেনে 'সহযোগিতাৰ গাওঁ' (Villages of Cooperation) স্থাপন কৰিছিল। নিবনুৱা সমস্যা আৰু গ্ৰাম্য প্ৰব্ৰজনৰ সন্মুখীন হ'ব পৰাকৈ এই গাওঁবোৰত ঔদ্যোগিক কাম-কাজৰ সমান্তৰালকৈ কৃষিভিত্তিক কার্যকলাপ চলোৱা হৈছিল।
- ১৮২৮ চনত অ'ৱেন পুনৰ ইংলেণ্ডলৈ উভতি গৈছিল। তাত তেতিয়াও তেওঁৰ কিছু অনুগামী আছিল। জীৱনৰ শেষ সময়লৈকে অ'ৱেনে কমিউনিষ্টসকলৰ বৈপ্লৱিক নীতিৰ তীব্ৰ বিৰোধিতা কৰিছিল। তেওঁ দৃঢ়তাৰে দাবী কৰিছিল যে এদিন মানৰ জাতিয়ে তেওঁ কোৱা সমাজবাদৰ নীতি আঁকোৱালি ল'ব।
- নিজৰ চিন্তাই অ'ৱেনক এক বিতর্কিত ব্যক্তিত্বত পৰিণত কৰিছিল সঁচা, তথাপিও নিঃসন্দেহে তেওঁ আছিল এগৰাকী পথ প্ৰদর্শক আৰু উল্লেখযোগ্য ব্যক্তি। ৰাজনৈতিক চিন্তাবিদতকৈ অধিক সমাজ সংস্কাৰ হিচাপেহে অ'ৱেনৰ কর্মৰাজি বিশ্লেষণ কৰা হয়। সমগ্ৰ বিশ্বৰে সমাজবাদীসকলে জনপ্ৰিয় শিক্ষাৰ ক্ষেত্ৰখনলৈ অ'ৱেনে আগবঢ়াই থৈ যোৱা অৱদানৰ কথা স্মৰণ কৰে। তেওঁক আধুনিক কিণ্ডাৰগার্টেন তথা প্ৰাথমিক শিক্ষা পদ্ধতিৰ লগতে নগৰ পৰিকল্পনাৰ প্ৰকৃত উদ্ভাৰক বুলি ধৰা হয়।



৮.৫ অধিক জানিবলৈ

১) Coker, Francis William. *Readings in Political Philosophy*. Nabu Press.

২) Nelson, Brain R. (2006). *Western Political Thought* (Second Edition). New Delhi: Pearson Education.

৩) Sabine G.H. (1973). *History of Political Thought*. New Delhi : Oxford and IBH.

৪) Sharma, S.K. and Sharma, Urmila (2003). *Western Political Thought-from Plato to Burke*. Atlantic.



৮.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ অ'ৱেনে বিশ্বাস কৰিছিল যে চৰিত্ৰৰ গণ সংস্কাৰ সাধন (mass reformation of character)ৰ বাবে সকলোৱে দায়িত্ব লোৱা উচিত। আমি সকলোৱে উন্নত নৈতিক শিক্ষা আহৰণৰ প্রতি আগ্রহী হোৱা উচিত। এই অন্বেষণে সকলোৰে আনন্দ বৃদ্ধি কৰিব পাৰে (Owen, 1816)। তেওঁ বিপ্লৱেৰে নহয় সংস্কাৰ সাধনৰ মাধ্যমেৰেহে সমাজৰ সকলো শ্রেণীৰ লোকৰ আনন্দৰ মাত্রা বৃদ্ধিৰ পোষকতা কৰিছিল। ইয়াৰ পৰাই প্রমাণ হয় যে অ'ৱেনে চৰকাৰৰ প্রতিষ্ঠিত ৰূপটোৰ মাজত থাকিয়েই এখন উন্নত সমাজ গঢ়াৰ ধাৰণাটোক সমর্থন কৰিছিল। এইটো কাৰণতে মার্ক্স আৰু এংগেলচ্ৰ দৰে পৰৱর্তী কালৰ সমাজবাদীসকলে অ'ৱেনক ইউটোপিয়ান আখ্যা দিছিল।

২ নং প্রশ্নৰ উত্তৰ ঃ ১৭৯২ চনত অ'ৱেনে মানচেষ্টাৰৰ এটা কপাহ কটা মিলৰ পৰিচালকৰ পদ গ্রহণ কৰিছিল। ইয়াত কাম কৰি থকাৰ সময়তে তেওঁ ঔদ্যোগিক বিপ্লৱে শ্রমিক শ্রেণীটোৰ আর্থ-সামাজিক অৱস্থাটো কেনেদৰে অৱনমিত কৰিছিল তাৰ প্রত্যক্ষ অভিজ্ঞতা লাভ কৰিছিল। মানুহক পৰিৱেশে গঢ় দিয়ে বুলি উপলব্ধি কৰি অ'ৱেনে শ্রমিকসকলৰ দশা উন্নত কৰাৰ মানসেৰে কাৰখানাৰ জীৱনৰ সংস্কাৰ সাধন কৰাৰ চেষ্টা আৰম্ভ কৰিছিল। ১৮০০ চনত তেওঁ স্কটলেণ্ডৰ নিউ লেনার্কত থকা শহুৰেকৰ সূতা কটা মিলটোৰ গৰাকী হৈছিল। তেওঁ ইয়াক এখন ঔদ্যোগিক গাঁৱত পৰিণত কৰি নিজৰ দর্শন পৰীক্ষা কৰি চাব পৰা পৰীক্ষাগাৰ কৰি তুলিছিল। এই গাঁৱৰ বাসিন্দাসকলৰ জীৱন যাপনৰ স্তৰ আৰু কর্ম পৰিৱেশৰ দশা সমসাময়িক কালৰ আন শ্রমিক বসতিপ্রধান অঞ্চলবোৰতকৈ উন্নত অথবা শ্রেষ্ঠ আছিল। তেওঁ ইয়াত বহুকেইটা সংস্কাৰমূলক কামো আৰম্ভ কৰিছিল। গাঁৱখনৰ অৱস্থা অধ্যয়ন কৰি তেওঁ সামূহিক নীতিৰ আধাৰত এক প্রগতিশীল সামাজিক তত্ত্ব বিকশাই তুলিছিল। আগতেই কৈ অহা হৈছে যে অ'ৱেনে ব্যক্তিৰ চৰিত্র গঠনত শিক্ষাৰ ভূমিকা আৰু তাৎপর্য স্বীকাৰ কৰিছিল। সৰু ল'ৰা-ছোৱালীবোৰ কামলৈ নহয় বিদ্যালয়লৈহে যোৱা উচিত বুলি তেওঁ মত পোষণ কৰিছিল। অ'ৱেনে বিশ্বাস কৰিছিল শিক্ষাত ব্যৱস্থাপনাৰ তিনিটা R (Reduce Reuse Recycle)তকৈ শিকিব পৰা আন বহু কিবাকিবি নিহিত থাকে। তেওঁৰ মতে শিক্ষাই প্রাকৃতিক ইতিহাস, সংগীত, নৃত্য আৰু খেল-ধেমালিৰ দৰে বিষয়বোৰো সামৰি লোৱা উচিত। এইবোৰো শিশুৰ বিদ্যালয়কেন্দ্রিক শিক্ষাৰ গুৰুত্বপূর্ণ অংশ হ'ব লাগে। অ'ৱেনে নিউ লেনার্কত চৰিত্র গঠনৰ এটা অনুষ্ঠানৰ লগতে শিশুৰ বাবে এখন বিদ্যালয়ো স্থাপন কৰিছিল। বিদ্যালয়খনত তেওঁ শিক্ষণৰ নতুন পদ্ধতি প্রচলন কৰিছিল। এই পদ্ধতিয়ে শিক্ষণক এটা উপভোগ্য অনুশীলনৰ ৰূপ দিছিল। বিদ্যালয়খনক দিৱা-নিশা পাঠদানৰ ব্যৱস্থা আছিল। ইয়াত পাঠপঢ়া, লিখা আৰু সৰল গণিতৰ লগতে সংগীত আৰু নৃত্যৰ শ্রেণীও ৰখা হৈছিল।

৩ নং প্রশ্নৰ উত্তৰ ঃ ফেক্ট'ৰী আইন।

৪ নং প্রশ্নৰ উত্তৰ ঃ ৰ'বার্ট অ'ৱেনে তেওঁৰ ধাৰণাবোৰক বিভিন্ন কার্যসূচীৰ সহায়ত প্রয়োগ কৰি চাইছিল। তেওঁ নিজৰ কাৰখানাত কাম কৰাৰ সময় আঠ ঘণ্টা কৰিছিল, শিশু শ্রমিকক কামত নিয়োজিত কৰা বন্ধ কৰিছিল, বিনামূলীয়া প্রাথমিক শিক্ষা প্রদানৰ ব্যৱস্থা কৰিছিল, কর্মক্ষেত্রত পৰিষ্কাৰ-পৰিচ্ছন্নতা বর্তাই ৰাখিছিল, বৃদ্ধ পেন্সনৰ ব্যৱস্থা কৰিছিল, শ্রমিকৰ অত্যধিক মদ্যপানৰ অভ্যাস নাইকিয়া কৰিছিল, বুজনিৰে চুৰি কার্য কম কৰিছিল ইত্যাদি।



৮.৭ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ ইউটোপিয়ান সমাজবাদৰ অর্থ ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ ৰ'বার্ট অ'ৱেনৰ ইউটোপিয়ান সমাজবাদ সম্পর্কে চমুকৈ লিখক।

প্রশ্ন ৩ ঃ ৰ'বার্ট অ'ৱেনৰ নিউ হার্ম'নি সম্পৰীক্ষাটোৰ বিষয়ে লিখক।

প্রশ্ন ৪ ঃ ৰ'বার্ট অ'ৱেনৰ মতে আমি কেনেদৰে যুৱ প্রজন্মৰ আচৰণক গঢ় দিব পাৰো?

প্রশ্ন ৫ ঃ অবাধ ঔদ্যোগিকীকৰণৰ সমালোচক হিচাপে ৰ'বার্ট অ'ৱেনৰ মতামতসমূহ আলোচনা কৰক।

*** ***** ***

অধ্যায় ৯ ঃ কার্ল মার্ক্স — ঐতিহাসিক বস্তুবাদ আৰু শ্রেণী সংগ্রাম

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পাতনি

৯.৩ ঐতিহাসিক বস্তুবাদ

৯.৪ শ্রেণী-সংগ্রাম

৯.৫ ৰাষ্ট্ৰৰ মার্ক্সবাদী দৃষ্টিভংগী

৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৭ অধিক জানিবলৈ

৯.৮ অগ্রগতিৰ খতিয়ান

৯.৯ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি ঃ

- মার্ক্সীয় মতাদর্শৰ বিষয়ে ব্যাখ্যা কৰিব পাৰি।
- ঐতিহাসিক বস্তুবাদ আৰু শ্রেণী সংগ্রামৰ ওপৰত মার্ক্সবাদী ধাৰণাৰ বিষয়ে আলোচনা কৰিব পাৰি।
- ৰাষ্ট্ৰৰ মার্ক্সীয় দৃষ্টিভংগীৰ ব্যাখ্যা কৰিব পাৰি।

৯.২ পাতনি

মার্ক্সবাদ হৈছে কার্ল মার্ক্সৰ লিখনিৰ ওপৰত আধাৰিত এক দর্শন। এই তত্বক সংঘাত-তত্ব (Conflict Theory) বুলিও জনা যায়। ই হৈছে এক ৰাজনৈতিক আৰু অর্থনৈতিক দর্শন যিয়ে আর্থ-সামাজিক বিশ্লেষণৰ ওপৰত আধাৰিত শ্রেণী সমূহৰ পাৰস্পৰিক সম্পর্ক আৰু সংঘাতৰ বিষয়ে আলোচনা কৰে আৰু এক নিৰপেক্ষ সমাজ প্রতিষ্ঠাৰ চূড়ান্ত লক্ষ্যৰে দ্বান্দ্বিক বস্তুবাদ (Historical-Materialism)ক সামাজিক পৰিৱর্তনৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰে।

৯.৩ ঐতিহাসিক বস্তুবাদ (Historical Materialism)

ইতিহাসৰ অর্থনৈতিক ব্যাখ্যা (ঐতিহাসিক বস্তুবাদ) জার্মান চিন্তাবিদ আৰু বিপ্লৱী কার্ল মার্ক্সে চিত্রিত কৰিছিল। সমাজৰ বিকাশত দ্বন্দ্বত্মক বস্তুবাদৰ নীতিৰ প্রয়োগেই হৈছে ঐতিহাসিক বস্তুবাদৰ ধাৰণা। দৰাচলতে, ই ইতিহাসৰ এক অর্থনৈতিক ব্যাখ্যা, যাৰ মতে ইতিহাসৰ সকলো পৰিঘটনা অর্থনৈতিক পৰিস্থিৰ দ্বাৰা নির্ধাৰণ কৰা হয়।

এই পদ্ধতি অনুসৰি, ইতিহাসৰ পৰিৱৰ্তন হ'ল উৎপাদন পদ্ধতিৰ পৰিৱৰ্তনৰ ফলাফল। অর্থনৈতিক ক্ষেত্ৰৰ পৰিৱৰ্তনে ভৱিষ্যতৰ ইতিহাসৰ গতিপথত যথেষ্ট প্ৰভাৱ পেলায়। মার্ক্সে মানৱ সমাজৰ বিৱৰ্তনৰ পাঁচটা পর্যায়ৰ বিষয়ে যুক্তি দাঙি ধৰিছে। সেইবোৰ হ'ল আদিম সাম্যবাদ, দাস ব্যৱস্থা, সামন্ত ব্যৱস্থা, পুঁজিবাদী ব্যৱস্থা আৰু সমাজবাদী ব্যৱস্থা। প্ৰথম চাৰিটা পর্যায়ত ৰাষ্ট্ৰখন সদায়েই শোষণৰ এক সঁজুলি হৈ থাকে। এই দৃষ্টিভংগী অনুসৰি পুঁজিবাদৰ সর্বোচ্চ পর্যায়ত বিপ্লৱ সংঘটিত হ'ব। বিপ্লৱৰ পিছৰ সময়ছোৱাত শ্ৰমিক শ্ৰেণীৰ একনায়কত্ব নামৰ এক নতুন ৰাষ্ট্ৰ ব্যৱস্থাৰ উদ্ভৱ হ'ব। কিন্তু এয়া কেৱল মানৱ সভ্যতাৰ এক পৰিৱৰ্তনশীল পর্যায় আৰু ক্ৰমান্বয়ে শ্ৰমিক শ্ৰেণীৰ একনায়কত্বই নিজকে সাম্যবাদলৈ ৰূপান্তৰিত কৰিব আৰু যেতিয়া সাম্যবাদ প্ৰতিষ্ঠা হ'ব তেতিয়া ৰাষ্ট্ৰৰ প্ৰতিষ্ঠান ক্ৰমান্বয়ে লুপ্ত হ'ব আৰু এক ৰাষ্ট্ৰবিহীন সমাজ প্ৰতিষ্ঠা কৰা হ'ব। মার্ক্সবাদে বিশ্বাস কৰে যে যিহেতু অর্থনৈতিক গাঁথনি স্থিৰ নহয়, সেয়েহে সমাজ খন স্বয়ংক্ৰিয়ভাৱে এটা পর্যায়ৰ পৰা আন এটা পর্যায়লৈ পৰিৱৰ্তন হোৱাটো অন্তর্নিহিত। অন্য অর্থত ক'বলৈ হ'লে, উৎপাদনৰ মাধ্যমৰ পৰিৱৰ্তনে স্বয়ংক্ৰিয়ভাৱে উৎপাদনৰ সম্পর্কত পৰিৱৰ্তন আনিব। সেয়েহে, সমাজৰ ওপৰৰ গাঁথনিটো উৎপাদনশীল শক্তিৰ ভেটিৰ ওপৰত সৃষ্টি কৰা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ মার্ক্সবাদী তত্বক আন কি নামেৰে জনা যায়?

প্ৰশ্ন নং ২ ঃ উৎপাদনৰ মাধ্যমৰ পৰিৱৰ্তনে স্বয়ংক্ৰিয়ভাৱে উৎপাদনৰ .....ৰ পৰিৱৰ্তন আনিব।

প্ৰশ্ন নং ৩ ঃ মার্ক্সবাদৰ পাঁচটা পর্যায় কি কি?

৯.৪ শ্ৰেণী-সংগ্ৰাম

মার্ক্সবাদৰ মতে, বিভিন্ন লোকৰ মাজত হোৱা যুদ্ধৰ বিশ্লেষণেই ইতিহাসৰ মূল বিষয়বস্তু নহয়। ইতিহাসে শোষক আৰু শোষিত শ্ৰেণীৰ মাজত হোৱা সংগ্ৰামৰ বিষয়েও আলোকপাত কৰে। প্ৰতিটো পর্য্যায়ত সমাজখন দুটা প্ৰধান শ্ৰেণীত বিভক্ত হৈ পৰে-ধনী (থকা) আৰু দৰিদ্ৰ (have-nots)। আদিম সাম্যবাদৰ পর্যায়ত সকলোবোৰ সম্পত্তি সামূহিকভাৱে ভাগ-বতৰা কৰা হৈছিল আৰু ব্যক্তিগত মালিকানাৰ কোনো ধাৰণা নাছিল। এই পর্য্যায়ত কোনো ব্যক্তিগত সম্পত্তি নথকা চিকাৰী আৰু সংগ্ৰহকসকলহে অন্তর্ভুক্ত আছিল।

কিন্তু পৰৱর্তী সময়ত, ব্যক্তিগত সম্পত্তিৰ বিকাশৰ লগে লগে, "মোৰ আৰু আপোনাৰ" (Mine and Thine) ধাৰণাটো উদ্ভৱ হ'ল, যাৰ ফলত ব্যক্তিগত মালিকানাৰ ধাৰণাৰ সৃষ্টি হৈছিল। ইয়াৰ পিছত সমাজখন দুটা শ্ৰেণীৰ মাজত বিভক্ত হৈ পৰিছিল — "থকা" (Haves), যি সকলো ব্যক্তিগত সম্পত্তি আৰু উৎপাদনৰ মাধ্যমৰ মালিক আছিল আৰু "নথকা" (Have-Nots) বা যিসকলৰ ব্যক্তিগত সম্পত্তি নাছিল। ব্যক্তিগত সম্পত্তি আৰু উৎপাদনৰ মাধ্যমৰ মালিক সকলৰ দ্বাৰা নথকাসকল নিৰন্তৰভাৱে শোষিত হৈছিল। দুয়োটা শ্ৰেণীৰ মাজৰ বিৰোধিতাৰ

বাবে মার্ক্সবাদী দৃষ্টিভংগীয়ে ভৱিষ্যতবাণী কৰিছিল যে এবাৰ দৰিদ্রসকলে ধনৱান শ্রেণীৰ হাতত তেওঁলোকৰ নিৰন্তৰ শোষণ উপলব্ধি কৰিলে, তেওঁলোকে ধনী নির্যাতনকাৰীসকলৰ বিৰুদ্ধে শ্রেণী সংগ্রাম কৰিব। সেয়েহে, দাসত্ব ব্যৱস্থাৰ সমাজত, সংগ্রামটো দাস আৰু দাস শ্রেণীৰ মালিকসকলৰ মাজত হয়; সামন্তবাদী সমাজত কৃষিদাস আৰু সামন্তবাদ প্রভুসকলৰ মাজত; পুঁজিবাদী ব্যৱস্থাত সংগ্রামটো শ্রমিক আৰু পুঁজিবাদীসকলৰ মাজত হয়। মার্ক্সে পুঁজিবাদী ব্যৱস্থাত "অতিৰিক্ত মূল্য" (Surplus Value)ৰ ধাৰণাটোৰ কথা কৈছিল। উৎপাদন প্রক্রিয়াত শ্রমিকসকলক তেওঁলোকৰ দৰমহাৰ বাহিৰেও অতিৰিক্ত প্রচেষ্টা কৰিবলৈ বাধ্য কৰা হয়। শ্রমিকজনে অতিৰিক্ত মূল্য উৎপাদন কৰে কিন্তু ইয়াক পুঁজিপতিৰ দ্বাৰা আত্মসাৎ কৰা হয়। শ্রমিকসকলে তেওঁলোকৰ দৰমহাৰ মূল্যৰ উপৰিঞ্চি উৎপাদন কৰা সামগ্রীৰ মূল্যক 'অতিৰিক্ত মূল্য' বুলি কোৱা হয়।

মার্ক্সে বিশ্বাস কৰিছিল যে ৰাষ্ট্র হৈছে ধনী শ্রেণীৰ সঁজুলি। ই হৈছে দৰিদ্র লোকসকলৰ শোষণৰ এক সঁজুলি। ৰাষ্ট্র এখন প্রাকৃতিক সামাজিক প্রতিষ্ঠান নহয়। ই দৰিদ্রসকলক শোষণ কৰাৰ বাবে ধনীসকলে সৃষ্টি কৰা এক যন্ত্র। এই দৃষ্টিভংগীয়ে লগতে যুক্তি দিয়ে যে মানৱ সভ্যতাৰ সকলো পর্য্যায়ত ৰাষ্ট্রখন সদায়েই ধনীসকলৰ বন্ধু হৈ সহায় কৰি আহিছে।

সেয়েহে, মার্ক্সবাদত মানৱ ইতিহাস হৈছে শোষক আৰু শোষিতসকলৰ মাজত হোৱা শ্রেণী- সংগ্রামৰ ইতিহাস। পুঁজিবাদী পর্য্যায়লৈকে শ্রেণী সংগ্রাম পুঁজিবাদীসকলৰ দ্বাৰা প্রভাৱিত হ'ব। মার্ক্সে ভৱিষ্যতবাণী কৰিছিল যে পুঁজিবাদৰ সর্বোচ্চ পর্যায়ত এক বিপ্লৱ হ'ব। এই হিংসাত্মক বিপ্লৱত পুঁজিবাদী শ্রেণীক শ্রমিক শ্রেণীৰ দ্বাৰা উৎখাত কৰা হ'ব আৰু "শ্রমিক শ্রেণীৰ একনায়কত্ব" নামৰ এক ব্যৱস্থা প্রতিষ্ঠা কৰা হ'ব। ই হ'ব শ্রমিক শ্রেণীৰ দ্বাৰা প্রভাৱিত এক সমাজবাদী ব্যৱস্থা। বিপ্লৱৰ পিছৰ সময়ছোৱাত শ্রেণী সংগ্রামৰ অন্ত পৰিব। পৰৱর্তী সময়ত, ৰাষ্ট্রৰ বিলুপ্তি ঘটিব আৰু সাম্যবাদৰ ৰূপত এখন ৰাষ্ট্রহীন আৰু শ্রেণীহীন সমাজৰ উদ্ভৱ হ'ব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ মার্ক্সবাদত ৰাষ্ট্রক শোষণৰ প্রতিষ্ঠান হিচাপে গণ্য কৰা হয়। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন নং ৫ ঃ মার্ক্সে গুৰুত্ব দিয়া দুটা শ্রেণীৰ নাম লিখক।

প্রশ্ন নং ৬ ঃ আদিম সমাজবাদৰ অর্থ লিখক। (৫০ শব্দৰ ভিতৰত)

প্রশ্ন নং ৭ ঃ অতিৰিক্ত মূল্যৰ ধাৰণাটো ব্যাখ্যা কৰক। (৫০ শব্দৰ ভিতৰত)

৯.৫ ৰাষ্ট্রৰ মার্ক্সবাদী দৃষ্টিভংগী

এই তাত্ত্বিক দৃষ্টিভংগী ঐতিহাসিক বস্তুবাদৰ ধাৰণাৰ ওপৰত আধাৰিত। ই মার্ক্সৰ আদর্শৰ ওপৰত আধাৰিত যিয়ে ৰাষ্ট্রক শোষণৰ প্রতিষ্ঠান হিচাপে গণ্য কৰে। ৰাষ্ট্রৰ ওপৰত মার্ক্সবাদী দৃষ্টিভংগী তলত উল্লেখিত বিষয়সমূহৰ দ্বাৰা বুজিব পাৰি ঃ

(ক) **শ্ৰেণী শাসনৰ প্ৰতিষ্ঠান হিচাপে ৰাষ্ট্ৰ ঃ** এই তত্ত্বটোৱে বিশ্বাস কৰে যে ৰাষ্ট্ৰ এখন শ্ৰেণী শাসনৰ প্ৰতিষ্ঠান। ই শ্ৰেণী বিভাজিত সমাজৰ এক উৎপাদন। মানৱ ইতিহাসৰ প্ৰতিটো পৰ্য্যায়ত ৰাজ্যখনক দুটা প্ৰধান শ্ৰেণীত বিভক্ত কৰা হৈছে — ধনী আৰু দৰিদ্ৰ, য'ত ধনীসকলে দৰিদ্ৰসকলক শোষণ কৰে। ইয়াৰ মূল কাৰণ হৈছে এই দ্বন্দ্বৰ বাবেই মানৱ ইতিহাস আগবাঢ়ি গৈ আছে।

(খ) **মানৱ-নিৰ্মিত প্ৰতিষ্ঠান হিচাপে ৰাষ্ট্ৰ ঃ** ই এক কৃত্ৰিম প্ৰতিষ্ঠান। দাসত্বৰ অধিকাৰী সমাজত ইয়াৰ প্ৰয়োজন হোৱাৰ সময়তেই ইয়াৰ সৃষ্টি হয়। যেতিয়া দাসসকলৰ ওপৰত মালিকসকলৰ শোষণে সীমা অতিক্ৰম কৰিছিল, তেতিয়া দাসসকলে মালিকসকলৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছিল আৰু এই সংগ্ৰামৰ পিছৰ পৰ্যায়ত মালিকসকলে নিজৰ নিয়ন্ত্ৰণ বজাই ৰাখিবলৈ ৰাষ্ট্ৰকে ধৰি কেইবাটাও প্ৰতিষ্ঠানৰ সৃষ্টি কৰিছিল।

(গ) **ৰাষ্ট্ৰ অৰ্থনৈতিকভাৱে প্ৰভাৱশালী শ্ৰেণীৰ অন্তৰ্গত ঃ** যেতিয়া ৰাষ্ট্ৰৰ সৃষ্টি হৈছিল, তেতিয়া ই মালিকসকলৰ ৰাষ্ট্ৰ আছিল। সামন্তবাদী আৰু পুঁজিবাদী ব্যৱস্থাটো ৰাষ্ট্ৰখন সামন্ত আৰু পুঁজিবাদী শ্ৰেণীৰ দ্বাৰা প্ৰভাৱিত আছিল। এনেদৰেই এই দৃষ্টিভংগীত ৰাষ্ট্ৰখন অৰ্থনৈতিকভাৱে প্ৰভাৱশালী শ্ৰেণীৰ অন্তৰ্গত যিয়ে মানৱ ইতিহাসৰ বিভিন্ন পৰ্যায়ত দৰিদ্ৰ শ্ৰেণীসমূহক শোষণ কৰি আহিছে।

(ঘ) **ৰাষ্ট্ৰক এক উপায় হিচাপে চিহ্নিত ঃ** মাৰ্ক্সবাদে বিশ্বাস কৰে যে ৰাষ্ট্ৰ আৰ্থ-সামাজিক উন্নয়ন সুৰক্ষিত কৰাৰ এক উপায়। মাৰ্ক্সে "বিশ্বৰ শ্ৰমিকসকল একত্ৰিত হওঁক" শ্লোগানটো দিছিল। তেওঁ সাধাৰণ মানুহৰ প্ৰয়োজনীয়তা পূৰণ কৰিব পৰা এখন ৰাষ্ট্ৰৰ ভেটি স্থাপন কৰিব বিচাৰিছিল।

(ঙ) **ৰাষ্ট্ৰক এক অস্থায়ী আৰু বলপূৰ্বক প্ৰতিষ্ঠান হিচাপে ঘোষণা ঃ** মাৰ্ক্সবাদে ৰাষ্ট্ৰক এক অস্থায়ী প্ৰতিষ্ঠান হিচাপে গণ্য কৰে কাৰণ বিপ্লৱৰ পাছৰ সময়ছোৱত সাম্যবাদ প্ৰতিষ্ঠা হ'লে ৰাষ্ট্ৰ ক্ৰমান্বয়ে লুপ্ত হ'ব। মাৰ্ক্সবাদীসকলে এইটোও বিশ্বাস কৰিছিল যে ক্ষমতা আৰু শ্ৰেণীসমূহৰ অস্তিত্ব, ইটোৱে সিটোৰ সৈতে জড়িত, আৰু ই শাসক শ্ৰেণীৰ হাতত থকা এক সঁজুলি। ৰাষ্ট্ৰখন জনসাধাৰণৰ ইচ্ছানুসাৰে গঠন কৰা নহয় বৰঞ্চ ই এক বলপূৰ্বকভাৱে কৰা সৃষ্টিহে।

সমালোচনা ঃ সমালোচকসকলে ৰাষ্ট্ৰখনৰ মাৰ্ক্সবাদী দৃষ্টিভংগীৰ ওপৰত কিছুমান সমালোচনা আগবঢ়াই আহিছে ঃ

(ক) সমালোচকসকলে ৰাষ্ট্ৰখনৰ উৎপত্তি আৰু প্ৰকৃতি সম্পৰ্কত এই দৃষ্টিভংগীৰ মূল আধাৰক প্ৰত্যাহ্বান জনাইছে।

(খ) সমালোচকসকলে এইটোও কৈছে যে মাৰ্ক্সবাদী দৃষ্টিভংগী সম্পূৰ্ণৰূপে ত্যাগ কৰাটো ভুল হ'ব কিন্তু একে সময়তে এইটোও ক'ব নোৱাৰি যে ৰাষ্ট্ৰখনে সদায় অৰ্থনৈতিকভাৱে প্ৰভাৱশালী শ্ৰেণীৰ পক্ষ লয় আৰু ৰাষ্ট্ৰখন শক্তিৰ ওপৰত আধাৰিত।

(গ) শেষত, সমালোচকসকলে কয় যে ৰাষ্ট্রৰ এক নির্দিষ্ট অস্তিত্ব আছে। সাম্যবাদ প্রতিষ্ঠা হোৱাৰ পিছত ৰাষ্ট্রৰ বিলুপ্তি হ'ব বুলি কোৱাটো এক অবাস্তৱ দৃষ্টিভংগী।

এনেবোৰ সীমাবদ্ধতা থকা স্বত্তেও, মার্ক্সবাদী দৃষ্টিভংগীয়ে ৰাষ্ট্রখনক এক ৰাজনৈতিক আৰু অর্থনৈতিক প্রতিষ্ঠান হিচাপে প্রাসংগিক কৰি তোলাৰ দিশত অৰিহণা যোগাইছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৮ ঃ মার্ক্সীয় দৃষ্টিভংগী অনুসৰি ৰাষ্ট্র অর্থনৈতিকভাৱে প্রভাৱশালী শ্রেণীৰ অন্তর্গত। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন নং ৯ ঃ "ৰাষ্ট্র এটা শ্রেণী শাসনৰ প্রতিষ্ঠান" — বক্তব্যটোৰ সপক্ষে যুক্তি প্রদান কৰক।



৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ইতিহাসৰ অর্থনৈতিক ব্যাখ্যা (ঐতিহাসিক বস্তুবাদ) জার্মান চিন্তাবিদ আৰু বিপ্লৱী কার্ল মার্ক্সে চিত্রিত কৰিছিল। ঐতিহাসিক বস্তুবাদ হৈছে সমাজৰ বিকাশত দ্বন্দ্বাত্মক বস্তুবাদৰ নীতিৰ প্রয়োগ।
- দৰাচলতে, ই ইতিহাসৰ এক অর্থনৈতিক ব্যাখ্যা, যাৰ মতে ইতিহাসৰ সকলো পৰিঘটনা অর্থনৈতিক পৰিস্থিতিৰ দ্বাৰা নির্ধাৰণ কৰা হয়।
- এই পদ্ধতি অনুসৰি, ইতিহাসৰ পৰিৱর্তন হ'ল উৎপাদন পদ্ধতিৰ পৰিৱর্তনৰ ফলাফল। অর্থনৈতিক ক্ষেত্রৰ পৰিৱর্তনে ভৱিষ্যতৰ ইতিহাসৰ গতিপথত যথেষ্ট প্রভাৱ পেলায়।
- মার্ক্সবাদী পদ্ধতিত মার্ক্সে মানৰ সমাজৰ বিৱর্তনৰ পাঁচটা পর্যায়ৰ বিষয়ে যুক্তি দাঙি ধৰিছে। সেইবোৰ হ'ল আদিম সাম্যবাদ, দাস ব্যৱস্থা, পুঁজিবাদী ব্যৱস্থা আৰু সমাজবাদী ব্যৱস্থা।
- মার্ক্সবাদৰ মতে, বিভিন্ন লোকৰ মাজত হোৱা যুদ্ধৰ বিশ্লেষণেই ইতিহাসৰ মূল বিষয়বস্তু নহয়। ইতিহাসে শোষক আৰু শোষিত শ্রেণীৰ মাজত হোৱা সংগ্রামৰ বিষয়েও আলোকপাত কৰে।
- প্রতিটো পর্য্যায়ত সমাজখন দুটা প্রধান শ্রেণীত বিভক্ত হৈ পৰে — ধনী (থকা) আৰু দৰিদ্র (নথকা)।
- আদিম সাম্যবাদৰ পর্যায়ত সকলোবোৰ সম্পত্তি সামূহিকভাৱে ভাগ-বতৰা কৰা হৈছিল আৰু ব্যক্তিগত মালিকানাৰ কোনো ধাৰণা নাছিল। এই পর্য্যায়ত কোনো ব্যক্তিগত সম্পত্তি নথকা চিকাৰী আৰু সংগ্রহকসকলহে অন্তর্ভুক্ত আছিল।
- কিন্তু পৰৱর্তী সময়ত, ব্যক্তিগত সম্পত্তিৰ বিকাশৰ লগে লগে, "মোৰ আৰু আপোনাৰ" (Mine and Thine) ধাৰণাটো উদ্ভৱ হ'ল, যাৰ ফলত ব্যক্তিগত মালিকানাৰ ধাৰণাৰ সৃষ্টি হৈছিল।

- ইয়াৰ পিছত সমাজখন দুটা শ্রেণীৰ মাজত বিভক্ত হৈ পৰিছিল — "থকা" (Haves), যি সকলো ব্যক্তিগত সম্পত্তি আৰু উৎপাদনৰ মাধ্যমৰ মালিক আছিল আৰু "নথকা" (Have-Nots) বা যিসকলৰ ব্যক্তিগত সম্পত্তি নাছিল।
- ব্যক্তিগত সম্পত্তি আৰু উৎপাদনৰ মাধ্যমৰ মালিক সকলৰ দ্বাৰা নথকাসকল নিৰন্তৰ শোষিত হৈছিল। দুয়োটা শ্রেণীৰ মাজৰ বিৰোধিতাৰ বাবে মার্ক্সবাদী দৃষ্টিভংগীয়ে ভৱিষ্যত বাণী কৰিছিল যে এবাৰ দৰিদ্রসকলে ধনৱান শ্রেণীৰ হাতত তেওঁলোকৰ নিৰন্তৰ শোষণ উপলব্ধি কৰিলে, তেওঁলোকে ধনী নির্যাতনকাৰীসকলৰ বিৰুদ্ধে শ্রেণী সংগ্রাম কৰিব।
- সেয়েহে, দাসত্বৰ অধিকাৰী সমাজত, সংগ্রামটো দাস আৰু দাস শ্রেণীৰ মালিকসকলৰ মাজত হয়; সামন্তবাদী সমাজত কৃষিদাস (Serfs) আৰু সামন্তবাদী প্রভুসকলৰ মাজত; পুঁজিবাদী ব্যৱস্থাত সংগ্রামটো শ্রমিক আৰু পুঁজিবাদীসকলৰ মাজত হয়।
- মার্ক্সে পুজিবাদী ব্যৱস্থাত "অতিৰিক্ত মূল্য" (Surplus Value) ৰ ধাৰণাটোৰ কথা কৈছিল। উৎপাদন প্রক্রিয়াত শ্রমিকসকলক তেওঁলোকৰ দৰমহাৰ বাহিৰেও অতিৰিক্ত প্রচেষ্টা কৰিবলৈ বাধ্য কৰা হয়। শ্রমিকজনে অতিৰিক্ত মূল্যৱ উৎপাদন কৰে কিন্তু ইয়াক পুঁজিপতিৰ দ্বাৰা আত্মসাৎ কৰা হয়। শ্রমিকসকলে তেওঁলোকৰ দৰমহাৰ মূল্যৰ উপৰিঞ্চি উৎপাদন কৰা সামগ্রীৰ মূল্যক 'অতিৰিক্ত মূল্য' বুলি কোৱা হয়।
- মার্ক্সে বিশ্বাস কৰিছিল যে ৰাষ্ট্র হৈছে ধনী শ্রেণীৰ সঁজুলি। ই দৰিদ্র লোকসকলৰ শোষণৰ এক সঁজুলি। ৰাজ্য এটা প্রকৃতিক সামাজিক প্রতিষ্ঠান নহয়।
- সেয়েহে, মার্ক্সবাদত মানৱ ইতিহাস হৈছে শোষক আৰু শোষিতসকলৰ মাজত হোৱা শ্রেণী সংগ্রামৰ ইতিহাস। পুঁজিবাদী পর্যায়লৈকে শ্রেণী সংগ্রাম পুঁজিবাদীসকলৰ দ্বাৰা প্রভাৱিত হ'ব।
- মার্ক্সে পূর্বানুমান কৰিছিল যে পুঁজিবাদৰ সর্বোচ্চ পর্যায়ত এক বিপ্লৱ হ'ব। এই হিংসাত্মক বিপ্লৱত পুঁজিবাদী শ্রেণীক শ্রমিক শ্রেণীৰ দ্বাৰা উৎখাত কৰা হ'ব আৰু "শ্রমিক শ্রেণীৰ একনায়কত্ব" প্রতিষ্ঠা হ'ব। ই হ'ব শ্রমিক শ্রেণীৰ দ্বাৰা প্রভাৱিত এক সমাজবাদী ব্যৱস্থা। বিপ্লৱৰ পিছৰ সময়ছোৱাত শ্রেণী সংগ্রামৰ অন্ত পৰিব। পৰৱর্তী সময়ত, ৰাষ্ট্রৰ বিলুপ্তি ঘটিব আৰু সাম্যবাদৰ ৰূপত এখন ৰাষ্ট্রহীন আৰু শ্রেণীহীন সমাজৰ উদ্ভৱ হ'ব।
- ৰাষ্ট্র প্রতিষ্ঠানৰ ওপৰত মার্ক্সবাদী দৃষ্টিভংগীসমূহ এনেধৰণ— শ্রেণী শাসনৰ প্রতিষ্ঠান হিচাপে ৰাষ্ট্র, মানৱ-নির্মিত প্রতিষ্ঠান হিচাপে ৰাষ্ট্র, ৰাষ্ট্র অর্থনৈতিকভাৱে প্রভাৱশালী শ্রেণীৰ অন্তর্গত, ৰাষ্ট্রক এক উপায় হিচাপে চিহ্নিত, অস্থায়ী আৰু বলপূর্বক প্রতিষ্ঠান হিচাপে ৰাষ্ট্র।
- সমালোচকসকলে ৰাষ্ট্রখনৰ মার্ক্সবাদী দৃষ্টিভংগীৰ কিছুমান সমালোচনা আগবঢ়াই আহিছে।
- সমালোচকসকলে ৰাষ্ট্রখনৰ উৎপত্তি আৰু প্রকৃতি সম্পর্কত এই দৃষ্টিভংগীৰ মূল আধাৰক প্রত্যাহ্বান জনাইছে।
- সমালোচকসকলে এইটোও কৈছে যে মার্ক্সবাদী দৃষ্টিভংগী সম্পূর্ণৰূপে ত্যাগ কৰাটো

ভুল হ'ব কিন্তু একে সময়তে এইটোও ক'ব নোৱাৰি যে ৰাষ্ট্রখনে সদায় অর্থনৈতিকভাৱে প্রভাৱশালী শ্রেণীৰ পক্ষ লয় আৰু ৰাষ্ট্রখন শক্তিৰ ওপৰত আধাৰিত।

- শেষত, সমালোচকসকলে কয় যে ৰাষ্ট্রৰ এক নির্দিষ্ট অস্তিত্ব আছে। সাম্যবাদ প্রতিষ্ঠা হোৱাৰ পিছত ৰাষ্ট্রৰ বিলুপ্তি হ'ব বুলি কোৱাটো এক অবাস্তৰ দৃষ্টিভংগী।



৯.৭ অধিক জানিবলৈ

১) Balibar Etience (1995): *The Philosophy of Marx.* University of California: Verso

২) Hacker Andrew (1961): *Political Theory - Philosophy, Ideology and Science.* Toronto: Macmillan.

৩) Harvey David (1982): *The Limits to Capital.* Univesity of California: Verso

৪) Laski, Harold J, (1935): *The State in Theory and Practice.* London: George Allen & Unwin.

৫) Leftwich, Adrian (ed.) (1984): *What is Politics: The Activity and its Study.* Oxford: Basil Blackwell.



৯.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ দ্বন্দ্ব তত্ত্ব।

২ নং প্রশ্নৰ উত্তৰ ঃ সম্পর্ক।

৩ নং প্রশ্নৰ উত্তৰ ঃ আদিম সাম্যবাদ, দাস ব্যৱস্থা, সামন্ত ব্যৱস্থা, পুঁজিবাদী ব্যৱস্থা আৰু সমাজবাদী ব্যৱস্থা।

৪ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ।

৫ নং প্রশ্নৰ উত্তৰ ঃ "থকা" (Have) আৰু নথকা (Have-Nots)

৬ নং প্রশ্নৰ উত্তৰ ঃ ইতিহাসৰ বস্তুবাদী তত্ত্বটোত কার্ল মার্ক্সে কয় যে আদিম সাম্যবাদ হৈছে মানৱ ইতিহাসৰ প্রথম পর্যায়। এই পর্য্যায়ত কোনো ব্যক্তিগত সম্পত্তি নথকা চিকাৰী আৰু সংগ্রাহকসকল অন্তর্ভুক্ত থাকে।

৭ নং প্রশ্নৰ উত্তৰ ঃ উৎপাদন প্রক্রিয়াত শ্রমিকসকলক তেওঁলোকৰ দৰমহাৰ বাহিৰেও অতিৰিক্ত প্রচেষ্টা কৰিবলৈ বাধ্য কৰা হয়। শ্রমিকজনে অতিৰিক্ত মূল্য উৎপাদন কৰে কিন্তু ইয়াক পুঁজিপতিৰ দ্বাৰা আত্মসাৎ কৰা হয়। শ্রমিকসকলে তেওঁলোকৰ দৰমহাৰ মূল্যৰ উপৰিঞ্চি

উৎপাদন কৰা সামগ্রীৰ মূল্যক 'অতিৰিক্ত মূল্য' বুলি কোৱা হয়।

৮ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ।

৯ নং প্রশ্নৰ উত্তৰ ঃ ৰাষ্ট্র এখন শ্রেণী শাসনৰ প্রতিষ্ঠান। ই শ্রেণী বিভাজিত সমাজৰ এক সৃষ্টি। মানৱ ইতিহাসৰ প্রতিটো পর্য্যায়ত ৰাষ্ট্রক দুটা প্রধান শ্রেণীত বিভক্ত কৰা হৈছে — ধনী আৰু দৰিদ্র, য'ত ধনীসকলে দৰিদ্রসকলক শোষণ কৰে। এই দ্বন্দ্বৰ বাবেই মানৱ ইতিহাস আগবাঢ়ি গৈ আছে।



৯.৯ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ মানৱ ইতিহাসৰ কোনটো পর্যায়ত ৰাষ্ট্রৰ উদ্ভৱ হৈছিল?

প্রশ্ন ২ ঃ কার্ল মার্ক্সৰ কোনো দুটা প্রধান ৰচনাৰ কথা উল্লেখ কৰক?

প্রশ্ন ৩ ঃ ঐতিহাসিক বস্তুবাদৰ ধাৰণাটোৰ ওপৰত এটা চমু টোকা লিখক।

প্রশ্ন ৪ ঃ (ক) সামগ্রী (খ) শ্রমিক বিপ্লৱৰ ওপৰত চমু টোকা লিখক

প্রশ্ন ৫ ঃ ৰাষ্ট্রখন অর্থনৈতিকভাৱে প্রভাৱশালী শ্রেণীৰ অন্তর্গত। বিবৃতিটোৰ ন্যায্যতা প্রদান কৰক।

প্রশ্ন ৬ ঃ মার্ক্সবাদত মানৱ ইতিহাসৰ পাঁচটা পর্যায় ব্যাখ্যা কৰক।

প্রশ্ন ৭ ঃ মার্ক্সে এখন ৰাষ্ট্রৰ কার্য্যকলাপবোৰ কেনেদৰে ব্যাখ্যা কৰে?

*** ***** ***

অধ্যায় ১০ ঃ ক্রমবিকাশবাদী সমাজবাদ-এডুৱার্ড বার্নষ্টেইন

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ এডুৱার্ড বার্নষ্টেইন আৰু সংশোধনবাদ
১০.৪ 'অকার্যকৰ অৱস্থা তত্ত্ব' সম্পর্কে বার্নষ্টেইনৰ দৃষ্টিভংগী
১০.৫ শ্রেণী সংৰচনা আৰু শ্রেণী যুদ্ধ সম্পর্কে বার্নষ্টেইনৰ দৃষ্টিভংগী
১০.৬ দ্বন্দ্বাত্মক আৰু ঐতিহাসিক বস্তুবাদ সম্পর্কে বার্নষ্টেইনৰ দৃষ্টিভংগী
১০.৭ উদ্বৃত্ত মূল্য সম্পর্কে বার্নষ্টেইনৰ দৃষ্টিভংগী
১০.৮ সমালোচনাত্মক মূল্যায়ন
১০.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.১০ অধিক জানিবলৈ
১০.১১ অগ্রগতিৰ খতিয়ান
১০.১২ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ক্রমবিকাশবাদী সমাজবাদ আৰু সংশোধনবাদৰ ধাৰণা দুটা বুজিব পাৰিব
- বার্নষ্টেইনে কার্ল মার্ক্সৰ মতবাদক কৰা সমালোচনাবোৰ বুজি পাব
- এডুৱার্ড বার্নষ্টেইনৰ দর্শন ব্যাখ্যা কৰিব পাৰিব
- বার্নষ্টেইনৰ মতবাদক সমালোচনাত্মক দৃষ্টিভংগীৰে মূল্যায়ন কৰিব পাৰিব।

১০.২ পৰিচয়

কার্ল মার্ক্সৰ মৃত্যুৰ পাছত তেওঁ বিকশাই তোলা বিজ্ঞানসন্মত সমাজবাদৰ ধাৰণাটো নানা ধৰণৰ প্রত্যাহ্বানৰ সন্মুখীন হৈছিল। বিভিন্ন মহলৰ বাবে তেওঁৰ মতবাদে পোষকতা কৰা বৈপ্লৱিক পৰিৱর্তনৰ বৈশিষ্ট্যটো গ্রহণযোগ্য নাছিল। মার্ক্সৰ মতবাদক তীব্র সমালোচনা কৰাসকলৰ প্রথম শাৰীত আছিল ফেবিয়ান সমাজবাদী আৰু জার্মান সংশোধনবাদীসকল। এই দুয়োটা দর্শনেই সমাজবাদক বাস্তৱ ৰূপ দিবলৈ মার্ক্সে কোৱা বৈপ্লৱিক পদ্ধতিৰ সলনি ক্রমবিকাশবাদী পদ্ধতি গ্রহণ কৰাৰ পক্ষপাতী আছিল।

১০.৩ এডুৱার্ড বার্নষ্টেইন আৰু সংশোধনবাদ

ক্রমবিকাশবাদী সমাজবাদ (Evolutionary Socialism)এ বিপ্লৱৰ প্রয়োজনীয়তাক অগ্রাহ্য কৰে আৰু সমাজবাদ প্রতিষ্ঠাৰ শান্তিপূর্ণ প্রয়াসবোৰক সমর্থন কৰে। এই মতবাদৰ সমর্থকসকলে বিশ্বাস কৰে যে সংসদীয় গণতন্ত্র আৰু নির্বাচনৰ মাধ্যমেৰে সামাজিক পৰিৱর্তন সাধন কৰিব পৰা যায় আৰু ইয়াৰ বাবে হিংসাত্মক বিপ্লৱৰ কোনো প্রয়োজন নাই। তেওঁলোকে শ্রেণীবিভক্ত সমাজ এখন ক্রমে শ্রেণীহীন সমাজ এখনলৈ সলনি হোৱাৰ প্রক্রিয়া এটাৰ পৃষ্ঠপোষকতা কৰিছিল। মার্ক্সে কোৱা সর্বহাৰাৰ একনায়কত্ববাদ (dictatorship of proletariat) আৰু পুঁজিবাদীসকলক হঠাতে উৎখাত কৰাৰ চিন্তাক সেয়েহে তেওঁলোকে সমর্থন কৰা নাছিল। অন্য অর্থত, ক্রমবিকাশবাদী সমাজবাদে মার্ক্সবাদক সংশোধন কৰিব পৰা নীতি এটাৰ পোষকতা কৰিছিল।

এডুৱার্ড বার্নষ্টেইন (Eduard Bernstein) এই চিন্তাৰ সমর্থক আছিল। সমাজৰ বিভিন্ন শ্রেণীৰ মাজত চলা সংঘাত (শ্রেণী যুদ্ধ)ৰ কথা কওতে তেওঁ সমাজে কেনেদৰে এটা শান্তিপূর্ণ গণতান্ত্রিক পদ্ধতিৰে শ্রেণীহীন অৱস্থাত উপনীত হ'ব পাৰে তাৰ সম্ভাৱনীয়তা ব্যক্ত কৰিছিল। এই বিষয়টো সন্দর্ভত বার্নষ্টেইনে পোষণ কৰা মত ১৮৯৯ চনত প্রকাশিত তেওঁৰ বহুল পঠিত ৰচনা 'Evolutionary Socialism : A Criticism and Affirmation' ত অন্তর্ভুক্ত কৰিছে। তেওঁ জার্মান সংশোধনবাদী ধাৰাৰ অনুগামী আছিল। বার্নষ্টেইনৰ সংশোধনবাদৰ বিষয়ে বহলাই আলোচনা কৰাৰ আগতে তেওঁৰ জীৱনৰ পৃষ্ঠভূমি সম্পর্কে কিছু কথা জানি থোৱাতো ভাল হ'ব।

১৮৫০ চনত বার্লিনৰ এটা দুখীয়া ইহুদী পৰিয়ালত এডুৱার্ড বার্নষ্টেইনৰ জন্ম হৈছিল। আর্থিক অৱস্থা শোচনীয় আছিল বাবে তেওঁ উপযুক্ত আনুষ্ঠানিক শিক্ষা গ্রহণ কৰাৰ পৰা বঞ্চিত হৈছিল। ১৬ বছৰ বয়সত তেওঁ বিদ্যালয়ৰ পঢ়া এৰিবলৈ বাধ্য হৈছিল। পঢ়া আধাতে এৰি তেওঁ বেংকিং সেৱাৰ প্রশিক্ষণ লৈছিল। প্রশিক্ষণ সমাপ্ত কৰি তেওঁ বেংক এটাত কেৰাণীৰ চাকৰি লৈছিল। ২৮ বছৰ বয়সলৈকে তেওঁ কেৰাণীৰ কাম কৰিছিল। চাকৰি কৰি থকা সময়তে তেওঁ সমাজবাদ বিষয়ক বিভিন্ন লেখনী পঢ়িবলৈ পাইছিল। এসময়ত বার্নষ্টেইনে জার্মান চোছিয়েল ডেম'ক্রেটিক ৱ'র্কাৰচ্ পার্টি (German Social Democratic Workers' Party/ SDP)ত যোগদান কৰিছিল। ১৮৭৮ চনত বিচমার্কে সমাজবাদী বিৰোধী আইন গৃহীত কৰাৰ লগে লগে বার্নষ্টেইন চুইজাৰলেণ্ডলৈ গুছি গৈছিল। তাত তেওঁ প্রখ্যাত ধনাঢ্য আৰু পৰোপকাৰী ব্যৱসায়ী কার্ল হোছ্বার্গৰ ব্যক্তিগত সচিবৰ পদ গ্রহণ কৰিছিল। জার্মানীত বিচমার্কৰ আইনে সমাজবাদী কার্যকলাপ ৰোধ কৰাৰ সকলো ধৰণৰ প্রচেষ্টা আৰম্ভ কৰিছিল। ইয়াৰ ফলশ্রুতিত SDP-কে ধৰি আন আটাইবোৰ জার্মান সমাজবাদী সংগঠনক অবৈধ বুলি ঘোষণা কৰা হৈছিল। সমাজবাদ প্রতিষ্ঠাৰ লক্ষ্যত উপনীত হোৱাৰ বাবে প্রয়োজনীয় কাম-কাজবোৰ আগুৱাই লৈ গৈ থাকিবলৈ মার্ক্স, এংগেলচ্ আৰু জার্মান চোছিয়েল ডেম'ক্রেটিক পার্টিৰ আন নেতাসকলে চুইজাৰলেণ্ডৰ

জুৰিখ্ৰ পৰা এখন সংবাদ পত্ৰ প্ৰকাশ কৰাৰ সিদ্ধান্ত লৈছিল। কিন্তু পত্ৰখনৰ সম্পাদক মণ্ডলীত হোছ্বাৰ্গৰ নাম থকা বাবে মাৰ্ক্সে তেওঁক বুৰ্জোৱা বুলি কৈ পত্ৰখনৰ প্ৰকাশ বিষয়ক সকলো সিদ্ধান্তৰ পৰা আঁতৰি গৈছিল। সংবাদ পত্ৰখনৰ সম্পাদক মণ্ডলীত থকা আন দুটা নাম আছিল এডুৱার্ড বার্নষ্টেইন আৰু কার্ল অ'গাষ্ট শ্রাম।

এই সময়ছোৱাতে চুইজাৰলেণ্ডৰ পৰা নির্বাসিত হৈ বার্নষ্টেইন লণ্ডন পাইছিলগৈ। লণ্ডনত তেওঁ ফেবিয়ান সমাজবাদৰ সৈতে পৰিচিত হৈছিল। এই মতবাদৰ সৈতে তেওঁৰ নিজ চিন্তাধাৰাৰ যথেষ্ট মিল আছিল আৰু তেওঁ নিজৰ বহুতো চিন্তা-ধাৰণা ফেবিয়ান সমাজবাদীসকলৰ সৈতে ভাগ-বাটোৱাৰা কৰিছিল। লণ্ডনত থকাৰ সময়তে বার্নষ্টেইনে এংগেলচ্ৰ সৈতে এক ঘনিষ্ঠ সম্পর্ক গঢ়ি তুলিছিল। অৱশ্যে ফেবিয়ান সমাজবাদ সম্পর্কে এংগেলচ্ৰ মনত যথেষ্ট সন্দেহ আছিল। এইটো কাৰণতে এংগেলচ্ৰ সৈতে সম্পর্ক ৰক্ষা কৰি থকাৰ সময়ত বার্নষ্টেইনৰ নিজস্ব ৰাজনৈতিক দর্শন গঢ় লৈ উঠিব পৰা নাছিল। ১৮৯৫ চনত এংগেলচ্ৰ মৃত্যু হোৱাৰ পাছতহে বার্নষ্টেইনে নিজৰ চিন্তা ৰাজহুৱাভাৱে উপস্থাপন কৰিছিল।

বার্নষ্টেইনৰ দর্শনক প্ৰায়েই সংশোধনবাদ (Revisionism) আৰু তেওঁক সংশোধনবাদী (Revisionist) বুলি অভিহিত কৰা হয়। মার্ক্সবাদী সাহিত্যত সংশোধনবাদক সাধাৰণতে কার্ল মার্ক্সে প্ৰতিষ্ঠা কৰি থৈ যোৱা দর্শনৰ এক বিচ্যুতি অথবা এক ব্যতিক্ৰম বুলি কোৱা হয়। বিভিন্ন সময়ত পণ্ডিত-সমালোচকসকলে মার্ক্সবাদক বিভিন্ন ধৰণে ব্যাখ্যা আৰু পুনর্ব্যাখ্যা কৰি আহিছে। ইয়াৰে একাংশ পণ্ডিত-সমালোচকে ৰক্ষণশীল মার্ক্সবাদৰ প্ৰতি সমর্থন জনাই বহল ভিত্তিত ইয়াৰ ব্যাখ্যা কৰিছে। আন একাংশই মার্ক্সবাদক সম্পূর্ণৰূপে মানি লোৱাত সমস্যাৰ সন্মুখীন হৈছে আৰু নিজা দর্শন বিকশিত কৰিছে। এনে দর্শনে কিছুমান বিশেষ মার্ক্সবাদী নীতিৰ বিৰোধাভাস প্ৰদর্শন কৰে। মনত ৰাখি থোৱা ভাল হ'ব যে এনে দর্শনক সম্পূর্ণৰূপে মার্ক্সবাদৰ বিৰোধী বুলি ক'ব নোৱাৰি কাৰণ সমাজবাদী সমাজ এখন প্ৰতিষ্ঠাৰ প্ৰশ্নত এনে আটাইবোৰ দর্শনেই সহমত পোষণ কৰে। নতুন দর্শনবোৰৰ যুক্তি হ'ল কার্ল মার্ক্সে নিজৰ মতবাদ প্ৰতিষ্ঠা কৰাৰ পাছত বহু সময় বাগৰি গৈছে আৰু বহু কথা সলনি হৈছে। পৰিৱর্তিত সময়ৰ সৈতে খাপ খোৱাকৈ মার্ক্সবাদী তত্ত্বৰ সংশোধন কৰাতো প্ৰয়োজনীয় হৈ পৰিছে। মার্ক্সবাদৰ কেইটামান বিশেষ নীতিক লৈ প্ৰশ্ন উত্থাপন কৰা বার্নষ্টেইন হ'ল এনে এগৰাকী সংশোধনবাদী। তেওঁ সন্মত হ'ব নোৱাৰা মার্ক্সবাদী ধাৰণাকেইটা হ'ল বৈজ্ঞানিক সমাজবাদ, সাম্যবাদ প্ৰতিষ্ঠা কৰিবলৈ বিপ্লৱৰ প্ৰয়োজনীয়তা, দ্বন্দ্বাত্মক আৰু ঐতিহাসিক বস্তুবাদ, শ্রেণী সংগ্রাম আৰু সমাজত মাত্র দুটা শ্রেণীৰ অস্তিত্ব আদি। বার্নষ্টেইনে মার্ক্সবাদৰ তাত্ত্বিক ভিত্তি মানি লৈছিল যদিও তেওঁ বাস্তৱ জগতৰ সৈতে ইয়াৰ সম্পর্কক লৈ সন্দিহান আছিল। সেয়েহে, তেওঁৰ মতে মার্ক্সবাদে ইয়াৰ ইউটোপীয়ান (কাল্পনিক বাস্তৱ) বৈশিষ্ট্যৰ বাবে ব্যৱহাৰিক উপযোগিতা হেৰুৱাই পেলাইছে। শ্রমিক আন্দোলনে বিভিন্ন পৰিৱর্তনৰ মাজেৰে গতি কৰি আছে যদিও মার্ক্সবাদৰ বাস্তৱৰ সৈতে সম্পর্ক নাইকিয়া হৈছে। কাৰণ এই আন্দোলনলৈ অহা পৰিৱর্তনবোৰে কার্ল মার্ক্সে কোৱা পৰিৱর্তনৰ পদ্ধতিবোৰ অনুসৰণ কৰা নাই। সেয়েহে, মার্ক্সবাদক পুনৰ কার্যক্ষম কৰি তুলিবলৈ ইয়াৰ সংশোধন ঘটোৱাৰ সময় আহি পৰিছে।

১০.৪ 'অকার্যকৰ অৱস্থা তত্ত্ব' সম্পর্কে বার্নষ্টেইনৰ দৃষ্টিভংগী

বার্নষ্টেইনৰ 'অকার্যকৰ অৱস্থা তত্ত্ব' (the Theory of Breakdown) হ'ল কার্ল মার্ক্সৰ ৰচনা 'Capital'ৰ প্ৰথম খণ্ডৰ ৩২ নং অধ্যায়ত উপস্থাপন কৰা যুক্তিৰ এক সমালোচনা। মার্ক্সে ইয়াত পুঁজিবাদৰ অৱশ্যম্ভাৱী পতনৰ কথা কৈছে। মার্ক্সৰ মতে পুঁজিবাদৰ পতনৰ বীজ পুঁজিবাদী ব্যৱস্থাটোতেই লুকাই থাকে। পুঁজিবাদী ব্যৱস্থাত থকা পৰস্পৰবিৰোধিতাবোৰ চৰম হৈ পৰাৰ লগে লগে সংকটৰ সূত্ৰপাত হয়। আৰু ইয়েই অৱশেষত সমাজবাদৰ পথ প্ৰশস্ত কৰি তোলে। পুঁজিবাদৰ অগ্ৰগতিৰ লগে লগে পুঁজিপতিসকলৰ মাজত চলা প্ৰতিযোগিতা তীব্ৰ হৈ পৰে। ক্ষুদ্ৰ আৰু নগণ্য পুঁজিপতিসকল এই প্ৰতিযোগিতাত অসফল হয়। তেওঁলোকে হয় আন কোনো বৃহৎ পুঁজিপতিৰ সৈতে বিলীন হ'বলৈ বাধ্য হৈ পৰে, নাইবা নিজৰ ব্যৱসায়-বাণিজ্য বন্ধ কৰি সর্বহাৰাৰ সংগ্ৰামত যোগ দিয়ে। ইয়াৰ ফলত সমাজৰ মাত্ৰ এমুঠিমান মানুহৰ হাতত 'মূলধন কেন্দ্ৰীভূত' হয়। ইয়াৰ আন এক ফলাফল হ'ল সমাজত বঞ্চিত-নিষ্পেষিত জনসাধাৰণৰ সংখ্যা বাঢ়ে। প্ৰযুক্তিবিদ্যা উন্নত হোৱাৰ অর্থ হ'ল শ্ৰমিকসকলৰ তেনে প্ৰযুক্তি ব্যৱহাৰ কৰিব পৰাকৈ বিশেষ দক্ষতা বৃদ্ধি কৰাৰ প্ৰয়োজনীয়তা বাঢ়ি যোৱা। শ্ৰমিক এনে দক্ষতাৰ গৰাকী নহ'বও পাৰে। তেনে অৱস্থাত তেওঁলোক নিবনুৱা হোৱাৰ সম্ভাৱনা বাঢ়ি যাব। আকৌ, উন্নত প্ৰযুক্তিবিদ্যাৰ ফলত যন্ত্ৰ-পাতিয়ে মানুহৰ স্থান লোৱাৰ সম্ভাৱনাও বাঢ়ি যাব। তেতিয়াও শ্ৰমিক কর্মসংস্থাপনহীন হৈ পৰিব।

কৃষিখণ্ডত ক্ষুদ্ৰ খেতিয়কসকলৰ স্থানত কর্প'ৰেট কৃষিপামবোৰে আধিপত্য বিস্তাৰ কৰিব। এনে পামে শ্ৰমিকক শোষণ কৰাৰ লগতে মাটিৰ প্ৰাকৃতিক উর্বৰতা নষ্ট কৰিব। এনেকৈয়ে অৱশেষত পুঁজিবাদে এনে এটা শ্ৰমিক শ্ৰেণীৰ সৃষ্টি কৰিব যিটো পুঁজিবাদী শ্ৰেণীটোৰ চৰম বিৰোধী হ'ব। জীৱিকা অর্জনৰ পৰম্পৰাগত উপায় আৰু উৎপাদনৰ উপায় নাইকিয়া হৈ পৰা এই শ্ৰমিকসকলৰ হাতত বিকল্প নাথাকিব। তেওঁলোকে ন্যূনতম প্ৰশিক্ষণ গ্ৰহণ কৰি অথবা সামান্য দক্ষতাক অৱলম্বন কৰি কোনো কল-কাৰখানাত একেলগে কাম কৰা আৰম্ভ কৰিব। সহকর্মীসকলৰ সৈতে সময় কটোৱাৰ সুযোগ পোৱাৰ লগে লগে তেওঁলোকে পুঁজিবাদী ব্যৱস্থাত নিজৰ ওপৰত চলা শোষণৰ ছবিখন স্পষ্টকৈ বুজি উঠিব। অর্থাৎ, তেওঁলোকৰ মাজত পুঁজিবাদীৰ শোষণ সম্পর্কীয় সচেতনতাৰ সৃষ্টি হ'ব। লাভ অর্জনৰ ইচ্ছাৰে পৰিচালিত পুঁজিবাদীয়ে দুখীয়া জনসাধাৰণৰ অভাৱ-প্ৰয়োজনীয়তা পূৰণৰ প্ৰতি কোনো মনোযোগ নিদিয়াৰ ফলত পুঁজিপতি আৰু খাটি খোৱা শ্ৰেণীটোৰ মাজত অপূৰণীয় সামঞ্জস্যহীনতাৰ সৃষ্টি হ'ব। ইয়েই শ্ৰমিকসকলক পুঁজিপতিসকলক ওফৰাই নিজৰ শাসন পৰিৱর্তন কৰাৰ বাবে বিপ্লৱৰ সূচনা কৰিবলৈ উদ্বুদ্ধ কৰিব। এয়াই শ্ৰমিকৰ শাসন অথবা সর্বহাৰাৰ একনায়কত্ববাদ। মার্ক্সৰ দৃষ্টিভংগী অনুসৰি পুঁজিপতিসকলে আহৰণ কৰা সম্পদেই তেওঁলোকৰ পতনৰ অন্যতম কাৰণ।

বার্নষ্টেইনে মার্ক্সৰ এই মত সম্পূর্ণৰূপে অগ্ৰাহ্য কৰিছিল। তেওঁ কৈছিল যে পুঁজিবাদৰ এক নিজস্ব আত্ম-নিয়ন্ত্ৰক ব্যৱস্থা আছে। এই ব্যৱস্থাবোৰৰ বাবেই মার্ক্সে কোৱাৰ দৰে পুঁজিবাদৰ

পতন নহয় আৰু ই সকলো ধৰণৰ প্রতিৰোধমূলক উপায় অনলম্বন কৰি নিজ অস্তিত্ব বর্তাই ৰাখিব। মার্ক্সে কোৱাৰ দৰে মূলধন কেন্দ্রীভূতভৱন প্রক্রিয়াটোও বাস্তৱত নঘটে। ক্ষুদ্র পুঁজিপতিসকলে বৃহৎ উদ্যোগপতিসকলৰ সৈতে সহাৱস্থান কৰিব পাৰে। সম্পত্তিৰ গৰাকীৰ সংখ্যা বাঢ়ি যোৱা মানেই অধিক মানুহ ধনী হৈ পৰা। অর্থাৎ, একাংশ লোকৰ হাতত সম্পত্তি কেন্দ্রীভূত হৈ পৰা মানে সমাজত আঢ্যৱন্ত লোকৰ সংখ্যা বাঢ়ি যোৱা।

বার্নষ্টেইনৰ মতে মার্ক্সে ভবাৰ দৰে বিপ্লৱ সংঘটিত হ'লে সমাজৰ খাটি খোৱা শ্রেণীটোৰ উত্থান নঘটে। ইয়াৰ পৰিৱর্তে বিপ্লৱৰ সময়ছোৱাত শ্রমিক শ্রেণীটোৱে নিজৰ সমস্যা সমাধান কৰিবলৈ বিভিন্ন শ্রমিক সংঘৰ মাধ্যমেৰে পুঁজিপতিসকলৰ সৈতে সামূহিক বুজাপৰালৈ অহাৰ চেষ্টা কৰে। বার্নষ্টেইনে পুঁজিবাদী সমাজ ব্যৱস্থা এটাৰ মাজতে সক্রিয় হৈ থকা গণতন্ত্রত গভীৰ বিশ্বাস ৰাখিছিল। এনে গণতন্ত্রই শ্রমিক শ্রেণীটোৰ সমস্যাবোৰ সমাধানৰ প্রতি আগ্রহ দেখুৱাব আৰু এটা সময়ত ইয়েই সমাজবাদ প্রতিষ্ঠা কৰিব বুলি তেওঁ আশাবাদী আছিল। পৰামর্শবোৰত সেয়েহে বার্নষ্টেইনে দল-সংগঠনবোৰক সাধাৰণ লোকৰ অধিকাৰ সুৰক্ষিত ৰখাৰ হকে কাম কৰি যোৱাৰ পৰামর্শ দিছিল। দল-সংগঠনবোৰে বিশেষভাৱে শ্রমিক শ্রেণীৰ ৰাজনৈতিক অধিকাৰ সুৰক্ষিত ৰখাৰ চেষ্টা কৰিব লাগে যাতে তেওঁলোকে উপযুক্ত মঞ্চত নিজৰ ওজৰ-আপত্তিবোৰ উপস্থাপন কৰাৰ সুযোগ পায়। ৰাজনৈতিক অধিকাৰ লাভ কৰা শ্রমিক শ্রেণীটোৱে যদি অর্থনৈতিক সিদ্ধান্ত গ্রহণৰ প্রক্রিয়াবোৰত ভাগ লোৱাৰ সুযোগ পায়, তেন্তে তেওঁলোক এটা সময়ত গৈ অর্থনৈতিক অধিকাৰবোৰবো গৰাকী হ'ব পাৰিব। সেয়েহে শ্রমিকৰ স্বার্থ ৰক্ষাৰ হকে কাম কৰি থকা দল-সংগঠনবোৰে বিপ্লৱৰ পাতনি মেলাৰ সলনি এই কথাবোৰলৈ মন দিয়া উচিত। বার্নষ্টেইনে সমাজবাদ প্রতিষ্ঠাৰ এক শান্তিপূর্ণ পদ্ধতিত বিশ্বাস কৰিছিল। তেওঁ ফেবিয়ান সমাজবাদীসকলৰ দৰে বিপ্লৱত নহয়, 'ক্রম গতিশীলবাদ' (Gradualism)ৰহে সমর্থক আছিল। বিপ্লৱৰ পৰা সমাজবাদৰ উদ্ভৱ নহয়, সমাজবাদৰ অন্তর্নিহিত ভাল গুণবোৰ মানুহে উপলব্ধি কৰাৰ ফলতহে সমাজত সমাজবাদ প্রতিষ্ঠা হ'ব। মানুহে আন সকলোবোৰ সমাজ ব্যৱস্থাতকৈ সমাজবাদ শ্রেষ্ঠ বুলি বুজি উঠাৰ লগে লগে ইয়াক স্বেচ্ছাই গ্রহণ কৰিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ বার্নষ্টেইনৰ মতে একাংশ লোকৰ হাতত সম্পত্তি কেন্দ্রীভূত হৈ পৰা মানে সমাজত আঢ্যৱন্ত লোকৰ সংখ্যা বাঢ়ি যোৱা। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন নং ২ ঃ 'অকার্যকৰ অৱস্থা তত্ত্ব' সম্পর্কে বার্নষ্টেইনৰ দৃষ্টিভংগী কেনে আছিল চমুকৈ লিখক। (প্রায় ৫০টা মান শব্দৰ ভিতৰত)

১০.৫ শ্রেণী সংৰচনা আৰু শ্রেণী যুদ্ধ সম্পর্কে বার্নষ্টেইনৰ দৃষ্টিভংগী

মার্ক্স আৰু এংগেলচ্ৰ মতে সমাজ সাধাৰণতে দুটা ভাগত বিভক্ত-শাসক আৰু শাসিত।

দুয়োটা ভাগৰ মাজত বিৰোধ সম্পর্ক থাকে। বার্নষ্টেইনে এই মত খাৰিজ কৰি কৈছিল যে এই শ্রেণীবিভাজন অতি সৰল। এই বর্ণনাই সমাজৰ অংশ আন শ্রেণীবোৰক সামৰি নলয়। মার্ক্সে সমাজৰ এটা এৰাব নোৱাৰা অংশ মধ্যবিত্ত শ্রেণীটোৰ ভূমিকাক স্বীকৃতি দিয়াত ব্যর্থ হৈছে। বার্নষ্টেইনৰ যুক্তি অনুসৰি সমাজত দুখীয়া লোকৰ সংখ্যা বাঢ়ি গৈ শ্রমিক শ্রেণী অথবা সর্বহাৰাৰ সংখ্যা বৃদ্ধি হোৱা নাই। বৰঞ্চ, সামূহিক বুজাপৰালৈ আহি শ্রমিকে সম্পত্তি আহৰণৰ সুযোগ পাইছে আৰু ইয়াৰ ফলত মধ্যবিত্ত শ্রেণীৰ লোকৰ সংখ্যা বৃদ্ধি হৈছে।

বার্নষ্টেইনে মার্ক্সৰ শ্রেণী সংগ্রামৰ তত্ত্বটোকো প্রত্যাহ্বান জনাইছে। সমাজত শ্রেণীৰ অস্তিত্ব আছে বাবেই এটাই আনটোক ওফৰাই পেলাব বুলি ক'ব নোৱাৰি। ঐতিহাসিকভাৱে শাসক আৰু শাসিত শ্রেণী দুটাৰ মাজত শ্রেণী যুদ্ধ চলাৰ খতিয়ান থাকিব পাৰে। কিন্তু অতীতৰ ঘটনাৰ আলমত ভৱিষ্যতেও তেনে ঘটিব বুলি পূর্বানুমান কৰিব নোৱাৰি। ইয়াৰ কাৰণ হিচাপে বার্নষ্টেইনে সর্বহাৰা শ্রেণীটোৰ মাজত থকা বৈচিত্র্যৰ কথা উল্লেখ কৰিছে। এই বৈচিত্র্যই পুঁজিপতি অথবা বুর্জোৱাৰ বিৰুদ্ধে চলিবলগীয়া ভৱিষ্যৎ বিদ্রোহবোৰ ৰোধ কৰিব। শ্রমজীৱি শ্রেণীটোৰ মাজত থকা মনোভাৱ, সংস্কৃতি আৰু স্বার্থৰ ভিন্নতাই এটা বিপ্লৱকামী শ্রমিক শ্রেণী গঢ় লৈ উঠাৰ প্রক্রিয়াটো বিফল কৰিব।

আকৌ, খাটি খোৱা শ্রেণীটোৰ সদস্যসকলে ইতিমধ্যে নিজ কল্যাণ সুনিশ্চিত কৰাত সহযোগিতামূলক মনোভাৱৰ গুৰুত্ব অনুধাৱন কৰিছে। তেওঁলোকে বিভিন্ন ক্ষেত্রত সর্বহাৰা শ্রেণীটোক সহায় কৰিবলৈ আগ্রহী বুর্জোৱাসকলৰ গুৰুত্বও উপলব্ধি কৰিছে। সেয়েহে তেওঁলোকে সাধাৰণভাৱে সমগ্র বুর্জোৱা শ্রেণীটোক অসন্তুষ্ট কৰি বুলিব পৰা যিকোনো প্রকাৰৰ হিংসাত্মক কাম-কাজৰ পৰা আঁতৰি থকাটোক শ্রেয় বুলি পতিয়ন গৈছে। শ্রমজীৱি শ্রেণীটোৱে ইয়াতেই ব্যতিক্রমী মনোভাৱৰ পৰিচয় দিব আৰু মানৱীয়ভাৱে সদয় বুর্জোৱাসকলৰ সৈতে সহযোগিতা কৰিব। এই বুজাবুজিয়ে পুঁজিবাদী ব্যৱস্থাৰ শোষণকাৰী পৰিস্থিতিবোৰ প্রতিহত কৰিব।

একেদৰে, গণতন্ত্রই শ্রেণীবোৰৰ মাজত থকা তীব্র বিৰোধিতামূলক মনোভাৱ প্রশমিত কৰিবলৈ সক্ষম হৈছে। গণতন্ত্রত সংখ্যাগুৰুৰ মতামত শুনা হয় আৰু সেইমতে কাম-কাজৰ পৰিকল্পনা কৰা হয়। ইয়েই শাসক শ্রেণীক বৈপ্লৱিক পদ্ধতিৰে শাসনৰ পৰা অপসাৰিত কৰাৰ প্রচেষ্টাবোৰক বাধা দিব। কাৰণ, গণতন্ত্রত শান্তিপূর্ণ সংসদীয় পদ্ধতিৰে ক্ষমতা হস্তান্তৰ কৰাৰ সুবিধা আছে। মার্ক্সে কোৱা শ্রেণী যুদ্ধৰ সলনি বার্নষ্টেইনে সমাজবাদী সমাজ এখন প্রতিষ্ঠা কৰিবলৈ শ্রেণীবোৰৰ মাজত থাকিবলগীয়া যুটীয়া উদ্যোগৰ প্রয়োজনীয়তাত জোৰ দিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ মার্ক্সৰ শ্রেণী সংগ্রামৰ তত্ত্বটোৰ বিপৰীতে বার্নষ্টেইনে কি মত পোষণ কৰিছিল চমুকৈ লিখক।

১০.৬ দ্বন্দ্বাত্মক আৰু ঐতিহাসিক বস্তুবাদ সম্পর্কে বার্নষ্টেইনৰ দৃষ্টিভংগী

মার্ক্সক দ্বন্দ্বাত্মক বস্তুবাদ (Dialectical Materialism)ৰ ধাৰণাটোৰ বিকাশকাৰী বুলি অভিহিত কৰা হয়। ইয়াৰ সহায়ত তেওঁ সমাজৰ বিকাশ আৰু বিশুদ্ধ ৰূপ প্ৰাপ্তিৰ দিশে সমাজৰ অগ্ৰগতি ব্যাখ্যা কৰিব বিচাৰিছিল। দ্বন্দ্বাত্মকতাৰ ধাৰণাটোক পোন প্ৰথমে হেগেলে এটা সংশোধিত ৰূপ দিছিল। ধাৰণাটোৰ মতে প্ৰত্যেকখন সমাজতে দুটা বিপৰীত শক্তি ক্ৰিয়াশীল হৈ থাকে। ইয়াৰে এটাক প্ৰমেয় (thesis) আৰু আনটোক বিৰোধাভাস (anti-thesis) বোলে। এই দুয়োটাৰ পৰস্পৰবিৰোধিতা (contradiction)ই এক সংশ্লেষণ (synthesis)ৰ সৃষ্টি কৰে। এই সংশ্লেষণ হ'ল এটা নতুন সামাজিক বাস্তৱ। এটা সময়ৰ পাছত এই সংশ্লেষণ এক প্ৰমেয়ত পৰিণত হয় আৰু পুনৰ ইয়াৰ এটা বিৰোধাভাস সৃষ্টি হয়। সমাজৰ এটা নিৰ্ভেজাল অথবা বিশুদ্ধ বাস্তৱ গঢ়ি নুঠালৈকে এই প্ৰক্ৰিয়াটোৰ পুনৰাবৃত্তি ঘটে। তাৰপাছত ই স্থবিৰ হৈ পৰে। তলৰ উদাহৰণটোৰে হেগেলে উপস্থাপন কৰা দ্বন্দ্বাত্মকতাৰ ধাৰণাটো বুজাত আপোনালোকক সহায় কৰিব।

হেগেলৰ দ্বন্দ্বাত্মকবাদ

প্ৰমেয় ⟷ বিৰোধাভাস

(মই পঢ়িব খোজো) (মইপঢ়িব নোখোজো)

সংশ্লেষণ

(মই কেইঘণ্টামান পঢ়িম)

হেগেলে কৈছিল যে প্ৰমেয় আৰু বিৰোধাভাসৰ মাজত চলা দ্বন্দ্বৰ চালিকা শক্তি হ'ল চিন্তা-ধাৰণা (ideas)। আনহাতে, মার্ক্সৰ মতে প্ৰমেয় আৰু বিৰোধাভাসৰ মাজত চলা দ্বন্দ্বৰ আঁৰৰ শক্তিটো হ'ল ভৌতিক শক্তি/বস্তু (material forces/matter) অথবা উৎপাদনৰ উপায় (mode of production)। মার্ক্সৰ মতে সমাজৰ বিশুদ্ধ বাস্তৱ হ'ল সাম্যবাদ।

বার্নষ্টেইনে মার্ক্সৰ এই মতৰ বিৰোধিতা কৰি যুক্তি দৰ্শাইছিল যে বিশুদ্ধ ৰূপ এটাত উপনীত হ'বলৈ সমাজে মার্ক্সে কোৱাৰ দৰে দ্বন্দ্বাত্মক প্ৰক্ৰিয়া এটাৰ মাজেৰে অগ্ৰসৰ নহয়। তেওঁৰ মতে সমাজবাদ (সাম্যবাদৰ পূৰ্বৱৰ্তী স্তৰ) সংগ্ৰাম অথবা পৰস্পৰবিৰোধিতা অথবা বিপ্লৱৰ জৰিয়তে স্থাপন কৰিব পৰা নাযায়। এটা গণতান্ত্ৰিক পদ্ধতিৰেহে সমাজবাদ প্ৰতিষ্ঠা কৰিব পাৰি। দ্বন্দ্বাত্মক বস্তুবাদে এই ভ্ৰমৰ সৃষ্টি কৰে যে এখন পুঁজিবাদী সমাজত অস্তিত্বশীল শ্ৰেণীবোৰ পৰস্পৰবিৰোধী বৈশিষ্ট্যসম্পন্ন হোৱাৰ ফলত এসময়ত পুঁজিপতি শ্ৰেণীটোক উৎখাত কৰিবলৈ বিপ্লৱৰ সূচনা হয় আৰু সমাজে সাম্যবাদত এটা নতুন সংশ্লেষণ বিচাৰি পায়।

বার্নষ্টেইন আছিল মার্ক্সৰ ঐতিহাসিক বস্তুবাদ (Historical Materialism) অথবা ইতিহাসৰ বস্তুবাদী ব্যাখ্যাৰ কঠোৰ সমালোচক। মার্ক্সে এই ধাৰণাটোৰ সহায়ত অতীতত সমাজে কেনেকৈ প্ৰগতি কৰিছিল সেয়া বুজাব বিচাৰিছিল। মার্ক্সৰ যুক্তি অনুসৰি সমাজ এখনে আদিম সাম্যবাদ (শ্ৰেণীহীন অৱস্থা)ৰ পৰা দাস ব্যৱস্থা (গৰাকী আৰু দাস)ত উপনীত হৈছিল। ইয়াৰ পাছত সমাজ সামন্তবাদ (সামন্ত প্ৰভু আৰু ভূমিহীন খেতিয়ক) প্ৰথাৰে পৰিচালিত হৈ অৱশেষত

পুঁজিবাদ (বুর্জোৱা আৰু সর্বহাৰা) গ্রহণ কৰিছিল। এই আটাইবোৰ ব্যৱস্থাৰে ভেটি হ'ল উৎপাদনৰ উপায় (বস্তু)। উৎপাদনৰ উপায় সলনি হোৱাৰ লগে লগে সমাজৰ ক্রমবিকাশৰ প্রতিটো স্তৰতে দুটা বিৰোধী শ্রেণীৰ উত্থান ঘটিছিল। উভয়েই পৰস্পৰৰ বিৰুদ্ধে সংঘর্ষত লিপ্ত হৈছিল আৰু ইয়াৰ ফলশ্রুতিত প্রতিবাৰেই একোটা নতুন বাস্তৱ প্রতিষ্ঠিত হৈছিল। বার্নষ্টেইনে ইয়াৰ বিৰোধিতা কৰি মত আগবঢ়াইছিল যে মার্ক্সে সমাজৰ ঐতিহাসিক অগ্রগতিত মানুহৰ বুদ্ধিমত্তা আৰু যৌক্তিক বৈশিষ্ট্য দুটাৰ গুৰুত্বক আওকাণ কৰিছে। তেওঁ নিজৰ বিশ্লেষণত মানুহৰ এই বৈশিষ্ট্য দুটাতকৈ উৎপাদনৰ উপায় অথবা বস্তুত অধিক বৈশিষ্ট্য আৰোপ কৰিছে। বার্নষ্টেইনৰ মতে সমাজক গঢ় দিয়া আৰু সমাজৰ অগ্রগতি নিশ্চিত কৰতা অর্থনৈতিক শক্তিবোৰৰ সমানে মানৱ বুদ্ধিমত্তায়ো অৱিহণা যোগায়। অর্থাৎ, বার্নষ্টেইনে সমাজৰ প্রগতিত অনা-অর্থনৈতিক কাৰকবোৰৰ গুৰুত্বক স্বীকৃতি দিছিল। তেওঁ গণতান্ত্রিক সমাজ এখনত আদর্শৰ স্ব-নিয়ন্ত্রিত ৰূপ আৰু যুক্তিক প্রাধান্য দিছিল। বার্নষ্টেইনৰ মতে বিশ্বখনৰ ব্যাখ্যা দাঙি ধৰাত কোনো নীতি অথবা আদর্শ (ইয়াত, মার্ক্সবাদ)ক সাৰোগত কৰাতকৈ কোনো পৰিস্থিতি বিশ্লেষণ তথা বিচাৰ কৰাৰ সময়ত যুক্তি প্রয়োগ কৰা উচিত। কেৱল আদর্শভিত্তিক ব্যাখ্যা আৰু বিশ্লেষণে কোনো এক পৰিস্থিতি নিৰপেক্ষভাৱে বিচাৰ কৰি চোৱাত বাধাৰ সৃষ্টি কৰে।

অৱশ্যে বার্নষ্টেইন এই কথাত মার্ক্সৰ সৈতে একমত আছিল যে পুঁজিবাদী সমাজত শোষণকাৰী পৰিস্থিতিৰ অস্তিত্ব থাকে। এই কথাটোৰ বাবেই এদিন সমাজবাদ প্রতিষ্ঠা হ'ব। তেওঁ কেৱল বিপ্লৱৰ জৰিয়তে পুঁজিবাদৰ উৎখাত আৰু সমাজবাদ প্রতিষ্ঠা কৰাৰ ধাৰণাটোৰহে বিৰোধ কৰিছিল। তেওঁৰ মতে সমাজবাদ প্রতিষ্ঠা কৰাটো হ'ল এটা নৈতিক আৰু ন্যায়নিষ্ঠ লক্ষ্য। মানুহে যেতিয়া সমাজবাদত নিহিত থকা কল্যাণকাৰী দিশবোৰৰ কথা বুজি পাব তেতিয়া নিজেই সমাজবাদক আকোঁৱালি ল'ব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ বার্নষ্টেইনে মার্ক্সৰ দ্বন্দ্বাত্মক বস্তুবাদৰ ধাৰণটোৰ বিপৰীতে কেনেধৰণৰ যুক্তি আগবঢ়াইছিল সেয়া চমুকৈ বর্ণনা কৰক। (প্রায় ৫০টা মান শব্দৰ ভিতৰত)

১০.৭ উদ্বৃত্ত মূল্য সম্পর্কে বার্নষ্টেইনৰ দৃষ্টিভংগী

পুঁজিপতিসকলে কেনেদৰে শ্রমিকক প্রকৃত পাওনাতকৈ যথেষ্ট কম পাৰিশ্রমিক দি শোষণ কৰি অতিৰিক্ত সামগ্রী উৎপাদন কৰে সেয়া বুজাবলৈ মার্ক্সে উদ্বৃত্ত মূল্যৰ তত্ত্ব (The Theory of Surplus Value)টো বিকশিত কৰিছিল। বার্নষ্টেইনে এই তত্ত্বটোত কিছুমান অস্থিৰতা লক্ষ্য কৰিছিল। এই সন্দর্ভত তেওঁ মার্ক্সৰ গ্রন্থ Capital ৰ তৃতীয় খণ্ডত আলোচিত বজাৰ মূল্যৰ বিষয়টোলৈ আঙুলিয়াই দেখুৱাইছিল। মার্ক্সে সামগ্রী এবিধৰ বজাৰ মূল্য উৎপাদনত কৰা সর্বমুঠ ব্যয় হিচাপে গণনা কৰিছিল য'ত গড় লাভকো সামৰি লোৱা হয়। অর্থাৎ, বজাৰ মূল্য = গড়

লাভৰ সৈতে উৎপাদন ব্যয়। অৱশ্যে মার্ক্সে তেওঁৰ আন এটা পূর্বৱর্তী লেখনীত উল্লেখ কৰিছিল যে কোনো এবিধ সামগ্রীৰ বজাৰ মূল্য সামগ্রীবিধ উৎপাদনৰ বাবে প্রয়োজন হোৱা শ্রমৰ সমান। অর্থাৎ, বজাৰ মূল্য = উৎপাদনত ব্যৱহাৰ হোৱা শ্রমৰ সমান।

ইয়াৰ বিপৰীতে যুক্তি প্রদর্শন কৰি বার্নষ্টেইনে কৈছিল যে কোনো এবিধ সামগ্রীৰ মূল্য সামগ্রীবিধৰ চাহিদা, যোগান আৰু উপযোগিতা অনুসৰি স্থিৰ হয়। তেওঁ ইয়াকো কৈছিল যে মূল্যৰ ধৰাণাটো হ'ল এটা মানসিক নির্মাণ। ইয়াৰ কোনো বিজ্ঞানসম্মত ভিত্তি নাই। তেওঁৰ নিজৰ ভাষাত, "মূল্যৰ তত্ত্বই শ্রমৰ উপজ (product of labour) বিভক্তকৰণৰ ক্ষেত্রত হোৱা ন্যায় অথবা অন্যায় জোখাৰ এটা উপায় আগবঢ়ায়। কথাটো এটা ভাস্কর্য শিল্পৰ সুন্দৰ অথবা কুৎসিত ৰূপ জুখিবলৈ আণৱিক তত্ত্ব প্রয়োগ কৰাৰ দৰে একে। আজিকালি আমি কেৱল উৎকৃষ্ট স্থানত থকা কর্মীসকলকহে লগ পাওঁ। তেওঁলোক হ'ল 'শ্রমৰ আভিজাত্য' (aristocracy of labour) প্রদর্শনকাৰী দলৰ সদস্য। তেওঁলোকক আমি কেৱল সেইবোৰ ব্যৱসায়-বাণিজ্যৰ ক্ষেত্রতহে দেখো যিবোৰত অতি উচ্চ হাৰৰ উদ্বৃত্ত মূল্য থাকে। নিচেই কম পৰিমাণৰ উদ্বৃত্ত মূল্য থকা আন ব্যৱসায়-বাণিজ্যবোৰত একেবাৰে নিম্ন পর্যায়ৰ খাটিখোৱা শ্রমিকবোৰে কাম কৰে। দিন হাজিৰা কৰা কর্মীয়ে তেওঁৰ দ্বাৰা উৎপাদিত সামগ্রীৰ সম্পূর্ণ মূল্য লাভ নকৰা কথাটোকে কেৱল সমাজবাদ অথবা সাম্যবাদৰ বিজ্ঞানসম্মত ভিত্তি বুলি সমর্থন কৰিব পৰা নাযায়।" (Bernstein, 1899)

অৱশ্যে, অন্য সংশোধনবাদীৰ সৈতে বার্নষ্টেইনো এই কথাত সহমত যে উদ্বৃত্ত মূল্যৰ অস্তিত্ব আছে। এই মূল্য পুঁজিপতিসকলে জমা কৰে আৰু এই লাভ আহৰণ কৰিবলৈকে শ্রমিকক শোষণ কৰা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ উদ্বৃত্ত মূল্য সম্পর্কে বার্নষ্টেইনৰ দৃষ্টিভংগী কেনে আছিল চমুকৈ লিখক। (প্রায় ৫০টা মান শব্দৰ ভিতৰত)

১০.৮ সমালোচনাত্মক মূল্যায়ন

সংশোধনবাদী দৃষ্টিভংগী আৰু সমাজবাদ প্রতিষ্ঠাৰ ক্রমবিকাশবাদী প্রক্রিয়াক সমর্থন কৰাৰ বাবে বার্নষ্টেইন কঠোৰ সমালোচনাৰ সন্মুখীন হৈছিল। সমালোচকসকলে বার্নষ্টেইনৰ সংশোধনবাদক মার্ক্সবাদৰ সম্পূর্ণ খাৰিজকৰণ বুলি গণ্য কৰিছিল। ক'লেটিৰ মতে পুঁজিবাদৰ অনিবার্য পতন বিষয়ক মার্ক্সবাদী দৃষ্টিভংগীৰ বিৰোধিতা কৰি বার্নষ্টেইনে মার্ক্সবাদী তত্ত্বৰ সাৰমর্মক প্রশ্ন কৰিছে। ক'লেটিয়ে আঙুলিয়াই দিছিল যে মহা মন্দাৱস্থাই ইতিমধ্যে মার্ক্সবাদী সিদ্ধান্তৰ বৈধতা প্রতিপন্ন কৰিছে। "মূলধনৰ জৈৱিক সংৰচনা, বিনিয়োগৰ স্থবিৰতা আৰু বিনিয়োগ ক্ষেত্রবোৰৰ আংশিক শুষ্কতা, অবাধ প্রতিযোগিতা আদিৰ বাবে লাভৰ হাৰ অৱনমিত হোৱাৰ প্রৱণতাই লাভৰ মাজৰ ব্যৱধানক প্রভাৱিত কৰাৰ ফলত সামগ্রী দৰৰ অভাৱনীয় পতন ঘটিছে।"

(Colletti, 1974. p.56) মহা মন্দাৱস্থাৰ দৰে অর্থনৈতিক সংকটবোৰে ইয়াকে প্রমাণ কৰে যে বার্নষ্টেইনে বিশ্বাস কৰা পুঁজিবাদৰ স্ব-নিয়ন্ত্রণকাৰী ব্যৱস্থাটো ইয়াৰ পতন ৰোধ কৰিবলৈ পর্যাপ্ত নহয়।

মার্ক্সবাদী তত্ত্বত অর্থনৈতিক নিৰূপণবাদ নাই বুলি বার্নষ্টেইনে কৰা সমালোচনাৰ বিৰুদ্ধে কার্ল কাউট্স্কিয়ে মাত মাতিছে। তেওঁৰ মতে মার্ক্স অথবা এংগেলচ্ কোনোগৰাকীয়েই ইতিহায়ত মানৱ কাৰকৰ ভূমিকাক আওকাণ কৰা নাই। মার্ক্সৰ যুক্তি মতে কেৱল অর্থনৈতিক উপায়েৰে পুঁজিবাদ উৎখাত কৰি সমাজবাদ প্রতিষ্ঠা কৰাতো সম্ভৱ নহয়। এংগেলচে জে. ব্লচ্ছ্লৈ ১৮৯০ চনতে লিখা এখন চিঠিত প্রণালীৱদ্ধভাৱে বর্ণনা কৰিছিল যে "ইতিহাসৰ বস্তুবাদী ধাৰণা মতে ইতিহাসৰ চৰম নিৰূপণকাৰী উপাদান হ'ল বাস্তৱ জীৱনৰ উৎপাদন আৰু পুনঃউৎপাদন। ইয়াৰ বাহিৰে আন কোনো কথাতে মার্ক্স অথবা মই জোৰ দিয়া নাই। সেয়েহে এতিয়া যদি কোনোবাই এই কথাটো পাক লগাই ক'ব খোজে যে অর্থনৈতিক উপাদানেই একমাত্র নিৰূপক, তেন্তে তেওঁ আমাৰ সিদ্ধান্তক অর্থহীন, বিমূর্ত আৰু অসাৰ কৰি তুলিব। অর্থনৈতিক পৰিস্থিতি হ'ল আধাৰ, কিন্তু অতি-গাঁথনিটোত থকা আন বহুতো উপাদানেও ঐতিহাসিক সংগ্রামৰ পৰিক্রমাত নিজ নিজ প্রভাৱ বিস্তাৰ কৰি আহিছে আৰু বহুক্ষেত্রত এইবোৰে ঐতিহাসিক সংগ্রামৰ ৰূপ নিৰূপণত অপেক্ষাকৃতভাৱে গুৰুত্বপূর্ণ ভূমিকা পালন কৰে, আমি নিজে আমাৰ ইতিহাস ৰচোঁ। কিন্তু ইয়াৰ বাবে প্রথমে আমাক সুনির্দিষ্ট অনুমান আৰু পৰিস্থিতিৰ প্রয়োজন। এইবোৰৰ ভিতৰত অর্থনৈতিক অনুমান আৰু পৰিস্থিতিবোৰ হ'ল চূড়ান্ত নিৰূপক। কিন্তু ৰাজনৈতিক আৰু অন্যান্য উপাদান, যেনে- মানৱ মনক সন্ত্রস্ত কৰি তোলা পৰম্পৰা আদিয়েও সময়ে সময়ে নিজ ভূমিকা পালন কৰে। তথাপিও সেইবোৰক অন্যতম নিৰূপক বুলি ক'ব নোৱাৰি।" (Engles, 1890) ইয়াৰ পৰা স্পষ্টকৈ গম পোৱা যায় যে মার্ক্সবাদে কেৱল অর্থনৈতিক নিৰূপণবাদক কেন্দ্র কৰি ঐতিহাসিক বস্তুবাদৰ ধাৰণাটো উপস্থাপন কৰিছিল বুলি বার্নষ্টেইনে কৰা সমালোচনা ত্রুটিপূর্ণ।

অবিৰত আন্দোলন আৰু দৰ-দাম (বুজা বুজিলৈ অহাৰ প্রয়াস) কৰি থাকিলেই এটা সময়ত পুঁজিবাদী ব্যৱস্থাটোৰ মাজতেই শ্রমিকসকলে নিজৰ অধিকাৰবোৰ সুৰক্ষিত কৰিব পাৰিব বুলি বার্নষ্টেইনে কৰা বিশ্বাসকো সমালোচকসকলে তীব্র সমালোচনা কৰিছে। সমালোচকে প্রশ্ন কৰিছে যে যদি এটা পুঁজিবাদী ব্যৱস্থাৰ মাজত থকা গণতান্ত্রিক পৰিৱেশ এটাত শ্রমিকৰ অধিকাৰবোৰ সুনিশ্চিত কৰিব পাৰি তেন্তে সমাজবাদী সমাজ এখনৰ প্রয়োজন কি ? এই কথাটোৱে বার্নষ্টেইনৰ দর্শনত থকা পৰস্পৰবিৰোধিতা প্রদর্শন কৰিছে। তেওঁ এখন সমাজবাদী সমাজৰ কথা কল্পনা কৰি থকাৰ সময়তে পুঁজিবাদী ব্যৱস্থা এটাৰ মাজতে গণতন্ত্রৰ প্রচলন আৰু সংসদীয় পদ্ধতিৰ চৰকাৰ এখনকো সমর্থন কৰিছে।

তথাপিও, বার্নষ্টেইনৰ দর্শনক অযুক্তিকৰ বুলি উলাই কৰিব পৰা নাযায়। কাৰণ, জীৱনৰ অন্তিম দিনকেইটাত আনকি এংগেলচেও আন্দোলনৰ শান্তিপূর্ণ আৰু গণতান্ত্রিক পদ্ধতিবোৰৰ ফলপ্রসূতাক স্বীকৃতি দিছিল। একেদৰে, ঊনবিংশ শতিকাৰ শেষার্দ্ধত ইউৰোপত শ্রমিকসকলে নির্বাচনত ভাগ লৈছিল, শান্তিপূর্ণ আন্দোলন চলাইছিল আৰু পুঁজিপতিসকলৰ সৈতে

সহযোগিতামূলক মনোভাৱেৰে কাম কৰিছিল। এই কথাবোৰে বার্নষ্টেইনৰ সংশোধনবাদ বিষয়ক যুক্তিবোৰক ন্যায্যতা প্রদান কৰিছিলৰ্বতমান সময়ৰ প্রেক্ষাপটত বার্নষ্টেইনক সহজে একাষৰীয়া কৰি থ'ব পৰা নাযায়। কাৰণ, সাম্যবাদে চোভিয়েত ইউনিয়নৰ একতা আৰু অস্তিত্ব বর্তাই ৰাখিব নোৱাৰিলে আৰু চীনক এটা পুঁজিবাদী উদাৰবাদী অর্থনীতি গ্রহণ কৰাৰ পৰা বিৰত ৰাখিব নোৱাৰিলে। পুঁজিবাদ ওফৰাবলৈ বিপ্লৱ যে অসমর্থ সেয়া শ্রমিক শ্রেণীটোৱে উপলব্ধি কৰিলে আৰু নিজৰ দাবীবোৰ বাস্তৱ কৰিবলৈ সংসদীয় ব্যৱস্থা তথা সংস্কাৰবোৰ মানি ল'লে। এইবোৰ কথাই বার্নষ্টেইনৰ দর্শনৰ প্রাসংগিকতা নিৰূপণ কৰিছে।



১০.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বার্নষ্টেইনে মার্ক্সৰ তত্ত্বক কেইবাটাও দিশেৰে সমালোচনা কৰিছিল। তেওঁ সমাজবাদ প্রতিষ্ঠা কৰিবলৈ পৰিৱর্তনশীল সময়ৰ সৈতে খাপ খোৱাকৈ মার্ক্সবাদী তত্ত্বটোৰ পুনৰ পৰীক্ষণ আৰু সংশোধনৰ আহ্বান জনাইছিল। মার্ক্সে কৰাৰ দৰে বার্নষ্টেইনে এই কথা বিশ্বাস নকৰিছিল যে পুঁজিবাদৰ নিজৰ মাজতে ইয়াৰ পতনৰ কাৰণ লুকাই থাকে আৰু পুঁজিবাদৰ পতন এক অনিবার্য পৰিঘটনা।
- সমাজবাদ প্রতিষ্ঠা নোহোৱা পর্যন্ত সমগ্র ঐতিহাসিক ঘটনাৱলীত শ্রেণী সংঘাতৰ অস্তিত্ব আছে বুলি মার্ক্সবাদে আগবঢ়োৱা ধাৰণাটো বার্নষ্টেনিে অগ্রাহ্য কৰিছিল। তেওঁ বিশ্বাস কৰিছিল যে সময় পাৰ হোৱাৰ লগে লগে শ্রেণী সংঘাতৰ উগ্রতা প্রশমিত হৈছে, শ্রমিক শ্রেণীৰ অৱস্থা আগতকৈ যথেষ্ট উন্নত হৈছে আৰু তেওঁলোকে গণতান্ত্রিক তথা সংসদীয় উপায়েৰে নিজৰ অধিকাৰবোৰ সুৰক্ষিত কৰাৰ সুযোগ পাইছে। বার্নষ্টেইনে শ্রেণীবোৰৰ মাজত সংঘাত নহয় সহযোগিতাৰ গুৰুত্ব প্রতিষ্ঠা কৰাত জোৰ দিছিল।
- মার্ক্সৰ ভৱিষ্যতবাণীৰ বিপৰীতে অৱস্থান লৈ বার্নষ্টেইনে কৈছিল যে মধ্যবিত্ত শ্রেণীটো দিনে দিনে দুখীয়া হৈ পৰাৰ সলনি এই শ্রেণীটোৰ সংখ্যা বাঢ়িছেহে। গতিকে, তেওঁলোকে এটা সময়ত খাটি খোৱা শ্রেণীৰ সমপর্যায়ৰ হৈ একেলগে পুঁজিপতিসকলৰ বিৰুদ্ধে সংগ্রামত লিপ্ত হোৱাৰ কোনো সম্ভাৱনা নাই। ইয়াৰ উপৰি কার্ল মার্ক্সে কোৱা মূলধনৰ কেন্দ্রীভূতকৰণৰ ধাৰণাটোৰ বিৰোধিতা কৰি বার্নষ্টেইনে উদ্যোগবোৰৰ মালিকীস্বত্ব আৰু মূলধন প্রসাৰৰ পোষকতা কৰিছিল। তেওঁৰ মতে এই আটাইবোৰ কথাই শ্রেণী সংঘাতৰ তীব্রতা কম কৰিব, বিদ্রোহৰ সূচনা হ'ব পৰা পৰিৱেশ সৃষ্টি নহ'ব আৰু পুঁজিবাদী ব্যৱস্থা উৎকাত কৰাৰ প্রয়োজনীয়তা নোহোৱা হ'ব।
- বার্নষ্টেইনৰ মতে সমাজবাদ হ'ল এটা প্রক্রিয়া অথবা গতিশীল আন্দোলন। ই ক্রমে ক্রমে বাস্তৱত পৰিণত হয়। তেওঁ কৈছিল, " সাধাৰণতে সমাজবাদৰ চৰম লক্ষ্য বোলা কথাটো মোৰ বাবে গুৰুত্বপূর্ণ নহয়, মোৰ মতে সমাজবাদত উপনীত হোৱাৰ আন্দোলনটোৱেই

হ'ল আচল কথা।"

- বার্নষ্টেইনে সমাজবাদ প্রতিষ্ঠা কৰাৰ গণতান্ত্রিক পদ্ধতিৰ সপক্ষে মাত মাতিছিল। তেওঁৰ বহুতো সমালোচকে বিশ্বাস কৰাৰ দৰে বার্নষ্টেইনে সমাজবাদ প্রতিষ্ঠাৰ ধাৰণাটো পৰিহাৰ কৰা নাছিল। ইয়াৰ বিপৰীতে তেওঁ কৈছিল যে পৰিস্থিতি সলনি হোৱাৰ ফলত সমাজবাদ প্রতিষ্ঠাৰ বাবে বিপ্লৱৰ প্রয়োজনীয়তা নাইকিয়া হৈছে। সেয়েহে, সমাজবাদ প্রতিষ্ঠা কৰিবলৈ মার্ক্সে আগবঢ়োৱা পদ্ধতিবোৰ সংশোধন কৰি ইয়াক নতুন ৰূপত প্রয়োগ কৰাৰ আৱশ্যকতা আহি পৰিছে।



১০.১০ অধিক জানিবলৈ

১) Coker, Francis William. *Readings in Political Philosophy*. Nabu Press.

২) Jayapalan, N. *Aristotle*. Atlantic Publishers Distruvutors, New Delhi, 1999.

৩) Nelson, Brain R. (2006). *Western Political Thought* (Second Edition). New delhi, Perason Education.

৪) Sharma, S.K. and Sharma, Urmila. (2003). *Western Political thought-from Plato to Burke.* Atlantic.



১০.১১ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ।

২ নং প্রশ্নৰ উত্তৰ ঃ বার্নষ্টেইনৰ 'অকার্যকৰ অৱস্থা তত্ত্ব' (the Theory of Breakdown) হ'ল কার্ল মার্ক্সৰ ৰচনা 'Capital'ৰ প্রথম খণ্ডৰ ৩২ নং অধ্যায়ত উপস্থাপন কৰা যুক্তিৰ এক সমালোচনা। মার্ক্সে ইয়াত পুঁজিবাদৰ অৱশ্যম্ভাৱী পতনৰ কথা কৈছে। মার্ক্সৰ মতে পুঁজিবাদৰ পতনৰ বীজ পুঁজিবাদী ব্যৱস্থাটোতেই লুকাই থাকে। পুঁজিবাদী ব্যৱস্থাত থকা পৰস্পৰবিৰোধিতাবোৰ চৰম হৈ পৰাৰ লগে লগে সংকটৰ সূত্রপাত হয়। আৰু ইয়েই অৱশেষত সমাজবাদৰ পথ প্রশস্ত কৰি তোলে। বার্নষ্টেইনে মার্ক্সৰ এই মত সম্পূর্ণৰূপে অগ্রাহ্য কৰিছিল। তেওঁ কৈছিল যে পুঁজিবাদৰ এক নিজস্ব আত্ম-নিয়ন্ত্রক ব্যৱস্থা আছে। এই ব্যৱস্থাবোৰৰ বাবেই মার্ক্সে কোৱাৰ দৰে পুঁজিবাদৰ পতন নহয় আৰু ই সকলো ধৰণৰ প্রতিৰোধমূলক উপায় অনলম্বন কৰি নিজ অস্তিত্ব বর্তাই ৰাখিব। মার্ক্সে কোৱাৰ দৰে মূলধন কেন্দ্রীভূতভৱন প্রক্রিয়াটোও বাস্তৱত নঘটে। ক্ষুদ্র পুঁজিপতিসকলে বৃহৎ

উদ্যোগপতিসকলৰ সৈতে সহাৱস্থান কৰিব পাৰে। সম্পত্তিৰ গৰাকীৰ সংখ্যা বাঢ়ি যোৱা মানেই অধিক মানুহ ধনী হৈ পৰা। অর্থাৎ, একাংশ লোকৰ হাতত সম্পত্তি কেন্দ্রীভূত হৈ পৰা মানে সমাজত আঢ্যৱন্ত লোকৰ সংখ্যা বাঢ়ি যোৱা।

৩ নং প্রশ্নৰ উত্তৰ ঃ মার্ক্স আৰু এংগেলচ্ৰ মতে সমাজ সাধাৰণতে দুটা ভাগত বিভক্ত-শাসক আৰু শাসিত। দুয়োটা ভাগৰ মাজত বিৰোধ সম্পর্ক থাকে। বার্নষ্টেইনে এই মত খাৰিজ কৰি কৈছিল যে এই শ্রেণীবিভাজন অতি সৰল। এই বর্ণনাই সমাজৰ অংশ আন শ্রেণীবোৰক সামৰি নলয়। মার্ক্সে সমাজৰ এটা এৰাব নোৱাৰা অংশ মধ্যবিত্ত শ্রেণীটোৰ ভূমিকাক স্বীকৃতি দিয়াত ব্যর্থ হৈছে। বার্নষ্টেইনৰ যুক্তি অনুসৰি সমাজত দুখীয়া লোকৰ সংখ্যা বাঢ়ি গৈ শ্রমিক শ্রেণী অথবা সর্বহাৰাৰ সংখ্যা বৃদ্ধি হোৱা নাই। বৰঞ্চ, সামূহিক বুজাপৰালৈ আহি শ্রমিকে সম্পত্তি আহৰণৰ সুযোগ পাইছে আৰু ইয়াৰ ফলত মধ্যবিত্ত শ্রেণীৰ লোকৰ সংখ্যা বৃদ্ধি হৈছে। বার্নষ্টেইনে মার্ক্সৰ শ্রেণী সংগ্রামৰ তত্ত্বটোকো প্রত্যাহ্বান জনাইছে। সমাজত শ্রেণীৰ অস্তিত্ব আছে বাবেই এটাই আনটোক ওফৰাই পেলাব বুলি ক'ব নোৱাৰি। ঐতিহাসিকভাৱে শাসক আৰু শাসিত শ্রেণী দুটাৰ মাজত শ্রেণী যুদ্ধ চলাৰ খতিয়ান থাকিব পাৰে। কিন্তু অতীতৰ ঘটনাৰ আলমত ভৱিষ্যতেও তেনে ঘটিব বুলি পূর্বানুমান কৰিব নোৱাৰি। ইয়াৰ কাৰণ হিচাপে বার্নষ্টেইনে সর্বহাৰা শ্রেণীটোৰ মাজত থকা বৈচিত্র্যৰ কথা উল্লেখ কৰিছে। এই বৈচিত্র্যই পুঁজিপতি অথবা বুর্জোৱাৰ বিৰুদ্ধে চলিবলগীয়া ভৱিষ্যৎ বিদ্রোহবোৰ ৰোধ কৰিব। শ্রমজীৱি শ্রেণীটোৰ মাজত থকা মনোভাৱ, সংস্কৃতি আৰু স্বার্থৰ ভিন্নতাই এটা বিপ্লৱকামী শ্রমিক শ্রেণী গঢ় লৈ উঠাৰ প্রক্রিয়াটো বিফল কৰিব।

আকৌ, খাটি খোৱা শ্রেণীটোৰ সদস্যসকলে ইতিমধ্যে নিজ কল্যাণ সুনিষ্চিত কৰাত সহযোগিতামূলক মনোভাৱৰ গুৰুত্ব অনুধাৱন কৰিছে। তেওঁলোকে বিভিন্ন ক্ষেত্রত সর্বহাৰা শ্রেণীটোক সহায় কৰিবলৈ আগ্রহী বুর্জোৱাসকলৰ গুৰুত্বও উপলব্ধি কৰিছে। সেয়েহে তেওঁলোকে সাধাৰণভাৱে সমগ্র বুর্জোৱা শ্রেণীটোক অসন্তুষ্ট কৰি বুলিব পৰা যিকোনো প্রকাৰৰ হিংসাত্মক কাম-কাজৰ পৰা আঁতৰি থকাটোক শ্রেয় বুলি পতিয়ন গৈছে। শ্রমজীৱি শ্রেণীটোৱে ইয়াতেই ব্যতিক্রমী মনোভাৱৰ পৰিচয় দিব আৰু মানৱীয়ভাৱে সদয় বুর্জোৱাসকলৰ সৈতে সহযোগিতা কৰিব। এই বুজাবুজিয়ে পুঁজিবাদী ব্যৱস্থাৰ শোষণকাৰী পৰিস্থিতিবোৰ প্রতিহত কৰিব।

একেদৰে, গণতন্ত্রই শ্রেণীবোৰৰ মাজত থকা তীব্র বিৰোধিতামূলক মনোভাৱ প্রশমিত কৰিবলৈ সক্ষম হৈছে। গণতন্ত্রত সংখ্যাগুৰুৰ মতামত শুনা হয় আৰু সেইমতে কাম-কাজৰ পৰিকল্পনা কৰা হয়। ইয়েই শাসক শ্রেণীক বৈপ্লৱিক পদ্ধতিৰে শাসনৰ পৰা অপসাৰিত কৰাৰ প্রচেষ্টাবোৰক বাধা দিব। কাৰণ, গণতন্ত্রত শান্তিপূর্ণ সংসদীয় পদ্ধতিৰে ক্ষমতা হস্তান্তৰ কৰাৰ সুবিধা আছে। মার্ক্সে কোৱা শ্রেণী যুদ্ধৰ সলনি বার্নষ্টেইনে সমাজবাদী সমাজ এখন প্রতিষ্ঠা কৰিবলৈ শ্রেণীবোৰৰ মাজত থাকিবলগীয়া যুটীয়া উদ্যোগৰ প্রয়োজনীয়তাত জোৰ দিছিল।

৪ নং প্রশ্নৰ উত্তৰ ঃ বার্নষ্টেইনে মার্ক্সৰ দ্বন্দ্বাত্মক বস্তুবাদ মতৰ বিৰোধিতা কৰি যুক্তি দর্শাইছিল যে বিশুদ্ধ ৰূপ এটাত উপনীত হ'বলৈ সমাজে মার্ক্সে কোৱাৰ দৰে দ্বন্দ্বাত্মক প্রক্রিয়া এটাৰ মাজেৰে অগ্রসৰ নহয়। তেওঁৰ মতে সমাজবাদ (সাম্যবাদৰ পূর্বৱর্তী স্তৰ) সংগ্রাম অথবা পৰস্পৰবিৰোধিতা অথবা বিপ্লৱৰ জৰিয়তে স্থাপন কৰিব পৰা নাযায়। এটা গণতান্ত্রিক পদ্ধতিৰেহে সমাজবাদ প্রতিষ্ঠা কৰিব পাৰি। দ্বন্দ্বাত্মক বস্তুবাদে এই ভ্রমৰ সৃষ্টি কৰে যে এখন পুঁজিবাদী সমাজত অস্তিত্বশীল শ্রেণীবোৰ পৰস্পৰবিৰোধী বৈশিষ্ট্যসম্পন্ন হোৱাৰ ফলত এসময়ত পুঁজিপতি শ্রেণীটোক উৎখাত কৰিবলৈ বিপ্লৱৰ সূচনা হয় আৰু সমাজে সাম্যবাদত এটা নতুন সংশ্লেষণ বিচাৰি পায়। বার্নষ্টেইন আছিল মার্ক্সৰ ঐতিহাসিক বস্তুবাদ (Historical Materialism) অথবা ইতিহাসৰ বস্তুবাদী ব্যাখ্যাৰ কঠোৰ সমালোচক। মার্ক্সে এই ধাৰণাটোৰ সহায়ত অতীতত সমাজে কেনেকৈ প্রগতি কৰিছিল সেয়া বুজাব বিচাৰিছিল। মার্ক্সৰ যুক্তি অনুসৰি সমাজ এখনে আদিম সাম্যবাদ (শ্রেণীহীন অৱস্থা)ৰ পৰা দাস ব্যৱস্থা (গৰাকী আৰু দাস)ত উপনীত হৈছিল। ইয়াৰ পাছত সমাজ সামন্তবাদ (সামন্ত প্রভু আৰু ভূমিহীন খেতিয়ক) প্রথাৰে পৰিচালিত হৈ অৱশেষত পুঁজিবাদ (বুর্জোৱা আৰু সর্বহাৰা) গ্রহণ কৰিছিল। এই আঠাইবোৰ ব্যৱস্থাৰে ভেটি হ'ল উৎপাদনৰ উপায় (বস্তু)। উৎপাদনৰ উপায় সলনি হোৱাৰ লগে লগে সমাজৰ ক্রমবিকাশৰ প্রতিটো স্তৰতে দুটা বিৰোধী শ্রেণীৰ উত্থান ঘটিছিল। উভয়েই পৰস্পৰৰ বিৰুদ্ধে সংঘর্ষত লিপ্ত হৈছিল আৰু ইয়াৰ ফলশ্রুতিত প্রতিবাৰেই একোটা নতুন বাস্তৱ প্রতিষ্ঠিত হৈছিল। বার্নষ্টেইনে ইয়াৰ বিৰোধিতা কৰি মত আগবঢ়াইছিল যে মার্ক্সে সমাজৰ ঐতিহাসিক অগ্রগতিত মানুহৰ বুদ্ধিমত্তা আৰু যৌক্তিক বৈশিষ্ট্য দুটাৰ গুৰুত্বক আওকাণ কৰিছে। তেওঁ নিজৰ বিশ্লেষণত মানুহৰ এই বৈশিষ্ট্য দুটাতকৈ উৎপাদনৰ উপায় অথবা বস্তুত অধিক বৈশিষ্ট্য আৰোপ কৰিছে। বার্নষ্টেইনৰ মতে সমাজক গঢ় দিয়া আৰু সমাজৰ অগ্রগতি নিশ্চিত কৰতা অর্থনৈতিক শক্তিবোৰৰ সমানে মানৱ বুদ্ধিমত্তায়ো অৰিহণা যোগায়। অর্থাৎ, বার্নষ্টেইনে সমাজৰ প্রগতিত অনা-অর্থনৈতিক কাৰকবোৰৰ গুৰুত্বক স্বীকৃতি দিছিল। তেওঁ গণতান্ত্রিক সমাজ এখনত আদর্শৰ স্ব-নিয়ন্ত্রিত ৰূপ আৰু যুক্তিক প্রাধান্য দিছিল। বার্নষ্টেইনৰ মতে বিশ্বখনৰ ব্যাখ্যা দাঙি ধৰাত কোনো নীতি অথবা আদর্শ (ইয়াত, মার্ক্সবাদ)ক সাৰোগত কৰাতকৈ কোনো পৰিস্থিতি বিশ্লেষণ তথা বিচাৰ কৰাৰ সময়ত যুক্তি প্রয়োগ কৰা উচিত। কেৱল আদর্শভিত্তিক ব্যাখ্যা আৰু বিশ্লেষণে কোনো এক পৰিস্থিতি নিৰপেক্ষভাৱে বিচাৰ কৰি চোৱাত বাধাৰ সৃষ্টি কৰে। অৱশ্যে বার্নষ্টেইন এই কথাত মার্ক্সৰ সৈতে একমত আছিল যে পুঁজিবাদী সমাজত শোষণকাৰী পৰিস্থিতিৰ অস্তিত্ব থাকে। এই কথাটোৰ বাবেই এদিন সমাজবাদ প্রতিষ্ঠা হ'ব। তেওঁ কেৱল বিপ্লৱৰ জৰিয়তে পুঁজিবাদৰ উৎখাত আৰু সমাজবাদ প্রতিষ্ঠা কৰাৰ ধাৰণাটোৱহে বিৰোধ কৰিছিল। তেওঁৰ মতে সমাজবাদ প্রতিষ্ঠা কৰাটো হ'ল এটা নৈতিক আৰু ন্যায়নিষ্ঠ লক্ষ্য। মানুহে যেতিয়া সমাজবাদত নিহিত থকা কল্যাণকাৰী দিশবোৰৰ কথা বুজি পাব তেতিয়া নিজেই

সমাজবাদক আকোঁৱালি ল'ব।

৫ নং প্রশ্নৰ উত্তৰ ঃ পুঁজিপতিসকলে কেনেদৰে শ্রমিকক প্রকৃত পাওনাতকৈ যথেষ্ট কম পাৰিশ্রমিক দি শোষণ কৰি অতিৰিক্ত সামগ্রী উৎপাদন কৰে সেয়া বুজাবলৈ মার্ক্সে উদ্বৃত্ত মূল্যৰ তত্ত্ব (The Theory of Surplus Value)টো বিকশিত কৰিছিল। বার্নষ্টেইনে এই তত্ত্বটোত কিছুমান অস্থিৰতা লক্ষ্য কৰিছিল। এই সন্দর্ভত তেওঁ মার্ক্সৰ গ্রন্থ Capital ৰ তৃতীয় খণ্ডত আলোচিত বজাৰ মূল্যৰ বিষয়টোলৈ আঙুলিয়াই দেখুৱাইছিল। মার্ক্সে সামগ্রী এবিধৰ বজাৰ মূল্য উৎপাদনত কৰা সর্বমুঠ ব্যয় হিচাপে গণনা কৰিছিল য'ত গড় লাভকো সামৰি লোৱা হয়। অর্থাৎ, বজাৰ মূল্য = গড় লাভৰ সৈতে উৎপাদন ব্যয়। অৱশ্যে মার্ক্সে তেওঁৰ আন এটা পূর্বৱর্তী লেখনীত উল্লেখ কৰিছিল যে কোনো এবিধ সামগ্রীৰ বজাৰ মূল্য সামগ্রীবিধ উৎপাদনৰ বাবে প্রয়োজন হোৱা শ্রমৰ সমান। অর্থাৎ, বজাৰ মূল্য = উৎপাদনত ব্যৱহাৰ হোৱা শ্রমৰ সমান।

ইয়াৰ বিপৰীতে যুক্তি প্রদর্শন কৰি বার্নষ্টেইনে কৈছিল যে কোনো এবিধ সামগ্রীৰ মূল্য সামগ্রীবিধৰ চাহিদা, যোগান আৰু উপযোগিতা অনুসৰি স্থিৰ হয়। তেওঁ ইয়াকো কৈছিল যে মূল্যৰ ধৰাণাটো হ'ল এটা মানসিক নির্মাণ। ইয়াৰ কোনো বিজ্ঞানসন্মত ভিত্তি নাই। তেওঁৰ নিজৰ ভাষাত, "মূল্যৰ তত্ত্বই শ্রমৰ উপজ (product of labour) বিভক্তকৰণৰ ক্ষেত্রত হোৱা ন্যায় অথবা অন্যায় জোখাৰ এটা উপায় আগবঢ়ায়। কথাটো এটা ভাস্কর্য শিল্পৰ সুন্দৰ অথবা কুৎসিত ৰূপ জুখিবলৈ আণৱিক তত্ত্ব প্রয়োগ কৰাৰ দৰে একে। আজিকালি আমি কেৱল উৎকৃষ্ট স্থানত থকা কর্মীসকলকহে লগ পাওঁ। তেওঁলোক হ'ল 'শ্রমৰ আভিজাত্য' (aristocracy of labour) প্রদর্শনকাৰী দলৰ সদস্য। তেওঁলোকক আমি কেৱল সেইবোৰ ব্যৱসায়-বাণিজ্যৰ ক্ষেত্রতহে দেখো যিবোৰত অতি উচ্চ হাৰৰ উদ্বৃত্ত মূল্য থাকে। নিচেই কম পৰিমাণৰ উদ্বৃত্ত মূল্য থকা আন ব্যৱসায়-বাণিজ্যবোৰত একেবাৰে নিম্ন পর্যায়ৰ খাটিখোৱা শ্রমিকবোৰে কাম কৰে। দিন হাজিৰা কৰা কর্মীয়ে তেওঁৰ দ্বাৰা উৎপাদিত সামগ্রীৰ সম্পূর্ণ মূল্য লাভ নকৰা কথাটোকে কেৱল সমাজবাদ অথবা সাম্যবাদৰ বিজ্ঞানসন্মত ভিত্তি বুলি সমর্থন কৰিব পৰা নাযায়।" (Bernstein, 1899)

অৱশ্যে, অন্য সংশোধনবাদীৰ সৈতে বার্নষ্টেইনো এই কথাত সহমত যে উদ্বৃত্ত মূল্যৰ অস্তিত্ব আছে । এই মূল্য পুঁজিপতিসকলে জমা কৰে আৰু এই লাভ আহৰণ কৰিবলৈকে শ্রমিকক শোষণ কৰা হয়।



১০.১২ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ 'অকাৰ্যকৰ অৱস্থা তত্ত্ব' সম্পৰ্কে বাৰ্নষ্টেইনৰ দৃষ্টিভংগী কেনে আছিল আলোচনা কৰক।

প্ৰশ্ন ২ ঃ শ্ৰেণী সংৰচনা আৰু শ্ৰেণী যুদ্ধ সম্পৰ্কে বাৰ্নষ্টেইনৰ দৃষ্টিভংগী আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ দ্বন্দ্বাত্মক আৰু ঐতিহাসিক বস্তুবাদ সম্পৰ্কে বাৰ্নষ্টেইনৰ দৃষ্টিভংগী ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ ঃ মাৰ্ক্সে আগবঢ়োৱা উদ্বৃত্ত মূল্যৰ ধাৰণাটো সম্পৰ্কে বাৰ্নষ্টেইনৰ দৃষ্টিভংগী ব্যাখ্যা কৰক।

প্ৰশ্ন ৫ ঃ বাৰ্নষ্টেইনৰ সংশোধনবাদ সম্পৰ্কে এটা সমালোচনাত্মক মূল্যায়ন প্ৰস্তুত কৰক।

*** ***** ***

অধ্যায় ১১ ঃ ফেবিয়ানবাদ-হেন্ৰী জ'র্জ

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ ফেবিয়ানবাদৰ অর্থ

১১.৪ ফেবিয়ানবাদৰ প্রভাৱ বিস্তাৰ কৰাৰ এক প্রধান উৎসৰূপে হেন্ৰী জ'র্জৰ ভূমিকা

১১.৫ হেন্ৰী জ'র্জৰ বিতৰণ তত্ত্ব

১১.৫.১ একক কৰ আৰোপ তত্ত্ব

১১.৫.২ মানৱ প্রগতিৰ নিয়ম

১১.৫.৩ হেন্ৰী জ'র্জৰ দৃষ্টিভংগীৰ এক অৱলোকন

১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.৭ অধিক জানিবলৈ

১১.৮ অগ্রগতিৰ খতিয়ান

১১.৯ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ফেবিয়ানবাদৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- হেন্ৰী জ'র্জৰ উল্লেখযোগ্য ৰচনাৰাজিৰ বিষয়ে আলোচনা কৰিব পাৰিব
- হেন্ৰী জ'র্জৰ বিতৰণ তত্ত্বটো আলোচনা কৰিব পাৰিব
- হেন্ৰী জ'র্জৰ একক কৰ আৰোপ তত্ত্বটো বর্ণনা কৰিব পাৰিব
- মানৱ প্রগতিৰ নিয়ম সম্পর্কে হেন্ৰী জ'র্জে আগবঢ়োৱা মতামত ব্যাখ্যা কৰিব পাৰিব।

১১.২ পৰিচয়

সমাজবাদ হ'ল সমাজ সম্পর্কে থকা বিশ্বৰ আগশাৰীৰ আদর্শবোৰৰ এটা। ইয়াক বহল অর্থত সামাজিক সংগঠন বিষয়ক তত্ত্ব বুলিব পাৰি। ইয়াৰ লক্ষ্য হ'ল সমাজত এনে এক কেন্দ্রীয় কিন্তু গণতান্ত্রিক কর্তৃপক্ষ প্রতিষ্ঠা কৰা যিটোৱে সম্পদৰ সম-বিতৰণ নিশ্চিত কৰিব পাৰে। সমাজবাদে উৎপাদন আৰু বিতৰণৰ উপায়বোৰত সামূহিক মালিকীস্বত্ব থকা এখন সমতাবাদী সমাজ গঢ়িব খোজে। বিকাশ ঘটাৰে পৰা এতিয়ালৈকে ধাৰণাটোৱে বিভিন্ন ৰূপ পৰিগ্রহণ কৰিছে। সমগ্র বিশ্বতে সমাজবাদৰ বিভিন্ন স্তৰ, বিভিন্ন প্রকাৰ আৰু বিভিন্ন ৰূপৰ প্রচলন আছে। সমাজবাদৰ

দুটামান পৰিচিত প্ৰকাৰ হ'ল, ইউটোপিয়ান সমাজবাদ (Utopian Socialism), সংশোধনবাদী অথবা ক্ৰমবিৱৰ্তনবাদী সমাজবাদ (Revisionism or Evolutionary Socialism), ফেবিয়ানবাদ (Fabianism), শ্ৰমিক সংঘবাদ(Syndicalism), অৰাজকতাবাদ (Anarchism), শ্ৰেণী সমাজবাদ (Guild Socialism), গণতান্ত্ৰিক সমাজবাদ (Democratic Socialism), মাৰ্ক্সবাদ (Marxism), বৈজ্ঞানিক সমাজবাদ (Scientific Socialism), সাম্যবাদ (Communism) ইত্যাদি। এই অধ্যায়টিত ফেবিয়ানবাদ সম্পৰ্কে বহলাই আলোচনা কৰা হৈছে।

১১.৩ ফেবিয়ানবাদৰ অৰ্থ

ফেবিয়ানবাদ হ'ল ইংলিচ সমাজবাদ। মাৰ্ক্সবাদ, সংশোধনবাদ আৰু ইউটোপিয়ান সমাজবাদে পেলোৱা প্ৰভাৱৰ প্ৰতিক্ৰিয়া হিচাপে অষ্টদশ আৰু ঊনবিংশ শতিকাত ইংলেণ্ডত ফেবিয়ানবাদৰ উত্থান ঘটিছিল। ইংলেণ্ডত সেই সময়ত অগ্ৰণী ভূমিকা লৈ থকা বুদ্ধিজীৱি মণ্ডলীয়ে এই ধাৰণাটোক এক সংগঠিত ৰূপ দিছিল। এই বুদ্ধিজীৱিসকলে পৃষ্ঠপোষকতা কৰা সমাজ আৰু অৰ্থনীতি বিষয়ক বিভিন্ন তত্ত্বত হেন্ৰী জ'র্জ, ডেভিড ৰিকার্ড' আৰু জ'ন ষ্টুৱার্ট মিলৰ ৰচনাৰাজিৰ সুস্পষ্ট প্ৰভাৱ পৰিলক্ষিত হয়। ফেবিয়ানবাদীসকল আছিল ব্যৱহাৰিক তাত্ত্বিক। তেওঁলোকৰ লক্ষ্য আছিল এখন সম-অধিকাৰবাদী (Egalitarian) শোষণবিহীন সমাজ প্ৰতিষ্ঠা কৰা। ফেবিয়ানবাদৰ চৰম লক্ষ্য আছিল গণতান্ত্ৰিক সমাজবাদৰ ধাৰণাটোক বাস্তৱ ৰূপ দিয়া। এই মতবাদৰ সমৰ্থকসকলে সদায় শান্তিপূৰ্ণ আৰু গণতান্ত্ৰিক উপায়েৰে নিজ লক্ষ্যত উপনীত হোৱাৰ চেষ্টা কৰিছিল। তেওঁলোকে বৈপ্লৱিক উপায়ৰ পৰিৱৰ্তে ক্ৰমিক তথা সংশোধনবাদী উপায় গ্ৰহণ কৰি সমাজবাদ প্ৰতিষ্ঠা কৰাত জোৰ দিছিল। ফেবিয়ানবাদৰ পোষকতা কৰা কেইগৰাকীমান প্ৰখ্যাত ব্যক্তি হ'ল জৰ্জ বার্নার্ড শ্ব', গ্ৰাহাম ৱালচ্, এইছ.জি.ৱেলচ্ আৰু জি.ডি.এইছ. ক'ল। ফেবিয়ানবাদৰ সৈতে জড়িত প্ৰধান ধাৰণাবোৰ শ্ব'ৰ দ্বাৰা সম্পাদিত *'Fabian Essays'* নামৰ গ্ৰন্থখনত প্ৰকাশ কৰা হৈছিল।

ফেবিয়ানবাদে তলত উল্লেখ কৰা কথাবোৰ বিশ্বাস কৰে-

- ক্ষমতা, সম্পদ আৰু সুযোগৰ ক্ষেত্ৰত বৃহত্তৰ সমতা স্থাপনৰ পোষকতা
- সামূহিক কার্য আৰু ৰাজহুৱা সেৱা
- সহিষ্ণুতা আৰু ভাৰসাযোগ্যতাৰ ভেটিত প্ৰতিষ্ঠিত এক সক্ৰিয় গণতন্ত্ৰ
- নাগৰিকত্ব, স্বাধীনতা আৰু মানৰ অধিকাৰ
- বহনক্ষম উন্নয়ন
- বহুপক্ষীয় আন্তর্জাতিক সহযোগিতা।

ফেবিয়ান চিন্তাধাৰাক সবাতোকৈ অধিক প্ৰভাৱিত কৰা প্ৰখ্যাত চিন্তাবিদগৰাকী আছিল হেন্ৰী জ'র্জ। এই আমেৰিকান চিন্তাবিদগৰাকী নিজ দেশৰ লগতে ইংলেণ্ডতো অত্যন্ত জনপ্ৰিয় আছিল।

১৮৮৪ চনৰ ৪ জানুৱাৰীত লণ্ডনত *দ্য ফেবিয়ান ছোচাইটি* গঠন কৰা হৈছিল। প্রসিদ্ধ ৰোমান সেনানায়ক (জেনেৰেল) কুইনটাচ্ ফেবিয়াচ মেক্সিমাচৰ প্রতি সন্মান জনাই সংগঠকসকলে এই নামটো গ্রহণ কৰিছিল। কথিত আছে যে মেক্সিমাচে বিলম্বকাৰী ৰণকৌশল (delaying tactics) গ্রহণ কৰি স্বনামধন্য সেনানায়ক হেনিবেলৰ অধীনত যুদ্ধ কৰা প্রৱল পৰাক্রমী কার্থাজিনিয়ান সৈন্যবাহিনীক ক্রমে ক্রমে দুর্বল কৰি তুলি নিজৰ বিজয় সাব্যস্ত কৰিছিল। মেক্সিমাচে গ্রহণ কৰা কৌশল অনুসৰি ৰোমান সৈন্যই সুযোগলৈ অপেক্ষা কৰিছিল আৰু সঠিক মূহূর্তত শত্রুপক্ষক জোৰদাৰ/দৃঢ়ভাৱে আঘাত কৰিছিল।

১১.৪ ফেবিয়ানবাদৰ প্রভাৱ বিস্তাৰ কৰাৰ এক প্রধান উৎসৰূপে হেন্‌ৰী জ'র্জৰ ভূমিকা ঃ

আমেৰিকাত জন্মলাভ কৰা হেন্‌ৰী জ'র্জ (ছেপ্তেম্বৰ ২, ১৮৩৯ - অক্টোবৰ ২৯, ১৮৯৭) আছিল একেধাৰে এগৰাকী ৰাজনীতি বিজ্ঞানী, অর্থনীতিবিদ আৰু প্রখ্যাত সাংবাদিক। ঊনবিংশ শতিকাত সূচনা হোৱা প্রগতিশীল যুগত তেওঁ এগৰাকী জনপ্রিয় সমাজ সংস্কাৰক হিচাপে খ্যাতি অর্জন কৰিছিল। তেওঁৰ ৰচনাৰাজিৰ প্রভাৱত 'জ'র্জিজম' (Georgism) নামেৰে জনাজাত হৈ পৰা অর্থনৈতিক দর্শন এটাৰ উত্থান ঘটিছিল। এই দর্শনে বিশ্বাস কৰিছিল যে মানুহে নিজে যি উৎপন্ন কৰে তাৰ মূল্য পোৱা উচিত, কিন্তু ভূমিৰ পৰা আহৰণ কৰা অর্থনৈতিক মূল্যৰ ভাগ সকলোৰে সমানে পোৱা উচিত।

হেন্‌ৰী জ'র্জৰ গুৰুত্বপূর্ণ চিন্তা-চর্চাবোৰ ১৮৭৯ চনত প্রকাশিত তেওঁৰ বহুল পঠিত গ্রন্থ *'Progress and Poverty : An Inquiry into the Cause of Industrial Depressions and of Increase of Want with Increase of Wealth : The Remedy'* ত উল্লেখ কৰা আছে। ঔদ্যোগিকীকৰণৰ যুগ আৰু এই সময়ছোৱাই ইংলেণ্ডত পেলোৱা প্রভাৱক কেন্দ্র কৰি তেওঁ নিজৰ চিন্তা-ধাৰণাবোৰ উপস্থাপন কৰিছিল। জ'র্জে ইংলেণ্ডে সেই সময়ত গ্রহণ কৰা উন্নয়নৰ আর্হিটোৰ বিৰোধিতা কৰিছিল। ইয়াৰ বিপৰীতে তেওঁ বিতৰণ তত্ত্ব, মাটিৰ মূল্য নিৰূপণ ব্যৱস্থা, একক শুল্ক ব্যৱস্থা, একাধিপত্য বিৰোধী ব্যৱস্থাবোৰৰ সংশোধন, অনা-উপার্জিত আয়ৰ ধাৰণা আদিৰ দৰে বিভিন্ন নতুন ধাৰণাৰ প্রচলন ঘটোৱাৰ প্রয়াস কৰিছিল। ক্রমে বৃদ্ধি পোৱা ঔদ্যোগিকীকৰণৰ ফলত সৃষ্টি হোৱা দৰিদ্রতাৰ সমস্যাটোৰ সৈতে যুঁজিবলৈ তেওঁ ঔদ্যোগিক অর্থনীতিৰ চক্রীয় প্রকৃতিটোৰ ব্যাখ্যা আগবঢ়াইছিল। এই প্রকৃতিটোৰ বাবেই অর্থনীতিত দৰিদ্রতাৰ সমস্যাটো এক জ্বলন্ত সমস্যা হৈ ৰৈ যায়। জ'র্জে লিখা আন কেইখনমান উল্লেখযোগ্য গ্রন্থ হ'ল *The Irish Land Question- what it involves and how alone it can be settled* (১৮৮১), *Social Problems* (১৮৮৪), *Justice the Object, Taxation the Means* (১৮৮৭), *The Condition of Labour : An open letter to Pope XIII* (১৮৯১), *Blood and Coal*.

হেন্‌ৰী জ'র্জে নিজৰ ধাৰণাবোৰক তাত্ত্বিক ৰূপ দিয়াৰ সময়ত দুটা মৌলিক নীতি মানি চলিছিল। নীতি দুটা হ'ল-

ক) যিমানদূৰ সম্ভৱ প্ৰাকৃতিক সম্পদ ভাৰালৈ লোৱাৰ শুল্ক ১০০ শতাংশৰ ওচৰা ওচৰি কৰা আৰু

খ) কাৰ্বন নিৰ্গমনৰ দৰে বাহ্যিক কাৰক সৃষ্টিকাৰী কাৰ্যকলাপত কৰ আৰোপ কৰা।

এই নীতি দুটাৰ আধাৰতে তেওঁ মত প্ৰকাশ কৰিছিল যে পৃথিৱীৰ বুকুত উদ্ভেনদী হৈ থকা প্ৰকৃতিক সম্পদ ভাগ-বাটোৱাৰা কৰিবলৈ সকলো মানুহৰে সমান অধিকাৰ আছে। ভূমিত একাধিপত্য খটুৱাই থকাসকলে ভূ-সম্পদৰ সুচলতা নিজৰ নিয়ন্ত্ৰণত ৰখাৰ অৰ্থ হ'ল মানুহক একপ্ৰকাৰে গোলাম কৰি ৰখা। বৃহৎ পৰিমাণৰ ভূমি এনেকৈ আৱদ্ধ কৰি ৰখা হৈ আহিছে বাবে পৃথিৱীৰ বৃহত্তৰ জনসংখ্যাই জনসংখ্যা বৃদ্ধি আৰু প্ৰযুক্তিবিদ্যাৰ অগ্ৰগতিৰ কোনো সুবিধা উপভোগ কৰাৰ সুযোগ পোৱা নাই।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ফেবিয়ানবাদ বুলিলে কি বুজে?

প্ৰশ্ন নং ২ ঃ যিকোনো এগৰাকী ফেবিয়ান আদৰ্শ সমৰ্থনকাৰীৰ নাম লিখক।

প্ৰশ্ন নং ৩ ঃ ফেবিয়ানবাদৰ দুটা বৈশিষ্ট্যৰ বিষয়ে লিখক।

প্ৰশ্ন নং ৪ ঃ হেন্ৰী জ'র্জৰ যিকোনো দুখন সমাদৃত গ্ৰন্থৰ নাম লিখক।

১১.৫ হেন্ৰী জ'র্জৰ বিতৰণ তত্ত্ব

হেন্ৰী জ'র্জে তেওঁৰ বহুল পঠিত গ্ৰন্থ *'Progress and Poverty : An Inquiry into the Cause of Industrial Depressions and of Increase of Want with Increase of Wealth : The Remedy'* ত বিতৰণ তত্ত্বটো উপস্থাপন কৰিছে। এই তত্ত্বটো বিকশাই তোলাৰ সময়ত জ'র্জে ডেভিড ৰিকার্ড'ৰ জনসংখ্যা বৃদ্ধি তত্ত্বটোৰ সহায় লৈছিল। ৰিকার্ড'ৰ তত্ত্ব অনুসৰি জনসংখ্যা বৃদ্ধি হোৱাৰ ফলত প্ৰান্তীয় সম্প্ৰদায়সমূহ নিম্নমানৰ মাটি থকা এলেকাবোৰলৈ স্থানান্তৰিত হয়, ভূ-স্বামীসকলক অধিকৰ পৰা অধিকতৰ মাটিৰ ভাৰা দিবলগীয়া হয়, এনে মাটিত কাম কৰাৰ আগ্ৰহ আৰু কাম কৰি পোৱা মজুৰিৰ পৰিমাণ ক্ৰমে কমি গৈ থাকে। ৰিকার্ড'ই এই তত্ত্বত নিজ পৰ্যবেক্ষণত পোৱা তথ্যও যোগ দিছিল। আমেৰিকাৰ সীমান্ত এলেকাবোৰত বসতি স্থাপন কৰা প্ৰব্ৰজনকাৰী সম্প্ৰদায় কিছুমানৰ বৈশিষ্ট্য পৰ্যবেক্ষণ কৰি তেওঁ কৈছিল যে বিপুল পৰিমাণৰ মাটিৰ গৰাকীসকলে ভূমি একাধিপত্যৰ সৃষ্টি কৰি ভৱিষ্যতে মাটিৰ দাম বাঢ়িব বুলি অনুমান কৰি লৈ আৰু অধিক মাটি ক্ৰয় কৰিছিল। মাটিৰ দাম সম্পৰ্কে কৰা এই পূৰ্বানুমানৰ বাবে স্বাভাৱিক পৰিমাণতকৈ কম পৰিমাণৰ কৃষিভূমি বৈ গৈছিল আৰু উৎপাদনো স্বাভাৱিক মাত্ৰাতকৈ কমি গৈছিল। ইয়াৰ ফলত শ্ৰমিক আৰু মূলধন দুয়ো দিশৰ পৰা স্বাভাৱিকতকৈ কম লাভালাভ হৈছিল অথবা সমল-সামগ্ৰীবোৰ ভাৰাত ল'বলগীয়া হৈছিল।

হেন্ৰী জ'র্জে সেই সময়ত প্ৰচলিত মজুৰি পুঁজি তত্ত্বটোৰ বিৰোধিতা কৰিছিল। এই

তত্ত্বটোৰ মতে পুঁজিপতিসকলে যোগান ধৰা পুঁজি আৰু শ্ৰমিকৰ সংখ্যাৰ অনুপাত অনুসৰি মজুৰি নির্ধাৰিত হয়। খাটিখোৱা শ্ৰেণীটোৱে দৰিদ্ৰতাৰ মাজতেই জীৱন নির্বাহ কৰে বুলি প্ৰচলিত মালথাচিয়ান কাল্পনিক সিদ্ধান্তটোৰো জ'র্জে বিৰোধিতা কৰিছিল। তেওঁৰ মত অনুসৰি উৎপাদনৰ প্ৰান্তিকতা অথবা ভাৰা পৰিশোধ নকৰাকৈ সর্বাধিক প্ৰাকৃতিক উৎপাদনশীলতাৰ সুযোগ থকা পৰিৱেশ এটাত শ্ৰমৰ বিনিময়ত আহৰণ কৰা উৎপাদিত সামগ্ৰীৰ মাত্ৰাৰ ভিত্তিতহে মজুৰি নির্ধাৰণ কৰা উচিত। ইয়াৰ সহজ অর্থ হ'ল শ্ৰমিকৰ উৎপাদন কৰিব পৰা ক্ষমতাৰ সমতুল্য পৰিমাণৰ মজুৰি প্ৰদান কৰা উচিত। শ্ৰমিকক দিয়া মজুৰিত পুঁজিপতিয়ে সংগ্ৰহ কৰা মাটিৰ ভাৰা যোগ হৈ থাকিব নালাগে। তত্ত্বটোৰ বিকাশ ঘটোৱাৰ সময়ত জ'র্জে উৎপাদনৰ আটাইবোৰ সাধাৰণ কাৰকৰ ব্যক্তিগত সংজ্ঞা আগবঢ়াইছিল। তলত সেইবোৰ চমুকৈ উল্লেখ কৰা হ'ল-

- **মূলধন ঃ** অধিক সম্পদ উৎপাদন কৰিবলৈ ব্যৱহৃত সম্পদ অথবা বিনিময় প্ৰক্ৰিয়াত ব্যৱহৃত সম্পদ। ই বজাৰৰ বাবে অধিক সামগ্ৰী উৎপাদন কৰাৰ বাবে ব্যৱহৃত সকলোবোৰ সামগ্ৰীৰ কথা বুজায়। মূলধনে বিনিময় প্ৰক্ৰিয়াত ব্যৱহৃত সামগ্ৰীবোৰকো সামৰি লয়।
- **সম্পদ ঃ** মানুহৰ প্ৰয়োজনীয়তা পূৰ কৰিবলৈ শ্ৰমৰ জৰিয়তে উৎপাদিত সকলো ভৌতিক বস্তুকে সম্পদ বোলে। সম্পদৰ বৈশিষ্ট্যবোৰ হ'ল- ক) ই মানুহৰ হাবিয়াস পূৰণ কৰে, খ) সম্পদ মানুহৰ শ্ৰমৰ দ্বাৰা সৃষ্ট, গ) ইয়াক প্ৰকৃতিক সামগ্ৰীৰে তৈয়াৰ কৰা হয় আৰু ঘ) সম্পদৰ বিনিময় মূল্য থাকে। আহৰণ কৰিবলৈ সমান প্ৰয়াসৰ প্ৰয়োজন হোৱা অন্য সামগ্ৰীৰ সৈতে সম্পদৰ সম-বিনিময় ঘটে।
- **ভাৰা ঃ** মাটি ব্যৱহাৰ কৰাৰ বিনিময়ত পৰিশোধ কৰিবলগীয়া সম্পদৰ অংশ।
- **মজুৰি ঃ** শ্ৰমৰ বিনিময়ত পৰিশোধ কৰিবলগীয়া সম্পদৰ অংশ।
- **ভূমি ঃ** উপাদনৰ এটা অক্ৰিয় কাৰক। মানুহ আৰু মানুহৰ দ্বাৰা উৎপাদিত সামগ্ৰীৰ বাহিৰে প্ৰকৃতিত থকা আন সকলো উপাদান ভূমিৰ অংশ। ভূগর্ভস্থ তৈল পদার্থ, বায়ুমণ্ডল, জলউৎস আৰু বিদ্যুত-চৌম্বকীয় পৰিমণ্ডলবোৰো ভূমিৰ অন্তর্গত।
- **শ্ৰম ঃ** সম্পদ উৎপাদন কৰাৰ কামত প্ৰয়োগ হোৱা সকলো ধৰণৰ মানৰিক কার্যকলাপ (শাৰীৰিক আৰু মানসিক)। পৰিচালক, উদ্যমী আৰু চাকৰ সকলোৰে সম্পদ সৃষ্টিকাৰী কার্যকলাপ শ্ৰমৰ অংশ।

জনসংখ্যাই দৰিদ্ৰতা বৃদ্ধি কৰে বুলি গা কৰি উঠা ধাৰণাটোৰ সন্দর্ভতো জ'র্জে নিজ মতামত ব্যক্ত কৰিছিল। তেওঁৰ মতে দৰিদ্ৰতা আৰু জনসংখ্যাৰ ঘনত্ব বৃদ্ধিৰ মাজত কোনো সহঃসম্বন্ধ নাই। কাৰণ, অতি জনবহুল এলেকাবোৰৰ অধিকাংশতে উচ্চ মানবিশিষ্ট জীৱন যাপন পদ্ধতি বর্তি থকা দেখা যায়। কম জনসংখ্যা থকা অঞ্চলবোৰৰ বাসিন্দাৰ জীৱন যাপনৰ মান নিম্ন পর্যায়ৰো হ'ব পাৰে। প্ৰচলিত ধাৰণাটোৰ উৎস আছিল দৰিদ্ৰতা বিষয়ক মালথাচিয়ান সিদ্ধান্তটো। এই সিদ্ধান্তৰ মতে জনসংখ্যা বৃদ্ধিৰ প্ৰৱণতা জীৱন নির্বাহৰ প্ৰৱণতাতকৈ অধিক দ্ৰুত। এই কাল্পনিক সিদ্ধান্ত অনুসৰি জনসংখ্যা ২,৪,৬,৮,১৬.....নিয়মৰ গাণিতিক অনুপাতত বাঢ়ে। আনহাতে, খাদ্যৰ প্ৰৱণতাই অংকগণিতৰ ১,২,৩,৪.....ক্ৰম এটা অনুসৰণ কৰে। সেয়েহে,

খাদ্যতকৈ জনসংখ্যা সদায় দ্রুত গতিত বাঢ়িব আৰু ইয়াৰ ফলত ক্ষুধাৰ অস্তিত্ব চিৰদিনীয়া হৈ ৰ'ব। হেন্ৰী জ'র্জে ইয়াৰ বিপক্ষে যুক্তি দৰ্শাই কৈছিল যে অন্যায়ৰ অস্তিত্ব নথকা সমতাপূৰ্ণ পৰিস্থিতি এটাত জনসংখ্যা বৃদ্ধি মানে হ'ল জনমূৰি উৎপাদন বৃদ্ধি হোৱা। ই মানুহৰ জীৱন যাপনৰ মান উন্নততৰহে কৰি তুলিব। কথাটো বুজাবলৈ তেওঁ আমেৰিকা যুক্তৰাষ্ট্ৰৰ উদাহৰণ দিছিল। জ'র্জৰ মতে আৱশ্যকতা আৰু দৰিদ্ৰতা বৃদ্ধিৰ প্ৰধান কাৰণ মাত্ৰাধিক জনসংখ্যা বৃদ্ধি অথবা কোনো প্ৰাকৃতিক নাটনি নহয়, সমাজৰ অন্যায়পূৰ্ণ অৱস্থাটোহে ইয়াৰ বাবে দায়ী।

১১.৫.১ একক কৰ আৰোপ তত্ত্ব

হেন্ৰী জ'র্জৰ মত অনুসৰি কঠোৰ অৰ্থনৈতিক নীতিবোৰে প্ৰদৰ্শন কৰা পৰিণামবোৰ হ'ল কিছুমান নৈতিক সমস্যা। তেওঁ অৰ্থনীতিৰ সমাধানহীন সমস্যা কিছুমানৰ উত্তৰ বিচাৰি উলিয়াবলৈ নৈতিক প্ৰশ্ন কিছুমানৰ অৱতাৰণা কৰিছিল। জ'র্জে সুধিছিল- এগৰাকী ব্যক্তিয়ে কিয় মালিকীস্বত্ব আছে বুলিয়েই লাভৱান হ'ব লাগে, যদি তেওঁ তাৰ বিনিময়ত সম্প্ৰদায়লৈ কোনো ধৰণৰ সেৱা আগ নবঢ়ায়? সম্প্ৰদায়ৰ প্ৰতি কোনো সেৱা আগ নবঢ়োৱা আৰু কেৱল উপযুক্ত সুচল মাটিৰ গৰাকী হোৱাৰ সৌভাগ্য উপভোগ কৰা সম্পদশালীসকলক কিহে ধনী হোৱাৰ অধিকাৰ প্ৰদান কৰে? জ'র্জ এই কথাত নিশ্চিত আছিল যে মাটিৰ উপলব্ধতা নাটনি হোৱাই অৰ্থনৈতিক সমস্যাবোৰৰ মূল কাৰণ। মাটি সকলোৰে বাবে সমানে সুচল নোহোৱাৰ ফলতেই দৰিদ্ৰতাকে ধৰি আন অৰ্থনৈতিক সমস্যাবোৰৰ সৃষ্টি হয়।

মাটিৰ নামত আহৰণ কৰা ভাৰাৰ বাবে শ্ৰমিকসকলে প্ৰাপ্য মজুৰিতকৈ কম ধন লাভ কৰে। লগতে, মাটিৰ মূল্য বঢ়াৰ আশাত মাটি কিনি থোৱাৰ প্ৰৱণতাই আগ্ৰাসী ৰূপ লোৱাৰ ফলত দৰিদ্ৰতাৰ সৃষ্টি হয়। এই সমস্যাৰ সমাধান হিচাপে জ'র্জে মাটিত 'একক কৰ' (single tax) আৰোপ কৰাৰ ধাৰণাটো আগবঢ়াইছিল। এই কৰ আৰোপ কৰাৰ প্ৰথা আৰম্ভ হ'লে আন কৰ আৰোপৰ প্ৰয়োজনীয়তা নাইকিয়া হ'ব বুলি তেওঁ মত প্ৰকাশ কৰিছিল।

হেন্ৰী জ'র্জে বিকশিত কৰা 'একক কৰ'ৰ ধাৰণাটোত নিহিত মূল বৈশিষ্ট্যসমূহ হ'ল-

- জ'র্জৰ মতে মাটিৰ অৱস্থান আৰু মাটিত চলা সামূহিক অৰ্থনৈতিক কাৰ্যকলাপৰ দৰে প্ৰাকৃতিক বৈশিষ্ট্যবোৰে মাটিৰ প্ৰকৃত মূল্য নিৰূপণ কৰে। মাটিৰ পৰা ৰাজহ সংগ্ৰহ কৰাৰ সৰ্বোত্তম উপায়টো হ'ল মাটিৰ অৰ্থনৈতিক ভাৰা নিৰূপণ কৰা। কোনো এটা সম্প্ৰদায়ৰ বাবে মাঠি এডোখৰৰ মূল্য কিমান সেয়া নিৰ্দ্ধাৰণ কৰি যদি সেই মাটিডোখৰৰ ভাৰা সংগ্ৰহ কৰা হয়, তেন্তে মাটিৰ এক উমৈহতীয়া মালিকীস্বত্ত্বৰ সৃষ্টি হ'ব।
- মাটি আৰু ভূমিখণ্ড এডোখৰত থকা অন্য প্ৰাকৃতিক সম্পদবোৰ মানৱিক শ্ৰম

অথবা মূলধন ব্যৱহাৰ কৰি সৃষ্টি কৰা নহয়। সেয়েহে মাটি সমগ্ৰ সম্প্ৰদায় এটাৰ উমৈহতীয়া সম্পত্তি হোৱা উচিত। এবিধ প্ৰকৃতিক সম্পদৰ ওপৰত সমাজৰ মাত্ৰ এমুঠিমান মানুহক একাধিপত্য বিস্তাৰ কৰাৰ সুযোগ দিয়া উচিত নহয়। আকৌ, মানৰিক শ্ৰমৰ প্ৰয়োগ আৰু মূলধনৰ বিনিয়োগ ঘটা মাটিত যি মূল্যই আৰোপ কৰা নহওক কিয় (যেনে- ঘৰ অথবা আন কোনো ধৰণৰ আন্তঃগাঁথনি নিৰ্মাণ), তাত কৰ আৰোপ কৰা অনুচিত। এনে পৰিস্থিতিত কেৱল মাটিত কৰ আৰোপ কৰা উচিত আৰু কৰৰ পৰা সংগ্ৰহ কৰা আয় সকলোকে সমানে ভগাই দিয়া উচিত।

- মজুৰি আৰু সূতত কোনো কৰ আৰোপ নকৰিলে মাটিৰ ওপৰত সকলোবোৰ ভাৰা আৰোপিত হ'ব। এই একক কৰ ব্যৱস্থাৰ ফলত এসময়ত মাটিৰ মালিকীস্বত্ত্ব এটা উমৈহতীয়া সম্পত্তিত পৰিণত হ'ব আৰু মাটিৰ ব্যক্তিগত মালিকানাৰ ধাৰণাটো বিলুপ্ত হ'ব।
- একক কৰ ব্যৱস্থাই সম্পদৰ ব্যাপক পুনঃবিতৰণৰ জৰিয়তে এসময়ত মজুৰিৰ পৰিমাণ বঢ়াব, দৰিদ্ৰতা নিৰ্মূল কৰাত সহায় কৰিব, কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰিব আৰু আন বহুতো অৰ্থনৈতিক কুপ্ৰথাৰ অৱসান ঘটাব।
- একাধিপত্যৰ বৈশিষ্ট্য প্ৰদৰ্শনকাৰী সকলো ধৰণৰ ব্যৱসায়ৰ গৰাকী আৰু নিয়ন্ত্ৰক চৰকাৰ হোৱা উচিত যাতে এই ব্যৱসায়বোৰৰ জৰিয়তে সকলোৰে কল্যাণ সাধন হয়।
- জ'র্জৰ মতে যেতিয়া মাটিক চৰম সম্পত্তি বুলি গণ্য কৰা হয়, তেতিয়া উমৈহতীয়া কল্যাণৰ কামত তেনে মাটি ব্যৱহাৰ কৰাৰ প্ৰয়োজনীয়তা সৃষ্টি হ'লে মাটি দাবী কৰাতো এক অসম্ভৱ কাম হৈ পৰে। এইবাবেই মাটিক এটা উমৈহতীয়া সম্পত্তি কৰি ৰখা উচিত। উমৈহতীয়া মালিকীস্বত্ত্ব থাকিলে সাম্প্ৰতিক সময় এছোৱাত অব্যৱহৃত হৈ থকা মাটিত কোনো কাৰ্যকলাপ আৰম্ভ কৰাত কোনেও কাৰোপৰা একো ভাট্টা বিচাৰি তেনে কাৰ্যকলাপ ৰোধ কৰিব নোৱাৰে।
- মাটিক উমৈহতীয়া সম্পত্তি কৰিবলৈ প্ৰথমে মাটিবোৰ আইনসংগত গৰাকীৰ পৰা কিনি ল'ব লাগিব। সম্প্ৰদায় এটাই মাটিৰ আইনসংগত গৰাকীৰ পৰা মাটি বাজেয়াপ্তও কৰিব পাৰে। কিন্তু এনে কৰাৰ সময়ত ব্যক্তিগত অধিকাৰ যাতে উলংঘা কৰা নহয় তালৈ মন কৰিব লাগিব। মাটিক উমৈহতীয়া সম্পত্তি বুলি গণ্য কৰা মানে হ'ল তেনে মাটিৰ পৰা কেৱল সম্ভাব্য ভাৰা আহৰণ কৰা।
- একক কৰ সংগ্ৰহ কৰিবলৈ জ'র্জে আগবঢ়োৱা ব্যৱহাৰিক পদ্ধতিটো আছিল কৰ আৰোপ মাধ্যমেৰে মাটিৰ সম্ভাব্য ভাৰা উপযুক্তভাৱে নিৰ্দ্ধাৰণ কৰি লোৱা উচিত। ভূমিস্বত্ত্ববোৰ কব্জা কৰি সেইবোৰ কোনেও ব্যৱহাৰ কৰিব নোৱাৰাকৈ ৰখা উচিত। কিছুমান ভাৰা স্থাৱৰ সম্পত্তি কৰ হিচাপে সংগ্ৰহ কৰা উচিত। ঘৰ নিৰ্মাণত হোৱা ব্যয় বাদ দি মাটিৰ মূল্যৰ বিপৰীতে সম্পূৰ্ণ ভাৰাৰ পৰিমাণ

উপযুক্তভাৱে মিলাই লৈ স্থাৱৰ সম্পত্তি কৰ নিৰ্দ্ধাৰণ কৰা উচিত।

- বাকী সকলো কৰ বিলুপ্ত কৰা উচিত। প্ৰচলিত আয়কৰ সংগ্ৰহ ব্যৱস্থাত অনা-উপাৰ্জিত আয় হিচাপে গৰাকীৰ হাতলৈ যিখিনি ধন যায় তাৰপৰাই ৰাজহ সংগ্ৰহ কৰা হয়। এই কৰ আৰোপ ব্যৱস্থাই মানুহক অব্যৱহৃত অথবা প্ৰয়োজনতকৈ কম ব্যৱহৃত মাটি নিজৰ অধীনত ৰখাৰ পৰা বিৰত ৰাখিব নোৱাৰে।

১১.৫.২ মানৰ প্ৰগতিৰ নিয়ম

পৰম্পৰা, বিশ্বাস, প্ৰচলিত প্ৰথা অনুসৰি বিভিন্ন সভ্যতা উন্নয়নৰ ভিন ভিন স্তৰত থাকে। সভ্যতাবোৰে মানি চলা ভিন্ন প্ৰকৃতিৰ আইন-কানুনবোৰে কোনো এটা বিশেষ সভ্যতাৰ উন্নয়ন অথবা অধোন্নতিত সক্ৰিয় ভূমিকা লয়। হেন্ৰী জ'র্জৰ মানৰ প্ৰগতিৰ নিয়ম বিষয়ক চিন্তাই মানৰ সভ্যতাবোৰৰ উত্থান-পতনৰ কাৰণ ব্যাখ্যা কৰে। তেওঁ নিজৰ ব্যাখ্যাত কিছুমান সামাজিক ব্যৱস্থাৰ উত্থান আৰু কিছুমান সমাজৰ অগ্ৰগতি ব্যাহত হোৱাৰ কাৰণ আলোচনা কৰি দেখুৱাইছে।

মানৰ প্ৰকৃতিৰ অন্তৰ্নিহিত ইচ্ছা এটা হ'ল প্ৰগতিৰ হাবিয়াস। মানুহৰ প্ৰগতিত মনটোৱে এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। মানসিক ক্ষমতাই মানুহক শাৰীৰিক, মানসিক তথা সামাজিক প্ৰয়োজনীয়তাবোৰ পূৰণত সহায় কৰে।

মানুহৰ মানসিক শক্তি উৎসৰ্গীকৃত প্ৰকৃতিৰ হ'লে প্ৰগতি সুনিশ্চিত। মানৰ সমাজে সেয়েহে সংঘাতৰ দৰে প্ৰগতিৰ পথত বাধাৰ সৃষ্টি কৰিব পৰা শক্তিবোৰ এৰাই চলিব লাগে। মানসিক শক্তিক ফলপ্ৰসূভাৱে ব্যৱহাৰ কৰিবলৈ মানুহে 'সংঘ' অথবা 'সংস্থা' গঠন কৰাতো আৱশ্যক। সম্প্ৰদায় এটাৰ মাজত মানুহ সংঘৱদ্ধ হোৱাৰ লগে লগে শ্ৰম বিভাজন সম্ভৱ হৈ উঠে। এই বিভাজনে উৎপাদনশীলতা বৃদ্ধি কৰে আৰু মানসিক শক্তিক উচ্চতৰ ইচ্ছা পূৰণ কৰিব পৰাকৈ মুক্ত কৰি তোলে।

প্ৰগতিৰ পথে�ৰে আগবাঢ়ি যাবলৈ মানুহ সংঘৱদ্ধ হোৱাৰ লগতে সমতা স্থাপনৰ প্ৰতি আগ্ৰহী হ'ব লাগিব। এই সমতা হ'ল স্বাধীনতা, ন্যায় আৰু সমভাৱৰ এক মিশ্ৰণ। সমতাপূৰ্ণ পৰিস্থিতি এটাই সংঘাতে অনৰ্থক ব্যয় কৰিব পৰা মানসিক শক্তি অটুট ৰাখে। ই সমাজত পাৰস্পৰিক সমৰ্থন আৰু সহযোগিতাৰ বাতাৱৰণ গঢ়ি তোলে। অন্যথা সমাজৰ এটা গোটে সদায় নিজৰ ক্ষমতা বৃদ্ধি কৰি গৈ থকাৰ সুযোগ পায়। ইয়াৰ সহায়ত গোটটোৱে অইনক নিজৰ হৈ কাম কৰিবলৈ বাধ্য কৰোৱায় অথবা স্বাভাৱিক সুযোগবোৰ সদায় নিজৰ নিয়ন্ত্ৰণত ৰাখি সংঘাতময় পৰিস্থিতিবোৰ বৰ্তাই ৰাখে।

হেন্ৰী জ'র্জৰ মতে প্ৰগতিৰ নিয়ম মানে হ'ল 'সমতাত গঢ় লৈ উঠা সংগঠন'। সংগঠিত মানৰ গোটৰ সদস্যসকলৰ মানসিক শক্তি উন্নততৰ হোৱাৰ প্ৰয়াস কৰিব পৰাকৈ মুক্ত। সমতাই এই শক্তিক অনৰ্থক সংঘৰ্ষত বৃথা হৈ পৰিবলৈ নিদিয়ে।

জ'র্জে মানৰ প্ৰগতিৰ পতনৰ কাৰণ কিছুমানো আলোচনা কৰিছিল। তেওঁ

কৈছিল যে অ-সংঘৱদ্ধতা হ'ল প্ৰগতিৰ এক প্ৰধান অন্তৰায়। বিভিন্ন সম্প্ৰদায়ৰ মাজত ইয়াৰ ফলত গা কৰি উঠা ভেদভাৱ আৰু শত্ৰুতাৰ বাবে সামগ্ৰী তথা চিন্তা-ধাৰণা আদিৰ বিনিময়ত বাধাৰ সৃষ্টি হয়। এনে বাধা কেতিয়াবা বিধ্বংসী যুঁজ-বাগৰৰ কাৰণ হৈ পৰে। সমাজবোৰ জটিল হৈ পৰাৰ লগে লগে অসমতাপূৰ্ণ পৰিৱেশ গঢ় লোৱাৰ পৰিস্থিতিবোৰো বাঢ়ি যায়। ৰাজনৈতিক ক্ষমতা মাত্ৰ এগৰাকী ব্যক্তি অথবা এটা ক্ষুদ্ৰ গোটৰ হাতত কেন্দ্ৰীভূত হৈ পৰাৰ ফলত সমাজত এটা সুবিধাভোগী শ্ৰেণীৰ উত্থান ঘটে। সামৰিক বিষয়াৰ শ্ৰেণী, বিচাৰকৰ শ্ৰেণী, ৰাজনীতিকৰ শ্ৰেণী আদি ইয়াৰে দুটামান উদাহৰণ। জটিল সমাজত মাটিৰ মূল্য বাঢ়ি যায়। ফলত মাটি দখলত ৰখাৰ কামত একাধিপত্য দেখুওৱা শ্ৰেণীটোৰ ক্ষমতা আৰু সম্পত্তিৰ পৰিমাণো বাঢ়ে। এই অসমতাবোৰ সামাজিক বিকাশৰ পৰিণাম নহয়। উপযুক্ত সামাজিক এৰা-ধৰাৰ মাজেৰে এই অৱস্থাটো ৰোধ কৰি নতুন পৰিস্থিতি গঢ়িব পাৰি। ক্ষমতা আৰু সম্পদৰ অসমতাপূৰ্ণ বিতৰণে প্ৰগতিৰ পথ ৰুদ্ধ কৰে। এনে পৰিস্থিতিত সৰ্বহাৰা শ্ৰেণীটোৱে নিজৰ মানসিক শক্তি কেৱল জীৱন বৰ্তাই ৰখাৰ কামত নিয়োগ কৰিবলৈ বাধ্য হয়। আনহাতে ধনাঢ্য শ্ৰেণীটোৱে অসমতাৰ ব্যৱস্থাটো অধিক ঘনীভূত তথা দীৰ্ঘদিনীয়া কৰিবলৈ নিজৰ প্ৰয়োগ কৰে। এইটো কাৰণতে প্ৰগতিৰ নিয়ম (সমতাত গঢ় লৈ উঠা সংগঠন)এ সভ্যতাৰ উত্থান-পতন ঘটায়। এই নিয়মে সমাজৰ সকলো বৈচিত্ৰ্যতা, অগ্ৰগতি, স্থবিৰতা আৰু পশ্চাদমুখিতাক সামৰি লয়। সমাজে ঘনিষ্ঠ সংঘৱদ্ধতা আৰু অধিকতৰ সমতাক আঁকোৱালি লোৱাৰ লগে লগে প্ৰগতি দ্ৰুত হৈ পৰে। আকৌ, সমাজৰ ঐক্য দুৰ্বল হৈ পৰিলে আৰু অসমতা বৃদ্ধি পালে প্ৰগতি স্থবিৰ হয়। ৰাজনৈতিক সমতাই অকলে সম্পদ আৰু ক্ষমতাৰ সমবিতৰণ নিশ্চিত কৰিব নোৱাৰে। ই মাটিৰ মালিকীস্বত্ত্বত থকা অসমতাৰ প্ৰৱণতাটো সম্প্ৰসাৰিত হোৱাত বাধা দিব নোৱাৰে। এই অসমতাটোৱেই হ'ল সম্পদ আৰু ক্ষমতাৰ অ-সম বিতৰণৰ প্ৰধান কাৰণ। বৰ্তমানেও সমাজত এনে কিছুমান পৰিস্থিতিৰ অস্তিত্ব আছে যিবোৰ অনতিপলমে আঁতৰ নকৰিলে সাম্প্ৰতিক সভ্যতাও ধ্বংসৰ গৰাহত পৰিব। অপৰাধ, নগৰীয় বস্তি অঞ্চলবোৰৰ দু�ৰাৱস্থা, নাগৰিক সমাজত বিয়পি থকা নানা অশান্তি, যুদ্ধ আৰু যুদ্ধৰ প্ৰস্তুতি, বৰ্দ্ধিত কৰৰ বোজা, অত্যাৱশ্যকীয় সামগ্ৰীৰ চৰা দাম, মাটিৰ মূল্য সম্পৰ্কীয় আগতীয়া অনুমান আৰু ইয়াৰ ফলত বৃদ্ধি হোৱা মাটিৰ মূল্য আদি হ'ল এনে কেইটামান পৰিস্থিতি। জ'র্জে আগবঢ়োৱা প্ৰতিকাৰসমূহ প্ৰয়োগ কৰি দৰিদ্ৰতা আৰু ইয়াৰ সৈতে জড়িত বহুতো সামাজিক কুপ্ৰথা নাইকিয়া কৰিব পৰা যায়। জ'র্জে কৈছিল যে স্বাধীনতা মানে হ'ল ন্যায়। ন্যায়েই হ'ল কেন্দ্ৰীয় নিয়ম। স্বাধীনতা হ'ল প্ৰগতিৰ প্ৰকৃত উৎস। স্বাধীনতাৰ পৰিৱেশ এটাত মানুহৰ অধিকাৰ আৰু স্বাধীন সত্ত্বাক সন্মান কৰা হয়। জ'র্জে ইয়াকো কৈছিল যে সামাজিক জীৱনৰ সমস্যাৰ আঁৰত ব্যক্তিগত জীৱনৰ সমস্যাবোৰ লুকাই থাকে। এখন সমস্যাহীন সমাজ গঢ়িবলৈ প্ৰথমে ব্যক্তিগত জীৱনৰ সমস্যাবোৰ সমাধান কৰিব লাগিব।

১১.৫.৩ হেন্ৰী জ'র্জৰ দৃষ্টিভংগীৰ এক অৱলোকন

কার্ল মার্ক্স, ইউজেন ভ'ন বৰেৰ্ক আৰু মিল্টন ফ্ৰীড্মেনে হেন্ৰী জ'র্জৰ তত্ত্বটোক সমালোচনা কৰিছিল। তেওঁৰ দৃষ্টিভংগীক তলত উল্লেখ কৰা কথাবোৰৰ ভিত্তিত সমালোচনা কৰা হৈছিল-

- একক কৰ ব্যৱস্থাই সাম্যবাদক পশ্চাদমুখী কৰাৰ এখন মঞ্চ হিচাপে কাম কৰিব।
- বৃটিছ জীৱবিজ্ঞানবিদ হাক্স্লীয়ে ১৮৯০ চনত প্ৰকাশিত তেওঁৰ ৰচনা *Capital-The Mother of Labour* ত শক্তি বিজ্ঞানৰ সহায় লৈ এই দাবী কৰিছিল যে শ্ৰম শক্তি বিজ্ঞানৰ দৃষ্টিৰে অ-উৎপাদনশীল।
- মাটিৰ মূল্য উন্নত আৰু অনুন্নত শিতানত ভাগ কৰাটো এটা সমস্যাবহুল কথা। কাৰণ, কোনো এডোখৰ মাটিত কোনো নির্মাণ কার্য সম্পূর্ণ হোৱা মানে সেই মাটিডোখৰৰ লগতে ওচৰতে থকা আন মাটি আৰু এতিয়াও অনুন্নত হৈ থকা মাটিতো তাৰ প্ৰভাৱ পৰিব। নির্মাণৰ ফলত মাটিৰ মূল্য বাঢ়িব পাৰে, কিন্তু অৱস্থান অনুসৰিহে মাটিৰ প্ৰকৃত মূল্য নিৰ্দ্ধাৰিত হ'ব। যেনে- মাটি এডোখৰ যদি কোনো আণৰিক প্ৰকল্পৰ কাষত থাকে তেন্তে ইয়াত যিমানেই ব্যয় কৰা নহওক কিয়, মাটিডোখৰৰ মূল্য হ্ৰাস হ'বই।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ হেন্ৰী জ'র্জৰ একক কৰ ব্যৱস্থাৰ যিকোনো দুটা বৈশিষ্ট্য উল্লেখ কৰক।

প্ৰশ্ন নং ৬ ঃ সমতাত গঢ় লৈ উঠা সংগঠন মানে কি?

প্ৰশ্ন নং ৭ ঃ 'স্বাধীনতা মানে ন্যায় আৰু ন্যায়েই হ'ল কেন্দ্ৰীয় আইন'- কথাষাৰ কোনে কৈছিল?

প্ৰশ্ন নং ৮ ঃ হেন্ৰী জ'র্জ সমালোচনাৰ সন্মুখীন হোৱাৰ যিকোনো দুটা ভিত্তিৰ বিষয়ে উল্লেখ কৰক।



১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সমগ্ৰ বিশ্বতে সমাজবাদৰ বিভিন্ন স্তৰ, বিভিন্ন প্ৰকাৰ আৰু বিভিন্ন ৰূপৰ প্ৰচলন আছে। সমাজবাদৰ দুটামান পৰিচিত প্ৰকাৰ হ'ল ইউটোপিয়ান সমাজবাদ (Utopian Socialism), সংশোধনবাদী অথবা ক্ৰমবিৱর্তনবাদী সমাজবাদ (Revisionism or Evolutionary Socialism), ফেবিয়ানবাদ (Fabianism), শ্ৰমিক সংঘবাদ(Syndicalism),

অৰাজকতাবাদ (Anarchism), শ্ৰেণী সমাজবাদ (Guild Socialism), গণতান্ত্ৰিক সমাজবাদ (Democratic Socialism), মার্ক্সবাদ (Marxism), বৈজ্ঞানিক সমাজবাদ (Scientific Socialism), সাম্যবাদ (Communism) ইত্যাদি।

- আমেৰিকাত জন্মলাভ কৰা হেন্ৰী জ'র্জ (ছেপ্তেম্বৰ ২, ১৮৩৯-অক্টোবৰ ২৯, ১৮৯৭) আছিল একেধাৰে এগৰাকী ৰাজনীতি বিজ্ঞানী, অর্থনীতিবিদ আৰু প্ৰখ্যাত সাংবাদিক। ঊনবিংশ সতিকাত সূচনা হোৱা প্ৰগতিশীল যুগত তেওঁ এগৰাকী জনপ্ৰিয় সমাজ সংস্কাৰক হিচাপে খ্যাতি অর্জন কৰিছিল। তেওঁৰ ৰচনাৰাজিৰ প্ৰভাৱত 'জ'র্জিজম' (Georgism) নামেৰে জনাজাত হৈ পৰা অর্থনৈতিক দর্শন এটাৰ উত্থান ঘটিছিল।
- হেন্ৰী জ'র্জে নিজৰ ধাৰণাবোৰক তাত্ত্বিক ৰূপ দিয়াৰ সময়ত দুটা মৌলিক নীতি মানি চলিছিল। নীতি দুটা হ'ল-
  - ক) যিমানদূৰ সম্ভৱ প্ৰাকৃতিক সম্পদ ভাৰালৈ লোৱাৰ শুল্ক ১০০ শতাংশৰ ওচৰা ওচৰি কৰা আৰু
  - খ) কার্বন নির্গমনৰ দৰে বাহ্যিক কাৰক সৃষ্টিকাৰী কার্যকলাপত কৰ আৰোপ কৰা।
- হেন্ৰী জ'র্জে তেওঁৰ বহুল পঠিত গ্ৰন্থ '*Progress and Poverty : An Inquiry into the Cause of Industrial Depressions and of Increase of Want with Increase of Wealth : The Remedy*' ত বিতৰণ তত্ত্বটো উপস্থাপন কৰিছে। এই তত্ত্বটো বিকশাই তোলাৰ সময়ত জ'র্জে ডেভিড ৰিকার্ড'ৰ জনসংখ্যা বৃদ্ধি তত্ত্বটোৰ সহায় লৈছিল। ৰিকার্ড'ৰ তত্ত্ব অনুসৰি জনসংখ্যা বৃদ্ধি হোৱাৰ ফলত প্ৰান্তীয় সম্প্ৰদায়সমূহ নিম্নমানৰ মাটি থকা এলেকাবোৰলৈ স্থানান্তৰিত হয়, ভূ-স্বামীসকলক অধিকৰ পৰা অধিকতৰ মাটিৰ ভাৰা দিবলগীয়া হয়, এনে মাটিত কাম কৰাৰ আগ্ৰহ আৰু কাম কৰি পোৱা মজুৰিৰ পৰিমাণ ক্ৰমে কমি গৈ থাকে।
- জ'র্জ এই কথাত নিশ্চিত আছিল যে মাটিৰ উপলব্ধতা নাটনি হোৱাই অর্থনৈতিক সমস্যাবোৰৰ মূল কাৰণ। মাটি সকলোৰে বাবে সমানে সুচল নোহোৱাৰ ফলতেই দৰিদ্ৰতাকে ধৰি আন অর্থনৈতিক সমস্যাবোৰৰ সৃষ্টি হয়।
- জ'র্জে মানৱ প্ৰগতিৰ পতনৰ কাৰণ কিছুমানো আলোচনা কৰিছিল। তেওঁ কৈছিল যে অ-সংঘৱদ্ধভৱন হ'ল প্ৰগতিৰ এক প্ৰধান অন্তৰায়। প্ৰগতিৰ পথেৰে আগবাঢ়ি যাবলৈ মানুহ সংঘৱদ্ধ হোৱাৰ লগতে সমতা স্থাপনৰ প্ৰতি আগ্ৰহী হ'ব লাগিব। এই সমতা হ'ল স্বাধীনতা, ন্যায় আৰু সমভাৱৰ এক মিশ্ৰণ। সমতাপূর্ণ পৰিস্থিতি এটাই সংঘাতে অনর্থক ব্যয় কৰিব পৰা মানসিক শক্তি অটুট ৰাখে। ই সমাজত পাৰস্পৰিক সমর্থন আৰু সহযোগিতাৰ বাতাৱৰণ গঢ়ি তোলে। মানুহৰ মানসিক শক্তি উৎসর্গীকৃত প্ৰকৃতিৰ হ'লে প্ৰগতি সুনিশ্চিত। মানৰ সমাজে সেয়েহে সংঘাতৰ দৰে প্ৰগতিৰ পথত বাধাৰ সৃষ্টি কৰিব পৰা শক্তিবোৰ এৰাই চলিব লাগে। মানসিক শক্তিক ফলপ্ৰসূভাৱে ব্যৱহাৰ কৰিবলৈ মানুহে 'সংঘ' অথবা 'সংস্থা' গঠন কৰাতো আৱশ্যক।

- কার্ল মার্ক্স, ইউজেন ভ'ন বৰ্ৰেৰ্ক আৰু মিল্টন ফ্ৰীড্মেনে হেন্ৰী জ'র্জৰ তত্ত্বটোক সমালোচনা কৰিছিল।



১১.৭ অধিক জানিবলৈ

১) Coker, Francis William. *Readings in Political Philosophy*. Nabu Press.

২) Nelson, Brain R. (2006). *Western Political Though* (Second Edition). New Delhi : Pearson Education.

৩) Sabine G.H. (1973). *History of Political Thought*. New Delhi : Oxford and IBH.

৪) Sharma, S.K. and Sharma Urmila. (2003). *Western Political Thought-From Plato to Burke*. Atlantic.



১১.৮ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ফেবিয়ানবাদ হ'ল ইংলিচ সমাজবাদ। মার্ক্সবাদ, সংশোধনবাদ আৰু ইউটোপিয়ান সমাজবাদে পেলোৱা প্ৰভাৱৰ প্ৰতিক্ৰিয়া হিচাপে অষ্টদশ আৰু ঊনবিংশ শতিকাত ইংলেণ্ডত ফেবিয়ানবাদৰ উত্থান ঘটিছিল। ইংলেণ্ডত সেই সময়ত অগ্ৰণী ভূমিকা লৈ থকা বুদ্ধিজীৱি মণ্ডলীয়ে এই ধাৰণাটোক এক সংগঠিত ৰূপ দিছিল। এই বুদ্ধিজীৱিসকলে পৃষ্ঠপোষকতা কৰা সমাজ আৰু অৰ্থনীতি বিষয়ক বিভিন্ন তত্ত্বত হেন্ৰী জ'র্জ, ডেভিড ৰিকার্ড' আৰু জ'ন ষ্টুৱার্ট মিলৰ ৰচনাৰাজিৰ সুস্পষ্ট প্ৰভাৱ পৰিলক্ষিত হয়। ফেবিয়ানবাদীসকল আছিল ব্যৱহাৰিক তাত্ত্বিক। তেওঁলোকৰ লক্ষ্য আছিল এখন সম-অধিকাৰবাদী(Egalitarian) শোষণবিহীন সমাজ প্ৰতিষ্ঠা কৰা। ফেবিয়ানবাদৰ চৰম লক্ষ্য আছিল গণতান্ত্ৰিক সমাজবাদৰ ধাৰণাটোক বাস্তৱ ৰূপ দিয়া। এই মতবাদৰ সমৰ্থকসকলে সদায় শান্তিপূৰ্ণ আৰু গণতান্ত্ৰিক উপায়েৰে নিজ লক্ষ্যত উপনীত হোৱাৰ চেষ্টা কৰিছিল। তেওঁলোকে বৈপ্লৱিক উপায়ৰ পৰিৱৰ্তে ক্ৰমিক তথা সংশোধনবাদী উপায় গ্ৰহণ কৰি সমাজবাদ প্ৰতিষ্ঠা কৰাত জোৰ দিছিল।

২ নং প্ৰশ্নৰ উত্তৰ ঃ জ'র্জ বার্নার্ড শ্ব।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ক) ফেবিয়ানবাদৰ মতে মাটিৰ মালিকীস্বত্ব হ'ল মাটি আৰু ঔদ্যোগিক সমাজতকৈ অধিক গুৰুত্বপূৰ্ণ বিষয়।

খ) পুঁজিবাদৰ যিকোনো ৰূপকেই সম্পূৰ্ণভাৱে নির্মূল কৰা উচিত।

৪ নং প্রশ্নৰ উত্তৰ ঃ ক) *Progress and Poverty : An Inquiry into the Cause of Industrial Depressions and of Increase of Want with Increase of Wealth : The Remedy.*

খ)*The Irish Land Question- what it involves and how alone it can be settled.*

৫ নং প্রশ্নৰ উত্তৰ ঃ ক) জ'র্জৰ মতে মাটিৰ অৱস্থান আৰু মাটিত চলা সামূহিক অর্থনৈতিক কার্যকলাপৰ দৰে প্রাকৃতিক বৈশিষ্ট্যবোৰে মাটিৰ প্রকৃত মূল্য নিৰূপণ কৰে। মাটিৰ পৰা ৰাজহ সংগ্রহ কৰাৰ সর্বোত্তম উপায়টো হ'ল মাটিৰ অর্থনৈতিক ভাৰা নিৰূপণ কৰা। কোনো এটা সম্প্রদায়ৰ বাবে মাঠি এডোখৰৰ মূল্য কিমান সেয়া নির্দ্ধাৰণ কৰি যদি সেই মাটিডোখৰৰ ভাৰা সংগ্রহ কৰা হয়, তেন্তে মাটিৰ এক উমৈহতীয়া মালিকীস্বত্ত্বৰ সৃষ্টি হ'ব।

খ) মাটি আৰু ভূমিখণ্ড এডোখৰত থকা অন্য প্রাকৃতিক সম্পদবোৰ মানৰিক শ্রম অথবা মূলধন ব্যৱহাৰ কৰি সৃষ্টি কৰা নহয়। সেয়েহে মাটি সমগ্র সম্প্রদায় এটাৰ উমৈহতীয়া সম্পত্তি হোৱা উচিত। এবিধ প্রকৃতিক সম্পদৰ ওপৰত সমাজৰ মাত্র এমুঠিমান মানুহক একাধিপত্য বিস্তাৰ কৰাৰ সুযোগ দিয়া উচিত নহয়। আকৌ, মানৰিক শ্রমৰ প্রয়োগ আৰু মূলধনৰ বিনিয়োগ ঘটা মাটিত যি মূল্যই আৰোপ কৰা নহওক কিয় (যেনে- ঘৰ অথবা আন কোনো ধৰণৰ আন্তঃগাঁথনি নির্মাণ), তাত কৰ আৰোপ কৰা অনুচিত। এনে পৰিস্থিতিত কেৱল মাটিত কৰ আৰোপ কৰা উচিত আৰু কৰৰ পৰা সংগ্রহ কৰা আয় সকলোকে সমানে ভগাই দিয়া উচিত।

৬ নং প্রশ্নৰ উত্তৰ ঃ হেন্ৰী জ'র্জৰ মতে প্রগতিৰ নিয়ম মানে হ'ল 'সমতাত গঢ় লৈ উঠা সংগঠন'। সংগঠিত মানৰ গোটৰ সদস্যসকলৰ মানসিক শক্তি উন্নততৰ হোৱাৰ প্রয়াস কৰিব পৰাকৈ মুক্ত। সমতাই এই শক্তিক অনর্থক সংঘর্ষত বৃথা হৈ পৰিবলৈ নিদিয়ে। ক্ষমতা আৰু সম্পদৰ অসমতাপূর্ণ বিতৰণে প্রগতিৰ পথ ৰুদ্ধ কৰে। এনে পৰিস্থিতিত সর্বহাৰা শ্রেণীটোৱে নিজৰ মানসিক শক্তি কেৱল জীৱন বর্তাই ৰখাৰ কামত নিয়োগ কৰিবলৈ বাধ্য হয়। আনহাতে ধনাঢ্য শ্রেণীটোৱে অসমতাৰ ব্যৱস্থাটো অধিক ঘনীভূত তথা দীর্ঘদিনীয়া কৰিবলৈ নিজৰ প্রয়োগ কৰে। এইটো কাৰণতে প্রগতিৰ নিয়ম (সমতাত গঢ় লৈ উঠা সংগঠন)এ সভ্যতাৰ উত্থান-পতন ঘটায়।

৭ নং প্রশ্নৰ উত্তৰ ঃ হেন্ৰী জ'র্জে।

৮ নং প্রশ্নৰ উত্তৰ ঃ (ক)একক কৰ ব্যৱস্থাই সাম্যবাদক পশ্চাদমুখী কৰাৰ এখন মঞ্চ হিচাপে কাম কৰিব।

(খ) বৃটিছ জীৱবিজ্ঞানবিদ হাক্স্লীয়ে ১৮৯০ চনত প্রকাশিত তেওঁৰ ৰচনা *Capital- The Mother of Labour* ত শক্তি বিজ্ঞানৰ সহায় লৈ এই দাবী কৰিছিল যে শ্রম শক্তি বিজ্ঞানৰ দৃষ্টিৰে অ-উৎপাদনশীল।



১১.৯ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ ফেবিয়ানবাদৰ অৰ্থ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ হেন্ৰী জ'র্জৰ বিতৰণ তত্ত্বটোৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ হেন্ৰী জ'র্জৰ একক কৰ বিষয়ক তত্ত্বটো বহলাই আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ হেন্ৰী জ'র্জে কোৱা মানৱ প্ৰগতিৰ নিয়মসমূহ ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ১২ঃ নৈৰাজ্যবাদ- জোচেফ প্ৰাউডহ'ন আৰু পিটাৰ ক্ৰোপোট্‌কিন

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য

১২.২ পৰিচয়

১২.৩ অৰ্থ আৰু সংজ্ঞা

১২.৪ নৈৰাজ্যবাদৰ বৈশিষ্ট্য- অৰাজকতাবাদী সমাজৰ বৈশিষ্ট্য

১২.৪.১ অৰাজকতাবাদৰ বৈশিষ্ট্য

১২.৪.২ অৰাজকতাবাদী সমাজৰ বৈশিষ্ট্য

১২.৫ জোচেফ প্ৰাউডহ'ন আৰু পিটাৰ ক্ৰোপোট্‌কিন

১২.৬ অৰাজকতাবাদৰ সমালোচনা

১২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১২.৮ অধিক জানিবলৈ

১২.৯ অগ্ৰগতিৰ খতিয়ান

১২.১০ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অৰাজকতাবাদৰ অৰ্থ ব্যাখ্যা কৰিব পাৰিব
- অৰাজকতাবাদৰ বৈশিষ্ট্যসমূহ আলোচনা কৰিব পাৰিব
- অৰাজকতাবাদী সমাজৰ বৈশিষ্ট্যসমূহ আলোচনা কৰিব পাৰিব
- অৰাজকতাবাদ সম্পৰ্কে জোচেফ প্ৰাউডহ'ন আৰু পিটাৰ ক্ৰোপোট্‌কিনে আগবঢ়োৱা মত ব্যাখ্যা কৰিব পাৰিব
- অৰাজকতাবাদৰ এক সমালোচনাত্মক আকলন উপস্থাপন কৰিব পাৰিব।

১২.২ পৰিচয়

এই অধ্যায়টিত আলোচনাৰ বাবে লোৱা বিষয়টো হ'ল অৰাজকতাবাদৰ তত্ত্ব (Theory of Anarchism)। অৰাজকতাবাদৰ দৰ্শনে ৰাষ্ট্ৰ কৰ্তৃত্বৰ বিৰোধিতা কৰে। ই বিশ্বাস কৰে যে এখন সমতাপূৰ্ণ আৰু মুক্ত সমাজ প্ৰতিষ্ঠা কৰিবলৈ সমাজে ৰাষ্ট্ৰৰ কৰ্তৃত্ব নোহোৱাকৈয়ে নিজকে সংগঠিত কৰিব লাগিব। অৰাজকতাবাদীসকলৰ মতে ৰাষ্ট্ৰ অন্তৰ্ভুক্ত হ'বনে নহ'ব সেই সিদ্ধান্ত ব্যক্তিক নিজে ল'বলৈ দিয়া উচিত। ব্যক্তিৰ সন্মতি অবিহনে কোৱো সংগঠন নাইবা কৰ্তৃপক্ষৰে ব্যক্তিক শাসন কৰাৰ অধিকাৰ নাই।

১২.৩ অর্থ আৰু সংজ্ঞা

অৰাজকতাবাদ বুজোৱা ইংৰাজী শব্দ Anarchismৰ মূল হ'ল গ্ৰীক শব্দ anarkhia । ইয়াৰ অর্থ হ'ল কোনো নীতি-নিয়ম নথকা (no rule)। অৰাজকতাবাদ এটা ৰাজনৈতিক দর্শন। ই বাধ্যতামূলক চৰকাৰ অথবা বাধ্যতামূলক নীতি-নিয়মেৰে ভৰা শাসন প্ৰত্যাখ্যান আৰু এনে ব্যৱস্থা নির্মূলকৰণক সমর্থন কৰে। ই বিশ্বাস কৰে যে বল প্ৰয়োগকাৰী ৰাষ্ট্ৰব্যৱস্থা এটা নথকাকৈয়ে সমাজে নিজে সংগঠিত হ'ব পাৰে অথবা সংগঠিত হোৱা উচিত।

অৰাজকতাবাদীসকলে বিশ্বাস কৰে যে চৰকাৰ অপকাৰী আৰু অনাৱশ্যক। এই মতবাদৰ সমর্থকসকলে তাৎক্ষণিকভাৱে সকলো প্ৰকাৰৰ ৰাষ্ট্ৰীয় কর্তৃত্ব সম্পূর্ণ বিলোপ হোৱাতো বিচাৰে। অৰাজকতাবাদীসকলৰ মতে যেতিয়ালৈকে ৰাষ্ট্ৰ নামৰ অনুষ্ঠানটো আৰু ব্যক্তিগত সম্পত্তিৰ অস্তিত্ব থাকিব তেতিয়ালৈকে সমাজত শোষণ চলি থাকিব।

তলত কেইগৰাকীমান তাত্ত্বিকে আগবঢ়োৱা অৰাজকতাবাদৰ গুৰুত্বপূর্ণ সংজ্ঞা দুটামান তুলি দিয়া হ'ল-

- ক'কাৰৰ মতে, " অৰাজকতাবাদ হ'ল যিকোনো ৰূপত থকা সকলো ধৰণৰ ৰাজনৈতিক কর্তৃত্বক অনাৱশ্যকীয় আৰু অনাকাংক্ষিত বুলি গণ্য কৰা তত্ত্ব। অৰাজকতাবাদৰ শেহতীয়া সংজ্ঞাই ৰাষ্ট্ৰৰ অস্তিত্বক তাত্ত্বিকভাৱে বিৰোধিতা কৰাৰ লগতে ব্যক্তিগত সম্পত্তিৰ ধাৰণাটোৰো বিৰোধিতা কৰে। ই সংগঠিত ধর্মীয় কর্তৃপক্ষৰ অস্তিত্বৰো তীব্ৰ বিৰোধিতা কৰে।"
- ক্ৰোপোট্‌কিনে আগবঢ়োৱা অৰাজকতাবাদৰ সংজ্ঞা অনুসৰি ই হ'ল " জীৱন আৰু আচৰণৰ তত্ত্ব পৰিচালনাকাৰী মূল নীতি যিবোৰৰ অধীনত চৰকাৰ নথকাকৈয়ে সমাজ এখন গঢ় লৈ উঠে। এনে সমাজত কোনো আইনৰ আগত মূৰ নত কৰা অথবা কোনো কর্তৃপক্ষৰ প্ৰতি আনুগত্য প্ৰদর্শন কৰাৰ জৰিয়তে সমন্বয় স্থাপিত নহয়। বিভিন্ন স্থানীয় আৰু বৃত্তিজীৰি গোটৰ মাজত হোৱা মুকলি যুক্তি-তর্কৰ অন্তত এই সমন্বয় গঢ় লৈ উঠে। উৎপাদন আৰু উপভোগৰ লগতে সুসভ্য সত্বাৰ অসীম প্ৰকাৰৰ প্ৰয়োজনীয়তা তথা প্ৰত্যাশা পূৰণৰ স্বার্থত এই সমন্বয় মুক্তভাৱে স্থাপন কৰা হয়।"
- ৰাছেলৰ ভাষাত, "সকলো প্ৰকাৰৰ বল প্ৰয়োগকাৰী চৰকাৰৰ বিৰোধিতা কৰা তত্ত্বটোৱেই হ'ল অৰাজকতাবাদ। অৰাজকতাবাদীসকলৰ চৰম লক্ষ্য হ'ৱ স্বতন্ত্ৰতা অক্ষুণ্ণ ৰখা। সম্প্ৰদায়ৰ দ্বাৰা ব্যক্তিৰ ওপৰত চলা সকলো প্ৰকাৰৰ বল প্ৰয়োগকাৰী নিয়ন্ত্ৰণ নাইকিয়া কৰাৰ পোনপটীয়া পথ অনুসৰণ কৰি এই স্বতন্ত্ৰতা বর্তাই ৰাখিব খোজা হয়।" অৰাজকতাবাদে সকলো আৰু যিকোনো ৰূপতে ৰাজনৈতিক কর্তৃত্বৰ বিৰোধিতা কৰে। অৰাজকতাবাদে ৰাজনৈতিক, সামাজিক, ধর্মীয় আৰু অর্থনৈতিক সকলো ধৰণৰ কর্তৃত্বৰ বিৰোধিতা কৰে। ইয়াৰ উদ্দেশ্য হ'ল মানুহক ৰাষ্ট্ৰৰ সন্ত্ৰাসৰ পৰা ৰক্ষা কৰা, পুঁজিপতিৰ অত্যাচাৰৰ পৰা অর্থনৈতিকভাৱে উদ্ধাৰ কৰা আৰু ধর্মযাজকৰ শোষণৰ পৰা নৈতিকভাৱে নিৰাপদে ৰখা।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ অৰাজকতাবাদ বুলিলে কি বুজে ?

প্ৰশ্ন নং ৩ ঃ সংজ্ঞাৰ সহায়ত অৰাজকতাবাদৰ বিষয়ে বহলাই ব্যাখ্যা কৰক।

১২.৪ অৰাজকতাবাদৰ বৈশিষ্ট্য- অৰাজকতাবাদী সমাজৰ বৈশিষ্ট্য

১২.৪.১ অৰাজকতাবাদৰ বৈশিষ্ট্য

অৰাজকতাবাদৰ বৈশিষ্ট্যসমূহ তলত আলোচনা কৰা হ'ল।

ক) **অৰাজকতাবাদে ৰাষ্ট্ৰক গৰিহণা দিয়ে ঃ** অৰাজকতাবাদীসকলৰ মতে বৰ্তমানৰ সমাজখন শ্ৰেণীগত আৰু শ্ৰেণী বিভাজিত সমাজ। এই সমাজত সম্পদশালী আৰু সৰ্বহাৰা শ্ৰেণী দুটাৰ মাজত অনবৰতে সংঘৰ্ষ চলি থাকে। ৰাষ্ট্ৰক সদায় সম্পদশালী শ্ৰেণীটোৰ পক্ষ লোৱা দেখা যায়। এই শ্ৰেণীটোৰ দৰিদ্ৰ শ্ৰেণীটোক দমন কৰাৰ সামৰ্থ থাকে। অৰাজকতাবাদীসকলে ৰাষ্ট্ৰৰ কেইটামান অপকাৰী লক্ষণ চিনাক্ত কৰিছে। লক্ষণবোৰ হ'ল-

- ৰাষ্ট্ৰই ব্যক্তিৰ স্বাধীনতা মানি ল'বলৈ অস্বীকাৰ কৰে ঃ ৰাষ্ট্ৰৰ আধাৰ হ'ল শক্তি প্ৰয়োগ। ব্যক্তিক সুৰক্ষা প্ৰদান কৰিব বুলি ৰাষ্ট্ৰই দিয়া নিশ্চিতি পালনতো সিমান উন্নত ফলাফল দেখা পোৱা নাযায়। ই বিভিন্ন দিশত ব্যক্তিৰ স্বাধীনতা মানি ল'বলৈ অস্বীকাৰ কৰে।
- ৰাষ্ট্ৰ এটা অতিৰিক্ত (Superflous) অনুষ্ঠান ঃ ব্যক্তিৰ স্বাধীনতা খৰ্ব কৰিব পাৰে বাবে অৰাজকতাবাদীসকলে ৰাষ্ট্ৰক এটা অতিৰিক্ত অনুষ্ঠান বুলি গণ্য কৰে। এই মতবাদৰ সমৰ্থকসকলৰ মতে যদি ৰাষ্ট্ৰ অস্তিত্ব বিলোপ কৰা হয় তেন্তে সমাজ আৰু সম্প্ৰদায়ৰ কোনো ক্ষতি নহয়। ৰাষ্ট্ৰৰ কৰ্তৃত্ব এক অনাৱশ্যক বিষয়।
- ৰাষ্ট্ৰৰ কৰ্তৃত্ব বিলোপ কৰা উচিত ঃ অৰাজকতাবাদৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য হ'ল ই ৰাষ্ট্ৰৰ কৰ্তৃত্ব বিলোপ কৰাৰ পক্ষপাতী। তেওঁলোকে এই ধাৰণাটো সমাজবাদী আৰু ব্যক্তিবাদীসকলৰ পৰা গ্ৰহণ কৰিছে। ব্যক্তিবাদীসকলৰ পৰা তেওঁলোকে গ্ৰহণ কৰা আন এটা ধাৰণা হ'ল ব্যক্তিগত উদ্যম (individual initiative)। আনহাতে, সমাজবাদীসকলৰ পৰা তেওঁলোকে ব্যক্তিগত সম্পত্তিৰ ধাৰণাটোক সমাজৰ বাবে ক্ষতিকাৰক বুলি গণ্য কৰিবলৈ শিকিছিল। অৰাজকতাবাদীসকলৰ মতেও এই ক্ষতিকাৰক ব্যৱস্থাটোৱেই হ'ল ধনীয়ে দুখীয়াক শোষণ কৰাৰ সুযোগ পোৱাৰ প্ৰধান কাৰণ।

অৰাজকতাবাদীসকলৰ মতে ৰাষ্ট্ৰৰ অন্তৰ্ভুক্ত হোৱা অথবা নোহোৱাৰ সিদ্ধান্ত ব্যক্তিক নিজাকৈ ল'বলৈ দিয়া উচিত। ব্যক্তিৰ সম্মতি নথকাকৈ কোনো সংগঠনৰে ব্যক্তিক শাসন কৰাৰ কোনো অধিকাৰ নাইবা কৰ্তৃত্ব নাই।

খ) **অৰাজকতাবাদে ৰাষ্ট্ৰৰ বলপূৰ্বক বিলুপ্তিকৰণৰ পোষকতা কৰে ঃ** যুগ যুগ ধৰি সমাজত ৰাষ্ট্ৰৰ অস্তিত্ব আছে আৰু সমাজৰ সুবিধাভোগী শ্ৰেণীটোৱে সদায় ইয়াক সুৰক্ষা প্ৰদান কৰি আহিছে। অৰাজকতাবাদীসকলৰ মতে এইটো কাৰণতে কেতিয়াও শান্তিপূৰ্ণ উপায়েৰে ৰাষ্ট্ৰৰ অস্তিত্ব নাইকিয়া কৰিব পৰা নাযাব। ইয়াক বিলুপ্ত কৰিবলৈ হিংসাত্মক পদ্ধতি অথবা বল প্ৰয়োগ কৰিবই লাগিব। অৰাজকতাবাদৰ বিভিন্ন প্ৰকাৰ আছে। এনে এটা প্ৰকাৰ হ'ল বৈপ্লৱিক অৰাজকতাবাদ। ইয়াৰ সমৰ্থকসকলৰ লক্ষ্য হ'ল ৰাষ্ট্ৰক সম্পূৰ্ণৰূপে ধ্বংস কৰা। অৰাজকতাবাদৰ আন এটা প্ৰকাৰ হ'ল দাৰ্শনিক অৰাজকতাবাদ। ইয়াৰ সমৰ্থকসকলে বিশ্বাস কৰে যে ৰাষ্ট্ৰক পৰ্যায়ক্ৰমে দুৰ্বল কৰি লৈ অৱশেষত শান্তিপূৰ্ণ উপায়েৰে বিলোপ সাধন কৰিব লাগে। দাৰ্শনিক অৰাজকতাবাদীসকলক বিৱৰ্তনবাদী আৰু বৈপ্লৱিক অৰাজকতাবাদীসকলক মতান্ধবাদী তথা উগ্ৰবাদী বুলি গণ্য কৰা হয়।

গ) **অৰাজকতাবাদে ৰাষ্ট্ৰৰ কৰ্তৃত্বৰ বিকল্প বিচাৰে ঃ** জীৱনৰ বিভিন্ন দিশ পৰিচালনা কৰিবলৈ অৰাজকতাবাদীসকলে ৰাষ্ট্ৰৰ কৰ্তৃত্বৰ বিকল্প হিচাপে মুক্ত সমাজ তথা সংগঠন গঢ়ি তোলাৰ পোষকতা কৰে। ব্যক্তিয়ে স্ব-ইচ্ছাই এই সংগঠন অথবা সমাজবোৰত যোগদান কৰিব আৰু যিকোনো মুহূৰ্ততে এইবোৰৰ সদস্যপদ ত্যাগ কৰাৰ চৰম স্বাধীনতাৰ গৰাকী হৈ ৰ'ব। কাৰণ, এনে সমাজ অথবা সংগঠনবোৰত কোনো বাধ্যবাধকতা আৰোপকাৰী কৰ্তৃপক্ষ নাথাকে আৰু বলপূৰ্বক ব্যক্তিৰ আনুগত্য আহৰণ কৰা নহয়।

ঘ) **অৰাজকতাবাদে প্ৰতিনিধিত্বমূলক ব্যৱস্থাবোৰৰ বিৰোধিতা কৰে ঃ** নিৰ্বাচন ব্যৱস্থাৰ প্ৰচলন থকা সমাজত বৃহত্তৰ জনগণৰ প্ৰতিনিধি থাকে। মানুহে এই প্ৰতিনিধিসকলক তেওঁলোকৰ কণ্ঠ হিচাপে নিৰ্বচিত কৰে। এই প্ৰতিনিধিসকল ৰাষ্ট্ৰ পৰিচালনাকাৰী কৰ্তৃপক্ষত পৰিণত হয়।

অৰাজকতাবাদে প্ৰতিনিধিত্বমূলক ব্যৱস্থাবোৰৰ বিৰোধিতা কৰে। অৰাজকতাবাদীসকলৰ মতে ই এটা ত্ৰুটিপূৰ্ণ ব্যৱস্থা। কাৰণ, কোনো ব্যক্তিয়ে আন এগৰাকী ব্যক্তিৰ প্ৰতিনিধিত্ব কৰিব নোৱাৰে। প্ৰতিনিধিসকলে যি কৰে তাকেই শুদ্ধ বুলি মানি লোৱা আৰু প্ৰতিনিধিসকলেলোৱা সিদ্ধান্তক ভোট দিয়াসকলৰ ইচ্ছাৰ প্ৰকাশ বুলি উপস্থাপন কৰাতো ভ্ৰান্তিহে মাথোন।

ঙ) **অৰাজকতাবাদে ধৰ্মৰ বিৰোধিতা কৰে ঃ** অৰাজকতাবাদীসকলৰ মতে সমাজৰ প্ৰগতিৰ এক প্ৰধান অন্তৰায় হ'ল ধৰ্ম। ক্ৰোপোট্‌কিনে ধৰ্মৰ তীব্ৰ বিৰোধিতা

কৰিছিল আৰু বিশ্বাস কৰিছিল যে ধৰ্মই অশুভ অনুষ্ঠান কিছুমান গঢ় লৈ উঠাত পৃষ্ঠপোষকতা কৰে। অৰাজকতাবাদীসকলে ধৰ্মই মানুহক নিচাসক্ত কৰি তোলে বুলি গণ্য কৰে আৰু ইয়াক বিলুপ্ত কৰাৰ সপক্ষে যুক্তি দৰ্শায়। ধৰ্মই মানুহক জীৱনৰ সংঘৰ্ষৰ পৰা পলায়ন কৰিবলৈ অনাৱশ্যক তথা অনাকাংক্ষিত পথ দেখুৱায়। ধৰ্মই মানুহৰ মনত অইনক অন্ধভাৱে অনুসৰণ কৰাৰ প্ৰৱণতা গঢ়ে। ই ধনী শ্ৰেণীটোক দুখীয়াসকলক শোষণ কৰাৰ সুযোগ দিয়ে। ধৰ্মই সন্তুষ্টিৰ দৰ্শন প্ৰচাৰ কৰি দুখীয়াসকলক ধনী শ্ৰেণীটোৰ সৈতে সংঘৰ্ষত লিপ্ত হোৱাৰ পৰা বিৰত ৰাখে।

চ) **অৰাজকতাবাদে ব্যক্তিগত সম্পত্তিৰ বিৰোধিতা কৰে ঃ** অৰাজকতাবাদীসকলৰ মতে ব্যক্তিগত সম্পত্তিৰ অনুষ্ঠানটো বিভিন্ন অশুভ সামাজিক কাৰ্যকলাপৰ মূল। এই শক্তিশালী অস্ত্ৰপাতেৰে পুঁজিপতিসকলে শ্ৰমিক শ্ৰেণীটোক নিয়ন্ত্ৰণ কৰে। ব্যক্তিগত সম্পত্তিয়ে পুঁজিপতিসকলৰ সৰ্বাধিক লাভ আহৰণৰ আত্মকেন্দ্ৰিক স্বাৰ্থ পূৰণ কৰে। অধিকৰ পৰা অধিকতৰ লাভ আহৰণৰ স্বাৰ্থত সমাজৰ প্ৰয়োজনীয়তাবোৰক আওকাণ কৰা হয়। সমাজৰ মাত্ৰ এমুঠিমান মানুহেহে উৎপাদনৰ উপায়বোৰৰ সুবিধা গ্ৰহণ কৰিব পাৰে। অৰাজকতাবাদীসকলে ব্যক্তিগত সম্পত্তিক এমুঠিমান মানুহে বহুতো লোকক কৰা শোষণৰ পথ সুচল কৰি দিয়া এটা অভিকৰণ বুলি গণ্য কৰে। তেওঁলোকে ইয়াক উমৈহতীয়া কল্যাণ সাধনৰ স্বাৰ্থত নিৰ্মূল কৰাৰ পোষকতা কৰে।

১২.৪.২ অৰাজকতাবাদী সমাজৰ বৈশিষ্ট্য

এখন অৰাজকতাবাদী সমাজত তলত উল্লেখ কৰা বৈশিষ্ট্যবোৰ থাকিব পাৰে-

ক) **ৰাষ্ট্ৰবিহীন সমাজ ঃ** অৰাজকতাবাদীসকলৰ মতে ৰাষ্ট্ৰবিহীন সমাজ এখনেই হ'ল শ্ৰেষ্ঠ সমাজ। এনে এখন সমাজত উৎপাদনৰ উপায় আৰু বিতৰণ ব্যৱস্থাবোৰ মাত্ৰ কেইগৰাকীমান ব্যক্তিৰ হ্যতত নাথাকে। এইবোৰ সামূহিকভাৱে নিয়ন্ত্ৰণ কৰা হয়। এইবোৰ সকলোৰে কল্যাণৰ কামত লগোৱা হয় আৰু ইয়াৰ পৰা মাত্ৰ এমুঠিমান মানুহক উপকৃত হ'বলৈ দিয়া নহয়। এনে সমাজত দিন হাজিৰা কৰোতা আৰু নিয়োগকৰ্তাৰ দৰে শ্ৰেণীবোৰ নাথাকে। ফলত সমাজত কোনো ধৰণৰ শ্ৰেণী সংঘৰ্ষৰ উদ্ভৱ নহয়।

খ) **কোনো বল প্ৰয়োগকাৰী কৰ্তৃপক্ষ নাথাকে ঃ** এখন অৰাজকতাবাদী সমাজত কোনো ধৰণৰ বল প্ৰয়োগকাৰী কৰ্তৃপক্ষ নাথাকে। সংখ্যাগৰিষ্ঠ সদস্য, অৰ্থাৎ উপভোক্তাসকল উৎপাদকৰ দ্বাৰা সৃষ্ট সকলো ধৰণৰ মেৰপেঁচৰ পৰা মুক্ত। এনে সমাজত কোনো ধৰ্মীয় ৰহস্যবাদী কৰ্তৃপক্ষ নাথাকে। এনে সমাজৰ মুক্ত বাতাবৰণে ব্যক্তিক নিজৰ সম্ভাৱনীয়তাবোৰ বিকশাই তোলাৰ সৰ্বাধিক স্বতন্ত্ৰতা

প্ৰদান কৰে। এনে সমাজত কোনো বাধ্যবাধকতা আৰু আদেশ-নিৰ্দেশ প্ৰদানৰ ব্যৱস্থা নাই। অৰাজকতাবাদী সমাজত প্ৰত্যেকেই নিজৰ মতে কাম কৰি যোৱাৰ সুযোগ পায়।

গ) **পাৰস্পৰিক আস্থা আৰু সহযোগিতা ঃ** অৰাজকতাবাদী সমাজত পাৰস্পৰিক আস্থা আৰু সহযোগিতাৰ পৰিবেশ থাকে। এনে সমাজত থকা বেংকিং সংগঠনবোৰে উৎপাদন বৃদ্ধি কৰিবলৈ ঋণ আগবঢ়ায়। এনে সমাজৰ প্ৰায় প্ৰতিগৰাকী সদস্যই আৰ্থিকভাৱে স্বচ্ছল। উৎপাদনৰ সকলোবোৰ উপায় সামাজিক কল্যাণ আৰু প্ৰগতিৰ বাবে ব্যৱহাৰ কৰা হয়।

ঘ) **মধ্যস্থতাকাৰীৰ সহায়ত বিবাদ নিষ্পত্তিৰ সুযোগ ঃ** এখন অৰাজকতাবাদী সমাজত কোনো ন্যায়ালয় অথবা আদালত ব্যৱস্থা নাথাকে। সকলো বিবাদ আদালতবিহীনভাৱে নিষ্পত্তি কৰা হয়। ইয়াৰ বাবে মধ্যস্থতাকাৰীৰ সহায় লোৱা হয়।

ঙ) **মানৱ শক্তিৰ ব্যৱহাৰ ঃ** এখন অৰাজকতাবাদী সমাজত মানৱ শক্তিৰ সৰ্বাধিক প্ৰয়োগ ঘটাৰ সম্ভাৱনা থাকে। এনে সমাজত প্ৰতিটো ব্যৱসায় তথা উদ্যোগ পৰিচালনা কৰাৰ নিজা প্ৰশাসনিক আৰু নিয়োগ পদ্ধতি থাকে। অৱশ্যে এই পদ্ধতিবোৰক সামগ্ৰিক সামাজিক শৃংখলাটোক কোনো ধৰণে ব্যাহত কৰিবলৈ দিয়া নহয়।

চ) **সকলোৰে বাবে সমতা ঃ** এখন অৰাজকতাবাদী সমাজত ৰাষ্ট্ৰৰ স্থান লোৱা সংগঠনবোৰে সকলো কাম কৰে। এনে সমাজত কোনো বিশেষ সুবিধা ভোগ কৰাৰ সুযোগ পোৱা শ্ৰেণী নাথাকে। এনে সমাজত সকলো সমান আৰু সামাজিক প্ৰণালীটো সহযোগিতাৰ ভিত্তিত ক্ৰিয়াশীল হৈ থাকে।

ছ) **সংগ্ৰামৰ পদ্ধতি ঃ** অৰাজকতাবাদীসকলে অৱশ্যে প্ৰচলিত ৰাজনৈতিক ব্যৱস্থাটোৰ বিৰুদ্ধে কেনেকৈ যুঁজিব সেই সম্পৰ্কে একো স্পষ্ট অথবা সৰ্বসন্মত ধাৰণা আগবঢ়াব পৰা নাই। এই মতবাদৰ সমৰ্থকসকলে তলত উল্লেখ কৰা পদ্ধতি দুটা গ্ৰহণ কৰাৰ প্ৰৱণতা দেখুৱায়।

- ক্ৰমবিৱৰ্তনবাদী পদ্ধতি ঃ টলষ্টয়ৰ নেতৃত্ব মানি চলা এদল সমৰ্থকে বিশ্বাস কৰিছিল যে প্ৰত্যয় জন্মোৱা আৰু উপযুক্ত ধৰণৰ শিক্ষাৰ প্ৰসাৰ আদিৰ দৰে পদ্ধতিয়ে এসময়ত মানুহক নিজ নিজ ধৰণে ৰাষ্ট্ৰক গৰিহণা দিব পৰা কৰি তুলিব।
- বল প্ৰয়োগ ঃ প্ৰাউডহ'ন আৰু ক্ৰোপোট্‌কিনে বল প্ৰয়োগত বিশ্বাস কৰিছিল। তেওঁলোকৰ মতে যিকোনো প্ৰকাৰে অজ্ঞতা আঁতৰ কৰাতো আৱশ্যক। বল প্ৰয়োগ এই প্ৰকাৰবোৰৰ এটা। অৱশ্যে তেওঁলোকে বিপ্লৱক সাধাৰণতে এৰাই চলাৰ পক্ষপাতী আছিল। তেওঁলোক বিপ্লৱে সৃষ্টি কৰিব

পৰা বিশৃংখলতা সম্পৰ্কে সজাগ আছিল। তেওঁলোকে ভয় কৰিছিল যে বিপ্লৱৰ পৰা এনে কোনো নায়কৰ উত্থান ঘটিব পাৰে যিয়ে সমাজত নিজ ইচ্ছা জাপি দিয়াৰ চেষ্টা চলাব।

জ) **অৱস্থান্তৰবিহীন পৰ্যায় ঃ** অৰাজকতাবাদীসকলে বিশ্বাস কৰে যে সাম্প্ৰতিক ৰাষ্ট্ৰৰ পতন আৰু অৰাজকতাবাদী প্ৰকৃতিৰ সমাজ এখন চূড়ান্তভাৱে স্থাপন কৰাৰ মাজত কোনো অৱস্থান্তৰ পৰ্যায় নাথাকে। কৰ্মীসকলে নিজেই ৰাষ্ট্ৰৰ পতন নিশ্চিত কৰি নতুন সমাজ পৰিচালনাৰ দায়িত্ব ল'ব। ৰাষ্ট্ৰৰ কৰ্তৃত্ব নিজৰ হাতলৈ অনাৰ পাছত তেওঁলোকে ব্যক্তিগত সম্পত্তি আৰু পুঁজিবাদৰ দৰে অশুভ অনুষ্ঠানবোৰ অস্তিত্বহীন কৰি পেলাব। এইবোৰৰ স্থান ল'ব নতুন অনুষ্ঠান কিছুমান আৰু নতুন সমাজ এখনে। ইয়াত সকলোৱে স্বাধীনতা উপভোগ কৰিব পাৰিব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ অৰাজকতাবাদৰ যিকোনো দুটা বৈশিষ্ট্য উল্লেখ কৰক।

প্ৰশ্ন নং ৪ ঃ অৰাজকতাবাদীসকলে কিয় এখন ৰাষ্ট্ৰবিহীন সমাজত বিশ্বাস কৰে?

১২.৫ জোচেফ প্ৰাউডহ'ন আৰু পিটাৰ ক্ৰোপোট্‌কিন

ফ্ৰান্সৰ দাৰ্শনিক জোচেফ প্ৰাউডহ'ন (Joseph Proudhon)ক অৰাজকতাবাদৰ জনক আখ্যা দিয়া হয়। তেওঁ স্বতন্ত্ৰতা-স্বাধীনতাৰ সবাতোকৈ শক্তিশালী সমৰ্থক আছিল আৰু মানুহৰ দ্বাৰা গঠিত মানুহৰ চৰকাৰৰ গৰিহণা দিছিল। *'Philosophy of Poverty'* নামৰ গ্ৰন্থখনত প্ৰাউডহ'নে লিখিছিল, "মানুহৰ দ্বাৰা গঠিত মানুহৰ চৰকাৰ হ'ল সকলো ৰূপতে দমনৰ নামান্তৰ। শৃংখলা আৰু অৰাজকতাৰ মিলনৰ ফলত সৃষ্ট সমাজ এখনহে নিখুঁত সমাজৰ নিদৰ্শন।" কৰ্মজীৱি শ্ৰেণীটোক দমন কৰাৰ ৰাজনৈতিক পদ্ধতি হ'ল চৰকাৰ। ৰাষ্ট্ৰ যুক্তি, ন্যায় আৰু সমিলমিল বিৰোধী অনুষ্ঠান।

সকলোবোৰ ব্যক্তিগত মুলধন নাইকিয়া কৰিবলৈ প্ৰাউডহ'নে এটা ৰাইজৰ বেংক (Bank of the People) স্থাপন কৰাৰ পোষকতা কৰিছিল। তেওঁ সম্পত্তিক চুৰিকাৰ্য বুলি গৰিহণা দিছিল। সম্পত্তিত সকলোৰে সমান অধিকাৰ থকা কথাটোক তেওঁ সমৰ্থন কৰিছিল। প্ৰাউডহ'ন সাম্যবাদৰ বিৰোধী আছিল। তেওঁৰ মতে সাম্যবাদ হ'ল সকলোতে আৰু সকলো সময়তে ব্যক্তিগতকৰণৰ আন এক নাম।

অৰাজকতাবাদৰ ইতিহাসত প্ৰাউডহ'নৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। তেওঁৰ চিন্তা আৰু কৰ্মই অৰাজকতাবাদী ধাৰাত অবিস্মৰণীয় অৱদান আগবঢ়াই থৈ গৈছে। তেওঁ আনকি বিৰোধী পক্ষৰ বুদ্ধিজীৱিসকলৰ জীৱনকো গভীৰভাৱে প্ৰভাৱিত কৰিছিল। এইবাবেই মাৰ্ক্সবাদীসকলকে ধৰি আন বহুতো সাম্যবাদী অৰাজকতাবাদীয়ে প্ৰাউডহ'নৰ কৰ্মৰাজিৰ পৰা অনুপ্ৰেৰণা লৈছিল।

ৰাছিয়ান দাৰ্শনিক পিটাৰ ক্ৰোপোট্‌কিন (Peter Kropotkin) আছিল সকলো অৰাজকতাবাদীৰ ভিতৰত সবাতোকৈ সৰৱ প্ৰতিনিধি, অত্যন্ত আকৰ্ষণীয় ব্যক্তিত্বৰ গৰাকী আৰু অতি সক্ৰিয়। তেওঁ এগৰাকী সুলেখক আছিল। ক্ৰোপোট্‌কিনৰ কেইখনমান সুপ্ৰসিদ্ধ গ্ৰন্থ হ'ল *The Conquest of Bread, Anarchism : Its Philosophy and Ideal, The State : Its Part in History, Fields, Factories and Workshops* আৰু *Modern Science and Anarchism.*

ক্ৰোপোট্‌কিনে পৃষ্ঠপোষকতা কৰা বিষয়বোৰক বাস্তৱ ৰূপ দিবলৈ অৰাজকতাবাদৰ আদৰ্শৰ সহায় লৈছিল। অৰাজকতাবাদ প্ৰতিষ্ঠাৰ পথত বাধাৰ সৃষ্টি কৰিব পৰা ৰাষ্ট্ৰ, ঈশ্বৰ আৰু সম্পত্তিৰ দৰে সকলো অনুষ্ঠান ধ্বংস হোৱা উচিত বুলি তেওঁ মত পোষণ কৰিছিল। তেওঁ কৈছিল যে সমাজত কোনো ধৰণৰ কৰ্তৃত্ব থাকিব নালাগে আৰু সকলো প্ৰকাৰৰ কাম কেৱল স্বৈচ্ছিক সংগঠনৰ দ্বাৰা সম্পন্ন কৰা উচিত।

মানুহে নিজৰ ইচ্ছা আৰু ৰুচি অনুযায়ী পছন্দৰ গোটৰ সদস্য হোৱা উচিত। পাৰস্পৰিক বিবাদবোৰ মধ্যস্থতাকাৰী আদালতত নিষ্পত্তি কৰা উচিত। মানুহে নিজে এনে আদালত গঠন কৰা উচিত। প্ৰতিগৰাকী ব্যক্তিয়ে কৰিবলৈ মন যোৱা কামবোৰহে কৰাৰ সুযোগ পাব।

ক্ৰোপোট্‌কিনে ৰাষ্ট্ৰৰ ইতিহাস অধ্যয়ন কৰি ইয়াক গঠন কৰাৰ কোনো যুক্তিসংগত কাৰণ বিচাৰি পোৱা নাছিল। তেওঁ তথ্য সহকাৰে যুক্তি দৰ্শাইছিল যে মানৱ সমাজে কোনো ৰাজনৈতিক কৰ্তৃত্ব নথকাকৈয়ে শতিকাৰ পাছত শতিকা ধৰি শান্তিপূৰ্ণভাৱে জীৱন নিৰ্বাহ কৰিছিল। এনে বহু শতিকাৰ পাছতহে ৰাষ্ট্ৰৰ উৎপত্তি হৈছিল। ৰাষ্ট্ৰৰ আইন-কানুনবোৰ অতিৰিক্ত অথবা অপকাৰী আছিল। মানুহে সেইবোৰ ৰাষ্ট্ৰৰ ভয়তহে মানি চলিবলৈ শিকিছিল। মানুহে নিজে তেনে নীতি-নিয়ম সন্মতিসহ গ্ৰহণ কৰা নাছিল। ৰাষ্ট্ৰই অতীততো কোনো উপকাৰী উদ্দেশ্য সাধন কৰা নাছিল। ৰাষ্ট্ৰই কৰে বুলি ভবা অধিকাংশ কামেই স্ব-ইচ্ছাৰে গঢ় লৈ উঠা সংগঠনবোৰে অধিক উন্নতভাৱে তথা পাৰদৰ্শিতাৰে সম্পন্ন কৰিব পাৰে। ক্ৰোপোট্‌কিনে দৃঢ়তাৰে কৈছিল যে ৰাষ্ট্ৰই সদায়ে পুঁজিপতিসকলৰ পক্ষ লৈ কাম কৰে। সেয়েহে ইয়াৰ স্থান স্বৈচ্ছিকভাৱে গঢ় লৈ উঠা সংগঠন থকা সমাজ এখনে লোৱা উচিত।

ক্ৰোপোট্‌কিন ব্যক্তিগত সম্পত্তিৰ অনুষ্ঠানটোৰো বিৰোধী আছিল। তেওঁ ইয়াক সহযোগিতাৰ পৰম শত্ৰু বুলি গণ্য কৰিছিল। ক্ৰোপোট্‌কিনৰ মতে পৃথিৱীত উৎপাদিত সামগ্ৰীবোৰ হ'ল একাধিক ব্যক্তিৰ সন্মিলিত শ্ৰমৰ দ্বাৰা উৎপন্ন হোৱা সামগ্ৰী। সেয়েহে কোনেও কোনো বস্তুতে ব্যক্তিগত মালিকীস্বত্ত্বৰ অধিকাৰ বিচাৰিব নোৱাৰে।

ক্ৰোপোট্‌কিন ধৰ্ম আৰু গীৰ্জাঘৰ (উপাসনা গৃহ)ৰো বিৰোধী আছিল। তেওঁৰ মতে ধৰ্মই দুখীয়াৰ প্ৰতি অন্যায় কৰে। ই ধনীক নিজৰ সামাজিক স্থিতি আৰু মৰ্যাদা বৰ্তাই ৰখাত সহায় কৰে। ধৰ্মই সহায় ৰাজনৈতিক আৰু অৰ্থনৈতিক দমন-নিপীড়নৰ পক্ষ লৈ আহিছে। তেওঁ অৱশ্যে সামাজিক নৈতিকতাত বিশ্বাসী আছিল। সমাজ এখনত অৱচেতনভাৱে এই নৈতিকতাৰ উত্থান ঘটে। ইয়াৰ ফলতেই মানুহে পৰস্পৰৰ স্বাৰ্থ তথা আগ্ৰহক সন্মান কৰিবলৈ লয় আৰু

পৰস্পৰে পৰস্পৰৰ কথাক ভাৰসা কৰে। এই নৈতিকতা আনুষ্ঠানিক ধৰ্মীয় নীতি-নিয়মৰ বাহিৰত আৰু ই স্বতন্ত্ৰ। ধৰ্মৰ প্ৰভাৱ নাইকিয়া হোৱাৰ পাছতো সামাজিক নৈতিকতা অক্ষুণ্ণ হৈ ৰয়। ক্ৰোপোট্‌কিনে বিশ্বাস কৰিছিল যে অৰাজকতাবাদৰ লক্ষ্যত উপনীত হোৱা মানেই সামাজিক ক্ৰমবিৱৰ্তনে বাস্তৱ ৰূপ লোৱা। অৱশ্যে সম্পূৰ্ণ ক্ৰমিক আৰু শান্তিপূৰ্ণ প্ৰক্ৰিয়া এটাৰ মাজেৰে আগবাঢ়ি গৈ থাকিলেই এই লক্ষ্যত উপনীত হ'ব পৰা যাব বুলি তেওঁ ভবা নাছিল। এই ক্ৰমবিৱৰ্তনে এটা বৈপ্লৱিক ৰূপ পৰিগ্ৰহণ কৰিব লাগিব। প্ৰথম পৰ্যায়ৰ বিপ্লৱ ধ্বাংসাত্মক আৰু হিংসাত্মক হ'ব লাগিব। কিন্তু এই বিপ্লৱত অত্যধিক ৰক্তপাত হ'ব নোৱাৰিব। ইয়াৰ মৌলিক লক্ষ্য হ'ব ভয়-ভীতি প্ৰয়োগকাৰী কৰ্তৃত্ববোৰৰ হাতত থকা নিয়ন্ত্ৰণ ক্ষমতাবোৰ বলপূৰ্বক আঁতৰ কৰা। মানুহে ব্যক্তিগত সম্পত্তিৰ ধাৰণাটো নাইকিয়া কৰাৰ পাছত, খেতিয়কে মাটিৰ গৰাকীক বৰ্খাস্ত কৰাৰ পাছত, শ্ৰমিকে কাৰখানাৰ মালিকৰ পৰা কাৰখানা কাঢ়ি লোৱাৰ পাছত আৰু গৃহহীনসকলে উদ্বৃত্ত মাটিৰ গৰাকীসকলক খেদি তেনে মাটি নিজৰ হাতলৈ অনাৰ পাছত বিপ্লৱৰ প্ৰকৃতি বেলেগ হ'ব।

অৰাজকতাবাদে কোনো খাম-খেয়ালিপূৰ্ণ পৰিস্থিতি অথবা বিভ্ৰান্তিকৰ পৰিৱেশৰ কথা নুবুজায়। ই কেৱল ৰাষ্ট্ৰ আৰু ৰাষ্ট্ৰক বৰ্তি থকাত সহায় কৰা বিশেষ সামাজিক সম্পৰ্কবোৰৰ বিৰুদ্ধে যুদ্ধংদেহি মনোভাৱ গ্ৰহণ কৰাৰ কথা কয়।

"ক্ৰোপোট্‌কিনে পাকে-প্ৰকাৰে কেৱল মানুহৰ সামাজিক দায়বদ্ধতাবোধ, সামাজিক ভ্ৰাতৃত্ববোধ সম্পৰ্কে অনুভৱ আৰু শ্ৰম কৰাৰ প্ৰতি থকা আগ্ৰহত সৰ্বাধিক গুৰুত্ব দিছিল। সৃষ্টি কৰাৰ প্ৰৱণতা আৰু প্ৰতিগৰাকী ব্যক্তিৰে প্ৰয়োজনীয়তা পূৰাব পৰাকৈ পৰ্যাপ্ত পৰিমাণৰ পণ্যদ্ৰব্য উৎপাদন কৰাৰ হাবিয়াস দুয়োটাৰে বাবে শ্ৰমৰ প্ৰয়োজন।"



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ প্ৰাউডহ'লৰ বিষয়ে এটা চমুটোকা প্ৰস্তুত কৰক।

প্ৰশ্ন নং ৬ঃ ক্ৰোপোট্‌কিনৰ বিষয়ে এটা চমুটোকা প্ৰস্তুত কৰক।

১২.৬ অৰাজকতাবাদৰ সমালোচনা

তলৰ কথাবোৰৰ ভিত্তিত অৰাজকতাবাদৰ ধাৰণাটোক সমালোচনা কৰা হয়-

- **আধুনিক ৰাষ্ট্ৰত এই ধাৰণা অব্যৱহাৰিক ঃ** চৰকাৰৰ কৰ্তৃত্বৰ প্ৰয়োজন নথকা ৰাষ্ট্ৰ এখনৰ বিষয়ে আধুনিক পৃষ্ঠভূমিত কল্পনা কৰাতো অসম্ভৱ। এখন আধুনিক বিস্তৃত ৰাষ্ট্ৰত অৰাজকতাবাদ প্ৰতিষ্ঠাৰ বিষয়ে ভবাটোও ভুল হ'ব। নগৰ ৰাষ্ট্ৰ অথবা চালুকীয়া হৈ থকা ৰাষ্ট্ৰ এখনত কৰ্তৃত্ব নথকা চৰকাৰ এখনৰ কথা হয়তো কল্পনা কৰিব পৰা যায়। কাৰণ, এনে ৰাষ্ট্ৰত চৰকাৰী কৰ্তৃপক্ষই প্ৰাথমিকভাৱে কেৱল আৰক্ষীৰ দায়িত্ব পালন কৰে। কিন্তু প্ৰতিষ্ঠিত আৰু বিশাল আধুনিক ৰাষ্ট্ৰৰ ক্ষেত্ৰত ই এক অসম্ভৱ ধাৰণা।

- **ৰাষ্ট্ৰৰ বিলোপসাধনৰ পাছত কি হ'ব ?** ঃ অৰাজকতাবাদীসকলে এনে এখন ৰাষ্ট্ৰ প্ৰতিষ্ঠাৰ কথা কয় য'ত চৰকাৰী কৰ্তৃপক্ষ নাথাকিব আৰু মানুহে সৰ্বাধিক স্বাধীনতা উপভোগ কৰাৰ সুযোগ পাব। কিন্তু স্বাধীনতাই ৰাষ্ট্ৰৰ আইন-শৃংখলা পৰিস্থিতি উলংঘা কৰাটোক নুবুজায়। নীতি-নিয়ম, আইন-কানুনবোৰ যদি সমাজৰ বাবে ক্ষতিকাৰক, অশুভ আৰু প্ৰগতি ৰুদ্ধকাৰী তেন্তে ই এয়া নুবুজায় যে ইয়াৰ বাবে ৰাষ্ট্ৰক বিলুপ্ত কৰা উচিত।
- **ৰাষ্ট্ৰৰ বিলোপসাধনৰ পাছত আইন-শৃংখলা পৰিস্থিতিৰ কি হ'ব ?** ঃ অৰাজকতাবাদীসকলে তেওঁলোকৰ সংগ্ৰাম পদ্ধতি সম্পৰ্কে কোনো স্পষ্ট ধাৰণা আগবঢ়াব পৰা নাই। সৰলভান মানুহক পতিয়ন নিয়াব পাৰিলেও বহুতো কথাৰ আশাব্যঞ্জক ফলাফল লাভ কৰিব পৰা যায়। অৱশ্যে ই এক দিঘলীয়া প্ৰক্ৰিয়া হ'ব পাৰে। কিন্তু অৰাজকতাবাদীসকলে পৰিৱৰ্তনৰ মাজত কোনো অৱস্থান্তৰ পৰ্যায় ৰাখিব নোখোজে। আকৌ, তেওঁলোকে জোৰকৈ বিপ্লৱ জাপি দিয়াৰো পক্ষপাতী নহয়। কাৰণ, তেওঁলোকে ভাৱে যে বিপ্লৱৰ নেতাই এসময়ত ৰাষ্ট্ৰৰ ক্ষমতা পুনৰ প্ৰৱৰ্তন কৰিব। অৰাজকতাবাদীসকলে মাত্ৰ এগৰাকী নায়কৰ সলনি শ্ৰমিকসকলৰ নিয়ন্ত্ৰণ চলাতো বিচাৰে। এইবোৰ কথাই তেওঁলোকৰ সংগ্ৰাম পদ্ধতি অস্পষ্ট কৰি ৰাখিছে। অৰাজকতাবাদীসকলৰ যুক্তিত বহুতো সত্যতা আছে কিন্তু তেওঁলোকে গ্ৰহণ কৰিব খোজা পৰিৱৰ্তন সাধনকাৰী পদ্ধতিবোৰ হিংসাত্মক আৰু তেওঁলোকে প্ৰতিষ্ঠা কৰিব খোজা সমাজখনৰ ছবি অস্পষ্ট।
- **কৰ্মত ব্যাঘাত সৃষ্টিকাৰী** ঃ সাম্যবাদীসকলৰ যুক্তি অনুসৰি অৰাজকতাবাদী দৰ্শন হ'ল বুৰ্জোৱা সমাজবাদ। ইয়াৰ লক্ষ্য চলি থকা কামবোৰত ব্যাঘাত জন্মোৱা আৰু উৎপাদনৰ পৰিমাণ নিম্ন কৰাৰ বাদে আন একো নহয়। ই সমাজৰ উপকাৰতকৈ অপকাৰহে বেছি কৰিব।
- **ইউটোপিয়ান সমাজ** ঃ অৰাজকতাবাদী সমাজ হ'ল এখন ইউটোপিয়ান (কাল্পনিক) সমাজ। সেয়েহে হাতে-কামে এনে এখন সমাজক বাস্তৱ ৰূপ দিয়াতো অসম্ভৱ।
- **মানৱ প্ৰকৃতিৰ ভুল মূল্যায়ন** ঃ অৰাজকতাবাদীসকলে মানৱ প্ৰকৃতিৰ ভুল মূল্যায়ন কৰিছে। তেওঁলোকে ভাবে যে মানুহ সম্পূৰ্ণ নিখুঁত সত্ত্বা। কৰ্তৃত্ববোৰৰ শাসন নাইকিয়া কৰাৰ পাছত মানুহ স্বাধীন হ'ব আৰু পৰস্পৰে পৰস্পৰৰ প্ৰগতিত সহায় কৰি নিজ নিজ সম্ভাৱনীয়তাবোৰ বিকশিত কৰিব বুলি তেওঁলোকে ভাবে। কিন্তু ব্যৱহাৰিক ক্ষেত্ৰত এই কথা সত্য নহয়। মৰম-ভালপোৱাৰ লগতে লোভ, অহংকাৰ আৰু স্বাৰ্থপৰতাৰ দৰে বৈশিষ্ট্যবোৰো মানৱ প্ৰকৃতিৰ অংশ। এইবোৰক উলাই কৰিব পৰা নাযায়। মানুহৰ ক্ষেত্ৰতেই ধ্বংস আৰু হত্যাৰ দৰে উপায় অৱলম্বন কৰি পুৰণি ব্যৱস্থা এটা বিলোপ কৰি মৰম-চেনেহৰ ভিত্তিত আন এখন নতুন সমাজ প্ৰতিষ্ঠাৰ কথা ভবাতো সম্ভৱ।
- **কৰ্তৃত্বৰ অস্তিত্ব নথকা সমাজৰ আইন-শৃংখলাৰ দশা** ঃ অৰাজকতাবাদীসকলে যুক্তি দৰ্শাই যে আদৰ্শ সমাজ এখনত আইন-শৃংখলাৰ অভাৱ নহয়। এনে সমাজত কেৱল ভয়-ভীতি প্ৰদৰ্শনকাৰী কৰ্তৃত্বহে নাথাকিব। কিন্তু ব্যৱহাৰিক ক্ষেত্ৰত যুক্তিসংগত কথাটো হ'ল

উপযুক্ত কৰ্তৃপক্ষ নাথাকিলে সমাজৰ আইন-শৃংখলামূলক পৰিস্থিতিৰ অৱনতি ঘটিব আৰু সকলোতে খেলিমেলিৰ সৃষ্টি হ'ব।

সমালোচনা সত্বেও ক'ব লাগিব যে অৰাজকতাবাদক এটা অব্যৱহাৰিক ধাৰণা হ'লেও প্ৰমূল্যহীন নহয়। ৰাজনৈতিক ক্ষমতাৰ প্ৰয়োজনতকৈ অধিক গুৰুত্ব বৃদ্ধিয়ে সৃষ্টি কৰিব পৰা বিপদত আলোকপাত কৰাটোতেই ধাৰণাটোৰ তাৎপৰ্য লুকাই আছে। অৰাজকতাবাদীৰ মতে আঞ্চলিক পৰ্যায়ত আৰু কাৰ্য সম্পাদনৰ উদ্দেশ্যেৰে সদস্যসকলৰ মাজতে কৰ্তৃত্বৰ ক্ষুদ্ৰ তৰপ একোটা গঢ়ি লোৱা উচিত। এই সৰু সৰু গোজবোৰে নিজ নিজ ভূমিকা আৰু সমাজৰ সম্ভাৱনাবোৰক বাস্তৱ ৰূপ দিব। এটা আন্দোলন হিচাপে বৰ্তমান সময়ত অৰাজকতাবাদৰ কোনো ব্যৱহাৰিক মূল্য নাই যদিও ইয়াৰ দৰ্শন আজিও প্ৰাসংগিক। এই দৰ্শন সকলো সময়তে সমাজ সংস্কাৰক, দাৰ্শনিক আৰু সমাজ কৰ্মীসকলৰ বাবে মহৎ অনুপ্ৰেৰণাৰ উৎস হৈ ৰ'ব।



১২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অৰাজকতাবাদ বুজোৱা ইংৰাজী শব্দ Anarchismৰ মূল হ'ল গ্ৰীক শব্দ anarkhia । ইয়াৰ অৰ্থ হ'ল কোনো নীতি-নিয়ম নথকা (no rule)। অৰাজকতাবাদ এটা ৰাজনৈতিক দৰ্শন। ই বাধ্যতামূলক চৰকাৰ অথবা বাধ্যতামূলক নীতি-নিয়মেৰে ভৰা শাসন প্ৰত্যাখ্যান আৰু এনে ব্যৱস্থা নিৰ্মূলকৰণক সমৰ্থন কৰে। ই বিশ্বাস কৰে যে বল প্ৰয়োগকাৰী ৰাষ্ট্ৰব্যৱস্থা এটা নথকাকৈয়ে সমাজে নিজে সংগঠিত হ'ব পাৰে অথবা সংগঠিত হোৱা উচিত।
- অৰাজকতাবাদীসকলে বিশ্বাস কৰে যে চৰকাৰ অপকাৰী আৰু অনাৱশ্যক। এই মতবাদৰ সমৰ্থকসকলে তাৎক্ষণিকভাৱে সকলো প্ৰকাৰৰ ৰাষ্ট্ৰীয় কৰ্তৃত্ব সম্পূৰ্ণ বিলোপ হোৱাতো বিচাৰে। অৰাজকতাবাদীসকলৰ মতে যেতিয়ালৈকে ৰাষ্ট্ৰ নামৰ অনুষ্ঠানটো আৰু ব্যক্তিগত সম্পত্তিৰ অস্তিত্ব থাকিব তেতিয়ালৈকে সমাজত শোষণ চলি থাকিব।
- অৰাজকতাবাদৰ বৈশিষ্ট্যসমূহ হ'ল- অৰাজকতাবাদে ৰাষ্ট্ৰক গৰিহণা দিয়ে, ৰাষ্ট্ৰৰ বলপূৰ্বক বিলুপ্তিকৰণৰ পোষকতা কৰে, ৰাষ্ট্ৰৰ কৰ্তৃত্বৰ বিকল্প বিচাৰে, প্ৰতিনিধিত্বমূলক ব্যৱস্থাবোৰৰ বিৰোধিতা কৰে, ধৰ্মৰ বিৰোধিতা কৰে আৰু ব্যক্তিগত সম্পত্তিৰ বিৰোধিতা কৰে।
- অৰাজকতাবাদী সমাজৰ বৈশিষ্ট্যবোৰ হ'ল- ৰাষ্ট্ৰবিহীন সমাজৰ পোষকতা,বল প্ৰয়োগকাৰী কৰ্তৃপক্ষৰ অস্তিত্ব থকাৰ বিৰোধিতা, পাৰস্পৰিক আস্থা আৰু সহযোগিতাৰ পৰিৱেশ, মধ্যস্থতাকাৰীৰ সহায়ত বিবাদ নিষ্পত্তিৰ সুযোগ, মানৱ শক্তিৰ ব্যৱহাৰ, সকলোৰে বাবে সমতা, সংগ্ৰামৰ পদ্ধতি, ক্ৰমবিৱৰ্তনবাদী পদ্ধতি, বল প্ৰয়োগত বিশ্বাস, অৱস্থান্তৰবিহীন পৰ্যায়লৈ সমৰ্থন আদি।
- ফ্ৰান্সৰ দাৰ্শনিক জোচেফ প্ৰাউডহ'ন (Joseph Proudhon)ক অৰাজকতাবাদৰ জনক আখ্যা দিয়া হয়। তেওঁ স্বতন্ত্ৰতা-স্বাধীনতাৰ সবাতোকৈ শক্তিশালী সমৰ্থক আছিল আৰু

মানুহৰ দ্বাৰা গঠিত মানুহৰ চৰকাৰৰ গৰিহণা দিছিল। *'Philosophy of Poverty* 'নামৰ গ্ৰন্থখনত প্ৰাউডহ'নে লিখিছিল, "মানুহৰ দ্বাৰা গঠিত মানুহৰ চৰকাৰ হ'ল সকলো ৰূপতে দমনৰ নামান্তৰ। শৃংখলা আৰু অৰাজকতাৰ মিলনৰ ফলত সৃষ্ট সমাজ এখনহে নিখুঁত সমাজৰ নিদৰ্শন।" কৰ্মজীৱি শ্ৰেণীটোক দমন কৰাৰ ৰাজনৈতিক পদ্ধতি হ'ল চৰকাৰ। ৰাষ্ট্ৰ যুক্তি, ন্যায় আৰু সমিলমিল বিৰোধী অনুষ্ঠান।

- ৰাছিয়ান দাৰ্শনিক পিটাৰ ক্ৰোপোট্‌কিন (Peter Kropotkin) আছিল সকলো অৰাজকতাবাদীৰ ভিতৰত সবাতোকৈ সৰৱ প্ৰতিনিধি, অত্যন্ত আকৰ্ষণীয় ব্যক্তিত্বৰ গৰাকী আৰু অতি সক্ৰিয়। তেওঁ এগৰাকী সুলেখক আছিল। ক্ৰোপোট্‌কিনৰ কেইখনমান সুপ্ৰসিদ্ধ গ্ৰন্থ হ'ল *The Conquest of Bread, Anarchism : Its Philosophy and Ideal, The State : Its Part in History, Fields, Factories and Workshops* আৰু *Modern Science and Anarchism.*
- ক্ৰোপোট্‌কিনে পৃষ্ঠপোষকতা কৰা বিষয়বোৰক বাস্তৱ ৰূপ দিবলৈ অৰাজকতাবাদৰ আদৰ্শৰ সহায় লৈছিল। অৰাজকতাবাদ প্ৰতিষ্ঠাৰ পথত বাধাৰ সৃষ্টি কৰিব পৰা ৰাষ্ট্ৰ, ঈশ্বৰ আৰু সম্পত্তিৰ দৰে সকলো অনুষ্ঠান ধ্বংস হোৱা উচিত বুলি তেওঁ মত পোষণ কৰিছিল।



১২.৮ অধিক জানিবলৈ

১) Coker, Francis William. *Readings in Political Philosophy*. Nabu Press.

২) Nelson, Brain R. (2006). *Western Political Thought* (Second Edition). New Delhi. Perason Education.

৩) Sabine G.H. (1973). *History of Political Thought*. New Delhi. Oxford and IBH. 4. Shrma, S.K. and Sharma, Urmila. (2003). *Western Political thoughts-From Plato to Burke.* Atlantic.



১২.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ অৰাজকতাবাদ বুজোৱা ইংৰাজী শব্দ Anarchismৰ মূল হ'ল গ্ৰীক শব্দ anarkhia । ইয়াৰ অৰ্থ হ'ল কোনো নীতি-নিয়ম নথকা (no rule)। অৰাজকতাবাদ এটা ৰাজনৈতিক দৰ্শন। ই বাধ্যতামূলক চৰকাৰ অথবা বাধ্যতামূলক নীতি-নিয়মেৰে ভৰা শাসন প্ৰত্যাখ্যান আৰু এনে ব্যৱস্থা নিৰ্মূলকৰণক সমৰ্থন কৰে। ই বিশ্বাস কৰে যে বল প্ৰয়োগকাৰী ৰাষ্ট্ৰব্যৱস্থা এটা নথকাকৈয়ে সমাজে নিজে সংগঠিত হ'ব পাৰে অথবা

সংগঠিত হোৱা উচিত। অৰাজকতাবাদীসকলে বিশ্বাস কৰে যে চৰকাৰ অপকাৰী আৰু অনাৱশ্যক। এই মতবাদৰ সমৰ্থকসকলে তাৎক্ষণিকভাৱে সকলো প্ৰকাৰৰ ৰাষ্ট্ৰীয় কৰ্তৃত্ব সম্পূৰ্ণ বিলোপ হোৱাতো বিচাৰে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ক'কাৰৰ মতে, " অৰাজকতাবাদ হ'ল যিকোনো ৰূপত থকা সকলো ধৰণৰ ৰাজনৈতিক কৰ্তৃত্বক অনাৱশ্যকীয় আৰু অনাকাংক্ষিত বুলি গণ্য কৰা তত্ত্ব। অৰাজকতাবাদৰ শেহতীয়া সংজ্ঞাই ৰাষ্ট্ৰৰ অস্তিত্বক তাত্ত্বিকভাৱে বিৰোধিতা কৰাৰ লগতে ব্যক্তিগত সম্পত্তিৰ ধাৰণাটোৰো বিৰোধিতা কৰে। ই সংগঠিত ধৰ্মীয় কৰ্তৃপক্ষৰ অস্তিত্বৰো তীব্ৰ বিৰোধিতা কৰে।" ক্ৰোপোট্‌কিনে আগবঢ়োৱা অৰাজকতাবাদৰ সংজ্ঞা অনুসৰি ই হ'ল " জীৱন আৰু আচৰণৰ তত্ত্ব পৰিচালনাকাৰী মূল নীতি যিবোৰৰ অধীনত চৰকাৰ নথকাকৈয়ে সমাজ এখন গঢ় লৈ উঠে। এনে সমাজত কোনো আইনৰ আগত মূৰ নত কৰা অথবা কোনো কৰ্তৃপক্ষৰ প্ৰতি আনুগত্য প্ৰদৰ্শন কৰাৰ জৰিয়তে সমন্বয় স্থাপিত নহয়। বিভিন্ন স্থানীয় আৰু বৃত্তিজীৱি গোটৰ মাজত হোৱা মুকলি যুক্তি-তৰ্কৰ অন্তত এই সমন্বয় গঢ় লৈ উঠে। উৎপাদন আৰু উপভোগৰ লগতে সুসভ্য সত্বাৰ অসীম প্ৰকাৰৰ প্ৰয়োজনীয়তা তথা প্ৰত্যাশা পূৰণৰ স্বাৰ্থত এই সমন্বয় মুক্তভাৱে স্থাপন কৰা হয়।"

ৰাছেলৰ ভাষাত, "সকলো প্ৰকাৰৰ বল প্ৰয়োগকাৰী চৰকাৰৰ বিৰোধিতা কৰা তত্ত্বটোৱেই হ'ল অৰাজকতাবাদ। অৰাজকতাবাদীসকলৰ চৰম লক্ষ্য হ'ৱ স্বতন্ত্ৰতা অক্ষুণ্ণ ৰখা। সম্প্ৰদায়ৰ দ্বাৰা ব্যক্তিৰ ওপৰত চলা সকলো প্ৰকাৰৰ বল প্ৰয়োগকাৰী নিয়ন্ত্ৰণ নাইকিয়া কৰাৰ পোনপটীয়া পথ অনুসৰণ কৰি এই স্বতন্ত্ৰতা বৰ্তাই ৰাখিব খোজা হয়।" অৰাজকতাবাদে সকলো আৰু যিকোনো ৰূপতে ৰাজনৈতিক কৰ্তৃত্বৰ বিৰোধিতা কৰে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ক) কোনো ধৰণৰ বল প্ৰয়োগকাৰী কৰ্তৃত্ব নথকা সমাজ এখনৰ পোষকতা কৰে আৰু খ) সকলোৰে সম-অধিকাৰক সমৰ্থন জনায়।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ অৰাজকতাবাদীসকলৰ মতে ৰাষ্ট্ৰবিহীন সমাজ এখনেই হ'ল শ্ৰেষ্ঠ সমাজ। এনে এখন সমাজত উৎপাদনৰ উপায় আৰু বিতৰণ ব্যৱস্থাবোৰ মাত্ৰ কেইগৰাকীমান ব্যক্তিৰ হ্যতত নাথাকে। এইবোৰ সামূহিকভাৱে নিয়ন্ত্ৰণ কৰা হয়। এইবোৰ সকলোৰে কল্যাণৰ কামত লগোৱা হয় আৰু ইয়াৰ পৰা মাত্ৰ এমুঠিমান মানুহক উপকৃত হ'বলৈ দিয়া নহয়। এনে সমাজত দিন হাজিৰা কৰোতা আৰু নিয়োগকৰ্তাৰ দৰে শ্ৰেণীবোৰ নাথাকে। ফলত সমাজত কোনো ধৰণৰ শ্ৰেণী সংঘৰ্ষৰ উদ্ভৱ নহয়।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ফ্ৰান্সৰ দাৰ্শনিক জোচেফ প্ৰাউডহ'ন (Joseph Proudhon)ক অৰাজকতাবাদৰ জনক আখ্যা দিয়া হয়। তেওঁ স্বতন্ত্ৰতা-স্বাধীনতাৰ সবাতোকৈ শক্তিশালী সমৰ্থক আছিল আৰু মানুহৰ দ্বাৰা গঠিত মানুহৰ চৰকাৰৰ গৰিহণা দিছিল। *'Philosophy of Poverty* 'নামৰ গ্ৰন্থখনত প্ৰাউডহ'নে লিখিছিল, "মানুহৰ দ্বাৰা গঠিত মানুহৰ চৰকাৰ হ'ল সকলো ৰূপতে দমনৰ নামান্তৰ। শৃংখলা আৰু অৰাজকতাৰ মিলনৰ ফলত সৃষ্ট সমাজ এখনহে নিখুঁত সমাজৰ নিদৰ্শন।" কৰ্মজীৱি শ্ৰেণীটোক দমন কৰাৰ ৰাজনৈতিক

পদ্ধতি হ'ল চৰকাৰ। ৰাষ্ট্ৰ যুক্তি, ন্যায় আৰু সমিলমিল বিৰোধী অনুষ্ঠান। সকলোবোৰ ব্যক্তিগত মুলধন নাইকিয়া কৰিবলৈ প্ৰাউডহ'নে এটা ৰাইজৰ বেংক (Bank of the People) স্থাপন কৰাৰ পোষকতা কৰিছিল। তেওঁ সম্পত্তিক চুৰিকার্য বুলি গৰিহণা দিছিল। সম্পত্তিত সকলোৰে সমান অধিকাৰ থকা কথাটোক তেওঁ সমর্থন কৰিছিল। প্ৰাউডহ'ন সাম্যবাদৰ বিৰোধী আছিল। তেওঁৰ মতে সাম্যবাদ হ'ল সকলোতে আৰু সকলো সময়তে ব্যক্তিগতকৰণৰ আন এক নাম।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাছিয়ান দার্শনিক পিটাৰ ক্ৰোপোট্‌কিন (Peter Kropotkin) আছিল সকলো অৰাজকতাবাদীৰ ভিতৰত সবাতোকৈ সৰৱ প্ৰতিনিধি, অত্যন্ত আকর্ষণীয় ব্যক্তিত্বৰ গৰাকী আৰু অতি সক্ৰিয়। তেওঁ এগৰাকী সুলেখক আছিল। ক্ৰোপোট্‌কিনৰ কেইখনমান সুপ্ৰসিদ্ধ গ্ৰন্থ হ'ল *The Conquest of Bread, Anarchism : Its Philosophy and Ideal, The State : Its Part in History, Fields, Factories and Workshops* আৰু *Modern Science and Anarchism.* ক্ৰোপোট্‌কিনে পৃষ্ঠপোষকতা কৰা বিষয়বোৰক বাস্তৱ ৰূপ দিবলৈ অৰাজকতাবাদৰ আদর্শৰ সহায় লৈছিল। অৰাজকতাবাদ প্ৰতিষ্ঠাৰ পথত বাধাৰ সৃষ্টি কৰিব পৰা ৰাষ্ট্ৰ, ঈশ্বৰ আৰু সম্পত্তিৰ দৰে সকলো অনুষ্ঠান ধ্বংস হোৱা উচিত বুলি তেওঁ মত পোষণ কৰিছিল। তেওঁ কৈছিল যে সমাজত কোনো ধৰণৰ কর্তৃত্ব থাকিব নালাগে আৰু সকলো প্ৰকাৰৰ কাম কেৱল স্বৈচ্ছিক সংগঠনৰ দ্বাৰা সম্পন্ন কৰা উচিত। মানুহে নিজৰ ইচ্ছা আৰু ৰুচি অনুযায়ী পছন্দৰ গোটৰ সদস্য হোৱা উচিত। পাৰস্পৰিক বিবাদবোৰ মধ্যস্থতাকাৰী আদালতত নিষ্পত্তি কৰা উচিত। মানুহে নিজে এনে আদালত গঠন কৰা উচিত। প্ৰতিগৰাকী ব্যক্তিয়ে কৰিবলৈ মন যোৱা কামবোৰহে কৰাৰ সুযোগ পাব। ক্ৰোপোট্‌কিন ধর্ম আৰু গীর্জাঘৰ (উপাসনা গৃহ)ৰো বিৰোধী আছিল। তেওঁৰ মতে ধর্মই দুখীয়াৰ প্ৰতি অন্যায় কৰে। ই ধনীক নিজৰ সামাজিক স্থিতি আৰু মর্যাদা বর্তাই ৰখাত সহায় কৰে। ধর্মই সহায় ৰাজনৈতিক আৰু অর্থনৈতিক দমন-নিপীড়নৰ পক্ষ লৈ আহিছে। তেওঁ অৱশ্যে সামাজিক নৈতিকতাত বিশ্বাসী আছিল। সমাজ এখনত অৱচেতনভাৱে এই নৈতিকতাৰ উত্থান ঘটে। ইয়াৰ ফলতেই মানুহে পৰস্পৰৰ স্বার্থ তথা আগ্রহক সন্মান কৰিবলৈ লয় আৰু পৰস্পৰে পৰস্পৰৰ কথাক ভাৰসা কৰে। এই নৈতিকতা আনুষ্ঠানিক ধর্মীয় নীতি-নিয়মৰ বাহিৰত আৰু ই স্বতন্ত্ৰ। ধর্মৰ প্ৰভাৰ নাইকীয়া হোৱাৰ পাছতো সামাজিক নৈতিকতা অক্ষুণ্ণ হৈ ৰয়। ক্ৰোপোট্‌কিনে বিশ্বাস কৰিছিল যে অৰাজকতাবাদৰ লক্ষ্যত উপনীত হোৱা মানেই সামাজিক ক্ৰমবিৱর্তনে বাস্তৱ ৰূপ লোৱা। অৱশ্যে সম্পূর্ণ ক্ৰমিক আৰু শান্তিপূর্ণ প্ৰক্ৰিয়া এটাৰ মাজেৰে আগবাঢ়ি গৈ থাকিলেই এই লক্ষ্যত উপনীত হ'ব পৰা যাব বুলি তেওঁ ভবা নাছিল। এই ক্ৰমবিৱর্তনে এটা বৈপ্লৱিক ৰূপ পৰিগ্রহণ কৰিব লাগিব। প্ৰথম পর্যায়ৰ বিপ্লৱ ধ্বাংসাত্মক আৰু হিংসাত্মক হ'ব লাগিব। কিন্তু এই বিপ্লৱত অত্যধিক ৰক্তপাত হ'ব নোৱাৰিব। ইয়াৰ মৌলিক লক্ষ্য হ'ব ভয়-ভীতি প্ৰয়োগকাৰী কর্তৃত্ববোৰৰ হাতত থকা নিয়ন্ত্রণ ক্ষমতাবোৰ বলপূর্বক আঁতৰ

কৰা। মানুহে ব্যক্তিগত সম্পত্তিৰ ধাৰণাটো নাইকিয়া কৰাৰ পাছত, খেতিয়কে মাটিৰ গৰাকীক বৰ্খাস্ত কৰাৰ পাছত, শ্ৰমিকে কাৰখানাৰ মালিকৰ পৰা কাৰখানা কাঢ়ি লোৱাৰ পাছত আৰু গৃহহীনসকলে উদ্বৃত্ত মাটিৰ গৰাকীসকলক খেদি তেনে মাটি নিজৰ হাতলৈ অনাৰ পাছত বিপ্লৱৰ প্ৰকৃতি বেলেগ হ'ব। অৰাজকতাবাদে কোনো খা ম-খেয়ালিপূৰ্ণ পৰিস্থিতি অথবা বিভ্ৰান্তিকৰ পৰিৱেশৰ কথা নুবুজায়। ই কেৱল ৰাষ্ট্ৰ আৰু ৰাষ্ট্ৰক বৰ্তি থকাত সহায় কৰা বিশেষ সামাজিক সম্পৰ্কবোৰৰ বিৰুদ্ধে যুদ্ধংদেহি মনোভাৱ গ্ৰহণ কৰাৰ কথা কয়। "ক্ৰোপোট্‌কিনে পাকে-প্ৰকাৰে কেৱল মানুহৰ সামাজিক দায়ৱদ্ধতাবোধ, সামাজিক ভ্ৰাতৃত্ববোধ সম্পৰ্কে অনুভৱ আৰু শ্ৰম কৰাৰ প্ৰতি থকা আগ্ৰহত সৰ্বাধিক গুৰুত্ব দিছিল। সৃষ্টি কৰাৰ প্ৰৱণতা আৰু প্ৰতিগৰাকী ব্যক্তিৰে প্ৰয়োজনীয়তা পূৰাব পৰাকৈ পৰ্যাপ্ত পৰিমাণৰ পণ্যদ্ৰব্য উৎপাদন কৰাৰ হাবিয়াস দুয়োটাৰে বাবে শ্ৰমৰ প্ৰয়োজন।"



১২.১০ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ অৰাজকতাবাদৰ অৰ্থ বহলাই ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ অৰাজকতাবাদৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ অৰাজকতাবাদী সমাজ এখনৰ বৈশিষ্ট্যবোৰ আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ অৰাজকতাবাদৰ বিৰুদ্ধে গঢ় লৈ উঠা সমালোচনাবোৰৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৫ ঃ জোচেফ প্ৰাউডহ'ন আৰু পিটাৰ ক্ৰোপোট্‌কিনৰ দৃষ্টিভংগীসমূহ আলোচনা কৰক।

প্ৰশ্ন ৬ ঃ বৰ্তমান সময়ত অৰাজকতাবাদৰ প্ৰাসংগিকতা আছেনে? আপোনাৰ মতৰ সপক্ষে যুক্তি দৰ্শাওক।

*** ***** ***

অধ্যায় ১৩ ঃ ফেচিবাদ

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ ফেচিবাদৰ অর্থ আৰু সংজ্ঞা
১৩.৪ ফেচিবাদৰ বৈশিষ্ট্য
১৩.৪.১ ফেচিবাদৰ কর্তন
১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.৬ অধিক জানিবলৈ
১৩.৭ অগ্রগতিৰ খতিয়ান
১৩.৮ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ফেচিবাদৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- ফেচিবাদ উত্থানৰ ইতিহাসৰ ব্যাখ্যা কৰিব পাৰিব
- ফেচিবাদৰ বৈশিষ্ট্যসমূহৰ আলোচনা কৰিব পাৰিব
- ফেচিবাদ কেনেকৈ কর্তন কৰিব পাৰি তাৰ ব্যাখ্যা কৰিব পাৰিব।

১৩.২ পৰিচয়

এই গোটটোত ফেচিবাদক আমি ৰাজনৈতিক মতবাদ হিচাপে আলোচনা কৰিম। ফেচিবাদৰ মতাদর্শটো বেনিটো মুছুলিনিল নেতৃত্বত ইটালীৰ নেচনেল ফেচিষ্ট পার্টিৰ সৈতে নিৰৱচ্ছিন্নভাৱে জড়িত। ফেচিষ্ট মতাদর্শ উদাৰ গণতন্ত্রৰ মতাদর্শৰ সম্পূর্ণ বিপৰীত। ফেচিবাদ ব্যক্তিগত অধিকাৰ আৰু স্বাধীনতাৰ বিৰোধী আৰু ই কোনো বিৰোধিতা নথকা সর্বাত্মক এক দলীয় শাসন ব্যৱস্থাত বিশ্বাস কৰে।

১৩.৩ ফেচিবাদৰ অর্থ আৰু সংজ্ঞা

ইংৰাজী Fascism শব্দটো লেটিন শব্দ 'Fasces' ৰ পৰা লোৱা হৈছে যাৰ অর্থ হৈছে 'Bundle' বা 'মুঠি'। প্রাচীন ৰোমত এখন কুঠাৰৰ সৈতে এমুঠি ৰ'ডক কর্তৃত্বৰ চিন বুলি গণ্য কৰা হৈছিল, য'ত জীৱন আৰু মৃত্যুৰ শক্তি অন্তর্ভুক্ত আছিল। উদাৰতাবাদ আৰু গণতন্ত্রৰ বিৰুদ্ধে প্রতিক্রিয়া হিচাপে বিংশ শতিকাত ফেচিবাদৰ উত্থান ঘটিছিল। ইটালীত বেনিটো মুছুলিনিৰ

সমর্থকসকলে 'ফেচিবাদ' শব্দটো গ্রহণ কৰিছিল। বেনিটো মুছুলিনি ১৯২২ চনৰ পৰা ১৯৪৩ চনলৈকে ইটালীৰ প্রধানমন্ত্রী আৰু নেচনেল ফেচিষ্ট পার্টিৰ নেতা আছিল।

প্রথম বিশ্বযুদ্ধৰ পিছত ইটালীত ফেচিবাদৰ উত্থান ঘটে। যদিও ইটালী প্রথম বিশ্বযুদ্ধৰ অন্যতম বিজয়ী আছিল, তথাপিও ১৯১৯ চনৰ ভার্চাইল চুক্তিৰ দ্বাৰা বিজয়ৰ ফল লাভৰ পৰা বঞ্চিত হৈছিল। এই স্পর্শকাতৰ বিষয়সমূহৰ ওপৰত মুছুলিনিয়ে জনসাধাৰণক সংগঠিত কৰি ১৯১৯ চনত এটা দল গঠন কৰিছিল। ১৯২২ চনত ফেচিষ্টসকলে ৰোমলৈ যাত্রা কৰে। ইটালীৰ গণতান্ত্রিক চৰকাৰে এই পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ সক্ষম নহ'ল। সেয়েহে ইটালীৰ ৰজাই মুছুলিনিক চৰকাৰ গঠনৰ বাবে আমন্ত্রণ জনায়। যথাসময়ত মুছুলিনিয়ে ইটালীত ফেচিষ্ট ৰাষ্ট্র প্রতিষ্ঠা কৰে।

ফেচিবাদৰ কিছুমান সংজ্ঞা চাওঁ আহক ঃ

- **উইলিয়াম এবেনষ্টেইন ঃ** "ফেচিবাদ হৈছে তীব্র জাতীয়তাবাদী, সমাজবাদী, সামৰিকতাবাদী আৰু সাম্রাজ্যবাদী একক দলীয় একনায়কত্ববাদৰ দ্বাৰা চৰকাৰ আৰু সমাজৰ সর্বাত্মক সংগঠন।"
- **ৰেবষ্টাৰছ নিউ ৰৰ্ল্ড ডিকচনেৰী ঃ** "ফেচিবাদ হৈছে একনায়কত্ববাদ, যুদ্ধংদেহী জাতীয়তাবাদ, বর্ণবাদ, সামৰিকতাবাদ আদিৰ বৈশিষ্ট্যপূর্ণ এক চৰকাৰী ব্যৱস্থা, যিটো ১৯২২ চনত ইটালীত প্রথমবাৰৰ বাবে প্রতিষ্ঠা কৰা হৈছিল।"
- **মুছুলিনী ঃ** "ফেচিবাদ বাস্তৱৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠে, আমি নিশ্চিত আৰু বাস্তৱ হ'ব বিচাৰো। আমাৰ কার্যসূচী কথাৰে নহয়, কার্যৰেহে।" মুছুলিনীয়ে ফেচিবাদক ব্যাখ্যা কৰি এইদৰে কৈছে, "আমাৰ ফেচিষ্টসকলৰ ইমানখিনি সাহস আছে যে আমি সকলোধৰণৰ পৰম্পৰাগত ৰাজনৈতিক তত্ত্বক বাতিল কৰিব পাৰো আৰু আমি অভিজাত আৰু গণতন্ত্রবাদী, বিপ্লৱী আৰু প্রতিক্রিয়াশীল, সর্বহাৰা আৰু সর্বহাৰা বিৰোধী, শান্তিবাদী আৰু শান্তিবাদৰ বিৰোধী। মাথোঁ এটা স্থিৰ কেন্দ্রীয় বিন্দু আছে ৰাষ্ট্র, বাকীখিনি দেখা দেখিহে।" ফেচিবাদক ইটালীৰ সর্বাত্মকবাদী (totalitarian) শাসনৰ এক ৰূপ বুলি গণ্য কৰা হয়, ঠিক যেনেকৈ নাজীবাদ জার্মানীত সর্বাত্মকবাদীশাসনৰ ৰূপ আৰু বলশ্বেভিকবাদ ৰাছিয়াৰ সর্বাত্মকবাদী শাসনৰ ৰূপ। বর্তমান ৰাজনৈতিক সাহিত্যত 'সর্বাত্মক' ৰাষ্ট্র শব্দটো উদাৰ গণতান্ত্রিক ৰাষ্ট্র শব্দটোৰ বিপৰীতে ব্যৱহাৰ কৰা হয়। এখন ফেচিবাদী ৰাষ্ট্র হৈছে সর্বাত্মক ৰাষ্ট্র। ফেচিবাদ হৈছে উগ্র স্বৈৰাচাৰী জাতীয়তাবাদৰ এক প্রকাৰ, যাৰ বৈশিষ্ট্য হৈছে একনায়কত্ববাদী ক্ষমতা, বিৰোধীক বলপূর্বকভাৱে দমন কৰা আৰু উদ্যোগ আৰু বাণিজ্যৰ ওপৰত নিয়ন্ত্রণ। বিংশ শতিকাৰ আৰম্ভণিতে ইউৰোপত ফেচিবাদৰ প্রাধান্য আহিছিল।

ফেচিবাদীসকলে উদাৰ গণতন্ত্রক অচল বুলি বিশ্বাস কৰে আৰু তেওঁলোকে ৰাষ্ট্র এখনক সশস্ত্র সংঘাতৰ বাবে প্রস্তুত কৰিবলৈ আৰু অর্থনৈতিক অসুবিধাৰ প্রতি ফলপ্রসূ সহাৰি জনাবলৈ সমাজখনক সর্বাত্মক একদলীয় ৰাষ্ট্রৰ অধীনত সম্পূর্ণ সংগঠিত কৰাটো প্রয়োজনীয় বুলি গণ্য

কৰে। শক্তিশালী নেতৃত্বাধীন তেনেকুৱা এখন ৰাষ্ট্ৰ, যেনে একনায়কত্ববাদী আৰু শাসকীয় ফেচিষ্ট দলৰ সদস্যৰে গঠিত সামৰিক চৰকাৰ জাতীয় ঐক্য গঢ়ি তুলিবলৈ আৰু এখন সুস্থিৰ আৰু শৃংখলাবদ্ধ সমাজ বজাই ৰাখিবলৈ দৰকাৰ।

ফেচিবাদ উদাৰবাদৰ ঠিক বিপৰীত। ই এক প্ৰকাৰৰ উগ্ৰ স্বৈৰাচাৰী জাতীয়তাবাদ। ই একনায়কত্ববাদী আৰু সৰ্বাত্মক শাসন ব্যৱস্থাক বুজায় য'ত ৰাষ্ট্ৰৰ সকলো ক্ষমতা এজন নেতা আৰু এটা দলত কেন্দ্ৰীভূত হৈ থাকে। ইয়াত ব্যক্তিতকৈ ৰাষ্ট্ৰক অধিক গুৰুত্ব দিয়া হয়। শাসক আৰু শাসিতৰ মাজত পাৰ্থক্য কৰা হয়। এই মতাদৰ্শই জনকল্যাণৰ আহিলা হিচাপে বাক্-স্বাধীনতা আৰু সংগঠনৰ স্বাধীনতাক বিশেষ গুৰুত্ব নিদিয়ে আৰু বিশ্বাস কৰে যে কেৱল ৰাষ্ট্ৰই জনসাধাৰণৰ কল্যাণক প্ৰসাৰিত কৰিব পাৰে। ব্যক্তিক ৰাষ্ট্ৰৰ অধীনস্থ বুলি গণ্য কৰা হয়। এই মতাদৰ্শই একদলীয় চৰকাৰ, সম্প্ৰসাৰণবাদ, ৰাষ্ট্ৰৰ সৰ্বোচ্চ ক্ষমতা আৰু যুদ্ধক বিবাদ নিষ্পত্তিৰ আহিলা হিচাপে বিশ্বাস কৰে। বেনিটো মুছুলিনীৰ নেতৃত্বাধীন ফেচিবাদীসকলে ৰাষ্ট্ৰক গৌৰৱান্বিত কৰিছিল। তেওঁলোকৰ বাবে ক্ষমতা এজন অতি মানৱীয় গুণ থকা ব্যক্তিৰ নেতৃত্বত নিৰ্বাচিত মানুহৰ এটা গোটৰ হাতত থাকিব লাগে। আন্তৰ্জাতিক বিবাদ নিষ্পত্তিৰ আহিলা হিচাপে ভূ-খণ্ড সম্প্ৰসাৰণ আৰু যুদ্ধ গ্ৰহণযোগ্য বুলি বিবেচিত হৈছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ফেচিবাদ শব্দটোৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন নং ২ ঃ সংজ্ঞাৰ সৈতে ফেচিবাদৰ ধাৰণাটো ব্যাখ্যা কৰক।

১৩.৪ ফেচিবাদৰ বৈশিষ্ট্যসমূহ

- ফেচিবাদীসকলে ৰাষ্ট্ৰখনক গৌৰৱান্বিত কৰিছিল। ফেচিবাদীসকলে চৰম জাতীয়তাবাদত বিশ্বাস কৰিছিল। তেওঁলোকৰ মতে ৰাষ্ট্ৰৰ এটা ব্যক্তিত্ব আছে আৰু নিজৰ এটা অন্ত আছে। ফেচিবাদীসকলে ৰাষ্ট্ৰৰ প্ৰতি ভক্তিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ব্যক্তিসকলৰ এটা অৰ্থ আৰু অস্তিত্ব আছিল কেৱল জাতিৰ অস্তিত্বৰ প্ৰেক্ষাপটহে। তেওঁলোকে ৰাষ্ট্ৰৰ কৰ্তৃত্বৰ সম্পূৰ্ণ আজ্ঞা পালন কৰিব লাগে।
- ফেচিবাদী ৰাষ্ট্ৰৰ প্ৰকৃতি সৰ্বাত্মক। ৰাজনীতি, অৰ্থনীতি, শিল্প, সাহিত্য, শিক্ষা আৰু ধৰ্ম— এই সকলোৱে ৰাষ্ট্ৰৰ প্ৰয়োজনীয়তা পূৰণ কৰে। ফেচিবাদে জাতিটোক চূড়ান্ত নৈতিক সত্তা হিচাপে গ্ৰহণ কৰিছিল। ব্যক্তিগত স্বাৰ্থ আৰু দলীয় স্বাৰ্থ ৰাষ্ট্ৰৰ স্বাৰ্থৰ অধীন হ'ব লাগিব।
- ফেচিবাদীসকলৰ মতে তথাকথিত ব্যক্তিগত অধিকাৰ অযুক্তিকৰ কথা। ব্যক্তিৰ কেৱল কৰ্তব্যহে থাকে। কৰ্তব্য, অনুশাসন আৰু ত্যাগ ব্যক্তিৰ পৰা দাবী কৰা হয়। ৰাষ্ট্ৰ একেবাৰে সাৰ্বভৌম। ৰাষ্ট্ৰত মজুত থকা সকলো শক্তিক ৰাষ্ট্ৰই আধিপত্য বিস্তাৰ কৰিব লাগিব, সমন্বয় সাধন কৰিব লাগিব, কঠিন কৰি তুলিব লাগিব আৰু সামাজিক জীৱনৰ শেষ

পর্যায়লৈ নির্দেশনা দিব লাগিব। ৰাষ্ট্রই প্রতিটো ক্ষেত্রতে ৰাষ্ট্রীয় কার্যকলাপৰ সভাপতিত্ব আৰু পৰিচালনা কৰিব লাগিব।

- ফেচিবাদী ৰাষ্ট্র সর্বাত্মক আৰু স্বৈৰাচাৰী। ফেচিবাদীসকলৰ মতে ৰাষ্ট্র আৰু চৰকাৰৰ উৎপত্তি সদায় বিজয়ৰ পৰাই হয় কোনো স্বেচ্ছামূলক চুক্তিত নহয়। সন্মতিতকৈ বলপূর্বকভাৱে ৰাষ্ট্রখন বজাই ৰাখিব পাৰি।
- চূড়ান্ত সার্বভৌমত্ব জনসাধাৰণৰ ওপৰত নির্ভৰশীল আৰু চৰকাৰে জনসাধাৰণৰ পৰাই নিজৰ কর্তৃত্ব লাভ কৰে বুলি কোৱা পুৰণি উদাৰতাবাদী শ্লোগানক ফেচিবাদীসকলে নাকচ কৰে। ফেচিবাদীসকলে ব্যক্তি সার্বভৌমত্বৰ সিদ্ধান্তক নাকচ কৰে আৰু ইয়াৰ বিকল্পৰূপে ৰাষ্ট্রৰ সার্বভৌমত্বক প্রাধান্য দিয়ে। ৰাষ্ট্রত থকা বাবেহে ব্যক্তি এজন ব্যক্তি হৈ আছে ব্যক্তিৰ অবিচ্ছেদ্য অধিকাৰ বুলি কোনো বস্তু নাই।
- ফেচিবাদীসকল গণতন্ত্র আৰু উদাৰতাবাদৰ ঘাই শত্রু আছিল। সংসদীয় চৰকাৰৰ ওপৰত তেওঁলোকৰ কোনো বিশ্বাস নাছিল। তেওঁলোকে গণতন্ত্রক অকামিলা, দুর্নীতিগ্রস্ত, লেহেমীয়া, অদূৰদর্শী, আবাস্তৰ, অদক্ষ আৰু ক্ষয়িষ্ণু মৃতদেহ বুলি অভিহিত কৰে। সংসদে আলোচনাহে কৰে, কিন্তু দেশক আলোচনাৰ প্রয়োজন নাই, কার্যৰহে প্রয়োজন। গণতন্ত্রতকৈ স্বেচ্ছাচাৰীতাবাদ ভাল। ফেচিবাদে একদলীয় শাসন ব্যৱস্থাত বিশ্বাস কৰে। সমগ্র প্রশাসন ব্যৱস্থাটো এটা দলে চলাব লাগে য'ত সকলো ক্ষমতা কেন্দ্রীভূত হৈ থাকিব। কোনো বিকল্প দলৰ ব্যৱস্থা নাথাকে। ফেচিবাদ বলপূর্বক শক্তিৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠিছে আৰু ইয়াৰ সকলো বিৰোধিতাক হিংসাত্মকভাৱে দমন কৰা হৈছিল।
- ফেচিবাদীসকল সমাজবাদ বিৰোধী আৰু সাম্প্রদায়িকতাবাদী বিৰোধী। তেওঁলোকে অর্থনৈতিক নির্ধাৰিততাবাদৰ সমাজবাদী মতবাদক নাকচ কৰিছিল। তেওঁলোকৰ মতে, বস্তুবাদৰ উপৰিও ধর্ম আৰু দেশপ্রেমেও জনসাধাৰণৰ জীৱনত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। ফেচিবাদীসকলে শ্রেণীসংগ্রামৰ ওপৰত বিশ্বাস কৰা নাছিল। ফেচিবাদীসকলে ৰাষ্ট্রক গৌৰবান্বিত কৰাৰ বাবে সকলো শ্রেণীয়ে সহযোগ কৰাটো বিচাৰিছিল।
- ফেচিবাদীসকলে প্রায় সকলো ধৰণৰ সামাজিক মতবাদ— অর্থনৈতিক নির্ধাৰিততাবাদ, শ্রেণী সংগ্রাম, উদ্ধৃত্ত মূল্য আৰু আন্তর্জাতিকতাবাদক নাকচ কৰিছিল। ফেচিবাদীসকলে পৰিত্রতা আৰু বীৰত্বত বিশ্বাস কৰিছিল আৰু অর্থনৈতিক উদ্দেশ্যৰ দ্বাৰা পৰোক্ষ বা প্রত্যক্ষভাৱে প্রভাৱিত নোহোৱা কার্যত বিশ্বাস কৰিছিল।
- শিক্ষাব্যৱস্থাত ফেচিবাদী শাসনৰ সম্পূর্ণ নিয়ন্ত্রণ আছিল। শিক্ষাৰ লক্ষ্য আছিল যুৱ প্রজন্মৰ মাজত জাতীয়তাবাদী মনোভাৱ আৰু চৰিত্র গঠন। ই সম্পূর্ণ ৰাষ্ট্রব্যৱস্থাৰ নিয়ন্ত্রণত আছিল। অধ্যাপকসকলে ফেচিবাদী শাসনৰ প্রতি নিজৰ আনুগত্য বজাই ৰাখিবলৈ আৰু ছাত্র-ছাত্রীৰ মনত ফেচিবাদী আদর্শৰ বীজ সিঁচিবলৈ শপত ল'ব লাগিছিল।
- ফেচিবাদে চিন্তা কৰা, মনৰ ভাৱ প্রকাশ কৰা আৰু লিখাৰ অনুমতি নিদিয়ে। প্রেছ, কিতাপ প্রকাশন, ৰেডিঅ', চিনেমা জগত, সংগীত, কলা আদিৰ ওপৰত কঠোৰ প্রতিবন্ধকতা

প্রদান কৰা হৈছিল। ফেচিবাদী শাসনত কোনো ধৰণৰ সভা অনুষ্ঠিত কৰাৰ স্বাধীনতা, সংগঠনৰ স্বাধীনতা প্রদান কৰা হোৱা নাছিল। ধর্মঘট নিষিদ্ধ আছিল।

- ফেচিবাদে ব্যক্তিত্ব পূজনত বিশ্বাস কৰিছিল। নেতাসকলক অতিমানৱীয় গুণৰ অধিকাৰী বীৰ হিচাপে পূজা কৰা হৈছিল। ইটালীত মুছুলিনীক আৰু জার্মানীত হিটলাৰক তেওঁলোকৰ অনুগামীসকলে দেৱতাৰ দৰে পূজা কৰিছিল।
- ফেচিবাদে সাম্রাজ্যবাদ আৰু সামৰিকতাবাদত বিশ্বাস কৰে। দমন কৰিব পৰা শক্তিশালী সামৰিক বাহিনী গঢ়ি তোলাটোৱেই আছিল ফেচিবাদৰ চিন। ফেচিবাদৰ এটা উল্লেখনীয় দিশ হ'ল ৰাষ্ট্রৰ ভিতৰত নিয়ন্ত্রণ বর্তাই ৰাখিবলৈ আৰু ভূখণ্ডীয় সম্প্রসাৰণৰ বাবে সামৰিক শক্তিৰ ব্যৱহাৰ।
- নিগমসমূহ আছিল সমাজৰ সমগ্র অর্থনৈতিক, সামাজিক আৰু ঔদ্যোগিক জীৱনৰ ওপৰত কঠোৰ চৰকাৰী নিয়ন্ত্রণৰ আহিলা। তেওঁলোক স্বাধীন সংস্থা নাছিল। সেইবোৰ আছিল কেৱল ৰাষ্ট্রক গৌৰৱান্বিত কৰা আৰু জীৱনক অনুশাসিত কৰাৰ উপায়। এই নিগমসমূহক আইনৰ দৃষ্টিত স্বায়ত্তশাসিত বুলি ঘোষণা কৰা হৈছিল যদিও প্রকৃত কার্যক্ষেত্রত এই নিগমসমূহ ৰাষ্ট্রৰ দ্বাৰা পৰিচালিত হৈছিল।

১৩.৪.১ ফেচিবাদৰ কর্তন

কৃতিত্বৰ পিছতো ফেচিবাদ বেছিদিনলৈ টিকি থাকিব নোৱাৰিলে। যিহেতু ই গণতন্ত্র বিৰোধী, উদাৰতাবাদ বিৰোধী, সমাজবাদ বিৰোধী, আন্তর্জাতিকতাবাদ বিৰোধী, স্বাধীনতা বিৰোধী, শ্রমিক বিৰোধী, আদর্শবাদ বিৰোধী, আৰু বৌদ্ধিকতাবাদ বিৰোধী আছিল, সেয়েহে ই আগবাঢ়িব পৰা নাছিল। ফেচিবাদী চিন্তাধাৰাৰ বিভিন্ন আসোঁৱাহসমূহৰ বাবেই দ্বিতীয় বিশ্বযুদ্ধই ফেচিবাদৰ বাবে মৃত্যুৰ কুঁৰা খান্দিছিল। ইয়াৰ কোনো সু-সংহত দর্শন নাছিল। ই আছিল মাথোঁ আত্মাবিহীন শৰীৰ, অসামঞ্জস্যৰে ভৰা মতবাদ। শেষত ক'ব পাৰি যে একনায়কত্ববাদে নিজেই নিজৰ ধ্বংসৰ বীজ সিঁচিছিল।

যদিও আন্দোলন হিচাপে ফেচিবাদ বর্তমান মৃত, কিন্তু মত হিচাপে ফেচিবাদ এতিয়াও জীয়াই আছে আৰু যেতিয়ালৈকৈ স্বৈৰাচাৰী ব্যক্তিত্বৰ ঠাই গণতান্ত্রিক ব্যক্তিত্বই ল'ব নোৱাৰে আৰু মানুহে গণতান্ত্রিকভাৱে জীয়াই থাকিবলৈ শিকিব নোৱাৰে তেতিয়ালৈকে ই জীয়াই থাকিব। ফেচিবাদী মতধাৰণাক স্থায়ীভাৱে অক্ষম কৰিবলৈ গণতান্ত্রিক শক্তি শক্তিশালী কৰা আৰু গণতান্ত্রিক প্রক্রিয়া চোকা কৰাটো অতি প্রয়োজনীয়। ফেচিবাদ আঁতৰাবলৈ হ'লে অতি কম বয়সতে ব্যক্তিৰ মনত গণতান্ত্রিক মূল্যবোধৰ বীজ সিঁচিব লাগিব আৰু ৰাষ্ট্রই সদায় নিশ্চিত কৰিব লাগিব যে সকলো নাগৰিককে যাতে ন্যায় প্রদান কৰা হয় আৰু ন্যায্য ব্যৱহাৰ কৰা হয়। ন্যায় আৰু সমতাৰ সংস্কৃতিয়ে ফেচিবাদী প্রৱণতাক সদায় আঁতৰ কৰি ৰাখিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ ফেচিবাদৰ চাৰিটা বৈশিষ্ট্যৰ বিষয়ে আলোচনা কৰা।



১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ইংৰাজী Fascism শব্দটো লেটিন 'Fasces' ৰ পৰা লোৱা হৈছে যাৰ অর্থ হৈছে 'Bundle' বা 'মুঠি'। প্রাচীন ৰোমত এখন কুঠাৰৰ সৈতে এমুঠি ৰ'ডক কর্তৃত্বৰ চিন বুলি গণ্য কৰা হৈছিল, য'ত জীৱন আৰু মৃত্যুৰ শক্তি অন্তর্ভুক্ত আছিল। উদাৰতাবাদ আৰু গণতন্ত্রৰ বিৰুদ্ধে প্রতিক্রিয়া হিচাপে বিংশ শতিকাত ফেচিবাদৰ উত্থান ঘটিছিল। ইটালীত বেটিনো মুছুলিনীৰ সমর্থকসকলে ফেচিবাদ শব্দটো গ্রহণ কৰিছিল।
- প্রথম বিশ্বযুদ্ধৰ পিছত ইটালীত ফেচিবাদৰ উত্থান ঘটে। যদিও ইটালী প্রথম বিশ্বযুদ্ধৰ অন্যতম বিজয়ী আছিল, তথাপিও ১৯১৯ চনৰ ভার্চাইল চুক্তিৰ দ্বাৰা বিজয়ৰ ফল লাভৰ পৰা বঞ্চিত হৈছিল। এই স্পর্শকাতৰ বিষয়সমূহৰ ওপৰত মুছুলিনীয়ে জনসাধাৰণক সংগঠিত কৰি ১৯১৯ চনত এটা দল গঠন কৰিছিল। ১৯২২ চনত ফেচিষ্টসকলে ৰোমলৈ যাত্রা কৰে। ইটালীৰ গণতান্ত্রিক চৰকাৰে এই পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ সক্ষম নহ'ল। সেয়েহে ইটালীৰ ৰজাই মুছুলিনীক চৰকাৰ গঠনৰ বাবে আমন্ত্রণ জনায়। যথাসময়ত মুছুলিনীয়ে ইটালীত ফেচিষ্ট ৰাষ্ট্র প্রতিষ্ঠা কৰে।
- ইটালীত মুছুলিনীক ফেচিবাদৰ ঈশ্বৰতুল্য পথপ্রদর্শক হিচাপে অভিহিত কৰা হয়।
- ফেচিবাদীসকলে ৰাষ্ট্রখনক গৌৰৱান্বিত কৰিছিল। ফেচিবাদীসকলে চৰম জাতীয়তাবাদত বিশ্বাস কৰিছিল। তেওঁলোকৰ মতে ৰাষ্ট্রৰ এটা ব্যক্তিত্ব আছে আৰু নিজৰ এটা অন্ত আছে। ফেচিবাদীসকলে ৰাষ্ট্রৰ প্রতি ভক্তিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ব্যক্তিসকলৰ এটা অর্থ আৰু অস্তিত্ব আছিল কেৱল জাতিৰ স্বার্থৰ প্রেক্ষাপটত।
- ফেচিবাদী ৰাষ্ট্রৰ প্রকৃতি সর্বাত্মক। ৰাজনীতি, অর্থনীতি, শিল্প, সাহিত্য, শিক্ষা আৰু ধর্ম এই সকলোৱে ৰাষ্ট্রৰ প্রয়োজনীয়তা পূৰণ কৰে।
- ফেচিবাদীসকলৰ মতে তথাকথিত ব্যক্তিগত অধিকাৰ অযুক্তিকৰ কথা। ব্যক্তিৰ কেৱল কর্তব্যহে থাকে। কর্তব্য, অনুশাসন আৰু ত্যাগ ব্যক্তিৰ পৰা দাবী কৰা হয়। ৰাষ্ট্র একেবাৰে সার্বভৌম। ৰাষ্ট্রত মজুত থকা সকলো শক্তিক ৰাষ্ট্রই আধিপত্য বিস্তাৰ কৰিব লাগিব, সমন্বয় সাধন কৰিব লাগিব, কঠিন কৰি তুলিব লাগিব আৰু সামাজিক জীৱনৰ শেষ পর্যায়লৈ নির্দেশনা দিব লাগিব। ৰাষ্ট্রই প্রতিটো ক্ষেত্রতে ৰাষ্ট্রীয় কার্যকলাপৰ সভাপতিত্ব আৰু পৰিচালনা কৰিব লাগিব।

- ফেচিবাদী ৰাষ্ট্ৰ সৰ্বাত্মক আৰু স্বৈৰাচাৰী। ফেচিবাদীসকলৰ মতে ৰাষ্ট্ৰ আৰু চৰকাৰৰ উৎপত্তি সদায় বিজয়ৰ পৰাই হয়, কোনো স্বেচ্ছামূলক চুক্তিত নহয়। সন্মতিতকৈ বলপূৰ্বকভাৱে ৰাষ্ট্ৰখন বজাই ৰাখিব পাৰি।
- চূড়ান্ত সাৰ্বভৌমত্ব জনসাধাৰণৰ ওপৰত নিৰ্ভৰশীল আৰু চৰকাৰে জনসাধাৰণৰ পৰাই নিজৰ কৰ্তৃত্ব লাভ কৰে বুলি কোৱা পুৰণি উদাৰতাবাদী শ্লোগানক ফেচিবাদীসকলে নাকচ কৰে। ফেচিবাদীসকলে ব্যক্তি সাৰ্বভৌমত্ব সিদ্ধান্তক নাকচ কৰে আৰু বিকল্পৰূপে ৰাষ্ট্ৰৰ সাৰ্বভৌমত্বক প্ৰাধান্য দিয়ে। ৰাষ্ট্ৰত থকাৰ বাবেহে ব্যক্তি এজন ব্যক্তি হৈ আছে। ব্যক্তিৰ অবিচ্ছেদ্য অধিকাৰ বুলি কোনো বস্তু নাই।
- ফেচিবাদীসকল গণতন্ত্ৰ আৰু উদাৰতাবাদৰ ঘাই শত্ৰু আছিল। সংসদীয় চৰকাৰৰ ওপৰত তেওঁলোকৰ কোনো বিশ্বাস নাছিল। তেওঁলোকে গণতন্ত্ৰক অকামিলা, দুৰ্নীতিগ্ৰস্ত, লেহেমীয়া, অদূৰদৰ্শী, অবাস্তৱ, অদক্ষ আৰু ক্ষয়িষ্ণু মৃতদেহ বুলি অভিহিত কৰে। সংসদে আলোচনাহে কৰে, কিন্তু দেশক আলোচনাৰ প্ৰয়োজন নাই, কাৰ্যৰহে প্ৰয়োজন। গণতন্ত্ৰতকৈ স্বেচ্ছাচাৰীতাবাদ ভাল।
- ফেচিবাদে চিন্তা কৰা, মনৰ ভাৱ প্ৰকাশ কৰা আৰু লিখাৰ অনুমতি নিদিয়ে। প্ৰেছ, কিতাপ প্ৰকাশন, ৰেডিঅ', চিনেমা জগত, সংগীত, কলা আদিৰ ওপৰত কঠোৰ প্ৰতিবন্ধকতা প্ৰদান কৰা হৈছিল। ফেচিবাদী শাসনত কোনো ধৰণৰ সভা অনুষ্ঠিত কৰাৰ স্বাধীনতা, সংগঠনৰ স্বাধীনতা প্ৰদান কৰা হোৱা নাছিল। ধৰ্মঘট নিষিদ্ধ আছিল।
- নিগমসমূহ আছিল সমাজৰ সমগ্ৰ অৰ্থনৈতিক, সামাজিক আৰু ঔদ্যোগিক জীৱনৰ ওপৰত কঠোৰ চৰকাৰী নিয়ন্ত্ৰণৰ আহিলা। তেওঁলোক স্বাধীন সংস্থা নাছিল। সেইবোৰ আছিল কেৱল ৰাষ্ট্ৰক গৌৰৱান্বিত কৰা আৰু জীৱনক অনুশাসিত কৰাৰ উপায়। এই নিগমসমূহক আইনৰ দৃষ্টিত স্বায়ত্তশাসিত বুলি ঘোষণা কৰা হৈছিল যদিও প্ৰকৃত কাৰ্যক্ষেত্ৰত এই নিগমসমূহ ৰাষ্ট্ৰৰ দ্বাৰা পৰিচালিত হৈছিল।
- কৃতিত্বৰ পিছতো ফেচিবাদ বেছদিনলৈ টিকি থাকিব নোৱাৰিলে। যিহেতু ই গণতন্ত্ৰবিৰোধী, উদাৰতাবিৰোধী, সমাজবাদ বিৰোধী, আন্তৰ্জাতিকতা বিৰোধী, আদৰ্শবাদ বিৰোধী, আৰু বৌদ্ধিকতাবাদ বিৰোধী আছিল, সেয়েহে ই আগবাঢ়িব পৰা নাছিল। বিভিন্ন অভাৱৰ বাবেই দ্বিতীয় বিশ্বযুদ্ধই ফেচিবাদৰ বাবে মৃত্যুৰ কুঁৱা খান্দিছিল। ইয়াৰ কোনো সুসংহত দৰ্শন নাছিল। ই আছিল মাথোঁ আত্মাবিহীন শৰীৰ, অসামঞ্জস্যৰে ভৰা মতবাদ। শেষত ক'ব পাৰি যে একনায়কত্ববাদে নিজেই নিজৰ ধ্বংসৰ বীজ সিঁচিছে।
- যদিও আন্দোলন হিচাপে ফেচিবাদ বৰ্তমান মৃত, কিন্তু মত হিচাপে ফেচিবাদ এতিয়াও জীয়াই আছে। আৰু যেতিয়ালৈকে স্বৈৰাচাৰী ব্যক্তিত্বৰ ঠাই গণতান্ত্ৰিক ব্যক্তিত্বই ল'ব নোৱাৰিব আৰু মানুহে গণতান্ত্ৰিকভাৱে জীয়াই থাকিবলৈ শিকিব নোৱাৰে তেতিয়ালৈকে ই জীয়াই থাকিব। ফেচিবাদী মতধাৰণাক স্থায়ীভাৱে অক্ষম কৰিবলৈ গণতান্ত্ৰিক শক্তি শক্তিশালী কৰা আৰু গণতান্ত্ৰিক প্ৰক্ৰিয়া চোকা কৰাটো অতি প্ৰয়োজনীয়।



১৩.৬ অধিক জানিবলৈ

১) Coker. Francis William - Readings in Political Philosophy, Nabu Press.

২) Nelson, Bpian R. (2006) Western Political Education.

৩) Sabine G.N. (1973). History of Political Thought. New Delhi: Oxford and IBH.

৪) Sharma, S.K. and Sharma, Urmila (2003). Western Political Thought - From Plato to Burke - Atlantic.



১৩.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ইংৰাজী Fascism শব্দটো লেটিন শব্দ "Fasces' ৰ পৰা লোৱা হৈছে যাৰ অর্থ হৈছে 'Bundle' বা 'মুঠি'। প্রাচীন ৰোমত এখন কুঠাৰৰ সৈতে এমুঠি ৰ'ডক কর্তৃত্বৰ চিন বুলি গণ্য কৰা হৈছিল। য'ত জীৱন আৰু মৃত্যুৰ শক্তি অন্তর্ভুক্ত আছিল। উদাৰতাবাদ আৰু গণতন্ত্রৰ বিৰুদ্ধে প্রতিক্রিয়া হিচাপে বিংশ শতিকাত ফেচিবাদৰ উত্থান হৈছিল। ইটালীত বেনিটো মুছলিনীৰ সমর্থকসকলে 'ফেচিবাদ' শব্দটো গ্রহণ কৰিছিল।

২ নং প্রশ্নৰ উত্তৰ ঃ ফেচিবাদৰ কেইটামান সংজ্ঞা হৈছে —

(ক) **বেনষ্টেইন ঃ** "ইয়াৰ প্রয়োজনীয়তাসমূহৰ পৰা আঁতৰাই ৰাখিলে, ফেচিবাদ হৈছে তীব্র জাতীয়তাবাদী, সমাজবাদী, সামৰিকতাবাদী আৰু সাম্রাজ্যবাদী একক দলীয় একনায়কত্ববাদৰ দ্বাৰা চৰকাৰ আৰু সমাজৰ সর্বাত্মক সংগঠন।"

(খ) **ৰেবষ্টাৰছ নিশ্রীউ ৰৰ্ল্ড ডিকচনেৰী ঃ** "ফেচিবাদ হৈছে এক একনায়কত্ববাদ, যুদ্ধংদেহী জাতীয়তাবাদ, বর্ণবাদ, সামৰিকতাবাদ আদিৰ বৈশিষ্ট্যপূর্ণ এক চৰকাৰ ব্যৱস্থা, যিটো ১৯২২ চনত ইটালীত প্রথমবাৰৰ বাবে প্রতিষ্ঠা কৰা হৈছিল।"

(গ) **মুছলিনী ঃ** "ফেচিবাদ বাস্তৱৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠে, আমি নিশ্চিত আৰু বাস্তৱ হ'ব বিচাৰোঁ। আমাৰ কার্যসূচী কথাৰে নহয়, কার্যৰেহে। মুছলিনীয়ে ফেচিবাদক ব্যাখ্যা কৰি এইদৰে কৈছে যে "আমাৰ ফেচিষ্টসকলৰ ইমানখিনি সাহস আছে যে আমি সকলোধৰণৰ পৰম্পৰাগত ৰাজনৈতিক তত্ত্বক বাতিল কৰিব পাৰো আৰু আমি অভিজাত আৰু গণতন্ত্রবাদী, বিপ্লৱী আৰু প্রতিক্রিয়াশীল, সর্বহাৰা আৰু সর্বহাৰা বিৰোধী, শান্তিবাদ আৰু শান্তিবাদীৰ বিৰোধী। মাথোঁ এটা স্থিৰ কেন্দ্রীয় বিন্দু আছে— ৰাষ্ট্র, বাকীখিনি দেখা-দেখিহে।"

৩ নং প্রশ্নৰ উত্তৰ ঃ (ক) ফেচিবাদীসকলে ৰাষ্ট্রখনক গৌৰৱান্বিত কৰিছিল। ফেচিবাদীসকলে

চৰম জাতীয়তাবাদত বিশ্বাস কৰিছিল। তেওঁলোকৰ মতে ৰাষ্ট্ৰৰ এটা ব্যক্তিত্ব আছে আৰু নিজৰ এটা অন্ত আছে। ফেচিবাদীসকলে ৰাষ্ট্ৰৰ প্ৰতি ভক্তিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ব্যক্তিসকলৰ এটা অৰ্থ আৰু অস্তিত্ব আছিল কেৱল জাতিৰ অস্তিত্বৰ প্ৰেক্ষাপটত।

(খ) ফেচিবাদী ৰাষ্ট্ৰৰ প্ৰকৃতি সৰ্বাত্মক। ৰাজনীতি, অৰ্থনীতি, শিল্প, সাহিত্য, শিক্ষা আৰু ধৰ্ম এই সকলোৰে ৰাষ্ট্ৰৰ প্ৰয়োজনীয়তা পূৰণ কৰে। ফেচিবাদে জাতিটোক চূড়ান্ত, নৈতিক সত্তা হিচাপে গ্ৰহণ কৰিছিল, ব্যক্তিগত স্বাৰ্থ আৰু দলীয় স্বাৰ্থ ৰাষ্ট্ৰৰ স্বাৰ্থৰ অধীন হ'ব লাগিব।

(গ) ফেচিবাদীসকলৰ মতে তথাকথিত ব্যক্তিগত অধিকাৰ অযুক্তিকৰ কথা। ব্যক্তিৰ কেৱল কৰ্তব্যহে থাকে। কৰ্তব্য, অনুশাসন আৰু ত্যাগ ব্যক্তিৰ পৰা দাবী কৰা হয়। ৰাষ্ট্ৰ একেবাৰে সাৰ্বভৌম। ৰাষ্ট্ৰত মজুত থকা সকলো শক্তিক ৰাষ্ট্ৰই আধিপত্য বিস্তাৰ কৰিব লাগিব, সমন্বয় সাধন কৰিব লাগিব, কঠিন কৰি তুলিব লাগিব আৰু সামাজিক জীৱনৰ শেষ পৰ্যায়লৈ নিৰ্দেশনা দিব লাগিব। ৰাষ্ট্ৰই প্ৰতিটো ক্ষেত্ৰতে ৰাষ্ট্ৰীয় কাৰ্যকলাপৰ সভাপতিত্ব আৰু পৰিচালনা কৰিব লাগিব।

(ঘ) ফেচিবাদী ৰাষ্ট্ৰ সৰ্বাত্মক আৰু স্বৈৰাচাৰী। ফেচিবাদীসকলৰ মতে ৰাষ্ট্ৰ আৰু চৰকাৰৰ উৎপত্তি সদায় বিজয়ৰ পৰাই হয়, কোনো স্বেচ্ছামূলক চুক্তিত নহয়। সন্মতিতকৈ বলপূৰ্বকভাৱে ৰাষ্ট্ৰখন বজাই ৰাখিব পাৰি।



১৩.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ উপযুক্ত সংজ্ঞাৰ সৈতে ফেচিবাদৰ অৰ্থ আলোচনা কৰা।

প্ৰশ্ন ২ ঃ ফেচিবাদৰ বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰা।

প্ৰশ্ন ৩ ঃ বৰ্তমান সময়ত ফেচিবাদৰ প্ৰাসংগিকতা আছেনে? আলোচনা কৰা।

প্ৰশ্ন ৪ ঃ ফেচিবাদৰ উত্থানৰ নিয়ন্ত্ৰণৰ উপায়সমূহ ব্যাখ্যা কৰা।

*** ***** ***

অধ্যায় ১৪ ঃ মিচেল ফ'ক' আৰু নোয়াম চমস্কি

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ ক্ষমতা সম্পর্কে মিচেল ফ'ক'ৰ মতামত
১৪.৪ 'জ্ঞানেই হৈছে শক্তি' সম্পর্কে মিচেল ফ'ক'ৰ মতামত
১৪.৫ সন্মতি নির্মাণ আৰু প্রচাৰ সম্পর্কে নোয়াম চমস্কিৰ মতামত
১৪.৬ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ
১৪.৭ অধিক জানিবলৈ
১৪.৮ অগ্রগতিৰ খতিয়ান
১৪.৯ আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ফ'ক'ৰ ক্ষমতাৰ ধাৰণাটো ব্যাখ্যা কৰিব পাৰিব
- ফ'ক'ৰ জ্ঞানেই হৈছে শক্তি ধাৰণাটো বর্ণনা কৰিব পাৰিব
- চমস্কিৰ উৎপাদনৰ সন্মতি ধাৰণাটো ব্যাখ্যা কৰিব পাৰিব
- প্রচাৰে কেনেকৈ কাম কৰে বর্ণনা কৰিব পাৰিব।

১৪.২ পৰিচয়

উত্তৰ আধুনিকতাবাদ আৰু উত্তৰ গাঁথনিবাদৰ সৈতে মিচেল ফ'ক' আৰু নোয়াম চমস্কিৰ নাম ওতপোতঃ ভাৱে জড়িত। দুয়োজনে নিয়ন্ত্রণৰ বিষয়ে একে দিশতে বিভিন্ন কথা কয়। চমস্কি আৰু ফ'ক'ই আধুনিক ৰাষ্ট আৰু সমাজসমূহে যি তীব্রতাৰে কাম কৰে তাক গভীৰভাৱে অধ্যয়ণ কৰিছে। সমসাময়িক সময়ত নিয়ন্ত্রণ ব্যৱস্থাবোৰে কেনেদৰে কাম কৰে সেই কথা তেওঁলোকে নিজৰ অধ্যয়ণৰ জৰিয়তে উন্মোচন কৰিছে। আধুনিক ৰাষ্ট্রত উৎপাদনৰ বাবে যে সন্মতি ল'ব লাগে সেই কথা চমস্কিয়ে নিজৰ অধ্যয়ণৰ জৰিয়তে প্রকাশ কৰিছিল আৰু আনহাতে ফ'ক'ই জ্ঞান-শক্তি বিষয় দুটা ইটো সিটোৰ সৈতে জড়িত সেয়া আৱিস্কাৰ কৰিছিল। দুয়োজন পণ্ডিতে নিজৰ তত্ব আৰু অধ্যয়নৰ দ্বাৰা আধুনিক সমাজসমূহে কেনেদৰে কাম কাজ কৰে তাৰ ওপৰত থকা বহুতো বিভ্রান্তি, সন্দেহ আৰু গোপনীয়তা দূৰ কৰি দেখাইছিল।

মিচেল ফ'ক'ৰ (১৯২৬-১৯৮৪) জন্ম হয় ফ্রান্সৰ পাউটার্ছত। তেওঁ এজন সন্মানীয় চিকিৎসকৰ পুত্র আছিল। ফ'ক'ৰে স্কুলীয়া দিনত বিশেষ পাৰদর্শিতা প্রদর্শন কৰিবপৰা নাছিল,

কলেজীয়া দিনতহে তেওঁ নিজৰ পাৰদর্শিতা দেখুওৱাবলৈ সক্ষম হৈছিল আৰু তাৰ পৰিৱর্তি সময়ত তেওঁ ফ্রান্সৰ আটাইতকৈ প্রসিদ্ধ বিশ্ববিদ্যালয়ত নামভর্ত্তি কৰিবলৈ সক্ষম হৈছিল। মনোবিজ্ঞান আৰু দর্শনত তেখেতে ডিগ্রী লাভ কাৰিছিল। তথাপি তেওঁ যি শৈক্ষিক মর্য্যদা সেয়া সহজে লাভ কৰা নাছিল। প্রচুৰ অধ্যৱসায় আৰু একাগ্রতা অন্তত তেওঁ নিজৰ এক পৰিচয় শৈক্ষিক জগতত প্রতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল।

ফ'ক'ই শিক্ষাৰ প্রতিটো বিষয় তথা বিভাগলৈ নিজৰ তত্বসমূহৰ জৰিয়তে অৰিহণা আগবঢ়াইছিল। যদিও প্রথম অৱস্থাত তেওঁ কোনো বিশেষ স্থান পাবলৈ সক্ষম হোৱা নাছিল কিন্তু পিছৰ পর্যায়ত তেওঁ ফ্রান্সৰ এগৰাকী উল্লেখযোগ্য বুদ্ধিজীৱী হিচাপে স্বীকৃতি লাভ কৰিছিল। ১৯৬১ চনত তেখেতৰ 'উন্মাদনা' (Madness) শীর্ষক ধাৰণাটোৱে ভাল সমাদৰ লাভ কৰে আৰু তাৰ পিছৰ পর্যায়ত তেওঁ পশ্চিমীয়া বিভিন্ন বিষয় যেনে চিকিৎসা বিজ্ঞান, কাৰাগাৰ, ধর্ম ইত্যাদিৰ ওপৰত বহুতো গুৰুত্বপূর্ণ গ্রন্থ ৰচনা কৰে। ইয়াৰ ওপৰিও বহুতো বিমূর্ত ধাৰণা যেনে - ক্ষমতা, জ্ঞান, যৌনতা, আত্মত্ব ইত্যাদিৰ ওপৰতো বিভিন্ন ৰচনামূলক কাম কৰিছিল। যি সমূহ যথেষ্ট গুৰুত্বপূর্ণ আছিল বৌদ্ধিক জগত খনলৈ। ফ'ক'ৰ ধাৰণাসমূহৰ পৰিসৰৰ মাত্রা যথেষ্ট আছিল যদিও মূলত প্রতিটো ধাৰণাই জ্ঞান যে শক্তিৰ লগত এৰাব নোৱাৰাকৈ জড়িত সেই কথাই প্রতিপন্ন কৰিব বিচাৰিছিল।

নোয়াম চমস্কি আছিল এজন প্রসিদ্ধ ভাষাবিদ, ইতিহাসবিদ, দার্শনিক, ৰাজনৈতিক কর্মী আৰু সমাজ সমালোচক। শৈক্ষিক জগতখনলৈ তেখেতৰ অৱদান যথেষ্ট আছিল। ১৯৫৫ চনৰ পৰা এজন ইনষ্টিটিউতৰ অধ্যাপক ইমেৰিটাছ হিচাপে মেচাচুচেটছ ইনষ্টিটিউত অৱ টেকন'লজি (MIT) ত কাম কৰি আহিছে। তেওঁ ভাষাবিজ্ঞান, গণমাধ্যম ৰাজনীতি আৰু যুদ্ধৰ বিষয়ৰ ওপৰত ১০০ খনতকৈও অধিক গ্রন্থ ৰচনা কৰিছে। তেওঁৰ জন্ম ১৯২৮ চনৰ ৭ ডিচেম্বৰত ফিলাডেলফিয়াত হৈছিল আৰু তেওঁৰ সম্পূর্ণ নাম আছিল অব্রাম নোয়াম চমস্কি। তেওঁৰ পিতৃ-মাতৃ হিব্রু পণ্ডিত আছিল আৰু চমস্কি আৰু তেওঁৰ ভাতৃ ইহুদী সংস্কৃতিৰ মাজত ডাঙৰ-দীঘল হৈছিল। চমস্কিৰ মাতৃ বাওঁপন্থী প্রৱণতাত বিশ্বাসী আছিল আৰু তাৰ প্রভাৱতেই চমস্কি সামাজিক আৰু ৰাজনৈতিক বিষয় সমূহৰ প্রতি আগ্রহী হৈছিল। চমস্কি বহুতো বিষয়ৰ বিশেষজ্ঞ আছিল আৰু তেওঁৰ ধাৰণাসমূহে মূল বিষয় তথা সমস্যা অধিক উজ্জ্বল কৰি প্রকাশ কৰিব পাৰিছিল। সেয়েহে চমস্কিৰ জীৱনী লিখা Wolfgang B. Sperlich নামৰ লেখকজনে কৈছে যে চমস্কি হ'ল 'one of the most notable contemporary champions of people.' আকৌ Arundhati Roy য়ে কৈছে যে চমস্কি হ'ল 'one of the greatest, most radical public thinkers of our time.'

১৪.৩ ক্ষমতা সম্পর্কে মিচেল ফ'ক'ৰ মতামত

ক্ষমতা সম্পর্কে ফ'ক'ৰ ধাৰণাক এক নতুন চিন্তাৰ উন্মেষ বুলি কব পাৰি। কিয়নো ক্ষমতাৰ পৰম্পৰাগত অন্যান্য ধাৰণাসমূহতকৈ তেওঁৰ ধাৰণা পৃথক আছিল। ক্ষমতাৰ পৰম্পৰাগত ধাৰণাই মূলত জোৰ জবৰদস্তি বা বাহুবলৰ পোষকতা কৰিছিল কিন্তু ফ'ক'য়ে ক্ষমতাৰ এক নতুন

মডেল গঢ়ি তুলিছিল। ফ'ক'ৰ ক্ষমতাৰ ধাৰণাই কেৱল গাথনিক দিশটোতে সমীবদ্ধ নাথাকি ক্ষমতাৰ অন্যান্য দিশবোৰো চালি জাৰি চাইছিল। ফ'ক'ই পৰম্পৰাগত ক্ষমতাৰ ধাৰণাক কেৱল কেইজনমান লোকৰ হাততে সীমাবদ্ধ থাকে বুলি সমালোচনা কৰিছে। তেওঁৰ মতে ক্ষমতা কেৱল কেইজন মান লোকৰ মাজতে সীমাবদ্ধ থাকিব নোৱাৰে, তেওঁৰ মতে "ক্ষমতা সকলোতে আছে" (power is everywhere)। এই ধাৰণাটোৱে ইয়াকে বুজায় যে ফ'ক'ই ক্ষমতাক কোনো এক এজেন্সী বা কোনো এটা গাঁথনিৰ মাজতে সীমাবদ্ধ কৰি ৰখা নাই। ফ'ক'ৰ বাবে ক্ষমতা হৈছে 'সত্যৰ শাসন ব্যৱস্থা' যি সমাজৰ সকলোতে প্ৰচলিত আৰু নিৰন্তৰ ভাৱে আৰু বুজাবুজিৰ জৰিয়তে চলি আছে। ক্ষমতা / জ্ঞানৰ দ্বৈততাই (dischotomy) প্ৰকৃততে বুজায় যে ক্ষমতা আহে জ্ঞানৰ গ্ৰহণযোগ্য ৰূপ আৰু সত্যৰ বৈজ্ঞানিক অৰ্থৰ পৰা। ফ'ক'ৰ মতে ক্ষমতা সকলোতে আছে আৰু ই আহে সকলোৱে পৰা। ফ'ক'ৰ কাৰণে ই আছিল এক জটিল ধাৰণা কাৰণ ক্ষমতাই মানুহৰ মাজত এক প্ৰকাৰৰ সম্পৰ্ক হিচাপে কাম কৰিছিল আৰু ই মানুহৰ আচৰণ গঢ় দিয়াটো গোপনভাৱে কাম কৰিছিল। তেওঁৰ মতে ক্ষমতাৰ কোনো নেতিবাচক প্ৰভাৱ নাছিল। ই কেৱল সত্যৰ উন্মেষণ কৰিছিল কোনো ধৰণৰ ছদ্মবেশ আৰু অস্পষ্ট ধাৰণা দিয়া নাছিল। তেওঁ কৈছিল যে 'It produces domains of objects and rituals of truth' ক্ষমতাৰ গুৰুত্ব বা তাৎপৰ্য ইয়াৰ চাৰিওফালৰ জগতৰ ওপৰত পৰা প্ৰভাৱৰ পৰ স্পষ্ট হৈ পৰিছিল। ই আনৰ আচৰণক প্ৰভাৱিত কৰে কিন্তু নিজেই কেতিয়াও প্ৰভাৱিত নহয়।

১৪.৪ জ্ঞানেই হৈছে শক্তি সম্পৰ্কে ফ'ক'ৰ মাতামত

ফ'ক'ৰ বাবে জ্ঞান আৰু ক্ষমতা বিচ্ছিন্ন ধাৰণা নহয়। যদিও জ্ঞান আৰু ক্ষমতা দুটা স্বতন্ত্ৰ ধাৰণ তথাপিও ফ'ক'ৰ বিশ্লেষণত দুয়োটাক অনিবাৰ্যভাৱে সম্পৰ্কিত কৰি দেখুওৱা হৈছে। তেওঁৰ বাবে জ্ঞান হৈছে ক্ষমতাৰ ব্যৱহাৰ আৰু ক্ষমতা হৈছে জ্ঞানৰ এটা কাৰ্য। ফ'ক'ই তেওঁৰ ধাৰবাহিক ৰচনা সমূহত জ্ঞানৰ ধাৰণা সম্পৰ্কে আলোচনা কৰিছিল। তেওঁৰ গ্ৰন্থ History of Sexuality ত তেওঁ জ্ঞান/শক্তিৰ ধাৰণাটোত স্পষ্ট ৰূপত উদাহৰণসহ দেখুৱাবলৈ যত্ন কৰিছিল। ফ'ক'এ জ্ঞান আৰু ক্ষমতাক একেটা মুদ্ৰাৰ ইপিঠি সিপিঠি হিচাপে দেখুৱাইছে। তেওঁ বিশ্বাস কৰিছিল যে জ্ঞান আৰু শক্তি দুয়োটা একে সময়তে সংকোচনশীল আৰু উৎপাদনশীল। গতিকে তেওঁৰ ক্ষমতাৰ ধাৰণা গতানুগতিক ক্ষমতাৰ ধাৰণাৰ বিপৰীত আছিল। মূলতঃ দুটা দিশৰ পৰা ফ'ক'ই পৰম্পৰাগত ক্ষমতাৰ ধাৰণাক সমালোচনা কৰিছিল — এটা হ'ল (ক) ক্ষমতাৰ অৰ্থনৈতিক অৰ্থ (খ) ক্ষমতাৰ ন্যায়িক অৰ্থ। তেওঁ স্পষ্টভাৱে কয় যে ক্ষমতাৰ অৰ্থনৈতিক আৰু ন্যায়িক বিশ্লেষণে ক্ষমতাক গণ্যৰ দৰে চৰিত্ৰ প্ৰদান কৰে আৰু চুক্তিৰ দ্বাৰা এজনৰ পৰা আন এজনলৈ অধিগ্ৰহণ বা বিনিময় কৰিব পৰাৰ যি ধাৰণা উদাৰবাদীসকলে দিছে তেওঁ তাৰ সম্পূৰ্ণ বিৰোধী। ক্ষমতাৰ ন্যায়িক তত্বসমূহৰ যি দমনমূলক বৈশিষ্ট্য সেইসমূহৰ তেওঁ সম্পূৰ্ণ বিৰোধী আছিল। সেই ন্যায়িক তত্বসমূহ পুনৰ বিশ্লেষণ বাবে তেওঁ পৰামৰ্শ আগবঢ়াইছিল।

ফ'ক'ই ক্ষমতাৰ ব্যৱহাৰৰ কথাও ব্যক্ত কৰিছিল আৰু ইয়াক বুজিবলৈ তেওঁ দুটা সীমা

নির্ধাৰণ কৰিছিল ঃ

ক) প্ৰথমটো জড়িত আছিল 'অধিকাৰৰ নিয়ম' যিয়ে আনুষ্ঠানিকভাৱে ক্ষমতাক বাধা দিয়ে।

খ) দ্বিতীয়টো জড়িত আছিল ক্ষমতাৰ দ্বাৰা গঠিত আৰু সংক্ৰমিত সত্য বা জ্ঞানৰ প্ৰভাৱৰ সৈতে যিয়ে বিনিময় হিচাপে পুনৰ ক্ষমতাৰ জন্ম দিয়ে।

সেয়েহে তেওঁ কৈছে যে তিনিটাৰ সংযোগত ক্ষমতা, অধিকাৰ আৰু জ্ঞানৰ উদ্ভাৱণ হয়।

তেওঁ ক্ষমতাৰ অর্থ আৰু সংজ্ঞা অর্থাৎ যি সমূহ সংজ্ঞাই ক্ষমতাক এজন ব্যক্তি বা এটা দলে আনক বশ কৰাৰ কাৰণে ব্যৱহাৰ কৰিছিল তেনে ধাৰণাৰ বিৰোধিতা কৰিছিল। তাৰ সলনি ই বিকশিত কৰাৰ লগতহে জড়িত বুলি দাবী কৰিছিল।

"We are subjected to the production of truth through power and we cannot excercise power except through the production of truth"

সহজ ভাষাত কবলৈ হলে সত্যতাক পদ্ধতি হিচাপে লৈ ক্ষমতাৰ ব্যৱহাৰ কৰা হয় আৰু এই সত্যতা প্ৰথমে বিদ্ধান সমাজে প্ৰমাণিত কৰিব লাগিব। জ্ঞান আৰ্জিবলৈ ফ'ক'এ মতে অন্যান্য ব্যক্তি বা উৎসৰ পৰা অহা সত্যতাসমূহক পৰীক্ষা কৰিব পাৰিব লাগিব। এটা সম্প্ৰদায়ে কি বস্তু বা বিষয়ক জ্ঞান বুলি নির্ধাৰণ কৰিব সেইটো ক্ষমতাৰ দ্বাৰাই সম্ভৱ। ক্ষমতা সেয়েহে সমাজৰ মাজেৰেই ঘূৰি থাকে আৰু ক্ষমতাৰ উৎপাদন আৰু পৰিচালন স্থানীয় পদ্ধতি আৰু চিন্তাৰ দ্বাৰা সমাজে পৰিচালিত কৰে। ফ'ক'ৰে ক্ষমতাৰ বিষয়ক লৈ চিন্তিত আছিল কাৰণ তেওঁ মানুহৰ স্বাধীনতাৰ প্ৰসংগৰ কথাত সচেতন আছিল। তেওঁ লিখিছিল যে ক্ষমতাই ব্যক্তিৰ একেবাৰে ৰন্ধে ৰন্ধে সোমাই যায়, তেওঁলোকৰ শৰীৰ স্পৰ্শ কৰে, তেওঁলোকৰ কার্য, মনোভাৱ, শিক্ষাৰ প্ৰক্ৰিয়াৰ লগতে দৈনন্দিন জীৱনতো প্ৰৱেশ কৰে।

সাধাৰণভাৱে কবলৈ হ'লে ফ'ক'ৰ মতে জ্ঞান হ'ল ক্ষমতাৰ এক প্ৰকাৰ আৰু সেই জ্ঞানেই ক্ষমতাৰ পৰা আহৰণ কৰিব পাৰি আৰু সেই ক্ষমতা আকৌ জ্ঞানৰ দিশে লৈ যায়। গতিকে তেওঁৰ বাবে জ্ঞান ক্ষমতাৰ এক অবিচ্ছেদ্যভাৱে জড়িত অংগ। তেওঁ এই ধাৰণাটো প্ৰকৃততে বেন্থামৰ পৰা লৈছিল। বিশেষকৈ বেন্থামৰ Panopticon ধাৰণাৰ পৰা ফ'ক'য়ে ক্ষমতাৰ আৰু জ্ঞানৰ ধাৰণা দিছিল।

panopticon আছিল এনে এক ব্যৱস্থা যত জেলৰ কয়দী বা বন্দীত্বসকলক প্ৰতক্ষ্যভাৱে শাস্তি দিয়াতকৈ এক নির্দিষ্ট দূৰত্বৰ পৰা কোনো দিগদাৰ নিদিয়াকৈ মনে মনে নিৰীক্ষণ কৰা হৈছিল। সেয়া কৰা হৈছিল যাতে তেওঁলোকে আভ্যন্তৰীণভাৱে শাস্তি পায় নিজক আভ্যন্তৰীণ ভাৱেই শুধৰণী কৰে। বিশেষকৈ আধুনিক গণতান্তিক দেশ সমূহত এনে কৰা হৈছিল।

ফ'ক'ই বেন্থামৰ এই ধাৰণাৰ পৰা প্ৰেৰণা লৈ ক্ষমতা-জ্ঞানৰ ধাৰণাত ইয়াক সংযুক্ত কৰিছিল। সমাজৰ আৰু মানুহৰ নিয়মানুৱর্তিতাৰ নিয়ন্ত্ৰণৰ বাবে তেওঁ Panopticon ৰ ধাৰণা ব্যৱহাৰ কৰিছে। ৰাষ্ট্ৰই মানুহ আৰু সমাজৰ ওপৰত দৃষ্টি ৰাখিব আৰু এই দৃষ্টি ৰখাৰ বাবে বহুতো জ্ঞান ৰাষ্ট্ৰই লাভ কৰিব আৰু সেই জ্ঞানে ৰাষ্ট্ৰক আকৌ শক্তিশালী আৰু ক্ষমতাশীল কৰিব।

ফ'ক'ৰ ক্ষমতাৰ বিশ্লেষণৰ দ্বাৰা আমি এই কথা গম পালো যে কেনেদৰে আধুনিক ৰাষ্ট্ৰ আৰু সমাজ নিয়ন্ত্ৰণ হয়। আধুনিক ৰাষ্ট্ৰত মানুহৰ প্ৰতিটো কামেই যে জ্ঞান যোগান ধৰে আৰু সেই জ্ঞানেই আকৌ ক্ষমতাৰ সৃষ্টি কৰে সেয়া নিশ্চিত হ'ব পৰা গ'ল। আধুনিক ট্ৰেকন'ল'জিয়েও ক্ষমতা-জ্ঞানৰ ধাৰণাটোক যথেষ্ট সমল প্ৰদান কৰিছে।

১৪.৫ সন্মতিৰ নিৰ্মাণ আৰু প্ৰচাৰ সম্পৰ্কে নোয়াম চমস্কিৰ মতামত

প্ৰচাৰৰ বিশেষ গুৰুত্ব ৰালটাৰ লিপমেনৰ 'সন্মতিৰ নিৰ্মাণ' ধাৰণাত অন্তনিহিত হৈ আছিল বুলি চমস্কিয়ে ব্যক্ত কৰিছিল। লিপমেনে ১৯২০ চনত লিখিছিল যে প্ৰচাৰ জনপ্ৰিয় চৰকাৰ (Popular Government) ৰ নিয়মীয়া অস্ত্ৰ হৈ পৰিছিল সেয়ে ইয়াৰ গুৰুত্ব আৰু তাৎপৰ্য্য কমি গৈছিল। চমস্কিয়ে মুক্ত ব্যৱস্থাত কেনেদৰে প্ৰচাৰে সন্মতিৰ নিৰ্মাণৰ প্ৰক্ৰিয়া বা পদ্ধতিতো কাম কৰে সেয়া মূলত বিশ্লেষণ কৰিছিল আৰু এই প্ৰক্ৰিয়াটোত যে সম্পূৰ্ণ ৰূপে বজাৰ চেতনা আৰু শক্তিৰ প্ৰভাৱ আছিল তাক ব্যক্ত কৰিছিল। সন্মতি নিৰ্মাণৰ যি প্ৰক্ৰিয়া তাত প্ৰচাৰৰ দায়িত্বত যিসকলক নিযুক্তি দিয়া হৈছিল তেওঁলোকক পূৰ্বপৰিকল্পিতভাৱে নিযুক্তি কৰা হয়। বজাৰ আৰু ৰাজনৈতিক শক্তিয়ে তেওঁলোকক নিয়ন্ত্ৰণ কৰে আৰু সেয়েহে যিকোনো সীমাবদ্ধতা বা বাধা তেনে প্ৰচাৰৰ লগত জড়িত ব্যক্তিৰ ওপৰত আৰোপ কৰিব পাৰে।

এনে গণ মাধ্যম সমূহ বহু সময়ৰ পৰা সংযোগ আৰু বিনোদনৰ বাবে কাম কৰি আছিল। বৰ্ত্তমান এনে প্ৰচাৰ/গণ মাধ্যম সমূহক ডাঙৰ উদ্দেশ্যৰ হেতু ব্যৱহাৰ কৰা হয়।

প্ৰচাৰৰ এক আৰ্হিৰ দ্বাৰা ব্যক্তিৰ মাজত এনে নীতি আৰু পৰম্পৰাৰ সৃষ্টি কৰিব বিচৰা হৈছিল যি এক বৃহত্তৰ সমাজৰ প্ৰতিষ্ঠানি গাঁথনি আৰু ধন সম্পত্তি তথা নিজস্বাৰ্থ সংঘৰ্ষক উদ্দেশ্য হিচাপে লৈ কাম কৰে।

চমস্কিয়ে ব্যক্ত কৰিছে যে যি সমূহ দেশৰ ক্ষমতা আমোলাতন্ত্ৰৰ (State bureaucracy) ৰ হাতত থাকে তাত গণ মাধ্যম/প্ৰচাৰৰ সম্পূৰ্ণ দখল চৰকাৰী চেন্সৰশ্বিপ ব্যৱস্থাৰ হাতত থাকে, যিয়ে গণমাধ্যমক অভিজাত বা প্ৰভাৱশালী গোষ্ঠীৰহে এক আহিলা হিচাপে পৰিণত কৰে।

গণ মাধ্যম বা প্ৰচাৰ মাধ্যমসমূহে যিকোনো বাতৰি ফিল্টাৰ কৰি বা ৰহণ সানি এটা পক্ষৰ লাভ হোৱাকৈ জনসাধাৰণৰ মাজত প্ৰচাৰ কৰে। চমস্কিয়ে এই ফিল্টাৰ সমূহ তলত ভাগ কৰাৰ দৰে দেখাইছে ঃ

(ক) আকাৰ, কেন্দ্ৰীভূত মালিকীস্বত্ব, মালিকৰ সম্পদ আৰু প্ৰভাৱশালী গণমাধ্যম প্ৰতিষ্ঠানৰ লাভ অভিমুখীতা।

(খ) বিজ্ঞাপন গণমাধ্যমৰ আয়ৰ প্ৰধান উৎস।

(গ) গণমাধ্যমৰ চৰকাৰ, ব্যৱসায় আৰু অভিজ্ঞসকলৰ ওচৰত বিত্তীয় সাহায্য আৰু অনুমোদনৰ বাবে তথা শক্তি আৰু মৌলিক উৎসৰ তথ্যৰ বাবে নিৰ্ভৰশীল।

(ঘ) সমালোচনা হ'ল সংবাদ বা গণ মাধ্যমৰ অনুশাসনৰ উপায়।

(ঙ) 'anti communism'ক জাতীয় ধৰ্ম আৰু নিয়ন্ত্ৰণ ব্যৱস্থা হিচাপে গণ্য কৰা।

গতিকে নিষ্কাষণৰ প্ৰক্ৰিয়াৰ দ্বাৰা সংবাদসমূহ জনগণৰ মাজলৈ নিয়া হয়। গতিকে

সন্মতি নির্মাণৰ ক্ষেত্রত গণ মাধ্যমে উচ্চ শ্রেণীৰ অস্ত্র হিচাপে কাম কৰে। যি কোনো বাতৰি উচ্চ শ্রেণীৰ পক্ষতেই যাতে সন্মতি বা সহাৰি আহে তাৰ বাবে নিষ্কাষণ কৰি মানুহৰ মাজত প্রচাৰ কৰা হয়। আৰু ইয়াকেই সন্মতি নির্মাণ হিচাপে নামাকৰণ কৰা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ফ'ক'ৰ ক্ষমতাৰ ধাৰণাক বহলাই আলোচনা কৰক।
(২০০ শব্দৰ ভিতৰত)

প্রশ্ন নং ২ ঃ চামস্কিৰ 'সন্মতি নির্মাণ' ধাৰণাটো বর্ণনা কৰক।
(২০০ শব্দৰ ভিতৰত)



১৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলো

- আমি এই অধ্যায়টোত ফ'ক' আৰু চমস্কিয়ে ক্ষমতাই কেনেদৰে সমাজ আৰু ৰাজনীতিত কাম কৰে তাৰ বিশ্লেষণ আৰু মূল্যায়ণসমূহ বুজিলো।
- এই অধ্যায়টোত দুয়োজন চিন্তাবিদে কেনেদৰে ক্ষমতাৰ বিভিন্ন ভাগ সমূহৰ উন্মেসন হয় আৰু সমাজত চলি থাকে তাৰ বিশ্লেষণ সমূহ বুজিলো। লগতে কেনেদৰে তেওঁলোকৰ ক্ষমতাৰ ধাৰণা পৰম্পৰাগত ধাৰণাতকৈ ভিন্ন সেয়া দেখিলো।
- ফ'ক'ই যে জ্ঞান-ক্ষমতাৰ দ্বৈততা বিশ্লেষণ কৰে তেতিয়া কয় যে দুয়োটা অনিবার্যভাৱে সংযুক্ত ধাৰণা আৰু ইটো সিটোৰ লগত ওতপোতঃ ভাৱে জড়িত, আনহাতে ইয়াক বিশ্লেষণ কৰে।
- চমস্কিয়ে সন্মতি কেনেকৈ নির্মাণ কৰা হয় আধুনিক ৰাষ্ট্রত বিশ্লেষণ কৰে। তেওঁ কয় যে ৰাষ্ট্রসমূহে গণমাধ্যম/প্রচাৰক সন্মতি নিমার্ণত ব্যৱহাৰ কৰে। ধনী (এলিট) শ্রেণীটোৱে কেনেদৰে সন্মতি আৰু ইয়াৰ নির্মাণ বা প্রস্তুত ব্যৱস্থাক নিয়ন্ত্রণ কৰে সেয়া বিশ্লেষণ কৰিছে।
- দুয়োজনেই আধুনিক ৰাষ্ট্রৰ সমসাময়িক কাম কাজ সমূহৰ বিশ্লেষণ আগবঢ়াই। চমস্কিৰ সন্মতি নির্মাণৰ বৃহত্তৰ ধাৰণাটো ৰাজনৈতিক আৰু অর্থনৈতিক দিশৰ লগত জড়িত আছিল। সাম্যবাদ বিৰোধ 'Anti Communism' ক তেওঁ জাতীয় ধর্ম আৰু নিয়ন্ত্রণৰ ব্যৱস্থা বুলি উল্লেখ কৰিছে।



১৪.৭ অধিক জানিবলৈ

- Foucault, Michel. (1979). Power/Knowledge. New York: Pantheon Books.
- Rai, Milan. (1995). Chomsky's Politics. New Delhi: Rawat Publications.



১৪.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ক্ষমতা সম্পর্কে ফ'ক'ৰ ধাৰণাক এক নতুন চিন্তাৰ উন্মেষ বুলি কব পাৰি। কিয়নো ক্ষমতাৰ পৰম্পৰাগত অন্যান্য ধাৰণাসমূহতকৈ তেওঁৰ ধাৰণা পৃথক আছিল। ক্ষমতাৰ পৰম্পৰাগত ধাৰণাই মূলত জোৰ-জবৰদস্তি বা বাহুবলৰ পোষকতা কৰিছিল কিন্তু ফ'ক'য়ে ক্ষমতাৰ এক নতুন মডেল গঢ়ি তুলিছিল। ফ'ক'ৰ ক্ষমতাৰ ধাৰণাই কেৱল গাথনিক দিশটোতে সমীবদ্ধ নাথাকি ক্ষমতাৰ অন্যান্য দিশবোৰো চালি জাৰি চাইছিল। ফ'ক'ই পৰম্পৰাগত ক্ষমতাৰ ধাৰণাক কেৱল কেইজনমান লোকৰ হাতত সীমাবদ্ধ থাকে বুলি সমালোচনা কৰিছে। তেওঁৰ মতে ক্ষমতা কেৱল কেইজন মান লোকৰ মাজতে সীমাবদ্ধ থাকিব নোৱাৰে, তেওঁৰ মতে "ক্ষমতা সকলোতে আছে" (power is everywhere)। এই ধাৰণাটোৱে ইয়াকে বুজায় যে ফ'ক'ই ক্ষমতাক কোনো এক এজেন্সী বা কোনো এটা গাঁথনিৰ মাজতে সীমাবদ্ধ কৰি ৰখা নাই। ফ'ক'ৰ বাবে ক্ষমতা হৈছে 'সত্যৰ শাসন ব্যৱস্থা' যি সমাজৰ সকলোতে প্রচলিত আৰু নিৰন্তৰ ভাৱে আৰু বুজাবুজিৰ জৰিয়তে চলি আছে। ক্ষমতা/জ্ঞানৰ দ্বৈততাই প্রকৃততে বুজায় যে ক্ষমতা আহে জ্ঞানৰ গ্রহণযোগ্য ৰূপ আৰু সত্যৰ বৈজ্ঞানিক অর্থৰ পৰা। ফ'ক'ৰ মতে ক্ষমতা সকলোতে আছে আৰু ই আহে সকলোৰে পৰা। ফ'ক'ৰ কাৰণে ই আছিল এক টিল ধাৰণা কাৰণ ক্ষমতাই মানুহৰ মাজত এক প্রকাৰৰ সম্পর্ক হিচাপে কাম কৰিছিল আৰু ই মানুহৰ আচৰণ গঢ় দিয়াটো গোপনভাৱে কাম কৰিছিল। তেওঁৰ মতে ক্ষমতাৰ কোনো নেতিবাচক প্রভাৱ নাছিল। ই কেৱল সত্যৰ উন্মেষণ কৰিছিল কোনো ধৰণৰ ছদ্মবেশ আৰু অস্পষ্ট ধাৰণা দিয়া নাছিল। তেওঁ কৈছিল যে 'It produces domains of objects and rituals of truth' ক্ষমতাৰ গুৰুত্ব বা তাৎপর্য ইয়াৰ চাৰিওফালৰ জগতৰ ওপৰত পৰা প্রভাৱৰ পৰ স্পষ্ট হৈ পৰিছিল। ই আনৰ আচৰণক প্রভাৱিত কৰে কিন্তু নিজেই কেতিয়াও প্রভাৱিত নহয়।

২ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰচাৰৰ বিশেষ গুৰুত্ব ৰালটাৰ লিপমেনৰ 'সন্মতিৰ নিৰ্মাণ' ধাৰণাত অন্তনিহিত হৈ আছিল বুলি চমস্কিয়ে ব্যক্ত কৰিছিল। লিপমেনে ১৯২০ চনত লিখিছিল যে প্ৰচাৰ জনপ্ৰিয় চৰকাৰ (Popular Government) ৰ নিয়মীয়া অস্ত্ৰ হৈ পৰিছিল সেয়ে ইয়াৰ গুৰুত্ব আৰু তাৎপৰ্য্য কমি গৈছিল। চমস্কিয়ে মুক্ত ব্যৱস্থাত কেনেদৰে প্ৰচাৰে সন্মতিৰ নিৰ্মাণৰ প্ৰক্ৰিয়া বা পদ্ধতিতো কাম কৰে সেয়া মূলত বিশ্লেষণ কৰিছিল আৰু এই প্ৰক্ৰিয়াটোত যে সম্পূৰ্ণ ৰূপে বজাৰ চেতনা আৰু শক্তিৰ প্ৰভাৱ আছিল তাক ব্যক্ত কৰিছিল। সন্মতি নিৰ্মাণৰ যি প্ৰক্ৰিয়া তাত প্ৰচাৰৰ দায়িত্বত যিসকলক নিযুক্তি দিয়া হৈছিল তেওঁলোকক পূৰ্বপৰিকল্পিতভাৱে নিযুক্তি কৰা হয়। বজাৰ আৰু ৰাজনৈতিক শক্তিয়ে তেওঁলোকক নিয়ন্ত্ৰণ কৰে আৰু সেয়েহে যিকোনো সীমাবদ্ধতা বা বাধা তেনে প্ৰচাৰৰ লগত জড়িত ব্যক্তিৰ ওপৰত আৰোপ কৰিব পাৰে।

এনে গণ মাধ্যম সমূহ বহু সময়ৰ পৰা সংযোগ আৰু বিনোদনৰ বাবে কাম কৰি আছিল। বৰ্ত্তমান এনে প্ৰচাৰ/গণ মাধ্যম সমূহক ডাঙৰ উদ্দেশ্যৰ হেতু ব্যৱহাৰ কৰা হয়। প্ৰচাৰৰ এক আৰ্হিৰ দ্বাৰা ব্যক্তিৰ মাজত এনে নীতি আৰু পৰম্পৰাৰ সৃষ্টি কৰিব বিচৰা হৈছিল যি এক বৃহত্তৰ সমাজৰ প্ৰতিষ্টানি গাঁথনি আৰু ধন সম্পত্তি তথা নিজস্বাৰ্থ সংঘৰ্ষক উদ্দেশ্য হিচাপে লৈ কাম কৰে।

চমস্কিয়ে ব্যক্ত কৰিছে যে যি সমূহ দেশৰ ক্ষমতা আমোলাতন্ত্ৰৰ (State bureaucracy) ৰ হাতত থাকে তাত গণ মাধ্যম/প্ৰচাৰৰ সম্পূৰ্ণ দখল চৰকাৰী চেন্সৰশ্বিপ ব্যৱস্থাৰ হাতত থাকে, যিয়ে গণমাধ্যমক অভিজাত বা প্ৰভাৱশালী গোষ্ঠীৰহে এক আহিলা হিচাপে পৰিণত কৰে।

গণ মাধ্যম বা প্ৰচাৰ মাধ্যম সমূহে যিকোনো বাতৰি ফিল্টাৰ কৰি বা ৰহণ সানি এটা পক্ষৰ লাভ হোৱাকৈ বাতৰিসমূহ জনসাধাৰণৰ মাজত প্ৰচাৰ কৰে। চমস্কিয়ে এই ফিল্টাৰ সমূহ তলত ভাগ কৰাৰ দৰে দেখাইছে ঃ

(ক) আকাৰ, কেন্দ্ৰীভূত মালিকীস্বত্ব, মালিকৰ সম্পদ আৰু প্ৰভাৱশালী গণমাধ্যম প্ৰতিষ্ঠানৰ লাভ অভিমুখীতা।

(খ) বিজ্ঞাপন গণমাধ্যমৰ আয়ৰ প্ৰধান উৎস।

(গ) গণমাধ্যমৰ চৰকাৰ, ব্যৱসায় আৰু অভিজ্ঞসকলৰ ওচৰত বিত্তীয় সাহায্য আৰু অনুমোদনৰ বাবে তথা শক্তি আৰু মৌলিক উৎসৰ তথ্যৰ বাবে নিৰ্ভৰশীল।

(ঘ) সমালোচনা হ'ল সংবাদ বা গণ মাধ্যমৰ অনুশাসনৰ উপায়।

(ঙ) 'anti communism'ক জাতীয় ধৰ্ম আৰু নিয়ন্ত্ৰণ ব্যৱস্থা হিচাপে গণ্য কৰা। গতিকে নিষ্কাষণৰ প্ৰক্ৰিয়াৰ দ্বাৰা সংবাদসমূহ জনগণৰ মাজলৈ নিয়া হয়। গতিকে সন্মতি নিৰ্মাণ যেতিয়া জনসাধাৰণৰ পৰা কৰা যিকোনো ক্ষেত্ৰতে তিতিয়া গণ মাধ্যমে উচ্চ শ্ৰেমীৰ অভ্ৰ হিচাপে কাম কৰে। যিকোনো বাতৰি উচ্চ শ্ৰেণীৰ পক্ষতেই

যাতে সন্মতি বা সঁহাৰি আহে তাৰ বাবে নিষ্কাষণ কৰি মানুহৰ মাজত প্ৰচাৰ কৰা হয়। আৰু ইয়াকেই সন্মতি নির্মাণ হিচাপে নামাকৰণ কৰা হয়।



১৪.৯ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ ফ'ক'ৰ ক্ষমতাৰ ধাৰণাটো আলোচনা কৰক।

প্ৰশ্ন ২ ঃ ফ'ক'ৰ 'জ্ঞানেই হৈছে শক্তি' ধাৰণাটো আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ চমস্কিৰ সন্মতি নির্মাণ ধাৰণাটো বর্ণনা কৰক।

প্ৰশ্ন ৪ ঃ ফ'ক'ৰ Panopticon ধাৰণাটো বর্ণনা কৰক।

প্ৰশ্ন ৫ ঃ চমস্কিৰ মতে ৰাষ্ট্ৰসমূহে কেনেকৈ প্ৰচাৰৰ আৰ্হিক ব্যৱহাৰ কৰে বর্ণনা কৰক।

*** ***** ***



REFERENCE

1) Agarwal, R.C, (2006). *Political Theory-Principles of Political Science*. New Delhi : S.Chand and Company, .

2) Baylis John and Smith Steve (2005). *The Globalization of World Politics*. USA: Oxford University Press

3) Callinicos Alex (2009). *Imperialism and Global Political Economy*. Cambridge: Polity Press.

4) Chandrasekhar,S, (2014). *Political Theory and Thought*. New Delhi : Astha Publishers and Distributors,.

5) Dutta. A.K (2011). *Political Theory, Issues, Concepts and Debate*. Guwahati: Arun Prakashan.

6) Francis Fukuyama, 1992, *The End of History and the Last Man*, viewed in https://ps321.community.uaf.edu>files on 20/12/2016

7) Gauba , O. P., (2012). *An Introduction to Political Theory.* New Delhi: Macmillan India Limited

8) Gutmann, Amy (1985): "Communitarian Critics of Liberalism" in *Philosophy & Public Affairs*, Vol. 14, No. 3, Summer, pp. 308-322. (

9) Heywood, Andrew (2004): *Political Theory - An Introduction (Third Edition).* New York: Palgrave Macmillan

10) Hill, Christopher (1971): *Lenin and the Russian Revolution*. London: Penguin Books

11) Johari, J. C. (2006): *Contemporary Political Theory*. Sterling Publishers Private Limited

12) Kymlicka, Will (2002): *Contemporary Political Philosophy*. New York:Oxford University Press.

13) Kymlicka, Will (1993): 'Appendix –I: Some Questions about Justice and Community', in Daniel Bell (ed) *Communitarianism and its Critics*. Oxford: Clarendon Press.

14) Lenin, V.I. : “Freedom to Criticize and Unity of Action” in *V.I. Lenin Collected Works*, 1965. Moscow: Progress Publishers.

15) Machpherson, C.B, (1973). *Democratic Theory: Essays in retrieval*. Clarendon Press, Oxford.

16) Macpherson, C.B. (2010): *The Political Theory of Possessive Individualism: Hobbes to Locke.* Canada:Oxford University Press

17) MacIntyre, Alasdair (1984) *After Virtue*. Notre-Dame: University of Notre Dame Press, 2nd edition.

18) Paul, Bowles (2007): *Capitalism* .London: Pearson Publications.

19) Sandel,Michael (1982): *Liberalism and the Limits of Justice*. New York: Cambridge University Press

20) Sharma,D.B and Sharma, Dipti (2011) *Political Theory*. Guwahati: Ashok Book Stall

21) Varma, SP (2006). *Modern Political Theory*. New Delhi: Vikas Publishing House Pvt Ltd.

22) Walzer, Michael (1984): *Spheres of Justice*: *A Defence of Pluralism and Equality.* USA: Basic Books.

****